সৈয়দ আব্দুল মালিক

# সত্যৰ পথেৰে
# শান্তিৰ ৰথেৰে
# মুক্তিৰ জয়যাত্ৰা

সত্যৰ পথেৰে

শান্তিৰ ৰথেৰে

# এজন পথিক

চৈয়দ আব্দুল মালিক

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্

কলেজ হোষ্টেল ৰোড

গুৱাহাটী — ৭৮১০০১

প্ৰকাশিকাঃ
কমেনা ৰহমান
ডিব্ৰুগড়

পৰিবেশকঃ
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
গুৱাহাটী— ৭৮১০০১
ভাৰতী বুক ষ্টল
গোলাঘাট— ৭৮৫৬২১

প্ৰথম প্ৰকাশঃ
মাৰ্চ, ১৯৯৩

প্ৰচ্ছদঃ
পূৰ্ণেন্দু পত্ৰী

মূল্য ঃ ৪০·০০ টকা

লেজাৰ ছেটাৰছ্ঃ
ডাটিছন্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী— ৭৮১০০১

মুদ্ৰক ঃ
ডায়নামিক প্ৰিণ্টাৰ্ছ
২৪-এ. বাগমাৰি ৰোড
কলিকতা-৫৪

কোনেও নেজানে কিমান দিন হ'ল। কোনেও ক'ব নোৱাৰে কেতিয়াৰ পৰা আছে।

ওপৰত পোহৰ আৰু উত্তাপৰ আকৰ সূৰ্য্য, যি দেখা দিয়াৰ লগে লগে ক'ৰবাত লুকাই পৰে আন্ধাৰৰ ওৰণিৰে গা-মুখ ঢাকি নিজৰ প্ৰভুত্ব বিস্তাৰ কৰি বহি থকা ৰাতি। নিতৌ আহে সূৰ্য্য যাৰ অহাৰ প্ৰতীক্ষাত ৰৈ থাকে সাগৰ, পৰ্ব্বত, মাটি, আকাশ আৰু অৰণ্য। সূৰ্য্য চিৰ ভ্ৰাম্যমান, গতিশীল এক দূৰণীয়া অতিথি, কাৰো কাৰণে ক'তো নৰয়, কিন্তু পোহৰ আৰু উত্তাপৰ মৰমেৰে সকলোকে চুই যায়, সকলোকে দি যায় আশা আৰু পোহৰৰ অন্তহীন আশীৰ্বাদ।

তলত বিচিত্ৰ পৃথিৱী— সাগৰৰ সীমাহীন নীল পানী। সেউজীয়া অৰণ্যই ঢাকি ৰখা ৰসাল মাটি আৰু টকলা পৰ্ব্বত আৰু শুকান শিলৰ বোজা মূৰত লৈ নিজৰ উচ্চতাৰ অহঙ্কাৰত থিয় হৈ থকা গহীন দুৰ্বিনীত শিলাময় পাহাৰ। মাজে মাজে খৰস্ৰোতা নদী, যাৰ ক'তো ৰ'বৰ সময় নাই। সাগৰৰ কানে কানে কিবা মনৰ গোপন কথা ক'ব লগা আছে। গতিকে উধাতু খাই বাউলি হৈ পিছলৈ ঘূৰি নেচাই কেৱল তলমূৰকৈ দৌৰে। ক'ৰবাত শ্যামলা পথাৰ, যাৰ পিঠিত সেউজী বোলেৰে ঋতুৰ তুলিকাই লিখি যায় বসন্ত-হেমন্ত, বৰ্ষা-শৰতৰ উমান চিঠি।

অতিথি সূৰ্য্যই সকলোকে চিনি পায়। সকলোৱে সূৰ্য্যক প্ৰণাম জনায়, আৰু সকলোকে মৰমী হাতেৰে সূৰ্য্যই পোহৰ আৰু উত্তাপৰ কোমল সঁহাৰি বিলাই যায়।

আৰু

আৰু আছে শ শ যোজন বিয়পি পৰি থকা তপত বালিৰ চাপৰি, সাগৰ-উপসাগৰ, নদী-জলাশয়ৰ এই বহল বালিচাপৰিবোৰলৈ যেন কিমান এৰাব নোৱৰা মৰম। বালিয়ে পানীক ধৰি ৰাখিব নোৱাৰে। তথাপি পানীয়ে

বালিৰ চাপৰিক দুয়োহাতে সাবটি আগুৰি ৰাখে। মৰুভূমি সমুদ্ৰৰেই সন্তান, সাগৰৰ তলিৰ পৰাই, সাগৰৰ বুকুৰ পৰাই জানো জন্ম হোৱা নাই। শুকান বালিয়ে ঢাকি ৰখা মৰুভূমিৰ, বিয়াবানৰ, চাহাৰাৰ, কণ কণ, গুৰি গুৰি বালিৰ কণাবোৰ কেতিয়া সমুদ্ৰগৰ্ভৰ পৰা বাহিৰ ওলাই আহি একে ঠাইত গোট খালেহি, পানীৰ লগত সম্পৰ্ক শেষ কৰি মাটিৰ প্ৰকৃতি লৈ সূৰ্য্যৰ আলোক আৰু উত্তাপৰ লগত যুগমীয়া সমন্ধ পাতি বিয়াবান হ'ল, চাহাৰা হ'ল, মৰুভূমি হ'ল, তাৰ ইতিহাস মহাকালৰ বাহিৰে, সূৰ্য্যৰ বাহিৰে, সমুদ্ৰৰ বাহিৰে আন কোনেও ক'ব নোৱাৰে। সেইয়া অলিখিত ইতিহাসৰ কথা। হয়তো এয়া হেজাৰ বছৰ পুৰণি, হয়তো এশ লাখ বছৰৰ পুৰণি, হয়তো সূৰ্য্য আৰু সমুদ্ৰৰ সমানেই পুৰণি। কোনেও নেজানে, আনকি হয়তো মৰুভূমিৰ বালিকণাবোৰেও নেজানে, কেতিয়া কিমান লাখ বছৰৰ আগত জীৱনৰ অন্বেষণকাৰী কোন প্ৰাণীৰ ভৰি-খোজ প্ৰথম পৰিছিল এই শুকান বালিৰ চাপৰিত। কি ৰত্নৰ ভাণ্ডাৰ বিচাৰি জীৱনৰ ৰস— 'আবে হায়াত' বিচাৰি, কোনে এনে প্ৰাণীহীন মৰুলৈ প্ৰথম যাত্ৰা কৰিছিল। কোন কেতিয়া, কিহৰ অন্বেষণত ক'লৈ যাবলৈ আহি, ভাগৰি জুগৰি এই আদি-অন্তহীন বালিচাপৰিত বৈ গৈছিল। পৃথিৱীৰ কোনো ইতিহাসেই সেই ইতিহাস নেজানে। মাত্ৰ ইমানকে জানে যে ইয়াত উট, ভেড়া, কুকুৰ, এন্দুৰ মেকুৰী, কোকলোঙা আৰু নাম নোহোৱা তেনে প্ৰাণী আৰু মানুহ নামৰ প্ৰাণী এবিধ আহি বসবাস কৰিবলৈ লোৱাৰ বহু লাখ বছৰৰ পূৰ্ব্বৰ পৰা আছিল এই মৰুভূমি, এই বালিময়, শুকান প্ৰান্তৰ, অভ্যাগতহঁতক দিবলৈ যাৰ একো নাছিল, আছিল কেৱল এখন বালিময় প্ৰশস্ত বহল বুকু। ফল-ফুল, গছ-লতা, নৈ-নিজৰা একো নেথাকিলেও, অবাধ মুক্তি, অবাধ সূৰ্য্যলোক, অবাধ দক্ষিণা-বায়ু আৰু আশ্ৰয়ৰ সম্ভাৱনাৰে সমৃদ্ধ মৰুভূমিৰ আহ্বান কাৰোবাৰ হৃদয়ৰ কোনোবা কোণত বৈ বৈ বাজি উঠিছিল আৰু সেই আহ্বানক উপেক্ষা কৰিব নোৱাৰি সেই অঘৰী পথছাৰীহঁত বৈ গছিল— সেই বালিৰ দেশত, সেই চাহাৰাত, সেই মৰুভূমিত, হয়তো য'ত প্ৰথমে সিহঁত বৈ গৈছিল তাত থিয় দি আছিল দুজোপা কাঁইটীয়া খেজুৰ গছ, হয়তো ক'ৰবাত আছিল এডোঙা শীতল পানী, হয়তো আছিল একোটা আন্ধাৰ গুহা, আন্ধাৰ ৰাতিৰ দৰেই ৰহস্যময় নিবিড় আচহুৱা, কিন্তু বিশ্বস্ত।

এনেকুৱাই এখন বালিৰ দেশ আৰব। সূৰ্য্যদগ্ধ বালিয়ে ৰচনা কৰা এছিয়া মহাদেশৰ দক্ষিণ পশ্চিমত অৱস্থিত এটা বৃহদায়তন উপদ্বীপ। এই আৰব উপদ্বীপৰ উত্তৰে চিৰিয়াৰ মৰুদেশ, পূবে পাৰস্য উপসাগৰ, দক্ষিণে ভাৰত মহাসাগৰৰ বিশাল জলভাগ আৰু পশ্চিমে লোহিত সাগৰ। এই মৰুদেশৰ অৱস্থান এছিয়া, ইউৰোপ আৰু আফ্ৰিকা— এই তিনি মহাদেশৰ সংযোগৰ স্থলত। আমেৰিকা আৰু অষ্ট্ৰেলিয়া মহাদেশ আৱিষ্কাৰ হোৱাৰ আগলৈকে আৰব ভূখণ্ডক তেতিয়াৰ পৃথিৱীৰ কেন্দ্ৰস্থল বুলি বিবেচনা কৰা হৈছিল। মেচ'পটেমীয়া আৰু চিৰীয়াৰ সমতলো মৰুময়। সেই বিবেচনাৰে সেইটো ভূখণ্ডকো ভূতাত্ত্বিকভাৱে আৰব উপদ্বীপৰ অঙ্গ বিশেষ বুলি ধৰিব পৰা যায়, আৰববাসীসকলৰ মতে, তেওঁলোকৰ ভাষাত এই গোটেই ভূখণ্ডই হৈছে আৰব উপদ্বীপ— জিৱাতুল আৰব। তিনিফালে সাগৰ— এফালে মাটি— ইয়াৰ আৰেষ্টনীৰ মাজৰ মৰুখণ্ড পৃথিৱীৰ অন্য ভাগৰ পৰা কিছুদূৰ নিলগীয়া, স্বতন্ত্ৰ।

মাইলৰ জোখেৰে আৰব উপদ্বীপৰ আয়তন দহ লাখ সাতাইশ হেজাৰ বৰ্গ মাইল। দীঘলে পোন্ধৰ শ মাইল আৰু পথালিয়ে ছশ মাইল। এই হিচাপে ইয়াৰ আয়তন বাৰ লাখ বৰ্গ মাইল। ইউৰোপ মহাদেশৰ প্ৰায় চাৰিভাগৰ এভাগ। আৰবৰ প্ৰায় তিনিভাগৰ এভাগ ঠাই বালিময় শুকান মৰুভূমি। আৰবসকলে এই মৰুভূখণ্ডক প্ৰধানতঃ তিনিভাগত বিভক্ত কৰিছে— এক- আল্ নকুদ; দুই- আল্ দাহানা, তিনি- আল্ জাব্ৱাহ। উত্তৰ আৰবৰ সৰহখিনি ঠাই জুৰি থকা মৰু অঞ্চল আল্ নকুদ। এই অঞ্চল সাধাৰণতে শুকান থাকে। মাজে মাজে শীতকালত অলপ বৰষুণ দিয়ে, গতিকে ইয়াত কিছু গছ-বন গজে।

পশ্চিমৰ আল্ নকুদৰ পৰা প্ৰায় ছশ মাইল জোৰা আল্ ৰবিউল খালীটো। এই অঞ্চল লোহিত-সাগৰৰ পাৰৰ বালিময় অঞ্চল, মাজে মাজে ইয়াত বৰষুণ হয়। কিন্তু গৰম ঋতুত সাধাৰণতে ইয়াত কোনো জীৱজন্তু থাকিব নোৱাৰে। ই খালী বা শূন্য পৰি থাকে, আৰব উপদ্বীপৰ মাজভাগ আৰু পশ্চিমৰ অংশ আল্ আব্ৱাহ। ইয়াৰ ভূগৰ্ভত আগ্নেয়গিৰি থকাৰ কথা ১২৫৬ চনলৈকে জানিব পৰা হোৱা নাছিল। উত্তৰ আৰব খণ্ডৰ সৰহভাগ বালিময় মৰুভূমি। মাজে মাজে দুই-এখন ওৱেছিছ বা মৰুদ্যান আছে। তাত জনবসতি আছে। মাজ আৰবৰ আল্ দাহানা খণ্ডও মৰুময়। তথাপি এইটো অঞ্চলত বহুত প্ৰাচীন

কালৰ পৰা মানুহে বসবাস কৰিছিল আৰু ইয়াতে সৰু-ডাঙৰ কেইখনমান নগৰ গঢ়ি উঠিছিল। ইয়াৰ প্ৰধান তিনিটা খণ্ড— হিজাজ, নজদ্ আৰু আল্ আহ্সা। উপকূলৰ ফালে থকা হিজাজৰ ভূখণ্ড খেতিৰ কাৰণে উপযোগী ঠাই। এই হিজাজতেই অৱস্থিত বিশ্ববিখ্যাত মক্কা, মদিনা আৰু তায়েফ। ইয়াৰ প্ৰধান বন্দৰ জেদা আৰু ইয়েনবু। দক্ষিণ আৰবৰ প্ৰধান ঠাইসমূহ হ'ল ইয়েমেন, হাজাৰামতত আৰু ওমান। এইটো অঞ্চল খেতিৰ উপযোগী। ইয়াৰ জনবসতি বৰ ঘন, আৰু ই বিভিন্ন বাণিজ্যৰো কেন্দ্ৰস্থল, আৰবৰ ভিতৰতেই এই অঞ্চলৰ মাটি অতিশয় সাৰুৱা। এই অঞ্চলটো বৰ সমৃদ্ধ অঞ্চল আছিল। আগৰ দিনত এই অঞ্চলক আৰবৰ সৌভাগ্য বুলি গণ্য কৰা হৈছিল।

গোটেই আৰব ভূখণ্ডৰ জলবায়ু অতি কঠোৰ। জনবসতি থাকিলেও বৰষুণ অতি সামান্য হোৱাৰ কাৰণে আৰু সূৰ্য্যৰ উত্তাপ অতি বেছি হোৱাৰ কাৰণে ইয়াত জীৱন নিৰ্বাহ কৰাটো অতিশয় কষ্টসাধ্য আৰু অস্বস্তিকৰ। ইয়াৰ ভূভাগ সমভূমি নহয়; ওখ-চাপৰ মাটি খৰাং আৰু সাৰহীন আৰু নিৰস, শুকান, দক্ষিণ আৰবত ভূমধ্য সাগৰীয় জলবায়ুৰ কাৰণে আৰু মাজ আৰবত মৌচুমী বায়ুৰ কাৰণে কিছু বৰষুণ হয়। তাৰ মাজতেই মানুহ থাকে যদিও পৰিবেশ জীৱনৰ কাৰণে বৰ অনুকূল নহয়। শুকান পৰিবেশৰ কাৰণেই ইয়াৰ বাসিন্দাসকল সাধাৰণতে বৰ কষ্টসহিষ্ণু যদিও বৰ উগ্ৰ আৰু ৰুক্ষ প্ৰকৃতিৰ। প্ৰচুৰ কায়কষ্টৰ বিনিময়ত আৰ্জ্জন কৰা সামগ্ৰী প্ৰচুৰ নহয়, কম। সেয়ে প্ৰায়বোৰ মানুহ কিৰ্পিন আৰু কিছু স্বাৰ্থপৰ। মানুহবোৰ বিভিন্ন অঞ্চলত থুপ খাই সংগ্ৰাম কৰি জীয়াই থাকে। গোত্ৰ আৰু সৰু সৰু সম্প্ৰদায়ত বিভক্ত হৈ থাকে। গতিকে এক বৃহত্তৰ সাৰ্ব্বজনীন জাতীয়ভাব গঢ় লৈ উঠাৰ অনুকূল পৰিবেশ ইয়াত সৃষ্টি নহয়। দেশপ্ৰেমৰ ভিত্তিত জাতীয়তাৰ মনোভাব গঢ় লৈ উঠাৰ অন্তৰায় হ'ল মানুহবোৰৰ স্থায়ী স্থিতিহীনতা। দেশৰ ভিতৰভাগত ক'ৰবাত খাল-দোং থাকিলেও ডাঙৰ নদী আদি নাই। য'তেই পানী আছে, তাৰেই মাটি বৰ সাৰুৱা, তাত শাক-পাত, গছ-গছনি হয়। তাত ফল-মূলৰ গছ হয়, খেজুৰ গছ, নীলৰ গছ হয়, কফিৰ গছো হয়। কেউফালে সাগৰ ঘেৰি থাকিলেও জলপথেদি ব্যৱসায়-বাণিজ্য কৰিবৰ কাৰণে সুবিধাজনক বন্দৰ বা পোতাশ্ৰয় নাই। গতিকে উত্তৰৰ স্থলপথেদি ব্যৱসায়-বাণিজ্য কৰাৰ বাহিৰে আৰববাসীৰ গত্যন্তৰ নাছিল।

খেজুৰেই ধনী-দৰিদ্ৰ, উচ্চ-নীচ নিৰ্ব্বিশেষে সকলো আৰববাসী লোকৰ

সম্মানিত প্ৰিয় খাদ্য। খেজুৰেই আৰবৰ প্ৰধান আহাৰীয়, হয়তো অন্যান্য মূল্যবান গছ প্ৰায় নথকাৰ কাৰণে বিৰিখৰ ৰাণী আখ্যা দিয়ে। খেজুৰ গুটিৰ মাংস ভাগ মানুহৰ আহাৰীয়, তাৰ ভিতৰৰ টান গুটিটো খুন্দি গুৰি কৰি উটক খুউৱা হয়। খেজুৰ গছৰ গাৰ পৰা উলিওৱা তাৰী আৰবসকলৰ প্ৰিয় পানীয়। গা-গছ ডালেৰে কঠ ঢাৰী সজা হয়। শুকান খেজুৰ গছ খৰি হয়। খেজুৰৰ বাকলিৰ আঁহ উলিয়াই তাৰ ৰছি বটা হয়। খেজুৰ গছৰ একোৱেই পেলনি নেযায়। তপত ৰ'দৰ দেশত খেজুৰ গছৰ ছাই দেহাৰ জিৰণীৰ অৱলম্বনৰ যোগান ধৰে। আৰবীৰ জীৱন নিৰ্ব্বাহৰ কাৰণে উট আৰু খেজুৰ গছ সমানেই মূল্যবান।

ইয়েমেনৰ সাৰুৱা মাটিত ঘেহু আৰু কফি হয়। ওমানৰ কোনো কোনো ঠাইত ধান আৰু জোৱাৰৰ খেতি হয়। হাজৰামাটিত সুগন্ধী ধূৰ্নাগছ হয়। মৃগনাভি, আঁতৰ লোবান বা ধূনা আৰবসকলৰ অতিশয় প্ৰিয় বস্তু। আগতে আছিল, আজিও আছে।

আজিৰ আৰব জাতৰ সমৃদ্ধি আৰু সৌভাগ্যৰ মূলত আছে খাৰুৱা তেল, পেট্ৰ'ল, প্ৰাচীন কালত আৰব দেশৰ কিছুমান ঠাইত ভূগৰ্ভস্থ খনিজ সম্পদৰ প্ৰাচুৰ্য্য আছিল। প্ৰাচীন কালত ইয়েমেনত আৰু মধ্য আৰবৰ কিছুমান ঠাইত সোণ, মুক্তা আৰু লোণ পোৱা গৈছিল। আৰববিদ মকদেছী আৰু হামদানীৰ মতে খৃষ্টীয় তৃতীয় হিজৰীত আৰবত ইমান সোণ পোৱা গৈছিল যে সেই সোণ শোধন কৰাৰ প্ৰয়োজনেই নহৈছিল। (আহ্চানতত্তাকচীম, চিফাতে জজীৰাতুল আৰব আদি গ্ৰন্থ) অন্য ক্ষেত্ৰত প্ৰয়োজনীয় দ্ৰব্যৰ অভাৱ থাকিলেও সোণৰ প্ৰাচুৰ্য্যই সেই অভাৱ বহুত দূৰ কৰিছিল।

ঘৰুৱা সম্পদৰ ভিতৰত উট, ঘোঁৰা, ভেড়া, আৰু ছাগলীয়েই আছিল আৰববাসীৰ প্ৰধান পোহনীয়া জন্তু। মৰুভূমিৰ জাহাজ উটেই আছিল আৰবসকলৰ যাতায়াতৰ মূল বাহন আৰু মূল্য বিনিময়ৰ একমাত্ৰ মুদ্ৰা। উটেৰে ৰক্তপাতৰ মূল্য দিয়া হৈছিল, উটক পণ ৰাখি জুৱাৰীয়ে জুৱা খেলিছিল। জিকিলে উট লাভ কৰিছিল, যিজন ছেখৰ উটৰ সংখ্যা যিমানে বেছি হয়, তেওঁক সিমান ধনী বুলি গণ্য কৰা হৈছিল।

বেদুইনবিলাকৰ কাৰণে উটেই আছিল সৰ্ব্বস্ব, উট পথৰ হস্তী, যাতায়তৰ বাহন। তেওঁলোকে উটৰ মাংস খায়, উটৰ গোবৰ শুকুৱাই জুই

ধৰে, উটৰ চালেৰে তম্বু সাজে, উটৰ গাৰ নোমেৰে পছমী কাপোৰ তৈয়াৰ কৰি পিন্ধে। বেদুইনে পানীৰ নাটনিৰ ঠাইত দূৰণীৰ ক'ৰবাৰ পৰা পানী বিচাৰি আনি নিজে নেখাই উট, ভেড়া, ঘোঁৰা আদিক পানী খুৱায়, আৰু নিজে পানীৰ সলনি উট, ভেড়া আদিৰ গাখীৰ খীৰাই খায়।

আৰবী ঘোঁৰা গতিবেগৰ কাৰণে আৰু শক্তিৰ কাৰণে জগদ্বিখ্যাত। খ্ৰীষ্টীয় অষ্টম-নৱম শতিকাত আৰবৰ ঘোঁৰা পৃথিৱীৰ বহু দেশলৈ ৰপ্তানী কৰা হৈছিল। যুদ্ধৰ কাৰণে ঘোঁৰা অপৰিহাৰ্য্য আছিল। আৰু আৰবী ঘোঁৰাৰ অভিযানকাৰীসকলে দূৰ-দূৰণীলৈ জয়যাত্ৰা কৰিছিল। আধুনিক যন্ত্ৰযান ওলোৱাৰ পিছতো আৰব দেশত ঘোঁৰাৰ মূল্য বা আদৰ হ্ৰাস পোৱা নাই। ছাগলী আৰু ভেড়া আজিও আৰববাসীৰ আদৰৰ সম্পত্তি হৈ আছে। অৱশ্যে আৰব ভূমিৰ মাটিৰ তলত থকা তেলৰ সমুদ্ৰ আৱিষ্কাৰ হোৱাৰ পিছত পেট্ৰ'ল চালিত মটৰ-গাড়ী, বাছ, ট্ৰাক আদিৰ প্ৰাচুৰ্য্যই উট আৰু ঘোঁৰাৰ চাহিদা বাহন হিচাপে কিছু কমাইছে।

'আৰব' শব্দটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন অভিমত আছে। কোৱা হয় যে প্ৰাচীন কালত হিজাজ অঞ্চলৰ ভিতৰৰ তাৱামা প্ৰদেশৰ ওচৰত আৰাবা নামে এডোখৰ ঠাই আছিল। আৰব শব্দটোৰ উৎপত্তি এই আৰাবা শব্দটোৰ পৰা হোৱা বুলি বহুতে মত প্ৰকাশ কৰে।

আন এটা মত অনুসৰি দক্ষিণ আৰবৰ জনসমষ্টিৰ কাল্পনিক আদি পুৰুষ আছিল বাহ্তান নামৰ এজন মানুহ। বাহ্তানৰ পুতেকৰ নাম আছিল ইয়াৰব, এই ইয়াৰব শব্দৰ পৰাই আৰব শব্দৰ উৎপত্তি হৈছে।

অন্য এটা মত অনুসৰি হিব্ৰু ভাষাত এটা শব্দ আছে আৱহাৰ (Abhar), আৰব বুলিলে যি বুজায় আৱহাৰ বুলিলেও তাকে বুজায়। গতিকে মৰুভূমি বুজোৱা হিব্ৰু আৱহাৰ আৰু আৰবী আৰব শব্দৰ মূল একেটাই। পছিমীয়া লিখকসকলে আৰবসকলক চাৰাচিনি (Saracini) বোলে। চাৰাচিনিৰ অৰ্থও মৰুভূমি। চাৰাচিনি শব্দটো চাহাৰা শব্দৰ পৰা ওলোৱা। মুঠতে মৰুভূমি বা মৰুময় দেশ হোৱাটোৱেই আৰবৰ মুখ্য পৰিচয়। মৰুভূমি বুজোৱা বিভিন্ন ভাষাৰ নামেৰে আৰব ভূখণ্ডৰ চিনাক্তকৰণ কৰা হয়। আৰবৰ অন্য যি পৰিচয়েই নেথাকক এখন বিশাল বিস্তীৰ্ণ মৰুভূমি হোৱাটোৱেই আৰবৰ মূল পৰিচয়।

বাইবেল আৰু কোৰাণত হজৰত নূহ (Noah) নামৰ এজন নবীৰ নাম আৰু কাহিনীৰ বিৱৰণ পোৱা যায়। এই নবীজনাৰ দিনতে এটা প্ৰলয়ংকৰী বানপানীয়ে তোতিয়াৰ মধ্য এছিয়াৰ এক বিৰাট অঞ্চল প্লাবিত কৰিছিল বুলি উল্লেখ আছে। আৰু প্ৰাণীবোৰক ৰক্ষা কৰিবৰ কাৰণে হজৰত নূহে এখন ডাঙৰ জাহাজ আনিছিল বুলিও কথিত আছে।

এই হজৰত নূহৰে পুতেক আছিল হজৰত ছান, দক্ষিণ-পশ্চিম এছিয়াৰ আৰব অঞ্চলত থকা বেবিলন আছিৰীয়া, পাৰ্চী, ফিনিছিয়া, মিছৰ আৰু মেচ'পটেমীয়াত যি এক সভ্যতাই গঢ় লৈ উঠিছিল, সেই সভ্যতাক চেমিটিক সভ্যতা (Semitic Civilisation) বুলি চিনাক্ত কৰা হয়। হজৰত ছানৰ নাম অনুসৰিয়েই এই সভ্যতাই চেমিটিক সভ্যতা বুলি স্বীকৃতি লাভ কৰিছিল। ছানৰ বংশধৰসকলেই এই ভূখণ্ডৰ বিভিন্ন অঞ্চলত চেমিটিক সভ্যতাৰ প্ৰতিষ্ঠা আৰু বিকাশ ঘটাইছিল। পিছলৈ এই সভ্যতা বিভিন্ন ঠাইত বিয়পি পৰিছিল। পশ্চিমে লোহিত সাগৰৰ সিপাৰৰ নীল নদীৰ পৰা উত্তৰ-পূবে পাৰস্যৰ টাইগ্ৰীচ নদীৰ পাৰলৈকে এই বিশাল ভূখণ্ডত বিভিন্ন যুগত বিভিন্ন জনসমষ্টিয়েই বসবাস কৰিছিল আৰু তাত বিভিন্ন সভ্যতা-সংস্কৃতিৰ উত্থান-পতন ঘটিছিল। আৰব আছিল সভ্যতাৰ এনে অভ্যুত্থানৰ লীলাভূমি।

আৰবসকলৰ মতে আৰববাসী লোকসকল প্ৰধান তিনিটা ভাগত বিভক্ত আছিল— আৰব ৱাইদা, বানু ফাহতান বা আৰব আৰিবা, আৰু আৰব মুস্তাৰিবা। আৰব ৱাইদাসকল আছিল আৰবৰ আদিম অধিবাসী। ৱাইদা বা ৱাদিয়া মানে অৰণ্য। অৰণ্যবাসী এই ৱাদিয়াসকলেই বেদুইন বুলি জনাজাত। আদ, জাদি, তহমুদ আদি গোষ্ঠীবোৰ এই বেদুইন মূলৰ লোক। পিছলৈ অন্যান্য গোষ্ঠীৰ লোকে এওঁলোকক বশীভূত কৰে।

দ্বিতীয় জাতিটো হ'ল বানু ফাহতান গোষ্ঠীৰ লোকসকল। তেওঁলোক দক্ষিণ আৰবৰ ইয়েমেনত বাস কৰিছিল। সেইদেখি তেওঁলোকক য়মনী, ইয়েমেনী বা হিমাৰী বুলিও জনা যায়। এই জনসমষ্টিক প্ৰকৃত আৰব বা 'আৰব আৰিবা' বুলিও জনা যায়। তৃতীয় আৰব জাতি হৈছে উত্তৰ-আৰবৰ অধিবাসী। আৰব মুস্তাৰিবাসকল। এওঁলোক হজৰত ইব্ৰাহীমৰ পুত্ৰ হজৰত ইছমাইলৰ বংশধৰ বুলি জনা যায়। হজৰত ইছমাইলৰ আদ্নান নামে এজন পুতেক আছিল

আৰু নিজাৰ আৰু মুদাৰ নামে দুজন বংশধৰ আছিল। ইছ্‌মাইল বংশজাত লোকসকলে এই পূৰ্বপুৰুষসকলৰ নাম অনুসৰি নিজকে আদ্‌নানী, নিজাৰী, তথা মুদাৰী (The Adhnanities, The Nizarites, The Mudharites) বুলিও নিজৰ চিনাকি দিয়ে। হজৰত মোহম্মদৰ (দ:) বংশ কুৰেইছ এই ইছ্‌মাইলী সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত আছিল।

আৰববাসী লোকসকলক ঘাইকৈ দুটা ভাগত ভগাব পাৰি, মুঠ জনসংখ্যাৰ প্ৰায় ৮০ শতাংশ লোক মৰুভূমিত বসবাস কৰা আহ্‌লুল বাদিয়া বা মৰুভূমি নিবাসী বেদুইনসকল আৰু বাকী নগৰবাসী লোকসকল। বেদুইন লোকসকল বিভিন্ন গোত্ৰত বিভক্ত। পৰিবাৰবোৰ সৰু। পিতৃজনেই পৰিবাৰৰ নেতা। স্ত্ৰী, সন্তান আৰু দাস-দাসী লৈয়ে একোটা পৰিয়াল। এনেকুৱা কেইটামান পৰিয়াল লৈয়ে একোটা কঠীলা বা গোত্ৰ গঠিত হয়। পৰিয়ালৰ মুখিয়ালসকলে গোত্ৰৰ নেতা নিৰ্ব্বাচন কৰি লয়। গোত্ৰৰ প্ৰধানজনক 'ছেখ' বোলা হয়। সাধাৰণতে বয়সস্থ, অভিজ্ঞতা সম্পন্ন, সাহসী আৰু বীৰত্ব আৰু নেতৃত্ব দান কৰিব পৰা লোকজনকে 'ছেখ' নিৰ্ব্বাচিত কৰা হয়।

বেদুইনসকলে সদায় একে ঠাইতে থাকিবলৈ ভাল নেপায়। মুকলিমূৰীয়া হৈ য'লৈকে মন যায় যোৱা, য'তে মন যায় থকা স্বভাৱটো যাযাবৰ বেদুইনসকলৰ এটা বিশেষত্ব। তেওঁলোকৰ কোনো ঠাইৰ প্ৰতি স্থায়ী বা বিশেষ আকৰ্ষণ নাই। এঠাইৰ পৰা অন্য এঠাইলৈ যেতিয়া যায়গৈ তেতিয়া নিজৰ সা-সম্পত্তি, বয়বস্তু, ছাগলী, উট সকলো লগতে লৈ যায়। য'তেই মন যায়, য'তেই সুবিধা যেন পায় তাতেই বেদুইনবিলাকে তম্বু তৰি থাকিবলৈ লয়। ভেড়া, ঘোঁৰা, উট পোহা, চিকাৰ কৰা, ডকাইতি কৰা আৰু ঠাই সলাই ফুৰা— এইয়ে যাযাবৰ বেদুইনৰ জীৱন-ধাৰণৰ ৰীতি। খেতি-বাতি, বেহা-বেপাৰ তেওঁলোকৰ পেছা নহয়, হাই-কাজিয়া কৰা, কাৰোবাক আক্ৰমণ আঘাত কৰা, ডকাইতি লুট কৰাৰ মাজতে বেদুইনে বীৰত্ব আৰু পৌৰুষৰ সোৱাদ পায়। আক্ৰমণ কাৰবৰ কাৰণে কোনো সমকক্ষ প্ৰতিপক্ষ বা বিৰোধী বিচাৰি নেপালে বেদুইনে নিজৰ মাজতে দন-খৰিয়াল, কটাকটি মৰামৰি কৰে। এনে হোৱা সত্ত্বেও বেদুইনৰ গোষ্ঠী-প্ৰীতি বৰ দৃঢ় আৰু গভীৰ। গোষ্ঠীটো বা পৰিয়ালটোৱেই বেদুইনৰ জাতি, তাক ৰক্ষা কৰিবৰ কাৰণে বেদুইনবিলাক সদায় আনৰ লগত

যুঁজ কৰিবৰ কাৰণে প্ৰস্তুত, গোত্ৰ বা গোষ্ঠীপ্ৰীতি মানেই বেদুইনৰ দেশপ্ৰেম, জাতীয়ত্ব। বেদুইনৰ সমাজখন গোত্ৰভিত্তিক, গোত্ৰৰ স্বাৰ্থ আৰু সন্মান ৰক্ষা কৰিবৰ কাৰণে যি কোনো ত্যাগ কৰিবৰ কাৰণে নিজক সদায় সাজু ৰাখে। ইছলাম ধৰ্ম্মৰ অভ্যুত্থানৰ আগলৈকে প্ৰধানত: গোষ্ঠী মৰ্য্যাদা আৰু গোষ্ঠী স্বাৰ্থ ৰক্ষাৰ কাৰণেই বেদুইনবিলাকে সদায় কাৰোবাৰ লগত যুঁজ কৰিছিল।

এটা মহৎ গুণ বেদুইনবিলাকৰ আছিল— অতিথি পৰায়ণতা। আশ্ৰয় বিচাৰিলে সাত শত্ৰুকো বেদুইনে আশ্ৰয় দিছিল আৰু নিজৰ ক্ষতি কৰিও আশ্ৰিতক ৰক্ষণাবেক্ষণ দিছিল। এজন বেদুইনৰ কাৰণে নিজৰ গোষ্ঠী বা গোত্ৰ বা পৰিয়ালটোৱেই আছিল দেশ, জাতি, ৰাষ্ট্ৰ সকলোতকৈ বেছি আপোন। বেদুইনৰ সকলো দৈহিক, মানসিক শক্তি নিয়োগ কৰা হৈছিল নিজৰ গোষ্ঠী বা সম্প্ৰদায়টোৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে।

নগৰবাসী আৰবসকল যাযাবৰ নাছিল। ঠাই বিশেষত তেওঁলোকে স্থায়ী আৰু এক শৃংখলাবদ্ধ জীৱন-যাপন কৰিছিল। খেতিবাতি, বেহা-বেপাৰ কৰি তেওঁলোকে জীৱন-যাপন কৰিছিল। দূৰ-ওচৰৰ, দেশ-বিদেশৰ লগতো তেওঁলোকৰ বাণিজ্যিক সম্পৰ্ক আছিল। তেওঁলোক সম্পত্তিবান, সুসভ্য আৰু মাৰ্জিত ৰুচিৰ লোক আছিল। আৰু সেয়ে তেওঁলোক শাসন ক্ষমতাৰ অধিকাৰী হ'ব পাৰিছিল। যুদ্ধ-বিগ্ৰহত তেওঁলোকেই সেনাপতিত্ব কৰিছিল। তেওঁলোক যুদ্ধৰ কাৰ্য্য পৰিচালনাত দক্ষ আছিল আৰু প্ৰধানতঃ বেদুইন সৈন্য লৈ গঠিত হোৱা সৈন্য-বাহিনীৰ পৰিচালনা সফলভাৱে কৰিছিল। নগৰ বিশেষত থোপ খাই থাকিবলগীয়া হোৱাৰ কাৰণে আৰু ব্যৱসায়সূত্ৰত অন্য লোকৰ লগত যোগাযোগ ৰক্ষা কৰি চলিবলগীয়া হোৱাৰ কাৰণে তেওঁলোক কিছুদূৰ উদাৰমনা আৰু সংস্কাৰমুক্ত আছিল আৰু এক সংস্কৃতিৰো পৃষ্ঠপোষক আছিল। প্ৰকৃতি, জলবায়ু, পৰিবেশ পৰিপাৰ্শ্বই নগৰবাসীয়েই হওক বা যাযাবৰ বেদুইনেই হওক, আৰবসকলক এক বিশিষ্ট কায়িক আৰু মানসিক বিশেষত্বৰ অধিকাৰী কৰি গঢ়ি তুলিছিল। একমাত্ৰ খনিজাত সোণৰ বাহিৰে অন্য বিশেষ সম্পদ একো নথকাৰ কাৰণে ইউৰোপীয় অভিযানকাৰী আৰু বিজেতাসকলে আৰব দেশ জয় কৰাৰ কাৰণে বিশেষ প্ৰয়োজন উপলব্ধি কৰা নাছিল। এই বাবে আৰবদেশ যুগে যুগে মুক্ত আৰু স্বতন্ত্ৰ আছিল। আৰু আৰববাসী লোকসকলো মুকলিমূৰীয়া

আৰু স্বাধীনচেতা আছিল। মৰুভূমিত বসবাস কৰি এক কষ্টকৰ কঠিন জীৱন যাপন কৰাত অভ্যস্ত আৰবসকল কৰ্মঠ, কষ্টসহিষ্ণু আৰু আত্মনিৰ্ভৰশীল আছিল। সকলো সময়তে আৰবসকল আত্মৰক্ষাৰ কাৰণে যুঁজিবলৈ সাজু আছিল। আত্মমৰ্য্যাদাবোধ আৰবসকলৰ এক বিশেষত্ব আছিল। আৰবৰ ইতিহাস প্ৰণেতা হিট্টীৰ ভাষাত: "আলেকজাণ্ডাৰে যদিও আৰব দেশক নিজৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰিছিল, তথাপি আৰবসকলেই একমাত্ৰ লোক আছিল যি আলেকজাণ্ডাৰৰ ওচৰলৈ কোনো দূত প্ৰেৰণ কৰা নাছিল। মহাপ্ৰতাপী অভিযানকাৰী আলেকজাণ্ডাৰলৈও ভয় নকৰা এই আৰব জাতিটোৰ আত্মমৰ্য্যাদাৰ ই এটা প্ৰত্যক্ষ উদাহৰণ।"

## ইছলামৰ পূৰ্ব্বৰ আৰবদেশ

হজৰত মোহম্মদে (দ:) প্ৰৱৰ্ত্তন কৰা ইছলাম ধৰ্মই যি যুগান্তকাৰী পৰিৱৰ্ত্তন আৰববাসীৰ জীৱনলৈ আনিলে তাৰ লগত ৰিজাই চালে তাৰ পূৰ্ব্বৱৰ্ত্তী কালছোৱাক অজ্ঞতাৰ যুগ বা অন্ধতাৰ যুগ বুলি আখ্যায়িত কৰাত কোনো অতিশয়োক্তি থকা বুলি ক'ব নোৱাৰি। প্ৰাক ঐছলামিক আৰবৰ সেই সময়ছোৱাক মুছলিম ইতিহাসবিদসকলে আখ্যা দিছে 'আইয়ামে জাহিলিয়া' বুলি (age of ignorance)। হজৰত মোহম্মদৰ (দ:) আৱিৰ্ভাৱৰ পূৰ্ব্বৰ এশ বছৰক (৫১০-ৰ পৰা ৬১০ খ্ৰীষ্টাব্দ) এই বৰ্ব্বৰতাৰ যুগ বা আইয়ামে জাহিলিয়া বুলি চিনাক্তকৰণ কৰা হৈছে। আৰব বুলিলে সমগ্ৰ আৰব ভূখণ্ডক ধৰা হয় যদিও, প্ৰধানত: উত্তৰ আৰব অঞ্চলকহে এই আইয়ামে জাহিলিয়াৰ অন্তৰ্গত আছিল বুলি ধৰিব পৰা যায়। কাৰণ সেই সময়ত এই অঞ্চলৰ আৰবসকলে কোনো সাংস্কৃতিক বৈশিষ্ট্য প্ৰতিপন্ন কৰিব পৰা নাছিল। এই ভূখণ্ডৰ লোকসকলে আন্তৰ্জাতিক স্বীকৃতিৰ যোগ্য কোনো কৃষ্টি-সংস্কৃতিৰ উদ্ভাৱন বা প্ৰৱৰ্ত্তন কৰাৰ ঐতিহাসিক প্ৰমাণ পাবলৈ নাই। মধ্য আৰব অথবা দক্ষিণ আৰু পশ্চিম আৰবৰ সাংস্কৃতিৰ পৰিস্থিতিৰ লগত বিচাৰ কৰি তুলনামূলকভাৱেহে উত্তৰ আৰবক 'আইয়ামে জাহিলিয়াৰ' সীমাৰ অন্তৰ্গত ধৰিব পৰা যায়।

দক্ষিণ আৰব অঞ্চল ইছলামৰ আৱিৰ্ভাৱৰ বহুকাল পূৰ্ব্বৰে পৰা সভ্যতা

সংস্কৃতিৰ বিষয়ত বহুত চহকী থকাৰ ঐতিহ্যাসিক প্ৰমাণ পোৱা যায়, প্ৰাচীন বুৰঞ্জীবিদসকলৰ লিখাত সেই সময়ৰ এই অঞ্চলৰ সভ্যতা-সংস্কৃতিৰ বহু বৰ্ণনা পোৱা যায়। ইতিহাসবিদ মাছুদীয়ে বৰ্নাইছেঃ "য়েমেনৰ যি ফালেই চকু ফুৰাও সেই ফালেই চকুত পৰে বহুত সুদৃশ্য অট্টালিকা, শীতল ছাঁ দিয়া নানান গছ-গছনি আৰু বোৱতী জলধাৰাৰ নিজৰা আদি।" ইয়াৰ অট্টালিকাবোৰ প্ৰাচীন মিছৰৰ অট্টালিকাবোৰৰ নিচিনাই সুদৃশ্য আৰু মনোৰম। সেইবোৰৰ ভাস্কৰ্য্য আৰু কাৰুকাৰ্য্য চালে চকুৰোৱা বিধৰ আছিল। নগৰ সজাই পৰাই তোলাৰ ৰুচি আৰু সৌন্দৰ্য্যবোধ ইয়েমেনবাসী লোকসকলৰ বাৰুকৈয়ে আছিল। আৰবী ভাষাও যথেষ্ট উন্নত আছিল আৰু কাব্য ৰচনাৰ পৰম্পৰা বহু কালৰ পৰা চলি আহিছিল। বিধিবদ্ধ শিক্ষাদান প্ৰণালী প্ৰচলিত নাছিল যদিও, এইখিনি নাগৰিকে শক্তিশালী আৰু সুন্দৰ কবিতা ৰচনা কৰিছিল আৰু কবিতা আবৃত্তি কৰা আৰু ওজস্বী ভাষাৰে বক্তৃতা দিয়াৰ পৰম্পৰাও চলি আছিল। অৱশ্যে বিধিবদ্ধ আইনৰ দ্বাৰা সমাজ পৰিচালনা কৰা হৈছিল বুলি জনা নেযায়।

বৰ্ত্তমান মাটিৰ তলৰ পৰা প্ৰচুৰ পৰিমাণে খাৰুৱাতেল ওলোৱাৰ ফলত আৰব দেশৰ যি অভাৱনীয় সমৃদ্ধি হৈছে ইযাৰ পূৰ্ব্বে, বিশেষকৈ হজৰত মোহম্মদৰ (দ:) আৱিৰ্ভাৱৰ পূৰ্বে আৰবৰ এনে অৱস্থা নাছিল। আৰববাসীসকল আছিল অত্যন্ত গৰিব। মাটি মৰুময়, শুকান অনুৰ্ব্বৰ মাটিৰ পৰা হোৱা উৎপাদন তেনেই কম। পানী থকা ঠাইত তম্বু তৰি, উট, ভেড়া ছাগলী পুহি, চৰাই, খেতি কৰি যি সামান্য আৰ্জ্জন কৰে তাৰেই বহু কষ্টে জীৱন নিৰ্ব্বাহ কৰে। কাৰণে-অকাৰণে ইদলে-সিদলে কাজিয়া কৰে, কটাকটি মৰামৰি কৰে আৰু মদ খাই মাতলামী কৰে আৰু এটা কদৰ্য্য ব্যভিচাৰী জীৱন কটায়।

সাধাৰণ আৰবী মানুহৰ কাৰণে মদ খোৱাটো এটা অপৰিহাৰ্য্য অভ্যাসত পৰিণত হৈছিল, মদৰ লগে লগে চলিছিল নাৰীৰ লগত অবৈধ সংসৰ্গ আৰু অবাধ ব্যভিচাৰ। আৰবৰ পন্য দ্ৰব্য টল যিবোৰ উটৰ কাৰাভান ব্যৱসায়ৰ কাৰণে মক্কাৰ পৰা বাইজেন্টাইন সাম্ৰাজ্য, চিৰীয়া, পাৰস্য আৰু ভাৰতলৈ গৈছিল, সেইবোৰে উক্ত দেশবোৰৰ পৰা নানা বিলাসৰ সামগ্ৰী আৰু অসামাজিক কাৰ্য্য-কলাপৰ শিকনি লৈ উভতি আহিছিল, ইৰাক, চিৰীয়াৰ পৰা দাসী কিনি আনিছিল। আৰু অৰ্থবান ধনী মানুহবোৰ নানা তৰহৰ নিকৃষ্ট অসদাচৰণত

লিপ্ত হৈ পৰিছিল। বিচাৰহীন ইন্দ্ৰিয় লালসাত প্ৰবৃত্ত হৈ মদ আৰু নাৰীৰ কামনাৰ বিলাসিতাত মত্ত হৈ মানুহবোৰে হাই-কাজিয়া, কটাকটি কৰাৰ বাহিৰে কোনো উচ্চতৰ চিন্তা বা সাংস্কৃতিক কাৰ্য্যলৈ মনোযোগ দিয়াৰ আজৰি নোপোৱা হৈছিল। মদ খাই মতলীয়া হোৱা, নচা, জুৱা খেলা আৰু কটাকটি, মৰামৰি কৰাই হৈ পৰিছিল সাধাৰণ আৰববিলাকৰ জীৱনৰ ধৰ্ম্ম। আনকি কবিতাৰ কোনো কোনো ৰচকেও মদ খোৱা আৰু ব্যভিচাৰৰ গুণ-গান গাইছিল। কোনো নৈতিক শৃঙ্খলাবোধ সমাজ নিয়ন্ত্ৰণ নকৰিছিল। এহাতে যিদৰে বেশ্যাগমন সাধাৰণ কথা আছিল, আনহাতে একোজনী তিৰোতাই বহুজন পুৰুষৰ লগত কামনা চৰিতাৰ্থ কৰাটোও কোনো দোষনীয় কথা বুলি বিবেচিত নহৈছিল। কন্যা সন্তানৰ জন্ম হ'লেই হত্যা কৰাটোও সাধাৰণ কথা আছিল।

যিখন সমাজত পুৰুষবিলাক উচ্ছৃঙ্খল, ব্যভিচাৰী, সুৰামত্ত আৰু অশিক্ষিত হৈ থাকে, সেইখন সমাজৰ তিৰোতাসকলে সৎ আৰু শুদ্ধ হৈ থাকিব নোৱাৰে। নৈতিক অধঃপতনৰ ক্ষেত্ৰত আৰব নাৰী যিমান তললৈ নামিছিল, পৃথিৱীৰ আন সমাজত তেনে উদাহৰণ সৰহ পাবলৈ নাই। পুৰুষ আৰু নাৰী উভয়ৰে চৰম নৈতিক অধঃপতন হ'লে, কোনো সমাজৰ সাংস্কৃতিক বিকাশ বা সমৃদ্ধিৰ আশা কৰিব নোৱাৰি। তদুপৰি সৰহভাগ আৰবে চৰম দাৰিদ্ৰ্যৰ মাজেদি জীৱনপাত কৰিব লগীয়া হৈছিল। সেইকাৰণে স্বাভাৱিক বা অস্বাভাৱিক যিকোনো মৃত্যুক অৰ্থনৈতিক দুৰ্দ্দশাৰ পৰা ৰক্ষা পোৱাৰ এটা বাঞ্চনীয় ব্যৱস্থা হিচাপেই গ্ৰহণ কৰিছিল।

জড়োপাসক এই আৰববোৰৰ বৈবাহিক জীৱনৰ সততা আৰু পাৰস্পৰিক বিশ্বস্ততাৰ প্ৰতি কোনো শ্ৰদ্ধা নাছিল, উদ্দাম লালসা কামনা চৰিতাৰ্থ কৰাত সিহঁতে লজ্জাবোধ নকৰিছিল আৰু তেনে কাৰ্য্যৰ গুণগান গাই বীৰত্ব প্ৰকাশ কৰিছিল। স্বামী-স্ত্ৰীৰ মাজৰ বৈবাহিক সম্পৰ্কক পাশৱিকতাৰ সমকক্ষ বুলি ক'লেও অত্যুক্তি কৰা নহয়। এজন স্বামীয়ে নিজৰ বিবাহিতা স্ত্ৰীক অন্য যিকোনো পুৰুষৰ লগত দৈহিক সম্পৰ্ক গঢ়ি তুলিবলৈ নিজেই পঠিয়াই দিছিল আৰু তেনে অবৈধ সংসৰ্গৰ পৰা ভাল পুত্ৰ-সন্তান লাভ কৰাৰ কামনা কৰিছিল। পৰপুৰুষৰ সন্তানক জাৰজ বা অবৈধ বুলি গণ্য কৰা নহৈছিল। বেশ্যাৰ সন্তানেও সামাজিক মৰ্য্যাদা নোপোৱাকৈ থকা নাছিল।

নিজৰ সন্তানতকৈ নিজৰ ককাই-ভাইক অধিক গুৰুত্ব দিয়া হৈছিল। বয়স অনুসৰি নিজ পৰিয়ালৰ মানুহে সম্পত্তি আদিৰ বিষয়ত অগ্ৰাধিকাৰ পাইছিল। বিষয় সম্পত্তিৰ উমৈহতীয়াভাৱে একোটা পৰিয়ালৰ লোকসকল অধিকাৰী হৈছিল। আটাইতকৈ বয়সস্থজনেই মুৰব্বী বুলি পৰিগণিত হৈছিল। ভাই-ককাই আটাইৰে মাজত একোজনী তিৰোতা আছিল আৰু যিয়ে যেতিয়াই পাৰে সেই একেজনী তিৰোতাৰ সঙ্গ সুখ লাভ কৰিব পাৰিছিল। কিন্তু সাধাৰণতে ৰাতিৰ ভাগত সেই তিৰোতাজনীয়ে বয়োজ্যেষ্ঠজনৰ সঙ্গিনী হৈ কটাইছিল। এনেদৰে নিজৰ পৰিয়ালৰ আটাইবোৰ একেজনী তিৰোতাৰ স্বামী বা অধিকাৰী হৈছিল। নিজৰ পৰিয়ালৰ বাহিৰৰ অন্য কোনো লোকে সেই পৰিয়ালৰ কোনো তিৰোতাৰ লগত ব্যভিচাৰ কৰিলে তাক শত্ৰু বুলি গণ্য কৰা হৈছিল আৰু তাক মৃত্যুদণ্ড দিয়া হৈছিল।

আৰবৰ এই জনজাতীয় তিৰোতাবিলাকক গোটেই গোষ্ঠী বা টাইবটোৰ সম্পত্তি বুলি গণ্য কৰা হৈছিল আৰু তেনে একোজনী তিৰোতাই কাকো সঙ্গ সুখ দিবলৈ অমান্তি হোৱাৰ অধিকাৰ নাছিল। ফলত সতীত্ব বুলি কথাষাৰৰ কোনো অৰ্থ নোহোৱা হৈ পৰিছিল। পিতৃত্ব সম্পৰ্ক কোনো নিশ্চয়তা নেথাকিলেও সিহঁতৰ সন্তানবোৰক জাৰজ বুলি গণ্য কৰা নহৈছিল, আৰু সিহঁতে সেই জনজাতিৰ পূৰ্ণাঙ্গ অধিকাৰী আৰু উত্তৰাধিকাৰী ৰূপে স্বীকৃতি লাভ কৰিছিল। হজৰত মোহম্মদ (দ:) আৱিৰ্ভাৱৰ আগলৈকে আৰবৰ জনজাতীয় লোকসকলৰ মাজত পুৰুষ, স্ত্ৰী আৰু সন্তানৰ মাজত এনেকুৱা এটা সম্পৰ্কই চলি আহিছিল, এই ব্যৱস্থাই সমাজত স্বীকৃতিও লাভ কৰিছিল।

আৰব জনজাতীয় লোকসকলৰ চৰিত্ৰৰ বিপৰীত মুখী আচৰণৰ এক অদ্ভুত সংমিশ্ৰণ ঘটিছিল। এহাতে তেওঁলোক আছিল অত্যন্ত দানশীল আৰু উদাৰমনা, কেৱল মানুহক নহয়, বৰং পশু-পক্ষীকো অকৃপণ আৰু উদাৰভাৱে খুউৱা-বুউৱা কৰিছিল, লাগিলে নিজৰ অৱস্থা যিমানেই শোচনীয় নহওক। আনহাতে দাৰিদ্ৰ্য আৰু অভাৱৰ কাৰণে কন্যা সন্তানৰ জন্ম হ'লে সিহঁতক খুৱাবলৈ আহাৰ পানীৰ অভাৱ হৈ পৰিয়ালৰ বাকীবিলাকে লঘোন দিবলগীয়া হয় বুলি সিহঁতক জীয়াই জীয়াই পুতি থৈছিল, নাইবা নিজ হাতে হত্যা কৰিছিল। সেইদৰে দাম্পত্য সম্পৰ্কৰ ক্ষেত্ৰত কোনো নৈতিকতাবোধ নাছিল, আৰু পুৰুষে

অন্য নাৰীৰ লগত সম্পৰ্কৰ কথা বৰ্ণাই গৰ্ব্ব বোধ কৰিছিল। আনহাতে কন্যা সন্তান ডাঙৰ হৈ ছোৱালী বা তিৰোতা হ'লে ব্যভিচাৰৰ যোগ্য পৰিয়ালৰ সম্মান হানি কৰিব বুলি উপজিলেই কন্যা সন্তানক মাৰি পেলাইছিল।

কন্যা সন্তান হত্যাৰ কাহিনী চৰম বৰ্ব্বৰতাৰ নিদৰ্শন আছিল। প্ৰখ্যাত সমালোচক জামাখছাৰীয়ে আত্ তক্বীৰ চুৰাৰ সম্পৰ্কত মন্তব্য কৰোতে কন্যা সন্তান হত্যাৰ এক ভয়ঙ্কৰ বিৱৰণ দিছেঃ

"ছোৱালীজনীৰ বয়স যেতিয়া ছবছৰ হয়, তেতিয়া তাইৰ বাপেকে ঘৈণীয়েকক কয়, "ছোৱালীজনীক অলঙ্কাৰ পাতি পিন্ধাই, গাত সুগন্ধি তেল সানি সাজু কৰ।"

তাৰ পিছত বাপেকে ছোৱালীজনীক তাইৰ আপোন পৰিয়ালৰ ঘৰ ফুৰাই আনে। তাৰ পিছত তাইক জঙ্ঘললৈ লৈ যায়। তাতে এটা গাঁত খনা হয় আৰু ছোৱালীজনীক গাঁতটোৰ পাৰত থিয় কৰোৱা হয়। তাৰ পিছত বাপেকে ছোৱালীজনীক গাঁতটোৰ ফালে চাবলৈ কয়, তাৰ পিছত পিছফালৰ পৰা হেঁচা মাৰি তাইক গাঁতটোলৈ পেলাই দিয়ে, অসহায় ছবছৰীয়া ছোৱালীজনীৰ কান্দোনলৈ ভ্ৰূক্ষেপ নকৰি বাপেকে গাঁতটো মাটি-বোকা দি পুতি পেলায়। আৰু এনেকৈ জীয়া কবৰ দি ছোৱালীজনীৰ জীৱনটো শেষ কৰি দিয়ে।"

এনে বৰ্ব্বৰ কাৰ্য্যক সিহঁতে ছোৱালীজনীৰ প্ৰতি এক দয়াৰ কাৰ্য্য বুলি গণ্য কৰে আৰু কন্যা সন্তানক জীয়াই জীয়াই গাঁতত পুতি হত্যা কৰাৰ এক মহৎ কাৰ্য্য বুলি বিবেচনা কৰে। আৰবৰ কোনো কোনো কবিয়ে ডাঙৰ-দীঘল হৈ পিছত এজনী ছোৱালী খাবলৈ নেপাই ভোকত মৰাতকৈ সকতে বাপেকৰ হাতত এনেকৈ মৰাটোৱেই বেছি ভাল বুলি বৰ্ণনা কৰিছে।

.....I know too well
The orphan girl's hard lot,
with kin unkind
enforced to dwell,
I dread that some day
Poverty will overtake my child,
And Shame befall her
When exposed to every passion wild,

She wishes me to live,
But I must wish her dead,
Woe me;
Death is the noblest wooer
a helpless maid can see.
I fear an uncle may be harsk a brother be unkind,
When I would never speak a word that rankled
in her mind.

(Charles James Lyall)

অমানুষিক বালিকা-শিশু হত্যা আৰব জনজাতীয় সমাজৰ এটা সামাজিক ৰীতি ৰূপে পৰিগণিত হৈছিল। হজৰত মোহম্মদৰ (দ:) দিনলৈকে এই বৰ্বৰ প্ৰথা চলি আছিল। মক্কা জয় কৰাৰ পিছত হজৰত মোহম্মদে (দ:) যেতিয়া মক্কাৰ তিৰোতাসকলৰ সম্বৰ্দ্ধনা লাভ কৰিছিল, তেতিয়া তেওঁ তিৰোতাসকলৰ পৰা এটাই প্ৰতিশ্ৰুতি দাবী কৰিছিল— তেওঁলোকে যেন কন্যা সন্তানক কেতিয়াও হত্যা নকৰে।

যিবোৰ কন্যা সন্তান এনে অপমৃত্যুৰ পৰা ৰক্ষা পৰিছিল সিহঁতৰ জীৱনো সুখৰ নাছিল। সিহঁতেও অবৰ্ণনীয় দুখ দুৰ্ভাগ্যৰ মাজেদি কালাতিপাত কৰিবলগীয়া হৈছিল। ছোৱালীবোৰ মুকলি বজাৰত গৰু-ছাগলীৰ দৰে বিক্ৰী কৰা হৈছিল। যিয়ে আটাইতকৈ অধিক দাম দিব পাৰিছিল সিয়ে ছোৱালীবোৰ কিনি নিব পাৰিছিল। বিবাহিত জীৱনত স্বামীৰ স্বত্ব আৰু অধিকাৰেই আছিল চূড়ান্ত। স্বামীয়ে নিজৰ স্ত্ৰীক লৈ যি মন যায় অবাধে তাকে কৰিব পাৰিছিল। বিয়াৰ বাবদ স্বামীয়ে যি ধন-সম্পত্তি লাভ কৰিছিল তাৰ ওপৰত স্বামীৰেই একমাত্ৰ অধিকাৰ আছিল। নিজে ভোগ কৰাৰ উপৰিও তেওঁ ইচ্ছামতে অন্যলৈও হস্তান্তৰ কৰিব পাৰিছিল। পুত্ৰ সন্তান বা উত্তৰাধিকাৰীয়ে এনে সম্পত্তিৰ গৰাকী হ'ব পাৰিছিল। পিতৃৰ মৃত্যুৰ পিছত সন্তানে বিধৱাজনীক উত্তৰাধিকাৰীৰূপে লাভ কৰিছিল। বিধৱাক পৰিয়ালৰ সম্পত্তি বুলিয়েই গণ্য কৰা হৈছিল। বিধৱাৰ দায়িত্ব লওঁতা কোনো নোলালে তেনে তিৰোতাক যাকে তাকে বিক্ৰী কৰি দিয়া হৈছিল।

তিৰোতাৰ স্বামীৰ, পিতৃৰ বা সম্পৰ্কীয় লোকৰ সা-সম্পত্তিৰ ওপৰত কোনো অধিকাৰ নাছিল। এটা মানুহে যিমান মন যায় সিমানজনী তিৰোতা

বিয়া কৰাব পাৰিছিল। আৰু যেতিয়াই যাকে মন যায় এৰি দিবও পাৰিছিল। গৰ্ভৱতী তিৰোতাকো স্বামীয়ে বৰ্জ্জন কৰিব পাৰিছিল, নাইবা অন্য পুৰুষক দি দিব পাৰিছিল।

সেই কালৰ আৰবৰ জনজাতীয় সমাজত নাৰীৰ অৱস্থাই আছিল চৰম দুৰ্ভাগ্যজনক আৰু লাঞ্ছনাময়। এই অৱস্থাৰ এক যুগান্তকাৰীৰ বৈপ্লৱিক পৰিৱৰ্ত্তন আনি দিছিল হজৰত মোহম্মদৰ (দ:) প্ৰচাৰিত ইছলামে। কন্যা শিশু হত্যাৰ সম্পৰ্কত কোৰাণন এনে নিৰ্দেশ আছে:- "অভাৱৰ আশঙ্কা কৰি তোমাৰ সন্তানক বধ নকৰিবা। ময়েই তোমালোকৰ আৰু তোমালোকৰ সন্তানৰ কাৰণে আহাৰৰ ব্যৱস্থা কৰো -" (কোৰাণ)। আল্লাৰ উক্তি।

"যিজনী ছোৱালীক জীয়াই জীয়াই গাঁতত পুতি হত্যা কৰা হ'ল, তাইক সোধা হ'ব— কি পাপৰ কাৰণে তোমাক হত্যা কৰা হ'ল?" (কোৰাণ)।

তিৰোতাৰ ওপৰত এনে ভয়াবহ আৰু অমানুষিক অবিচাৰ, অত্যাচাৰ আৰবত পুৰষে পুৰুষে চলি আহিছিল। সমাজখন আছিল পুৰুষৰ। পুৰুষে নাৰীৰ বিৰুদ্ধে কৰা কোনো অন্যায়ৰে প্ৰতিবাদ বা প্ৰতিবিধান নাছিল। সেই ব্যৱস্থা সম্ভৱ হৈ উঠিছিল ইছলাম ধৰ্ম্মৰ জৰিয়তেহে।

আৰবৰ সাধাৰণ মানুহবিলাক নিৰক্ষৰ আৰু অশিক্ষিত আছিল। আনুষ্ঠানিকভাৱে শিক্ষা দান কৰাৰ কোনো ব্যৱস্থা নাছিল। জীৱনৰ অভিজ্ঞতাৰ পৰাই শিক্ষা আহৰণ কৰিছিল। কিন্তু তথাপি সেই জীৱনৰ তেনে অভিজ্ঞতাযেই বহুতকে 'কছিদা' বা কবিতা ৰচনা কৰিবলৈ প্ৰেৰণা দিছিল। ইছলামৰ পূৰ্ব্বৰ 'আইয়ামে জাহিলিয়াৰ' যুগতো আৰবত কবিতা ৰচনা কৰা হৈছিল, যদিও কবিসকলে লিখিব পঢ়িব নেজানিছিল। মুখে মুখে মনৰ ভাব-অনুভূতিক কবিতাৰ ৰূপ দি কবিসকলে আনক আবৃত্তি কৰি গাই শুনাইছিল। এনে কবিতা কবিৰ ওঁঠত লিখা হৈছিল। (ওঁঠে কবিতা ৰচিছিল ) আৰু তেনে কবিতা কবিৰ হৃদয়ৰ ফলিত অঁকা হৈছিল। একোজন প্ৰখ্যাত যুঁজাৰু একোজন প্ৰখ্যাত কবিও আছিল। কবিতা ৰচনা কৰি কোনো কোনো মহিলাও প্ৰখ্যাত হৈছিল কবি হিচাপে।

সাধাৰণতে এইসকল কবিৰ কবিতাৰ বিষয়বস্তু আছিল ৰণথলিৰ আনন্দ-উত্তেজনাৰ জীৱন্ত বিৱৰণ, ৰণ জয়ৰ কাৰণে যুঁজ কৰাৰ গৰিমাৰ কথা আৰু জন প্ৰাণীহীন মৰু প্ৰান্তৰত অভিযান চলোৱাৰ চমকপ্ৰদ বৰ্ণনা। যাযাবৰী, উন্মুক্ত জীৱনৰ হাঁহি-অশ্ৰু, আশা-নৈৰাশ্য, উদ্দাম-উচ্ছ্বাস, ব্যথা-বেদনাই আছিল এইবোৰ লোক-ৰচনাৰ প্ৰধান বিষয়বস্তু আৰু আকৰ্ষণ।

ইছলাম প্ৰৱৰ্ত্তনৰ পূৰ্ব্বৰ আৰবী কবিতাত কেইটামান কথা লক্ষ্য কৰা যায়। আৰবী মানুহবোৰ যে সাহসী আছিল, আত্মসন্মানবোধ সম্পন্ন আছিল, বংশগত মৰ্য্যাদাৰ সম্পৰ্কে সজাগ আছিল, দানী আছিল, নিজ গোষ্ঠী বা সম্প্ৰদায়ৰ প্ৰতি অনুগত আছিল। গ্ৰীকসকলে যেনেকৈ সাহিত্য আৰু ভাস্কৰ্য্য স্থাপত্যক লৈ গৰ্ব্ব অনুভৱ কৰে, তেনেকৈ আৰবসকলেও তেওঁলোকৰ ৰুচিত গীতিকাব্য বা কছিদাক লৈ গৰ্ব্ব অনুভৱ কৰে। উকাজৰ বাৰ্ষিক সাহিত্য মেলাই সাহিত্য চৰ্চ্চা যে এক আনুষ্ঠানিক বৃত্তিৰ নিচিনা আছিল, তাৰেই সাক্ষী দিয়ে। গালান ইব্‌নে চাল্‌মা নামে তাকীব গোত্ৰৰ এজন কবিয়ে প্ৰত্যেক সপ্তাহতে এক সাহিত্যৰ বৈঠকৰ আয়োজন কৰিছিল বুলি কথিত আছে। এনেবোৰ সাহিত্য মেলাত কবিতা পাঠ আৰু আবৃত্তি হৈছিল আৰু ৰচকসকলৰ সাহিত্য সৃষ্টিৰ সম্পৰ্কে বিচাৰ আৰু আলোচনা হৈছিল। অধ্যাপক পি.কে হিট্টীয়ে এই বিষয়ে কৰা মন্তব্য লক্ষ্য কৰিবলগীয়াঃ "আৰবসকলৰ নিচিনাকৈ পৃথিৱীৰ কোনো জাতিয়ে সম্ভৱত: সাহিত্য চৰ্চ্চাত এনে স্বত:স্ফূৰ্ত আগ্ৰহ উচ্ছ্বাস প্ৰকাশ কৰা দেখা নেযায়। আৰু মৌখিক বা লিখিত শব্দক লৈ ইমান আবেগপ্ৰৱণ হোৱাও পোৱা নাযায়।"

কবিতাৰ বিষয়বস্তু আছিল কবিৰ নিজৰ গোত্ৰ বা গোষ্ঠীৰ বীৰসকলৰ বীৰত্বৰ বৰ্ণনা, নিজৰ সময় বা যুগৰ বিশেষত্বজ্ঞাপক বিৱৰণ, উটৰ বিশিষ্ট গুণৰ বৰ্ণনা আৰু সুন্দৰী নাৰীৰ ৰূপ বৰ্ণনা আৰু প্ৰেমিক-প্ৰেমিকাৰ প্ৰণয় লীলা। বিচাৰিলে এই কবিতাবোৰত প্ৰাক-ইছলামী যুগৰ আৰব সমাজৰ বিভিন্ন দিশৰ যথেষ্ট সন্ধেদ পোৱা যায়। ঐতিহাসিক জালালুদ্দিন চুয়ুতিৰ ভাষাত এই কবিতাবোৰ আৰবীসকলৰ চিনাকিৰ স্বাক্ষৰিত দলিল। হিট্টীৰ মতে কাব্যপ্ৰীতি বেদুইনবিলাকৰ এক সাংস্কৃতিক সম্পদ আছিল। এই প্ৰাক-আৰবী যুগৰ প্ৰখ্যাত কবিতা ৰাজিৰ ভিতৰত চব্‌আ মুআল্লাকাত, আল্ মুফাজ্জালিয়াত, দিৱান আল্ হামাছা আৰু কিতাব আল্ আগানী আদিক মহা মূল্যবান কাব্যসৃষ্টি বুলি ধৰা হয়, চব্‌আ মুআল্লাকাত আজিকালিও আৰবৰ বিদ্যালয়ৰ পাঠ্য হৈ আছে। এই কাব্যগ্ৰন্থৰ ৰচয়িতাসকলৰ ভিতৰত ইম্‌ৰুল কায়ছ, তৰফা বিন্ আবাদ, হাৰিছ বিন্ হিল্লিজা, আনতাৰাবিন্‌ল ছাদাত, লাবিদ বিন্ ৰাবিয়া, জুহেইৰ বিন্ আবি-ছাল্‌মা আৰু আমৰ বিন্ কল্‌চুম আদি কবিসকল আছিল। এইসকলৰ ভিতৰত ইম্‌ৰুল কায়ছক নেতা বা শ্ৰেষ্ঠ কবি বুলি গণ্য কৰা হৈছিল।

সেই সময়ৰ বেদুইন আৰবসকলৰ ভাষা বৰ উন্নত আছিল। কবি-গায়কসকলে এই ভাষাৰ সৌন্দৰ্য্য আৰু সৌষ্ঠৱ বৃদ্ধি কৰিছিল, এক সুন্দৰ

ভাষা হিচাপে প্রতিষ্ঠা কৰিছিল। তেতিয়াৰ দিনত লিখাৰ ব্যৱস্থা উন্নত নাছিল। কবিসকলে ৰচিত কবিতাবোৰ মুখস্থ কৰি ৰাখিছিল। আৰু জনসমাবেশত মৌখিকভাৱেই পাঠ আৰু আবৃত্তি কৰি শুনাইছিল। এনেদৰে মৌখিকভাৱে ৰচিত কবিতা মনৰ পৰা আবৃত্তি কৰিব পৰা দুৰ্লভ শক্তিয়ে আৰবসকলৰ মনত তীক্ষ্ণ স্মৰণ শক্তিৰ পৰিচয় দিয়ে। নিকলচনৰ ভাষাতঃ In these days Poetry was no luxury for the cultured few but the sole medium of literary expression. — A literary history of the Arab's.

— R.A. Nicholson.

সমৃদ্ধ ভাষা, ওজস্বী কাব্যিকতা, পৌৰুষ আৰু বীৰত্বৰ জয়গান উচ্ছ্বাস, উদ্দীপনা সকলো মিলি প্ৰাক-ইছলামী যুগৰ আৰবী কবিতাক এটা আপুৰুগীয়া মৰ্য্যাদা দান কৰিছিল। বিশেষকৈ এই যুগৰ কবিতাৰ ভাষা আছিল এক পৰম আকৰ্ষণৰ বস্তু। হিট্টীয়ে এই সম্পৰ্কত কৈছিল — বিশেষকৈ কোৰাণৰ ভাষাৰ ওজস্বিতা সম্পৰ্কে —The triumph of Islam was to a certain extents the triumph of a language, more particularly of a book (History of the Arabs) ৰ "ইছলামৰ জয়ক কিছু দূৰ এটা ভাষাৰ জয় বুলি ক'ব পৰা যায়, বিশেষকৈ এখন কিতাপৰ (ভাষাৰ) জয় বুলি ক'ব পাৰি।"

তেতিয়াৰ দুটামান বেদুইন কবিতাৰ মুকলি ভাষান্তৰ চাওক — "তাই যেতিয়া বুঢ়া সন্যাসীজনৰ চকুৰ আগেদি পাৰ হৈ যায়, পৰ্ব্বতৰ টিঙত শুই থকা সেই সন্যাসীও সুন্দৰীৰ ৰূপত ভোল যায়। সন্যাসীজন নামি আহে পৰ্ব্বতৰ টিঙৰ তেওঁৰ পঁজাটোৰ ভিতৰৰ পৰা বাহিৰ ওলাই। আৰু তাইৰ খোজৰ শব্দলৈ কাণ দিয়ে।

তুমি যদি এজনী মানবী
    নহ'লাহেঁতেন,
তুমি হ'লাহেঁতেন এক
    পূৰ্ণিমাৰ জোন।"

(ইব্‌নে কুটেইবা)

আন এটা কবিতা :

"সোণালী আঁচলৰ দামী সাজ পিন্ধা মূৰ্ত্তিহেন গৌৰবৰ্ণ নাৰী,
এই সম্পত্তিৰ হৰণ-ভগণৰ ভয় নাই, বাঁহীৰ সুৰত বেদনাৰ স্বৰ,
— এইবোৰেই জীৱনৰ আনন্দৰ সম্বল।
কাৰণ, মানুহ কালৰ চিকাৰ। সময় মানেই পৰিৱৰ্ত্তন, ৰূপান্তৰ।
জীৱন সহজেই হওক বা
জটিলেই হওক,
সমৃদ্ধই হওক, বা নিঃস্বই হওক।
সময় বা কালৰ কাৰণে সকলো সমান। জীৱনৰ শেষ পদুলিমুৰ মৃত্যু।"

হাতিম টাইক লৈ বহুত মনোৰম কাহিনী আছে। বদান্যতাৰ বিষয়ত হাতিম টাই এক ৰোমাঞ্চকৰ প্ৰবাদ-পুৰুষ। দান, ত্যাগ, অতিথি সংকাৰ আৰবসকলৰ জাতীয় চৰিত্ৰৰ এক বৈশিষ্ট্য। যিজন ফৈদৰ চৰ্দ্দাৰ বা নেতাৰ ঘৰৰ আগত মাংসৰ হাড়ৰ দ'ম আৰু ছাই এঙাৰৰ দ'ম থাকে, সেইজনক বৰ দানী বুলি খ্যাতি বৈ বৈ যায়। জনা যায় হাতিম টাইও এজন কবি আছিল। হাতিমৰ ঘৰ আছিল টাই নামে ঠাইত। হাতিমৰ পৰিবাৰৰ নাম আছিল মুআৱিয়া। তেওঁৰ পত্নীক সম্বোধন কৰি লিখা কবিতাটো আছিল এনে ধৰণৰ :

"হেৰা আব্দুল্লাহ আৰু মালিকৰ পুত্ৰী,.....
তুমি যেতিয়া আহাৰ প্ৰস্তুত কৰা,
তেতিয়া এজন অতিথিকো মাতি খুওৱাৰ দিহা কৰিবা।
মই অকলে খাবলৈ ভাল পোৱা খকুৱা নহও।
হয়তো কোনোবা, ৰাতিটো বৈ যোৱা দূৰৰ অতিথি,
নাইবা ওচৰ-পাজৰৰ কাৰোবাক মাতিবা।
(খাবৰ কাৰণে)
মই যোৱাৰ পিছত
মানুহে বদনাম গায় বুলি
মোৰ ভয় লাগে,
এজন আলহী যিমান পৰলৈ আমাৰ ঘৰত থাকে,
মই তেওঁৰ গোলাম সিমান পৰলৈ।
যদিও মোৰ স্বভাৱ-চৰিত্ৰত গোলামৰ কোনো লক্ষণ নাই,
উদাৰতা আৰু বদান্যতা আৰবৰ লোকসকলৰ এক বিশেষত্ব :—

তেওঁ বৰ দানী আৰু উদাৰ। তেওঁ উদাৰ মনেৰে দান কৰে, আৰু সাহসেৰে সকলো নিৰ্য্যাতন সহ্য কৰে।"

(জেমছ্ লায়ালৰ অনুবাদ)

আৰবৰ বেদুইনবিলাকৰ মাজত চৰ্দ্দাৰৰ দ্বাৰা পৰিচালিত একৰকমৰ গণতন্ত্ৰ চলিছিল।

ভাল বংশ, ভাল চৰিত্ৰ, সা-সম্পত্তি, অভিজ্ঞতা আৰু জ্ঞানৰ অধিকাৰীজনাই দলপতি বা নেতা হ'ব পাৰিছিল। এজন বেদুইন কবিয়ে সহজ ভাষাত গাইছে:

"যি দল বা মানুহৰ নেতা নাই, সিহঁতৰ সোনকালে পতন হয়। মূৰ্খবোৰে যেতিয়া নেতা বাছে তেতিয়া নেতাজনো মূৰ্খ হয়। তম্বুটো তৰিব লাগিলে তম্বুৰ খুটাকেটা মজবুত হ'ব লাগে। আৰু খুটাকেটা থিৰে ৰবলৈ গজালকেটাও মজবুত হ'ব লাগে, যেতিয়া তম্বুৰ খুটা আৰু গজাল থিক থাকে, তেতিয়া তম্বুটো যেনেকৈ মন যায় তেনেকৈ তৰিব পাৰি।" দলপতি নিৰ্ব্বাচন কৰাৰ বিষয়ত কবিৰ অভিমত: নেতা নেথাকিলে একো কৰিব নোৱাৰি। অজ্ঞজনৰ নেতৃত্বৰ কোনো মূল্য নাই। জ্ঞানীসকলৰ বিচাৰ মতেই শুদ্ধ সিদ্ধান্ত ল'ব পৰা যায়। সেয়ে নহ'লে হিংসুক, দুষ্টজনৰ শঠতাৰ কবলত পৰিবলগীয়া হয় (ইব্‌নে কুটেইবা)। আৰবী ভাষা মূলতঃ হিব্ৰু, চিৰীয় আৰু চালাদিয়াম ভাষাৰ পৰাই ওলোৱা বিভিন্ন গোষ্ঠী গোত্ৰৰ মুখত এই ভাষাই কিছুদূৰ স্বতন্ত্ৰ ৰূপ ধাৰণ কৰিছিল, যদিও মক্কাৰ বিশেষ কথনভঙ্গী আৰু জতুৱা ঠাঁচক এই ভাষাই চেৰাই যাব পৰা নাছিল, গ্ৰীচৰ দৰেই আৰবতো কাপোৰ-কানি বেশভূষাৰ ৰীতি-পদ্ধতিতকৈও ভাষাৰ বৈশিষ্ট্য আৰু বিশুদ্ধতা ৰক্ষা কৰাটো অধিক মৰ্য্যাদাৰ কথা বুলি বিবেচিত হৈছিল। একোটা শব্দৰ ইমানবোৰ প্ৰতিশব্দ পৃথিৱীৰ অন্য ভাষাত সাধাৰণতে পাবলৈ টান; মৌ বুজাবলৈ চাৰিকুৰি বিভিন্ন শব্দ, সাপ বুজাবলৈ দুশ বেলেগ বেলেগ শব্দ, সিংহক বুজাবলৈ পাঁচশ শব্দ, তৰোৱাল বুজোৱা এহেজাৰ শব্দ— এনে শব্দৰ প্ৰাচুৰ্য্য অন্য ভাষাত পোৱা নেযায়। এইবোৰ কোনো লিখিত শব্দকোষত লিখি থোৱা হোৱা নাছিল। আৰবৰ নিৰক্ষৰ আৰু অশিক্ষিত মানুহবোৰে এইবোৰ মনত ৰাখি থৈছিল আৰু যথা সময়ত ব্যৱহাৰ কৰিছিল।

বুৰঞ্জীবিদ গিবনৰ মতে হোমাৰীয় স্মৃতিলেখাবোৰ এক এক ৰহস্যজনক আৰু অপ্ৰচলিত আখৰেৰে লিখা হৈছিল। কিন্তু আজিৰ আৰবী বৰ্ণমালা যাৰ

উদ্ভৱ হৈছিল কুফিদ বৰ্ণমালাৰ পৰা, যি ইউফ্রেটিছ্ নদীৰ পাৰত গঢ় লৈ উঠিছিল। আৰু বৰ্তমানৰ আৰবী বৰ্ণমালা মক্কাত বাস কৰা এজন বাহিৰৰ পৰা আহি থিতাপি হোৱা মানুহে মোহম্মদৰ জন্মৰ পিছত উদ্ভাৱন কৰিছিল। আৰব কবি আদিয়ে সেই ভাষাৰ ব্যাকৰণ, ছন্দ, বা বাক্যৰীতিৰ কথা বৰ বেছি চিন্তা নকৰিছিল। কিন্তু স্বভাৱসিদ্ধ ওজস্বিতা আৰু গভীৰ অনুভূতিৰ প্ৰকাশৰ কাৰণে তেওঁলোকে আৰবসকলৰ মুক্ত জীৱনধাৰাৰ পৰাই প্ৰেৰণা গ্ৰহণ কৰিছিল। কোনো বংশত সম্ভাৱনা থকা কোনো কবিৰ প্ৰতিভাৰ আভাস পালে, তেওঁৰ নিজ বংশ-পৰিয়ালৰ মানুহেই তেওঁক উদগনি দিছিল কবিতা ৰচনা কৰিবৰ কাৰণে। পৰিয়ালৰ কোনোবা এটা ল'ৰাৰ কথা-বতৰা আৰু বচনভঙ্গী আদিৰ মাজত কবিত্ব গুণৰ সন্ধেদ পালে তাৰ গুণ-গান গাই ঘৰুৱা উৎসৱ পাতে। ভোজ-ভাতৰ আয়োজন কৰে পৰিয়ালৰ তিৰোতা মানুহবোৰে ঢোল-ঢগৰ বজাই নিজৰ বংশৰ গোটৰ কাহিনী বৰ্ণাই, সেই বংশৰ নাম খ্যাতি আকাশ চোৱাবৰ কাৰণে এক নতুন পুৰুষৰ জন্ম হোৱা বুলি প্ৰচণ্ড আনন্দ উৎসৱৰ আয়োজন কৰে। ওচৰ-পাজৰৰ অন্যান্য গোষ্ঠীবোৰেও এমাহ জোৰা কবি সন্মিলন পাতে, ভোজ-ভাত, মদ-পানী খায় আৰু বাগ্মীতা আৰু কবিত্ব শক্তিৰ প্ৰতিযোগিতাত ব্যস্ত হৈ পৰে। বংশত বা গোষ্ঠীৰ ভিতৰত এজন কবি ওলোৱা মানে সেই বংশ বা গোষ্ঠীৰ সন্মান, মৰ্য্যাদা আৰু প্ৰতিষ্ঠাৰ কাৰণে যুঁজ কৰিবৰ কাৰণে এজন নেতাৰ উদ্ভৱ হোৱা মাহযোৱা কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা হোৱাৰ পিছত সৰ্ব্বশ্ৰেষ্ঠ বুলি পৰিগণিত আৰু স্বীকৃত হোৱা কবিজনৰ ৰচনা শাসক ৰাজকুমাৰ অথবা আমীৰজনৰ ওচৰত সংৰক্ষণ কৰা হয় — এক বিশেষ সফুৰাত। এনেকুৱা শ্ৰেষ্ঠতম বুলি বিবেচিত সাতোটা কবিতা সোণৰ আখৰতে লিখাই মক্কাৰ কাবা মন্দিৰৰ বেৰত ওলোমাই থোৱাৰ দৃষ্টান্ত ঐতিহাসিক গৱেষকে আৱিষ্কাৰ কৰিছে।

আৰবৰ কবিসকল আছিল নিজৰ যুগৰ ইতিহাস ৰচয়িতা আৰু নৈতিকতাৰ প্ৰবক্তা। এই কবিসকলে যদিবা কেতিয়াবা নিজ সমাজৰ কিছু কু-সংস্কাৰ দুৰ্ব্বলতাৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছিল। তেওঁলোকে নিজৰ দেশৰ আৰু সমাজৰ গুণাৱলীৰ উচ্চ প্ৰশংসা কৰি প্ৰেৰণা দিবৰ প্ৰয়াস কৰিছিল। সাহসিকতা আৰু বদান্যতাৰ গুণগান কৰাই আছিল কবিতাৰ মূল বিষয়বস্তু।

আৰবৰ দুৰ্দ্ধৰ্ষ বেদুইনবোৰবো যি ত্যাগ, উদাৰতা আৰু মানৱতাবোধ আছিল, সেই বিষয়ে আৰবৰ কবিসকলৰ ৰচনাত বহুত প্ৰশস্তি আৰু আদৰ্শ কাহিনী পোৱা যায়। বৰ্ণৰ ব্যৱহাৰ নজনা লিখিব পঢ়িব নজনা আৰবৰ এই স্বভাৱ কবিসকলৰ উপলব্ধিৰ নিজস্বতা অনুভূতিৰ গভীৰতা আৰু নিজ ভাষাৰ কাব্যিক প্ৰয়োগৰ অতুলনীয় দক্ষতাই কবিতা ৰচনাৰ এক সমৃদ্ধ পৰম্পৰা গঢ়ি তুলিছিল। এনে কবিতাৰ বহুখিনি সংৰক্ষিত হৈছিল। বহুখিনি উদ্ধাৰ কৰা হৈছে। এইবোৰে হজৰত মোহম্মদৰ পূৰ্ব্বৰ আৰব সমাজৰ কিছুমান চিত্ৰ আৰু কিছুমান ভাব-অনুভাৱ জীৱন্ত কৰি ৰাখিছে। আজি যি আৰবী ভাষাত পৃথিৱী বাসীয়ে কোৰাণ ছৰিফ পঢ়িবলৈ পাইছে, সেই ভাষাৰ মহত্ত্ব, গাম্ভীৰ্য্য, সৌন্দৰ্য্য আৰু সাৱলীলতাই এক বিশেষ কাব্যিক আবেদন জগাই তোলে। এই আবেদন ভাষা বিশেষ, সমাজ বিশেষ বা যুগ বিশেষৰ সাক্ষী বহনকাৰীয়ে নহয় তাৰ এটা সাৰ্ব্বজনীন আৰু সৰ্ব্বকালীন আন্তৰিক আবেদন আছে। এই আবেদন যুগমীয়া।

প্ৰাক-ইছলামী যুগৰ আৰবৰ সকলো লোকৰ ধৰ্ম্ম সম্পৰ্কে বা জীৱনদৰ্শন সম্পৰ্কে এটা সাধাৰণ সূত্ৰ দি গোটেই পৰিস্থিতিটো সম্পৰ্কে এটা সম্যক আৰু পূৰ্ণাঙ্গ ধাৰণা দিয়াটো এটা কঠিন কাম। এই বিষয়ে প্ৰণালীবদ্ধভাৱে সংকলন কৰা কোনো সৰ্ব্বসম্মত ঐতিহাসিক সিদ্ধান্ত পাবলৈ টান। প্ৰচীন গ্ৰীক লিখকৰ লিখা, সেই সময়ৰ আৰবী কবিতা পৰবৰ্ত্তী কালৰ কোৰাণত উল্লেখ কৰা কোনো কোনো কাহিনী আৰু মন্তব্য আদিৰ পৰাই এই যুগৰ আৰবী লোকসকলৰ ধৰ্ম্মবিশ্বাস, ধৰ্ম্মীয় আচাৰ, অনুষ্ঠান আদিৰ বিষয়ে এটা ধাৰণা কৰিব পৰা যায়। খৃষ্টীয় নৱম শতিকাৰ "কিতাবুল আচনমৰ" লিখক হিছামুল্ কুলবীৰ (৮১৯ ইং খ্ৰীঃ) বৰ্ণনাৰ পৰা কিছু নিৰ্ভৰযোগ্য তথ্য পোৱা যায়।

আৰববাসী-বিলাকৰ বিভিন্ন গোত্ৰৰ বা গোষ্ঠীৰ নিজৰ নিজৰ দেৱ-দেৱী, পূজা-প্ৰাৰ্থনা আৰু ধৰ্ম্মীয় ধ্যান-ধাৰণা নথকা নহয়। কিন্তু কোনো বিশেষ ধৰ্ম্মীয় দশন বা তত্ত্ব বা ধৰ্ম্মৰীতি অনুসৰণ কৰাৰ বিধিবদ্ধ নিয়ম নাছিল। প্ৰায় সকলোৱেই ধৰ্ম্মীয় আনুষ্ঠানিকতাৰ প্ৰতি উদাসীন থকা যেন ধাৰণা হয়। নিজৰ গোত্ৰীয় সংস্কাৰ আৰু পৰম্পৰাই অধিক গুৰুত্ব লাভ কৰিছিল। তথাপি আৰববিলাকৰ ধৰ্ম্ম সম্পৰ্কে নিজ নিজ ধাৰণা নথকা নহয়। সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ

এক বিধাতা বা নিয়ন্তা বা এক চৰম সত্তা বা কৰ্তা থকা সম্পৰ্কীয় এটা বিশ্বাস আছিল। সেই কৰ্তাৰ কৰুণা আৰু ক্ৰোধৰ সম্পৰ্কেও এটা বিশ্বাস আছিল। মৃত্যুৰ পিছতো জীৱনৰ অস্তিত্ব সম্পৰ্কেও এটা বিশ্বাস আছিল। মালাইক বা ফিৰিস্তা বা দেৱ-দূতৰ অস্তিত্বকো বিশ্বাস কৰিছিল। কিন্তু ধাৰণাবোৰে কোনো তাত্ত্বিক ৰূপ পোৱা নাছিল। এই ধাৰণাবোৰক ইন্দ্ৰিয়গ্ৰাহ্য ৰূপত — চকুৰে দেখা পোৱা, হাতেৰে চুই চাবলৈ পোৱা এটা স্থূল ৰূপতহে স্বীকাৰ কৰিব পাৰিছিল। এনে হোৱাৰ ফলত স্ৰষ্টাৰ ঠাইত সৃষ্টিয়ে দেৱত্বৰ স্থান লৈছিল আৰু ই পূজাৰো পাত্ৰ হৈ পৰিছিল। সেই সময়ত ৰচিত কিছুমান আৰবী কবিতাৰ পৰা তেতিয়া আৰবসকলৰ যে সৃষ্টিৰ মূলত এক সৰ্বশক্তিমান কৰ্তা আছে বুলি এটা বিশ্বাস আছিল তাৰ আভাস পোৱা যায়।

"মই শপত খালো। আল্লাৰ বাহিৰে মানুহক অন্য কিহে ৰক্ষা কৰিব, সেই বিষয়ে মোৰ বিন্দুমাত্ৰও সন্দেহ নাছিল। ৰক্ষা কৰ্তা কেৱল আল্লাহ"— কবি নবীগা।

"আমাৰ কৃত কৰ্মৰ বিৱৰণ খতিয়ানও লিপিবদ্ধ কৰা আছে। শেষ বিচাৰৰ দিনা সেই বিৱৰণ দাখিল কৰা হ'ব।" জহীৰ বিন্ আবীছালমা।

ওপৰৰ কবিতা দুফাকিৰ পৰা এটা কথা প্ৰত্যক্ষ কৰা যায় যে সেই সময়ৰ আৰবসকলে এক সৰ্বশক্তিমান আল্লাহৰ অস্তিত্বৰ ওপৰত আৰু শেষ বিচাৰৰ দিনা কেয়ামত আৰু হছৰৰ ওপৰত বিশ্বাস কৰিছিল। এনে বিশ্বাসৰ ইছলামৰ মূল বিশ্বাসৰ লগত মিল আছে, কিন্তু এই বিশ্বাস ৰখা মানুহখিনিয়েই অন্য এনে কিছুমান ধাৰণাৰ পোষকতা কৰিছিল যিবোৰ ইছলামী ধাৰণাৰ বিপৰীত। এই ধাৰণা মতে আল্লাহ সৰ্বশক্তিমান যদিও কিছুমান জীৱিত আৰু নিৰ্জীৱ মাধ্যমৰ যোগেদি ভক্তৰ সংযোগ ৰচনা হয় স্ৰষ্টাৰ লগত। এই মাধ্যমবোৰক আল্লাই নিজৰ অতি মানবীয় শক্তি দান কৰে। কোনো সাধু-সন্তৰ শিল পাথৰৰ বা কোনো অপাৰ্থিব বস্তুৰ মূৰ্ত্তি সাজি তাকে স্ৰষ্টা আৰু মানুহৰ মাজৰ অদৃশ্য সম্পৰ্ক ৰচনা কৰাৰ মাধ্যম বুলি গণ্য কৰিছিল। কেতিয়াবা তেনে মাধ্যম কিছুমানক আল্লাৰ অৱতাৰ বুলিও ধৰিছিল আৰু সেইবোৰৰ পূজা কৰিছিল। নিজৰ গোষ্ঠী বা গোত্ৰটোক আৰববিলাকে অতিশয় ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। আৰু নিজৰ গোত্ৰৰ শ্ৰেষ্ঠত্ব আৰু মহত্ব প্ৰতিপন্ন কৰিবৰ কাৰণে প্ৰশস্তিমূলক কবিতা যেনেকৈ ৰচনা কৰিছিল তেনেকৈ নিজ গোত্ৰৰ

প্ৰতিনিধি স্বৰূপ এক দেৱতাৰ মূৰ্তিও সাজি উলিয়াইছিল। আৰু দেৱতাৰ অনুগ্ৰহ বা কৰুণা লাভ কৰিবৰ কাৰণে সেই মূৰ্তিৰ গুণ-কীৰ্তন কৰিছিল আৰু পূজা প্ৰদক্ষিণ আদিও কৰিছিল। বিভিন্ন জনগোষ্ঠীৰ ভিন ভিন গোষ্ঠীদেৱতা আছিল। যল্‌ব গোষ্ঠীয়ে পূজা কৰিছিল বদ্দ দেৱতাক হুদেইলৈ চুৱাক, মদ্‌ হিয সম্প্ৰদায়ে পূজা কৰিছিল য়োগুছ দেৱতাক, থাইৱানে য়াউক দেৱতাক পূজা কৰিছিল।

হিম্‌য়াৰ গোষ্ঠীৰ দেৱতা আছিল নছৰ। বল্‌খা নামে এডোখৰ ঠাইত এই দেৱতাক ৰাখি পূজা কৰা হৈছিল। হিম্‌য়াৰবিলাকৰ আৰু এটা মন্দিৰ আছিল ছানা নামে ঠাইত। তাৰ দেৱতাজনৰ নাম আছিল ৰিয়াম। এই দেৱতাক পূজা কৰা হৈছিল। আৰু এই দেৱতাৰ ওচৰত বলিও দিয়া হৈছিল।

জনা যায় যে এই সকলোবোৰ দেৱতাৰ ভিতৰত প্ৰাচীনতম মূৰ্ত্তি আছিল মানাহৰ। আৰবসকলে এই বিগ্ৰহৰ নামৰ লগত যুক্ত কৰি নিজৰ সন্তানৰ নাম ৰাখিছিল। আব্দ-মানাহ, জইদ-মানাহ আদি। মক্কা আৰু মদিনাৰ মাজৰ কুদাইদ নামে ঠাইত এইজনা দেৱীৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰা হৈছিল। গোটেই আৰবৰ মানুহে মানাহ দেৱীৰ পূজা কৰিছিল। আউছ আৰু খাজৰাজ গোত্ৰীয় লোকসকল মানাহ দেৱীৰ একান্ত ভক্ত আছিল।

অন্য এগৰাকী আৰবীসকলৰ পৰম ভক্তিৰ পাত্ৰী দেৱী আছিল আল্‌ লাট। ছাকিফৰ বনু, আত্তাবে এই নামৰ শিলৰ মূৰ্ত্তিটোৰ কাৰণে এটা মন্দিৰ নিৰ্মাণ কৰিছিল। কুৰেইছসকলে আৰু আৰবৰ প্ৰায় সকলো সম্প্ৰদায়ৰ মানুহেই আল্‌ লাটক শ্ৰদ্ধা ভক্তি জনাইছিল আৰু এই দেৱীৰ নামৰ লগত যুক্ত নিজৰ সন্তানৰ নাম ৰাখিছিল, যেনে — জায়েদ-আল্‌ লাট, তাইম আল্‌ লাট আদি। ছাকিফ গোষ্ঠীৰ আৰবসকলে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাৰ আগলৈকে আৰবসকলে এই দেৱীৰ পূজা নিয়মীয়াকৈ কৰিছিল। ইছলাম প্ৰচাৰ হোৱাৰ পাছত আল্‌ লাটৰ মূৰ্ত্তিটো ভাঙি পেলোৱা হৈছিল।

অন্য এগৰাকী আৰবসকলৰ শ্ৰদ্ধাভাজন দেৱী আছিল আল্‌ উজ্জা। মক্কাৰ পৰা ইৰাকলৈ যোৱা বাটৰ কাষৰ মোকালে সকা হুৰদ নামৰ ঠাইত এই দেৱী মূৰ্ত্তি থাপনা কৰা হৈছিল। মূৰ্ত্তিৰ চাৰিওফালে ভক্তসকলে বহিব পৰাকৈ এক আহল বহল প্ৰাচীৰ তৈয়াৰ কৰা হৈছিল। তাতে দেৱীৰ পৰা দৈৱবাণী শুনিবৰ কাৰণে মানুহবোৰ বহিছিল। প্ৰতিমাবোৰ বেলেগ বেলেগ ঠাইত প্ৰতিষ্ঠা কৰা হৈছিল, যদিও কুৰেইছবিলাকে কাবালৈ গৈ মানাহ লাট্‌ আৰু উজ্জাৰ প্ৰশস্তি গাই কাবা মন্দিৰ প্ৰদক্ষিণ কৰিছিল। এই তিনি দেৱীক

আৰববিলাকে আল্লাৰ জীয়েক বুলি আখ্যা দিছিল। কোৰাণে এইবোৰ দেৱীৰ পূজা কৰাৰ ঘোৰ বিৰোধিতা কৰিছে। এইবোৰ তোমালোকৰ পিতৃ পুৰুষ আৰু তোমালোকে উলিওৱা মনে সজা নামৰ বাহিৰে অন্য একো নহয়। এই মূৰ্ত্তিবোৰক দেৱী বুলি পূজা কৰাৰ কোনো কৰ্ত্তৃত্ব আল্লাই দিয়া নাই। সিহঁতে সিহঁতৰ খেয়াল খুছীমতে এইবোৰ উদ্ভাৱন কৰিছে।

— কোৰাণ

কাবা মন্দিৰৰ ভিতৰে বাহিৰে কুৰেইছসকলৰ ভালেমান দেৱ-দেৱীৰ মূৰ্ত্তি আছিল। ইয়াৰ ভিতৰত বৃহত্তম মূৰ্ত্তিটো আছিল 'হুবলৰ'। হুবলৰ মূৰ্ত্তিটো এজন পুৰুষৰ আকৃতিৰে ৰঙা গ্ৰেণাইট পাথৰেৰে সজা হৈছিল। মূৰ্ত্তিৰ সোঁহাতখন ভগা আছিল।

হুবলৰ মূৰ্ত্তি কাবা মান্দিৰৰ ভিতৰত ৰখা হৈছিল। হুবলৰ মূৰ্ত্তিৰ কাষত ৰখা হৈছিল কিছুমান কাঁড়। ভাগ্য পৰীক্ষা কৰোতা কিছুমান সৰবজানে (কাহিন) হুবলৰ ফালে সেই কাড়বোৰ দলিয়াই যাক লাগে তাৰ ভাগ্যত কি আছে ভৱিষ্যদ্বাণী কৰিছিল আমাৰ দেশৰ মদলতীয়ে মঙ্গল চাই যাক লাগে তাৰ ভাগ্যফল কোৱাৰ দৰে। এই কাঁড়বোৰৰ ওপৰত ছাৰিহ বোলা শব্দটো অকা বা লিখা থাকে। আন এটা কাঁড়ত লিখা থাকে মুলছাক শব্দটো।

কাৰোবাৰ সন্তানৰ পিতৃত্ব সম্পৰ্কে মতভেদ থাকিলে তাৰ প্ৰকৃত পিতৃ কোন তাক নিৰ্ণয় কৰিবৰ কাৰণে কাড়বোৰ মুঠা কৰি দলিওৱা হয়। ছাৰিহ লিখা থকা বাওঁটো ওলালে সেই সন্তানটো অবৈধ নহয় বুলি ঘোষণা কৰা হয়। দুৰ্ভাগ্যবশতঃ যদি মূলছাক লিখা থকা কাঁড়টো ওলায়, তেতিয়াহ'লে সেই সন্তানটোক জাৰজ বুলি ধৰা হয়। মঙ্গল চাই মানুহৰ পিতৃত্ব নিৰ্দ্ধাৰণ কৰাৰ নিচিনা ব্যৱস্থাই সেই সময়ৰ আৰবত কু-সংস্কাৰ আৰু অন্ধবিশ্বাস কেনে প্ৰবল আছিল তাৰে সাক্ষী বহন কৰে। হুবলৰ মূৰ্ত্তিৰ ওচৰত আৰু কিছুমান কাঁড় ৰখা হৈছিল। সেইবোৰেৰে বিয়াৰ শুভাশুভ, ভ্ৰমণৰ বিপদ অথবা কাৰোবাৰ মৃত্যু সম্পৰ্কেও গণনা কৰা হৈছিল। মক্কাৰ মানুহে হুবল দেৱতাৰ মূৰ্ত্তিৰ বৰ শ্ৰদ্ধা ভক্তি কৰিছিল। ওহুদৰ যুদ্ধত জয়ী হোৱাৰ পিছত আবু চুফিয়ানে এইজন দেৱতাৰ মূৰ্ত্তিকে সম্বোধন কৰি কৈ উঠিছিল : "তোমাৰ অৰ্থাৎ তোমাৰ ধৰ্ম্মৰ জয় হওক।"

এই কথা শুনি হজৰত মোহম্মদে (দঃ) কৈ উঠিছিল : "আল্লাহ

হুবলতকৈ অধিক উচ্চ, অধিক মহত্বপূৰ্ণ, মহীয়ান।" আৰু দুটা জনাজাত দেৱমূৰ্ত্তি আছিল — উছাফ আৰু নাইলা। এটাক ৰখা হৈছিল কাবাৰ ওচৰত, আনটোক ৰখা হৈছিল জমজমৰ ওচৰত। পিছত দুয়োটাকে জমজমৰ পাৰত ৰখা হ'ল। আৰববিলাকে দুয়োটাকে বলি-বিধান দি পূজা কৰিছিল। ঘৰৰ পৰা কেনিবা ওলাই যোৱাৰ আগতে আৰু ক'ৰবাৰ পৰা ঘূৰি ঘৰ সোমায়ে এই মূৰ্ত্তিবোৰক চুই করুণা ভিক্ষা কৰাটো এটা ধৰাবন্ধা প্ৰথা আছিল। যিবোৰ শিলামূৰ্ত্তি বা শিলাখণ্ডক আৰববিলাকে ভক্তি শ্ৰদ্ধা জনাই পূজা কৰিছিল, সেইবোৰক তেওঁলোকৰ আনচব্‌ বুলিছিল। এনেয়ে কোনো শিলাখণ্ডৰ আকৃতি অবয়ব কোনো জীৱন্ত প্ৰাণীৰ আকৃতিৰ লগত মিলা যেন দেখিলে তাকে আচনম বুলিছিল। আৰু যিবোৰ মূৰ্ত্তি শিল কাটি সাজি উলিওৱা হৈছিল সেইবোৰক বুলিছিল আওছান। সকলো মূৰ্ত্তিৰ কেউফালে দৌৰা বা প্ৰদক্ষিণ কৰাটো এটা চিৰাচৰিত প্ৰথা আছিল। ঘৰৰ আগত বা য'তে ত'তে দেৱ-দেৱীৰ মূৰ্ত্তি থাকিলেও আৰবসকলে কিন্তু কাবা মন্দিৰক অতিশয় ভক্তি শ্ৰদ্ধা কৰিছিল। সকলোৱেই কাবালৈ গৈ দৰ্শন কৰাটো তীৰ্থ কৰা বুলি বিবেচনা কৰিছিল। কাবাৰ আশে পাশে পৰি থকা শিলৰ টুকুৰা একোটাকে দেৱতাৰ বিগ্ৰহ বা প্ৰতিকৃতি বুলি দৃঢ়ভাৱে বিশ্বাস কৰি য'লৈকে যায় তালৈকে এনেকুৱা একোটা শিলৰ মূৰ্ত্তি বা শিলৰ টুকুৰা লগত লৈ গৈ তাৰ চাৰিওফালে ঘূৰি ঘূৰি প্ৰদক্ষিণ কৰাটো এনে এক সংস্কাৰত পৰিণত হৈছিল যে এনে কৰোতে কৰোতে হজৰত ইব্ৰাহীম আৰু হজৰত ইছ্‌মাইলে সাজি থৈ যোৱা নিৰাকাৰ আল্লাৰ পবিত্ৰ উপাসনা গৃহত এবাদত কৰাৰ কথা প্ৰায় পাহৰিয়ে গৈছিল। পাহৰি গৈছিল ৱহদহু লা ছাৰিকৰ অৰ্থ আৰু তাৎপৰ্য্য, সকলোৱেই মূৰ্ত্তি পূজা কৰা পৌত্তলিক হৈ পৰিছিল।

হেৰেম ছাৰিফৰ প্ৰতি (কাবাৰ প্ৰতি) শ্ৰদ্ধা জনোৱা, কাবাৰ প্ৰদক্ষিণ কৰা (তাৱাফ কৰা), হজ কৰা, মাইকী উট কোৰবানি কৰা আৰু তহ্‌লীল বা আল্লাৰ গুণ নাম চিঞৰি চিঞৰি ঘোষণা কৰা আদি প্ৰথা হজৰত ইব্ৰাহীমৰ দিনৰ পৰা চলি আহিছিল। লব্বেইকা লব্বেইকা ৱহদহু লা ছাৰিকা লাকা লব্বেইক বুলি তহ্‌লীলৰ বাণী উচ্চাৰণ কৰাৰ সময়তো তেতিয়াৰ আৰববিলাকে আল্লাৰ একমেৱা দ্বিতীয়ম স্বৰূপৰ কথা মুখেৰে চিঞৰিলেও মনে মনে নিজ

নিজ দেৱতা বা মূৰ্ত্তিবোৰৰ কথাও পাহৰি যাব পৰা নাছিল। ইছলামৰ প্ৰতিষ্ঠাৰ পূৰ্ব্বে মক্কাৰ আৰববিলাকে উলঙ্গ হৈ হাত চাপৰি মাৰি জপিয়াই গীত গাই কাবাৰ চাৰিওফালে ঘূৰিছিল, নাচিছিল। ইয়াক এক পবিত্ৰ ধৰ্ম্মানুষ্ঠান বুলি গণ্য কৰা হৈছিল। উলঙ্গ হৈ কাবাগৃহ প্ৰদক্ষিণ কৰাৰ যুক্তিযুক্ততাৰ সমৰ্থনত আৰববোৰে কৈছিল, "যি সাজ কাপোৰ পিন্ধি পাপ কাৰ্য্য কৰে, বেয়া কাম কৰে, সেই কাপোৰ গাত পিন্ধি আল্লাৰ ঘৰত কেনেকৈ পূজা কৰিম ?"

মূৰ্ত্তি পূজাৰ উপৰিও তেতিয়াৰ আৰববিলাকে আকাশৰ গ্ৰহ-নক্ষত্ৰ, গছ আৰু নিজ বংশৰ পূৰ্ব্বপুৰুষবো পূজা কৰিছিল। সূৰ্য্যক স্ত্ৰী, নিজৰ বুলি গণ্য কৰিছিল। আৰু সূৰ্য্য দেৱীৰ মূৰ্ত্তি সাজি পূজা কৰিছিল। প্ৰভাতৰ সূৰ্য্যৰ (ছৰক্) পূজাও কৰা হৈছিল। অন্যান্য গ্ৰহ, নক্ষত্ৰ চুহেইল আল্‌চিৰা, উতাৰিদ, জোহ্‌ৰা (ভেনাছ—শুক্ৰগ্ৰহ), আল্‌মছিৰী (বৃহস্পতি) আৰু জুহাল বা শনি আদি গ্ৰহৰ পূজাও কৰা হৈছিল। চন্দ্ৰ পূজাও চলিছিল। হাম্‌দান, হিমাৰী আদি কিছুমান ফৈদে ঘোঁৰাৰ প্ৰতীক য়ওক আৰু শগুণৰ প্ৰতীক নছৰ্‌বো পূজা কৰিছিল। গ্ৰহ-নক্ষত্ৰ, পশু-পক্ষীৰ উপৰিও কিছুমান এৱষ্ট্ৰেক ধাৰণা বা বস্তু নিৰপেক্ষ অস্তিত্বৰো প্ৰতীকৰ ৰূপ দি পূজা কৰাৰ উদাহৰণ পোৱা যায়। ভাগ্য বা অদৃষ্ট, কাল বা সময়কো চিৰন্তন ৰূপত আৰু নিয়ন্তা আৰু নিয়ামক ৰূপত পূজ্য সত্তাৰ সন্মান যাচিছিল। কাল বা সময়ে আমাক জীৱনলৈ আনে আৰু কালেই আমাক মৰণৰ বুকুলৈ লৈ যায়। মনিয়া বা তক্‌দিৰ বা ভাগ্য অবিসম্বাদী আৰু অখণ্ডনীয় বুলি আৰববিলাকে গণ্য কৰিছিল। কাল আৰু ভাগ্য সম্পৰ্কীয় ধাৰণাক কাব্যিক প্ৰবণতা বুলিয়ে নধৰিছিল। স্ৰষ্টা আৰু সৃষ্টিৰ সম্পৰ্ক নিৰ্ণয়ৰ বিষয়ত তেওঁলোকৰ ধাৰণা আছিল যে স্ৰষ্টাই বা আল্লাই সৃষ্টিকাৰ্য্য সম্পন্ন কৰি, ইয়াৰ দ্ৰষ্টা হিচাপে নিজক সৃষ্টিৰ আঁতৰাই ৰাখিলে, আৰু কাল আৰু ভাগ্যই পালে সৃষ্টিক যথা ইপ্সিত পৰিণতিৰ ফালে লৈ যোৱাৰ দায়িত্ব। এনেদৰে কাল আৰু ভাগ্যয়ো এক দৈৱী মৰ্য্যাদা আৰু গুৰুত্ব লাভ কৰিছিল।

সেই কালৰ আৰবসকলে উপসনাগৃহৰ পুৰোহিত আৰু সংৰক্ষক আদিকো অতিশয় সম্ভ্ৰম কৰিছিল। মন্দিৰৰ পুৰোহিতজনক মানুহ আৰু আল্লাৰ মাজৰ সংযোগসূত্ৰ বা মাধ্যম বুলি বিচেনা কৰিছিল। পুৰোহিতৰ দৰেই 'কাহিন' বা সৰবজান বা মানুহৰ ভৱিষ্যত গণনা কৰোতাৰ ওপৰতো আৰবসকলৰ

গভীৰ বিশ্বাস আৰু আস্থা আছিল। মানুহৰ সমস্যাৰ বুজ লৈ দৈৱদাসীৰ যোগ সমাধান বা ফলাফল বা কৰ্ত্তব্য কৰ্ত্তব্যৰ বিষয়ে কাহিনে বিধি ব্যৱস্থা দিছিল। এনে জ্যোতিষী বা ভৱিষ্যদ্বাণী কৰোতায়ো আৰববিলাকৰ শ্ৰদ্ধা ভক্তি লাভ কৰিছিল।

আৰববিলাকে কবিসকলকো অতি মানৱীয় আৰু অসাধাৰণ জ্ঞান শক্তি আৰু সৃজনী শক্তিৰ অধিকাৰী এক বিশেষ ধৰণৰ জীৱ বুলি বিবেচনা কৰিছিল। জিন আৰু চয়তানৰ অতি মানবীয় জ্ঞান লাভ কৰি কবিসকলেও সৃষ্টিৰ ৰহস্য আৰু মানুহৰ দেহ-মনৰ কথা ধ্বনীয়া ভাষাৰে প্ৰকাশ কৰিব পাৰে বুলি-কবিসকলকো বিশেষ শ্ৰদ্ধাৰে বিবেচনা কৰিব লাগে বুলি আৰবসকলে ভাবিছিল, কিবক নিজ গোষ্ঠীৰ ভাগ্যৰ ভৱিষ্যদ্বাণী কৰোতা দৈৱবাণীৰ বাহক বুলি আৰু যুদ্ধৰ কাৰণে উৎসাহ উদগনি দিওতা আৰু শান্তিৰ দিনত পথ প্ৰদৰ্শকৰূপে কাম কৰোতা বিশিষ্ট ব্যক্তি বুলি শ্ৰদ্ধা কৰিছিল। কোনো নতুন ঠাইলৈ গৈ তম্বু তৰিবৰ সময়তো বেদুইন আৰববিলাকে কবিৰ পৰামৰ্শ আৰু নিৰ্দেশ পৰামৰ্শ গ্ৰহণ কৰিছিল। ইয়াৰ উপৰি জিন বা দেও বা দৈত্য আদি অশৰীৰী অস্তিত্বতো তেওঁলোকে বিশ্বাস কৰিছিল। মলাইক বা ফিৰিস্তাসকলক (দেৱতাসকলক) মানুহৰ উপকাৰী আৰু বন্ধুস্থানীয় বুলি ধৰিছিল। অশৰীৰী জিনৰ আকৃতি-প্ৰকৃতি যিয়েই নহওক, জিনৰ ভূমিকা সম্পৰ্কে মূল্যায়ন কৰা হৈছিল। মানুহৰ লগত জিনৰ সম্পৰ্কৰ ভিত্তিত বিচাৰ কৰি বহুতে ভাবে যে মৰুভূমিৰ ভয়ানক ৰূপৰ লগত পৰিচিত হোৱাৰ অভিজ্ঞতাৰ ভিত্তিত জিনক মানুহৰ প্ৰতিকূল এক বিশেষ শক্তিৰূপে বৰ হৈছিল।

মলাইক বা ফিৰিস্তাসকলক মানুহে বসতি প্ৰতিষ্ঠা চিহ্নিত মৰুদ্যানৰ বন্ধু ভাবাপন্ন অস্তিত্বৰূপে ধৰা হৈছিল। পূৰ্ব্বপুৰুষৰ কবৰকো আৰববিলাকে শ্ৰদ্ধা কৰিছিল আৰু মৃত লোকসকলৰ আত্মাৰ আশীৰ্ব্বাদ পাবৰ কাৰণে প্ৰাৰ্থনা কৰিছিল। মৃত লোকৰ আত্মাই মানুহৰ ৰূপত বা অন্য ৰূপত আৱিৰ্ভাৱ হ'ব পাৰে বুলিও বিশ্বাস কৰিছিল। কিছুমান চিন বা ঘটনা বা পৰিস্থিতিৰো বিশেষ তাৎপৰ্য্য আৰোপ কৰা হৈছিল। কিছুমান চৰাইক মঙ্গলকামী আৰু অইন কিছুমান চৰাইক অমঙ্গলীয়া বুলি বিবেচনা কৰিছিল। কিছুমান জন্তু কাৰোবাৰ আগেদি পাৰ হৈ গ'লে কোন ফালৰ পৰা কোন ফালে গ'ল তাৰো যাত্ৰা আদিৰ ফলাফল

কেনে হ'ব তাৰ ইঙ্গিত দিয়া বুলি বিশ্বাস কৰিছিল। কিছুমান চৰাইক হুৰাই-উৰাই দি সিহঁতৰ উৰি যোৱাৰ গতি বিধি চায় তাৰ ভিত্তিত কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছিল। অসমত শেষচোৱা প্ৰথাৰ নিচিনাই এটা মানসিক সংস্কাৰ আছিল এইবোৰ ৰীতি।

আৰবত অগ্নি পূজাও কৰা হৈছিল। অগ্নিক স্বৰ্গীয় জ্যোতিৰ প্ৰতীক বুলি বিবেচনা কৰা হৈছিল। অগ্নি পূজাৰ ৰীতি পাৰস্যৰ ফালৰ পৰাই আৰবলৈ অহা বুলি বহুতে ধাৰণা কৰে।

ইহুদীবিলাকৰ ধৰ্ম্মৰো আৰবলৈ প্ৰৱেশ ঘটিছিল। আৰবৰ কিনানা, আল্ হাৰিছ, ইব্নে কাবা, বিন্দা আদি ফৈদৰ আৰবী মানুহে ইহুদী ধৰ্ম্মৰ প্ৰভাৱ মানি লৈছিল। আৰবৰ কিছুমান ফৈদৰ মানুহে খ্ৰীষ্টান ধৰ্ম্মও গ্ৰহণ কৰিছিল। হিময়াৰ্, খাচ্ছাম, ৰাবিয়া, তাগাব, বাহ্ৰা, তুমুখ আদি ফৈদৰ মানুহ, নজ্ৰাম আৰু হিৰাৰ কিছুমান আৰবেও খ্ৰীষ্ট ধৰ্ম্ম গ্ৰহণ কৰিছিল, এনেদৰে নিজস্ব পৌত্তলিক মতবাদ, ইহুদীৰ ধৰ্ম্ম জুদাইজম্ আৰু খ্ৰীষ্টানৰ ধৰ্ম্ম, প্ৰাচীন ধ্যান ধাৰণা আৰু সংস্কাৰ সকলোৰে সংমিশ্ৰণ আৰু সংঘাত সমন্বয়ৰ ফলত আৰববাসীয়ে এক মিহলি ধৰ্ম্ম বিশ্বাসক নিজৰ কৰি লৈছিল।

মানৱ সভ্যতাৰ প্ৰাচীনতম উৎপত্তিৰ স্থল পৃথিৱীৰ ক'ত আছিল এই বিষয়ে গৱেষক পণ্ডিতসকলৰ ভিন ভিন মত আছে। এচাম বিশেষজ্ঞ পণ্ডিতৰ ধাৰণা আৰু অভিমত যে এতিয়াৰ পৰা প্ৰায় ছহেজাৰ বছৰ পূৰ্ব্বে বৰ্ত্তমান ইজিপ্তেই আছিল মানৱ সভ্যতাৰ আদিম ভূমি আৰু কেন্দ্ৰস্থল। তাৰ আগৰ মানৱ সভ্যতাৰ ইতিহাস কল্পনাৰ কুঁৱলীৰে ঢাক খোৱা আৰু সেই কালছোৱাৰ সম্পৰ্কে এই বিষয়ৰ কোনো বিজ্ঞানসন্মত প্ৰকৃতি নিৰ্ণয় কৰাটো এক দুৰূহ কাৰ্য্য। বৰ্ত্তমানত মেচ'পটেমীয় আৰু ফিনিছীয় সভ্যতাৰ উৎপত্তি সম্পৰ্কে তথ্য উদ্ঘাটনৰ কাৰণে প্ৰত্নতাত্ত্বিকসকলে ইৰাক আৰু চিৰীয়াত অনুসন্ধান চলাইছে। ইয়াৰ সভ্যতা ইজিপ্তৰ সভ্যতাতকৈ আগৰ নে পিছৰ তাক নিৰ্ণয় কৰাৰ কিবা সূত্ৰ বিচাৰি পোৱা যায়নেকি তাৰ গৱেষণা কৰিছে। আৰু কোনটো সভ্যতাৰ প্ৰভাৱ কোনটো সভ্যতাৰ ওপৰত পৰিছিল সেইকথা নিৰ্দ্ধাৰণ কৰিবৰো যত্ন কৰিছে। চীনদেশ, ভাৰতবৰ্ষ বা সুদূৰ প্ৰাচ্যৰ দেশবোৰৰ সভ্যতা সম্পৰ্কে হোৱা প্ৰত্নতাত্ত্বিক গৱেষণাৰ যি তথ্য আৱিষ্কাৰ কৰা হৈছে সেই কথায়ো এটা কথা নিশ্চিতভাৱে প্ৰতীয়মান কৰে যে মেচ'পটেমীয়া, ইজিপ্ত, ফিনিছীয়চ' যি ভূখণ্ডৰে সভ্যতা নহওক কিয়, পৃথিৱীৰ প্ৰাচীনতম সভ্যতাবোৰৰ উৎপত্তিৰ লগত ভূমধ্যসাগৰৰ এটা সম্পৰ্ক বা যোগসূত্ৰ আছে। এই কথাও প্ৰতিপন্ন হৈছে যে ইজিপ্তৰ পৰাই মানৱ সভ্যতাই গ্ৰীচ আৰু ৰোমলৈ বিস্তাৰ লাভ কৰিছিল। আৰু আজিৰ সভ্যতাও তাৰপৰাই সম্প্ৰসাৰিত হৈছে। ইজিপ্ত, গ্ৰীচ, মেচোপ'টেমীয়াৰ প্ৰাচীন সভ্যতাৰ লগত প্ৰাচ্যৰ দেশবোৰৰ সভ্যতাৰ পোনপটীয়া সম্পৰ্ক থকাৰ নিদৰ্শন বৰ বেছি পাবলৈ নাই। বৰ্ত্তমানৰ মানৱ সভ্যতাৰ যি বিস্তাৰ ঘটিছে, তাৰ মূলত নিকট প্ৰাচ্যৰ সভ্যতা আৰু ইছলামিক-সভ্যতাৰ প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱ এটা অনস্বীকাৰ্য্য ঘটনা। এই দেশবোৰৰ ভৌগোলিক অৱস্থানেও বিভিন্ন সভ্যতাৰ স্বকীয়তা প্ৰতিষ্ঠাত বৰঙণি যোগাইছে।

# লোহিতসাগৰীয় আৰু ভূমধ্যসাগৰীয় সভ্যতা

বহু হেজাৰ বছৰ পূৰ্বেই ভূমধ্যসাগৰৰ উপকূলভূমি আৰু তাৰ আশ-পাশৰ ঠাইবোৰত ইজিপ্ত, মেচ'পটেমীয়া, গ্ৰীচ আদি দেশত কৃষি, উদ্যোগ, বাণিজ্য, ৰণকৌশল আৰু তেনে ধৰণৰ কাৰিকৰী বিদ্যা আৰু বিজ্ঞানৰ ক্ষেত্ৰত অভাৱনীয় উদ্ভাৱন আৰু বিকাশ ঘটোৱা হৈছিল। সেইকালতে সভ্যতাৰ এনে অগ্ৰগতি এক ভাবিবলৈয়ো টান লগা কথা। এই অভ্যূত্থান প্ৰধানত: ধৰ্ম্ম ভিত্তিক আছিল। প্ৰচীন ইজিপ্তত কদৰ্য্যৰ আধাৰ আছিল অৰিছিছ্, আৰ্দাৰছ্ আৰু ইৰাদৰ মূৰ্ত্তিক পূজাকৰাৰ পৰা উদ্ভৱ হোৱা আদিশক্তিৰ বা ঈশ্বৰৰ ত্ৰিমূৰ্ত্তিবাদ (Trinity), গ্ৰীচ আৰু ৰোমৰ জড়বাদী পূজাপদ্ধতি (paganis) সত্য, সুন্দৰ আৰু মঙ্গলৰ (Truth, Beauty and goodness) ইন্দ্ৰিয়গ্ৰাহ্য প্ৰতীকে মৃত্যুৰ মাজেদি জীৱনৰ অস্তিত্ব, বংশ-পৰম্পৰাৰ মাজেদি পৰিবৰ্ত্তনশীল জীৱনৰ স্থায়িত্ব ৰক্ষা, আৰু মৃত্যুৰ শেষত পুনৰুত্থানৰ ওপৰত বিশ্বাসৰ ধাৰণাক (ইজিপ্তৰ দাৰ্শনিক তত্ত্বক) কিছুদূৰ পৰিৱৰ্ত্তিত কৰিছিল। পিছলৈ গ্ৰীচ, ৰোমৰ জড়বাদী আৰু ইন্দ্ৰিয়গ্ৰাহ্য প্ৰৱণতাই ধৰ্ম্মৰ ধাৰণালৈ কিছু অৱনতি কঢ়িয়াই আনিছিল। গ্ৰীচ, ৰোমৰ দেৱ-দেৱীৰ সাকাৰ মূৰ্ত্তিবোৰে কায়িক ৰূপৰ বৈশিষ্ট্যত গুৰুত্ব আৰোপ কৰাৰ সাক্ষী বহন কৰিছে। এনেবোৰ পাৰ্থক্য বা বিকৃতি বিবৰ্ত্তন সত্ত্বেও ধৰ্ম্ময়েইযে মানৱ সভ্যতাৰ আধাৰ হৈ আহিছে সেই কথা নুই কৰিবৰ উপায় নাই। ধৰ্ম্মৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিলেও আদিম কালৰে পৰা পৃথিৱীৰ মানুহৰ ধ্যান-ধাৰণা, চিন্তা-কৰ্ম্ম, আচাৰ-অনুষ্ঠানক যে বিভিন্ন ধৰ্ম্মই প্ৰভাৱান্বিত কৰি আহিছে, মানৱ সভ্যতাৰ ইতিহাসেই তাৰ সাক্ষী বহন কৰি আহিছে।

বিশ্ব সভ্যতাৰ অভ্যূত্থান আৰু বিস্তাৰৰ ক্ষেত্ৰত তিনিটা প্ৰধান আৰু স্বীকৃত ধৰ্ম্মৰ বৰঙণি থকাটোও এক ঐতিহাসিকভাৱে তাৎপুৰ্য্যপূৰ্ণ কথা।

নীল আৰু লোহিত সাগৰৰ মাজৰ ইজিপ্তত আৱিৰ্ভাৱ হৈছিল মূছাৰ বা মোজেছৰ। নিজকে সৃষ্টিৰ গৰাকী বুলি দাবী আৰু ঘোষণা কৰা ইজিপ্তৰ সম্ৰাট ফিৰাউনৰ (pharao)ঘৰতে ভৰণ-পোষণ লৈ ডাঙৰ হোৱা হজৰত মুছাই ফিৰাউনক এখন ৰাজ্যৰ ৰজা বুলি মানিলেও বিশ্বৰ গৰাকী বুলি স্বীকৃতি দিবলৈ অমান্তি হ'ল। ফিৰাউনৰ পৰাই মুছাই সৃষ্টিৰ মূলত এজন স্ৰষ্টা থকা

কথাটোৰ, আৰু সৃষ্টিৰ নিগূঢ় ৰহস্যজ্ঞানৰ অধিকাৰী হৈছিল। হজৰত মুছাই যেতিয়া একেশ্বৰবাদ ঘোষণা কৰাৰ ঐশ্বৰিক নিৰ্দ্দেশনা লাভ কৰিলে আৰু সেই সত্য জনসমাজত প্ৰচাৰ কৰিবৰ কাৰণে উদ্যত হ'ল, তেতিয়া ফিৰাউনে সদম্ভে ঘোষণা কৰিলে, "ময়েই তোমালোকৰ চৰম আৰু পৰম প্ৰভু—নিয়ন্তা।"

এই লৈ হজৰত মুছা আৰু ফিৰাউনৰ মাজত মতানৈক্য আৰু বিসম্বাদৰ উদ্ভব হ'ল। অৱশেষত হজৰত মুছাই ফিৰাউনৰ ৰাজ্য এৰি ইজৰাইলৰ সন্তানসকলক লৈ ইজিপ্ত এৰি পেলেষ্টাইনলৈ প্ৰস্থান কৰিবলগীয়া হ'ল। লগত লৈ আহিল একেশ্বৰবাদৰ অকাট্য আৰু অবিসম্বাদী প্ৰত্যয়।

পেলেষ্টাইনত আবিৰ্ভাৱ হৈছিল যেছাছ বা যিচুৰ। ভাৰ্জিন মেৰীৰ যোগে পৃথিৱীত অৱতৰণ কৰি আল্লাৰ বাণী পৃথিৱীবাসী মানুহৰ মাজত প্ৰচাৰ কৰিবৰ কাৰণে। নতুন সত্যৰ প্ৰচাৰৰ পবিত্ৰ দায়িত্ব পালন কৰিবলৈ গৈ ঈছা মছীহে,—যীশুৱে ক্ৰুছত প্ৰাণ বিসৰ্জ্জন দিবলগীয়া হ'ল। আল্লাই হজৰত ঈছাক নিজৰ ওচৰলৈ উঠাই লৈ গ'ল। যীশু নোহোৱা হ'ল, কিন্তু তেওঁ যি বাণী প্ৰচাৰ কৰিবৰ কাৰণে দুনিয়াত অৱতীৰ্ণ হৈছিল সেই বাণী, সেই ধৰ্ম্ম ৰৈ গ'ল। সেই ধৰ্ম্ম প্ৰচাৰ কৰাৰ দায়িত্ব ল'লে তেওঁৰ শিষ্যসকলে। এইয়া আছিল এক নতুন সংগ্ৰাম, এক নতুন সংঘৰ্ষ। খ্ৰীষ্টৰ ধৰ্ম্ম বিয়পি পৰিল। ৰোমৰ সম্ৰাটে খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ কৰিলে, আৰু এই ধৰ্ম্ম প্ৰচাৰৰ দায়িত্ব ল'লে। ৰোমৰ সম্ৰাটৰ লগে লগে খ্ৰীষ্টৰ ধৰ্ম্ম গ্ৰহণ কৰিলে ৰোমান সাম্ৰাজ্যই। ই বিয়পি পৰিল গ্ৰীচ, চিৰীয়া, ইজিপ্ত। ইজিপ্তৰ পৰা ই গ'ল আবিছিনীয়ালৈ। সম্প্ৰসাৰণ প্ৰক্ৰিয়া চলি থাকিল যুগ যুগ, শতিকা, শতিকাৰ মাজেদি। যিয়েই ৰোমান ৰাজশক্তিৰ আশ্ৰয় বা সাহায্য বিচাৰিলে, সিয়েই আশ্ৰয় ল'লে খ্ৰীষ্টধৰ্ম্মৰ শান্তিৰ ছত্ৰছায়াৰ তলত।

ৰোমৰ ৰাজশক্তিৰ পৃষ্ঠপোষকতা আৰু ৰোমান প্ৰজাৰ সমৰ্থনত খ্ৰীষ্টধৰ্ম্ম যেতিয়া ইজিপ্ত পৰ্য্যন্ত বিয়পি পৰিছিল, তেতিয়া আনফালে সুদূৰ প্ৰাচ্য আৰু ভাৰতৰ নৈতিক সমৰ্থন লৈ পাৰস্যত অন্য এটা ধৰ্ম্মই গা-কৰি উঠিছিল। ফিনিছীয়া আৰু মেচ'পটেমীয়ালৈকে বিয়পি থকা ইজিপ্তৰ সভ্যতাই বহু যুগ ধৰি প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত এক ব্যৱধান ৰচনা কৰি আহিছিল। কিন্তু

আদৰ্শগত আৰু সাংস্কৃতিক সংঘৰ্ষৰ সৃষ্টি কৰা নাছিল, সেই দুই সভ্যতা আৰু আদৰ্শৰ মাজত। ইজিপ্ত আৰু ফিনিছীয়াত খ্ৰীষ্টান ধৰ্ম্ম প্ৰৱৰ্ত্তিত হ'বলৈ লোৱাৰ ফলত সেই ব্যৱধান নোহোৱা হ'ল, আৰু পৰিণামত পশ্চিমৰ খ্ৰীষ্টধৰ্ম্ম আৰু পূবদিশৰ জোৰোৱাষ্টাৰ ধৰ্ম্ম মুখামুখি হ'ল। বহু শতিকা জুৰি প্ৰাচ্য আৰু পাশ্চাত্যাই নিজ নিজ বৈশিষ্ট্য বিসৰ্জ্জন নিদিয়াকৈ সংঘাতত লিপ্ত হৈ থাকিল। উভয় ধৰ্ম্মৰ মাজত এনে এটা আশঙ্কাৰ উদ্ভৱ হৈছিল যে ইটোৱে সিটোক উৎখাত কৰিব বুলি ভয় কৰিছিল। নিকট প্ৰাচ্যৰ সভ্যতাই গঢ়ি তোলা ব্যৱধান এক নতুন নৈতিক ব্যৱধান হিচাপে মূৰ দাঙি উঠিছিল— ধৰ্ম্মীয় ব্যৱধানৰ ঠাইত; কালত প্ৰত্যেকটো ধৰ্ম্মই নিজ নিজ ক্ষেত্ৰ নিজৰ ঠাইতে সীমিত কৰি ৰাখিবলগীয়া হৈছিল। আৰু আনৰ ক্ষেত্ৰৰ পৰা নিজ ধৰ্ম্ম সম্প্ৰসাৰণৰ আঁচনি উঠাই ল'বলগীয়াত পৰিছিল। উভয়ৰে মাজতে ভালেমান যুদ্ধ লাগিছিল যদিও ধৰ্ম্ম বা সভ্যতাৰ বিষয়ত সংঘৰ্ষত কোনোৱে কাকো পৰাজিত কৰিব নোৱাৰিছিল। পাৰস্যাই যদিও চিৰীয়া আৰু ইজিপ্ত জয় কৰিছিল, আৰু বাইজেণ্টিয়ামৰ উচৰিয়া ঠায়ো জয় কৰি এইবোৰ দেশলৈ নিজস্ব শাসন সম্প্ৰসাৰিত কৰিছিল, তথাপি পাৰস্যৰ শাসকসকলে সেইবোৰ অঞ্চলৰ খৃষ্টানসকলক নিজৰ ধৰ্ম্মলৈ অনাৰ বা তাত নিজ ধৰ্ম্ম প্ৰচাৰ আৰু প্ৰৱৰ্ত্তন কৰাৰ চিন্তা কাহানিও কৰা নাছিল। তাৰ বিপৰীতে বিজয়ী পাৰস্যৰ শাসকসকলে জয় কৰা দেশবোৰৰ প্ৰজাৰ ধৰ্ম্মক সন্মান জনাইছিল আৰু যুদ্ধত ধ্বংস হোৱা মন্দিৰ আদি পুনৰ নিৰ্ম্মাণ কৰাই দিছিল। তাৰ প্ৰজাক নিজস্ব ধৰ্ম্মানুষ্ঠান পালন কৰাত উদগনিহে যোগাইছিল। এটা কাম পাৰস্যৰ বিজয়ী শাসকসকলে কৰিছিল: "পবিত্ৰ ক্ৰছ" কৰায়ত্ত কৰি আনি পাৰস্যত ৰাখিছিলহি। পৰৱৰ্ত্তী কালত যেতিয়া বাইজেণ্টাইনসকলে পাৰস্যক ৰণত পৰাজিত কৰিলে , তেতিয়া তেওঁলোকে "পবিত্ৰ ক্ৰছ" আকৌ নিজ দেশলৈ ঘূৰাই লৈ গ'ল। মুঠতে আধ্যাত্মিকতাৰ ক্ষেত্ৰত পাশ্চাত্যৰ বিজয় আৰু সাফল্য পশ্চিমত, আৰু প্ৰাচ্যৰ বিজয় আৰু সাফল্য প্ৰাচ্যতে সীমিত হৈ গ'ল। ভৌগোলিক ব্যৱধানে সভ্যতাৰ বিভাজনৰ ক্ষেত্ৰত কৰাৰ দৰেই, নৈতিকতাৰ ব্যৱধানেও প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজৰ পাৰ্থক্য অপৰিৱৰ্ত্তিত কৰিয়ে ৰাখিলে। দুয়োটা মাগই সমপৰ্য্যায়ৰ আছিল। ফলত আধ্যাত্মিকতাৰ ক্ষেত্ৰত কোনো সংঘাত নহৈছিল।

খ্ৰীষ্টীয় ষষ্ঠ শতিকা পৰ্য্যন্ত পৰিস্থিতি প্ৰায় অপৰিৱৰ্ত্তিত আছিল। উল্লেখযোগ্য ৰূপান্তৰ একো ঘটা নাছিল বুলিব পাৰি। ইতিমধ্যে পূৰ্ব্ব ৰোমান আৰু পশ্চিম-ৰোমান সাম্ৰাজ্যৰ মাজত প্ৰতিযোগিতা অধিক শক্তিশালী হৈ উঠিছিল। যি ৰোমান সাম্ৰাজ্য এসময়ত গল (Gaul)আৰু জুলিয়াছ চিজাৰৰ দিন ধৰি বহু যুগ ধৰি ইয়াৰ প্ৰাধান্য প্ৰতিপন্ন কৰি আহিছিল, সেই ৰোমৰ খ্যাতি যশস্যা ক্ৰমে নিস্প্ৰভ হৈ আহিব ধৰিছিল। আৰু তাৰ ঠাইত বাইজেন্টিয়ামৰ শক্তি আৰু প্ৰতিপত্তি বৃদ্ধি পাই গৈছিল, আৰু ভেণ্ডেলবিলাকৰ আক্ৰমণৰ ফলত ৰোমে স্বাধীনতা হেৰুৱাইছিল। তেতিয়া কাৰ্য্যতঃ বাইজেন্টিয়ামেই বিশাল ৰোমান সাম্ৰাজ্যৰ উত্তৰাধিকাৰীৰূপে নিজক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ স্বাভাৱিক পৰিণতি স্বৰূপে ইয়াৰ প্ৰভাৱ খ্ৰীষ্টান ধৰ্ম্মৰ কেন্দ্ৰভূমি ৰোমতে খ্ৰীষ্টানসকলে নিৰ্য্যাতন ভোগ কৰিবলগীয়া হৈছিল।

খ্ৰীষ্টান লোকসকল বিভিন্ন ভাগত বিভক্ত হ'ব ধৰিলে। আৰু বিভাগবোৰো সৰু সৰু দল-উপদলত পৰিণত হ'ব ধৰিলে। খ্ৰীষ্টৰ ধৰ্ম্ম; ইয়াৰ ৰীতি-নীতি আৰু আচাৰ-বিচাৰ সম্পৰ্কে বেলেগ বেলেগ মত অভিমতৰ উদ্ভাৱন হ'ব ধৰিলে। কোনো বিশেষ নীতি আদৰ্শৰ ভিত্তিত বিবাদ বিসম্বাদবোৰৰ নিস্পত্তি ঘটাৰ উপায় নথকাত বিবদমান দলবোৰৰ পাৰস্পৰিক বিৰোধ আৰু বৃদ্ধি পালে। ব্যক্তিগত বিৰোধ, অন্ধ সংস্কাৰ আৰু গোড়ামীৰ ফলত নৈতিক আৰু মানসিক দোষ দুৰ্ব্বলতাবোৰে এক ব্যক্তিগত বৈৰীতাৰ ৰূপ ধাৰণ কৰিলে। এদলে মত প্ৰকাশ কৰিলে যে যীশু এক মানব দেহাধাৰী ব্যক্তি নাছিল, তেওঁ এক দৈত্যস্বৰূপ ছায়াহে আছিল। যি মানুহ আকাৰে মানুহৰ আগত দেখা দিছিল। আনদলে এক দুৰ্ব্বোধ্য ধাৰণা আগবঢ়াইছিল যে যীশুৰ দেহ আৰু আত্মা এক অভিন্ন সত্তা আছিল, তেওঁৰ আত্মাই আছিল দেহা, আৰু দেহাই আছিল আত্মা। ইয়াৰ ব্যাখ্যা নাই। ইয়াক বিনাপ্ৰতিবাদে বিশ্বাস কৰিব লাগে। কোনোৱে মাতৃ মেৰীৰ পূজা কৰিছিল। আন এদলে কৈছিল যে যীশুক জন্ম দিয়াৰ পিছত মেৰী আৰু কুমাৰী বা ভাৰ্জিন হৈ থকা নাছিল। গতিকে মেৰী পূজাৰ যোগ্য নহয়। এনে ধৰণৰ বিপৰীতমুখী বাদানুবাদৰ ফলত খ্ৰীষ্টানসকলৰ সামাজিক আৰু ধৰ্মীয় গাঁথনি শিথিল হৈ পৰিছিল। যুক্তি তৰ্কৰ সহায়ত স্বৰূপ নিৰ্ণয়ৰ চেষ্টা নকৰি একোটা শব্দ বা উপমাক লৈয়ে বিভিন্ন দলৰ মাজত বিবাদ চলি

আছিল, আৰু এক অবান্তৰ দাৰ্শনিকতাই পাণ্ডিত্যৰ ঠাই অধিকাৰ কৰি ৰহিছিল। যীশুক লৈ, মেৰীক লৈ বাদ-বিতণ্ডাৰ অন্ত নাছিল। ঘৰে-বাহিৰে, হাটে-বজাৰে, কটিৰ দোকানত, সোণাৰীৰ সোণাৰীশালত সকলোতে আলোচ্য বিষয় এটাই আছিল। যীশুৰ স্বৰূপ কি? যীশু ঈশ্বৰৰ পুত্ৰ হয় নে নহয়? পিতা ডাঙৰ— নে পুত্ৰ ডাঙৰ? যীশু স্বয়ম্ভু নে তেওঁ ঈশ্বৰৰ সৃষ্টি? প্ৰশ্নৰ শেষ নাছিল। বিবাদ বিৰোধৰ অন্ত নাছিল। সামাজিক অৱক্ষয় মূৰ্ত্তিমান হৈ উঠিছিল।

এনেবোৰ ধৰ্ম্ম সংক্ৰান্ত বিবাদ বৈপৰীত্য সত্ত্বেও কিন্তু ৰোম সাম্ৰাজ্যৰ ৰাজনৈতিক ভিত্তিটো দুৰ্ব্বল হোৱা নাছিল। ৰোমৰ ৰাষ্ট্ৰযন্ত্ৰটো মজবুত আৰু সুনিয়ন্ত্ৰিতভাৱেই চলি আছিল। দলবোৰৰ মাজৰ তৰ্কবাদ আৰু বিবাদ চলি আছিল, মাজে মাজে বিবাদ মীমাংসাৰ কাৰণে ডাঙৰ ধৰ্ম্মসভাও বহিছিল। কিন্তু কোনো সৰ্ব্বসন্মত সিদ্ধান্ত বা মীমাংসা হোৱা নাছিল, আৰু তৰ্কত কাৰো জয় পৰাজয়ো হোৱা নাছিল।

ৰাষ্ট্ৰশক্তিয়ে সকলো ভাগৰ প্ৰজাকে ৰক্ষণাবেক্ষণ দিছিল, আৰু ধৰ্ম্মৰ বিষয় লৈ তৰ্কবাদ কৰাত কোনো বাধা আৰোপ কৰা নাছিল। ইয়াৰ ফলত ৰজাঘৰ অধিক শক্তিশালী হৈ উঠিছিল আৰু ধৰ্ম্মৰ বিষয়ত ৰজাঘৰৰ ভাবমূৰ্ত্তি সমালোচনাৰ উৰ্ধ্বত আছিল। বিবদমান প্ৰতিটো দলেই ৰজাঘৰৰ সমৰ্থন আৰু ৰক্ষণাবেক্ষণ বিচাৰিছিল,. আৰু প্ৰতিটো দলেই ৰজাঘৰৰ পৰা সহায় সমৰ্থন পোৱা বুলি দাবী কৰি গৰ্ব্ব অনুভৱ কৰিছিল। প্ৰশাসন বিৰোধ বিসম্বাদ মুক্ত হোৱাৰ কাৰণে খ্ৰীষ্টধৰ্ম্মই সমগ্ৰ সাম্ৰাজ্যতে প্ৰতিষ্ঠা আৰু বিকাশ লাভ কৰিছিল। ৰোম সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত ইজিপ্তৰ পৰা খ্ৰীষ্টান ধৰ্ম্ম আবিচিনীয়া পাইছিলগৈ আৰু তাৰ পৰা লোহিত সাগৰ প্ৰান্তলৈকে বিস্তাৰ লাভ কৰিছিল। তেতিয়া লোহিত সাগৰৰ গুৰুত্ব ভূমধ্য সাগৰৰ সমানেই আছিল। ৰোমত স্থিৰ আৰু নিৰ্বিবাদ ৰাজকীয় শাসন চলি থকাৰ কাৰণেই খ্ৰীষ্টানধৰ্ম্মই চিৰীয়া আৰু পেলেষ্টাইনৰ পৰা আৰবৰ গাচ্ছান জনগোষ্ঠীকে ধৰি ইউফ্ৰেটিছ নদীৰ পাৰলৈকে বিস্তৃতি লাভ কৰিছিল। হিৰা অঞ্চল নিবাসী বনু লাখ্‌ন্ আৰু বনু মুন্‌জিৰ জনগোষ্ঠীৰ লোকসকলেও খ্ৰীষ্টানধৰ্ম্ম গ্ৰহণ কৰিছিল।

পাৰস্যত অগ্নিপূজাৰ ধৰ্ম্ম জোৰোৱাষ্ট্ৰীয়ান ধৰ্ম্ম প্ৰবলভাৱে চলি আছিল যদিও সেই ধৰ্ম্মাৱলম্বী লোকৰ মাজতো বিবদমান দল উপদলৰ উদ্ভৱ হৈছিল।

ধৰ্ম্মদৰ্শন লৈ বিভিন্ন দলৰ মাজত মতানৈক্য চলি থাকিলেও তাৰ বিৰূপ

প্ৰভাৱ ৰাজনৈতিক প্ৰশাসনৰ ওপৰত পৰা নাছিল। প্ৰত্যেকটো দলেই পাৰস্যৰ ৰজাৰ পৰা ৰক্ষণাবেক্ষণ বিচাৰিছিল। আৰু ইদলৰ বিৰুদ্ধে সিদলক বিবাদ বিৰোধত লগাই ৰাখি ৰাজনৈতিক মুনাফা আদায়ৰ কাৰণে আৰু দল বিশেষৰ বিৰোধিতাৰ পৰা ৰক্ষা পাই থাকিবৰ কাৰণে, পাৰস্যৰ সম্ৰাটে সকলো দলকে সহায় কৰিছিল। পশ্চিমৰ খ্ৰীষ্টানধৰ্ম্ম আৰু পূবৰ জোৰোৱাষ্ট্ৰীয়ান ধৰ্ম্ম দুটা ৰাষ্ট্ৰশক্তিৰূপে গঢ়ি উঠিছিল, ইয়াৰ প্ৰভাৱাধীন সৰু সৰু কিছুমান ৰাজ্যক নিজৰ সমৰ্থকৰূপে পাইছিল। ষষ্ঠ শতিকাৰ আৰম্ভণীত এই সৰু সৰু ৰাজ্যবোৰ আৰৱ উপদ্বীপৰ আশ-পাশত অৱস্থিত আছিল। এই ৰাজ্যবোৰত ধৰ্ম্মগুৰু আৰু নেতাসকলে নিজৰ নিজৰ ধৰ্ম্মীয় মতবাদ প্ৰচাৰ কৰিবৰ কাৰণে প্ৰচেষ্টা চলাই আছিল। ধৰ্ম্মৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰিলেও আৰৱ ভূখণ্ডৰ দাঁতিকাষৰীয়া কিছুমান অঞ্চলৰ বাহিৰে বাকী ঠাই অন্য দেশৰ শাসনৰ অধীনস্থ নোহোৱালৈকে চলি আছিল। খ্ৰীষ্টধৰ্ম্ম বা জোৰোৱাষ্ট্ৰীয়ান ধৰ্ম্মৰ আৰৱৰ কেন্দ্ৰীয় ভূখণ্ডলৈ প্ৰৱেশ ঘটা নাছিল। আৰৱৰ অতি কম সংখ্যক মানুহেহে ৰোম বা পাৰস্যৰ ধৰ্ম্ম গ্ৰহণ কৰিছিল। ইয়াৰ বাবে আৰৱ উপদ্বীপৰ ভৌগোলিক অৱস্থান বহুগুণে দায়ী। উত্তৰে পেলেষ্টাইন আৰু চিৰীয়াৰ মৰুভূমি, পূবে ইউফ্ৰেটিচ আৰু টাইগ্ৰীচ নদী, পাৰস্য উপসাগৰ আৰু হিৰা ৰাজ্য, দক্ষিণে আদন আৰু ভাৰত মহাসাগৰ, পশ্চিমে লোহিত সাগৰ। এই প্ৰাকৃতিক অৱস্থান আৰু বিচ্ছিন্নতাৰ কাৰণেই আৰৱ দেশ বাহিৰা আক্ৰমণকাৰীৰ আক্ৰমণৰ পৰা ৰক্ষাপৰি আছিল। মাটিভাগ কাষৰ কাৰণে সম্পূৰ্ণ অনুপযোগী, মাজত এখনো নৈ নাই। বৰষুণ হয় অতি সামান্য। মাজে মাজে থকা ওৱেছিছৰ বাহিৰে খেতিৰ উপযোগী মাটি ক'তো নাই। মৰুভূমিৰ মাজত ক'ত ওৱেছিছ আছে, তাক বিচাৰি উলিওৱাটো এক জীৱন-মৰণ সমস্যাৰ কথা। এনে পৰিস্থিতিত অসমৰ বাহিৰে আৰৱ দেশৰ ভিতৰ অঞ্চলৰ বিষয়ে মানুহৰ কোনো ধাৰণাই নাছিল।

প্ৰাচীন কালত সমুদ্ৰযাত্ৰা সকলোৱে আয়ত্ব কৰিব পৰা নাছিল। ব্যৱসায় বাণিজ্যৰ কাৰণে বা ভ্ৰমণ কৰিবৰ কাৰণে সমুদ্ৰযাত্ৰা কৰাৰ সাহস তেতিয়া তাৰ মানুহৰ নাছিল। সাধাৰণ মানুহৰ কাৰণে মৃত্যু আৰু সমুদ্ৰ সমানেই ভয়াবহ আছিল। স্থলপথেদি ৰোমৰ পৰা ভাৰতলৈকে বাণিজ্যপথ আছিল। ইজিপ্তেদিয়েই হওক বা পাৰস্য উপসাগৰেদিয়েঁ হওক যি আৰৱ ভূখণ্ডক কেৱল চুইহে গৈছিল।

ফলত বেদুইনবিলাকেই হৈ পৰিছিল আৰব মৰুৰ একচ্ছত্ৰী কৰ্ত্তা আৰু অধিপতি। সমুদ্ৰপথেদি যাতায়াতৰ বাট মুকলি হোৱাৰ পিছৰ পৰা অনা-বেদুইন আৰববিলাক সমুদ্ৰৰ ওপৰত অধিনায়ক হৈ পৰিছিল। মৰুপথেদি কাৰাভানৰ যাত্ৰা যিমান নিৰাপদ হ'ব পাৰে, তাৰ কাৰণে বেদুইনবিলাকে যিদৰে চেষ্টা চলাইছিল, তেনেকৈ সমুদ্ৰপথৰ যাত্ৰীবিলাকেও প্ৰচণ্ড জোৱাৰভাটা আৰু সাগৰীয় ধুমুহা আদিৰ পৰা নিৰাপদ পথৰ সন্ধান কৰিছিল, মৰুপথেদি কাৰাভানৰ যাত্ৰা-যাত্ৰীৰ খেয়াল খুছীমতে কৰিব পৰা বিধৰ নাছিল। প্ৰকৃতিয়ে মৰুৰ বুকুত য'ত মৰুদ্যান আদিৰ সৃষ্টি কৰিছিল, তেনে ঠাইতেই উট আৰু মানুহে জিৰণি লৈছিল, আৰু সেইবোৰ ঠায়েই ব্যৱসায়ৰ কেন্দ্ৰ আৰু উপাসনালয় প্ৰতিষ্ঠাৰ স্থান হৈ পৰিছিল। তেনে ঠাইলৈ বেপাৰী আৰু তীৰ্থযাত্ৰীয়ে ঠাই বিচাৰি লৈছিল। কাৰাভান অহা-যোৱা কৰা দুটা প্ৰধান মৰুপথ আছিল। এটা টাইগ্ৰীচ নৈৰ পাৰেদি, পাৰস্য উপসাগৰেদি চিৰীয়াৰ মৰুভূমিয়েদি পেলেষ্টাইনৰ ফালে গৈছিল। এইটোকে পূবৰ পথ বোলা হৈছিল। আনটো পথ গৈছিল লোহিত সাগৰৰ উপকূল ভূমিয়েদি, তাক বোলা হৈছিল পশ্চিমৰ পথ। এই দুটা পথেদিয়ে পূব আৰু পশ্চিমৰ মাজত ব্যৱসায় বাণিজ্য চলোৱা হৈছিল। এই পথ দুটায়েই মৰুবাসীসকলৰ আৰ্জ্জন আৰু সম্পদ আহৰণৰ উপায় দান কৰিছিল। পশ্চিমৰ দেশৰ মানুহে সাধাৰণতে এই বাণিজ্যপথৰ কথা একো নেজানিছিল। কোনোৱেই— পূবদেশৰ লোকসকলে মৰুভূমিলৈ কাহানিও নগৈছিল। দুই এজন অভিযানকাৰী কেতিয়াবা গ'লেও জীৱিত অৱস্থাত ঘূৰি নাহিছিল। যিবিলাক মানুহ মৰুফালৰে পৰা মৰু পথেৰে অহা-যোৱা কৰাত অভ্যস্ত নাছিল, সিবিলাকে এনে যাত্ৰাৰ কষ্ট সহ্য কৰিব নোৱাৰিছিল। কোনো শক্তিশালী আৰু বিধিসম্মত ৰাজনৈতিক প্ৰশাসন ব্যৱস্থা নথকাৰ কাৰণে মৰুবাসী মানুহবোৰে স্বতন্ত্ৰীয়াভাৱে নিজ নিজ ভাগে চলিছিল। জনজাতীয় কিছুমান নীতি নিয়মকে গোষ্ঠী পৰিচালনাৰ আইন হিচাপে গণ্য কৰিছিল। নাগৰিক কোনো ব্যৱস্থা মৰুবাসীৰ মাজত নাছিল। আক্ৰমণ প্ৰতি-আক্ৰমণ আছিল ন্যায় ক্ষমাৰ বিকল্প ব্যৱস্থা। কোনোবাৰ ৰক্ষণাবেক্ষণ নেপাজে দুৰ্ব্বল লোকবিলাকৰ আত্মৰক্ষাৰ উপায় নাছিল। হজৰত মোহম্মদৰ (দ:) আবিৰ্ভাৱৰ আগলৈকে আৰব দেশ এনে এক পৃথিৱীবাসীৰ কাৰণে অজ্ঞাত মৰুভূমিয়েই আছিল।

ইয়াৰ একমাত্ৰ ব্যতিক্ৰম আছিল য়েমেন ভূখণ্ড আৰু আৰব সাগৰ আৰু পাৰস্য উপসাগৰৰ উপকূল ভাগ। সমুদ্ৰ কূলৱৰ্ত্তী হোৱাৰ লগতে এই ভূখণ্ডৰ

অন্য বিশেষত্বও আছিল। ইয়াৰ মাটি সাৰুৱা আছিল, নিৰ্দিষ্ট ঋতু আছিল আৰু ইয়াত যথেষ্ট পৰিমাণৰ বৰষুণ হৈছিল। ইয়াত এক প্ৰাচীন সভ্যতা আছিল, কিছুমান প্ৰতিষ্ঠিত নগৰ আছিল আৰু পূজাৰ উপাসনা গৃহও আছিল। ইয়াৰ বাসিন্দা বনু হিম্‌য়াৰসকল বুদ্ধিমান লোক আছিল। তেওঁলোকে সাগৰলৈ যে নোযোৱাকৈ বৰষুণৰ পানী ধৰি ৰখাৰ ব্যৱস্থা উদ্ভাৱন কৰিছিল। মা'ৰিচ নামৰ মথাউৰি বান্ধি খেতিৰ কাৰণে আৰু ঘৰুৱা ব্যৱহাৰৰ কাৰণে পানী সংৰক্ষণ কৰিছিল। দুটা পৰ্ব্বতৰ মাজৰ ঠেক উপত্যকাইদি বৰষুণৰ পানী বোৱাই আনি বিভিন্ন ঠাইত যোগান ধৰিব পৰাৰ কৌশল য়েমেনবাসীয়ে উদ্ভাৱন কৰিছিল। এনেদৰে য়েমেনৰ হিম্‌য়াৰীসকলে এক বিশিষ্ট সভ্যতা গঢ়ি তুলিছিল।

কিন্তু স্থায়ী নাগৰিক জীৱন আৰু কৃষিভিত্তিক সম্পদ বিপদৰো কাৰণ হৈ পৰিছিল। হিম্‌য়াৰ বংশীয় ৰজাসকলে বহু পুৰুষ ধৰি য়েমেনত প্ৰভুত্ব আৰু ৰাজত্ব কৰিছিল। তাৰ ভিতৰে জুনুৱহ্ নামে এজন ৰজাই জড়বাদ এৰি হজৰত মুছাৰ একেশ্বৰবাদী ধৰ্ম্ম গ্ৰহণ কৰিছিল। য়েমেনলৈ অহা ইহুদীসকলে তেওঁক ধৰ্ম্মান্তৰ গ্ৰহণ কৰাইছিল। এই ৰজাজন খ্ৰীষ্টান ধৰ্ম্মৰ ঘোৰ বিৰোধী আছিল আৰু নিজ ধৰ্ম্ম এৰি হজৰত মুছাৰ ধৰ্ম্ম গ্ৰহণ কৰিবলৈ দিয়া নিৰ্দ্দেশ অৱমাননা কৰাৰ কাৰণে কুৰি হেজাৰ খ্ৰীষ্টানক গাত খন্দাই তাত জুই জ্বলাই পুৰি মাৰিছিল বুলি কথিত আছে।

কিছুৱে নিজক কোনো ৰকমে বচাই বাইজেণ্টিয়ামৰ ৰজা জাষ্টিনিয়ানৰ সাহায্য প্ৰাৰ্থী হৈছিলগৈ। ৰজাই নিজে সহায় দিব নোৱাৰি আবিচিনীয়াৰ ৰজালৈ য়েমেনৰ খ্ৰীষ্টানসকলক ৰক্ষা কৰিবলৈ অনুৰোধ কৰিছিল। সেই সময়ত খ্ৰীষ্টীয় ষষ্ঠ শতিকাত আবিচিনীয়া নৌ শক্তিত অতিশয় শক্তিশালী আছিল। ইয়াৰ এটা বৃহৎ শক্তিশালী নৌ বাহিনী, আৰু সমৃদ্ধ বাণিজ্যও আছিল। ভূমধ্য সাগৰৰ পাৰত বাইজেণ্টাইন সাম্ৰাজ্য যিদৰে এখন শক্তিশালী খ্ৰীষ্টান ভূমি আছিল, তেনেকৈ আবিচিনীয়াও খ্ৰীষ্টানৰ এখন সমৃদ্ধ আৰু শক্তিশালী দেশ আছিল। আৰু দুয়োখন দেশৰে মাজত ৰাজনৈতিক সম্পৰ্কও আছিল। বন্ধুৰাজ্যৰ ৰজাৰ চিঠি পাই আবিচিনীয়াৰ ৰজা নেগাছে আৰয়াত নামে এজন সেনাপতিৰ তলত য়েমেনলৈ এদল আবিচিনীয় সৈন্য পঠিয়াই দিলে। এই সৈন্য বাহিনীৰ লগত আবৰাহা নামে সামৰিক বিষয়াও আহিছিল। আৰয়াতে য়েমেন জয় কৰিলে

আৰু সম্ৰাট নেগাছ্ব নামত তাৰ শাসক হৈ ৰহিল। কিছুদিন পিছত আৰয়াতক হত্যা কৰা হ'ল। তাৰ পিছত আব্ৰাহা য়েমেনৰ শাসক হৈ ৰহিল। আব্ৰাহাৰ এক হাতীৰ কাহিনীও আছিল আৰু তেওঁ মক্কা জয় কৰি কাবা মন্দিৰ ধ্বংস কৰি পেলোৱাৰ আঁচনি কৰিছিল।

আব্ৰাহাৰ পৰৱৰ্ত্তী শাসকবিলাকে য়েমেনী প্ৰজাক বৰ অত্যাচাৰ উৎপীড়ন কৰিছিল। নিৰুপায় হৈ য়েমেনীসকলে বাইজেন্টাইনৰ সম্ৰাটৰ সহায় বিচাৰিলে, আৰু ন্যায় প্ৰতিষ্ঠাৰ কাৰণে বাইজেন্টাইনী প্ৰশাসক নিয়োগ কৰিবলৈ আবেদন কৰিলে। কিন্তু আবিচিনীয়াৰ লগত মৈত্ৰী সম্পৰ্ক থকাৰ কাৰণে বাইজেন্টাইনৰ সম্ৰাটে য়েমেনৰ এই অনুৰোধ প্ৰত্যাখান কৰিলে।

আল হিৰাত থকা খুছৰুৰ ৰাজপ্ৰতিনিধিজনক য়েমেনী ৰাজদূতজনে সাক্ষাত কৰিলে, আৰু য়েমেনক আবিচিনীয়াই কৰা অত্যাচাৰ-উপদ্ৰৱৰ বিষয়ে বিবৰি ক'লে। প্ৰথমে কিছু ইতস্ততঃ কৰিলেও, অৱশেষত খুছৰুৱে ৱাহৰিজ নামে এজন বীৰ সেনাপতিৰ অধীনত য়েমেনলৈ এদল সৈন্য পঠিয়াবলৈ মান্তি হ'ল। পাৰস্যৰ এই সৈন্যদলে ৭২ বছৰ য়েমেনৰ ওপৰত অত্যাচাৰী শাসন চলাই থকা আবিচিনীয়বিলাকক পৰাস্ত কৰি দেশৰ পৰা বাহিৰ উলিয়াই খেদাই পঠিয়ালে, ইছলাম ধৰ্ম্ম প্ৰৱৰ্ত্তন হোৱাৰ সময়লৈকে য়েমেন পাৰস্যৰ শাসনাধীন হৈ আছিল। বাপেক খুছৰুক হত্যা কৰি ৰাজসিংহাসনত বহা যুৱৰাজ চাইৰাছৰ বিলাসিতা আৰু দুঃশাসনৰ ফলত ক্ৰমে পাৰস্য সাম্ৰাজ্য দুৰ্ব্বল হৈ পৰিল। আৰু ইছলাম প্ৰতিষ্ঠা হোৱাৰ পিছত পাৰস্যৰ ভাগ্যই অন্য ৰূপ ল'লে। ইছলাম পাৰস্যলৈ সম্প্ৰসাৰিত হ'ল।

ভৌগোলিক কাৰণত আৰু ৰাজনৈতিক ৰণ-বিগ্ৰহ চলি থকাৰ কাৰণে য়েমেনৰ পৰিস্থিতি অশান্ত হৈ আছিল। আনহাতে আৰব ভূখণ্ড এনেবোৰ অশান্তিৰ পৰা মুক্ত আছিল। আৰবৰ তিহামা, হিজাজ, নজদ আদি ঠাই য়েমেনত চলি থকা ৰাজনৈতিক কাৰ্য্যতৎপৰতাৰ পৰাও মুক্ত আছিল। যাযাবৰ মৰুৰ সন্তানহঁতৰ স্থায়ীভাৱে কোনো ঠাইত বসবাস কৰি জীৱন যাপন কৰাৰ কোনো স্পৃহা নাছিল। সিহঁত সদায় নতুন মৰুদ্যানৰ সন্ধানত চিৰ ভ্ৰাম্যমান আছিল। ৰাষ্ট্ৰ বা ৰাজ্য নহয়, জাতি বা গোষ্ঠীপ্ৰীতিহে আছিল বেদুইনৰ ঐক্যবদ্ধ জীৱন-যাপনৰ ভিত্তি। কোনো সাৰ্ব্বজনীন আইন পদ্ধতি বা ৰাজনৈতিক

বিধি-ব্যৱস্থাৰ প্ৰয়োজন বেদুইনবিলাকে কাহানিও অনুভৱ নকৰিছিল। প্ৰতিজন ব্যক্তিৰ, প্ৰতিটো পৰিয়ালৰ, প্ৰতিটো জাতি বা গোষ্ঠীৰ সম্পূৰ্ণ স্বাধীনতা আছিল বেদুইন সমাজৰ চিৰকাম্য সম্পদ। আনহাতে কোনো ঠাইত স্থায়ীভাৱে বসবাস কৰা নিগাজী খেতিয়কবিলাকে সামাজিক শৃঙ্খলাৰপৰা লাভ কৰিব পৰা শান্তি, নিৰাপত্তা আৰু সম্পদ লাভ কৰিবৰ কাৰণে কোনো শাসক বা কোনো গোষ্ঠীৰ নেতৃত্বৰ ওচৰত নিজৰ স্বতন্ত্ৰতা কিছু পৰিমাণে বিসৰ্জ্জন দিবলৈ বেয়া নেপাইছিল। কিন্তু বেদুইনবিলাক একোৰে বিনিময়ত নিজৰ অবাধ স্বাধীনতা খৰ্ব্ব হ'বলৈ দিয়াৰ পক্ষপাতী নাছিল। নিজৰ ট্ৰাইব বা গোষ্ঠীৰ প্ৰতিজন মানুহৰ, তথা এটা সম্প্ৰদায়ৰ আন এটা সম্প্ৰদায়ৰ মৰ্য্যাদাৰ সমতা ৰক্ষা কৰিবৰ কাৰণে বেদুইনবিলাক সদায় তৎপৰ আছিল। নিজক ৰক্ষা কৰিবৰ কাৰণে আৰু নিজৰ মৰ্য্যাদা অটুত ৰাখিবৰ কাৰণে তথা জীয়াই থাকিবৰ কাৰণে সংগ্ৰাম কৰোতেও এই যাযাবৰবিলাকে মৰুৰ জীৱনে আগবঢ়োৱা মুক্ত জীৱনৰ আনন্দ আৰু সন্মানৰ কোনো প্ৰকাৰে ক্ষুণ্ন হ'বলৈ দিবলৈ প্ৰস্তুত নাছিল, এই বিষয়ত যিকোনো প্ৰতিপক্ষৰ আগতে যুঁজিবলৈ তেওঁলোক সদায় সাজু আছিল। অন্যায় অবিচাৰ প্ৰতিৰোধ কৰিবলৈ অক্ষম হ'লে তেওঁলোকে এখন ঠাই এৰি অন্য ঠাইলৈ গুচি গৈছিল। আৰু নতুন মাটিত তম্বু তৰি থাকিবলৈ লৈছিল। গোষ্ঠীৰ মৰ্য্যাদা আৰু সংহতি ৰক্ষাৰ কাৰণে বিপক্ষৰ বিৰুদ্ধে হাতত তৰোৱাল তুলি লোৱাই আছিল সাধাৰণ নিয়ম। এনেবোৰ পৰিস্থিতিৰ ফল স্বৰূপেই মৰুবাসীৰ মাজত সাহস, বীৰত্ব, উদাৰতা, অতিথি পৰায়ণতা, আৰু ওচৰ-চুবুৰীয়াক ৰক্ষা কৰাৰ দায়িত্ব পালন কৰাটো এওঁলোকৰ স্বভাৱত পৰিণত হৈছিল। এনেবোৰ গুণ নগৰবাসী আৰবৰবিলাকতকৈ মৰুবাসী বেদুইনৰ মাজতে বেছি প্ৰকট আছিল। এনে কথা উপলব্ধি কৰিয়ে বাইজেন্টাইন বা পাৰস্যৰ ৰাজশক্তিয়ে এই মানুহবোৰক নিজৰ শাসনৰ অধীন কৰিবৰ চেষ্টা নকৰিছিল। কাৰণ বেদুইনে আনৰ অধীন হৈ জীয়াই থকাতকৈ এঠাইৰ পৰা অন্য ঠাইলৈ গুচি যোৱাটোক কোনো কঠিন কথা বুলি বিবেচনা নকৰিছিল।

এনে ধৰণৰ যাযাবৰী ধ্যান-ধাৰণা থকাৰ কাৰণেই কাৰাভান অহা-যোৱা কৰা মৰুপথৰ কাষত ঠায়ে ঠায়ে সৰু-সৰু নগৰ গঢ়ি উঠিছিল। বেপাৰী বেহেৰুৱাই মৰুভূমিৰ মাজৰ এনেবোৰ সৰু চহৰত জিৰণি ল'বলৈ আহিছিল।

এনে কোনো কোনো চহৰত মঠ-মন্দিৰো আছিল আৰু বেপাৰীবিলাকে তাত গৈ নিৰাপত্তাৰ কাৰণে আৰু ব্যৱসায়ত সাফল্য লাভৰ কাৰণে পূজা প্ৰাৰ্থনাও কৰিছিলগৈ। পশ্চিম আৰবৰ মৰুপথ আৰু পৰ্ব্বতৰ মাজতে এনেকুৱা কিছুমান সৰু চহৰ তথা ব্যৱসায়ৰ কেন্দ্ৰ আছিল মক্কা, য়াছৰিব, তাইফ আদি এনে কিছুমান ঠাই আছিল। ব্যৱসায় কেন্দ্ৰ বা চহৰ হিচাপে গঢ়ি উঠিলেও, ইয়াৰ সাধাৰণ নীতি-নিয়ম আৰু বিধি-ব্যৱস্থা মৰুভূমিত প্ৰচলিত নীতি-নিয়মৰ নিচিনাই আছিল। গোষ্ঠীসত্তাৰ বিচাৰ, নৈতিকতা, সামাজিক ৰীতি-নীতি, আৰু নিজৰ স্বতন্ত্ৰতা ৰক্ষাৰ বিষয়ত নাগৰিক জীৱন পদ্ধতিয়ে এওঁলোকৰ ওপৰত বিশেষ প্ৰভাৱ পেলাব নোৱাৰিছিল।

এনে এটা পৰিবেশ পৰিস্থিতিৰ প্ৰভাৱ ধৰ্ম্মৰ ওপৰতো কিছু পৰিছিল। আৰবৰ বেদুইনৰ কাৰণে বা চহৰবাসীৰ কাৰণে পাৰস্যৰ জোৰোৱাষ্ট্ৰীয়ান ধৰ্ম্ম আৰু বাইজেণ্টাইনৰ খ্ৰীষ্টান ধৰ্ম্মৰ আবেদন আনতকৈ কিছু বেলেগ আছিল। নাগৰিক জীৱনৰ ব্যস্ততাৰ পৰা কিছু আঁতৰে আঁতৰে থকা বেদুইনৰ কাৰণে মুকলি আকাশৰ ৰহস্য আৰু সীমাহীন মৰুভূমিৰ বিশিষ্ট প্ৰকৃতিয়ে ধৰ্ম্মৰ ধৰা-বন্ধা নীতি-নিয়মত আৰু পালনীয় ধৰ্ম্মীয় আচাৰ-বিচাৰত স্বাভাৱিক মুক্ত জীৱনৰ পৰিবেশ কিছু ক্ষুণ্ন হোৱা যেন অনুভৱ কৰিছিল। এনে কাৰণতে মিছনাৰীসকলৰ শক্তিশালী প্ৰচাৰ সত্ত্বেও আৰবীসকলৰ মাজত খ্ৰীষ্টান ধৰ্ম্মৰ আশানুৰূপ বিস্তাৰ আৰু জনপ্ৰিয়তা লাভ কৰিব পৰা নাছিল। প্ৰকৃতিৰ লগত এক নিবিড় আত্মিক যোগাযোগ বৰ্ত্তি থকাৰ কাৰণে প্ৰকৃতি পূজা বা জড়োপাসনা অবাধে চলি আছিল। পুৰণি সংস্কাৰ আৰু প্ৰাচীন আচাৰ-বিচাৰক একোটা জনগোষ্ঠীয়ে ধৰ্ম্ম হিচাপে গ্ৰহণ কৰিছিল। আৰু নিষ্ঠাৰে পালনো কৰিছিল।

সেই সময়ত ভূমধ্য সাগৰ আৰু লোহিত সাগৰৰ পাৰৰ ভূখণ্ডত দুটা বিৰাট সভ্যতা জীৱন্ত আৰু সক্ৰিয় হৈ আছিল। খ্ৰীষ্টৰ খ্ৰীষ্টান ধৰ্ম্ম আৰু ইহুদীবিলাকৰ ধৰ্ম্ম জুদাইজম্। এই দুই ধৰ্ম্মই এই অঞ্চলৰ সভ্যতাক দ্বিখণ্ডিত কৰিছিল। দুয়োটা ধৰ্ম্মৰ মাজত প্ৰত্যক্ষভাৱে সঙ্ঘৰ্ষ নেলাগিলেও বিৰোধ জীৱন্ত হৈ আছিল। দুয়ো ধৰ্ম্মৰ অনুগামীসকলৰ মাজত বন্ধুত্বৰ ভাব নোহোৱা হৈছিল। যীশুৱে ইহুদীৰ ধৰ্ম্মৰ বিৰুদ্ধে চলোৱা বিদ্ৰোহৰ কথা ইহুদীবিলাকে পাহৰা নাছিল। গোপনে ইহুদীবিলাকে খ্ৰীষ্টান ধৰ্ম্মৰ বিৰুদ্ধে কাম কৰি গৈছিল, যাতে

এই ধৰ্ম্ম অধিক বিয়পিবলৈ নেপায়। আৰবৰ বহুত ঠাইত বহুসংখ্যক ইহুদীৰ বসবাস আছিল আৰু বহুত ইহুদীয়ে য়েমেন আৰু য়াছৰিবত স্থায়ী বাসিন্দা হিচাপে আছিল।

আনহাতে পাৰস্যৰ জোৰোৱাষ্ট্ৰীয়ান ধৰ্ম্মাৱলম্বীসকলে খ্ৰীষ্টান ধৰ্ম্ম যাতে ইউফ্ৰেটিছ নদীৰ আনটো পাৰলৈ সম্প্ৰসাৰিত হ'ব নোৱাৰে, তাৰ কাৰণে ব্যৱস্থা লৈছিল। এই কাৰণে তেওঁলোকে জড়বাদী বেদুইনসকলক সমৰ্থন জনাইছিল, যদিও বেদুইনবিলাকৰ নৈতিক আৰু আধ্যাত্মিক দুৰৱস্থা আৰু অধঃপতন সম্পৰ্কে তেওঁলোকে ভালকৈ জানিছিল। ৰোম সাম্ৰাজ্যৰ পতন আৰু ৰাজশক্তি ছেদেলি-ভেদেলি হৈ পৰাৰ ফলত খ্ৰীষ্টান ধৰ্ম্ম নানা দল-উপদলত বিভক্ত হৈ পৰিছিল। এই দলবোৰে নিজৰ ভিতৰতে যুঁজ-বাগৰ কৰিছিল। প্ৰধানতঃ মাতৃ মেৰীৰ জীৱনৰ পবিত্ৰতা, যীশুৰ ভগৱানৰ পুত্ৰ হোৱাৰ যথাৰ্থতা আৰু বিশ্বস্ততা আদি বিষয়ক লৈয়ে বাক-বিতণ্ডা আৰু সংঘৰ্ষ লাগিছিল। এনে ধৰণৰ কঁথাক লৈ ব্যস্ত থকাৰ কাৰণে, খ্ৰীষ্টধৰ্ম্মৰ মহানতা আৰু আধ্যাত্মিক মহত্ত্ব বহুত তললৈ অৱনমিত হৈছিল। খ্ৰীষ্টান ধৰ্ম্মৰ সাৰমৰ্ম্মতকৈ বাহ্যিকতাক লৈ খ্ৰীষ্টানবিলাক ব্যস্ত হৈ পৰাৰ ফলত, মূল ধৰ্ম্মৰ মূল্য বহুত হ্ৰাস পাইছিল।

একে খ্ৰীষ্টান ধৰ্ম্মৰে বেলেগ বেলেগ ঠাইত থকা অনুগামীসকলে বেলেগ বেলেগ বিষয় লৈ তৰ্ক বিবাদত প্ৰবৃত্ত হৈছিল। আনহাতে ইহুদীৰ লগতো বিৰোধ অব্যাহতভাৱে চলি আছিল।

আনহাতে আৰবসকলৰ খ্ৰীষ্টানৰ লগত যিদৰে সম্পৰ্ক ভাল আছিল, তেনেকৈ ইহুদীৰ লগতো ভাল সম্পৰ্ক ৰক্ষা কৰি চলিছিল। এনেকৈ দামস্কচ, য়েমেন, আবিচিনীয় আদি ঠাইৰ লগত আৰববিলাকৰ সম্পৰ্ক সংঘৰ্ষমুখী হোৱা নাছিল। বিবদমান খ্ৰীষ্টান দলবোৰৰ মাজত সোমাই আৰব জড়োপাসকবিলাকে কোনো একোটা দলৰ অপ্ৰিয় হ'বলৈ নিবিচাৰিছিল। নিজৰ ধৰ্ম্ম আৰু আচাৰ পদ্ধতিৰ বিষয়ত যেতিয়ালৈকে কোনো ইহুদীয়ে বা খ্ৰীষ্টানে হস্তক্ষেপ নকৰিছিল, তেতিয়ালৈকে আৰববিলাকে সিবিলাকৰ লগত ভাল সম্পৰ্ক ৰাখিয়ে চলিছিল। মূৰ্ত্তিপূজা অবাধে চলি আছিল, আনকি খ্ৰীষ্টান আৰু ইহুদীলোকৰ বসবাস থকা নজৰাণ, য়াছৰিব আদি ঠাইলৈও সম্প্ৰসাৰিত হৈছিল। য়াছৰিবৰ ইহুদীবিলাকে মূৰ্ত্তিপূজাৰ বিৰোধিতা নকৰিছিল। কাৰণ ব্যৱসায় সূত্ৰত ইহুদীৰ পৌত্তলিক আৰবীৰ লগত ভাল সম্পৰ্ক ৰক্ষা কৰি চলাৰ প্ৰয়োজন হৈছিল।

খ্ৰীষ্টানসকলে একে ধৰ্ম্মৰে অনুগামী দল-উপদলৰ মাজত অনবৰত

সংঘাত সংঘৰ্ষ লাগি থকাৰ কাৰণেই আৰববিলাক নিজৰ জড়োপাসনাত ব্যস্ত আছিল যদিও, সেয়ে আৰববিলাক ঐক্যবদ্ধ হৈ থকাৰ একমাত্ৰ কাৰণ নাছিল। খ্ৰীষ্টান ধৰ্মত দীক্ষিত হোৱাৰ পিছতো আৰবৰ বিভিন্ন জনসমষ্টিয়ে নিজ নিজ ভাগে আগৰদৰে মূৰ্ত্তিপূজা কৰি গৈছিল। বহু খ্ৰীষ্টান লোকৰ উপাসনা ৰীতিত ইজিপ্ত আৰু গ্ৰীচৰ মূৰ্ত্তিপূজা পদ্ধতি প্ৰকটভাৱে চলি থকাটো লক্ষ্য কৰা যায়।

আৰববিলাকৰ মাজত বিভিন্ন দেৱ-দেৱীৰ পূজাৰ প্ৰচলন আছিল। বেলেগ বেলেগ গোষ্ঠীৰ নিজ নিজ সুকীয়া দেৱ-দেৱীও আছিল। মূৰ্ত্তিবোৰ সাধাৰণতে শিলৰ, কাঠৰ আৰু কোনো খনিজ পদাৰ্থৰে সজা হৈছিল। কিছুমান মূৰ্ত্তিৰ কোনো বিশেষ আকৃতি থাকিলেও, কিছুমান মূৰ্ত্তিৰ কোনো আকৃতি বা অৱয়ব নাছিল। আগ্নেয়গিৰিৰপৰা ওলোৱা বিশেষ আকৃতিহীন শিলৰ টুকুৰা, পাহাৰৰ শিলৰ টুকুৰা আদিকো দেৱতা জ্ঞান কৰি পূজা কৰিছিল। য়েমেনৰ মূৰ্ত্তিবোৰ ধুনীয়া আৰু সুদৃশ্যকৈ সজা হৈছিল। হুবল দেৱতাৰ মূৰ্ত্তি মানুহৰ আকৃতিৰে নিৰ্ম্মাণ কৰা হৈছিল আৰু ইয়াক সোণেৰে সজা হৈছিল বুলি কথিত আছে। এই হুবল দেৱতাৰ প্ৰকাণ্ড মূৰ্ত্তিটো মক্কাৰ কাবা মন্দিৰৰ ভিতৰত প্ৰতিষ্ঠা কৰা হৈছিল। আৰবৰ বিভিন্ন ঠাইৰ মানুহে কাবাত থকা হুবল আৰু অন্যান্য দেৱ-দেৱীক পূজা কৰিবলৈ আহি গোট খাইছিলহি। কাবা মন্দিৰৰ ভিতৰত থকা দেৱ-দেৱীৰ মূৰ্ত্তিবোৰেই যথেষ্ট নহয় ভাবি, ঘৰে ঘৰে নিজাববীয়াকৈ দেৱ-দেৱীৰ পূজা কৰিছিল। ঘৰৰ পৰা ক'ৰবালৈ ওলাই গ'লে বা ক'ৰবাৰ পৰা ঘূৰি আহি ঘৰ ওলালেহি পৌত্তলিক আৰববিলাকে গৃহদেৱতাক প্ৰদক্ষিণ কৰি পূজা সেৱা কৰিছিল। ভ্ৰমণত ক'ৰবালৈ গ'লে গৃহদেৱতাৰ একোটা মূৰ্ত্তি লগতে লৈ গৈছিল। কাবাত থকা মূৰ্ত্তিসমূহ আৰু বিভিন্ন গোষ্ঠীৰ নুহৰ ঘৰে ঘৰে ৰখা মূৰ্ত্তিবোৰ পৰমেশ্বৰ আৰু পূজাৰীৰ মাজৰ মধ্যস্থতাকাৰী বুলি গণ্য কৰিছিল। এনে ধাৰণাৰ ফলত আৰবত মূৰ্ত্তি পূজাই এক গুৰুত্ব লাভ কৰিছিল, আৰু মূৰ্ত্তিৰ উৰ্ধ্বৰ কোনো নিৰাকাৰ অস্তিত্বৰ সন্ধান বা পূজা কৰাৰ প্ৰয়োজন অনুভৱ কৰা নহৈছিল। ঘৰে ঘৰে দেৱতাৰ পূজা আৰু কাবা মন্দিৰত বৃহত্তৰ আৰু উচ্চতৰ দেৱতাৰ পূজা চলি আছিল।

আৰব উপমহাদেশৰ ভিতৰত য়েমেনেই আটাইতকৈ সাৰুৱা অঞ্চল হোৱা বাবে, আৰু খেতিৰ কাৰণে পানী যোগানৰ এক উন্নত ব্যৱস্থা উদ্ভাৱন কৰাত কৃতকাৰ্য্য হোৱা বাবে, ই এখন অতি উন্নত অঞ্চলৰূপে পৰিগণিত হৈছিল। তথাপি ইয়াৰ প্ৰচলিত ধৰ্ম্মৰীতিয়ে মৰু ভূখণ্ডৰ আৰববিলাকৰ ওপৰত অধিক

প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিছিল। ইয়াৰ মন্দিৰৰ মূৰ্ত্তিবিলাকৰ পূজা সাৰ্ব্বজনীনভাৱে নহৈছিল। আৰব ইতিহাসৰ আৰম্ভণী কালৰ পৰা মক্কাত থকা হজৰত ইছ্মাইলৰ ঘৰ কাবা মন্দিৰ সদৌ আৰববাসীৰ সমূহীয়া তীৰ্থক্ষেত্ৰ হৈ পৰিছিল। বিভিন্ন ঠাইৰ তীৰ্থযাত্ৰী ইয়াত সমবেত হৈছিল, অন্য ঠাইতকৈ অধিক শ্ৰদ্ধা, ভক্তিৰে ইয়াত পবিত্ৰ মাহ পালন কৰা হৈছিল। এই কাৰণেই আৰু আৰবভূমিৰ সুচল আৰু প্ৰধান বাণিজ্যপথৰ কেন্দ্ৰ হোৱাৰ কাৰণে মক্কাকে আৰবৰ ৰাজধানী বুলি গণ্য কৰা হৈছিল।

মক্কাবাসী আৰবসকল যদিও অন্যান্য মৰুবাসীসকলৰ নিচিনাকৈয়ে সদায় জীৱন সংগ্ৰামত ব্ৰতী থাকিবলগীয়া হৈছিল, তথাপি এই মক্কাতেই হজৰত মোহম্মদৰ (দঃ) জন্ম হোৱাৰ কাৰণে মক্কাৰ গুৰুত্ব বহুত বৃদ্ধি পালে আৰু আজিও এই গুৰুত্ব অকণো হ্ৰাস পোৱা নাই। মক্কাৰ ইতিহাসেই আজিও আৰবৰ ইতিহাস হৈ জীয়াই আছে, জীয়াই থাকিব।

## মক্কা

লোহিত সাগৰৰ পূব পাৰ। উত্তৰা-দক্ষিণাকৈ য়েমেন আৰু পেলেষ্টাইনৰ মাজৰ উত্তৰ কাৰাভানৰ বালিময় পথ। ইয়াৰ সমান্তৰালকৈ এশাৰী ওখ-চাপৰ পৰ্ব্বত। লোহিত সাগৰৰ উপকূল ভাগৰপৰা প্ৰয় ৮০ কিলোমিটাৰ দূৰত এখন চহৰ। পৰ্ব্বতমালাৰ মাজে মাজে চহৰখনৰপৰা বাহিৰ ওলোৱাৰ তিনিটা পথ, এটা লগ লাগিছেহি য়েমেনলৈ যোৱা পথৰ লগত, এটা লগ লাগিছেহি লোহিত সাগৰৰ পাৰৰ চহৰ জিদ্দাৰ লগত, আনটোৱে আহি চুইছেহি পেলেষ্টাইনলৈ যোৱা পথটোক। চাৰিওফালে পৰ্ব্বতে আগুৰি থকা এই সমতলতে অৱস্থিত মক্কা চহৰ। পৰ্ব্বতৰ বুকুৰ মৰুময় সমতলত এই চহৰখন কেতিয়া গঢ়ি উঠিছিল কোনেও নেজানে। হয়তো বহুহেজাৰ বছৰৰ আগতে মৰুযাত্ৰীৰ উটৰ কাফিলা আহি ইয়াতে জিৰাইছিলহি। ইয়াত থকা পানীৰ উঁহকেটাৰ কাৰণেই হয়তো দক্ষিণৰ য়েমেনলৈ আৰু উত্তৰৰ পেলেষ্টাইনলৈ অহা-যোৱা কৰা কাৰাভানবোৰে এই ঠাইতে জিৰণি লৈছিল। হয়তো বহুকাল বেপাৰী-বেহেৰুৱাৰ জিৰণিৰ ঠাই হৈ থকাৰ পিছত হজৰত ইব্ৰাহীমৰ পুতেক হজৰত ইছ্মাইলেই প্ৰথমতে

ইয়াত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। আৰু তাৰপৰাই এই ঠাইখন নগৰ হিচাপে গঢ় লৈ উঠিছিল।

হয়তো আৰবসকলৰ ৰীতি অনুসৰিয়েই জিৰণিৰ ঠাই মক্কাত হজৰত ইছ্‌মাইলৰো পূৰ্বেই ইয়াত কোনোবাই দেৱতাৰ পূজা কৰিবৰ কাৰণে মন্দিৰ সাজিছিল। কাৰণ অতি প্ৰাচীন কালৰেপৰা মৰুবাসী আৰববিলাকে উপাসনাগৃহ সাজি কোনো দেৱী বা দেৱতা প্ৰতিষ্ঠা কৰি তাত নিজ নিজ ভাগে পূজা কৰাৰ পৰম্পৰা চলি আহিছিল। মক্কাত তেনেকৈয়ে প্ৰাক-ইছলামী যুগতে এক তীৰ্থক্ষেত্ৰ ৰূপে গঢ় লৈ উঠিছিল।

হজৰত ইব্ৰাহীমৰ জন্ম হৈছিল ইৰাকত। তেওঁৰ বাপেক আছিল এজন বাঢ়ৈ। তেওঁ তাৰ লগতে দেৱ-দেৱীৰ মূৰ্ত্তি সাজি বেচিছিল। ইব্ৰাহীমৰ বাপেকে সাজি উলিওৱা কাঠৰ দেৱ-দেৱীৰ মূৰ্ত্তিবোৰক মানুহে কিনি নি আনুষ্ঠানিকভাৱে পূজা কৰা দেখি ইব্ৰাহীমে ৰহস্য আৰু কৌতূহল অনুভৱ কৰিছিল। কাঠৰপৰা কাটি উলিওৱা একোটা পুতলাই দেৱতাৰ বা দেৱীৰ সন্মান লাভ কৰা আৰু ভক্তবিলাকৰ পূজা লাভ কৰা দেখি হজৰত ইব্ৰাহীম চিন্তিত আৰু বিব্ৰত হৈছিল। এই মূৰ্ত্তিবোৰৰ পূজাপাবৰ যোগ্যতা সম্পৰ্কেও তেওঁৰ মনত সন্দেহ আৰু দুশ্চিন্তাৰ জন্ম হৈছিল।

এদিন হজৰত ইব্ৰাহীমে তেওঁৰ বাপেকক সুধিলে তেওঁ নিজ হাতে কাটি উলিওৱা কাঠৰ মূৰ্ত্তিবোৰক কিয় পূজা কৰে ? বাপেকৰ পৰা যি প্ৰত্যুত্তৰ পালে সি ইব্ৰাহীমক সন্তুষ্ট কৰিব নোৱাৰিলে। তেওঁৰ মনৰ ভাব লগৰ বন্ধুবান্ধৱৰ আগত ক'লে, ইব্ৰাহীমৰ বাপেকে ভয় খালে — এনেবোৰ প্ৰশ্ন উত্থাপন কৰাৰ কাৰণে জানোচা ইব্ৰাহীম দেৱতাবিলাকৰ ক্ৰোধৰ বলি হ'বলগীয়া হয়। তেতিয়াহ'লে ইব্ৰাহীমৰে নহয়, তেওঁৰ নিজৰো ব্যৱসায়ত লোকচান হ'ব। ইব্ৰাহীম কিন্তু নিজৰ মনৰ মাজত উদ্ভৱ হোৱা সন্দেহ আৰু সমাধান নোহোৱা প্ৰশ্নবোৰৰ সমৰ্থনযোগ্য উত্তৰ নোপোৱা পৰ্য্যন্ত ক্ষান্ত নহ'ল। এনেদৰে মূৰ্ত্তিপূজা কৰাৰ কোনো যুক্তি-যুক্ততা তেওঁ বিচাৰি নেপালে, আৰু মূৰ্ত্তিপূজা কৰাটো এটা যুক্তিহীন আৰু অৰ্থহীন কথা বুলি তেওঁ যুক্তি সহকাৰে মানুহবোৰক বুজাব ধৰিলে।

এবাৰ তাৰ মন্দিৰত কোনো পূজাৰী আৰু সেৱক নথকাৰ সুযোগ লৈ

ইব্ৰাহীমে মন্দিৰত সোমাই প্ৰধান দেৱতাজনৰ মূৰ্তিটো ৰাখি বাকীসকলো দেৱ-দেৱীৰ মূৰ্তি ভাঙি পেলালে।

ইব্ৰাহীমৰ বিৰুদ্ধে ৰাজহুৱা অভিযোগ উত্থাপন কৰা হ'ল। এনে কাৰ্য্যৰ কাৰণে মুকলি বিচাৰৰ ব্যৱস্থা কৰা হ'ল।

প্ৰশ্ন কৰা হ'ল— "আমাৰ দেৱতাসকলক ভাঙোতাজন তুমিয়েইনে ইব্ৰাহীম ?" —

ইব্ৰাহীমে উত্তৰ দিলে, "দেৱ-দেৱীৰ মূৰ্তিবোৰ মই ভঙা নাই। ঘাই দেৱতাজনাইহে ভাঙিলে। তেওঁলোকক সোধক। তেওঁলোকেই উত্তৰ দিব। মূৰ্তিবোৰ কোনে ভাঙিলে।"

সকলোৰে পূজা পাই অহা দেৱ-দেৱীৰ মূৰ্তিবোৰৰ পূজাৰ যুক্তি-যুক্ততা আৰু সেইবোৰৰ পূজাৰ আৱশ্যকতা সম্পৰ্কে হজৰত ইব্ৰাহীমে বহু দিন গভীৰভাৱে চিন্তা কৰিছিল। একেদিনাই মূৰ্তিবোৰ ভাঙি পেলোৱাৰ সিদ্ধান্ত লোৱা নাছিল। মূৰ্তিৰ পূজাই যে মানুহৰ আত্মাক মুক্তি দিব নোৱাৰে, আৰু এনে পূজা কৰাটো যে এক অসাৰ্থক অনুষ্ঠান — এনে প্ৰত্যয় জন্মাৰ পিছতহে ইব্ৰাহীমে মূৰ্তিবোৰ ভাঙি পেলোৱাৰ সিদ্ধান্ত কৰিছিল। ইব্ৰাহীমৰ এই জিজ্ঞাসা আৰু সত্য অন্বেষণৰ তথা তেওঁৰ সিদ্ধান্তৰ বিৱৰণ কোৰাণত আছে:

"যেতিয়া ৰাতি হ'ল আৰু ইব্ৰাহীমে আকাশত তৰাবোৰ ওলোৱা দেখিলে, তেতিয়া তেওঁ ক'লে, "এওঁলোকেই (তৰাই) আমাৰ প্ৰভু।"

কিছুপৰৰ মূৰত তৰা মাৰ গ'ল। ইব্ৰাহীম হতাশ হ'ল। মনত প্ৰশ্ন জাগিল, "প্ৰকৃত প্ৰভু বা সৃষ্টিৰ গৰাকী কেনেকৈ মাৰ যাব পাৰে ?"

তাৰ পিছত তেওঁ উজ্জ্বল হৈ জোনটো ওলোৱা দেখিলে, তেওঁ ক'লে, "এই জনাই আমাৰ প্ৰভু।"

জোনো মাৰ গ'ল। ইব্ৰাহীম আৰু হতাশ হ'ল। ভাবিলে — আল্লাই যদি মোক প্ৰকৃত সত্যৰ সন্ধান নিদিয়ে মই নিশ্চয় পথভ্ৰষ্ট হ'ম।

তাৰ পিছত উজ্জ্বল সূৰ্য্যটো ওলাল। পোহৰেৰে চৌদিশ উজ্জ্বল কৰি তুলিলে।

"এই জনাই মোৰ প্ৰকৃত প্ৰভু। এওঁৱেই সবাতোকৈ ডাঙৰ দেৱতা।" ইব্ৰাহীমে ক'লে।

কিন্তু বেলিটোও যথা সময়ত মাৰ গ'ল। গ্ৰহ নক্ষত্ৰৰ পূজা কৰাৰ প্ৰথা

যি বহুকালৰ পৰা তাৰ জনসমাজত চলি আহিছিল তাৰ যুক্তিহীনতা ধৰা পৰিল। এই সত্য উপলব্ধিৰ পিছত হজৰত ইব্ৰাহীমে কৈ উঠিল : "মই আৰু মূৰ্ত্তিপূজা নকৰো। মই আৰু মুছৰিক নহওঁ। আকাশসমূহ আৰু ধৰিত্ৰীৰ স্ৰষ্টা আল্লাহুকহে মই পূজা কৰিম। সেই পৰম অস্তিত্বৰ ওচৰত নিজক সমৰ্পণ কৰিবৰ কাৰণে মই সঙ্কল্প গ্ৰহণ কৰিলো। মই এজন হানিফ হিচাপে নিজকে সমৰ্পণ কৰাৰ সিদ্ধান্ত ল'লো। মই চিৰদিনৰ কাৰণে পৌত্তলিকতাক বিসৰ্জ্জন দিলো।"

এইয়া এক নতুন উপলব্ধিৰ আৰম্ভণী। সাকাৰ পূজাৰ পৰা নিৰাকাৰ পূজালৈ, বহু দেৱ-দেৱীৰ ওচৰত আত্মসমৰ্পণ কৰাৰ সলনি তৌহিদৰ বা একেশ্বৰবাদৰ মূল্য স্বীকাৰ কৰালৈ এক ঐতিহাসিক উত্তৰণ। স্ৰষ্টাৰ লগত সৃষ্ট মানুহৰ এক আত্মিক সম্পৰ্ক নিৰ্ণয়ৰ প্ৰয়াসৰ শুভযাত্ৰাৰ আৰম্ভণী।

কিন্তু নিজৰ এই নতুন আৰু সাহসী উপলব্ধিৰে হজৰত ইব্ৰাহীমে নিজৰ জীৱনদৰ্শনক নতুনকৈ প্ৰতিষ্ঠা কৰি ল'লে যদিও, তেওঁ সমসাময়িক কালৰ ইৰাকৰ মানুহৰ পৰম্পৰাগত পৌত্তলিকতাৰ ধ্যান-ধাৰণাৰপৰা মুক্ত কৰাত সফলকাম নহ'ল। এটা বদ্ধমূল ধাৰণা আৰু বিশ্বাসৰ মাজেদি যুগে যুগে বৰ্ত্তি থকা সেই মানুহবোৰৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্ত্তন সাধিবৰ কাৰণে ইব্ৰাহীমৰ একক বিদ্ৰোহৰ এক কঠিন পৰিস্থিতিৰ লগত মুখামুখি হ'বলগীয়া হ'ল। ইব্ৰাহীমে নিজৰ বিশ্বাস পৰিত্যাগ কৰিবলৈ অস্বীকাৰ কৰিলে। তাৰ পৰিণামত তেওঁ অগ্নিপৰীক্ষাৰ সম্মুখীন হ'বলগীয়া হ'ল, সেই পৌত্তলিকবোৰে নতুন ধাৰণাক নিৰ্ম্মূল কৰিবৰ কাৰণে দগ্‌দগীয়া জুই জ্বলাই ইব্ৰাহীমক তাত পেলাই দিলে — পুৰি ছাই হৈ যাবৰ কাৰণে। কিন্তু নিৰাকাৰ আল্লাৰ কৰুণাত ইব্ৰাহীমৰ জুইত মৃত্যু নহ'ল। জুয়ে হাৰ মানিলে। কিন্তু তেওঁৰ আৰু নিজ মাতৃভূমিত থকা নহ'ল। নিজ পৰিবাৰ ছাৰাক লৈ তেওঁ পেলেষ্টাইনলৈ গুচি গ'ল— আত্মৰক্ষা কৰিবৰ কাৰণে। কিন্তু তাতো তেওঁৰ থকা নহ'ল। সেই সময়ত আমালেকি বংশৰ ৰজাই ৰাজত্ব কৰিছিল ইজিপ্তত। পেলেষ্টাইনৰপৰা ইব্ৰাহীম গুচি গ'ল ইজিপ্তলৈ। তাতো বিপদৰ অন্ত নপৰিল।

ইজিপ্তৰ ৰজাৰ চকু পৰিল ইব্ৰাহীমৰ সুন্দৰী পত্নী ছাৰাৰ ৰূপ-যৌৱনৰ ওপৰত। সেই কালত ইজিপ্তৰ শাসকবোৰে ক'ৰবাত সুন্দৰী তিৰোতা দেখা পালেই ধৰাই আনি নিজৰ তিৰোতা নাইবা ৰক্ষিতা কৰি লয়। আৰু তেওঁ কাৰোবাৰ বিবাহিতা পত্নী হ'লে, স্বামীজনক হত্যা কৰাই পেলায়।

ইব্ৰাহীম এনে সঙ্কটৰ সন্মুখীন হ'ল। ৰক্ষা পৰাৰ উপায় হিচাপে ইব্ৰাহীমে ছাৰাক তেওঁৰ পত্নী বুলি চিনাকি নিদি, ছাৰা তেওঁৰ ভগ্নী বুলি চিনাকি দিলে, আৰু জনালে যে ছাৰা অবিবাহিতা। ৰজাই কিন্তু ইব্ৰাহীমৰ কথালৈ কাণ নিদি ছাৰাক লৈ গ'ল। ৰজাই যেতিয়া বুজি পালে যে ছাৰা ইব্ৰাহীমৰ পত্নী, তেতিয়া ৰজাই মিছা কথা কোৱাৰ কাৰণে ইব্ৰাহীমক ভৰ্ৎসনা কৰিলে। তথাপি ৰজাই ইব্ৰাহীমক কিছু বস্তু উপহাৰ দিলে। তাৰ ভিতৰত আছিল এজনী দাসী। এই ছোৱালীজনীৰ নাম আছিল — হাগাৰ বা হাজিৰা।

বিয়াৰ বহুত দিন পিছলৈকে ছাৰাৰ কোনো সতি-সন্ততি হোৱা নাছিল। তেওঁ নিজকে বন্ধ্যা বুলি ভবাৰ কাৰণে ছাৰাই হাজিৰাকে পত্নী হিচাপে গ্ৰহণ কৰিবলৈ ইব্ৰাহীমক অনুৰোধ কৰিলে। ইব্ৰাহীমে পত্নী ছাৰাৰ অনুৰোধ ৰক্ষা কৰিলে। কিছুদিনৰ মূৰত হাজিৰাৰ এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। এওঁৰ নাম ৰখা হ'ল ইছ্মাইল। ইয়াৰ ভালেমান দিনৰ পিছত ইছ্মাইল যেতিয়া ডেকা হ'ল তেতিয়া ছাৰাৰ এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। এওঁৰ নাম ৰখা হ'ল ইছহাক। এই দুজন সন্তানৰে কোনোবা এজনক ইব্ৰাহীমে আল্লাৰ নামত নিজহাতে কোৰবানি কৰাৰ আখ্যান সৰ্বজন বিদিত।

কোৰাণৰ মতে হজৰত ইব্ৰাহীমে এদিন সপোনত তেওঁৰ সবাটোকৈ প্ৰিয় বস্তুক উছৰ্গা কৰাৰ নিৰ্দ্দেশ পালে — আল্লাৰ সন্তুষ্টিৰ কাৰণে। আল্লাৰপৰা এই ঐশী নিৰ্দ্দেশ পাই হজৰত ইব্ৰাহীমে তেওঁৰ পুতেকক লৈ ঘৰৰ পৰা ওলাই গ'ল আল্লাৰ নামত তেওঁক কোৰবানি কৰিবৰ কাৰণে। ঘৰৰপৰা কিছু নিলগত গৈ হজৰত ইব্ৰাহীমে পুতেকক ক'লে, "পুত্ৰ মই এটা সপোন দেখিলো। সেই সপোনত আল্লাই তোমাক উছৰ্গা কৰিবৰ কাৰণে মোক নিৰ্দ্দেশ দিছে। এই বিষয়ে তুমি কি কোৱা ?"

তেওঁৰ পুতেকে উত্তৰ দিলেঃ "তুমি যি নিৰ্দ্দেশ পাইছা তাক পালন কৰা। আল্লাই মোক ধৈৰ্য্য দান কৰিব— সহ্য কৰিবৰ কাৰণে।"

ইয়াৰ পিছত বলি দিবৰ কাৰণে ইব্ৰাহীমে পুতেকক মাটিত পেলাই লৈ হাতৰ চুৰিৰে পুতেকক কোৰবানি কৰিবৰ কাৰণে প্ৰস্তুত হ'ল। নিজৰ পুত্ৰৰ প্ৰতি থকা মৰমতকৈ আল্লাৰ প্ৰতি থকা ভক্তি তেওঁৰ অধিক গভীৰ আছিল। পুতেকৰ ডিঙিত চুৰি বহুৱাবলৈ সাজু হওঁতেই ঐশী বাণী তেওঁৰ

কাণত পৰিল, "ইব্ৰাহীম তুমি আল্লাৰ নিৰ্দেশ পালন কৰিলা। পুণ্যাত্মাসকলক, মোৰ একান্ত ভক্তসকলক পুৰস্কৃত কৰাৰ দৰেই তোমাকো মই পুৰস্কৃত কৰিম। তোমাৰ ভক্তি আৰু আনুগত্যৰ পৰীক্ষাত তুমি সফল আৰু কৃতকাৰ্য্য হ'লা।"

ইয়াৰ পিছত কোৰবানিৰ কাৰণে আল্লাই এটা জন্তু তাত ৰখোৱালে। হজৰত ইব্ৰাহীমে নিজৰ পুতেকৰ পৰিবৰ্ত্তে এই জন্তুটোক কোৰবানি কৰিলে।

এই কাহিনীৰ যথাৰ্থতা সম্পৰ্কে ঐতিহাসিক পণ্ডিতসকলৰ মতভেদ আছে। এটা প্ৰশ্ন হ'ল — ইছমাইলক কোৰবানি কৰিবলৈ নিয়াৰ এই ঘটনা ছাৰাৰ পুত্ৰ ইছহাকৰ জন্মৰ পূৰ্ব্বৰ নে পিছৰ? এই ঘটনা ক'ত ঘটিছিল পেলেষ্টাইনত নে হিজাজত? ইহুদীসকলৰ মতে হজৰত ইব্ৰাহীমে ইছহাককহে কোৰবানি কৰিবলৈ নিছিল, ইছমাইলক নহয়। কছহোল আম্বিয়া গ্ৰন্থৰ ৰচয়িতা ছেখ আব্দুল ৰহ্‌হাব আল্ নাজ্জাৰৰ মতে ইছহাকক নহয়, ইছমাইলকহে কোৰবানি কৰিছিল। কোৰাণৰ বক্তব্য দাঙি ধৰি তেওঁ অভিমত প্ৰকাশ কৰিছে যে কোৰবানি কৰিবলৈ নিয়া পুত্ৰজন আছিল ইব্ৰাহীমৰ একমাত্ৰ বা অতুলনীয় পুত্ৰজন। তাৰপৰা বুজিব পাৰি যে এওঁ ইছমাইলেই হ'ব, ইছহাক নহয়। আৰু এই ঘটনা ইছহাকৰ জন্মৰ পূৰ্ব্বেই ঘটিছিল।

এই মত গ্ৰহণযোগ্য বুলি ধৰিলে হজৰত ইছমাইলৰ কোৰবানিৰ ঘটনাটো পেলেষ্টাইনতহে ঘটাটো সম্ভৱ। আনহাতে কাহিনীৰ মতে ইব্ৰাহীমৰ পত্নী ছাৰা তেওঁৰ লগতে হিজাজলৈ গুচি অহা নাছিল আৰু পেলেষ্টাইনত বৈ গৈছিল, আৰু তেওঁৰ লগত নাছিল পুতেক ইছহাক। কোৰাণত হজৰত ইব্ৰাহীমে কোৰবানি কৰা পুতেকৰ নাম উল্লেখ কৰা হোৱা নাই। মাত্ৰ পুতেক বুলি কৈছে। মক্কাৰ ওচৰত মীনা ময়দানত কোৰবানি কৰা হজৰত ইব্ৰাহীমৰ পুত্ৰজন হজৰত ইছমাইল বুলিহে মুছলমানসকলে বিশ্বাস কৰে। নিজৰ স্ৰষ্টা প্ৰভুৰ নামত ভক্তৰ সৰ্ব্বস্ব ত্যাগৰ আদৰ্শ হিচাপে আৰু ভক্তৰ ত্যাগক প্ৰভুৱে কেনেদৰে পুৰস্কৃত কৰি সন্মানিত কৰে, হজৰত ইব্ৰাহীমৰ এই কোৰবানিৰ কাহিনীক তাৰ এক উদাহৰণ বুলি গণ্য কৰা হয়। আৰু আল্লাই যে বান্দাৰ পৰা বা ভক্তৰ পৰা বলি বিধান নিবিচাৰে, একান্ত আনুগত্য আৰু নিঃস্বাৰ্থ ত্যাগহে বিচাৰে তাৰো নিদৰ্শন বুলি এই কাহিনীক গণ্য কৰা হয়। সমগ্ৰ পৃথিৱীতে হজৰত ইব্ৰাহীমৰ এই আনুগত্য, ত্যাগ আৰু অচল্য ভক্তিৰ কাহিনী যুগে যুগে

শ্ৰদ্ধাৰে স্মৰণ কৰা হৈ আহিছে। মানবীয় মায়া মমতা, স্বাৰ্থপৰতা আৰু ব্যক্তিগত স্বাৰ্থৰ বিবেচনাই যে প্ৰকৃত ভক্তক প্ৰভুৰ আদেশ নিৰ্দেশ পালন কৰাৰপৰা বিৰত ৰাখিব নোৱাৰে, এই কাহিনীক তাৰে এক উদাহৰণ স্বৰূপে স্মৰণ কৰা হয়।

ইছ্মাইল আৰু ইছহাক— দুয়ো ভাই-ককাই একেলগে ডাঙৰ দীঘল হ'ব ধৰিলে। নিজৰ পুত্ৰ বুলি বাপেকে দুয়োকে সমানে ভাল পায়, সমানে মৰম কৰে। কিন্তু ইছহাকৰ মাক ছাৰাই দাসীপুত্ৰ ইছ্মাইলক নিজৰ পুত্ৰৰ সমানে মৰম কৰাটো ভাল নেপাইছিল। এবাৰ ইছ্মাইলে ইছহাকৰে কাজিয়া লাগিছিল। ককায়েকে ভায়েকৰপৰা অপমান পোৱা যেন অনুমান হৈছিল ছাৰাৰ। ইয়াতেই অসন্তুষ্ট হৈ ছাৰাই পুতেকক লৈ ঘৰৰপৰা ওলাই যাবলৈ ওলাইছিল। ইব্ৰাহীমেও বুজিছিল যে ছাৰা আৰু হাজিৰা একেখন ঘৰতে একেলগে থাকিলে মিলেৰে থাকিব নোৱাৰিব। সেইদেখি হাজিৰা আৰু পুতেকক লৈ ইব্ৰাহীম নিজৰ ঘৰবাৰী এৰি মক্কালৈ গুচি আহিল। মাক-পুতেকক তাতে থ'লে আৰু বস্তুৰ যোগাৰ কৰি দিলে দুয়ো চলিব পৰাকৈ। তাতে হাজিৰাই এটি সৰু জুপুৰীঘৰ সজাই পুতেকৰ সতে থাকিবলৈ ল'লে। হজৰত ইব্ৰাহীম ঘূৰি গ'ল। মক্কালৈ আহিলে ইব্ৰাহীম তাতে আহি থাকেহি।

আহাৰ আৰু পানী শেষ হ'লত হাজিৰাই পানী আৰু খাদ্য বিচাৰি অ'ৰপৰা ত'লৈ ঘূৰি ফুৰিব ধৰিলে। ছাফা আৰু মৰৱাৰ মাজত এইদৰে সাতবাৰ অহা-যোৱা কৰি, একো নেপাই হতাশ হৈ হাজিৰা পুতেকৰ ওচৰলৈ ঘূৰি আহিল।

ঘৰ পাই এক দৃশ্য দেখি হাজিৰা অবাক হ'ল :

মাকে য'ত ইছ্মাইলক শুৱাই থৈ গৈছিল, তাতে ভৰি মাটিত মাৰি মাৰি ইছ্মাইল 'পৰি আছিল। ইছ্মাইলৰ গোৰোহাৰ আঘাতত মাটিত এটা গাঁত হৈ গৈছিল, আৰু গাঁতৰ তলতে ওলাই পৰিল এটা পানীৰ নিজৰা। হাজিৰাই তাৰে পানী লৈ খালে আৰু ইছ্মাইলকো খুৱালে। এই পানী দুয়ো বৰ তৃপ্তি পালে। তাৰপিছত সেই কুঁৱাটোৰ পানী বালিৰ তলত লুকাই পৰে বুলি হাজিৰাই কুঁৱাটো ঢাকি ৰাখিলে।

তাৰ পিছত পুতেকক লৈ বিবি হাজিৰা তাতেই থাকিল। আৰব

বেপাৰীহঁতৰ কাৰাভানবোৰ ইটোৰ পিছত সিটো আহি সেই ঠাইতে জিৰণি লয়হি। হাজিৰা আৰু ইছ্‌মাইলে যাত্ৰীবোৰৰ সোধপোছ কৰে। তাৰে বিনিময়ত বেপাৰীবিলাকে হাজিৰাহঁতক কিবাকিবি বস্তু দি থৈ যায়। এনেকৈয়ে মাক-পুতেক দুয়ো ভালেৰেই চলি যাব ধৰিলে।

পিছলৈ এই জম্‌জম্‌ কুঁৱাৰ পানী ভাল পাই তাৰ আশে-পাশে মানুহবোৰ বৈ যাব ধৰিলে। জুৰ্‌হুম নামে এটা ফৈদৰ লোকসকলে তাত বসতি কৰিবলৈ ল'লে। জুৰ্‌হুম ফৈদৰ মানুহ মক্কাত আগৰেপৰা আছিল বুলিও কোনো-কোনোৱে কয়। বহুতৰ মতে হজৰত ইছ্‌মাইল আহি থাকিবলৈ লোৱাৰ, আৰু জমজমৰ কুঁৱাৰ পানী ওলোৱাৰ পিছৰপৰাহে মক্কাত মানুহে বসতি কৰিবলৈ লয়। পানীৰ উঁহ নোহোৱা হ'লে এই বালিময় ঠাইত কোনোৱেই থাকিবলৈ নাহিলহেঁতেন। হজৰত ইছ্‌মাইল ইয়াতেই থাকি ডাঙৰ দীঘল হ'ল। ইয়াৰেই জুৰ্‌হুম পৰিয়ালৰে এজনী ছোৱালী বিয়া কৰালে, আৰু সেই বংশৰ মানুহবিলাকৰ সৈতেই তাতে থাকিবলৈ ল'লে। আৰু তেৱেঁই তাতে এটা মন্দিৰ বা উপাসনাগৃহ সাজিলে। ক্ৰমে এই মন্দিৰকে কেন্দ্ৰ কৰি মক্কা নগৰখন গঢ়ি উঠিল।

এটা কাহিনী আছে:

এবাৰ হজৰত ইব্ৰাহীমে ছাৰা আৰু পুতেক ইছহাকক ঘৰত থৈ পুতেক ইছ্‌মাইলৰ বা-বাতৰি ল'বৰ কাৰণে মক্কালৈ আহিছিল। আহি তেওঁ পুতেক ইছ্‌মাইলৰ ঘৰলৈ গ'ল। তেতিয়া ইছ্‌মাইল ঘৰত নাছিল। হজৰত ইব্ৰাহীমে ইছ্‌মাইল ক'লৈ গ'ল তেওঁৰ পৰিবাৰক সুধিলত, তেওঁ জনালে যে ইছ্‌মাইল চিকাৰ কৰিবলৈ গৈছে। তেতিয়া তেওঁ কিবা খাবলৈ বিচাৰিলে। ইছ্‌মাইলৰ পৰিবাৰে শহুৰেকক একো খাবলৈ নিদিলে, ভোকে লঘোনে ইব্ৰাহীম নিজ ঘৰলৈ ঘূৰি গ'ল। যোৱাৰ আগতে ইছ্‌মাইলৰ পৰিবাৰক ইছ্‌মাইলক এষাৰ কথা ক'বলৈ কৈ থৈ গ'ল। কথাষাৰ আছিল — "ইছ্‌মাইলক ক'বা, ঘৰৰ পদূলি সলনি কৰক।"

পৰিবাৰৰ মুখৰপৰা বাপেকৰ মুখৰ এই কথা শুনি ইছ্‌মাইলে সেইজনী ঘৈণীয়েকক এৰি দিলে আৰু জুৰ্‌হুম ফৈদৰে মুদদ ইব্‌নে আমৰ নামৰ এজন মানুহৰ জীয়েকক বিয়া কৰালে।

দ্বিতীয়বাৰ হজৰত ইব্ৰাহীম মক্কালৈ আহি ইছ্‌মাইলৰ ঘৰলৈ গ'ল। এইবাৰ

অভ্যৰ্থনাত সন্তুষ্ট হৈ ইব্ৰাহিমে ক'লে, "ইছমাইলক জনাবা যে এইবাৰ তোমাৰ ঘৰৰ পদূলি শোভন হ'ল।"

অৰ্থাৎ পুতেকে দ্বিতীয় বিবাহ কৰাত বাপেক সন্তুষ্ট হ'ল।

জুৰহুম পৰিয়ালৰ এইগৰাকী পত্নীৰ গৰ্ভত হজৰত ইছমাইলৰ বাৰজন পুত্ৰৰ জন্ম হৈছিল। উত্তৰ আৰবৰ বাৰটা আৰবী ফৈদৰ এওঁলোকেই পূৰ্ব্বপুৰুষ বুলি জনা যায়। হজৰত ইছমাইলৰ এই বাৰজন পুত্ৰৰ সম্বন্ধ এহাতে মাকৰ যোগে জুৰহুম ফৈদৰ মাকৰ ইব্‌নে কাহ্‌তানৰ বংশৰ আৰববাসীৰ লগত আৰু বুঢ়ীমাক হাবাৰ যোগে ইজিপ্তৰ লগত, আৰু ককাক ইব্ৰাহীমৰ লগত সম্বন্ধৰ যোগে ইৰাক আৰু পেলেষ্টাইনৰ লগত গঢ়ি উঠিছিল।

হজৰত ইব্ৰাহীম আৰু তেওঁৰ পুতেক হজৰত ইছমাইল দুয়ো লগ লাগি কাবা মন্দিৰৰ আধাৰশিলা স্থাপন কৰিলে, এই ৰাজহুৱা উপাসনাগৃহটো নিৰ্ম্মাণ কৰিলে। আগৰ সুকীয়া গোত্ৰ গোষ্ঠীৰ উপাসনাগৃহৰ ঠাইত এইটোৱেই আছিল মক্কাৰ প্ৰথম ৰাজহুৱা উপাসনাগৃহ। সকলো মানুহৰ কাৰণে ই এটা আদৰ্শ ঐক্য আৰু সংহতিৰ মিলনতীৰ্থ। ইয়াক হজৰত ইব্ৰাহীমৰ ঘৰ বুলি আজিও কাবা হুৰীফক সম্মান জনোৱা হয়। ই এক শান্তিৰ ক্ষেত্ৰ — মহামিলনৰ তীৰ্থভূমি। যিয়েই এবাৰ এই পবিত্ৰ উপাসনা থলিত প্ৰৱেশ কৰিব সিয়ে নিৰাপদ। "এই ঘৰটোক মই মানুহৰ আশ্ৰয় আৰু নিৰাপত্তাৰ স্থান হিচাপে নিৰ্ম্মাণ কৰিলো। ইব্ৰাহীমৰ ঘৰটো এক উপাসনাগৃহ হিচাপে ল'বৰ কাৰণে আদেশ কৰিলো, আৰু ইব্ৰাহীম আৰু ইছমাইলক মই মোৰ এই ঘৰটো তীৰ্থযাত্ৰীসকলৰ কাৰণে আৰু আশ্ৰয় বিচাৰি আহোঁতাসকলৰ কাৰণে, আৰু যি আঠুলৈ প্ৰাৰ্থনা কৰিবৰ কাৰণে (নামাজ পঢ়িবৰ কাৰণে) ইয়াত সমবেত হয়, তেওঁলোকৰ কাৰণে পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰাখিবৰ কাৰণে নিৰ্দ্দেশ দিলো"। ইব্ৰাহীমে যেতিয়া প্ৰাৰ্থনা কৰিছিল এই বুলি — "হে প্ৰভু এই চহৰখনক সকলো বিপদ আপদৰ পৰা ৰক্ষা কৰা আৰু ইয়াৰ বাসিন্দাসকলক, আৰু যিসকলে আল্লাক বিশ্বাস কৰে সেইসকলক আৰু যি শেষ বিচাৰৰ দিনৰ ওপৰত বিশ্বাস আনিলে সেইসকলক তোমাৰ ঐশ্বৰ্য্য সম্ভাৰ দান কৰা।"

আল্লাই ক'লে "আনকি যিবিলাকে আল্লাহ আৰু শেষ বিচাৰৰ দিনক বিশ্বাস নকৰে, সিহঁতেও কিছুদিনলৈ সুখ সমৃদ্ধি ভোগ কৰিবলৈ পাব, আৰু মোৰ ৰক্ষণাবেক্ষণ লাভ কৰিব আৰু তাৰ পিছত (যদি তেতিয়াও ঈমান নানে

তেতিয়া) সিহঁতক মই নৰকৰ শাস্তি ভোগ কৰিবলৈ দিম। আৰু সিহঁতে যেনে শাস্তি পাব লাগে, তেনে শাস্তি দিম”। (কোৰাণ)

ভেটি বান্ধি, বেৰ সাজি উলিয়ালত, হজৰত ইব্ৰাহীম আৰু হজৰত ইছ্‌মাইলে আল্লাৰ ওচৰত এই দোৱা কৰিলে, “হে প্ৰভু, হে আল্লাহ্‌, আমাৰ এই কৰ্ম্মৰ ওপৰত তোমাৰ কৰুণা বৰ্ষণ কৰা। একমাত্ৰ তুমিয়েহে সকলো জানা, তুমিয়েইহে সকলো শুনা।”

কাবাৰ উপাসনাগৃহ সাজি উলিয়াই হজৰত ইব্ৰাহীম আৰু ইছ্‌মাইলে তাক শান্তিকামী আল্লাৰ ভক্তসকলৰ উদ্দেশ্যে আল্লাৰ ওচৰত সমৰ্পণ কৰি দিছিল। একেশ্বৰবাদ বা তৌহিদৰ কেন্দ্ৰভূমি হিচাপে এই কাবা ছৰিফে আল্লাৰ স্বীকৃতি আৰু কৰুণা লাভ কৰিছিল। আজি এই মকামে ইব্ৰাহীম বা ইব্ৰাহীমৰ ঘৰ আল্লাৰঘৰ হিচাপে সমগ্ৰ পৃথিবীৰ আল্লাহ্‌ভক্ত মুছলমানৰ ইবাদতখানা—প্ৰাৰ্থনাগৃহ।

সাকাৰ পূজাৰ ঠাইত নিৰাকাৰ আল্লাৰ পূজাৰ প্ৰৱৰ্ত্তন কৰোতা, বহু দেৱতাৰ পূজাৰ ঠাইত এক আল্লাৰ পূজাৰ ৰীতি প্ৰতিষ্ঠা কৰোতা, সত্যৰ যুক্তি প্ৰতিপন্ন কৰিবলৈ গৈ অগ্নি পৰীক্ষাৰ মাজেদি নিজৰ যুক্তিৰ অকাট্যতা প্ৰমাণ কৰোতা হজৰত ইব্ৰাহীমে পুতেক হজৰত ইছ্‌মাইলেৰে লগ লাগি যি কাবা মন্দিৰ নিৰ্মাণ কৰিছিল, তাত হজৰত মোহম্মদৰ (দঃ) আবিৰ্ভাৱৰ সময়ত কেনেকৈ হুবল, লাট, মানাহ, ওজ্জাৰ আৰু অন্যান্য কেইবা শ সৰু ডাঙৰ দেৱ-দেৱীৰ মূৰ্ত্তিয়ে ঠাই পালে বা ঠাই পাব পাৰিলে সেইকথা এক চিন্তা কৰিবলগীয়া বিষয়, হজৰত ইব্ৰাহীমে যেতিয়া কাবা উপাসনাগৃহ নিৰ্মাণ কৰিছিল, তেতিয়া তাক এক নিৰাকাৰ আল্লাৰ ওপৰত একান্ত বিশ্বাস ৰাখোতাসকলৰ পূজাৰ স্থল আৰু প্ৰয়োজন মতে নিৰাপদ আশ্ৰয়স্থল হিচাপে ব্যৱহাৰৰ কাৰণেই নিৰ্মাণ কৰিছিল। তেওঁৰ জীৱন কালত নিশ্চয় কাবাগৃহৰ ভিতৰত কোনো দেৱ-দেৱীৰ মূৰ্ত্তিয়ে ঠাই নেপাইছিল। কিন্তু পিছত কেনেকৈ নিৰাকাৰ প্ৰভুৰ পূজাৰ সেই উপাসনাগৃহ নানা দেৱ-দেৱীৰ সৰু বৰ মূৰ্ত্তিৰে ভৰি পৰিল? কোনে কাবাক কিয়, কেতিয়া আৰু কেনেকৈ এক পৌত্তলিক পূজাৰ মন্দিৰ কৰি পেলালে?

এই সম্পৰ্কত এটা ব্যাখ্যা এই বুলি দিয়া হয়ঃ

আৰবত চেৰিয়ানবিলাক বৰ জনপ্ৰিয় আৰু প্ৰভাৱশালী লোক আছিল। তেওঁলোকে গ্ৰহ-নক্ষত্ৰ তৰা আদিৰ পূজা কৰিছিল। জনা যায় যে এসময়ত চেৰিয়ানবিলাকে এজন প্ৰভুৰেই পূজা কৰিছিল, কিন্তু তৰা গ্ৰহ-নক্ষত্ৰ আদিত সেই স্ৰষ্টাৰে মহিমাৰ নিদৰ্শন বুলি সেইবোৰকো শ্ৰদ্ধা ভক্তি জনাইছিল। কিন্তু ইন্দ্ৰিয়াতীত আৰু নিৰাকাৰ এক পৰম অস্তিত্বৰ ধাৰণা কৰিবলৈ সক্ষম নোহোৱাৰ কাৰণে, তেওঁলোকে ইন্দ্ৰিয়গ্ৰাহ্য আৰু দৃশ্যমান গ্ৰহ-নক্ষত্ৰ আদিকে পূজাৰ যোগ্য পাত্ৰ বুলি গণ্য কৰি সিবোৰকে পূজা কৰিছিল।

ইফালে-সিফালে পৰি থকা শিল আৰু নানা আকাৰৰ শিলাখণ্ডবোৰক আকাশৰ পৰা বিজুলী ঢেৰেকনিৰ লগত নামি অহা স্বৰ্গীয় বস্তু, আৰু আগ্নেয়গিৰিৰ বিস্ফোৰণৰ ফলত পৰ্ব্বতৰ বুকুৰ পৰা বাহিৰ ওলোৱা শিল পাথৰৰ টুকুৰাবোৰকো স্বৰ্গীয় দ্ৰব্য বুলি বিবেচনা কৰিছিল। আৰু তেনে ধাৰণাৰ বশবৰ্ত্তী হৈয়ে এইবোৰৰ পূজা কৰিছিল। তৰাৰে ভৰি থকা আকাশখনক স্ৰষ্টাৰ আবাসস্থল বুলি ধৰি তাত ঐশ্বৰিকতা আৰোপ কৰিছিল আৰু গ্ৰহ-নক্ষত্ৰৰ পূজা কৰিছিল।

পিছলৈ আগ্নেয়শিলা আৰু অন্যান্য শিল-পাথৰ আদিকো দৈৱগুণ-সম্পন্ন পদাৰ্থ বুলি গণ্য কৰি, পূজা কৰিবৰ কাৰণে সেইবোৰ গোটাই আনি একেঠাই কৰিছিল। পিছত সেইবোৰ কাবাগৃহৰ ভিতৰলৈ আনি পূজ্য দেৱতাৰ বেদীত বহুওৱা হৈছিল, আৰু সকলোৱে সেইবোৰৰ নিয়মীয়া পূজা কৰাত ধৰিছিল। এই শিলবোৰত এনে ধৰণৰ দেৱত্ব আৰোপ কৰা হৈছিল যে এই শিলাখণ্ডবোৰক ত্ৰাণ-কৰ্ত্তা বিধাতা বুলি গণ্য কৰিবলৈ লৈছিল। নিজৰ ঠাইৰপৰা দূৰণী ঠাইলৈ ভ্ৰমণ কৰিবলৈ গ'লে, কাবাৰ ভিতৰৰ একোটা দেৱতাক অৰ্থাৎ একোডোখৰ শিলক নিজৰ লগত লৈ গৈছিল। মক্কাৰ ভিতৰত থকা কলা শিল ডোখৰক পূজা কৰাৰ উপৰিও, লগত নিয়া দেৱতাকো ভ্ৰমণ কালত নিৰাপত্তা লাভ কৰিবৰ কাৰণে প্ৰাৰ্থনা কৰি সসম্মানে পূজা কৰিছিল। এনেকৈ আকাশৰ তৰা বা গ্ৰহ-নক্ষত্ৰ আৰু সেই নক্ষত্ৰলোকৰ স্ৰষ্টা আল্লাৰ পূজাৰ ঠাইত এই শিলবোৰে সকলোৰে পূজা পাবলৈ ধৰিলে। আৰু এনেবোৰ শিল আৰু শিলাখণ্ডই কাবাগৃহৰ ভিতৰত সন্মানৰ আসন লাভ কৰিলে। এই শিলৰ দেৱ-দেৱীবিলাকৰ সন্তুষ্টি লাভৰ কাৰণে পূজাৰ লগতে বলি বিধানৰো ব্যৱস্থা প্ৰৱৰ্ত্তিত হ'ল।

এনেকৈয়ে ইব্রাহীম ইছমাইলে, সজা নিৰাকাৰ প্ৰভুৰ পূজাৰ ঘৰ, এক দেৱ-দেৱী পূজাৰ জড়োপাসনাৰ, পৌত্তলিকতাৰ সম্মানিত কেন্দ্ৰস্থল হৈ পৰিল আল্লাৰ—ঘৰ কাবা।

নিৰাকাৰ আল্লাৰ পূজা আৰু সাকাৰ দেৱ-দেৱীৰ জড়বাদী পূজাৰ মাজত বিবাদ বিসম্বাদ আৰবত বহুদিন ধৰি চলি আছিল। একেশ্বৰবাদৰ প্ৰচাৰ আৰু প্ৰতিষ্ঠাৰ কাৰণে বহুকেইজন তৌহিদপন্থী ধৰ্ম্ম-প্ৰচাৰকৰ আৰব ভূখণ্ডত আৱিৰ্ভাৱ হৈছিল। উত্তৰ-আৰবৰ হাজ্ৰা-মউতত থকা আ'দ বংশৰ মাজত হজৰত হূদৰ আৱিৰ্ভাৱ হৈছিল। তেওঁও একেশ্বৰবাদ প্ৰচাৰ কৰিছিল। কিন্তু তেওঁৰ আহ্বানে তাৰ জনসমাজত নিৰাকাৰ পূজাৰ সপক্ষে বিশেষ জনমত গঢ়ি তুলিব নোৱাৰিলে। বহুবছৰ ধৰি হজৰত হূদে তৌহিদৰ আদৰ্শবাণী প্ৰচাৰ কৰিলে, কিন্তু জড়বাদী পৌত্তলিকবিলাকক নিজৰ পৰম্পৰাগত ধৰ্ম্মবিশ্বাসৰ পৰা আঁতৰাই আনিব নোৱাৰিলে।

হিজাজ আৰু ছাম অঞ্চলৰ মাজত অৱস্থিত আল্ হিজ্ৰ্ নামৰ ঠাইত ছমূদ গোষ্ঠীৰ লোকসকল আছিল। তেওঁলোকৰ মাজত আৱিৰ্ভাৱ হৈছিল এজন একেশ্বৰবাদী মহাপুৰুষ চালেহৰ, তেওঁও পৌত্তলিকবিলাকক তৌহিদত বিশ্বাস কৰোৱাৰ প্ৰয়াস কৰি সফলকাম হ'ব নোৱাৰিলে।

হিজাজত সেই সময়ত মাদয়ানৰ লোকসকলে বসবাস কৰিছিল। এওঁলোকো জড়োপাসক পৌত্তলিক আছিল। হজৰত ছোৱেইবে এওঁলোকৰ মাজত আৱিৰ্ভাৱ হৈ মানুহবোৰক এক আল্লাৰ পূজা কৰাত ধৰিবলৈ আহ্বান জনাইছিল। তেওঁৰ সেই আহ্বানেও পৌত্তলিকবোৰৰ বিশ্বাসৰ পৰিৱৰ্ত্তন আনিব নোৱাৰিলে, একেশ্বৰবাদৰ মতবাদ আৰু আদৰ্শ প্ৰচাৰ কৰিবৰ কাৰণে ভালেকেজন মহাপুৰুষে চেষ্টা যত্ন কৰিলে, কিন্তু সেই সময়ৰ আৰবৰ মূৰ্ত্তিপূজা কৰা পৌত্তলিকবিলাকক তৌহিদৰ পথলৈ অনাত কৃতকাৰ্য্য নহ'ল। বহুত বংশৰ উত্থান-পতন হ'ল কিন্তু হজৰত মোহম্মদৰ (দঃ) পূৰ্ব্বে অৱতীৰ্ণ হোৱা মহাপুৰুষসকল দ্বিধা-বিৰোধহীন একেশ্বৰবাদ ধৰ্ম্ম প্ৰতিষ্ঠা কৰাত সফল হ'ব নোৱাৰিলে। কাবা মন্দিৰত মূৰ্ত্তিপূজা চলি থাকিল। আৰবৰ মানুহ দেৱ-দেৱীৰ পূজা দিবলৈ মক্কালৈ আহি থাকিল।

কাবা মন্দিৰ এক পৌত্তলিক তীৰ্থক্ষেত্ৰ হৈ গঢ়ি উঠিছিল। আৰবৰ সকলো

ঠাইৰ পৰা তীৰ্থযাত্ৰীসকল ইয়াত গোট খাইছিলহি। আনুষ্ঠানিকভাৱে দেৱ-দেৱীৰ পূজা সম্পাদন কৰাৰ বিধি-বিধান ৰচনা হ'ল। কাবা এটা প্ৰতিষ্ঠান হিচাপে স্বীকৃত হৈ উঠিল। আৰু এই প্ৰতিষ্ঠান নিয়মীয়াকৈ পৰিচালনাৰ কাৰণে শাসন বিধি ৰচনা কৰা হ'ল।

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ মাজভাগত কাবাৰ শাসক বা ৰজা হ'ল কাছাই ইব্‌নে কিলাব। তেওঁৰ প্ৰশাসনে কাবা মন্দিৰৰ কাৰ্য্য পৰিচালনা কৰিবৰ কাৰণে কিছুমান বিভাগ আৰু কাৰ্য্যালয় প্ৰতিষ্ঠা কৰিলে। হিজাবা, চিকায়া, ৰিফাদা, নাদ্‌ৱা, লীৱা আৰু কিয়াদা আদি বেলেগ বেলেগ বিভাগৰ সৃষ্টি কৰি মক্কাৰ যাৱতীয় কাৰ্য্য পৰিচালনা কৰাৰ ব্যৱস্থা কৰা হ'ল।

কাবাগৃহৰ সংৰক্ষণ আৰু মন্দিৰৰ চাকি ৰখাৰ কৰ্ত্তৃত্ব দিয়া হ'ল হিজাবা বিভাগক। সকলো তীৰ্থযাত্ৰীক পানীৰ আৰু খেজুৰ ৰসৰ ভাৰীৰ যোগান ধৰাৰ দায়িত্ব দিয়া হ'ল চিকায়া বিভাগক। ৰিফাদাই তীৰ্থযাত্ৰীৰ আহাৰ যোগানৰ দায়িত্ব পালে। কাবা সম্পৰ্কীয় সমাৱৰ্ত্তন, আলোচনা চক্ৰ আদি পৰিচালনাৰ সকলো দায়িত্ব থাকিল নাদ্‌ৱা নামৰ সংগঠনৰ হাতত। যুদ্ধ লাগিলে পৰিচালনা কৰাৰ নেতৃত্ব কাক দিয়া হ'ব সেই সম্পৰ্কে সিদ্ধান্ত ল'বৰ কাৰণে অধিকাৰ পালে 'কিয়াদা' নামৰ সংগঠনে। শত্ৰুৰ বিৰুদ্ধে ৰণ কৰিবৰ কাৰণে যুদ্ধযাত্ৰা কৰিবৰ সময়ত এডাল বৰ্ষাত বান্ধি উৰুৱাই নিয়া পতাকাখনক বোলা হৈছিল 'লীৱা'। গতিকে এনে 'লীৱা' বা পতাকা বহনকাৰী সংস্থানক সামৰিক বিভাগৰ দ্বিতীয় স্থানৰ অধিকাৰী প্ৰতিষ্ঠান হিচাপে গণ্যকৰা হৈছিল।

এই সকলোবোৰ সংগঠন মক্কা তথা কাবা মন্দিৰ প্ৰশাসনৰ অধীনস্থ আছিল। এই সকলোবোৰ অনুষ্ঠান প্ৰতিষ্ঠান একে সময়তে স্থাপন কৰা হোৱা নাছিল। কিন্তু কাবা মন্দিৰক কেন্দ্ৰ কৰি, ইয়াৰ প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ লগে লগে ক্ৰমে এইবোৰ সংগঠনে মক্কাৰ প্ৰশাসন পৰিচালনাৰো দায়িত্ব বহন কৰিব ধৰিলে।

হজৰত ইব্ৰাহীমে প্ৰতিষ্ঠা কৰা কাবা মন্দিৰক কেন্দ্ৰ কৰি মক্কা নামৰ ঠাইখন এখন নগৰ হৈ গঢ় লৈ উঠিবলৈ নিশ্চয় বহুত বছৰ লাগিছিল। যাযাবৰ আৰৱবাসীসকলৰ মৰুদ্যান বিচাৰি অ'ৰপৰা ত'লৈ ঘূৰি ফুৰাৰ অভ্যাসৰ অন্ত নপৰালৈকে স্থায়ীভাৱে বসবাস কৰিবলৈ লৈ মক্কাক এখন স্থায়ী চহৰ ৰূপে

গঢ়ি তোলাৰ প্ৰয়োজন আৰববাসীয়ে উপলব্ধি কৰিছিল বুলি ভাবিবলৈ টান। মক্কাৰ কাবা প্ৰতিষ্ঠানটোৰ ৰক্ষণাবেক্ষণ আৰু প্ৰশাসনীয় কাৰ্য্য পৰিচালনাৰ দায়িত্ব কেইবা পুৰুষলৈকে হজৰত ইব্ৰাহিমৰ শহুৰেকৰ পৰিয়াল জুৰ্‌হুমসকলৰ হাতত আছিল বুলি জনা যায়। আৰু মক্কা অঞ্চলত কিছুমান ফৈদৰ লোকে বহু শ বছৰ ধৰি স্থায়ীভাৱে বসতি কৰিছিল বুলিও ধাৰণা কৰিব পৰা যায়।

আমোলিকি ফৈদৰ লোকক পৰাস্ত কৰি জুৰ্‌হুম ফৈদৰ শাসকসকলে মুদাদ ইব্‌নে আম্‌ৰৰ দিনলৈকে মক্কা শাসন কৰিছিল। বেপাৰ বাণিজ্যত অভাৱনীয় লাভবান হৈ জুৰ্‌হুম ফৈদৰ শাসকসকলে প্ৰশাসনীয় দায়িত্বক অৱহেলা কৰিবলৈ ধৰিলে। ফলত মক্কাত নানা বিশৃঙ্খলাই দেখা দিব ধৰিলে। তেওঁলোকৰ অৱহেলাৰ ফলতে জম্‌জমৰ জলপ্ৰস্ৰৱন শুকাই যাব ধৰিলে। এনে পৰিস্থিতিৰ সুযোগ লৈ খুজাথা ফৈদৰ লোকে মক্কা অধিকাৰ কৰাৰো চিন্তা কৰিলে। মুদাদৰ বহু প্ৰচেষ্টা সত্ত্বেও জুৰ্‌হুম ফৈদৰ মানুহবোৰক পৰিস্থিতিৰ গুৰুত্ব সম্পৰ্কে সজাগ কৰিবৰ প্ৰয়াসত ব্যৰ্থ হ'ল। অৱশেষত কোনো আক্ৰমণকাৰীৰ লগত ৰণ কৰি হাৰি আনৰ বশবৰ্ত্তী হোৱাতকৈ নিজেই দায়িত্ব এৰি আঁতৰি পৰাৰ সিদ্ধান্ত ল'লে। মুদাদে জম্‌জমৰ কুৱাঁৰ তলত এটা দ গাঁত খানি তাতে দুটা সোণৰ হৰিণা আৰু কাবা মন্দিৰৰ ভিতৰত থকা বস্তুবোৰ আনি পুতি থলেহি। তেওঁৰ আশা আছিল যে পৰিস্থিতিৰ সলনি হ'লে তেওঁ পুনৰ কাবাৰ প্ৰশাসনৰ দায়িত্ব ল'ব আৰু পুতি থোৱা বস্তুবোৰো উদ্ধাৰ কৰিব। হজৰত ইছ্‌মাইলৰ উত্তৰাধিকাৰীসকলক আৰু জুৰ্‌হুম ফৈদৰ মানুহবোৰ লগত লৈ মুদাদ মক্কা এৰি দূৰলৈ আঁতৰি গ'ল, আৰু তেতিয়াৰ পৰা খুজাথা ফৈদৰ শাসকসকলে কেইবা পুৰুষ ধৰি মক্কা শাসন কৰিলে।

মক্কাৰ কাবা মন্দিৰ আৰবৰ কেন্দ্ৰীয় উপাসনাগৃহ হৈ উঠাৰ ফলত আৰবত মক্কাৰ স্থান গুৰুত্বপূৰ্ণ হৈ পৰিল। ইয়াকে লক্ষ্য কৰি আৰবৰ ভিতৰৰ দূৰ দূৰণীৰ কিছুমান ঠাইৰ মানুহে নিজ নিজ অঞ্চলত কাবাৰ নিচিনা মন্দিৰ সজা আৰম্ভ কৰিলে। যাতে মক্কাৰ একচ্ছত্ৰী প্ৰাধান্য কিছু লাঘব কৰিব পাৰে। হিৰাত গাচ্ছানীবিলাকে এটা ধৰ্ম্মমন্দিৰ সাজিলে। য়েমেনত আব্‌ৰাহা আল্ আছ্‌ৰামেও তেনেকুৱা এটা মন্দিৰ সাজিলে। কিন্তু এইবোৰ নতুন মন্দিৰে আৰববাসীক বিশেষ আকৰ্ষণ কৰিব নোৱাৰিলৈ। আব্‌ৰাহাই য়েমেনত সজা

মন্দিৰটো বৰ আকৰ্ষণীয়াকৈ সজাই-পৰাই তুলিছিল আৰু তাত ধুনীয়া ধুনীয়া মূৰ্ত্তি আনি থাপনা কৰিছিলহি। আব্ৰাহাই ভাবিছিল যে তেওঁ সজোৱা মন্দিৰটোলৈ অকল আৰবৰ অন্য ঠাইৰ মানুহেই নহয়, মক্কাৰ মানুহো আহিব। কিন্তু আব্ৰাহাই দেখিলে মক্কাত থকা কাবা মন্দিৰৰ বাহিৰে অন্য নতুনকৈ সজা মন্দিৰলৈ মানুহ নেযায়, আৰু সেইবোৰক তীৰ্থক্ষেত্ৰ বুলিও গণ্য নকৰে। সকলোৱে হজৰত ইব্ৰাহীম আৰু হজৰত ইছ্মাইলে সজা কাবাকহে তীৰ্থক্ষেত্ৰ বুলি গণ্য আৰু সন্মান কৰে, গতিকে নিজে সজোৱা মন্দিৰে মানুহক আকৰ্ষণ কৰিব লাগিলে ইব্ৰাহীমৰ কাবাক ভাঙি ধ্বংস কৰি পেলোৱাৰ বাহিৰে গত্যন্তৰ নাই। নেগাছৰ ৰজা আব্ৰাহাই কাবা ধ্বংস কৰাৰ উদ্দেশ্যেৰে আবিচিনীয়াৰ পৰা বিৰাট এটা সৈন্যদল লৈ মক্কা অভিমুখে ৰণ যাত্ৰা কৰিলে। অভিযানৰ নেতা হিচাপে আব্ৰাহা এটা হাতীত উঠি সৈন্যদলৰ আগত আহিছিল।

আব্ৰাহাৰ এই অভিযানৰ কথা জানিব পাৰি আৰবসকল ভীত-সন্ত্ৰস্ত হৈ পৰিল। আব্ৰাহাৰ সৈন্যদলে মক্কা দখল কৰি কাবা মন্দিৰ ধ্বংস কৰিব, তাত থকা মূৰ্ত্তিবোৰ ভাঙি পেলাব, আৰু তীৰ্থক্ষেত্ৰ মক্কাক ধ্বংস কৰি পেলাব বুলি উদ্বিগ্ন হৈ পৰিল। য়েমেনৰ জু নকৰ নামে এজন মানুহে আব্ৰাহাৰ গতিৰোধ কৰি যুদ্ধ কৰি মক্কা আৰু কাবা ৰক্ষা কৰিবৰ কাৰণে আহ্বান জনালে। জু নকৰ আৰু মুফাইল্ ইব্নে হাবিব নামে এজন আৰব যুঁজাৰুৱে আব্ৰাহাৰ অগ্ৰগতিক বাধা দিবৰ চেষ্টা কৰি বিফল হ'ল। দুয়ো আব্ৰাহাৰ হাতত বন্দী হ'ল। আনহাতে আব্ৰাহাই কাবা মন্দিৰ দখল কৰিবলৈ অহা নাই বুলি এটা ভ্ৰান্ত ধাৰণা লৈ আব্ৰাহাক প্ৰতিৰোধ কৰাৰ চেষ্টা কৰাৰ সলনি তেওঁক কাবাৰ পথ চিনাই দিয়াৰহে ব্যৱস্থা কৰিলে।

কাবাৰ তেনেই কাষতে আছিল কুৰেইছসকল। মক্কাত সোমায়ে আব্ৰাহাই কুৰেইছবিলাকৰ উট, ভেড়া যি পায় ধৰি আনিবৰ কাৰণে কেইটামান অশ্বাৰোহী সৈন্য পঠিয়াই দিলে। সিহঁতে গৈ আব্দুল মুত্তালিবৰ এশটা উট আৰু কিছুমান ভেড়া ধৰি লৈ আহিল। প্ৰথমতে কুৰেইছসকলে আৰু মক্কাৰ অন্য বাসিন্দাই আব্ৰাহাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ কথা ভাবিছিল। কিন্তু আব্ৰাহাৰ সৈন্য শক্তি বৰ প্ৰৱল আছিল। মক্কাবাসীয়ে সিহঁতৰ বিৰুদ্ধে ৰণ দিবলৈ সাহস নকৰিলে। ইতিমধ্যে এজন দূত পঠিয়াই আব্ৰাহাই জনালে যে তেওঁ মক্কাবাসীৰ

বিৰুদ্ধে যুদ্ধ কৰিবলৈ অহা নাই, কেৱল কাবা মন্দিৰটো ভাঙিবৰ কাৰণেহে আহিছে। যদিহে তেওঁক কোনেও সেই কামত বাধা নিদিয়ে, তেন্তে তেওঁ কাৰো লগত যুদ্ধ নকৰে। এই কথা আব্ৰাহাই সেই সময়ৰ কাবাৰ ৰক্ষক আব্দুল মুত্তালিবক কটকী হুনাটাৰ যোগে জনালে। হুনাটাই আব্দুল মুত্তালিব আৰু তেওঁৰ পুতেককেজনক আব্ৰাহাৰ সৈন্য শিবিৰলৈকে নিমন্ত্ৰণ জনালে, আব্ৰাহাই আব্দুল মুত্তালিবক ভালকৈয়ে শোধ-পোছ কৰিলে আৰু ধৰাই অনা তেওঁৰ উট শ ঘূৰাই দিলে। কিন্তু কাবা মন্দিৰ ধ্বংস নকৰিবৰ কাৰণে কৰা অনুৰোধ আব্ৰাহাই প্ৰত্যাখ্যান কৰিলে আৰু তিহা প্ৰদেশত উৎপাদন হোৱা শস্যৰ এক তৃতীয়াংশ তাৰ কাৰণে আব্ৰাহাক দিব খোজাৰ প্ৰস্তাবো অগ্ৰাহ্য কৰিলে। আলোচনা বিফল হ'ল। আব্ৰাহাৰ শিবিৰৰ পৰা আব্দুল মুত্তালিব নিৰাশ হৈ ঘূৰি আহিল। কাবা ৰক্ষা কৰাৰ কোনো সম্ভাৱনা নেদেখি আব্দুল মুত্তালিবে মক্কাৰ বাসিন্দাবিলাকক আত্মৰক্ষাৰ কাৰণে মক্কা চহৰ এৰি পাহাৰলৈ গুচি যাবলৈ নিৰ্দ্দেশ দিলে। নিজৰ ঘৰ-বাৰী এৰি থৈ আক্ৰমণকাৰী আব্ৰাহাক কাবা মন্দিৰ ধ্বংস কৰিবলৈ এৰি দি মক্কাবাসীয়ে প্ৰাণৰক্ষাৰ কাৰণে অন্য ঠাইত আশ্ৰয় বিচাৰি যাবলগীয়া হোৱাটো এটা মৰ্ম্মান্তিক শোকাবহ দুৰ্ঘটনা আছিল। কিন্তু গত্যন্তৰ নাছিল। আব্দুল মুত্তালিবে কাবা মন্দিৰৰ তলাত খামুচি ধৰি কাবাক ৰক্ষা কৰিবৰ কাৰণে আৰু আব্ৰাহাৰ আক্ৰমণক বিফল কৰিবৰ কাৰণে মন্দিৰত থকা দেৱতাবিলাকক কাতৰ প্ৰাৰ্থনা জনালে। আৰু মক্কাৰপৰা আঁতৰি গ'ল। আব্ৰাহাই মক্কালৈ তেওঁৰ দুৰ্দ্ধৰ্ষ সৈন্যদল পঠিয়াই দিলে কাবা মন্দিৰ ধ্বংস কৰিবৰ কাৰণে।

ইয়াৰ প্ৰায় লগে লগে এক মাৰাত্মক সোঁচৰা ব্যাধিয়ে আক্ৰমণ কৰিলে আব্ৰাহাৰ সৈন্য বাহিনীক। মাৰাত্মক বসন্তৰোগে সৈন্যবোৰক ব্যাপকভাৱে আক্ৰমণ কৰিলে। বহুতো সৈন্য সেই ৰোগত মৃত্যুৰ মুখত পৰিল। ভয়ঙ্কৰ বসন্তৰোগে আব্ৰাহাকো আক্ৰমণ কৰিলে। আকস্মিক এই সৰ্ব্বনাশী ৰোগৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি আব্ৰাহাই জীৱিত সৈন্যবোৰক য়েমেনলৈ ঘূৰি যাবলৈ নিৰ্দ্দেশ দিলে। ব্যাপক হাৰত আব্ৰাহাৰ সৈন্যবোৰৰ মৃত্যু হ'ল। আৰু য়েমেনৰ ৰাজধানী ছানা গৈ পোৱাৰ পিছত আব্ৰাহাও বসন্তৰ আক্ৰমণত মৃত্যুৰ মুখত পৰিল।

মক্কাবাসী আৰু কাবা মন্দিৰ এনেকৈ আচৰিত ধৰণে ধ্বংস আৰু মৃত্যুৰপৰা ৰক্ষা পৰাৰ কাৰণে মক্কাবাসীসকলে সেই বছৰটোক "হাতীৰ বছৰ" বুলি সেই বছৰৰপৰা দিন মাহৰ লেখ ল'বলৈ ল'লে।

কোৰাণত এই ঘটনাৰ স্পষ্ট উল্লেখ আছেঃ

"হাতীৰে (আক্ৰমণ কৰিবলৈ) অহা মানুহবোৰৰ আল্লাই কি দশা কৰিলে ভাবি চোৱা। সিহঁতৰ সেই হীন ষড়যন্ত্ৰ আল্লাই ব্যৰ্থ কৰি দিয়া নাছিলনে? আৰু সিহঁতক আক্ৰমণ কৰিবলৈ? দলে দলে উৰণীয়া (আবাবিল) অগ্নিবাহী শিলাখণ্ড পঠিওৱা নাছিলনে? আৰু লঘোণত থকা জন্তুৰ পালে শস্যৰ পথাৰ মহতিয়াই খাই শেষ কৰি পেলোৱাৰ দৰে সিহঁতক ধ্বংস কৰি পেলোৱা নাছিলনে?"

(চুৰা— আল্‌মতাৰা কাইফা)

এই অভাৱনীয় ঘটনাৰ পিছত কাবা মন্দিৰৰ মৰ্য্যাদা আৰু বৃদ্ধি পালে। মক্কাৰো গুৰুত্ব বাঢ়িল। ব্যৱসায় বাণিজ্যও বৃদ্ধি পালে, মক্কা আৰু কাবা মন্দিৰক ৰক্ষা কৰাত আৰববাসীয়ে আগতকৈও বেছি গুৰুত্ব দিলে। সকলো শক্তি দি মক্কাক ৰক্ষা কৰাটোক দায়িত্ব আৰু কৰ্ত্তব্য বুলি ধৰিলে।

কাবা মন্দিৰক কেন্দ্ৰ কৰি মক্কাবাসীয়ে ইয়াৰ চাৰিওফালে বসবাস কৰিবলৈ লৈছিল। সামাজিক মৰ্য্যাদাৰ স্তৰ অনুসৰি কাবা মন্দিৰৰপৰা থকা ঠাইৰ দূৰত্ব নিৰ্দ্ধাৰণ কৰা হৈছিল। যাৰ প্ৰভাৱ প্ৰতিপত্তি যিমান বেছি আছিল, সি কাবা মন্দিৰৰ সিমান ওচৰত থকাৰ সুযোগ পাইছিল। কুৰেইছসকলে কাবাৰ চিদানা আৰু চিকায়া বিষয়ৰ দায়িত্ব উপভোগ কৰিছিল। আৰু সেইবাবে কাবা মন্দিৰৰ লগত ঘনিষ্ঠতম সম্পৰ্ক ৰক্ষা কৰি চলাৰ সুবিধা পাইছিল। আৰু সেই কাৰণে কাবা মন্দিৰৰ অতি ওচৰৰ ঠাইত বসবাস কৰাৰ অধিকাৰ আৰু সুযোগ পাইছিল। আৰু এনে অধিকাৰৰ ফলতে কুৰেইছসকলে যুদ্ধ, শান্তি, বা অন্য প্ৰকাৰৰ যি কোনো চুক্তি আদি কৰিলে মক্কাবাসীৰ হৈ কুৰেইছসকলেই সম্পাদন কৰাৰ অধিকাৰ পাইছিল। এনে চুক্তি আদিৰ সাক্ষী ৰখা হৈছিল কাবা মন্দিৰৰ ভিতৰত ৰখা দেৱ-দেৱীবোৰৰ মূৰ্ত্তিবোৰক। আৰবৰ তিনিশৰো অধিক দেৱ-দেৱীৰ মূৰ্ত্তি কাবা মন্দিৰত ৰখা হৈছিল। সকলো চুক্তিপত্ৰ কাবাৰ ভিতৰত মূৰ্ত্তিবোৰৰ ওচৰত জমা ৰখা হৈছিল। সিবিলাকেই আছিল ৰক্ষক আৰু সাক্ষী।

কুৰেইছসকলৰপৰা কিছু আঁতৰত আছিল তেওঁলোকতকৈ কম প্ৰভাৱশালী মক্কাবাসীবিলাকৰ বাসস্থান। তাতোকৈ আঁতৰত আছিল দাস, ক্ৰীতদাস আৰু তেনে সাধাৰণ মানুহবোৰৰ থকা ঠাই। এইবিলাকৰ শাৰীতে পৰিছিল আৰবৰ ইহুদী আৰু খ্ৰীষ্টানবিলাক। সম্ভ্ৰান্ত আৰু অভিজাত কুৰেইছ আদি উচ্চ গোষ্ঠীবোৰৰপৰা বহু নিলগত থাকিবলগীয়া হোৱাৰ কাৰণে ইহুদী আৰু খ্ৰীষ্টানসকলৰ ধৰ্ম্মীয় আলাপ আলোচনাৰ কথা তেওঁলোকৰ কাণত নপৰিছিল। গতিকে অন্যান্য ধৰ্ম্ম সম্পৰ্কীয় কথাৰ ভাগ কুৰেইছ আদিয়ে সাধাৰণতে নেপাইছিল। কোনোবা দূৰণীয়া সেইবোৰ ধৰ্ম্মীয়লোকৰ পৰাহে শুনি জানিবলৈ পাইছিল। বাইবেলত উল্লেখিত হজৰত ঈছাৰ পিছত আৱিৰ্ভাৱ হ'বলগীয়া এজন পয়গম্বৰ বা ৰছুলৰ বিষয়ে খ্ৰীষ্টান পাত্ৰী আদিয়ে উত্থাপন কৰা কথা-বতৰাই মক্কাৰ অভিজাতসকলৰ কাণ নুচুইছিলহি। এনে ভৱিষ্যদ্বাণী তেওঁলোকে বিশ্বাসো নকৰিছিল। কাবাত থকা দেৱ-দেৱীৰ মূৰ্তিবোৰেই তেওঁলোকৰ কাৰণে যথেষ্ট আছিল।

কিলাবে ছা'দ ইব্নে ছাইলৰ জীয়েক ফাতিমাক বিয়া কৰাইছিল। তেওঁলোকৰ দুটা পুত্ৰ সন্তানৰ জন্ম হৈছিল— জুহৰা আৰু কুছাই। ইয়াৰ অলপ দিনৰ পিছতে কিলাবৰ মৃত্যু হোৱাত ফাতিমাই ৰাবিয় ইব্নে হাৰামক বিয়া কৰালে। নিজৰ স্বামীৰ লগত ফাতিমা ছামদেশ পালেগৈ। কুছাইয়ে ৰাবিয়াকে নিজৰ পিতৃ বুলি মানি লৈছিল। ৰাবিয়াৰ অন্য সন্তানে কুছাইক অপমান কৰাত কুছাইয়ে ছামদেশ এৰি মক্কালৈ গুচি আহিল। অলপ দিনৰ ভিতৰত সাহসী আৰু আত্ম-মৰ্য্যাদাবোধ সম্পন্ন এজন যুৱক হিচাপে কুছাইয়ে জনপ্ৰিয়তা আৰ্জ্জন কৰিলে।

সেই সময়ত কাবা মন্দিৰৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব হুলাইল নামে এজন সৎ আৰু জ্ঞানী মানুহৰ তত্ত্বাৱধনাত আছিল। এই হুলাইলৰ জীয়েক হুব্বাকে কুছাইয়ে বিয়া কৰালে। মাক ঢুকোৱাৰ পিছত কাবা মন্দিৰৰ ছাবিৰ দায়িত্ব হুব্বাৰ হাতত পৰিল। ইতিমধ্যে ব্যৱসায়ত বৰ উন্নতি কৰি কুছাই কুৰেইছ ফৈদৰ আস্থাভাজন হৈ পৰিছিল। সেই দেখি অৱশেষত কুছাইকে কাবাৰ ৰক্ষণাবেক্ষণ আৰু পৰিচালনাৰ দায়িত্ব দিয়া হ'ল। পিছলৈ অন্য প্ৰতিদ্বন্দ্বী ফৈদ আঁতৰি যোৱাৰ ফলত কুছাইয়েই কুৰেইছসকলৰ নেতা আৰু কাবা মন্দিৰৰ সৰ্ব্বেসৰ্ব্বা হৈ পৰিল।

কুছাই মক্কাৰ প্ৰশাসক হোৱাৰ পিছত তেওঁ কাবা মন্দিৰৰ ওচৰত

কুৰেইছবিলাকক ঘৰ-বাৰী সাজিবলৈ নির্দেশ দিলে। আৰু কুৰেইছ ফৈদৰ সমস্যাবোৰৰ মুকলি আলোচনা কৰি সিদ্ধান্ত লোৱাৰ মঞ্চ হিচাপে 'নাদ্‌ৱা' অনুষ্ঠানৰ প্রতিষ্ঠা আৰু প্রবর্তন কৰে। কুছাইৰ আমোলতে তেওঁৰে নির্দেশক্রমে কাবা মন্দিৰৰ কাষত আনুষ্ঠানিক প্রদক্ষিণৰ কাৰণে কিছু ঠাই ৰাখি কুৰেইছ ফৈদৰ লোকসকলে নিজৰ ঘৰ-বাৰী সাজি লৈছিল বুলি কথিত আছে।

কুছাইৰ পিছত তেওঁৰ ডাঙৰ পুতেক আব্দুদ্দাৰ কাবা মন্দিৰৰ পৰিচালকৰূপে প্রতিষ্ঠিত হ'ল। আৰু চিকায়া, ৰিফাদা আৰু লীৱা আদি বিভাগ:শাৰৰ পৰিচালনাৰ দায়িত্বও অব্দুদ্দাৰে পালে। প্রধানতঃ এক বিশেষ সময়ত কাবা মন্দিৰত তীর্থ কৰিবলৈ সমবেত হোৱা তীর্থযাত্রীসকলৰ থকা খোৱাৰ ব্যৱস্থা এই অনুষ্ঠানবোৰৰ যোগেদিয়ে কৰা হৈছিল, আৰু অতিথিসকলৰ খোৱা পিয়াৰ ব্যৱস্থা, কুৰেইছসকলেই কৰিবলগীয়া হৈছিল।

আব্দুদ্দাৰৰ পিছত তেওঁৰ পুতেকহঁতৰ ওপৰত এই দায়িত্ব পৰিছিল। কিন্তু দক্ষতাৰ অভাৱত তেওঁলোকে নিয়াৰিকৈ এই কাম কৰিব নোৱাৰাৰ কাৰণে কুছাইৰ ভায়েক আব্দমানাকৰ ওপৰত এই দায়িত্ব দিয়া হয়। ইয়াৰ ফলত কুছাইৰ পুতেকহঁত আৰু ভতিজাকহঁতৰ মাজত বিবাদ বিৰোধৰ উৎপত্তি হয়। দুয়ো পক্ষৰ মাজত বুজাবুজি কৰি প্রশাসনীয় দায়িত্ব ভাগ কৰি দিয়া হয়। চিকায়া আৰু ৰিফাদাৰ দায়িত্ব আব্দমানাকৰ পুতেকহঁতক অর্পণ কৰা হয়, আৰু হিজাবা, লীৱা আৰু নাদ্‌ৱাৰ দায়িত্ব আব্দুদ্দাৰৰ হাতত থাকে।

আব্দমানাকৰ ডাঙৰ পুতেক হাছিম প্রভাৱশালী ব্যক্তি আছিল। হাছিমেই চিকায়া আৰু ৰিফাদাৰ দায়িত্ব ল'লে। তীর্থযাত্রীসকলৰ কাৰণে কৰিবলগীয়া সকলো কাম কৰাৰ দায়িত্ব হাছিমে কুৰেইছ ফৈদৰ ওপৰত দিলে। হাছিমে মক্কাবাসীৰ কাৰণে ভালেমান কাম কৰিছিল। বৰ বেছি খৰাংবতৰ হোৱাৰ কাৰণে এবাৰ খেতি নহৈছিল। সকলোৰে কাৰণে খাদ্যৰ যোগান ধৰি হাছিমে মানুহখিনিক দুর্ভিক্ষৰ কবলৰ পৰা ৰক্ষা কৰিছিল। শীত কালত য়েমেনলৈ আৰু গ্রীষ্ম ঋতুত ছামলৈ কাৰাভান যাত্রাৰ ব্যৱস্থা নিয়মীয়া কৰি দিছিল হাছিমেই। তেওঁৰ প্রশাসনৰ ফলত আৰবৰ ভিতৰত মক্কা এখন সমৃদ্ধ আৰু ঐশ্বর্য্যশালী চহৰ হৈ পৰিছিল। মক্কাই আৰবৰ ৰাজধানী চহৰ হিচাপে স্বীকৃতি লাভ কৰিলে। হাছিমে নিজে বাইজেণ্টিয়াম আৰু গাচ্ছানলৈ গৈ মিত্রতাৰ সন্ধি-চুক্তি কৰিলে। কুৰেইছ ফৈদৰ মানুহে অবাধে আৰু নির্ভয়ে আলছাম অঞ্চলত ঘূৰা-ফিৰা কৰাৰ অধিকাৰ সাব্যস্ত কৰি বাইজেণ্টিয়ামৰ লগত বুজাবুজি কৰিলে। তেওঁ

ব্যৱসায়-বাণিজ্যত নিপুণ আৰু সফল কাৰবাৰী হৈ পৰিল। সকলো দিশৰ পৰা মক্কালৈ বেপাৰীবোৰ আহিব ধৰিলে। কেউপিনে হাট-বজাৰ গঢ়ি উঠিল। এনেকৈ মক্কাবাসীসকল নিপুণ ব্যৱসায়ী জনসমষ্টি হিচাপে সুপ্রতিষ্ঠিত হৈ পৰিছিল।

জীয়াই থকা কালছোৱাত হাছিম মক্কাৰ অপ্রতিদ্বন্দ্বী অধিনায়ক হৈ থাকিল। তেওঁৰ মৃত্যুৰ পিছত আল্ মুত্তালিব তেওঁৰ ঠাইত অধিষ্ঠিত হ'ল। তেওঁ বৰ দানী আৰু নম্র আছিল। তেওঁৰ আমোলত মক্কাৰ অৱস্থাৰ আৰু উন্নতি হ'ল।

ইতিমধ্যে য়াছৰিবত থকা তেওঁৰ ভতিজাক ছলমাৰ পুতেক ছইবাক তেওঁ লৈ আহিলগৈ। য়াছৰিবৰ পৰা মক্কালৈ আহি থাকোতে আল্ মুত্তালিবে ভতিজাক ছইবাক তেওঁৰ আগে আগে আহিবলৈ দিছিল। ইয়াকে দেখি কুৰেইছসকলে ছইবাক আল্ মুত্তালিবৰ চাকৰ বা দাস (আবদুল মুত্তালিব) বুলি ভাবিছিল। তেতিয়া আল্ মুত্তালিবে ছইবাৰ চিনাকি দি ক'লে যে তেওঁ তেওঁৰ চাকৰ নহয়, ভতিজা পুতেকহে। এই কথাষাৰ বিশ্বাস কৰিলে যদিও ছইবাক সকলোৱে আব্দুল মুত্তালিব বুলিহে মাতিবলৈ ধৰিলে। এইয়া ৪৯৫ খ্রীষ্টাব্দৰ কথা।

হাছিমে যি সম্পত্তি এৰি থৈ গৈছিল, সেইখিনি আল্ মুত্তালিবে আব্দুল মুত্তালিবক দিব খোজাত সম্পত্তিখিনি নওফলে (ভতিজাক) দিবলৈ অমান্তি হ'ল। আব্দুল মুত্তালিবৰ সপক্ষে যুঁজ কৰিবলৈ য়াছৰিবৰ পৰা ৮০ জন অশ্বাৰোহী আহি পালেহি। পিছে নওফলে যুদ্ধ নকৰি সম্পত্তিখিনি আব্দুল মুত্তালিবক দি দিলে আৰু তেওঁক হাছিমে খাই থকা কাবাৰ ছিকায়া আৰু ৰিফাদাৰ স্বত্ব দি দিলে। ইতিমধ্যে আল্ মুত্তালিবৰ মৃত্যু হৈছিল। আব্দুল মুত্তালিবে বহু কষ্টে তেওঁৰ নতুন দায়িত্ব পালন কৰি যাবলগীয়া হ'ল। জম্‌জমৰ পানীৰ কুঁৱাটো নষ্ট কৰি পেলোৱা হোৱাৰ কাৰণে মক্কাৰ ওচৰৰ অন্যান্য কুঁৱাৰপৰা অনাই পানীৰ যোগান ধৰিবলগীয়া হোৱাত বহুত অসুবিধা হৈছিল। তেওঁৰ মাত্র এজন পুতেকহে আছিল, তেওঁৰ নাম আছিল আল্ হাৰিছ। সেই দেখি সকলো কাম আব্দুল মুত্তালিবেই সম্পাদন কৰিবলগীয়া হৈছিল। এইটো কষ্টকৰ কাম আছিল। জুৰ্হুম ফৈদৰ মুদাদে জম্‌জমৰ কুঁৱাটো চিনিব নোৱৰাকৈ পোতাই পেলাইছিল। আব্দুল মুত্তালিবে সেইটো খনোঁৱালে আৰু তাৰ তলত পুতি থোৱা সোণৰ হৰিণা দুটা আৰু তাৰ তৰোৱালকেখন খনাই উলিয়ালে। কিছু

বাদ-বিসম্বাদৰ পিছত তেওঁ হৰিণা দুটা কাবা মন্দিৰৰ ভিতৰত থোৱালে আৰু তৰোৱালকেইখনেৰে কাবাৰ দুৱাৰ তৈয়াৰ কৰালে। জমজমৰ কুঁৱাৰ পানী উদ্ধাৰ হোৱাত সমস্যাৰ জটিলতা বহুত কম হ'ল।

পিছত আব্দুল মুত্তালিবৰ দহজন পুত্ৰ সন্তানৰ জন্ম হৈছিল। এই সম্পৰ্কত এটা কাহিনী আছে।

দহজন পুত্ৰ সন্তান লাভ কৰিলে তাৰে এজনক দেৱতাৰ ওচৰত বলি দিব বা উছৰ্গা কৰিব বুলি আব্দুল মুত্তালিবে অঙ্গীকাৰ কৰি থৈছিল। পিছত নিজৰ অঙ্গীকাৰ ৰক্ষা কৰি হুবলৰ ওচৰত কাঁড়ৰ মঙ্গল চোৱাই আটাইতকৈ সৰু পুতেক আবদুল্লাকে উছৰ্গা কৰিবলৈ ল'বলগীয়া হ'ল। এই বিষয়ত আব্দুল মুত্তালিব প্ৰতিশ্ৰুতিবদ্ধ আছিল। কিন্তু কুৰেইছসকলে তেওঁক আব্দুল্লাক বলি দিবলৈ নিদিলে। তাৰ পৰিবৰ্ত্তে বংশৰ মানুহে নিজৰ নিজৰ সম্পত্তি দি ক্ষতিপূৰণ কৰিলে। আব্দুল্লাৰ জীৱন এনেকৈয়ে ৰক্ষা পৰিল। সেই সময়ৰ অন্ধ সংস্কাৰৰ বশবৰ্ত্তী কুৰেইছসকলে তিনিবাৰ কাঁড়েৰে মঙ্গল চোৱাই অৱশেষত আব্দুল্লাৰ বিপৰীতে এশটা উট বলি দিয়াই হুবল দেৱতাক সন্তুষ্ট কৰিলে, আৰু আব্দুল্লাৰ জীৱন ৰক্ষা কৰিলে।

৫৫৪ খ্ৰীষ্টাব্দত জন্ম হৈছিল আব্দুল মুত্তালিবৰ কণিষ্ঠপুত্ৰ আব্দুল্লাৰ। তেওঁ বৰ সুদৰ্শন আৰু স্বাস্থ্যবান আছিল। আব্দুল মুত্তালিবৰ ছজন পুতেক আছিল— হামজা, আল্ আব্বাছ, আব্দুল্লাহ, আবু লহব, আবু তালিব আৰু আল্ হাৰিছ। ইয়াৰ ভিতৰত তেতিয়াৰ কাবা মন্দিৰত থকা দেৱতাৰ আগত বলি হ'বলগীয়া আব্দুল্লায়েই দুনিয়াৰ শেষ পয়গম্বৰ হজৰত মোহম্মদৰ (দঃ) জন্মদাতা পিতৃ হোৱাৰ দুৰ্লভ সৌভাগ্য লাভ কৰিছিল।

আব্ৰাহাই কাবা মন্দিৰ ধ্বংস কৰিবৰ কাৰণে মক্কালৈ অভিযান চলোৱাৰ সময়ত (৫৭০ খ্রীষ্টাব্দত) আব্দুল্লা মুত্তালিবৰ বয়স আছিল ৭০ বছৰ। তেওঁৰ পুতেক আব্দুলাৰ বয়স তেতিয়া ২৪ বছৰ আছিল। সেইয়া আব্দুল্লাহৰ বিয়াৰ উপযুক্ত বয়স আছিল।

জুহ্ৰা ফৈদৰ জ্যেষ্ঠ পুৰুষ ৱহাব বিন্ আব্দ-মান্নাকৰ জীয়েক আমিনা বিবাহযোগ্য কন্যা আছিল। তেওঁকেই আব্দুল্লাহৰ লগত বিয়াৰ কাৰণে ধৰা হ'ল। যথা সময়ত যথা ৰীতি আব্দুল্লাহৰ লগত আমিনাৰ বিয়া হৈ গ'ল। বিয়াৰ পিছৰ প্ৰথম তিনি দিন আব্দুল্লাহে আমিনাৰ পৰিয়ালৰ লোকসকলৰ লগতে কটালে। তাৰ পিছত আমিনাক লৈ আব্দুল্লাহৰ ঘৰলৈ গুচি আহিল।

কিছুদিনৰ পিছতে ব্যৱসায়ৰ সম্পৰ্কত আব্দুল্লাহৰ ছাম দেশলৈ যাবলগীয়া হ'ল। কেইবামাহো আব্দুল্লাহ গাজাত থাকিল। তাৰ পৰা আহি তেওঁ মদিনাত ভালেমান দিন জিৰণি ল'লে। তাত তেওঁৰ মোমায়েকৰ পৰিয়ালৰ সম্বন্ধীয়া মানুহৰ লগতে থাকিছিলহি। তাৰ পিছত মক্কা অভিমুখে আহিবলৈ ওলোৱা এটা কাৰাভানৰ দলৰ লগত তেওঁ ঘৰলৈ উভতিবলৈ লৈছিল। তাতে তেওঁ অসুস্থ হৈ পৰিল। আৰু তেওঁ ঘৰলৈ ঘূৰিব নোৱাৰিলে। মদিনাতেই প্ৰায় এমাহ অসুস্থ হৈ থকাৰ পিছত আব্দুল্লাহৰ মৃত্যু হ'ল। এই বাতৰি পাই পিতৃ আব্দুল মুত্তালিব আৰু পত্নী আমিনাই মৰ্ম্মান্তিক বেজাৰ পালে। আব্দুল্লাহৰ শ মদিনাতে দফন কৰা হ'ল। মৃত্যুৰ সময়ত আব্দুল্লাহৰ সম্পত্তি বুলি পাঁচোটা উট, এজাক ভেড়া ছাগলী, আৰু উম্মে আইমন নামে এজনী ঘৰৰ কাম কৰা ছোৱালীৰ বাদে অন্য বিশেষ একো নাছিল।

আব্দুল্লাহ বেপাৰলৈ ছামলৈ যোৱাৰ সময়ত আমিনা অন্ত:সত্ত্বা আছিল। যথা সময়ত আমিনাৰ এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। কেঁচুৱাৰ জন্মৰ সময়ত আব্দুল্লাহ কাবাত আছিল। এটি নাতিনী জন্মৰ শুভ সম্বাদ পাই তেওঁ খৰখেদাকৈ ঘৰলৈ আহিল। কেঁচুৱাটিক দেখি বৰ আনন্দ পালে আৰু প্ৰথা অনুযায়ী

ন্যাতিনীয়েকক কোলাত লৈ কাবালৈ গ'ল। আৰু তাতে সন্তানটিৰ নাম ৰাখিলে 'মোহম্মদ'। আৰবসকলৰ মাজত এনে নাম বৰ আচহুৱা নাছিল, কিন্তু এনে নামৰ মানুহ নথকাও নহয়। তাৰ পিছত কেঁচুৱাটি কোলাত লৈ তেওঁ কাবাৰ পৰা ঘৰলৈ ঘূৰি আহিল। আৰু সম্ভ্রান্ত আৰবসকলৰ মাজত প্রচলিত প্রথা অনুসৰি কেঁচুৱাটিক নিজৰ গাখীৰ খুৱাবৰ কাৰণে এজনী ধাই বিচাৰিলে।

মতভেদ থাকিলেও আব্ৰাহাই মক্কা অভিযান কৰাৰ বছৰতে ৫৭০ খ্রীষ্টাব্দত হজৰত মোহম্মদৰ জন্ম হৈছিল, আৰু তেওঁৰ জন্মৰ মাহটো ৰবিউল আওৱল আছিল বুলি প্রায় নিশ্চিত ভাবেই জনা যায়। এই মাহ আৰবী চান্দ্র বৰ্ষৰ তৃতীয় মাহ। ৰবিউল আওৱল মাহৰ কোন তাৰিখে মোহম্মদৰ জন্ম হৈছিল সেই সম্পর্কেও মতভেদ আছে যদিও, বাৰ তাৰিখ বুলিয়েই অধিক সংখ্যক লোকৰ বিশ্বাস। আৰব বিশেষজ্ঞ কাচিন ডি পাৰ্চিভেলৰ মতে ৫৭০ খৃষ্টাব্দৰ আগষ্ট মাহত ককাক আব্দুল মুত্তালিবৰ ঘৰতে মোহম্মদৰ জন্ম হৈছিল।

আৰবৰ আধ্যৱন্ত আৰু সম্ভ্রান্ত পৰিয়ালৰ তিৰোতাসকলে নিজৰ সন্তানৰ জন্ম হ'লে নিজৰ বুকুৰ গাখীৰ নুখুৱাই সাধাৰণতে স্বাস্থ্যৱতী বেদুইন তিৰোতাক— যি কেঁচুৱাক স্তন্যদান কৰিব পৰা অৱস্থাত থাকে— নিজৰ সন্তানক বুকুৰ গাখীৰ খুৱাই ডাঙৰ দীঘল কৰিবলৈ দিয়াৰ প্রথা বহু প্রাচীন। এটা সন্তানৰ জন্ম হোৱাৰ পিছত কিছুদিন মাকে নিজৰ গাখীৰ খুৱাই নিজৰ লগত ৰাখে। তাৰ পিছত ধাইৰ হাতত দিয়ে। এনেকৈ কেঁচুৱা ধাইৰ ওচৰতে সাত-আঠ বছৰ পৰ্য্যন্ত থাকে। তাৰ পিছতহে মাক-বাপেকে সন্তানক নিজৰ ঘৰলৈ লৈ আহে। বনু চাদ ফৈদৰ তিৰোতাবিলাকৰ এনে ধাই হিচাপে এটা খ্যাতি আছিল। মোহম্মদৰ দদায়েক আবু লহবৰ ঘৰত চুৱেইবা নামেৰে এজনী দাসী আছিল। আমিনাই প্রথমতে মোহম্মদক চুৱেইবাৰ দায়িত্বতে এৰি দিয়ে। কিন্তু মোহম্মদৰ চুৱেইবাৰ ওচৰত বেছি দিন থকা নহ'ল। ইতিমধ্যে বনু চাদ ফৈদৰ সন্তানক নিজৰ গাখীৰ খুৱাই তুলিব পৰা কিছুমান তিৰোতা মক্কালৈ আহিছিল কেঁচুৱাৰ সন্ধানত, জন্মৰ পূৰ্বেই বাপেকৰ মৃত্যু হোৱা মাউৰা কেঁচুৱা এটাক নিজৰ গাখীৰ খুৱাই তুলি তালি ডাঙৰ কৰিলে বিশেষ লাভ নহ'ব বুলি ভাবি এওঁলোকে মোহম্মদক নিয়াৰ বৰ আগ্রহ প্রকাশ নকৰিলে। প্রথমে মোহম্মদক নিওঁতা কোনো নোলাল।

আবু জুবেইৰৰ জীয়েক হালিমা আহ ছদীয়ায়ো প্ৰথমতে মোহম্মদক নিয়াৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল। কিন্তু অন্য কাৰো কেঁচুৱা নেপাই হালিমায়েই মোহম্মদৰ দায়িত্ব ল'বলৈ আগবাঢ়িল। হালিমা বৰ শকত-আবত আৰু দেখাত সুন্দৰী তিৰোতা নাছিল। মক্কাৰ মহিলাসকলে সেইদেখি নিজৰ সন্তানক হালিমাৰ হাতত দিবলৈ নিবিচাৰিলে। হালিমাৰো কাৰোবাৰ কেঁচুৱা এটা নোপোৱাকৈ শুদা হাতে নিজৰ ঠাইলৈ ঘূৰি যাবলৈ বেয়া লাগিল। তেতিয়া নিজৰ স্বামী হাৰিছক কৈ মাউৰা মোহম্মদকে নিজৰ দায়িত্বত ল'বৰ কাৰণে আকৌ আমিনাৰ ওচৰলৈ গ'ল।

হালিমাই কেঁচুৱা মোহম্মদৰ দায়িত্ব ল'লে আৰু মাক আমিনাৰ কোলাৰ মোহম্মদক নিজৰ কোলালৈ লৈ মৰুভূমিৰ নিজৰ বাসস্থানলৈ নিজৰ স্বামীৰ লগত ঘূৰি গ'ল।

হালিমাৰ নিজৰ জীয়েক আছিল— ছাইমা। ছাইমাৰ লগত উমলি-জামলি, হালিমাৰ কোলাত উঠি মোহম্মদ দুবছৰ তাতেই থাকিল। মৰুভূমিৰ নিৰ্ম্মল বায়ু আৰু কঠিন জীৱন ধাৰাৰ সেই পৰিবেশৰ মাজত মোহম্মদৰ শৈশৱে এটা সুস্থ আৰু দৃঢ় গঢ় ল'লে। দুবছৰ পূৰ হোৱাত হালিমাই মোহম্মদক মাক আমিনাক ঘূৰাই দিবলৈ লৈ গ'ল, কাৰণ তেতিয়া আৰু মোহম্মদ মাকৰ গাখীৰ খোৱা কেঁচুৱা হৈ থকা নাছিল। কিন্তু মক্কা নগৰত সেই সময়ত এটা শিশুক স্বাস্থ্যবান কৰি গঢ়ি তোলাৰ পৰিবেশ নাছিল। মোহম্মদ যাতে এটা সুস্থ আৰু সু-স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰে তাৰ কাৰণে মোহম্মদক আকৌ হালিমাক লৈ যাবলৈ দিলে। কোনো কোনোৱে আমিনাক এবাৰ দেখুৱাই হালিমায়েই মোহম্মদক মৰমতে আৰু কিছুদিনৰ কাৰণে নিজৰ লগত ৰাখিবৰ কাৰণে খুজি নিয়ে বুলিও কয়।

মোহম্মদ আৰু দুটা বছৰ হালিমাৰ লগতে থাকিল। মৰুভূমিৰ স্বাস্থ্যকৰ হাৱাপানীৰ মাজত আৰু ধাইমাক হালিমাৰ মৰম-চেনেহৰ মাজত, মুকলি আকাশৰ তলত মাকৰ পৰা দূৰত মোহম্মদ এটি লোডোৰ-পোডোৰ মৰম লগা স্বাস্থ্যবান শিশু হৈ, খেলি মেলি বাঢ়ি উঠিল। মৰুভূমিৰ মুক্ত বাতাবৰণৰ মাজত কটোৱা শৈশৱে শিশু মোহম্মদৰ ওপৰত স্বাধীনতা স্বতন্ত্ৰতা আৰু মুক্তিৰ স্বাদ প্ৰাকৃতিক পৰিবেশৰ পৰাই লাভ কৰাৰ সুযোগ দিলে। বনু চাদ ফৈদৰ

লোকসকলৰ পৰাই তেওঁ আৰবী ভাষা শুদ্ধকৈ কোৱাৰ সুযোগ লাভ কৰিলে। এনেদৰে গঢ়ি উঠাৰ কাৰণে মোহম্মদে ক'ব পাৰিছিল, "তোমালোকৰ ভিতৰত মময়েই আটাইতকৈ বেছি আৰব (বা আৰবী) কাৰণ মোৰ জন্ম কুৰেইছ বংশত আৰু মই ডাঙৰ হৈছো বনু চাদ বংশৰ লোকসকলৰ মাজত।"

হালিমাৰ মৰম-চেনেহ আৰু তত্ত্বাৱধানৰ মাজত কটোৱা এই শৈশৱৰ সময়খিনিৰ প্ৰভাৱ মোহম্মদৰ জীৱনৰ ওপৰত চিৰদিনৰ কাৰণে ৰৈ গ'ল। ধাইমাক হ'লেও হালিমাৰ মৰমৰ কথা তেওঁ কাহানিও পাহৰি যোৱা নাছিল। এবাৰ হালিমাহঁতৰ থকা ঠাইত বৰ খৰাং বতৰ হৈছিল আৰু পানীৰ বৰ আকাল হৈছিল। তেতিয়া মোহম্মদৰ বিয়া বিবি খাদিজাৰ লগত হৈ গৈছিল। পানী বিচাৰি হালিমা আহি মোহম্মদৰ ওচৰত ওলাইছিল। মোহম্মদে পানী যোজাই কৰি উট এটা দিয়াৰ উপৰিও হালিমাক ৪০-টা গৰুও দি পঠিয়াইছিল। অন্য সময়তো যেতিয়াই হালিমা মোহম্মদৰ ওচৰলৈ আহে মোহম্মদে তেওঁক বহিবৰ কাৰণে নিজৰ কাপোৰ পাৰি দিছিল আৰু বৰ আদৰ সাদৰ কৰিছিল। ইছলাম প্ৰচাৰ হোৱাৰ পিছত মুছলমানসকলৰ তায়েফত যি যুদ্ধ হৈছিল সেই যুদ্ধত আনৰ লগতে হালিমাৰ জীয়েক চাইমাকো মুছলমান পক্ষই বন্দী কৰিছিল। যুদ্ধ-বন্দীবিলাকৰ মাজত চাইমাক দেখি চিনি পালে আৰু সসন্মানে চাইমাক নিজ ঘৰলৈ ঘূৰাই পঠিয়ালে।

মক্কালৈ অহাৰ পিছত মাক আমিনাৰ লগতে ককাক আব্দুল মুত্তালিবে মোহম্মদক অতিশয় মৰম কৰিছিল। তেওঁ তেতিয়া কুৰেইছ ফৈদৰ নেতা আৰু মক্কাৰ অধিপতি আছিল। তেওঁ যেতিয়া কাবা মন্দিৰৰ ছাঁত আসন পাৰি বহে, তেতিয়া নিজৰ পুতেকহঁতক আসনত বহুৱাই মোহম্মদক নিজৰ লগতে মৰমেৰে বহুৱাই লৈছিল। এনেদৰেই মোহম্মদ ক্ৰমে ডাঙৰ দীঘল হৈছিল। আমিনাৰ সম্বন্ধীয় মানুহ মদিনাত আছিল। তেওঁলোকৰ লগত চিনাকি কৰি দিবৰ কাৰণে আমিনাই মোহম্মদক মদিনালৈ লৈ গৈছিল। সেইবাৰ যাওঁতে আমিনাই আব্দুল্লাৰ দিনৰ দাসী উম্মে আইমনকো লগতে লৈ গৈছিল। মদিনাৰ বনু আন্ নাজ্জাৰ বংশৰ লোকসকলৰ যিটো ঘৰত আব্দুল্লাহৰ মৃত্যু হৈছিল আৰু য'ত তেওঁৰ কবৰ দিয়া হৈছিল সেই ঠাইবোৰো আমিনাই মোহম্মদক দেখুৱাইছিল। মোহম্মদক লৈ আমিনা মদিনাত এমাহ থাকিল। এই সময়খিনিৰ ভিতৰতে

মোহম্মদৰ মদিনাৰ প্ৰতি এটা প্ৰীতিৰ ভাব জন্মিছিল। মদিনাই হ'ল তেওঁৰ সম্পৰ্কীয় লোকসকলৰ আবাসভূমি আৰু তেওঁৰ বাবাকৰ কবৰস্থান— যাক মোহম্মদে দেখিবলৈ নেপালে। যি দুটা উটত উঠি মোহম্মদক লৈ আমিনা মদিনালৈ আহিছিল, সেই দুটা উটেৰেই তেওঁ মক্কালৈ উভতিছিল। বাটতে আব্ৱা নামে এখন গাঁও পাওঁতে আমিনা অসুস্থ হৈ পৰিল আৰু তাতেই তেওঁৰ কবৰ দিয়া হ'ল।

মোহম্মদ সম্পূৰ্ণ অনাথ হ'ল। লগত যোৱা উম্মে আইমনে অনাথ মোহম্মদক মক্কালৈ লৈ আহিল। পিতৃ-মাতৃহীন শিশু মোহম্মদ আত্মীয়ৰ বিয়োগৰ শোক বুকুত বান্ধি জীৱনৰ যাত্ৰা আৰম্ভ কৰিবৰ কাৰণে সাজু হ'ল— সঙ্গী হ'ল অন্তৰ্দাহী শোক আৰু নি:সঙ্গতা।

ঘাট-মাউৰা শিশু মোহম্মদক নিজৰ সকলো মৰম-চেনেহেৰে আগুৰি ৰাখিবৰ চেষ্টা কৰিলে ককাক আব্দুল মুত্তালিবে। কিন্তু জন্মৰে পৰা যি বেদনাৰ লগত চিনাকি হৈয়ে জীৱনৰ পাতনি মেলিছিল। সেই মোহম্মদৰ আঠ বছৰ বয়স হওঁতেই আশী বছৰীয়া ককাক আব্দুল মুত্তালিবৰো মৃত্যু হ'ল। মাকৰ মৃত্যুৰ পিছতেই আশ্ৰয়ৰ স্থল ককাকৰো মৃত্যুৱে মোহম্মদক সম্পূৰ্ণ অনাথ আৰু অকলশৰীয়া কৰিলে, জীৱন যাত্ৰাৰ পাতনি মেলোতেই শিশু মোহম্মদৰ চিনাকি হ'বলগীয়া হ'ল আত্মীয়সকলৰ মৃত্যুৰ সতে।

এইবাৰ মোহম্মদক আশ্ৰয় দি কান্ধ চপাই ল'লে দদায়েক আবু তালিবে। আব্দুল মুত্তালিবৰ মৃত্যুৱে বনু হাছিম বংশটোৰ ডাঙৰ ক্ষতি কৰিলে, কিয়নো তেওঁৰ কোনোজন সন্তানেই তেওঁৰ নিচিনাকৈ সকলো আৰববাসীৰ মাজত প্ৰভাৱ প্ৰতিপত্তি, জ্ঞান বুদ্ধি আৰু উদাৰতা আৰু মহানতাৰে নিজক প্ৰতিষ্ঠা কৰিব পৰা নাছিল। আব্দুল মুত্তালিবে কাবালৈ তীৰ্থ কৰিবলৈ অহা সকলো তীৰ্থযাত্ৰীকে খুৱাই-বুৱাই সেৱা শুশ্ৰূষা কৰিছিল আৰু অভাৱগ্ৰস্তসকলক সকলো প্ৰকাৰে সহায় কৰিছিল। তেওঁৰ পুতেকহঁতে এই স্থিতি ৰক্ষা কৰিব পৰা নাছিল। ইয়াৰ ফল স্বৰূপে মক্কাৰ প্ৰশাসনৰ দায়িত্ব আৰু আৰববাসীৰ নেতৃত্বৰ ভাৰ ল'বৰ কাৰণে বনু হাছিমৰ ঠাইত বনু উমাইয়া বংশৰ লোক আগবাঢ়ি আহিল।

আব্দুল মুত্তালিবৰ ডাঙৰ পুতেক আছিল আল্ হাৰিছ। কিন্তু তেওঁৰ অৱস্থা স্বচ্ছল নাছিল। আন এজন পুতেক আঁল্ আব্বাছ ধনী আছিল। কিন্তু

তেওঁ বৰ কিৰ্পিন আছিল। আবু তালিবৰ অৱস্থা ভাল নাছিল, কিন্তু তেওঁ বৰ উদাৰ আৰু সৎ স্বভাৱৰ আছিল। আৰু কুৰেইছসকলে তেওঁক শ্ৰদ্ধা কৰিছিল। অনাথ মোহম্মদৰ অভিভাৱকত্ব আৰু ভৰণ-পোষণৰ দায়িত্ব তেওঁৱেই ল'লে।

আবু তালিবে ভতিজাক মোহম্মদক বৰ মৰম কৰিছিল। আৰু কোনো প্ৰকাৰৰ বিপদ-বিঘিনিয়ে যাতে নেপায় তাৰ প্ৰতি চকু ৰাখিছিল। বাৰ বছৰ বয়স হোৱা সত্বেও তেওঁ মোহম্মদক নিজৰ লগত বেপাৰ কৰিবৰ কাৰণে অন্য ঠাইলৈ নিয়া নাছিল। মোহম্মদে নিজে যাবলৈ জোৰ কৰাৰ কাৰণেহে আবু তালিবে মোহম্মদক ছামলৈ লগত লৈ যাবলৈ মান্তি হৈছিল। মোহম্মদৰ জীৱনী লিখকসকলৰ কোনো কোনোৱে ছামৰ এই বাণিজ্য যাত্ৰাতে তেওঁ দক্ষিণ ছামৰ ৰছৰা চহৰত বহিৰা নামৰ এজন সন্ন্যাসীক লগ পাইছিল বুলি কয়। এই বহিৰায়ে খ্ৰীষ্টান ধৰ্ম্মপুথিত উল্লেখ থকা এৰাৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি মোহম্মদৰ গাত এজন ৰছুলৰ লক্ষণ থকা বুলি কয়, আৰু ইহুদীবিলাকে এই কথাৰ সম্ভেদ পালে মোহম্মদৰ ক্ষতি সাধন কৰিব পাৰে বুলি তেওঁক ছাম দেশৰ আৰু ভিতৰলৈ নিনিবলৈ আবু তালিবক পৰামৰ্শ দিয়ে।

জন্মৰে পৰা আৰবৰ মৰুখণ্ডতে সোমাই থকা মোহম্মদৰ চকুৰ আগত ছাম দেশৰ নতুন দৃশ্য আৰু অভিজ্ঞতাই, তাৰ আকাশ আৰু অৰণ্যই, তাৰ মানুহৰ কথা-বতৰা, আচৰণ-বিচৰণে এখন নতুন জগতৰ ৰূপ-ছবি দাঙি ধৰিলে। তায়েফৰ সেই নিৰস আৰু বিৱৰ্ণ গছ লতিকাৰ ঠাইত ছামৰ সজীৱ শ্যামল প্ৰকৃতিয়ে এই কিশোৰক মুগ্ধ কৰিলে। এই নতুন ঠাইতেই মোহম্মদে বাইজেণ্টাইন আৰু খ্ৰীষ্টানসকলৰ ইতিহাসৰ কিছু আভাস পালে। খ্ৰীষ্টানসকলৰ ধৰ্ম্মশাস্ত্ৰ বাইবেলৰ বিষয়ে আৰু অগ্নিপূজক পাৰ্চীবিলাকৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ বিষয়ে কিছু কথা জানিবলৈ সুবিধা পালে। নতুন কথা জানিবলৈ আৰু বুজিবলৈ মোহম্মদৰ বৰ আগ্ৰহ আছিল তেওঁৰ স্মৰণ শক্তি অতি প্ৰবল আছিল আৰু বুদ্ধিও প্ৰখৰ আছিল। সেই বয়সতে হোৱা তেওঁৰ জীৱনৰ নতুন অভিজ্ঞতাবোৰৰ স্বৰূপ আৰু যথাৰ্থতা বুজিবৰ কাৰণে তেওঁ নিৰলে চিন্তা কৰিছিল আৰু তেনে চিন্তাৰ মাজেদি সত্যৰ অন্বেষণ কৰিছিল।

হয়তো ছাম দেশৰ এই ব্যৱসায়ী অভিযানৰ পৰা আবু তালিবৰ ধৰ

বেছি লাভ হোৱা নাছিল, আৰু সেই ব্যৱসায়ৰ কাৰণে তেওঁ আৰু সেই দেশলৈ যোৱাৰ পৰিবৰ্ত্তে মক্কাতে থাকি নিজৰ সন্তানবিলাকক চোৱাচিতা কৰাতে ব্যস্ত হৈ থাকিছিল। মোহম্মদো তেওঁৰ লগতে বৈ গৈছিল। মাজে মাজে তেওঁ ওচৰৰে উকাজ মাজান্না, জু আল্ মাজাজ আদি ঠাইত বহা বজাৰবোৰলৈ তেওঁৰ সম্পৰ্কীয়সকলৰ লগত গৈ বেপাৰ কৰিছিল।

এইবোৰ ব্যৱসায়ৰ ঠাইত আৰবৰ কবিসকলে নিজৰ নিজৰ মুজাহ্ হবাত আৰু মু আল্লাকাত কবিতাৰ আবৃত্তি কৰিছিল। আৰু মোহম্মদে সেই কবিসকলৰ বাগ্মিতা আৰু কাব্যিক ৰসাস্বাদন কৰি মুগ্ধ হৈছিল। বংশ গৌৰৱৰ কথা, প্ৰেম-প্ৰণয়ৰ কথা, ৰণজয়ৰ উচ্ছ্বসিত বীৰত্বৰ কথা, বদান্যতাৰ কথা আৰু ত্যাগ আৰু উদাৰতাৰ কথা কবিতাত শুনি তেওঁ মুগ্ধ আৰু অনুপ্ৰাণিত হৈছিল। পৰৱৰ্ত্তীকালত এইবোৰ কবিতাৰ মাজেদি প্ৰকাশ পোৱা কিছুমান কথাক তেওঁ অনুমোদন জনাই স্বীকৃতি দিছিল আৰু কিছুমান কথাক প্ৰত্যাখ্যান কৰিছিল।

সেইবোৰ ঠাইতে তেওঁ আৰবৰ ইহুদী আৰু খ্ৰীষ্টানসকলে নিজ নিজ দেশবাসী জড়বাদ আৰু পৌত্তলিকতাৰ বিৰুদ্ধে উত্থাপন কৰি দিয়া শক্তিশালী ভাষণবোৰো শুনিবলৈ পাইছিল। সেই বক্তাসকলে হজৰত মুছা, হজৰত ঈছা, আদিয়ে প্ৰচাৰ কৰা পৌত্তলিকতা-বিৰোধী একেশ্বৰবাদৰ কথাও শুনিবলৈ পাইছিল। এইবোৰ কথাৰ সত্যাসত্যও তেওঁ নিজৰ যুক্তি বিবেকেৰে বিচাৰ কৰি চাইছিল। তেওঁৰ বয়স তেতিয়া বেছি হোৱা নাছিল। কিন্তু এক স্বাভাৱিক অনুসন্ধিৎসা, কৌতূহল আৰু সত্য নিৰ্ণয়ৰ স্পৃহাই তেওঁৰ দেখা আৰু শুনা কথাবোৰৰ সত্যাসত্য বিচাৰ কৰি চাবৰ কাৰণে অনুপ্ৰাণিত কৰি তুলিছিল।

মাজে মাজে আৰবৰ বিভিন্ন ফৈদবোৰৰ মাজত খণ্ড যুদ্ধ লাগিছিল, এইবোৰৰ পৰা মোহম্মদে যুদ্ধ বিদ্যাৰো কিছু শিক্ষা আহৰণ কৰিছিল। ফিজাৰ যুদ্ধত তেওঁ আবু তালিবৰ পক্ষৰ হৈ অস্ত্ৰ চালনা কৰিছিল। পবিত্ৰ মাহকেইটাত সাধাৰণতে যুদ্ধ নেলাগিছিল। কিন্তু তেনে দিনতে লগাৰ কাৰণে এই যুদ্ধক ফিজাৰ যুদ্ধ বুলিছিল। যুদ্ধ নলগা সময়ত উকাজ, মাজান্না আদি ঠাইত বজাৰ ব্যৱসায় চলিছিল আৰু সেইবোৰ ঠাইত কবিসকলে নিজৰ কবিতা আবৃত্তি কৰিছিলহি আৰু তাৰ মাজতে কাবা মন্দিৰলৈ গৈ তাৰ দেৱতাবিলাকবো পূজা কৰিছিলগৈ। সেই সময়ত উকাজৰ বাণিজ্য-ক্ষেত্ৰত বিভিন্ন ধৰ্ম্মাৱলম্বী কবি

আৰু তাৰ্কিকসকল সমবেত হৈছিল আৰু নিজ নিজ ধৰ্মৰ বিষয়ে বক্তৃতা দিছিল আৰু মুকলি আলোচনা কৰিছিল।

ফিজাৰ যুদ্ধখন হাৱাজিন ফৈদ আৰু কুৰেইছ ফৈদৰ মাজত চাৰি বছৰ ধৰি চলিছিল। তেতিয়া মোহম্মদৰ বয়স ১৫ বছৰ আছিল বুলি জনা যায়। এই চাৰিবছৰীয়া ৰণখনত মোহম্মদে শত্ৰুপক্ষৰ মক্কাৰ পক্ষৰ ফালে পৰা কাঁড়বোৰ বুটলি আনি আবু তালিবক দিছিলহি বুলি কথিত আছে। কোনোৱে কয় যে মোহম্মদে নিজেই সেই কাঁড়, ধনুৰে শত্ৰুপক্ষলৈ মাৰিছিল। পিছত এই ৰণত জড়িত হ'বলগীয়া হোৱাৰ কাৰণে মোহম্মদে অনুতাপ কৰিছিল, "সেই যুদ্ধখন মই দেখিছিলো আৰু দুটামান কাঁড় ময়ো মাৰিছিলো। মই যদি সেই কাম নকৰিলোহেঁতেন!"

ফিজাৰ যুদ্ধৰ শেষত মক্কাৰ যি অৱমাননা হৈছিল আৰু হিছাম আৰু আব্দুল্লা মুত্তালিবৰ মৃত্যুৰ পিছত আৰবৰ মৰ্য্যাদা যিদৰে লাঘব হৈছিল, তাৰ কাৰণে কুৰেইছসকলে হাৱাজিন ফৈদৰ লগত বুজাপৰা নকৰাৰ কাৰণেই হোৱা বুলি কুৰেইছসকলে উপলব্ধি কৰিছিল। তেওঁলোকে বুজি উঠিছিল যে এসময়ত তেওঁলোকেই আৰবৰ অপ্ৰতিদ্বন্দ্বী হৰ্ত্তা-কৰ্ত্তা আছিল আৰু তেওঁলোকৰ বিৰুদ্ধে থিয় দিওঁতা কোনো নাছিল। কিন্তু এই যুদ্ধখনৰ পিছত, প্ৰত্যেকটো ফৈদেই কুৰেইছসকলৰ বিৰুদ্ধে যুঁজ কৰি আৰবৰ আধিপত্য বিস্তাৰ কৰিবৰ কাৰণে সাজু হৈছিল। আৰু তেওঁলোকৰ সন্মান নষ্ট কৰিব কাৰণে যত্ন কৰিছিল। পৰিস্থিতিৰ স্বৰূপ উপলব্ধি কৰি আল্ জুবেইৰ ইব্‌নে আব্দুল মুত্তালিবে হাছিম জুহৰা আৰু তাইম পৰিয়ালৰ লোকসকলক ভোজলৈ নিমন্ত্ৰণ কৰি আব্দুল্লা ইব্‌নে জুদামৰ ঘৰত গোট খুৱালে আৰু তাতেই এখন চুক্তি কৰিলে যে তাৰ পিছৰ পৰা তেওঁলোকে একেলগ হৈ অন্যায়কাৰীৰ বিৰুদ্ধে যুদ্ধ কৰিব। এই সন্ধি-চুক্তিখনকে ফুদালৰ চুক্তি বুলি জনা যায়। এই চুক্তি সম্পাদনৰ সময়ত মোহম্মদ উপস্থিত আছিল আৰু সেই সম্পৰ্কত তেওঁ কৈছিল, "মোৰ সাক্ষাতত গৃহীত হোৱা মিত্ৰতা চুক্তিৰ মই সমৰ্থন কৰো। সেই সম্পৰ্কে কিবা সমস্যাৰ উদ্ভৱ হ'লে, মই অৰ সপক্ষে থিয় দিবৰ কাৰণে সাজু আছো।"

ফিজাৰ যুদ্ধৰ সময়ত বছৰৰ কেইটামান দিনতহে আৰববিলাকে যুদ্ধ কৰিছিল বাকীখিনি সময়ত প্ৰত্যেকে নিজ নিজ বৃত্তি অনুসৰি কাম-কাজ কৰি

চলিছিল। কোনোবা মৰকেই বা কিবা ক্ষতিয়েই হওক তাৰ কথাতে লাগি নেথাকি আৰববিলাকে নিজ ব্যৱসায় বাণিজ্য, সুদলৈ ধন ধাৰলৈ দিয়া, মদ খোৱা, ইন্দ্রিয় সেৱা কৰা আদি কাৰ্য্যত সদায় নিজক ব্যস্ত ৰাখিছিল। যিবোৰ মক্কাবাসীৰ নিতৌ দুসাজ পেট ভৰাই খোৱাৰো সংস্থান নাছিল, সিহঁতেও ভোগ লালসাৰ জীৱন কটাবৰ কাৰণে সদায় উদ্বাউল হৈ আছিল। কিছুমান গোত্ৰহীন দাৰিদ্ৰয়ো ধনীবোৰতকৈ অধিক নৈতিকতা আৰু ব্যভিচাৰত নিজক ব্যস্ত কৰি ৰাখিবলৈ বিচাৰিছিল।

এনে এটা পৰিবেশ আৰু অপৰিমিতাচাৰৰ বাতাবৰণৰ মাজতে দিন কটায়ো কিশোৰ মোহম্মদে সেইবোৰৰ পৰা নিজক আঁতৰাই ৰাখিছিল। দাৰিদ্ৰ্যৰ কাৰণে আনুষ্ঠানিক শিক্ষা লাভ কৰাৰ কোনো সুযোগ নোপোৱাৰ কাৰণে, মোহম্মদে নিজৰ আশ-পাশৰ জগতখনৰ পৰাই পৰ্য্যালোচনা আৰু অভিজ্ঞতাৰ যোগদি জীৱনৰ সত্য আৰু স্বৰূপ উপলব্ধিৰ প্ৰয়াস কৰি গৈছিল। সত্য আৰু অসত্যৰ, উচিত আৰু অনুচিতৰ, ন্যায় আৰু অন্যায়ৰ শুদ্ধ মূল্যায়নৰ অকৃত্ৰিম নীৰৱ সাধনাত মোহম্মদ সদায় মগ্ন আছিল। আৰু তেওঁৰ চৰিত্ৰ আৰু আচৰণ এনে ত্ৰুটিহীন আৰু শক্তিশালী কৰি গঢ়ি তুলিছিল যে সকলো মক্কাবাসীৰ মাজত তেওঁ আল্ আমীয় বা সত্যবাদী বা সত্যনিষ্ঠ বুলি জনাজাত হৈ পৰিছিল। পুথিগত বিদ্যা আৰ্জনৰ সুযোগ নহ'লেও আকাশ, পৃথিৱী, মানুহ প্ৰাণী সকলোৱেই তেওঁৰ কাৰণে হৈ পৰিছিল এখন মুকলি জ্ঞানৰ পুথি।

কৈশোৰৰ কালছোৱাত মোহম্মদে দিন অতিবাহিত কৰিবলগীয়া হৈছিল এজন পশুপালক হিচাপে, এজন ভেড়া ছাগলী ৰখীয়া হিচাপে। মুকলি প্ৰান্তৰত চৰিবলৈ ভেড়াবোৰ এৰি দি কিশোৰ মোহম্মদে আকাশ আৰু পৃথিৱীৰ লগত আত্মীয়তা ৰচনা কৰিছিল আৰু সৃষ্টিৰ ৰহস্য উদ্‌ঘাটন কৰিবৰ কাৰণে চিন্তা আৰু সাধনা কৰিছিল। তেওঁ নিজৰ পৰিয়ালৰ আৰু ওচৰ-চুবুৰীয়াৰ ছাগলী চৰাইছিল। পিছৰ জীৱনত ল'ৰালি কালৰ ভেড়াৰখীয়া জীৱনৰ কথা তেওঁ আনন্দ আৰু গৰ্বেৰে মনত পেলাই কৈছিল, "আল্লাৰ কোনো পয়গম্বৰেই ভেড়াৰখীয়া নোহোৱাকৈ নাছিল। হজৰত মুছা এজন ভেড়াৰখীয়া আছিল, হজৰত দাউদ এজন ভেড়াৰখীয়া আছিল, ময়ো আজয়াদৰ পথাৰত ভেড়া, উট ৰখিছিলো আৰু তেনে অৱস্থাতে আল্লাই মোক ৰছুল হোৱাৰ করুণা দান

কৰিছিল’। সূৰ্য্যৰ পোহৰত জিলিকি থকা আকাশ আৰু বসুধাৰ উদাৰ সৌন্দৰ্য্যৰ আৰু তৰাৰ পোহৰেৰে ৰহস্যময় ৰাতিৰ সৌন্দৰ্য্যই চিন্তাশীল কিশোৰৰ মনত সৃষ্টিৰ গভীৰতৰ অৰ্থ বিচৰাৰ হেঁপাহ জগাই তুলিছিল। সৰল আৰু মুকলি মনেৰে আকাশ, পৃথিৱী, চন্দ্ৰ, সূৰ্য্য, জীৱন মৃত্যুৰ বিষয়ে চিন্তা কৰি কিশোৰ মোহম্মদে মানুহৰ মানৱী সত্তাৰ ৰহস্য আৰু যথাৰ্থতা বিচৰাত নিজক ব্যস্ত ৰাখিছিল। সৃষ্টিৰ প্ৰতিটো বস্তুৱেই এক নিয়ম মানি, এক শৃঙ্খলা অনুসৰণ কৰি চলাৰ অন্তৰালত কি অদৃশ্য শক্তিয়ে কাম কৰি আছে তাক বুজিবৰ কাৰণেও তেওঁৰ মনে তেওঁক উদ্বুদ্ধ কৰিছিল। ছাগলী ৰখি থাকোতেও তেওঁৰ অন্তৰ্মুখী চিন্তাই তেওঁক উৰ্ধ্বমুখী কৰি সৃষ্টিৰ আৰু স্ৰষ্টাৰ গভীৰতাৰ ৰহস্য উদঘাটন কৰিবলৈ সদায় অনুপ্ৰাণিত কৰিছিল। সত্যৰ স্বৰূপ অন্বেষণৰ কাৰণে নিবিড় চিন্তাত নিমগ্ন কৰিছিল। কিশোৰ অৱস্থাত আৰু ডেকা কালত নিজক সকলো প্ৰকাৰৰ বিলাস ব্যভিচাৰৰ পৰা আঁতৰাই ৰাখি মোহম্মদে উচ্চতৰ চিন্তা আৰু অন্তৰ্মুখী জিজ্ঞাসাত নিজক সমাহিত কৰি ৰাখছিল।

চিন্তা-তপস্যাৰ সীমাহীন জগতখনৰ বুকুত নিজৰ ঠাই কৰি লোৱাৰ পিছত সাংসাৰিক ঐশ্বৰ্য্য-বিভূতিৰ কাৰণে হাবিয়াস বা প্ৰলোভন অপ্ৰাসঙ্গিক হৈ পৰে। গৰু, ছাগলী ৰখি কোনেও বিশেষ ধন সম্পদ আৰ্জন কৰিব নোৱাৰে। মোহম্মদেও পৰা নাছিল। কিন্তু সেইবাবে তেওঁৰ কোনো অনুতাপ বা দুশ্চিন্তা নাছিল। নহ’লে নোহোৱা ভাত কাপোৰখিনিৰ ওপৰঞ্চি অন্য সম্পত্তিৰ কাৰণে তেওঁৰ হাবিয়াস নাছিল। এবাৰ তেওঁ কৈছিল, “আমি এনেকুৱা মানুহ যি ভোক নেলাগে মানে নেখাও আৰু খালেও সম্পূৰ্ণ পেট ভৰাই নেখাও।” কেৱল খোৱা পিন্ধাৰ চিন্তাত জীৱন কটোৱা মানুহে জীৱন আৰু সৃষ্টি সম্পৰ্কে গভীৰ চিন্তা কৰিব নোৱাৰে। মোহম্মদৰ সমগ্ৰ জীৱনত জাগতিক সুখ সমৃদ্ধিৰ কাৰণে লালসা বা হাবিয়াসতকৈ আত্ম উপলব্ধি আৰু সত্যৰ সাধনাই আছিল প্ৰধান তপস্যা আৰু আনন্দৰ বস্তু। এনে ধৰণৰ উৰ্ধ্বমুখী সাধনাই তেওঁক ব্যক্তিগত জীৱনৰ সংঘাত-সংগ্ৰাম, দুখ বেদনাক সহজে অতিক্ৰম কৰাৰ মনোবল দান কৰিছিল। সত্যৰ কাৰণে যুঁজিবলৈ সাহস দিছিল, আৰু অকলশৰীয়া এক পিতৃ-মাতৃহীনা গৰখী ` -- পৃথিৱীৰ মানুহৰ মুক্তিৰ কাৰণে যুঁজিবলৈ প্ৰেৰণা দিছিল।

মক্কাৰ কুৰেইছ্ বংশৰ খোৱেইলিদৰ জীয়েক এগৰাকী সম্মানিতা ধনী ব্যৱসায়ী মহিলা আছিল। তেওঁৰ ব্যৱসায় চলাবৰ কাৰণে তেওঁ মানুহ নিয়োগ কৰিছিল, আৰু তেওঁৰ হৈ ব্যৱসায়ৰ প্ৰতিযোগিতাত সফল হওঁতাসকলক তেওঁ লাভৰ অংশ দান কৰিছিল। তেওঁ আছিল বনু আছাদ বংশৰ জীয়ৰী। বনু মখ্ জুম বংশৰ দুজন ধনী লোকৰ লগত তেওঁৰ বিয়াও হৈছিল। এইবোৰ বিয়াৰ যোগে তেওঁ প্ৰচুৰ সম্পত্তিৰ অধিকাৰীও হৈছিল। কুৰেইছ বংশৰ কোনো কোনো লোকে তেওঁক বিয়া কৰাবলৈ বিচাৰিছিল। কিন্তু সেইবোৰ প্ৰস্তাৱ তেওঁ প্ৰত্যাখান কৰিছিল। তেওঁৰ বাপেকে তেওঁৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণত আৰু ব্যৱসায় চলোৱাত সহায় কৰি দিছিল, আৰু বিধবাৰ অকলশৰীয়া জীৱনটো তেওঁ মনোযোগৰে নিজ ব্যৱসায় চলাই যোৱাতে ব্যস্ত ৰাখিছিল।

হজৰত মোহম্মদৰ বয়স তেতিয়া পঁচিশ বছৰ হৈছিল। দদায়েক আবু তালিবে যেতিয়া জানিব পাৰিলে যে খাদিজাই ছামদেশলৈ এটা কাৰাভানৰ দল ব্যৱসায়ৰ কাৰণে পঠিয়াবলৈ লৈছে আৰু তাৰ কাৰণে মানুহ নিয়োগ কৰিবলৈ ওলাইছে, তেতিয়া তেওঁ মোহম্মদক ক'লে—

"মোহম্মদ মই ধন-সম্পত্তি নোহোৱা দুখীয়া মানুহ। বৰ কষ্টেৰে দিন কটাইছো। মই জানিব পাৰিছো যে খাদিজাই তেওঁৰ কাৰবাৰত সহায় কৰি দিবৰ কাৰণে মানুহ এটা বিচাৰিছে। তাৰ কাৰণে দুটা পোৱালি উট দিব। সিমান কম মজুৰিত আমি তোমাক সেই কাম কৰিবলৈ নিদিও। এই সম্পৰ্কে মই বাৰু তেওঁৰ লগত কথা পাতি চাওগৈনে?"

"তুমি যেনে দেখা কৰা"— মোহম্মদে ক'লে।

আবু তালিবে গৈ কথাষাৰ খাদিজাক ক'লেগৈ আৰু লগতে ক'লে যে তেওঁ ভতিজাক মোহম্মদক মজুৰি হিচাপে দুটা উট দিলে মান্তি নহয়। তেওঁক চাৰিটা উট দিব লাগিব— মজুৰি হিচাপে। খাদিজাই ক'লে, "অন্য কোনো মানুহে অন্য কোনো মানুহৰ কাৰণে কোৱা হ'লে মই মান্তি নহলোহেঁতেন, কিন্তু আপুনি যেতিয়া আপোনাৰ ভতিজাকৰ কাৰণে কৈছে, মই বাৰু চাৰিটা উটকে দিবলৈ মান্তি হৈছো।"

আবু তালিবে আহি এই সুখবৰটো মোহম্মদক দিলেহি। মোহম্মদেও আনন্দ পালে— এই খবৰটো পাই।

প্ৰথমবাৰ খাদিজাৰ ব্যৱসায় সংক্ৰান্তত মোহম্মদৰ লগত খাদিজাৰ এজনী দাসী মাইছাৰাকো দদায়েকৰ লগত পঠিয়াইছিল। বাণিজ্য কৰিবৰ কাৰণে বাৰবছৰ বয়সতে মোহম্মদ এবাৰ যিটো বাটেৰে ছাম দেশলৈ গৈছিল, সেইটো বাটেৰেই এইবাৰ তেওঁ ৱাদিয়াল জহৰাম, মাদয়ান আৰু ছমূদৰ মাজেদি যাত্ৰা কৰিলে। এইবাৰৰ ভ্ৰমণত তেওঁ ছামবাসী মানুহৰ আচৰণ-বিচৰণৰ বিষয়ে আৰু অধিক কথা জনাৰ সুযোগ পালে। বছৰা নগৰত চিৰীয় খ্ৰীষ্টানসকল আৰু কিছু সংখ্যক নেষ্টাৰিয়ানো আছিল। মোহম্মদে এইসকলৰ লগত আলাপ আলোচনা কৰাৰ সুযোগ লাভ কৰিলে। সেই সময়ত খ্ৰীষ্টানসকল কেইবাটাও ফৈদত বিভক্ত হৈ পৰিছিল। মোহম্মদে হজৰত ঈছাৰ ধৰ্ম্ম সম্পৰ্কে কিছু কথা এই খ্ৰীষ্টান পুৰোহিত আৰু সন্ন্যাসীসকলৰ লগত আলোচনা কৰিছিল।

এইবাৰৰ যাত্ৰাত মোহম্মদে নিজৰ দক্ষতা আৰু ব্যৱসায় বুদ্ধিৰ কাৰণে বহুত বেছি লাভ কৰিলে। ইয়াৰ আগতে খাদিজাৰ ব্যৱসায়ৰ কাৰণে অন্য কোনোৱে ইমান লাভ কৰিব পৰা নাছিল। মোহম্মদৰ এনে সাফল্যৰ কাৰণে দাসী মাইছাৰা মোহম্মদৰ অনুগত গুণগ্ৰাহী হৈ পৰিছিল। ছামৰ পৰা উভতিবৰ সময়ত মোহম্মদে খাদিজাৰ হৈ মাইছাৰাক যি যি বস্তু লাগে সকলো কিনি দিছিল।

মোহম্মদৰ কাৰাভান আহি মক্কাৰ ওচৰত আল্ জাহৰান পালত মাইছাৰাই মোহম্মদক খাদিজাৰ ওচৰলৈ আগতীয়াকৈ গৈ ব্যৱসায়ৰ লাভৰ কথা জনাবলৈ ক'লে, মোহম্মদৰ মুখৰ পৰা ব্যৱসায়ত আশাতীত লাভ হোৱাৰ কথা জানিব পাৰি খাদিজা অত্যন্ত সুখী হ'ল। তাৰ পিছত মাইছাৰাৰ মুখৰ পৰা মোহম্মদৰ ভদ্ৰতা আৰু অমায়িক স্বভাৱ চৰিত্ৰৰ বিষয়ে জানিব পাৰি খাদিজাৰ মোহম্মদৰৰ প্ৰতি এক নতুন স্নেহ আৰু শ্ৰদ্ধাৰ ভাব উপজিছিল।

তেতিয়া খাদিজাৰ বয়স হৈছিল চল্লিশ বছৰ, আৰু মোহম্মদ আছিল পঁচিশ বছৰীয়া। মোহম্মদৰ প্ৰতি খাদিজাৰ স্নেহ এক গভীৰ প্ৰেম আৰু সশ্ৰদ্ধ ভক্তিলৈ পৰিণত হ'ল। জনা যায় যে বিবাহৰ প্ৰস্তাৱ জনাই খাদিজাই তেওঁৰ এগৰাকী বান্ধবী নুফাইছাক মোহম্মদৰ ওচৰলৈ পঠিয়ালে। নুফাইছাই মোহম্মদক সুধিলে, "আপুনি বিয়া কৰোৱাত কি বাধা আছে?" মোহম্মদে ক'লে, "বিয়া কৰাবৰ কাৰণে মোৰ সামৰ্থ্য নাই।" নুফাইছাই ক'লে, "যদি এনেকুৱা কোনোৱা

ওলায় যি পৰমা সুন্দৰী, ধনী-মানী, ঐশ্বৰ্য্যশালী আৰু যি বিয়াৰ বাবদ আপোনাৰ পৰা একো দাবী নকৰে, তেতিয়া কি কৰিব ?"

"তেনেকুৱা মহিলা কোননো আছে ?" তেওঁ সুধিলে, "খাদিজা—" নুফাইছাই ক'লে। "সেইটো কেনেকৈ সম্ভৱ হ'ব ?" তেতিয়ালৈকে খাদিজাৰ প্রতি তেওঁৰ মনত এটা স্নেহৰ ভাব উদয় হৈছিল তেওঁক বিয়া কৰোৱাৰ কথা তেওঁ ভবা নাছিল।

নুফাইছাই ক'লে "সেই ব্যৱস্থা মই কৰিম।"এই কথা শুনি মোহম্মদে খাদিজাক বিয়া কৰাবলৈ সম্মতি প্রকাশ কৰিলে।

ইয়াৰ পিছত খাদিজাৰ ইচ্ছা আৰু ব্যৱস্থা অনুসৰিয়ে, মোহম্মদৰ দদায়েকহঁত এটা নির্দিষ্ট দিনত গোট খালে আৰু বিয়াৰ আয়োজন কৰিলে। খাদিজাৰ দদায়েক ওমৰ ইব্‌নে আছাদে খাদিজাক মোহম্মদৰ হাতত গটাই দিলে।

মোহম্মদৰ জীৱনৰ এটা নতুন অধ্যায়। আৰম্ভ হ'ল। তেওঁ এতিয়া এজন বিবাহিত পুৰুষ হিচাপে বিবি খাদিজাক পত্নী হিচাপে গ্রহণ কৰি সুখ সমৃদ্ধি আৰু শান্তিৰ দাম্পত্য জীৱন আৰম্ভ কৰিলে। নিথৰুৱা এটি জীৱনলৈ স্থিৰতাৰ নতুন বতাহ বলে। যৌতুক বাবদ মোহম্মদে পত্নী খাদিজাক কুৰিটা পোৱালি উট দিলে, আৰু তাৰ পিছত খাদিজাৰ ঘৰলৈ গুচি আহিল। তেওঁলোকৰ যুগ্ম দাম্পত্য জীৱন আৰম্ভ হ'ল। বয়সৰ ব্যৱধান সত্ত্বেও তেওঁলোকৰ ইজনৰ সিজনৰ প্রতি ভালপোৱা আৰু শ্রদ্ধা গভীৰ আছিল।

মোহম্মদ এজন সুদৰ্শন পুৰুষ আছিল। গাৰ গঢ়-গঠন মজলীয়া আকৃতিৰ আছিল। বৰ ওখও নাছিল আৰু বৰ চাপৰো নাছিল। ঘন, ক'লা চুলিয়ে ঢকা তেওঁৰ মূৰটো অলপ ডাঙৰ আছিল, কপালখন আছিল বহল আৰু চেলাউৰি ডাঠ আছিল। তেওঁৰ চকুহাল আছিল অলপ ডাঙৰ আৰু গভীৰ ক'লা বৰণৰ মণিৰ দুয়ো,কাষে অলপ ৰঙা চানেকীয়া আছিল। তেওঁৰ নাকটো গঢ়িত আৰু

ধুনীয়া আছিল। দুয়ো পাৰি দাঁত সমান আৰু দেখিবলৈ ধুনীয়া আছিল। ক'লা ঘন দাড়িয়ে ঢাকি ৰাখিছিল তেওঁৰ মুখমণ্ডল। তেওঁৰ বহল বুকু, প্ৰশস্ত বাহু আৰু সুগঠিত ডিঙিয়ে তেওঁৰ পৌৰুষ আৰু ব্যক্তিত্বৰ আভাস প্ৰকট কৰি তুলিছিল। তেওঁৰ গাৰ বৰণ সামন্য বগা আৰু তাম বৰণীয়াৰ মিহলি ৰঙৰ আছিল। তেওঁৰ হাতৰ তলুৱা আৰু ভৰি দেখনিয়াৰ আছিল। তেওঁ খোজবোৰ গহীনকৈ দিছিল। তেওঁৰ চকু মুখত সদায় কিবা এটা গভীৰভাৱে চিন্তা কৰি থকাৰ আভাস প্ৰকাশ পাইছিল। তেওঁৰ চকুত নেতৃত্বৰ এটা নিশ্চিত চাৱনি দেখা পোৱা গৈছিল। তেওঁৰ গোটেই অৱয়ৱটোত শক্তি, পৌৰুষ, স্নেহ আৰু বিনয়ৰ এক অপূৰ্ব্ব মিশ্ৰণ দেখা পোৱা গৈছিল। এই ব্যক্তিত্বৰ কাৰণেই খাদিজাই তেওঁৰ প্ৰতি গভীৰ প্ৰেম আৰু আনুগত্য অনুভৱ কৰিছিল। প্ৰয়োজন বিশেষে তেওঁক ব্যৱসায়ৰ চিন্তাৰ পৰা অব্যাহতি দি খাদিজাই তেওঁক অন্য মহত্ত্বৰ চিন্তা কৰিবৰ কাৰণে অৱকাশ আৰু সুযোগ উলিয়াই দিছিল। খাদিজাৰ লগত হোৱা তেওঁৰ বিবাহে তেওঁক সামাজিক মৰ্য্যাদাত সুপ্ৰতিষ্ঠিত কৰিছিল আৰু তেওঁৰ জাগতিক প্ৰয়োজনবোৰৰ সমস্যাৰ পৰাও মুক্ত কৰিছিল। নিজৰ সন্তান-সন্ততি আৰু ঐশ্বৰ্য্য সম্পদৰ ফল স্বৰূপে তেওঁ সমাজৰ এজন শ্ৰদ্ধেয় আৰু আদৰণীয় ব্যক্তি হৈ উঠিছিল। ইয়াৰ লগতে, তেওঁ মক্কাবাসীৰ পৰা নিজক নিলগাই ৰাখিবৰ চেষ্টা কোনো দিন নকৰিছিল। তেওঁৰ ব্যক্তিগত প্ৰতিষ্ঠাই তেওঁক সামাজিক জীৱনতো সকলোৰে এক সন্মানিত ব্যক্তি কৰি তুলিছিল। কিন্তু ইয়াৰ বাবে তেওঁৰ অকণো গৰ্ব্ব অহঙ্কাৰ নাছিল। নিজৰ অসাধাৰণ জ্ঞান আৰু মেধা শক্তি সত্ত্বেও, তেওঁ সকলোৰে কথা মনোযোগেৰে কাণ পাতি শুনিছিল, আৰু কাকো অৱহেলা নকৰিছিল। কোনোবাই তেওঁক কিবা কথা ক'লে তেওঁ কাণ দিয়াই নহয়, সেইবোৰ কথাৰ অৰ্থ তাৎপৰ্য্যও মনোযোগৰে অনুধাৱন কৰিছিল। তেওঁ সকলোৰে কথা কাণ দি শুনিছিল যদিও নিজে কম কথা কৈছিল, কিন্তু উপলক্ষ্য বুজি হাঁহি ধেমালিও নকৰাকৈ থকা নাছিল। কেতিয়াবা তেওঁ মন প্ৰাণ খুলি হাঁহিছিল, হাঁহোতে তেওঁৰ দাঁতৰ আলু পৰ্য্যন্ত দেখা পোৱা গৈছিল। কিন্তু তেওঁৰ খং উঠিলে সি বাহিৰত প্ৰকাশ নেপাইছিল। মাত্ৰ খণ্ডত কেতিয়াবা তেওঁৰ কপালখনত ঘামৰ টোপাল বিৰিঙিছিল। খং উঠিলেও তেওঁৰ ধৈৰ্য্যচ্যুতি নঘটিছিল আৰু সদায় শান্ত হৈ

আছিল। তেওঁ সদায় সঁচা কথা কৈছিল, তেওঁ পৰোপকাৰী, দানী আৰু উদাৰ আছিল। কিন্তু তেওঁৰ সিদ্ধান্ত আৰু যুক্তিৰ বিষয়ত অলৰ-অচৰ আছিল। কিবা সিদ্ধান্ত গ্ৰহণ কৰিলে তেওঁ তাৰ পৰা হেঁাহকা-পিচলা নকৰিছিল। যিয়েই তেওঁৰ সান্নিধ্যলৈ আহিছিল সিয়ে তেওঁৰ ব্যক্তিত্বৰ প্ৰভাৱ অনুভৱ কৰিছিল, আৰু তেওঁ এজন দৃঢ় চৰিত্ৰৰ সুদৰ্শন পুৰুষ বুলি নিশ্চিতভাৱে পতিয়ন গৈছিল।

মোহম্মদ সামাজিক কামৰপৰা আঁতৰি নেথাকিছিল। সেই সময়ত এটা আকস্মিক বানপানী আহি কাবা মন্দিৰত ভেটি আৰু বেৰৰ ক্ষতিসাধন কৰিছিল। মক্কাৰ লোকসকল মন্দিৰটো সজাৰ কামত লাগি আছিল। সেই সময়ত কাবা মন্দিৰৰ চোৱাচিতা কৰাৰ দায়িত্ব আছিল কুৰেইছসকলৰ। কাবাগৃহৰ ওপৰত চাল নাছিল। গতিকে তাৰ ভিতৰত থকা সম্পদবোৰৰ ডকাইতি হোৱাৰ ভয় আছিল। কিন্তু অন্ধ বিশ্বাসৰ মাজত থকা মক্কাবাসীসকলে কাবাগৃহৰ ওপৰত চাল দিলে বা বেৰত দুৱাৰ দিলে দেৱতাসকলে অভিশাপ দিব বুলি ভয় কৰিছিল। কাবা মন্দিৰৰ সামন্য ইফাল-সিফাল কৰিলেও বাইজৰ কিম্বা অমঙ্গল হ'ব বুলি ভয় কৰিছিল। এনে কামক নিষিদ্ধ বুলি বিবেচনা কৰা হৈছিল। কিন্তু বানপানীয়ে কৰা কাবা মন্দিৰৰ ক্ষয়-ক্ষতিবোৰ থিক নকৰিলে নচলে।

সেই সময়তে ইজিপ্তৰ পৰা অহা এজন বাইজেণ্টাইনৰ— তেওঁৰ নাম আছিল পাচোমিয়াচ— এখন বাণিজ্য জাহাজ সোঁতে উটুৱাই আনি জিদ্দা পোৱাইছিলহি। পাচোমিয়াচ এজন ভাল মিস্ত্ৰী আছিল। মক্কাবাসীসকলে তেওঁক লগ ধৰি কাবাগৃহ সজাত সহায় কৰিবৰ কাৰণে অনুৰোধ জনালে। তেওঁ মান্তি হ'ল। মক্কাত থকা আৰু এজন বাঢ়ৈৰ সহযোগত তেওঁলোকে বানে ভঙা কাবা মন্দিৰ পুনৰ নিৰ্মাণ কৰিবলৈ হাতত ল'লে।

কাবাৰ ভাগি পৰা এখন বেৰ ভাঙি নতুনকৈ সজাৰ দায়িত্ব পৰিল মক্কাৰ চাৰিটা ফৈদৰ ওপৰত। কিন্তু দেৱতাসকল রুষ্ট হোৱাৰ ভয়ত প্ৰথমে কামত হাত দিবলৈ কোনোৱে সাহস নকৰিলে। মৰসাহ কৰি আল্ ৱালিদ ইব্‌নে মুগিৰা নামৰ এজন মানুহে তেওঁলোকৰ ফৈদৰ ভাগত পৰা য়েমেনী বেৰখন দেৱতালৈ পূজা-প্ৰাৰ্থনা কৰি ভাঙিবলৈ ল'লে। তাৰ বাবে ৱালিদৰ কোনো ক্ষতি নোহোৱা দেখি, পিছদিনাৰ পৰা অন্যান্য ফৈদৰ মানুহবোৰেও মক্কাৰ খহি যোৱা বেৰবোৰ ভঙাত লাগিল। মোহম্মদেও অন্যৰ দৰেই ভঙা বেৰৰ

পৰা ওলোৱা শিলবোৰ এঠাইৰ পৰা অন্য ঠাইলৈ কঢ়িয়াই নিয়াৰ কাম কৰিলে। এনেকৈ কাবাগৃহৰ ভেটিটো উলিওৱা হ'ল। বেৰবোৰৰ তলত ভেটিত সেউজীয়া শিল দিয়া আছিল। সেইবোৰ গধুৰ কাৰণে মানুহবোৰে সেইবোৰ লৰচৰ কৰিব নোৱাৰিলে। তেওঁলোকে সেইবোৰৰ ওপৰতে নতুন বেৰ গাঁথিবলৈ স্থিৰ কৰিলে। ওচৰৰ পাহাৰৰ পৰাও নীল বৰণীয়া গ্ৰেণাইট শিল অনা হ'ল। বেৰ গাঁথা হ'ব ধৰিলে। যেতিয়া কাবাৰ পূব ফালৰ বেৰখনত পবিত্ৰ ক'লা শিলছটা বহুওৱাৰ সময় পালেহি, তেতিয়া এটা সমস্যাৰ উদ্ভৱ হ'ল। হজৰে আছৱদ বা ক'লা শিলছটা বেৰত থাপনা কৰাটো মৰ্য্যাদাৰ কথা বুলি বিবেচিত হৈছিল। এই লৈ বাদানুবাদ, তৰ্কবাদ হোৱাৰ পৰা গৈ গৃহযুদ্ধ লগাৰ অৱস্থা উপস্থিত হ'ল। আব্দুদ্দাৰ আৰু আদিৰ্হা ফৈদৰ বংশধৰবিলাকে একেলগ হৈ এই সম্মান নিজৰ বৰীয়াকৈ ৰাখিবৰ কাৰণে দৃঢ় সংকল্প হ'ল। এই বিষয়ত সিহঁত এনে আকোঁৰগোজ হৈ লাগিল যে আব্দুদ্দাৰৰ ফৈদৰ পক্ষৰপৰা এচৰীয়া কেঁচা তেজ আনি তাত নিজৰ হাত জুবুৰিয়াই শপত খালে যে ক'লা শিলছটা থাপনা কৰাৰ সম্মানৰ পৰা সিহঁতক কোনোৱে বঞ্চিত কৰিব নোৱাৰিব। সেই অধিকাৰ কেৱল সিহঁতৰহে। এই কাৰণেই পিছলৈ এই ফৈদৰ মানুহবোৰক তেজপিয়াব ফৈদৰ বুলি কোৱা হৈছিল।

পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি মুগিৰা মখ্ জুনীৰ পুতেক আৰু উমাইয়াই ঘোষণা কৰিলে, "এই বিবাদৰ মীমাংসা সেইজন ব্যক্তিয়েই কৰিব, যিয়েই সৰ্ব্ব প্ৰথমে আল্ চফ্ফাৰ জপনা পাৰ হৈ ভিতৰ সোমাই আহিব। আমি সকলো ইয়াতে থিয় দি চাই থাকিম।" প্ৰস্তাৱত সকলো মান্তি হ'ল।

প্ৰথম যিজন মানুহ জপনা পাৰ হৈ সোমাই আহিল তেওঁ আছিল মোহম্মদ। তেওঁক দেখি সকলোৱে কৈ উঠিল, "সউৱা আল্ আমীন সোমাই আহিছে। তেওঁ যি মত প্ৰকাশ কৰে, তাত, আমি সকলো মান্তি হ'ম।"

পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি, তেওঁলোকৰ ঘোষণাৰ ভিত্তিত মোহম্মদে বিবাদ মীমাংসাৰ কাৰণে তেওঁ এখন কাপোৰ আনিবলৈ নিৰ্দ্দেশ দিলে। এখন কাপোৰ অনা হ'ল। মোহম্মদে কাপোৰখন মেলি মাটিৰ ওপৰতে পাৰিলে আৰু ক'লা শিলডোখৰ তাৰ ওপৰতে থ'লে আৰু ক'লে, "প্ৰত্যেকটো ফৈদৰ মুৰব্বীগৰাকীয়ে কাপোৰখনৰ একোটা মূৰত ধৰক।" সেইমতে

তেওঁলোকে কাপোৰখন ধৰি শিলছটা দাঙি নি থাপনা কৰিব লগা ঠাই পোৱালেগৈ। তেতিয়া মোহম্মদে নিজে শিলছটা উঠাই লৈ নিজেই নি বহুৱাব লগীয়া ঠাইত বহুৱাই দিলেগৈ। এনেকৈয়ে বিবাদৰ মীমাংসা কৰা হ'ল আৰু সম্ভাব্য সংঘৰ্ষ আৰু ৰক্তপাত ৰোধ কৰা হ'ল। কুৰেইছসকলে যেতিয়া সাজি সম্পূৰ্ণ কৰিলে আৰু কাবাৰ নিৰ্মাণ কাৰ্য্যও সম্পূৰ্ণ কৰিলে। ইয়াক অধিক সুৰক্ষিত কৰিবৰ কাৰণে তেওঁলোকে কাবাৰ দুৱাৰদলিটো ভেটিতকৈ ওখকৈ সাজিলে। কাবাগৃহৰ ভিতৰত তেওঁলোকে ওপৰৰ চালখন ধৰি ৰাখিবৰ কাৰণে সমান্তৰালকৈ প্ৰত্যেক শাৰীত তিনিটাকৈ দুশাৰী খুটাও নিৰ্ম্মাণ কৰিলে, আৰু চাললৈকে উঠিব পৰাকৈ উত্তৰৰ ফালে এখন খটখটিয়ে চিৰিও সাজিলে। কাবাৰ ভিতৰত হুবলৰ মূৰ্ত্তিটো আৰু মন্দিৰৰ অন্য সা-সম্পদ ভৰাই থ'লে। এইবিলাক সংৰক্ষণ কৰাটো মক্কাবাসীৰ দায়িত্বৰ কথা আছিল।

এইটো ঘটনাৰ সময়ত আচলতে মোহম্মদৰ বয়স ২৫ বছৰ আছিল নে ৩৫ বছৰ আছিল এই লৈ মতভেদ আছিল যদিও এটা কথা স্পষ্ট যে তেতিয়াৰ মক্কাবাসীসকল মোহম্মদৰ সিদ্ধান্ত নিৰ্ব্বিবাদে মানি ল'বলৈ প্ৰস্তুত আছিল, আৰু আটাইকেইটা ফৈদৰ প্ৰতিনিধিৰ হতুৱাই ক'লা শিলছটা নিয়াই নিজ হাতে মোহম্মদে যথা স্থানত থাপনা কৰা কাৰ্য্যক সকলোৱে বিনা প্ৰতিবাদে অনুমোদন জনাইছিল। তেওঁৰ ওপৰত সমসাময়িক মক্কাবাসীৰ আস্থাৰ ই এক নিশ্চিত প্ৰমাণ আৰু ইয়ে তেওঁৰ অবিসম্বাদী নেতৃত্বৰো স্বাক্ষৰ বহন কৰিছে। ই বিবাদ মীমাংসাৰো এটা আদৰ্শ।

ৰাজহুৱা কামত আত্মনিয়োগ কৰি কাম কৰি যোৱাৰ লগতে সাংসাৰিক জীৱনতো মোহম্মদে পত্নী খাদিজাৰ লগত ঘৰুৱা জীৱনৰ তিতা-মিঠা অভিজ্ঞতাৰ মাজেদি দিন অতিবাহিত কৰি যাব ধৰিলে। ইতিমধ্যে নবুৱত লাভ কৰাৰ পূৰ্ব্বে ১৫ বছৰৰ ভিতৰত তেওঁলোকৰ দুজন ল'ৰা আৰু চাৰিজনী ছোৱালীৰ জন্ম হৈছিল। ল'ৰা দুজনৰ নাম আছিল ক্ৰমে কাছিম আৰু আব্দুল্লাহ। ল'ৰা

দুটিৰ অন্য নাম আছিল তাহিৰ আৰু তৈয়ব। দুয়োৰে কেঁচুৱাতে মৃত্যু হৈছিল। ছোৱালী কেইজনীৰ নাম আছিল— জইনব, ৰুকাইয়া, উম্মে কুলছুম আৰু ফাতিমা। পুত্র সন্তানৰ অকাল মৃত্যুত পিতৃ-মাতৃ উভয়ে গভীৰ শোক পাইছিল। সেই সময়ত আৰবৰ সমাজত কন্যা সন্তানৰ কোনো মূল্য দিয়া নহৈছিল। তেনে স্থলত চাৰিজনী ছোৱালী জীৱিত থাকিলেও দুয়োটি পুত্র সন্তানৰ কেঁচুৱাতে মৃত্যু হোৱাটো পিতৃ-মাতৃৰ কাৰণে মৰ্ম্মান্তিক বেদনাৰ কাৰণ হৈ উঠিছিল।

জইদ্ বিন্ হাৰিছা নামৰ ল'ৰা এটাক দাস হিচাপে বেচিবলৈ লোৱা বুলি জানি মোহম্মদে তাক কিনি ল'বৰ কাৰণে খাদিজাক ক'লে। সেইমতে খাদিজাই জইদক দাস হিচাপে কিনি ল'লে। মোহম্মদে জইদক দাসত্বৰ পৰা মুক্তি দি নিজৰ পুত্র হিচাপে (পোষ্যপুত্র) তুলি ল'লে আৰু জইদক জইদ ইব্‌নে মোহম্মদ বুলি মাতিবলৈ ল'লে। জইদ মোহম্মদৰ লগতে ডাঙৰ দীঘল হ'ল আৰু পিছলৈ তেওঁৰ এজন অনুগত সহচৰ হৈ থাকিল।

মোহম্মদে নবুৱত লাভ কৰাৰ পিছত (ইছলামী যুগ আৰম্ভ হোৱাৰ পিছত) তেওঁলোকৰ আৰু এটি পুত্র সন্তানৰ জন্ম হৈছিল। এই ল'ৰাটিৰ নাম ৰখা হৈছিল ইব্রাহীম। কিন্তু এই সন্তানটিৰো সকতে মৃত্যু হ'ল। এনেদৰে তিনিওটি পুত্র সন্তানৰে অকালতে কৰুণভাৱে মৃত্যু হোৱাত মোহম্মদে যি আঘাত পাইছিল তাৰ স্মৃতি তেওঁৰ গোটেই জীৱনতে জীৱন্ত হৈ ৰৈ গৈছিল।

প্রত্যেকটো পুত্র-সন্তানৰে মৃত্যুত মাতৃ খাদিজাই প্রত্যেকবাৰেই কাবালৈ গৈ তাৰ হুবল, লাট, মনাট, ওজ্জা আদি দেৱ-দেৱীৰ ওচৰত নিজৰ দুখ নিবেদন কৰিছিলগৈ আৰু তেওঁৰ সন্তানবিলাকক ৰক্ষা কৰিবৰ কাৰণে প্রার্থনা জনাইছিলগৈ। কিন্তু এই সকলো প্রার্থনা অৰণ্য ৰোদনত পৰিণত হোৱা দেখি মোহম্মদৰ মূর্তি পূজাৰ যুক্তিহীনতা আৰু ব্যর্থতা সম্পর্কে ধাৰণা আৰু গভীৰ হৈছিল।

মোহম্মদে তেওঁৰ জীয়েককেইজনীক ভাল ভাল পাত্রতে বিয়া দিছিল। ডাঙৰ জীয়েক জইনবক খাদিজাৰ ভনীয়েকৰ পুতেক আবুল আ'ছৰ লগত বিয়া দিয়ে। ৰুকাইয়া আৰু উম্মে কুলছুমক আবু লহবৰ দুই পুতেক উট্‌বা আৰু উটাইবালৈ বিয়া দিয়ে। কিন্তু এই দুখন বিয়া স্থায়ী নহ'ল। ইছলামৰ প্রচাৰ প্রৱর্ত্তনৰ পিছত আবু লহবে মোহম্মদৰ নতুন ধৰ্ম্ম মতৰ বিৰোধিতা

কৰিলে আৰু পুতেকহঁতক সিবিলাকৰ পত্নীক ত্যাগ কৰিবলৈ নির্দেশ দিলে। ইছলাম প্রবর্ত্তন হোৱাৰ পিছত আৰীৰ লগত ফাতিমাক বিয়া দিয়া হয়।

আৰবৰ অন্য মানুহৰ দৰেই মোহম্মদে জন্ম গ্রহণ কৰিছিল, অন্যৰ দৰেই বিয়া কৰাই সংসাৰ-ধৰ্ম্ম পালন কৰিছিল, অন্যৰ দৰেই পুত্ৰ কন্যাৰ পিতৃ হৈছিল, খাই বৈ জীয়াই থাকিবৰ কাৰণে শৈশৱৰ পৰা কঠোৰ শ্রম কৰিছিল। ভৱিষ্যতে বিশ্বমানৱৰ মুক্তিৰ পথৰ সন্ধান দিওতা আল্লাৰ সত্যৰ যুগান্তকাৰী এজন ৰছুল বা বাৰ্ত্তাবাহক হ'ব বুলি চল্লিশ বয়সৰ পূর্ব্বলৈকে একো জনা নাছিল। তেওঁৰ স্থূল অভিজ্ঞতাৰ পৰিধি ভেড়া, ছাগলী, উট ৰখা আৰু আনৰ হৈ ব্যৱসায় কৰাত সীমাবদ্ধ আছিল।

কিন্তু তেওঁৰ সৃষ্টি ৰহস্যক বুজি পাবৰ কাৰণে এক স্বাভাৱিক অনুসন্ধিৎসা আৰু জ্ঞান আৰু যুক্তিৰে বস্তু আৰু ঘটনাৰ প্ৰকৃত মূল্যায়নৰ প্ৰয়াস কৰাৰ প্রচেষ্টা চিৰ জাগ্ৰত আছিল। আনুষ্ঠানিক কোনো শিক্ষা লাভ কৰাৰ সুযোগ তেওঁৰ হোৱা নাছিল, কিন্তু উম্মী বা নিৰক্ষৰ হৈও, তেওঁৰ সাধনা আৰু তপস্যাৰে তেওঁ পৰম আৰু চৰম ঐশী জ্ঞান আয়ত্ব কৰাত সফলকাম হৈছিল। দাৰিদ্ৰ্যৰ লগত শৈশৱৰে পৰা তেওঁ পৰিচিত আছিল আৰু ঐশ্বৰ্য্য সম্পদৰ অধিকাৰী হোৱাৰ পিছতো তেওঁ বিলাসিতা আৰু ধুনপেচৰপৰা নিজক আঁতৰাই ৰাখিছিল

তেওঁৰ বেশ-ভূষা সাধাৰণ আছিল। ককালৰ পৰা ভৰিৰ সৰু গাঁথিৰ ওপৰলৈ পৰা এখন তহ্বন্দ বা বগা কপাহী কাপোৰ (লুঙী) পিন্ধিছিল। এটা কামিজ বা কুৰ্ত্তা পিন্ধিছিল আৰু মূৰত এডাল পাগুৰি মাৰিছিল। তেওঁৰ লগৰীয়াসকলে পিন্ধা দেখি তেওঁ এটা পায়জামা (ট্রাউজাৰ) কিনিছিল। এই পায়জামাটো তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ অন্যান্য বস্তুৰ মাজত পোৱা গৈছিল। মাজে মাজে কেতিয়াবা তেওঁ এটা টুপীও পিন্ধিছিল। আৰু এযোৰ মোজাও পিন্ধিছিল। আবিছিনীয়াৰ ৰজা নেগাচে তেওঁলৈ উপহাৰ স্বৰূপে এযোৰ মোজা পঠিয়াইছিল। এই মোজাযোৰ ভৰিত পিন্ধি থাকিলে তেওঁ ৱজু কৰিবৰ হ'লে সোলোকাই নেপেলাই তাৰ ওপৰতে হাত ফুৰাইছিল। ৱাহিয়া কল্বী নামৰ এজন লোকে তেওঁক উপহাৰ দিয়া মোজা এযোৰ তেওঁ ফাটি উৰুলি নোযোৱালৈকে পিন্ধি ফুৰিছিল। তেওঁ বগা কাপোৰ ভাল পাইছিল আৰু মুৰ্দা বা মৃতকৰ কফন বা গা-ঢাকনি কাপোৰ বগা হোৱাটোৰ তেওঁ নিৰ্দ্দেশ দিছিল।

তেওঁ চমলৰ নিচিনা জোতা পিন্ধিছিল। তেওঁৰ কেঁয়া- আঙুলিত তেওঁ এটা আঙঠি পিন্ধিছিল। তাৰ ওপৰত "মোহম্মদ ৰছুলোল্লা"— কথাষাৰ লিখা আছিল। এই আঙঠিটো মোহৰ হিচাপেও ব্যৱহাৰ কৰা হৈছিল।

তেওঁ সদায় পৰিস্কাৰ সাজ-পোচাক পিন্ধিছিল। তেওঁ বিলাসী নাছিল, কিন্তু বেশ-ভূষাত জধলা-জলহ্ ও নাছিল।

তেওঁ মূৰৰ চুলিৰ সদায় যত্ন লৈছিল। ডাড়িও তেওঁ চাটি কাটি ধুনীয়াকৈ ৰাখিছিল। আৰু দাড়ি চাটি সুন্দৰকৈ ৰাখিবলৈ অন্যকো নিৰ্দেশ দিছিল। তেওঁ সদায় তেওঁৰ বিচনাৰ ওচৰত এই সাতোটা বস্তু ৰাখিছিল। —(১) এবটল তেল, (২) এখন ফণী, (৩) চকুত ঘঁহা চুৰ্মা (অঞ্জন) থোৱা এটা চুৰ্মা দানী, (৪) এখন কেঁচি, (৫) এডাল দাঁতোন, (৬) এখন আচী আৰু (৭) সৰু এটুকুৰা কাঠ।

তেওঁ আঁতৰ গোলাব আদি সুগন্ধি বস্তু বৰ ভাল পাইছিল, আৰু কোনোবাই কিবা সুগন্ধি বস্তু উপহাৰ দিলে। তেওঁ বৰ আনন্দ পাইছিল। নানা ব্যস্ততাৰ মাজত থাকিও তেওঁ ধৰ্মীয় আৰু সাংসাৰিক বিভিন্ন আলোচনাত আনৰ লগত অংশ গ্ৰহণ কৰিবৰ কাৰণে সময় উলিয়াইছিল। কথা তেওঁ লাহে লাহে কৈছিল আৰু প্ৰত্যেকটো শব্দ স্পষ্টকৈ উচ্চাৰণ কৰিছিল। তেওঁৰ মুখৰ কথাবোৰ শুনোতাৰ মনত বৈ গৈছিল। তেওঁৰ কথা-বতৰাত তেওঁ বিশুদ্ধ আৰবী ভাষা শুদ্ধ উচ্চাৰণেৰে এনে সহজ বাগ্মীতাৰে প্ৰকাশ কৰিছিল, যে তেওঁৰ মুখৰ কথাবোৰ এক ঐশ্বৰিক প্ৰেৰণাৰ পৰা উদ্বুদ্ধ হোৱা বুলি শুনোতাৰ প্ৰত্যয় জন্মিছিল। তেওঁৰ বাক্যবোৰ স্পষ্ট আৰু চমু আছিল, আৰু শব্দবোৰ যথাৰ্থ আৰু অৰ্থবহ আছিল। সাধাৰণতে জনসাধাৰণক, অনুগামীক আৰু উপস্থিত লোকসকলক সম্বোধন কৰিয়ে তেওঁ ভাষণ দিছিল।

হজৰত মোহম্মদে বাটত যাকে লগ পায় তাকে চালাম বা অভ্যৰ্থনা জনায়। আনজনে জনোৱাৰ আগতে প্ৰথমে তেওঁ নিজেই চালাম জনাইছিল। কাৰোবালৈ কিবা খবৰ-বাতৰি পঠিয়ালে লগতে দোৱা বা শুভ ইচ্ছা জনাইছিল। কাৰোবাৰ যোগে কোনোবাই তেওঁলৈ কিবা বাতৰি পঠিয়ালে। তেওঁ বাতৰি পঠিওতাজনক আৰু বাতৰি কঢ়িয়াই আনোতাজনক শুভেচ্ছা জনাইছিল। সৰু ল'ৰা-ছোৱালীয়ে খেলি-মেলি থকা দেখিলেও তেওঁ সিহঁতক স্নেহাশীৰ্বাদ

জনাইছিল। কোনোবা তিৰোতা মানুহৰ কাষেদি পাৰহৈ যাওঁতেও তেওঁলোকক অভিবাদন জনাই গৈছিল। ঘৰৰপৰা ক'ৰবালৈ যাবৰ সময়ত আৰু ক'ৰবাৰ পৰা ঘৰলৈ ঘূৰি আহি পালে, তেওঁ ঘৰৰ সকলোকে চালাম বা অভিবাদন জনাই গৈছিল। বন্ধু-বান্ধৱক লগ পালে তেওঁ হাতত ধৰি কৰমৰ্দ্দন কৰি স্বাগত জনাইছিল, সাবটি ধৰি আলিঙ্গন কৰিছিল আৰু কেতিয়াবা কপালত চুমা খাই অভ্যৰ্থনা জনাইছিল। কাৰোবাৰ হাতত ধৰি কৰমৰ্দ্দন কৰিলে আনজনে হাত একৰাই নিয়াৰ পূৰ্বে তেওঁ নিজৰ হাত একৰাই নানিছিল। কোনো ৰাজহুৱা জন সমাবেশত যোগাযোগ কৰোতে তেওঁ আনক চেৰাই গৈ আগত ঠাই কৰি লৈ বহিবৰ চেষ্টা নকৰিছিল, আৰু তেওঁ নিজে সদায় এটা চুকতহে বহিছিল। "আল্লাৰ এজন সামান্য দাস যিদৰে বহিব লাগে, মই সদায় তেনেকৈহে বহো—" তেওঁ প্ৰায়ে কৈছিল। তেওঁ গৈ কোনো ঠাইত উপস্থিত হ'লে, তেওঁক সম্মান জনাবৰ কাৰণে অন্য কোনো মানুহ বহাৰ পৰা উঠি থিয় হোৱাটো তেওঁ ভাল নেপাইছিল। তেওঁৰ ঘৰলৈ কোনো মানুহ আহিলে, সেই অভ্যাগতজনক বহিবৰ কাৰণে তেওঁ মজিয়াত এখন কাপোৰ পাৰি দিছিল, আৰু মানুহজনে বিদায় নোলোৱালৈকে তেওঁ নিজে আলহীক বিদায় নিদিছিল। তেওঁ মানুহৰ লগত বৰ আন্তৰিকতাৰে আলাপ-আলোচনা কৰিছিল আৰু আলোচ্য বিষয়ৰ মাজত অন্য প্ৰসঙ্গ উত্থাপন নকৰিছিল। কেতিয়াবা পুৰণি কালৰ কোনো কাহিনী লৈ আলোচনা কৰিছিল আৰু সেইবোৰৰ সম্পৰ্কত হাঁহি ধেমালিও কৰিছিল। কেতিয়াবা আৰবী কবিতাৰ আবৃত্তি আৰু তাৰ ওপৰত মন্তব্যও কৰা হৈছিল। কেতিয়াবা কোনো একোটা বিষয়ৰ আলোচনা কৰি থাকোতে কোনোবা শ্ৰোতা তাত অসন্তুষ্ট হোৱা যেন অনুভৱ কৰিলে, তেওঁ অন্য বিষয় আলোচনা কৰিবলৈ লৈছিল। উপস্থিত সকলোৰে লগত তেওঁ সমান আন্তৰিকতাৰে আলাপ-আলোচনা কৰিছিল, আৰু কাৰো প্ৰতি পক্ষপাতিত্ব নকৰিছিল। কোনোৱে গুৰুত্বপূৰ্ণ আলোচনাৰ মাজত অপ্ৰাসঙ্গিক কোনো বিষয়ৰ অৱতাৰণা কৰিলে তাৰ প্ৰতি কাণ নিদি তেওঁ মূল কথাৰ আলোচনা কৰিছিল, আৰু তেনে অপ্ৰাসঙ্গিক কথাৰ উত্থাপন কৰা ব্যক্তিজনৰ লগত শোধপোছ কৰিছিল। কোনোবাই কিবা বিষয় আলোচনাৰ কাৰণে উত্থাপন কৰিলে, তেওঁ তাক প্ৰত্যাখ্যান নকৰিছিল, আৰু সেই ব্যক্তিজনৰ অভিমত

গুৰুত্ব সহকাৰে শুনিছিল। মোহাম্মদে কাৰোবাক ভাল নেপালেও তেনে লোকক হাঁহি মুখেই মতা-বোলা কৰিছিল।

কোনো মানুহক লগ ধৰিবৰ কাৰণে কাৰোবাৰ ঘৰলৈ গ'লে তেওঁ বাহিৰৰ পৰা সম্ভাষণ জনাই তেওঁ অহাৰ জাননী দিছিল, আৰু গৃহস্থৰ অনুমতি লৈহে ভিতৰ সোমাইছিল। ৰাতি কেতিয়াবা কাৰোবাৰ ঘৰলৈ কাৰোবাক লগ পাবলৈ গ'লে তেওঁ এনেদৰে মাত দিছিল, যাতে সাৰে আছে যদি যেন মানুহজনে তেওঁৰ মাত শুনে আৰু টোপনিত আছে যদি যেন মানুহজনৰ তেওঁৰ মাতত টোপনি নেভাগে। গৃহস্থৰ টোপনিৰ কোনো সহাৰি নেপালে তেওঁ অসন্তুষ্টি প্ৰকাশ নকৰি মনে মনে নিজ ঘৰলৈ ঘূৰি আহিছিল। কোনোবাই তেওঁৰ গাৰ কাপোৰত পৰি থকা খেৰকুটা বা ধূলি, বালি গুচাই দিলে তেওঁ এই বুলি দোৱা কৰিছিল, "আল্লাই যেন তুমি বেয়া পোৱা বস্তুবোৰৰ পৰা তোমাক আঁতৰত ৰাখক।"

কোনোবাই দিলে তেওঁ উপহাৰ আনন্দৰে গ্ৰহণ কৰিছিল, আৰু বিনিময়ত তেওঁক উপহাৰ যাচিছিল। কেতিয়াবা অনিশ্চিতভাৱে তেওঁৰ পৰা কাৰোবাৰ কিবা ক্ষতি হ'লে তেওঁ সিপক্ষই প্ৰতিশোধ ল'ব খুজিলে তাক গ্ৰহণ কৰিবলৈ সাজু আছিল আৰু কেতিয়াবা তেনে লোকলৈ কিবা উপহাৰ পঠিয়াই দিছিল। কোনোবাই নতুন কাপোৰ পিন্ধি তেওঁৰ ওচৰলৈ আহিলে তেওঁ আনন্দ প্ৰকাশ কৰি কৈছিল, "বৰ সুন্দৰ হৈছে। পুৰণি নোহোৱালৈকে যেন পিন্ধি থকা কোনোবাই তেওঁৰ প্ৰতি কিবা অসৎ ব্যৱহাৰ কৰিলে তেওঁ কেতিয়াও তাৰ প্ৰতিশোধ নলৈছিল আৰু তাৰ বাবে ক্ষমা কৰি দিছিল।

ৰোগী আৰু অসুখীয়া লোকৰ খবৰ, বাতৰি লোৱাটো তেওঁৰ এক অপৰিহাৰ্য্য অভ্যাস আছিল। তেওঁ ৰোগীৰ ঘৰলৈ যায়, ৰোগীৰ কাষত বহি শোধপোচ কৰে, কপালত হাত ফুৰায় আৰু ৰোগীয়ে কিবা বস্তু খাব খুজিলে ৰোগীৰ কাৰণে সেই বস্তু অপকাৰী নহ'লে তেনে বস্তু অনাই দিয়ে। তেওঁ ৰোগীক সান্ত্বনা আৰু উৎসাহ দিয়ে আৰু আল্লাৰ দয়াত আৰোগ্য হোৱাৰ আশ্বাস দিয়ে। তেওঁ ইছলাম গ্ৰহণ নকৰা কোনো তেওঁৰ আত্মীয়ৰ অসুখতো খবৰ কৰিবলৈ গৈছিল। ৰোগীৰ খবৰ কৰিবলৈ যোৱাৰ তেওঁৰ কোনো নিৰ্দ্দিষ্ট সময় নাছিল। ইহুদীয়েই হওক বা অমুছলমানেই হওক বা তেওঁৰ বিৰুদ্ধাচৰণ

কৰা লোকেই হওক, কাবোবাৰ বেমাৰ বুলি শুনিলেই, আৰু তেতিয়া তেওঁৰ আজৰি সময় থাকিলেই তেওঁ ৰোগীৰ খবৰ কৰিবলৈ খৰখেদাকৈ গৈছিল। কাৰোবাৰ মৃত্যুৰ খবৰ পালেও তেওঁ ততাতৈয়াকৈ মৰাঘৰীয়ালৈ গৈ সান্ত্বনা দিছিল আৰু ৰবকৈ চিঞঁৰি কান্দিবলৈ বাৰণ কৰিছিল। মুৰ্দাক পৰিস্কাৰ বগা কাপোৰৰ কফন পিন্ধাবৰ কাৰণে তেওঁ তাগাদা দিছিল। কোনোবা মৃতকৰ মৰা-শ তেওঁৰ সম্মুখেদি নিয়া দেখা পালে, তেওঁ থিয় হৈ দিছিল, মৃতকজন লাগিলে এজন মুছলমান নহওকেই। মৰাশ বেছি পৰ ৰাখি নথৈ সোনকালে কফন বা সমাধিস্থ কৰাটোত তেওঁ গুৰুত্ব দিছিল। তেওঁ নিজেই মুছলমান মৃতকৰ জামাজাৰ নামাজ পঢ়াইছিল আৰু শৱযাত্ৰীৰ লগে লগে গৈছিল। মৰাঘৰীয়ালৈ খাদ্য আহাৰ পঠিয়াবৰ কাৰণেও তেওঁ পৰামৰ্শ দিছিল। কোনোবা মানুহে ক'ৰবালৈ যাত্ৰা কৰিবলৈ ল'লে আৰু কোনোবাই যাত্ৰা শেষ কৰি ঘৰলৈ ঘূৰি অহা দেখা পালে তেওঁ যাওতাজনক সাবটি ধৰি শুভেচ্ছা জনাইছিল আৰু আহি পোৱাজনক স্বাগত জনাই কৈছিল, "তুমি যেতিয়া প্ৰাৰ্থনা কৰা আমাৰ কথাও মনত পেলাবা, দোৱা কৰিবা।"

হজৰত মোহম্মদৰ সৰু ল'ৰা-ছোৱালীৰ কাৰণে বৰ মৰম আছিল। শিশুক তেওঁ বিহিস্তৰ ফুলনিৰ ফুল বুলি কৈছিল আৰু শিশুবোৰেই সত্য ধৰ্মৰ ভৱিষ্যৎ নেতা হ'ব বুলি আনন্দ প্ৰকাশ কৰিছিল। ল'ৰা-ছোৱালীক কোলাই বোকোচাই লৈ তেওঁ মৰম কৰিছিল আৰু সিহঁতৰ ভালৰ কাৰণে দোৱা কৰিছিল। কোনোবাই তেওঁৰ কেঁচুৱাক তেওঁৰ ওচৰলৈ আনিলে তেওঁ কেঁচুৱাক কোলাত লৈ মৰম কৰিছিল। বতৰৰ প্ৰথম ফল কিবা পালে তেওঁ পোন প্ৰথমে শিশুৰ মাজত বিলাই দিছিল। কেতিয়াবা তেওঁ সৰু ল'ৰা-ছোৱালীৰ লগত খেলি ধেমালি-ধুমুলাও কৰিছিল। তেওঁৰ দাস- দাসী আৰু অন্যান্য সকলোকে মৰম কৰিছিল আৰু কাকো কেতিয়াও মাৰপিট নকৰিছিল। শিশুৰপৰা বৃদ্ধলৈকে, পুৰুষৰ পৰা নাৰীলৈকে ধৰ্ম্ম জাতিৰ বিবেচনা নকৰি তেওঁ শ্ৰদ্ধা চেনেহ যাচিছিল।

হজৰত মোহম্মদৰ ৰাজহুৱা জীৱন আৰু ঘৰুৱা জীৱনক একেটা নীতি আৰু আদৰ্শয়েই পৰিচালিত কৰিছিল। এই সম্পৰ্কত হজৰত আয়েছা বিবিয়ে এনেদৰে কৈছিল বুলি কথিত আছেঃ —"তেওঁ অন্য মানুহেৰে একে। তেওঁৰ কাপোৰ-কানিৰ যত্ন তেওঁ নিজেই লয়, নিজেই ছাগলীৰ গাখীৰ খীৰায়, ফটা

কিচিনা. কাপোৰ-কানি নিজেই চিলাই কৰি লয়। নিজৰ ফটা জোতা নিজেই বাটিবুটি সী লয়, চামৰাৰ পানী খোৱা পাত্ৰও নিজেই ঠিক কৰি লয়। তেওঁ নিজেই খোজা কটিয়ায়, ছাগলীৰ কাৰণে ঘাঁহ দানাৰ দিহা কৰে। তেওঁ চাকৰেৰে লগ লাগি কাম কৰে; আৰু কামত তাক সহায় কৰি দিয়ে, তেওঁ নিজেই বজাৰ কৰি কাপোৰৰ টোপোলাত বান্ধি বজাৰৰ পৰা ঘৰলৈ আনে। ঘৰত তেওঁ সদায় হাঁহি ধেমালি কৰি প্ৰফুল্ল মনে থাকে।"

হজৰত আলীৰ মতে ঘৰত থাকোতে হজৰত মোহম্মদে তিনিটা কামত নিজক ব্যস্ত কৰি ৰাখিছিল, কিছু সময় নামাজ এবাদতত কটায়, কিছু সময় তেওঁৰ লগুৱা বা ঘৰুৱা কাম কৰা মানুহবোৰৰ লগত কটায় আৰু কিছু সময় জিৰণি লৈ কটায়। ইয়াৰ উপৰি কিছু সময় মছজিদত নামাজ পঢ়ি আৰু কিছু সময় বন্ধু-বান্ধৱৰ লগত দৰকাৰী আলোচনা কৰি কটায়। তদুপৰি তেওঁক লগ ধৰিবলৈ অহা ব্যক্তিসকলৰ সমস্যা আলোচনা কৰিও কিছু সময় কটাবলগীয়া হয়। প্ৰকৃতাৰ্থত জিৰণিৰ কাৰণে তেওঁ সময় অতি কমহে পাইছিল। পৰিয়ালৰ কাৰণে বস্ত্ৰ-বাহানিৰ যোগাৰ কৰা আৰু তিৰোতাসকলৰ আচাৰ-নীতিৰ সংস্কাৰ সাধন কৰাতো নিতৌ কিছু সময় কটাবলগীয়া হৈছিল। এটা সৌহাৰ্দ্যপূৰ্ণ পৰিবেশত, হাঁহি মাতি তেওঁ মহিলাসকলৰ জীৱনাদৰ্শ আৰু ৰীতি-পদ্ধতিৰ পৰিৱৰ্ত্তন সাধন কৰাৰ ব্যৱস্থা কৰিছিল। কেতিয়াবা নিজা ঘৰত মহিলাসকলৰ মাজৰ হাই কাজিয়াও কৌশলেৰে ভাঙিবলগীয়া হৈছিল। এইবোৰ সকলোতে হজৰত মোহম্মদে এজন শান্তিপ্ৰিয় আদৰ্শ গৃহস্বামী হিচাপে নিজৰ দায়িত্ব পালন কৰিছিল।

হজৰত মোহম্মদে প্ৰায় গোটেই জীৱন ৰাতি দোভাগত সাৰ পাই টোপনিৰ পৰা উঠিছিল। দাঁত মাজি, ৱজু কৰি তহজ্জুদৰ নামাজ পঢ়িছিল আৰু শান্তভাৱে কোৰাণৰ চুৰা আবৃত্তি কৰিছিল। কেতিয়াবা বহুত সময় নামাজত থিয় হৈ থকাৰ কাৰণে তেওঁৰ ভৰিবোৰ উখহি গৈছিল, আৰু কোনোবাই প্ৰাৰ্থনাৰ কাৰণে ইমান কায়কষ্ট কৰাৰ কাৰণ সুধিলে তেওঁ কৈছিল, "মই জানো আল্লাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব নালাগে ?"

বৈৰাগ্য নহয়, সাংসাৰিক সুখ-সম্ভোগৰ প্ৰতি অনাসক্ত তেওঁৰ জীৱন দৰ্শনৰ এক বিশেষ দিশ আছিল। এই পৃথিৱীৰ জীৱনকালক পৰকালৰ পথত

এক জিৰণি বুলি ধৰিবলৈ তেওঁ শিকাইছিল। নিশ্চিত পৰকালৰ সুখ শান্তিৰ কাৰণে দৃঢ় আশা পোষণ কৰা লোকসকলে এই সংসাৰৰ ভোগ-বাসনাত নিজক মত্ত ৰখাটো অদূৰদৰ্শিতাৰহে পৰিচায়ক বুলি তেওঁ বুজনি দিছিল। হজৰত মোহম্মদে বা তেওঁৰ সহচৰ অনুচৰসকলে থাকিবলৈ ডাঙৰ অট্টালিকা আদি সজা নাছিল। আৰু দামী খাট, পালেং, চকী, মেজ আদিও সজোৱা গোটোৱা নাছিল। জাৰ গৰমৰ পৰা ৰক্ষা পৰিবৰ জোখাৰে সাধাৰণ জিৰণি ঘৰৰ নিচিনা ঘৰ সজাই তাতেই তেওঁলোকে বসবাস কৰিছিল। বনৰীয়া জন্তুৰ পৰা ৰক্ষা পৰিব পৰাকৈ আৰু পাৰিবাৰিক গোপনীয়তা ৰক্ষা কৰিব পৰাকৈ ঘৰবাৰী সজা হৈছিল। মছজিদৰ ওচৰে-পাজৰে পৰিয়ালৰ লোকসকল থাকিব পৰাকৈ সৰু সৰু কোঠাৰ ঘৰ সজা হৈছিল। আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ বাহিৰে অন্য কোনো সাজন-কাচন ঘৰবোৰত নাছিল। নিজ নিজ ঘৰৰ মজিয়া, চোতাল পৰিষ্কাৰ কৰি ৰাখিবৰ কাৰণে তেওঁৰ সহচৰ আৰু শিষ্যসকলক তেওঁ নিৰ্দ্দেশ দিছিল। তেওঁৰ ঘৰত বাচন-বাটি তেনেই কম আছিল। আৰু সেইবোৰ আহাৰ খাবৰ কাৰণেহে ৰখা হৈছিল। খাদ্য বস্তুৰ যোগাৰ বহু কষ্টেৰেহে কৰা হৈছিল, গতিকে খাদ্য ভঁড়ালৰ প্ৰশ্নই নাছিল।

চামৰাৰ এটা ডাঙৰ মোনাও খেৰ ভৰাই লৈ তাকে শোৱা তুলি বা বিচনা হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ চাৰপাইখন মৰাপাটৰ ৰচিৰে তৈয়াৰ কৰা হৈছিল, আৰু তুলি তোষক একো নোহোৱাকৈ তেওঁ তেনেকুৱা পঘাৰে সজা চাৰপাইৰ ওপৰতে শুইছিল। তেনেকৈ শোৱাৰ কাৰণে তেওঁৰ গাত ৰছিৰ দাগ বহি গৈছিল। তাকে দেখি এবাৰ হজৰত ওমৰে চকুপানী টুকুছিল— "ৰোম, ইৰাণৰ নৃপতিসকলে কোমল তুলাৰ দুগ্ধ ফেন-নিভ শয্যাত আৰাম কৰি শোৱে, আৰু ৰছুলৰ শৰীৰত পঘাৰ দাগ!" কেতিয়াবা বস্তাকো বিচনা হিচাপে ব্যৱহাৰ কৰিছিল। এবাৰ বস্তা চাৰি জাপকৈ বিচনা কৰি লোৱাৰ কাৰণে হজৰত মোহম্মদৰ ইমান গভীৰ টোপনি আহিছিল যে তেওঁ তহজ্জুদৰ নামাজ পঢ়িবৰ কাৰণে সাৰেই নাপালে। তেওঁৰ বৰ বেয়া লাগিল আৰু আগলৈ এনেকুৱা আৰামৰ বিচনা তেওঁৰ কাৰণে নকৰিবৰ কাৰণে নিৰ্দ্দেশ দিলে।

আহাৰ বিহাৰৰ বিষয়ত হজৰত মোহম্মদ বৰ পৰিচ্ছন্ন আৰু মিতাচাৰী আছিল। মাংস খাই তেওঁ ভাল পাইছিল। চুকহা আৰু ময়দাৰে বনোৱা আৰবৰ

এক প্ৰকাৰৰ খাদ্য তেওঁৰ প্ৰিয় খাদ্য আছিল। মৌ- জোল, চিৰ্কা (ভিনেগাৰ), তৰমুজ, কোমোৰা, মাখন আৰু দাইল দি বনোৱা ভাত (খিচিৰী) তেওঁ বৰ ভাল পাইছিল। গাখীৰ বা মাখনৰ লগত মিহলোৱা আৰবৰ খেজুৰো তেওঁ খাই ভাল পাইছিল। চিৰাল আৰু তৰমুজ চেনি সানি খাই ভাল পাইছিল। খেজুৰ পানীত তিয়াই ৰাখি সেই পানী অলপ অলপকৈ পি খাই শেষ কৰি তেওঁ সিতাবোৰ পেলাই দিছিল। পানী বা চৰ্বত খালে একেশোহাই নেখাই তিনিবাৰে পি-খাইছিল, আৰু প্ৰত্যেকবাৰতে আল্লাৰ প্ৰশংসা কৰিছিল। চকী, মেজত আহাৰ খোৱাৰ নিয়ম নাছিল। সক কাহী বা বাচনত আহাৰীয় পৰিবেশন কৰাটো তেওঁ ভাল নেপাইছিল। সোণ বা ৰূপৰ থালত আহাৰ খোৱাটো তেওঁ বাৰণ কৰিছিল। কাঠৰ চৰিয়াত, লোহাৰ পাত খুঁউৱা ডাঙৰ পাত্ৰত সমজুৱাকৈ আহাৰীয় বাঢ়ি দিয়া হৈছিল। মাটিৰ, চিচাৰ, কাঠৰ পাত্ৰ আহাৰৰ পাত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। মাটিৰ ওপৰত পৰা আসনৰ ওপৰত খাবলৈ বহাৰ আগতে তেওঁ জোতা খুলি লৈছিল আৰু হাত ধুই লৈছিল। সদায় খাদ্য সোঁহাতেৰে খাইছিল আৰু বাচনৰ নিজৰ গাৰ ফালে থকা ফালৰ পৰা আহাৰ খাই গৈছিল। খাবৰ সময়ত একোতে আউজি নলৈছিল। সাধাৰণতে ভৰি আসন পাতি বহি, বা ভৰি পিছলৈ দি বহি তেওঁ খাইছিল। কোনো খোৱা বস্তু খাই বেয়া পালে কোনো সমালোচনা নকৰি মনে মনে এৰি দিছিল। তেওঁ বৰ তপত আহাৰ ভাল নেপাইছিল। কেতিয়াবা তৰকাৰীৰ মাংস কটাৰীৰে কাটি খালেও তেওঁ হাতেৰে আহাৰ খাইহে বেছি ভাল পাইছিল। তেওঁ সাধাৰণতে তিনিটা আঙুলিৰে ধৰি আহৰীয় খাইছিল। কেতিয়াবা কোনো ফল তেওঁ থিয়ৈ থিয়ৈও খাইছিল। মিঠা আহাৰ খাই তেওঁ ভাল পাইছিল। পানীত গুলি সিজোৱা বাৰ্লি খায়ো তেওঁ ভাল পাইছিল। চুকহা তৈয়াৰ কৰিলে সৰহীয়াকৈ বনাবলৈ কৈছিল যাতে তাৰ ভাগ ওচৰ-চুবুৰীয়াকো দিব পৰা যায়। খাই উঠি ভালকৈ হাত-মুখ ধোৱাটো তেওঁৰ অভ্যাস আছিল। আলহী থাকিলে তেওঁক আহাৰ খাবৰ কাৰণে টানি অনুৰোধ কৰিছিল। আৰু মনত খুকুৰি নৰখাকৈ মুকলি মনেৰে খাবলৈ অনুৰোধ কৰিছিল। কোনোবাই খাবলৈ নিমন্ত্ৰণ কৰিলে তেওঁ সদায় সেই নিমন্ত্ৰণ ৰক্ষা কৰিছিল। লগত কোনোবা গ'লে তেওঁক খাবলৈ নিমন্ত্ৰণ কৰিবৰ কাৰণে গৃহস্থক অনুৰোধ জনাইছিল। আহাৰ খোৱাৰ শেষত আল্লাৰ প্ৰতি কৃতজ্ঞতা

জনোৱাৰ লগতে গৃহস্থকো দোৱা কৰিছিল। লগত খাইথকাসকল উঠাৰ পিছতহে তেওঁ খোৱাৰ আসনৰ পৰা উঠিছিল। নিজৰ খোৱা শেষ হ'লেও, লগৰ অন্যান্যসকলৰ খাই শেষ নোহোৱা পৰ্য্যন্ত তেওঁ বহাৰ পৰা নুঠিছিল। দুৰ্গন্ধ-যুক্ত বস্তু তেওঁ বেয়া পাইছিল, সেইদেখি তেওঁ পিয়াজ আৰু নহৰু নেখাইছিল। তেওঁলৈ কোনোবাই কিবা খাদ্যবস্তু পঠিয়ালে তেওঁ উপস্থিত সকলোৰে মাজত ভগাই দি আৰু অনুপস্থিতসকলৰ কাৰণে ভাগ ৰাখিহে নিজে খাইছিল। এবাৰ খাদ্যত বিহ মিহলাই তেওঁক হত্যা কৰাৰ চেষ্টা কৰা হৈছিল। তাৰ পিছৰ পৰা তেওঁ বাহিৰৰ কোনোবাই তেওঁলৈ কিবা খাদ্য বস্তু পঠিয়ালে তাৰে অলপ আনোতাজনক খাই দেখুৱাবলৈ কৈছিল। এনেবোৰ নিয়ম-নীতি মানি চলিলেও তেওঁ খাদ্য বস্তুৰ অভাৱত প্ৰায়ে লঘোনে থাকিবলগীয়া হৈছিল।

হজৰত মোহম্মদ প্ৰায়ে মাটিত আসন পাতি বহিছিল। কেতিয়াবা হাতেৰে আঠু সাবটিও বহিছিল। সাধাৰণতে বাওঁহাতৰ ওপৰত ভেজা দি বহিছিল। কিবা এটা কথা গভীৰভাৱে চিন্তা কৰি থকাৰ সময়ত তেওঁ প্ৰায়ে হাতত কিবা মাৰি এডাল লৈ মাটি খুচৰি থাকিছিল। তেওঁ সোঁ-কাটি হৈ শুইছিল আৰু সোঁহাতৰ তলুৱাখন গালেৰে হেচি ৰাখিছিল। কেতিয়াবা তেওঁ ওপৰলৈ মূৰকৈও শুইছিল, আৰু তেতিয়া গোটেই গাটো এখন কাপোৰেৰে ঢাকি লৈছিল যাতে গাৰ কোনো অঙ্গ উদং হৈ নেথাকে। তললৈ মুখ কৰি শুবলৈ তেওঁ বেয়া পাইছিল, আৰু আনকো তেনেকৈ শুবলৈ হাক দিছিল। তেওঁ আন্ধাৰ কোঠালিত অথবা ওপৰত চালি নথকা ঘৰত শুবলৈ বেয়া পাইছিল। তেওঁ শোৱাৰ আগতে সদায় ৱজু কৰিছিল, আৰু কোৰাণ পঢ়ি পঢ়ি টোপনি গৈছিল। ৰাতি পেছাব, পায়খানা কৰিবলৈ গ'লে, শেষ কৰি আহি হাত-মুখ ধুইহে আকৌ শুইছিলহি। সেই কালত পায়খানা নথকাৰ ক:ৰণে তেওঁ কেতিয়াবা নিৰ্জন ঠাই বিচাৰি ঘৰৰ পৰা দুমাইলমান দূৰলৈ পৰ্য্যন্ত গৈছিল। গা-ধোওঁতে তেওঁ সদায় এখন পৰ্দাৰ আঁৰত ধুইছিল, আৰু বৰষুণত গা ধুলে সদায় এখন কাপোৰেৰে গাটো ঢাকি লৈছিল। হাঁচি আহিলে তেওঁ নাকত সদায় এখন কাপোৰ লৈছিল।

সাধাৰণতে তেওঁ বৃহস্পতিবাৰে যাত্ৰা আৰম্ভ কৰিছিল, আৰু তেওঁ উঠা যান-বাহন খৰকৈ চলাইছিল। ৰাতি ক'ৰবাত জিৰাবলগীয়া হ'লে, পিছদিনা

প্ৰতি সোনকালে উঠি আকৌ যাত্ৰা আৰম্ভ কৰিছিল। ভ্ৰমণৰ মাজতে জিৰণিৰ সময়ত তেওঁ জুই জ্বলাবৰ কাৰণে খৰি বিচাৰি বুটলি আনিবলৈ যোৱা নেপাইছিল।

অন্য মানুহৰ নিচিনাকৈয়ে হজৰত মোহম্মদেও জীৱনত বিভিন্ন তিতা-মিঠা অভিজ্ঞতাৰ মাজেদি কালাতিপাত কৰিবলগীয়া হৈছিল। নিজৰ সন্তানৰ মৃত্যুত যিদৰে চকুপানী টুকি কান্দিবলগীয়া হৈছিল, তেনেকৈ বন্ধু-বান্ধৱক লগ পোৱাত কাৰোবাৰ বিয়া-বাৰু আদিত প্ৰাণ ঢালি আনন্দ উপভোগ কৰিছিল। তেওঁ সদায় হাঁহিমুৰা আৰু প্ৰফুল্লমনা আছিল। ঘৰৰ পা-পৰিয়াল, আত্মীয়-স্বজনৰ লগত যিদৰে হাঁহি ধেমালি কৰিবলৈ ভাল পাইছিল, তেনেকৈ ঘৰৰ বাহিৰতো লগৰীয়া সমনীয়া বন্ধু-বান্ধৱ পালে ৰং ধেমালি নকৰি নেথাকিছিল। অশ্লীল নহ'লে গান তেওঁ ভাল পাইছিল। জনপ্ৰিয় আৰবী কবিসকলৰ কবিতাও তেওঁ বৰ ভাল পাইছিল। কোনো কোনো বিয়া উৎসৱ আদিত গায়িকাই গান গালে তেওঁ বাধা নিদিছিল। তেওঁ আনকি কাৰোবাৰ বিয়াত এফালে খোলা থকা আৰবী ঢোলো বজাইছিল। সৰ্ব্বসাধাৰণ মানুহে পৰম্পৰাগতভাৱে যিবোৰ খেলা-ধূলা, আমোদ-প্ৰমোদ, গীত-মাত ভাল পাইছিল, নৈতিকতাবৰ্জ্জিত নহ'লে আৰু অশ্লীল নহ'লে সেইবোৰৰ চৰ্চ্চা কৰাটোত তেওঁ বাধা নিদিছিল।

তেওঁ শৰীৰ চৰ্চ্চা কৰাৰো অভ্যাস কৰিছিল আৰু ব্যায়াম, কুস্তি, কছৰৎ আদিৰ অনুশীলন কৰিও আনন্দ লাভ কৰিছিল। ঢল বৰষুণ আহিলে বা ক'ৰবাত সুবিধা পালে তেওঁ পানীত সাঁতুৰিও আনন্দ পাইছিল। কুস্তি- পাহলোৱানী, খেলা, দৌৰ, ধনুৰ্বিদ্যা আদিতো তেওঁ বৰ আনন্দেৰে অংশ গ্ৰহণ কৰিছিল। নিজে লিখা পঢ়া কৰিব নেজানিছিল যদিও, হজৰত মোহম্মদৰ কবিতাৰ প্ৰতি বৰ ৰাপ আছিল। কাৰোবাৰ হতুৱাই কোনোবা প্ৰখ্যাত জনপ্ৰিয় কবিৰ কবিতা আবৃত্তি কৰাই শুনিছিল। নাতিনীয়েক হজৰত হাছানক, কোনো অমুছলমান কবিৰ ইছলামৰ প্ৰতি প্ৰতিকূল ভাব প্ৰকাশ কৰা কবিতাৰ বিৰুদ্ধে কবিতা লিখিবলৈ কৈছিল। কবিতাক সুস্থ ভাবধাৰা প্ৰকাশৰ আৰু অসুন্দৰ ভাবধাৰা নিৰ্ম্মূল কৰাৰ এক শক্তিশালী অস্ত্ৰ হিচাপে তেওঁ গণ্য কৰিছিল। এবাৰ তেওঁ কৈছিল, "এজন মুছলমানে তৰোৱালেৰেও জেহাদ কৰে, শব্দেৰেও জেহাদ কৰে।"

মঙ্গল চোৱা, ভৱিষ্যদ্বাণী কৰা আদিৰ নিচিনা কু-সংস্কাৰবোৰক তেওঁ প্ৰশ্ৰয় নিদিছিল। তেওঁ সৰ্বশক্তিমান আৰু সৰ্বজ্ঞ আল্লাৰ ওপৰত একান্ত বিশ্বাসী আৰু নিৰ্ভৰশীল আছিল। তেওঁ শান্তিপ্ৰিয় আছিল আৰু হাই- কাজিয়া, কোলাহল, হুৰমুৰ, লৰাধপৰা ভাল নেপাইছিল। তেওঁ বৰ ভদ্ৰ আৰু শিষ্টাচাৰী আছিল। তেওঁ অত্যন্ত ক্ষমাশীল আছিল। তেওঁৰ জীৱনৰ পৰম শত্ৰুজনকো তেওঁ অকপটভাৱে ক্ষমা কৰি দিছিল। কোনোবাই তেওঁৰ পৰা কিবা ধাৰলৈ বিচাৰিলে নিজৰ নেথাকিলে ক'ৰবাৰ পৰা বিচাৰি আনি দি হ'লেও সহায় কৰিছিল।

তেওঁৰ মনোবল, সাহস আৰু আত্মবিশ্বাস অত্যন্ত দৃঢ় আৰু শক্তিশালী আছিল। তেওঁ উপলব্ধি কৰা সত্যক পৃথিৱীৰ আগত নিৰ্ভীকভাৱে দাঙি ধৰাৰ সাহস তেওঁৰ আছিল। তেওঁ অকলেই নতুন সত্য আৰু নতুন জীৱনাদৰ্শনৰ সমৰ্থনত বিৰোধৰ সম্মুখীন হ'বলৈ সাহস কৰিছিল। নবুৱত লাভ কৰাৰ তিনি বছৰৰ ভিতৰত মাত্ৰ ত্ৰিশজন তেওঁৰ সমৰ্থক ওলাইছিল। তেওঁৰ নিজ পৰিয়ালৰ মানুহেই তেওঁৰ ঘোৰ বিৰোধিতা কৰিছিল। কিন্তু তেওঁ নতুন সত্য একেশ্বৰবাদ প্ৰচাৰ কৰাৰ বিষয়ত অকণো পিছপাও হোৱা নাছিল। এই বিষয়ত তেওঁৰ দৃঢ়তা শীলাৰ দৰে কঠিন আছিল। তাৰ কাৰণে জীৱন পৰ্য্যন্ত ত্যাগ কৰিবৰ কাৰণে তেওঁ সদায় প্ৰস্তুত আছিল।

সেই সময়ত আৰববাসীসকলৰ মাজত এটা প্ৰথা প্ৰচলিত আছিল। প্ৰত্যেক বছৰ, এটা বিশেষ সময়ত ধাৰ্ম্মিক আৰু চিন্তাশীল লোকসকল কোনো এক ধৰ্মস্থানত সমবেত হয়। সাধাৰণতে তাৰ কাৰণে মানুহ-দুনুহ নথকা দূৰণীৰ কোনো অচুতীয়া ঠাই বিচাৰি লৈছিল, আৰু তাত সমবেত হৈ ধৰ্মীয় চিন্তা-চৰ্চা, আলোচনা আৰু সংযম আৰু পূজা প্ৰাৰ্থনাত ব্ৰতী হৈছিল। এই ধৰ্মীয় অনুষ্ঠানক তহন্নুছ বা তহন্নুক বোলা হৈছিল। মোহম্মদে এই অনুষ্ঠানত যোগ দান কৰিছিল, আৰু তাত গৈ জ্ঞান-সাধনা আৰু আধ্যাত্মিক তপস্যা কৰাৰ পৰিবেশ বিচাৰি

পাইছিল। জন-সংসৰ্গৰ পৰা নিলিপ্ত এক ধৰ্মীয় বাতাবৰণত তেওঁ শান্তি আৰু আধ্যাত্মিক আত্মানুসন্ধানত ব্ৰতী হৈ মুক্তভাৱে বিশ্ব ৰহস্য উদ্‌ঘাটনৰ চেষ্টা কৰিবলৈ সুবিধা পাইছিল। মক্কাৰপৰা দুই মাইল উত্তৰত থকা হিৰা পৰ্বতৰ এটা গুহাত তেওঁ নিৰিবিলি এটা শান্ত পৰিবেশত ধ্যানত মগ্ন হোৱাৰ ব্যৱস্থা কৰি লৈছিল। তেওঁ গোটেই ৰমজান মাহটো এই হিৰা পৰ্বতৰ গুহাত সোমাই অকলে অকলে ধ্যান কৰি কটাইছিল। একান্ত নিঃসঙ্গভাৱে ধ্যানত মগ্ন থকা সময়ছোৱাত কোনোৱে তেওঁক আমনি নকৰিছিল। মাজে মাজে ঘৰত কোনোবা বনুৱাই নি তেওঁক কিছু আহাৰ দি থৈ আহিছিল। এনেদৰে গভীৰ ধ্যানত সত্য উদ্‌ঘাটন আৰু উপলব্ধিৰ সাধনাত লাগি থাকোতে কেতিয়াবা তেওঁ আহাৰ-বিহাৰৰ কথা, নিজৰ কথা আৰু বাহিৰ্জগতৰ কথাও পাহৰি গৈছিল। তেওঁৰ সপোনৰ জগত আৰু বাহিৰৰ জগতখন একাকাৰ হৈ পৰিছিল।

মক্কাবাসীৰ ধৰ্মবিশ্বাস আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠান, খ্ৰীষ্টান আৰু ইহুদীসকলৰ ধৰ্মৰ কথা আদিৰ বিষয়ে তহমুহত হোৱা আলাপ আলোচনাৰ কথা-বতৰাবোৰেও তেওঁক ভবাই তুলিছিল। আৰু সেইবোৰৰ যথাৰ্থতা আৰু যুক্তিযুক্ততা সম্পৰ্কে নিজস্বভাৱে চিন্তা কৰিবৰ কাৰণেও তেওঁ হিৰাৰ গুহাত সোমাই থকা সময়ত নিজক লৈ ভাবজগতত প্ৰবেশ কৰিছিল। প্ৰচলিত ধৰ্মবোৰৰ মাজত সোমাই থকা ভুল-ভ্ৰান্তি, কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু কল্পনাশ্ৰয়ী অবাস্তৱ কথাবোৰৰ প্ৰাসঙ্গিকতা আৰু প্ৰয়োজনৰ বিষয়ে গভীৰভাৱে চিন্তা কৰি, মানুহৰ ইহজাগতিক আৰু পাৰলৌকিক জীৱনৰ মুক্তি আৰু মোক্ষলাভৰ পথৰ সন্ধান কৰাত তেওঁ অধীৰভাৱে ব্যস্ত হৈ পৰিছিল। আত্মিক আৰু আধ্যাত্মিক সত্যানুসন্ধানত গভীৰভাৱে আত্মনিয়োগ কৰিলেও হজৰত মোহম্মদে কাহানিও ধৰ্মযাজক বা পুৰোহিত বা ধৰ্মীয় উপদেশদাতা 'গুৰু' হ'ব খোজা নাছিল।

সত্যৰ স্বৰূপ সম্পৰ্কে প্ৰথমে তেওঁ নিজৰ উপলব্ধিৰ আধাৰত প্ৰত্যয় লাভ কৰাৰ প্ৰয়াস কৰিছিল, আৰু তেনে অৱস্থাত আনক ধৰ্মোপদেশ দিবলৈ যোৱাৰ কথা ভবা নাছিল। সত্যৰ স্বৰূপ উপলব্ধিৰ যোগেদি নিজক আৱিষ্কাৰ কৰাৰ নিঃসঙ্গ উপাসনাৰ মাজেদিয়েই তেওঁ দিনবোৰ কটাই নিছিল।

অন্যান্য ধৰ্মৰ গুৰুসকলে বা প্ৰচাৰকসকলে প্ৰচাৰ কৰা ধৰ্মৰ কথা

কাহিনীবোৰৰ মাজত যেন মোহম্মদে তেওঁ বিচৰা সত্যৰ স্বৰূপ বিচাৰি পোৱাৰ আশা কৰিব পৰা নাছিল, সেয়ে তেওঁ সৌন্দৰ্য্য আৰু শান্তি সত্যৰ আধাৰ ইন্দ্ৰিয়গ্ৰাহ্য এই আকাশ-পৃথিৱী, গ্ৰহ-নক্ষত্ৰ, জীৱ-জন্তু, কীট-পতংগবোৰৰ মাজত, মানুহৰ কল্পনা আৰু অনুভূতিজগতৰ মাজত এক পৰম আৰু চৰম সত্য বিচাৰি পোৱাৰ সাধনা কৰিছিল। জগতখনেই আছিল তেওঁৰ আগত সকলো জ্ঞানৰ পুথি। সৃষ্টিৰ গভীৰ অন্তৰ্নিহিত সত্যক মাজতে মানুহৰ সকলো দুৰ্লভ ৰহস্য লুকাই আছে। আৰৱ ৰাষ্ট্ৰৰ প্ৰকৃতিৰ মাজত ... সত্যৰ ... থকা ... যে নিৰ্জীৱ নিৰ্জীৱ বস্তু নিষ্প্ৰাণ শিল, সেইবোৰক ... নিচিনা সাধ্য ... কোনো সৃষ্টি। আৰৱবাসীৰ সকলো ... আৰু সেইবোৰৰ পূজা সেৱা যে এক যুক্তিহীন, অসাৰ্থক সংস্কাৰ, মোহম্মদে নিজৰ চিন্তাৰে সেই কথাত নিজকে পতিয়ন নিয়াইছিল। এই আকাশ, এই পৃথিৱী, এই চন্দ্ৰ, এই সূৰ্য্য, এই নানান প্ৰাণী— এইবোৰৰ স্ৰষ্টা নিশ্চয় এই নিশ্চল, নিৰ্জীৱ মূৰ্ত্তিবোৰ নহয়। এই সকলোৰে এজন স্ৰষ্টা নিশ্চয় ক'ৰবাত আছে, তেওঁ অনাদি, অনন্ত, চিৰবৰ্ত্তমান, চিৰজাগ্ৰত। সৃষ্টিৰ ৰহস্য বুজিব লাগিলে সৃষ্টিৰ লগত স্ৰষ্টাৰ সম্পৰ্ক বুজি পাব লাগিব, জীৱনৰ অৰ্থ বুজি পাব লাগিব, মৃত্যুৰ স্বৰূপ বুজি পাব লাগিব। শিলৰ মূৰ্ত্তিক পূজা কৰি সেই সত্যৰ স্বৰূপ উদ্ঘাটন কৰা নেযায়।

সমগ্ৰ সৃষ্টি যি নিৰ্দিষ্ট নীতিৰ আধাৰত বৰ্তি আছে, সেই নীতিৰ নিশ্চয় কোনো এক অদৃশ্য নিয়মক আৰু নিয়ন্তা আছে। এইবোৰ কোনো এক আকস্মিক দুৰ্ঘটনাৰ ফল নহয়। জীৱনক বুজি পোৱা, জগতক বুজি পোৱা, জীৱন আৰু জগতৰ উৰ্দ্ধৰ অনন্ত আৰু চিৰন্তন সত্যক বুজি পোৱা— কোনো ধৰ্ম্মই যদি আমাক তাৰেই সন্ধান নিদিয়ে, আমাক মহাজীৱনৰ পথৰ সন্ধান নিদিয়ে, তেন্তে সেইবোৰ ধৰ্ম্মৰ আশ্ৰয়ত থাকি মানুহৰ কি লাভ হ'ব?

হিৰাৰ গুহাত ধ্যানমগ্ন মোহম্মদৰ সকলো চিন্তা ধ্যান কেন্দ্ৰীভূত হৈছিল এনেবোৰ সমাধানৰ পথ বিচাৰি উলিওৱাত— যি সত্য হজৰত নূহে বিচাৰি পাইছিল, হজৰত মুছাই বিচাৰি পাইছিল, হজৰত ইব্ৰাহিমে বিচাৰি পাইছিল, হজৰত ঈছাই বিচাৰি পাইছিল, যি সত্য যুগ যুগৰ মাজেদি পৃথিৱীৰ মানুহৰ জীৱনৰ আধাৰ হৈ আহিছে, যাৰ ভিতৰত বিৰোধ সৰ্ব্বকালীন সত্য আৰু

সৌন্দৰ্য্যেৰে সমৃদ্ধ, মোহম্মদে সেইবোৰৰ তেওঁৰ নিজৰ উপলব্ধিৰ আধাৰত নতুনকৈ মূল্যায়ন কৰি মানুহৰ জীৱনৰ কাৰণে প্ৰয়োজনীয় হয়নে নহয় বিচাৰ কৰিবৰ কাৰণে ঐশ্বৰিক প্ৰেৰণাৰ সন্ধান কৰিছিল হিৰাৰ গুহাত সোমাই ধ্যানস্থ হৈ থকা সমাহিত অৱস্থাত।

এনেকৈয়ে মোহম্মদৰ জীৱন আহি ৪০ বছৰৰ দুৱাৰ দলিত ব'লহি। সাংসাৰিক জীৱনত সকলোবোৰ দায় দায়িত্ব নিষ্ঠাৰে পালন কৰি যোৱাৰ লগতে আজৰি উলিয়াই তেওঁ সৃষ্টি ৰহস্য উদ্ঘাটনৰ নীৰৱ সাধনাও কৰি গ'ল। অভিজ্ঞতা আৰু জ্ঞানৰ কৰ্ষণৰ মাজেদি তেওঁ এক সৰ্ব্বকালীন সত্যক বিচাৰি পোৱাৰ সম্ভাৱনা বুকুত বান্ধি ধ্যানৰ পথত ব্ৰতী হৈ আগুৱাই গৈ থাকিল। ক্ৰমে বাহ্যিক ভ্ৰান্তিবোৰ অতিক্ৰম কৰি তেওঁ সত্যৰ পোহৰৰ অভ্ৰান্ত অন্বেষণত আগ বাঢ়িল। মানুহৰ মুক্তিৰ সহজ পথ বিচাৰি পাবৰ কাৰণে তেওঁ অনন্ত জ্ঞানৰ অধিকাৰী আল্লাৰ কৰুণাৰ কাৰণে বিনীতভাৱে প্ৰাৰ্থনা কৰি গ'ল। দিনে ৰাতিয়ে তেওঁ সত্যৰ ধ্যান কৰিলে, মাজে মাজে দীৰ্ঘদিন নেখায় নবৈ ৰোজা ৰাখিলে, অনশন কৰিলে। মাজে মাজে তেওঁ হিৰা গুহাৰ পৰা বাহিৰ ওলাই আহে, নিৰ্জ্জন প্ৰান্তত অকলে কিছু ফুৰে, তাৰ পিছত আকৌ ধ্যানৰ থলিলৈ ঘূৰি যায়। প্ৰায় ছমাহদিন এনেকৈ অহৰ্নিশে গভীৰ চিন্তা আৰু তপস্যাত পাৰ হৈ গ'ল। একোটা চিন্তাৰ পৰা মুহূৰ্ত্তৰ কাৰণেও নিজক মুক্ত কৰিব নোৱাৰাৰ কাৰণে তেওঁৰ মনে মনে ভয়েই হৈছিল যেন তেওঁক কিহবাই পাইছে। এই কথা তেওঁ পত্নী খাদিজাকো জনাইছিল। কিন্তু খাদিজাই তেওঁক নিৰ্ভয় দিছিল আৰু তেওঁৰ নিচিনা নিৰ্ম্মল চৰিত্ৰ আৰু অবিচলিত মনোবলৰ এজন মানুহক কোনো অপশক্তিয়ে একো কৰিব নোৱাৰিব বুলি নিৰ্ভয় দিছিল। এনেদৰে মোহম্মদ যে এক পৰম সত্য উপলব্ধিৰ চৰম মুহূৰ্ত্তৰ ফালে আগুৱাইছে, সেই কথা তেওঁলোকে তেতিয়ালৈকে ভাবিব পৰা নাছিল। এইদৰে হিৰা পৰ্ব্বতৰ গুহাত এক স্বৰ্গীয় জ্যোতিয়ে বিশ্ব-মানৱৰ কাৰণে এটা নতুন যুগান্তৰৰ আলোকপাত কৰাৰ উন্মেষ হৈছে বুলি মোহম্মদ আৰু খাদিজা এজনেও ভাবিব পৰা নাছিল। এক অখ্যাত মৰুৰ সন্তান ভেড়া ৰখীয়া যে মানুহৰ ত্ৰাণকৰ্ত্তা ৰূপে আৱিৰ্ভাৱ হ'ব সেই কথা কোনেও ভবা নাছিল।

হিৰা পৰ্ব্বতৰ নিৰ্জ্জন গুহাৰ মজিয়াত মোহম্মদ টোপনি গৈছিল। সেই নিদ্ৰাৰ মাজতে এক অচিনাকি ফিৰিস্তা আহি মোহম্মদৰ সন্মুখত বৈ ক'লে — "পঢ়া।"

নিৰক্ষৰ মোহম্মদে বিস্ময়ত অভিভূত হৈ ক'লে, "মই কি পঢ়িম?"

মোহম্মদৰ ধাৰণা হ'ল সেই দেৱদূতজনে যেন তেওঁৰ টেটু চেপি ধৰিছে। অলপ পিছত যেন তেওঁ তেওঁক এৰি দিলে আৰু ক'লে, "পঢ়া।"

একেই নির্দেশ।

পুনৰ মোহম্মদে ভয়ে ভয়ে ক'লে, "মই কি পঢ়িম ?"

আকৌ এবাৰ মোহম্মদৰ সেই ফিৰিস্তাজনৰ হাতত উশাহ বন্ধ হোৱা যেন ধাৰণা হ'ল। ফিৰিস্তাজনে আকৌ ক'লে— "পঢ়া।"

তৃতীয়বাৰৰ কাৰণে মোহম্মদে সুধিলে, "মই কি পঢ়িম ?" তেওঁৰ তেতিয়া আৰু বেছি ভয় লাগিছিল, জানোচা, এইবাৰ আৰু বেছিকৈ টেটু চেপি ধৰে।

এইবাৰ ফিৰিস্তাজনে ক'লে, "সৃষ্টিকর্ত্তা, তোমাৰ প্ৰভু আল্লাৰ নামত পঢ়া। যি এক সামন্য ৰক্তকণাৰ পৰা মানুহক সৃষ্টি কৰিছে। পঢ়া। আল্লাহ পৰম দয়ালু, করুণাময়, তেওঁ কলমৰ সহায়ত মানুহক সেই কথা শিকায়, যি কথা মানুহে নেজানে।"

এইবাৰ মোহম্মদে ফিৰিস্তাজনে শিকায় দিয়া কথাখিনি নিজ মুখেৰে আবৃত্তি কৰিলে, কেইবাবাৰো গালে। এই কথাকেইষাৰ যেতিয়া তেওঁৰ মনত বৈ গ'ল, তেতিয়া ফিৰিস্তাজন অৰ্ন্তধ্যান হ'ল। মোহম্মদৰ এই প্ৰথম আল্লাৰ ৱহী বা ঐশীবাণী লাভ কৰাৰ সৌভাগ্য হ'ল। তেওঁ আল্লাৰ অনুগ্ৰহত, আল্লাৰ নিৰ্দ্দেশত, দেৱদূতে বহন কৰি অনা আল্লাৰ বাণী লাভ কৰিলেঃ "পঢ়া, করুণাময় স্ৰষ্টাৰ নামত দয়াময় আল্লাৰ নামত পঢ়া।"

কোনো কোনো মোহম্মদৰ জীৱনী লিখকে তেওঁৰ জাগ্ৰত অৱস্থাতে এই দৈৱবাণী বা ৱহী নাজিল বা অৱতীর্ণ হোৱা বুলি কয়। কিন্তু আবু নঈম আল্ ইছ্বাহানিৰ বক্তব্যৰ উদ্ধৃতি দি আল্ কামিল ফিল্ তাৰিখৰ লিখক ইব্‌নে কছীৰে মত প্ৰকাশ কৰিছে যে টোপনিত থকা অৱস্থাতহে প্ৰথম ৱহী নাজিল হৈছিল। ঐশীবাণী লাভ কৰাৰ এই পৰম মুহূৰ্ত্তটোত যে হজৰত মোহম্মদৰ দেহ-মনৰ অৱস্থা এক অপাৰ্থিব অভিজ্ঞতাৰ অনুপ্ৰেৰণাৰে উদ্বুদ্ধ আছিল, সেইকথা অনুমান কৰিবলৈ কঠিন নহয়।

সেই অপাৰ্থিব অভিজ্ঞতাৰ তন্দ্ৰাচ্ছন্ন অৱস্থাৰ পৰা চেতনাৰ বাস্তব জগতলৈ ঘূৰি আহি ভীত-সন্ত্ৰস্তভাৱে মোহম্মদে নিজকে প্ৰশ্ন কৰিলে, "এইয়া মই কি দেখিলো ? কিবা অদৃশ্য দৈৱ অস্তিত্বই মোক প্ৰভাৱাম্বিত কৰিছিলনে

কি ?" হজৰত মোহম্মদে সোঁৱে বাৱে কেউপিনে চালে কিন্তু ক'তো কাকো নেদেখিলে। কিছুপৰ তেওঁ ভয়াবিহ্বলভাৱে ৰৈ থাকিল। তাৰ পিছত বাহিৰলৈ ওলাই আহি একেটা প্ৰশ্নৰে উত্তৰ বিচাৰিলে— "কোন আছিল, কোনে মোক পঢ়িবলৈ নিৰ্দেশ দিছিল, গোটেই শৰীৰ থৰ-থৰকৈ কিয় জিনুনি ফুৰিছো এইয়ে কাৰ কণ্ঠস্বৰ? সৃষ্টিৰ স্ৰষ্টা, মানুহৰ স্ৰষ্টা কৰুণাময় আল্লাহ, যি কলমৰ সহায়ত মানুহক জ্ঞান শিকাইছিল? মোক কেলেই আহি এই জ্ঞানৰ বাণী শুনালে? কোন আছিল সেই ঐশীবাণী বাহক দেৱদূত ?" এই চিন্তা কৰি একো নিৰ্ণয় কৰিব নোৱাৰি, বাটৰ মাজতে ৰৈ গ'ল, মূৰ তুলি আকাশৰ ফালে চাওঁতেই তেওঁ দেখা পালে মানুহৰ আকৃতিৰ এক বিৰাট সত্তা—সমগ্ৰ আকাশ জুৰি ৰৈ আছে আৰু আকৌ নিৰ্দেশ দিছে — "পঢ়া"।

ভয়ত মোহম্মদে পলাবৰ চেষ্টা কৰিলে, কিন্তু যোনিয়ে যাব খুজিলে, তেনিয়ে এই অস্তিত্বৰ লগত ভেটাভেটি হ'ল। এই দৈৱী আৱেষ্টনৰ পৰা তেওঁ মুকলি হ'ব নোৱাৰিলে।

মোহম্মদৰ খবৰ কৰিবৰ কাৰণে খাদিজাই মানুহ এটা হিৰাৰ গুহালৈ পঠিয়াই দিছিল। সি মোহম্মদক তাত নেপালেহি। কিছু সময়ৰ পিছত সেই আকাশ আবৰি থকা দৈৱী অস্তিত্ব অন্তৰ্দ্ধান হ'ল। ভয়ত কঁপি কঁপি মোহম্মদ ঘৰলৈ ঘূৰি আহিল। এক মোহাচ্ছন্ন, অপ্ৰকৃতিস্থ এটা শিশুৰ নিচিনাকৈ।

ঘৰ সোমাই মোহম্মদে বিবি খাদিজাক ক'লে, "মোৰ গাটো ক'লা কম্বলখনেৰে ঢাকি দিয়া।" মোহম্মদ তেতিয়া ভয়ঙ্কৰ জ্বৰত কপ্পাদি কঁপিছে। গাত কম্বলখন লৈ অলপ প্ৰকৃতিস্থ হৈ তেওঁ খাদিজাৰ ফালে চাই ক'লে, "এইয়া মোৰ কি হৈছে খাদিজা ?" অলপ আগতে হোৱা তেওঁৰ অভিজ্ঞতাৰ কথা তেওঁ খাদিজাক ক'লে, লগতে নিজৰ সংশয় প্ৰকাশ কৰিলে— "মোৰ মগজ বেয়া হৈছে নেকি ? মোক কিবা দেও-ভূতে পাইছেনে কি ?" বিবি খাদিজাই নিভীক, নিশ্চলভাৱে হজৰত মোহম্মদৰ কাষত থিয় হৈ সসম্মানে, বিনীতভাৱে, নিশ্চয়তাৰে ক'লে, "এইয়া পৰম আনন্দৰ শুভ সংবাদ ! স্থিৰ হওক। খাদিজাৰ আত্মাৰ গৰাকী আপোনাৰ নামত শপত খাই মই কৈছো, আৰু তাৰ কাৰণে আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰিছো যে আপুনিয়েই আমাৰ

এই জাতিটোৰ ৰছুল হ'ব। আল্লাই নিশ্চয় আপোনাৰ পৰাজয় হ'বলৈ নিদিয়ে। আপুনি সকলো আপোন পৰিয়ালক মৰম কৰিব। আপুনি কোৱা সকলো কথা সচা হ'ব, হতাশ-নিৰাশজনক আপুনি উদ্ধাৰ কৰিব, আপুনি অতিথিৰ সংকাৰ কৰিব। আৰু সত্যক আপুনি প্ৰতিষ্ঠা কৰিব, প্ৰচাৰ কৰিব...।"

বিবি খাদিজাৰ কথাত হজৰত মোহম্মদে মনোবল ঘুৰাই পালে। তেওঁৰ মনৰ ভয় আঁতৰিল। শ্ৰান্ত-ক্লান্ত হৈ তেওঁ শুই পৰিল। এক চেতনাৰ জগতৰ পৰা তেওঁ যেন অন্য এক বৃহত্তৰ আৰু মহত্তৰ চেতনাৰ জগতত প্ৰৱেশ কৰিলে। এইয়া এক চৰম উত্তৰণৰ পবিত্ৰ মুহূৰ্ত্ত। সৃষ্টিৰ অদ্বিতীয় মহান অধিপতিৰ স্বৰূপ আৰু বৈশিষ্ট্যৰ সন্তেদ বিশ্ববাসীক দিবৰ কাৰণে এইয়া এক নতুন দায়িত্বৰ উন্মেষণা 'ৰহদহু লা ছৰীক — একমেৱা দ্বিতীয়ম্ আল্লাৰ বাণী, পৃথিৱীৰ মানুহক জনাবৰ কাৰণে এজন ৰছুলৰ আবিৰ্ভাৱ হ'ল। স্ৰষ্টা আৰু সৃষ্টিৰ সম্পৰ্কৰ নতুন সত্য, জীৱন আৰু মৃত্যুৰ স্বৰূপ মানুহৰ জ্ঞান- বিবেক-অনুভূতি উপলব্ধিৰ পৰিধিৰ জ্ঞান, ইহলোক আৰু পৰলোকৰ নিৰ্ভৰযোগ্য ধাৰণা, স্বৰ্গ আৰু নৰকৰ পাপ আৰু পূণ্যৰ, ক্ষমা, দয়া, ধৈৰ্য্য, ত্যাগ, সংগ্ৰামৰ মানুহৰ জীৱনত স্থান নিৰ্ণয়ৰ যোগ্য ধৰ্ম্মৰ এক যুক্তিনিষ্ঠ ব্যাখ্যাৰ যোগে এখন সুন্দৰ, বিশাল মানৱ সমাজ প্ৰতিষ্ঠা কৰাৰ নতুন নীতি শৃঙ্খলা নিৰ্দ্ধাৰণ কৰাৰ দায়িত্ব বহন কৰাৰ যোগ্যতা সম্পন্ন নতুন নবীৰ, নতুন ৰছুলৰ, নতুন পয়গম্বৰৰ, নতুন মহাপুৰুষৰ, এজন আল্লাৰ অনুগ্ৰহ লাভ কৰা সম্পূৰ্ণ মানুহৰ— ইনছানে কামিলৰ শুভ আবিৰ্ভাৱ হ'ল— যাৰ কাৰণে বিভিন্ন ধৰ্ম্মৰ অনুগামীসকলে যুগে যুগে বাট চাই আছিল। নতুন বিশ্ব দৃষ্টি লৈ নতুন সত্যৰ পোহৰ লৈ, নতুন মানৱ সমাজ গঢ়ি তোলাৰ দায়িত্ব আৰু প্ৰতিজ্ঞা লৈ, আল্লাৰ একান্ত আজ্ঞাবহ আৰু চিৰ অনুগত দাস আব্দুল্লাৰ পুত্ৰ মোহম্মদে মানুহৰ শেষ পয়গম্বৰ হিচাপে মানুহৰ সকলো সমস্যাৰ যুগান্তকাৰী সমাধানৰ চাবি-কাঠি লৈ খ্ৰীষ্টীয় সপ্তম শতিকাৰ ৬১০ চনত মানুহৰ মাজত দেখা দিলেহি।

হজৰত মোহম্মদৰ তেতিয়া গভীৰ টোপনি। বিবি খাদিজাই কিছুপৰ থৰ লাগি তেওঁৰ ফালে চাই থাকিল। এক অকথিত আশা, গভীৰ স্নেহ আৰু শ্ৰদ্ধা, আৰু এক আশঙ্কাৰে তেতিয়া তেওঁৰ মন উগুল থুগুল। তেওঁৰ এই সহজ সৰল জীৱন-লগৰীজনেই পাপ-ব্যভিচাৰত লিপ্ত আৰব জাতিটোৰ মুক্তিদাতা, উদ্ধাৰ কৰ্ত্তা, পথ প্ৰদৰ্শক হ'বৰ কাৰণে স্বৰ্গীয় আহ্বান পোৱা বিশিষ্ট ব্যক্তি জন নে? যি কথা সত্যবাদী, সত্যনিষ্ঠ এই মানুহজনে দেৱদূতৰ মুখৰ পৰা শুনা বুলি তেওঁকেই আহি পোন প্ৰথমে জনাইছেহি সেইয়াটো ভ্ৰম বা কল্পনা নহয়। তেওঁৰ স্বামী আল্ আমীন সকলোৰে বিশ্বস্তজন। তেওঁতো মনে সজা কথা কাহানিও কাকো কোৱা নাই। তেওঁক যি কথা ক'লে সেইয়াতো মিছা হ'ব নোৱাৰে।

খাদিজা কিছু উদ্বিগ্ন হৈ পৰিল। পৰিণাম কি হ'ব? আমাৰ ভৱিষ্যত কি হ'ব? তেওঁ কোৱা কথাৰ তাৎপৰ্য্য কি, কি হ'ব পাৰে?

চিন্তাত বিহ্বল হৈ খাদিজা ঘৰৰ পৰা বাহিৰ ওলাই গ'ল— কথাষাৰ কাৰোবাৰ লগত আলোচনা কৰিব লাগিব, কাৰোবাক জনাব লাগিব।

খাদিজা তেওঁৰ আত্মীয় ৱাৰ্কা ইব্নে নওফালৰ ওচৰলৈ লৰি গ'ল। কিছুদিনৰ আগতে ৱাৰ্কাই খৃষ্টান ধৰ্ম্ম গ্ৰহণ কৰিছিল। বাইবেলৰ কিছু অংশ আৰবী ভাষালৈ অনুবাদো কৰিছিল। খাদিজাই হজৰত মোহম্মদৰ শেহতীয়া অভিজ্ঞতাৰ কথাখিনি তেওঁক বিবৰি ক'লে। কথাখিনি শুনি ৱাৰ্কাই উচ্ছ্বসিতভাৱে চিঞঁৰি উঠিল- "এইয়া যে এক পবিত্ৰ সংবাদ। মোৰ আত্মাৰ শপত তুমি মোক কোৱা কথাখিনি যদি সঁচা হয়, তেন্তে হজৰত মূছাই যি দৈৱবাণী পাইছিল, এইয়া সেই পবিত্ৰ সৰগী বাতা। মোহম্মদ নিশ্চয় আমাৰ আৰব জাতিটোৰ নেতা হ'ব, মহাপুৰুষ হ'ব, ৰছুল হ'ব। মোহম্মদক ক'বা যেন তেওঁ মন দৃঢ় কৰে।"

ৱাৰ্কাৰ এই অভিমত লৈ খাদিজা ঘৰলৈ ঘূৰি আহিল। আহি দেখে

মোহম্মদ তেতিয়াও টোপনিত। নতুন এক প্ৰত্যয় আৰু প্ৰত্যাশাৰে খাদিজাই কিছুপৰ তেওঁৰ স্বামীৰ মুখলৈ চাই থাকিল। হঠাৎ তেওঁ লক্ষ্য কৰিলে মোহম্মদ কঁপিছে, ঘামিছে আৰু ঘন ঘনকৈ উশাহ লৈছে। খাদিজা বিব্ৰত আৰু উদ্বিগ্ন! কি হৈছে মোহম্মদৰ ? লাহে লাহে মোহম্মদে চকু মেলিলে। লগে লগে তেওঁৰ কাণত পৰিল এক গুৰু গম্ভীৰ ঐশী আহ্বান: "হে কম্বলেৰে গা ঢাকি শুই থাকোতাজন। উঠা, তোমাৰ প্ৰভুৰ মাহাত্ম্য ঘোষণা কৰা, নিজক বিশুদ্ধ কৰা, অধিক পোৱাৰ আশাত দান নকৰিবা। ধৈৰ্য্য ধৰা, আল্লাৰ নামত সহ্য কৰি যোৱা।"

এইয়া সৰগী আহ্বান- "উঠা হে মোজ্জম্মিল, হে কাপোৰৰ উম লৈ শুই থাকোতাজন, উঠা।" মোহম্মদৰ এই অৱস্থা দেখি বিব্ৰত খাদিজাই তেওঁক শুই থাকিবলৈ অনুৰোধ কৰিলে, কিন্তু মোহম্মদ বিচনাৰ পৰা উঠি আহিল আৰু ক'লে "খাদিজা, টোপনি যোৱাৰ আৰু জিৰণি লোৱাৰ সময় উকলিল। আল্লাৰ ফিৰিস্তা জিব্ৰাইলে মোক মানুহক সাৱধান কৰি দিবলৈ আৰু আল্লাৰ পূজা আৰাধনা কৰিবলৈ মানুহক আহ্বান জনাবলৈ নিৰ্দ্দেশ দিছে। কিন্তু মই কাক আল্লাৰ পথলৈ আহ্বান জনাম ? মোৰ কথানো কোনে শুনিব ?"

খাদিজাই তেওঁক আশ্বাস দিলে আৰু বাৰ্কাই কোৱা কথাখিনি কৈ তেওঁ যে মানৱৰ উদ্বাৰৰ নতুন দায়িত্ব বহন কৰিবৰ কাৰণে অনুগ্ৰহ-প্ৰাপ্ত আল্লাৰ এক ৰছুল, এক প্ৰেৰিত পুৰুষ সেই কথাত বিশ্বাস আনিছো বুলি দৃঢ়ভাৱে ক'লে। তেওঁ ৰছুল মোহম্মদৰ নবুৱতত আৰু ইছলামত ঈমান আনিছে বুলি ঘোষণা কৰিলে।

হজৰত মোহম্মদৰ দ্বাৰা প্ৰবৰ্ত্তিত ইছলামৰ অনুগামী প্ৰথম মুছলিম হজৰতৰ পত্নী বিবি খাদিজা। বহুত বছৰৰ পৰা খাদিজাই হজৰত মোহম্মদক সত্যবাদিতা, বিশ্বস্ততা, দানশীলতা আৰু উদাৰতাৰ এক জীৱন্ত আদৰ্শ হিচাপে জানি আহিছিল। এক পৰম আৰু চৰম সত্যৰ উপলব্ধিৰ কাৰণে তেওঁ ব্যাকুল আৰু চিন্তিত হৈ হিৰাৰ গুহাত সোমাই ধ্যান কৰিবলৈ বছৰৰ পিছত বছৰ ধৰি ঘৰৰ পৰা ওলাই যোৱাৰ কথাও খাদিজাই সদায় মনত ৰাখিছিল। যুগে যুগে আৰবৰ লোকসকলে পূজা কৰি অহা মূৰ্ত্তিবোৰৰ মূল্যহীনতাৰ কথা উপলব্ধি কৰি, সাকাৰ মূৰ্ত্তিৰ পূজা বাদ দি এক নিৰাকাৰ আল্লাৰ পূজা কৰিবৰ কাৰণে

সাজু হোৱাৰ পথত মক্কত [illegible] কৰিছিল, তাৰ যেন [illegible] পৰিশুদ্ধিৰ [illegible] প্ৰথম ঐশীবাণী লাভ [illegible] আৰু কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল [illegible] মোহাম্মদৰ নবুৱত লাভৰ সত্যতা প্ৰমাণ [illegible] কৰি আছে। তেওঁৰ মনৰ [illegible] হজৰত মোহাম্মদ আল্লাৰ বাৰ্তা লাভ কৰা এজন [illegible]

এদিন কাবা মন্দিৰত তাৱাফ বা প্ৰদক্ষিণ কৰিবৰ কাৰণে মোহাম্মদ কাবালৈ গ'ল। তাতে ৱাৰ্কাৰ [illegible] শুনিলে। তেওঁ সকলো কথা বিৱৰি ক'লে। মোহাম্মদৰ [illegible] কথাখিনি শুনি ৱাৰ্কাই কৈ উঠিল, "তোমাৰ [illegible] তুমিও [illegible] হৈছা। [illegible] তোমাক প্ৰত্যাখ্যান কৰিব, তোমাক আঘাত কৰিব, তোমাক অপমান কৰিব, [illegible] যদি জীয়াই থাকোঁ, [illegible] তোমাক সহায় কৰিম [illegible] সপক্ষে যুঁজ কৰিম।"

কথাখিনি কৈ ৱাৰ্কা মোহাম্মদৰ ওচৰলৈ আহিল। তেওঁৰ কপালত চুমা [illegible] ৱাৰ্কাৰ কথাৰ [illegible] মোহাম্মদৰ ধাৰণা আৰু দৃঢ় হ'ল যে কুৰেইছসকলে সহজে মূৰ্ত্তি পূজা এৰি নিদিব, [illegible] তেওঁৰ [illegible] আৰু তেওঁৰ নতুন সত্য প্ৰচাৰৰ কাম [illegible] নিজৰ আত্মীয়সকলৰ [illegible]

কিন্তু তেওঁৰ [illegible] আল্লাৰ [illegible] মূৰ্তিপূজা বাদ দিবৰ কাৰণে তেওঁ [illegible] আহ্বান জনালে [illegible] স্ৰষ্টা এক অসীম, [illegible] নিৰাকাৰ; [illegible] প্ৰভুক পূজা কৰিবৰ কাৰণে [illegible] পূজা

কৰি থকা শিলামূৰ্তিসমূহ যে নিৰ্জীৱ, নিশ্চল শিলাখণ্ডৰ বাহিৰে একো নহয়, সেই মূৰ্ত্তিবোৰৰ সাক্ষাতত নানা অনিয়ম, ব্যভিচাৰ, শিশুহত্যা, অমানুষিক আচৰণ আৰু নৈতিকতা-বিহীন আচৰণ চলিলেও মূৰ্ত্তিবোৰে একো নকৰে বা কৰিব নোৱাৰে। এই কথা উপলব্ধি কৰি [illegible] মানুহৰ কল্যাণৰ কাৰণে সংকল্প কৰি [illegible], মূৰ্ত্তিপূজাৰ সলনি [illegible] আল্লাৰ নিঃস্বাৰ্থ আৰাধনাত [illegible] আল্লাৰ [illegible] আনুষ্ঠানিক নতুন জীৱন দৰ্শন [illegible] মূল্যায়ন কৰিবৰ কাৰণে আহ্বান জনালে। "[illegible] সৃষ্টিৰ স্ৰষ্টা এজন নিৰাকাৰ আল্লাহ — এই সহজ সত্যৰ ওপৰত সম্পূৰ্ণ আস্থা আৰু বিশ্বাস স্থাপন কৰি, বিপথগামীসকলক যুক্তি আৰু প্ৰেমেৰে সত্য পথলৈ ঘূৰাই আনি, অনাথ আৰু নিৰাশ্ৰয় শিশুবোৰক মৰমেৰে সংস্থান দান কৰি, দৰিদ্ৰ, নিষ্পেষিত, দুৰ্বল আৰু অসহায়সকলৰ জীৱন-ধাৰণৰ কাৰণে অনুকূল পৰিবেশ ৰচনা কৰি দি, আল্লাৰ পৃথিৱীত মানুহ মানুহৰ সম্পৰ্ক মধুৰ কৰি প্ৰত্যেকৰে জীৱনৰ মূল্য আৰু মৰ্য্যাদাক স্বীকৃতি দি এখন পবিত্ৰ শান্তিৰ পৃথিৱী গঢ়ি তোলা। এয়াই মোৰ সকলোৰে প্ৰতি বিনীত আহ্বান।"

কিন্তু আৰববাসীসকল মোহম্মদৰ এনে আহ্বানৰ প্ৰতি কাণ দিবলৈ প্ৰস্তুত নাছিল। নিজৰ প্ৰাচীন ধৰ্ম্ম বিশ্বাসক আকোৱালি ধৰি থাকি, এই ধৰ্ম্মক অৱলম্বন কৰি ব্যৱসায়-বাণিজ্যৰ যোগেদি মক্কাক এখন আকৰ্ষণীয় বাণিজ্য কেন্দ্ৰ কৰি তোলাৰ লগতে নিজেও সম্পত্তিবান হোৱা পৌত্তলিক আৰবসকলৰ কাৰণে মোহম্মদৰ আহ্বান গ্ৰহণযোগ্য বিবেচিত নহ'ল। মক্কাত মূৰ্ত্তিপূজা বন্ধ হৈ গ'লে মক্কাই ইয়াৰ বাণিজ্যিক গুৰুত্ব হেৰুৱাই [illegible] আৰবসকলৰ ধৰ্মক্ষেত্ৰ [illegible] মোহম্মদে আৰবসকলৰ [illegible], [illegible]।

এনেবোৰ কথা বিবেচনা কৰি মোহম্মদৰ নতুন জীৱনাদৰ্শৰ প্ৰতি [illegible]

আহ্বানক প্ৰত্যাখ্যান কৰা জন হ'ব বুলি তেওঁলোকে আঁতৰি থাকিবলৈ মনহ কৰিলে।

আশা কৰা মতে সঁচৰি নেপাই মোহম্মদ কিছু হতাশ আৰু বিমৰিষ হৈ পৰিল। তেওঁ কিছু কিংকৰ্তব্য বিমূঢ় হ'ল। তেওঁৰ কৰ্তব্যৰ দিশ নিৰ্ণয় কৰিবৰ কাৰণে জিব্ৰাইলৰ পৰাও নতুন বাণী নোপোৱা হ'ল। মানুহবোৰ তেওঁৰ পৰা আঁতৰি যাব ধৰিলে। তেওঁও মানুহৰ সঙ্গ এৰি আকৌ গুহাত সোমাই ধ্যান কৰিবলৈ ল'লে। নিজৰ ওপৰত অৰ্পিত হোৱা দায়িত্ব পালন কৰিব নোৱৰা কাৰণে, তেওঁৰ নিজৰ ক্ৰটি থকা যেন অনুভৱ কৰি তেওঁ আৰু গভীৰভাৱে প্ৰাৰ্থনা কৰিব ধৰিলে। তেওঁৰ এনে অৱস্থা দেখি বিবি খাদিজাও দুশ্চিন্তাত পৰিল। তেওঁৰ ধাৰণা হ'ল যেন কিবা অজানিত কাৰণত আল্লা মোহম্মদৰ প্ৰতি অসন্তুষ্ট হৈছে। অদৃষ্ট কৰ্তব্য সম্পাদন কৰিব নোৱাৰি মোহম্মদে এনেকৈ জীয়াই থকাৰ কোনো প্ৰয়োজন নাই বুলি হিৰা পৰ্বতৰ ওপৰৰ পৰা নাইবা আবু কুবাইছ পৰ্বতৰ ওপৰৰ পৰা জপিয়াই পৰি জীৱনটো শেষ কৰি দিয়াৰ কথাও মাজে মাজে ভাবিছিল। এনে এটা মানসিক অস্থিৰতাৰ মাজেদিয়ে তেওঁ ডালেমান দিন পাৰ কৰি দিলে। কোনো নতুন অহী নাহিল। বহু প্ৰতীক্ষাৰ মূৰত এদিন এক ঐশীবাণী তেওঁৰ কাণত পৰিল:

"বন্দুহা, বল্লাইলে ইজা ছাজা........"

"পূৰ্বাহ্নৰ শপত, পৃথিৱীৰ ওপৰত শান্তিৰ পাখি মেলি বিস্তাৰি পৰা ৰাতিৰ শপত, তোমাৰ প্ৰভুৱে তোমাক ত্যাগ কৰা নাই, তোমাৰ ওপৰত তেওঁ অসন্তুষ্টও হোৱা নাই। তোমাৰ আৰম্ভণীতকৈ নিশ্চয় তোমাৰ শেষ অধিক ভাল হ'ব। শীঘ্ৰে তেওঁ তোমাক তেওঁৰ সম্পদেৰে সমৃদ্ধ কৰিব আৰু তুমি সন্তুষ্ট হ'ব পাৰিবা। তুমি জানো এটি পিতৃ-মাতৃহীন নিথৰুৱা অনাথ নাছিলা? আৰু তেৱেঁই জানো তোমাক আশ্ৰয় দিয়া নাছিল? তুমি বিপথে গৈছিলা, আৰু তেৱেঁই তোমাক সত্য পথৰ সন্ধান দিয়া নাছিল জানো? তুমি অভাৱগ্ৰস্ত দৰিদ্ৰ আছিলা, তেৱেঁই জানো তোমাক দাৰিদ্ৰ্যমুক্ত কৰা নাছিল? সেইদেখি পিতৃ-মাতৃহীন অনাথৰ ওপৰত অত্যাচাৰ নকৰিবা আৰু কোনোবাই তোমাৰ সহায় বিচাৰিলে নিদি নেথাকিবা। তোমাৰ চিৰ দানশীল আল্লাৰ কৰুণাৰ কথা ঘোষণা কৰা।"

এনেধৰণৰ সান্ত্বনা আৰু আশ্বাসৰ পিছত মোহম্মদৰ মনৰ ভয়-শংকা নোহোৱা হৈ গ'ল। আৰু ভয় কৰাৰ, নিৰুৎসাহ হোৱাৰ কোনো কাৰণ নাই— এই প্ৰত্যয় জন্মিল।

মানুহৰ কাৰণে নতুন পথৰ সন্ধান দিয়াৰ যি নতুন দায়িত্ব তেওঁৰ ওপৰত ন্যস্ত হৈছিল, তাক পালন কৰিবৰ কাৰণে তেওঁ নিজক সক্ষম কৰি তুলিলে। আৰম্ভ হ'ল এক কঠিন, জটিল,দুৰ্বিসহ জীৱন পৰিক্ৰমা। লক্ষ্য স্পষ্ট, কিন্তু পথ দুৰ্গম, কণ্টকাকীৰ্ণ।

হজৰত মোহম্মদৰ মুখৰ পৰা আল্লাৰ বাণী প্ৰথম শুনিলে তেওঁৰ পত্নী বিবি খাদিজাই। তেৱেঁই সৰ্ব্বপ্ৰথমে আৰবসকলৰ ভিতৰত পৌত্তলিকতা বৰ্জ্জন কৰিলে আৰু এক নতুন আস্থা আৰু ভক্তিৰে তেওঁৰ স্বামীৰ লগতে নিৰাকাৰ আল্লাৰ উপাসনাত ব্ৰতী হ'ল। খাদিজা হ'ল তেওঁৰ স্বামীৰ নতুন সংগ্ৰামৰ সঙ্গী, সহযোগী আৰু প্ৰেৰণাৰ উৎস।

আৰম্ভণী কালত মোহম্মদে কেৱল তেওঁৰ আপোন পৰিয়ালৰ ওচৰতহে তেওঁৰ প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিছিল। খাদিজাৰ পিছত তেওঁৰ ভতিজা পুতেক আবু তালিবৰ পুত্ৰ হজৰত আলিয়ে নতুন ধৰ্ম্মত দীক্ষা গ্ৰহণ কৰে। হজৰত মোহম্মদে খাদিজা আৰু আলিক প্ৰায়ে মুকলি মৰু প্ৰান্তত গৈ আল্লাৰ কৰুণা বিচাৰি প্ৰাৰ্থনা জনাইছিলগৈ। এদিন আবু তালিবে তেওঁলোকৰ প্ৰাৰ্থনা পদ্ধতি আগৰ পদ্ধতিৰ নিচিনা নোহোৱা দেখি হজৰত মোহম্মদৰ পৰা সেইয়া কি ধৰ্ম্মৰ প্ৰাৰ্থনা জানিব বিচাৰিলে। হজৰতে উত্তৰ দিলে, "এইয়া আল্লাৰ ধৰ্ম্ম, তেওঁৰ ফিৰিস্তাসকলৰ ধৰ্ম্ম, তেওঁৰ নবীসকলৰ ধৰ্ম্ম আৰু আমাৰ পূৰ্ব্বপুৰুষ ইব্ৰাহীমৰ ধৰ্ম্ম। আল্লাই মোক তেওঁৰ বান্দাসকলক সত্যৰ পথত পৰিচালিত কৰিবৰ কাৰণে পঠিয়াইছে। আপুনি আমাৰ মাজৰ এজন জ্যেষ্ঠ আৰু সবাতোকৈ উপযুক্ত ব্যক্তি। আপুনি এই নতুন ধৰ্ম্ম গ্ৰহণ কৰক আৰু ইয়াৰ প্ৰচাৰত আমাক সহায় কৰক।"

কিন্তু আবু তালিব সন্মত নহ'ল। "মোৰ পূৰ্ব্বপুৰুষৰ ধৰ্ম্ম এৰি মই তোমাৰ ধৰ্ম্ম ল'ব নোৱাৰো। কিন্তু মোৰ নিজ প্ৰভুৰ নামত শপত খাই মই কৈছো, মই জীয়াই থাকো মানে কোনোৱে তোমাৰ কোনো ক্ষতি কৰিব নোৱাৰে।"

[illegible] পিছত তেওঁৰ পুত্ৰ আলীয়ে কি ধৰ্মমতে প্ৰাৰ্থনা কৰিছে জানিবলৈ বিচাৰিছিল। আলীয়ে উত্তৰ দিলে, “মই আল্লা আৰু তেওঁৰ বন্ধু মোহম্মদৰ ধৰ্ম্ম অনুসৰণ কৰিছো, মই ইছলাম গ্ৰহণ কৰিছো।”

তেতিয়া আবু তালিবে ক'লে, “[illegible] ধৰ্ম্ম পালন কৰিব পাৰা, [illegible], তেওঁ তোমাক [illegible] ভাল দিব; তাৰ ফলে তোমাক [illegible]।”

কিছুদিনৰ পিছত, দাস জীৱনৰ পৰা মুক্তি পাই মোহম্মদৰ [illegible] জাইদে [illegible] ইছলামত দীক্ষিত হয়। তাৰ পিছত এজন [illegible] বংশীয় লোক [illegible] আবু [illegible] ইছলাম গ্ৰহণ কৰে। [illegible] আবু [illegible] নামে জনাজাত হয়। [illegible] সম্ভ্ৰান্ত পৰিয়ালৰ লোক আছিল। তেওঁ এজন ধনী ব্যৱসায়ী, বিচাৰ বুদ্ধি সম্পন্ন বিজ্ঞ আৰু কৰ্ম্মঠ ব্যক্তি আছিল। তেওঁ মোহম্মদতকৈ বয়সত দুবছৰ সৰু আছিল। তেওঁৰ ইছলাম ধৰ্ম্ম গ্ৰহণে মোহম্মদৰ শক্তি বৃদ্ধি কৰিছিল, আৰু তেওঁকে অনুসৰণ কৰি আন পাঁচজন প্ৰধান লোকেও ইছলাম গ্ৰহণ কৰিছিল। তাৰ ভিতৰত আছিল উমাইয়া বংশৰ ওচমান বিন আফফান; পিছত তেওঁ তৃতীয়জন খলিফা হৈছিল; আৰু আছিল আউফৰ পুত্ৰ আব্দুৰ ৰহমান, আবি ৱাক্কাছৰ পুত্ৰ ছাদ, তেওঁ পিছত পাৰস্য দেশ জয় কৰিছিল। আৰু আছিল আওৱামৰ পুত্ৰ জুবেইৰ। এই আঠজনে হজৰত মোহম্মদৰ [illegible] গ্ৰহণ কৰিছিল [illegible] লগত আছিল [illegible]। ইয়াৰ পিছত আবু [illegible] গ্ৰহণ কৰে।

[illegible] কথা [illegible] নতুন [illegible] একো [illegible] কৰি ৰাখিছিল। নামাজ পঢ়িবৰ কাৰণে তেওঁলোক মক্কাৰ বাহিৰলৈ [illegible] গৈছিল। [illegible] ইছলামে [illegible] কৰিছিল যদিও মুছলমানসকলে [illegible] আছিল। [illegible] ঐশীবাণী অৱতীৰ্ণ হৈছিল [illegible] মুছলমানসকলক যথেষ্ট [illegible] সাহস দিছিল।

[illegible] আদৰ্শ, কাৰ্যকলাপ আৰু তেওঁৰ বিশিষ্ট চৰিত্ৰই অনুগামীসকলক [illegible] আৰু অনুপ্ৰাণিত কৰিছিল। তেওঁ আছিল নম্ৰ, [illegible] আৰু অহিংস। তেওঁৰ কথা-বতৰা আছিল মিঠা আৰু [illegible] অনাথ, দৰিদ্ৰ, [illegible] আৰু শান্তিভঞ্জনক তেওঁ সকলো প্ৰকাৰে সহায় কৰিছিল। আকাশ-পৃথিৱী, সৌৰজগত, চন্দ্ৰ-সূৰ্য, গ্ৰহ-নক্ষত্ৰ, মৰু, ভূ-পৰ্বত, নৈ-নিজৰা, গছ-গছনি আৰু বিভিন্ন পশু-পক্ষী আৰু প্ৰাণীৰ [illegible] মূল্যৰ সন্ধানত তেওঁ দিনে গভীৰভাৱে নিমগ্ন আছিল, তাক লক্ষ্য কৰি নতুনকৈ ইছলাম গ্ৰহণ কৰা মুছলমানসকল তেওঁৰ প্ৰতি আৰু অধিক আকৰ্ষিত হৈছিল, আৰু তেওঁলোক গভীৰ আগ্ৰহেৰে তেওঁৰ মুখৰ [illegible] শুনিবৰ কাৰণে উদগ্ৰীৱ হৈছিল। নতুন ধৰ্মীয় মতবাদৰ প্ৰতি তেওঁলোকৰ বিশ্বাস আৰু আস্থা-দৃঢ়তা হৈছিল। বিৰোধ বিপত্তিৰ আশংকা থকা সত্ত্বেও, এক আল্লাহৰ অস্তিত্বৰ ওপৰত বিশ্বাসী আৰু পৌত্তলিকতা বিসৰ্জন দিয়া নতুন মুছলমানৰ সংখ্যা লাহে লাহে বৃদ্ধি পাবলৈ ধৰিছিল।

[illegible] সম্পৰ্কে আলাপ-আলোচনা চলিছিল, বিশেষকৈ কুৰেইছসকলৰ মাজত। কিন্তু তেওঁলোকে মোহাম্মদৰ ওপৰত বিশেষ গুৰুত্ব নিদিছিল। [illegible] কাবা মন্দিৰত থকা হুবল, লাট, মনাট, ওজ্জা আদি [illegible] মূৰ্তি [illegible] মোহাম্মদৰ নতুন ধৰ্মমতৰ ওপৰত জয় হ'ব বুলি [illegible] ভাবিছিল। সেই দেখি ইছলামৰ কাৰণে তেওঁলোক বৰ বেছি চিন্তিত হোৱা নাছিল। এনেকৈ তিনিটা বছৰ পাৰ হৈ গ'ল।

[illegible] "হে মোহাম্মদ, [illegible] উচ্চ-পদস্থ লোকসকলক সাৱধান কৰি দিয়া। তোমাৰ অনুগামী আৰু বাধ্য দৰিদ্ৰ মুছলমানসকলৰ ৰক্ষণাবেক্ষণ দিয়া। যদি তোমাৰ আদেশ-নিৰ্দেশ নেমানে, তুমি তেওঁলোকৰ কাৰ্যকলাপৰ প্ৰতি সমৰ্থন উঠাই লোৱা। তুমি যি ঐশ্বৰিক নিৰ্দেশ প্ৰাপ্ত কৰিছা, তাক জনসমাজৰ মাজত প্ৰচাৰ কৰা, আৰু সংঘবোৰৰ পৰা নিজক আঁতৰাই আনা" [illegible] পিছত [illegible] মোহাম্মদে। তেওঁৰ ঘৰত এটা ভোজ পাতি, তেওঁৰ আপোন মানুহবিলাকক ভোজলৈ নিমন্ত্ৰণ কৰিলে আৰু তেওঁলোকক নতুন ইছলামৰ সম্পৰ্কে আলোচনা কৰি, তেওঁলোকক আল্লাহৰ পূজা কৰিবৰ কাৰণে আহ্বান জনালে। [illegible] তেওঁৰ দদায়েক [illegible] প্ৰত্যাখ্যান কৰিলে,

আৰু ভোজ নেখাই অতিথিসকলক গুচি যাবলৈ নির্দেশ দিলে। হজৰত মোহম্মদে তেওঁলোকক পিছদিনা আকৌ ভোজত দাৱাত কৰিলে।

পিছদিনা অতিথিসকলে ভোজ খাই উঠাৰ পিছত মোহম্মদে ক'লে, "মই তোমালোকৰ যিদৰে খিদমত কৰিছো, আৰবৰ অন্য কোনোৱে ইয়াতকৈ ভালকৈ সেৱা খিদমত কৰাৰ উদাহৰণ বিচাৰি নেপাবা। তোমালোকৰ কাৰণে মই এই পৃথিৱীৰ আৰু পৰকালৰ শ্রেষ্ঠতম সম্পদ আনিছো। মোৰ প্রভুৱে মোক তোমালোকক তেওঁৰ পথলৈ আহ্বান জনাবলৈ নির্দেশ দিছে। এই বিষয়ত তোমালোকৰ কোন মোৰ লগৰীয়া হ'বা ?"

তেওঁৰ এই আহ্বানৰ প্রতি তেওঁৰ সম্পৰ্কীয় লোকসকলে সমর্থন আগ নবঢ়ালে, আৰু তেওঁলোক বিদায় লৈ যাবলৈ ওলাল। আলীৰ বয়স তেতিয়া বৰ বেছি হোৱা নাছিল। তেওঁ আছিল এজন কিশোৰ। আলীয়ে থিয় হৈ ক'লে, "হে আল্লাৰ ৰছুল। মই আপোনাক সহায় কৰিম। যিয়ে আপোনাৰ বিৰোধিতা কৰে, তাৰ বিৰুদ্ধে মই শক্তিশালীভাৱে যুঁজ কৰিম।"

আলীৰ কথা শুনি কোনোবাই হাঁহিলে, কোনোবাই ডাঙৰকৈ বিদ্রূপৰ হাঁহি মাৰিলে, আৰু আবু তালিব আৰু মোহম্মদৰ মুখলৈ তাচ্ছিল্যৰ চাৱনিৰে চাই বাহিৰ ওলাই গ'ল। তেওঁৰ কাষত ৰৈ গ'ল কিশোৰ আলী।

ইয়াৰ পিছত ক্ষান্ত বা হতাশ নহৈ মোহম্মদে সমগ্র আৰববাসীকে আল্লাৰ পথলৈ আহ্বান জনাবলৈ ল'লে। এদিন তেওঁ চাফা পৰ্ব্বতৰ ওপৰত উঠি কুৰেইছসকলক চিঞঁৰি আহ্বান জনালে, "হে কুৰেইছসকল"— তেওঁৰ মাত শুনি কুৰেইছসকল কাষ চাপি আহিল, আৰু তেওঁ তেওঁলোকক কিয় মাতিছে সুধিলে।

মোহম্মদে তেওঁলোকক সম্বোধন কৰি ক'লে, "হে কুৰেইছসকল, মই যদি পৰ্ব্বতটোৰ সিপাৰে এটা উটৰ কাৰাভান দেখিছো বুলি কওঁ, তোমালোকে বাৰু বিশ্বাস কৰিবানে ?"

তেওঁলোকে ক'লে,— "নিশ্চয় বিশ্বাস কৰিম। আমি তোমাক বিশ্বাস কৰো। তুমি কোনো দিন মিছা কথা কোৱা নাই।"

মোহম্মদে ক'লে, মই তোমালোকক এটা সাৱধান বাণী শুনাবৰ কাৰণে আহিছো। হে আব্দুল মুত্তালিব, হে আব্দ মনাফ, হে বনু জুহ্ৰা, হে বনু

তাইম, হে বনু মখ্জুম, হে বনু আছাদ, হে মোৰ অঙহী-বঙহী আপোন পৰিয়ালৰ লোকসকল, তোমালোকেও যদি তৌহিদৰ ওপৰত একমেবাদ্বিতীয়ম আল্লাৰ ওপৰত ঈমান নানা, এজন আল্লাৰ বাহিৰে আৰু কোনো উপাস্য নাই বুলি বিশ্বাস নকৰা, তেন্তে এই পৃথিৱীত অথবা পৰকালত তোমালোকৰ কাৰণে মই একোকে কৰিব নোৱাৰিম।"

খঙাল আবু লহবে উঠি ক'লে, "আমাক ইয়াকে ক'বলৈ ইয়ালৈ মাতি আনিছিলা। পণ্ড হওক সকলোবোৰ।"

আবু লহবৰ অভিশাপ ভৰা কথাখিনি শুনি মোহম্মদে তেওঁৰ মুখৰ ফালে চালে। এই সময়তে এটা ৱহী নাজিল হ'ল— "তব্বত য়াদা আবি লহবিও ৱতব....আবু লহবৰ হাত ধ্বংস হওক (অভিশপ্ত হওক) আবু লহব, অভিশপ্ত হওক, তেওঁৰ ধন-সম্পত্তিয়ে তেওঁক ৰক্ষা নকৰিব। তেওঁক নৰকৰ জুয়ে পুৰি ছাই কৰি পেলাব।"

আবু লহবৰ ক্ৰোধ আৰু উত্তপ্ত বিৰোধিতা সত্ত্বেও আৰু অন্যান্য কুৰেইছসকলৰ বিৰোধিতা সত্ত্বেও মক্কাবাসীৰ মাজত এই নতুন ধৰ্ম্মৰ প্ৰচাৰ কাৰ্য্য অব্যাহতভাৱে চলি থাকিল। প্ৰত্যেক দিনেই এজন দুজনকৈ মানুহ আহি ইছলাম গ্ৰহণ কৰিব ধৰিলে। ধৰ্ম্মৰ প্ৰতি উদাসীন লোকসকলেও ইছলামৰ আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ যোগদান কৰিলেহি। এনেবোৰ লোকে লক্ষ্য কৰিছিল যে কোনো ব্যক্তিগত স্বাৰ্থ পূৰণৰ কাৰণে নাইবা আৰববাসীৰ নেতা হোৱাৰ আকাঙ্ক্ষাত মোহম্মদে মানুহবিলাকক তেওঁৰ পথ অনুসৰণ কৰিবলৈ আহ্বান জনোৱা নাছিল। খাদিজাৰ ধন-সম্পত্তি আছিল, আৰু মোহম্মদ তাৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হৈছিল, কিন্তু তেওঁ ধৰ্ম্মীয় বিচাৰ-বিবেচনাক কাহানিও ধন-সম্পত্তিৰ দ্বাৰা প্ৰভাৱিত হ'বলৈ দিয়া নাছিল। মানুহ মানুহৰ মাজত প্ৰেম, ভ্ৰাতৃত্ব, ক্ষমা আৰু পাৰস্পৰিক শ্ৰদ্ধাক বাধাগ্ৰস্থ কৰিবৰ কাৰণে বৈষয়িক বিবেচনাক যি কোনো ৰকমেই ঠাই দিয়াৰ তেওঁ বিৰোধিতা কৰিছিল। ধন-সম্পত্তি, বিষয় বাসনাৰ প্ৰতি লালসাই মানুহৰ আত্মিক অৱক্ষয় ঘটায়। মোহম্মদৰ আহ্বান আছিল স্বাধীনতাৰ কাৰণে, সীমাহীন মুক্তিৰ কাৰণে, মূৰ্ত্তিপূজাৰ নীতি-নিয়ম বাধ্যবাধকতাৰ পৰা সম্পূৰ্ণ মুক্ত হৈ মুকলিভাৱে এক আল্লাৰ আৰাধনা কৰাৰ স্বাধীনতা লাভ কৰিবৰ কাৰণে। মানুহ আৰু মানুহৰ

প্ৰভু আল্লাৰ স্বাৰ্থহীন সম্পৰ্কৰ মাজত অন্য কোনো বস্তু বা বিবেচনাক ঠাই পাবলৈ দিব নেলাগিব। মানুহৰ সৎ কৰ্ম্ম আৰু অসৎ কৰ্ম্মৰ কাৰণে মানুহৰ বাহিৰে অন্য কোনো জগৰীয়া নহয়। কাবা মন্দিৰত থকা দেৱ-দেৱী, জোৰোৱাষ্ট্ৰীয়সকলে পূজা কৰা অগ্নি, ইজিপ্তীয়ানসকলে পূজা কৰা সূৰ্য্য দেৱতা বা গ্ৰহ-নক্ষত্ৰ পূজা কৰোতাসকলৰ গ্ৰহদেৱতা কোনোৱেই, একোৱেই মানুহৰ কৰ্ম্মৰ ফলাফলৰ বাবে দায়ী হ'ব নোৱাৰে। মানুহৰ কৰ্ম্মৰ গুণাগুণৰ ওপৰতে তাৰ ফলাফল নিৰ্ভৰ কৰে। পৃথিৱীত মানুহৰ বিবেকেই কৰ্ম্মৰ বিষয়ত উচিত অনুচিত নিৰ্ণয় কৰাৰ মাপ কাঠি। নিজ কৰ্ম্ম আৰু সিদ্ধান্ত গ্ৰহণৰ নিৰ্ব্বিৰোধ অধিকাৰ মানুহে পাব লাগিব। সত্যৰ পথৰ অনুগামী হোৱাত যুক্তিহীন অন্ধবিশ্বাস আৰু ধ্যান-ধাৰণাক কোনো অন্তৰায় সৃষ্টি কৰিবলৈ দিব নেলাগিব।

এনে ধৰণৰে আছিল আৰববাসীসককলৰ প্ৰতি মোহম্মদৰ সাদৰ আহ্বান। এই আহ্বানত কোনো জোৰ জবৰদস্তি নাছিল, পৌত্তলিকতা বৰ্জ্জন কৰি এক আল্লাৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ স্বত:স্ফূৰ্ত্তভাৱে নিজক প্ৰস্তুত কৰাই আছিল আহ্বানৰ মূল কথা।

হজৰত মোহম্মদৰ এই আহ্বানে কুৰেইছ গোষ্ঠীৰ দুজন বিশিষ্ট আৰু সম্ভ্ৰান্ত ব্যক্তি, ধনী ব্যৱসায়ী আবু লহব আৰু আবু চুফিয়ানক কিছু সন্ত্ৰস্ত কৰি তুলিলে। প্ৰথমে তেওঁলোকে মোহম্মদৰ কথা আৰু কাৰ্য্যক ভিত্তিহীন বুলি হাঁহি উৰাই দিয়াৰ প্ৰয়াস পাইছিল। ইয়াৰ কাৰণে তেওঁলোকে কুৰেইছ কবিসকলক মোহম্মদক ইতিকিং উপহাস কৰি কবিতা লিখিবলৈ লগালে। সেইমতে আবু চুফিয়ান ইব্‌নে হাৰিছ, আমৰ ইব্‌নে আছ, আবুদুল্লাহ ইব্‌নে জিবাৰী আদি কবিয়ে মোহম্মদক লঘূ কৰিবৰ কাৰণে বিদ্ৰূপ ভৰা কবিতা ৰচনা কৰিলে। যদিও এইবোৰৰ প্ৰতিবাদ কৰাৰ প্ৰয়োজন নাছিল, কেইজনমান মুছলমান কবিয়ে সেইবোৰ কবিৰ কবিতাৰ বিৰুদ্ধে কবিতা লিখিবলৈ ল'লে। অন্য কিছুমান মানুহে মোহম্মদ ৰছুল হোৱাৰ প্ৰমাণ স্বৰূপে কিছুমান অলৌকিক কাম কাৰ দেখুৱাবৰ কাৰণে দাবী জনালে। তেওঁলোকে মোহম্মদক হজৰত মূছা আৰু হজৰত ঈছাই সমাধা কৰি দেখুউৱা অলৌকিক কামৰ নিচিনা কাম কৰি দেখুৱাবলৈ ক'লে, সিবিলাকৰ প্ৰশ্ন আছিল এনেধৰণৰঃ "তুমি যে আল্লাৰ পৰা ৱহী বা ঐশীবাণী পোৱা বুলি কৈছা. তুমি আস্মানৰ পৰা গোটেই লিখা

থকা পুথিখন আমাক আনি নেদেখুওৱা কিয় ? চাফা আৰু মৰৱা পৰ্ব্বত দুটা সোণৰ কৰি নিদিয়া কিয়। তোমাৰ আগত দেখা দি আল্লাৰ বাণী তোমাক শুনোৱাদি জিব্ৰাইলক আমাৰ সকলোৰে আগত দেখা দি আমাক স্বৰ্গীয় বাণী শুনাবলৈ নোকোৱা কিয় ? মৰা মানুহবোৰক তুমি জীয়াই নিদিয়া কিয় ? মক্কা নগৰৰ কেউফালে থকা পৰ্ব্বতবোৰ ক'ৰবালৈ আঁতৰাই লৈ নোযোৱা কিয় ? আমাৰ ভাল পানীৰ ইমান নাটনি, জমজমৰ পানীতকৈ মিঠা পানীৰ এটা নিজৰা বা ফোৱাৰা বোৱাই নানা কিয় ?"

এইবোৰ অবাস্তৱ দাবী কৰিয়ে ক্ষান্ত নেথাকি তেওঁলোকে ঠাট্টা কৰি কৈছিল, "তুমি আৰু আমি বেপাৰত লাভ কৰিবৰ কাৰণে ভৱিষ্যতৰ বস্তুৰ ভাও তোমাক তোমাৰ আল্লাই কৈ নিদিয়েহি কিয় ?"

এনেবোৰ অবাস্তৱ দাবী আৰু ঠাট্টা বিদ্ৰূপে আল্লাৰ ওপৰত একান্ত বিশ্বাসী হজৰত মোহম্মদক বিব্ৰত কৰিব পৰা নাছিল। এনেবোৰ প্ৰশ্নৰ উত্তৰ তেওঁ দিছিল জিব্ৰাইলৰ যোগে পোৱা দৈৱবাণীৰ পৰা লৈ: "কোৱা সুযোগ সুবিধা আনিবৰ কাৰণে বা অসুবিধাৰ পৰা ৰক্ষা পৰিবৰ কাৰণে কিবা কৰিব পৰাৰ শক্তি মোৰ অকণো নাই। আল্লাই যি ইচ্ছা কৰে সেয়ে হ'ব। মই যদি ভৱিষ্যদ্বাণী কৰিব পাৰিলোহেঁতেন, তেন্তে মই সেই জ্ঞান নিজৰ সুবিধাৰ কাৰণেই ব্যৱহাৰ কৰিলোহেঁতেন, মই এজন মানুহহে। মই তোমালোকক সাৱধান কৰি দিবৰ কাৰণে আহিছো আৰু তোমালোকক স্বৰ্গীয় বাৰ্ত্তা শুনাবৰ কাৰণে আহিছো, যাতে তোমালোকে বিশ্বাস কৰা।"

অসাধাৰণ অলৌকিক ভেল্কী-বাজী দেখুৱাই মোহম্মদে মানুহক নতুন পথলৈ আকৰ্ষণ কৰিবলৈ বিচৰা নাছিল। মানৱীয় যুক্তি-বিবেক আৰু বিচাৰৰ সহায়ত সত্য আৰু অসত্যৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰি ইহকাল আৰু পৰকালৰ কাৰণে মানৱাত্মাৰ মুক্তিৰ পথৰ পথিক হ'বৰ কাৰণেই আছিল তেওঁৰ স্পষ্ট আহ্বান।

এই সময়লৈকে মোহম্মদে পোনপটীয়াকৈ কাবা মন্দিৰত থকা মূৰ্ত্তিবোৰৰ বিৰুদ্ধে কোনো বিৰূপ মন্তব্য কৰা নাছিল। সেইবোৰৰ নামো উল্লেখ কৰা নাছিল। এতিয়া তেওঁ খোলাখুলিকৈ দেৱ-দেবীৰ বিৰুদ্ধে আৰু পৌত্তলিকতাৰ বিৰুদ্ধে ক'বলৈ আৰম্ভ কৰিলে। এই কথাত কুৰেইছবিলাক তেওঁৰ বিৰুদ্ধে

ক্ৰুদ্ধ আৰু খড়্গহস্ত হৈ উঠিল। এতিয়ালৈকে কুৰেইছবিলাক দাৰুণ্ নাদ্ৰা, বা কাবাৰ ওচৰত ক'ৰবাত একে ঠাই হ'লে মোহম্মদৰ বিষয়ে লঘুভাৱে উল্লেখহে কৰিছিল, কোনো গুৰুত্ব দিয়া নাছিল। হুবল, লাট, মনাট, উজ্জা বা অন্য দেৱ-দেৱীবিলাকক আৰু সিবোৰৰ পূজা কৰা কুৰেইছবিলাকক কঠোৰভাৱে মোহম্মদে আলোচনা কৰা দেখি, সিবিলাকে প্ৰতিবাদ কৰাৰ লগতে মোহম্মদৰ লগত যুঁজ কৰাৰো আঁচনি কৰাৰো কথা চিন্তা কৰিলে। মক্কাৰ মানুহবোৰ যদি মূৰ্ত্তিপূজা এৰি মোহম্মদৰ ধৰ্ম্মত দীক্ষিত হ'বলৈ ধৰে, তেন্তে বাণিজ্য কেন্দ্ৰ হিচাপে মক্কাৰ গুৰুত্ব নোহোৱা হৈ যাব আৰু মক্কাৰ ধৰ্ম্মীয় বিশেষত্বও লোপ পাব। গতিকে মোহম্মদৰ অভিযান ব্যৰ্থ কৰাৰ কৌশল বিচৰাত সকলো তৎপৰ হ'ল।

দদায়েক আবু তালিবে যদিও ইছলাম ধৰ্ম্ম গ্ৰহণ কৰা নাছিল, তথাপি মোহম্মদৰ সপক্ষে যুঁজ কৰিবৰ কাৰণে তেওঁ লোৱা ব্যৱস্থাৰ কথা ঘোষণা কৰিলে। আবু চুফিয়ানৰ নেতৃত্বত কেইজনমান সম্ভ্ৰান্ত লোকে গৈ মোহম্মদে দেৱ-দেৱীৰ পূজা আৰু পৌত্তলিকতাৰ বিৰুদ্ধে চলোৱা প্ৰচাৰ অভিযান বন্ধ কৰাবৰ কাৰণে আবু তালিবক ধৰিলেগৈ। আবু তালিবে তেওঁলোকৰ কথা শুনিলে আৰু সম্মতি নজনাই বিদায় দিলে। মোহম্মদে তেওঁৰ প্ৰচাৰ অভিযান আগতকৈ অধিক জোৰেৰে চলাই গ'ল। মোহম্মদক নিৰস্ত কৰিবৰ কাৰণে বেলেগ বেলেগ ষড়যন্ত্ৰ কৰিলে। সফল নহ'ল। অৱশেষত তেওঁলোকে আবু তালিবক শেষ কথা শুনাই দিলে, "আমাৰ পূৰ্ব্বপুৰুষসকলক আৰু আমাক মোহম্মদে যিদৰে অপমান কৰিছে, সেইয়া যদি তুমি বন্ধ নকৰা, তেন্তে আমি তোমালোকৰ বিৰুদ্ধে যুঁজিম। হয় তোমালোক থাকিবা নতুবা আমি থাকিম।"

আবু তালিব ইছলাম গ্ৰহণ কৰিবৰ কাৰণে প্ৰস্তুত নাছিল আৰু ভতিজাক মোহম্মদক বিপদত পেলাবলৈও সাজু নাছিল। তেওঁ মোহম্মদক পৰিস্থিতিটোৰ কথা বুজাই ক'লে আৰু বিপদৰ পৰা ৰক্ষা পৰিবৰ কাৰণে কিবা উপায় উলিয়াবলৈ ক'লে।

হজৰত মোহম্মদৰ কাৰণে এইটো আছিল যুগান্তকাৰী, ক্ৰান্তিকাৰী এটা সিদ্ধান্ত লোৱাৰ চৰম মুহূৰ্ত্ত। এহাতে কেৱল সমসাময়িক কালৰ আৰব সমাজখনৰ কাৰণেই নহয়, সৰ্ব্বকালৰ সৰ্ব্ব মানৱৰ জীৱনৰ গতিপথ

নিশ্চিতভাৱে সলনি কৰাৰ সিদ্ধান্ত লৈ বিৰোধৰ লগত যুঁজিবলৈ সঙ্কল্প লোৱাৰ চৰম মুহূৰ্ত্ত, আনহাতে নিজৰ জীৱনৰ লক্ষ্য আৰু আদৰ্শক বিসৰ্জ্জন দি শত্ৰুৰ বিৰুদ্ধে সাহসেৰে থিয় নিদি কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু অজ্ঞানতাৰ ওচৰত নিজক বিক্ৰী কৰি কেৱল জীয়াই থাকিবৰ কাৰণে অসহায়ৰ দৰে আত্মসমৰ্পণ কৰা। জীৱন ডাঙৰ নে জীৱনাদৰ্শ ডাঙৰ, এহাতে সঙ্ঘবাদ দুৰ্দ্ধৰ্ষ সংগঠিত বিৰোধৰ শিবিৰ, আনহাতে কেইজনমান মুছলমান লৈ অকলশৰীয়া মোহম্মদৰ শিবিৰ। মাজত অনিশ্চিত বিপদৰ মাজত মোহম্মদক ৰক্ষণাবেক্ষণ দিবলৈ কৃতসঙ্কল্প দদায়েক আবু তালিব। নিজৰ জীৱন ৰক্ষা কৰাৰ আশা দেখা নেপালে· আবু তালিবে হয়তো মোহম্মদক অকলেই বিপন্ন পৰিস্থিতিৰ সন্মুখীন হ'বলৈ এৰিও দিব পাৰে। এইয়া এক চৰম সংকটৰ মুহূৰ্ত্ত।

কুৰেইছসকল মোহম্মদৰ লগত যুঁজ কৰিবৰ কাৰণে অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হৈছিল। তেওঁলোকৰ সংখ্যাও সৰহ। আনহাতে মুছলমানসকল সংখ্যাত তাকৰ, দুৰ্ব্বল আৰু এক সশস্ত্ৰ জন-গোষ্ঠীৰ বিৰুদ্ধে যুঁজিব পৰা বা আক্ৰমণ প্ৰতিহত কৰিব পৰাৰ শক্তি তেওঁলোকৰ নাছিল। মোহম্মদক সহায় কৰোতাও কোনো নাছিল। সত্যাশ্ৰয়ী মোহম্মদৰ, সত্যক অৱলম্বন কৰি যুঁজিবলৈ সাজু হোৱাৰ বাহিৰে আন উপায় একো নাছিল। তেওঁ সৈমান নহ'বলৈ আৰু পশুশক্তিৰ ওচৰত আত্মসমৰ্পণ নকৰিবলৈ দৃঢ়তাৰে ক'লে, "সিহঁতে যদি বেলিটো মোৰ সোঁ-হাতত দি আৰু জোনটো মোৰ বাওঁ হাতত দি মোক মোৰ উদ্দেশ্যৰ পৰা বিৰত ৰাখিবলৈ বিচাৰে, মই আল্লাৰ নামত শপত খাই কৈছো, যেতিয়ালৈকে আল্লাই মোৰ জীৱনৰ লক্ষ্য সফল নকৰে, নাইবা তাকে কৰিবলৈ যাওতে যদি মোৰ মৃত্যুও হয়, মই তথাপিতো আপোচ কৰি মোৰ ঘোষিত কৰ্ত্তব্যৰ পৰা বিৰত নহও।"

মোহম্মদৰ এই দৃঢ় সঙ্কল্পৰ কথা শুনি আবু তালিব হতভম্ব হ'ল। তেওঁ থৰ লাগি নিৰৱে থিয় দি ৰ'ল। মোহম্মদে বিদায় লৈ যাবলৈ ওলাইছিল, আবু তালিবে স্থিৰ কণ্ঠেৰে ক'লে, "যোৱা, যাক যি ক'ব খোজা কোৱাগৈ, ময়ো আল্লাৰ নামত শপত খাই কৈছো। মই তোমাক শত্ৰুৰ হাতত ধৰা পেলাই নিদিও।"

•আবু তালিবে বনু হাছিম আৰু বনু আল্ মোত্তালিবৰ লগত আলোচনা

কৰিলে আৰু মোহম্মদৰ দৃঢ় মনোবল আৰু আত্মবিশ্বাসৰ সম্পৰ্কে ক'লে, আৰু কুৰেইছবিলাকৰ আক্ৰমণৰ পৰা মোহম্মদক ৰক্ষা কৰিবৰ কাৰণে অনুৰোধ কৰিলে। আবু লহবৰ বাহিৰে অন্যান্যসকলে মোহম্মদক ৰক্ষা কৰিব বুলি আশ্বাস দিলে। মোহম্মদে যি সত্যৰ সপক্ষে যুঁজ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে, তাত জয়ী হ'লে, তেওঁৰ ৰক্ষাকাৰীসকলে যশস্যাৰ ভাগী হ'ব পাৰিব— এয়ে আছিল আশা।

দিনে দিনে হজৰত মোহম্মদ আৰু তেওঁৰ অনুগামীসকলৰ ওপৰত নিৰ্য্যাতন আৰু উপদ্ৰৱ বৃদ্ধি পাব ধৰিলে। আ'ছ বিন্ কা'ব পৰিবাৰৰ ওমৰ বিন্ খাত্তাব আছিল ইছলামৰ ঘোৰ বিৰোধী, মোহম্মদৰ তীব্ৰ প্ৰতিদ্বন্দ্বী। ওমৰ মুছলমানৰ ওপৰত কৰা অত্যাচাৰৰ কাৰণে বিখ্যাত হৈ পৰিছিল।

এদিন মোহম্মদক হত্যা কৰিবৰ উদ্দেশ্যেৰে হাতত খোলা তৰোৱাল লৈ ওমৰ গৈছিল তেওঁৰ ভনীয়েকৰ ঘৰলৈ। সেই সময়ত ভিতৰত প্ৰাৰ্থনাৰত অৱস্থাত হজৰত মোহম্মদৰ মুখৰ পৰা যি বাণী ওলাইছিল, সেইয়া কাণত পৰি ওমৰ অভিভূত হ'ল। হাতত খোলা তৰোৱালেৰে ওমৰক দেখা পাই প্ৰথমে তাত থকা শিষ্যসকলে বৰ ভয় খাইছিল। কিন্তু ওমৰে সেই বাণী শুনি, হাতৰ তৰোৱাল থৈ মোহম্মদৰ হাতত চুমা খাই, তেওঁক ইছলামত অন্তৰ্ভুক্ত কৰি ল'বৰ কাৰণে মোহম্মদক অনুৰোধ জনালে। ওমৰ মুছলমান হ'ল। তেওঁৰ যোগদানে হজৰত মোহম্মদৰ পক্ষক নতুন শক্তি দান কৰিলে।

তাৰ পিছৰ পৰা সেই মুছলমানসকলে মুকলিকৈ নামাজ পঢ়িব পৰা হ'ল, ধৰ্ম্মৰ কাম কৰিবৰ কাৰণে নিৰাপদ ঠাই বিচাৰি ফুৰিব নলগীয়া হ'ল। সমাজৰ নিম্ন স্তৰৰ পৰা আহি ইছলাম গ্ৰহণ কৰোতাসকলৰ লগত এইবাৰ আহি থিয় দিলেহি আবুবকৰ হামজা, ওমৰৰ নিচিনা শক্তিবান আৰু প্ৰতিভাশালী মানুহ। এইসকলৰ লগতে হজৰত আলী থকাটোও তাৎপৰ্য্যপূৰ্ণ কথা আছিল। মোহম্মদ আৰু ইছলামৰ ঘোৰ শত্ৰু ওমৰে ইছলাম গ্ৰহণ কৰা দেখি কুৰেইছবিলাক হতভম্ব হ'ল আৰু নিৰস্ত নহৈ মোহম্মদ আৰু তেওঁৰ অনুগামীসকলৰ বিনাশ সাধন কৰিবৰ কাৰণে প্ৰস্তুতি কৰাত লাগিল। তেওঁলোক হিংসাত হিতাহিত জ্ঞান শূন্য হৈ পৰিল। মোহম্মদৰ ধৰ্ম্ম ইছলাম ত্যাগ কৰিবৰ কাৰণে অনুচৰসকলৰ ওপৰত জোৰ-জুলুম আৰু অত্যাচাৰ কৰিব ধৰিলে।

হজৰত মোহম্মদ অহা-যোৱা কৰা বাটত কাঁইট পেলাই থোৱা, নামাজত চিজদালৈ যাওঁতে তেওঁৰ পিঠিৰ ওপৰত জন্তুৰ নাড়ীভূক, গোবৰ-জাবৰ ঢালি দিয়া, কোৰাণ পঢ়ি থাকিবৰ সময়ত ডিঙিত কাপোৰ মেৰিয়াই উশাহ বন্ধ কৰিবৰ চেষ্টা কৰা, তেনে অৱস্থাত হাত চাপৰি মাৰি, কিৰিলিয়াই নাচিবলৈ ল'ৰা-ছোৱালীবোৰক লগাই দিয়া, আলিবাটেদি গৈ থাকোতে ঘৰৰ চালৰ ওপৰৰ পৰা মোহম্মদৰ মূৰৰ ওপৰত ময়লা আৰু জাবৰ-জোঠৰ বাল্টিৰে ঢালি দিয়া— এনে ধৰণৰ অবৰ্ণনীয় অত্যাচাৰ কৰিছিল। আবু লহবৰ ঘৈণীয়েক উম্মে জমীলে বাটত কাঁইট পেলোৱা আৰু হজৰতৰ গালৈ ময়লা দলিওৱাত অন্যতকৈ এৰোব চৰা আছিল। ঘৈণীয়েকৰ দৰেই আবু লহবেও এদিন এটা ছাগলীৰ নাড়ী-ভূৰুবোৰ আনি (এইবোৰ দেৱতাৰ আগত বলি দিয়া ছাগলীৰ আছিল) মোহম্মদৰ গাত পেলাই দিছিলহি। মোহম্মদে জীয়েক ফাতিমাৰ ওচৰলৈ গৈ ময়লাবোৰ ধোৱাই ল'বলগীয়া হৈছিল। য'তে পায় ত'তে মুছলমানবিলাকক অত্যাচাৰ কৰি হাৰাশাস্তি কৰাটো অমুছলমানবিলাকৰ দৈনন্দিন কাৰ্য্যসূচীৰ ভিতৰুৱা কথা হৈ পৰিছিল। কিন্তু এনে উৎপীড়ন-অত্যাচাৰ সত্ত্বেও মোহম্মদ অবিচল আছিল, তেওঁৰ সত্যক প্ৰাণ দিও ৰক্ষা কৰিবলৈ দৃঢ়সংকল্প আছিল। কুৰেইছবিলাকে নিজে কৰাৰ উপৰিও অন্যান্য ফৈদৰ মানুহবোৰকো মোহম্মদৰ অনুগামী মুছলমানসকলক উৎপীড়ন কৰিবলৈ উচটাইছিল।

বিলাল আছিল আবিচিনীয়াৰ এজন হাব্‌ছী বা নিগ্ৰো মানুহ। তেওঁ এজন অমুছলমানৰ দাস থকা অৱস্থাতে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিছিল। এই কথাত ক্ৰোধান্ধ হৈ তাৰ গিৰিহঁতে ইছলাম এৰি দিবৰ কাৰণে বাধ্য কৰাবৰ মনেৰে বিলালক দেই পুৰি নিয়া ৰ'দত মৰুভূমিৰ বালিৰ ওপৰত পেলাই লৈ, বুকুৰ ওপৰত গধুৰ শীল এচটাৰে হেঁচা দি মৰিবলৈ পেলাই থৈছিল। এনে অমানুষিক অত্যাচাৰো সহি থাকি বিলালে মৃত্যুলৈ ভ্ৰূক্ষেপ নকৰি নিৰ্ভীকভাৱে চিঞৰি আছিল— "আল্লাহ্ ৱহদুহ্ লা ছাৰিকা লহ্" আল্লাহ এজন, আল্লাহ একমেৱাদ্বিতীয়ম, আল্লাৰ কোনো অংশীদাৰ নাই।

বিলালৰ এনে দুৰ্দ্দশা দেখি আবুবকৰে তাৰ গৃহস্থৰ পৰা বিলালক কিনি লৈ বন্দীদশাৰ পৰা মুক্ত কৰিলে। আবুবকৰে বিলালৰ উপৰিও, অন্যান্য আৰু কেইবাজনো ক্ৰীতদাসক ইছলাম-বিৰোধী গৃহস্থৰ পৰা মুক্ত কৰি দিছিল। ওমৰৰ

বিন্ খাত্তাবে ইছলাম গ্ৰহণ কৰাৰ পূৰ্ব্বে তেওঁৰ ঘৰত থকা এজনী দাসীকো আবুবকৰে দাম আদায় কৰি দি মুক্ত কৰি দিছিল। মুছলমান হোৱাৰ পিছত সেই ধৰ্ম্ম ত্যাগ কৰিবলৈ অমান্তি হোৱাৰ কাৰণে এজনী তিৰোতাক শাস্তি দি মাৰি পেলোৱাও হৈছিল। কিন্তু এনে অত্যাচাৰ উৎপীড়ন ভালেমান বছৰ চলি থাকিল যদিও, ইছলাম গ্ৰহণ কৰা কোনো মুছলমানেই নিজৰ ধৰ্ম্ম এৰি নিদি নিৰৱে আল্লাৰ ওচৰত নিজক সমৰ্পণ কৰি চলি থাকিল। হজৰত মোহম্মদ বা তেওঁৰ অনুগামীসকলৰ কোনোৱেই ধন-সম্পদ, খ্যাতি যশস্যা বা ৰাজশক্তি বা জাগতিক প্ৰতিপত্তি বিচৰা নাছিল। বিনম্ৰভাৱে আল্লাৰ ওচৰত নিজক সমৰ্পণ কৰি সত্যৰ সন্ধানত ব্ৰতী থাকিয়ে তেওঁলোকে ভয়ঙ্কৰ দুৰ্য্যোগপূৰ্ণ দিনবোৰ পাৰ কৰি দিছিল। যিবোৰ মানুহে মোহম্মদক অত্যাচাৰ উৎপীড়ন কৰিছিল যিবোৰ মানুহে তেওঁৰ ক্ষতি সাধন কৰিছিল, সেইবোৰ মানুহৰ মুক্তিৰ কাৰণে তেওঁ আল্লাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল, জড়বাদৰ ব্যভিচাৰ আৰু কদৰ্য্য অনৈতিকতাৰ পোতাশালৰ পৰা সেইবোৰ পৌত্তলিকক মুক্ত কৰি সত্য পথৰ পথিক কৰিবৰ কাৰণে তেওঁ আল্লাৰ ওচৰত দোৱা কৰিছিল। সেই সময়ৰ কবিবিলাকে তেওঁক ভৰ্ৎসনা-অপমান কৰিছিল, নিজ জ্ঞাতিৰ মানুহবোৰে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল। তেওঁৰ ঘৰলৈ শিলগুটি দলিয়াইছিল আৰু হত্যা কৰিবলৈ চেষ্টা চলাইছিল। অত্যাচাৰ-উৎপীড়ন যিমানে বাঢ়িছিল সিমানে তেওঁৰ ধৰ্ম্ম-বিশ্বাস আৰু কৰ্ত্তব্য পালনৰ সঙ্কল্পত অধিক দৃঢ়তাৰে আত্মনিয়োগ কৰিছিল। সত্যৰক্ষাৰ স্বাৰ্থত নিজৰ জীৱন পৰ্য্যন্ত বিসৰ্জ্জন দিবলৈ সঙ্কল্পবদ্ধ মোহম্মদৰ দৃঢ়তাৰ সন্মুখত প্ৰতিপক্ষৰ বিৰোধৰ শক্তি দুৰ্ব্বল হৈ পৰিছিল। তেতিয়াও কোৰাণ সম্পূৰ্ণৰূপে অৱতীৰ্ণ হোৱা নাছিল, আৰু নতুন ধৰ্ম্ম ইছলামে পূৰ্ণাঙ্গ ৰূপত প্ৰতিষ্ঠিত হোৱা নাছিল।

মোহম্মদ ধনী বা সম্পত্তিবান নাছিল, কিন্তু তেওঁ আছিল আৰবৰ উচ্চ আৰু সম্ভ্ৰান্ত বংশৰ এজন সুযোগ্য বংশধৰ। বনু হাছিম বংশৰ দৰেই তেওঁৰো সমাজত প্ৰাতপত্তি আৰু প্ৰাধান্য আছিল। কাবাৰ চিদানা আৰু চিকায়াৰ কৰ্ত্তৃত্ব তেওঁলোকৰে আছিল। আল্লাৰ পৰা পোৱা ঐশী নিৰ্দ্দেশবাণী আৰু সৰ্ব্বকালৰ, সৰ্ব্বমানৱৰ কাৰণে প্ৰয়োজনীয় আৰু উপযোগী চিৰন্তন সত্যক নিৰ্ভীকভাৱে প্ৰচাৰ কৰাই আছিল মোহম্মদৰ প্ৰধান কৰ্ত্তব্য, আৰু দায়িত্বতাৰ কাৰণে

ৰাজনৈতিক শক্তি, ধন-ঐশ্বৰ্য্যৰ প্ৰয়োজন নাছিল। প্ৰয়োজন আছিল সত্যৰ আদৰ্শৰ কাৰণে যুঁজাৰ শক্তিৰ আৰু মনৰ দৃঢ়তাৰ। মোহম্মদৰ পূৰ্ব্বগামী পয়গম্বৰসকল যেনে পাৰিবেশ আৰু পৰিস্থিতিৰ সম্মুখীন হৈছিল, মোহম্মদ সম্মুখীন হোৱা পৰিস্থিতি তাতকৈ বেলেগ আছিল।

হজৰত মুছাৰ জন্ম হৈছিল ইজিপ্তত। তেতিয়া ইজিপ্তবাসী প্ৰজাই ৰজা ফিৰাউনক সিহঁতৰ আল্লাহ বুলি বিশ্বাস কৰি পূজা কৰিছিল। ফিৰাউনে নিজে আল্লাহ্ বুলি ঘোষণা কৰিছিল। পুৰোহিতবোৰে প্ৰজাক নানাধৰণে অত্যাচাৰ কৰিছিল। হজৰত মুছাই ৰজাৰ ৰাজশক্তিৰ বিৰুদ্ধে আৰু অন্ধ ধৰ্ম্মান্ধতাৰ বিৰুদ্ধে যুঁজিবলগীয়া হৈছিল। এই যুদ্ধৰ যোগেদি হজৰত মুছাই্ ৰজা ফিৰাউনৰ আল্লা বুলি কৰা দাবী ধূলিসাৎ কৰি ৰজাক সাধাৰণ মানুহৰ সমতুল্য বুলি প্ৰমাণ কৰিছিল। ৰজাৰ ৰাজশক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰাই্ আছিল হজৰত মুছাৰ প্ৰথম কাম, সেই কাৰণে প্ৰথমে তেওঁ এক ৰাজনৈতিক বিপ্লৱ আৰম্ভ কৰিছিল। সেয়ে হজৰত মুছাৰ ধৰ্ম্মৰ বিৰুদ্ধে প্ৰজাই বিৰোধ আৰম্ভ কৰাৰ আগতে ৰজা ফিৰাউনেহে বাধা দানৰ ব্যৱস্থা কৰিছিল। নিজৰ নবুৱতৰ ওপৰত সাধাৰণ মানুহৰ বিশ্বাস জন্মাবৰ কাৰণে সিবিলাকৰ দাবীত হজৰত মুছাই্ অতিলৌকিক কাৰ্য্য কৰি মোজেজা দেখুৱাব লগীয়া হৈছিল। ইমানবোৰ কৰিও কিন্তু ৰাজশক্তিৰ লগত সংগ্ৰামত তিষ্ঠিব নোৱাৰি হজৰত মুছা ইজিপ্ত এৰি যাবলগীয়া হৈছিল।

হজৰত ঈছাৰ (জেছাছ) ক্ষেত্ৰতো একে ধৰণৰ পৰিস্থিতিয়েই্ হৈছিল। তেওঁৰ জন্ম হৈছিল পেলেষ্টাইনৰ নাজাৰেথত। সেই্ ঠাই্ আছিল ৰোমান সম্ৰাটৰ শাসনৰ অধীনত। তেওঁ বিশ্বপ্ৰেম, ক্ষমা, ধৈৰ্য্য আৰু ভ্ৰাতৃত্বৰ কাৰণে আহ্বান জনাইছিল। এনে আহ্বানক ৰোমান শাসকে ৰাজশক্তিৰ বিৰুদ্ধে এক প্ৰত্যাহ্বান বুলি গণ্য কৰিছিল। সৰ্ব্বসাধাৰণ লোকৰ মনত তেওঁৰ আহ্বানৰ প্ৰতি আস্থা আৰু বিশ্বাস জন্মাবৰ কাৰণে আল্লাৰ সহায়ত মৃতকক পুনৰজীৱিত কৰা, ৰোগীক হাতেৰে চুয়ে আৰোগ্য কৰা আদি অলৌকিক কাৰ্য্য সম্পাদন কৰি দেখুৱাবলগীয়া হৈছিল। হজৰত মুছাৰ নিচিনাকৈয়ে হজৰত ঈছায়ো তেওঁৰ নতুন ধৰ্ম্মমত মানুহৰ মাজত প্ৰচাৰ কৰিবৰ কাৰণে ৰাজশক্তিৰ লগতেই প্ৰধানতঃ যুঁজ কৰিবলগীয়া হৈছিল। সত্যত অটল থাকি মানুহৰ মুক্তিৰ কাৰণে যুঁজিবলৈ সংকল্প গ্ৰহণ কৰাৰ পৰিণাম স্বৰূপেই হজৰত ঈছাই্ ক্ৰচত নিজৰ প্ৰাণ দিবলগীয়া হৈছিল।

হজৰত ঈছা আৰু হজৰত মোহম্মদৰ ধৰ্ম্মৰ মূল আদৰ্শৰ মাজত বহুখিনি মিল আছিল। আল্লাৰ ওপৰত বিশ্বাস, প্রেম, দয়া, ক্ষমা, বিশ্বভ্রাতৃত্বৰ আদৰ্শ দুয়োটা ধৰ্ম্মৰে সাৰ বস্তু আছিল। কিন্তু আৰবত হজৰত মোহম্মদে যি পৰিবেশত ইছলাম প্ৰচাৰত ব্ৰতী হ'বলগীয়া হৈছিল তাৰ অৱস্থান কিছু বেলেগে আছিল। তেওঁ ৰাজনৈতিক বিৰোধৰ সন্মুখীন হ'বলগীয়া হোৱা নাছিল আৰু সেয়ে তেওঁৰ সংগ্ৰাম ৰাজনৈতিক ধৰণৰ নাছিল। যুক্তি আৰু নৈতিক, আধ্যাত্মিক আবেদনেৰে তেওঁ আৰব জনসাধাৰণক নতুন ধৰ্ম্ম গ্ৰহণ কৰিবৰ কাৰণে আহ্বান জনাবলগীয়া হৈছিল। জীৱন আৰু জগতক এক সাধাৰণ মানুহৰ গ্ৰহণযোগ্য যুক্তিৰে প্ৰভাৱান্বিত কৰাই মোহম্মদৰ প্ৰধান কাম আছিল। পোনপতীয়াকৈ ইয়াৰ বাবে কোনো ৰাজনৈতিক বিৰোধৰ সন্মুখীন হ'বলগীয়া তেওঁৰ হোৱা নাছিল। বস্তুজগতৰ আৰু মনোজনগতৰ অভিজ্ঞতাবোৰক পৰ্য্যবেক্ষণ, বিশ্লেষণ, যুক্তিৰে মূল্যায়ন কৰি স্বৰূপ নিৰ্দ্ধাৰণ কৰাৰ যোগেদি বৈজ্ঞানিকভাৱে সত্যৰ ৰহস্য উন্মোচন কৰি পৃথিৱীৰ সকলো মানুহৰ গ্ৰহণযোগ্য সূত্ৰ বা ব্যাখ্যা প্ৰতিষ্ঠা কৰাই আছিল হজৰত মোহম্মদৰ ইছলাম প্ৰচাৰৰ সহজ পদ্ধতি। যুক্তিৰে মীমাংসা কৰিব নোৱৰা কোনো কাল্পনিক ধাৰণাক তেওঁ বৰ গুৰুত্ব দিয়া নাছিল। মানুহৰ সহজ যুক্তিৰ সহায়ত উপলব্ধি কৰিব পৰা সত্যকহে তেওঁ যুক্তিৰে বিচাৰ কৰি গ্ৰহণ কৰিবৰ কাৰণে আহ্বান জনাইছিল। এনে আহ্বানত কোনো ৰকমৰ বাধ্যবাধকতা, জোৰ-জবৰদস্তীৰ ঠাই নাছিল। আৰু তেওঁ প্ৰচাৰ কৰা ধৰ্ম্মই কোনো ৰাজনৈতিক সমস্যাবো সৃষ্টি কৰা নাছিল। সামাজিক, অৰ্থনৈতিক আৰু নৈতিক পৰিবৰ্ত্তনৰ পৰিবেশহে সৃষ্টি কৰিছিল। তেওঁৰ প্ৰচাৰিত নতুন জীৱন দৰ্শনৰ কেইটামান মূল কথা আছিল এনে ধৰণৰ:— প্ৰতিটো অস্তিত্বৰ বা বস্তু প্ৰাণ (হস্তি)ৰ অন্য অস্তিত্বৰ লগত সম্বন্ধ আছে। কোনো বস্তুৱেই সম্পূৰ্ণ একক আৰু অবিছিন্ন নহয়। ব্যক্তিৰ লগত গোষ্ঠীৰ,- গোষ্ঠীৰ লগত জাতিৰ, জাতিৰ লগত অন্য জাতিৰ এক অবধাৰিত সম্পৰ্ক আছে। অন্যান্য জীৱ আৰু প্ৰাণীৰ আৰু বস্তুজগতৰ লগত মানুহৰ সম্পৰ্ক আছে। এই পৃথিৱীখনৰ চন্দ্ৰ-সূৰ্য্য-গ্ৰহ-নক্ষত্ৰ আৰু সৌৰ মণ্ডলৰ অন্যান্য দৃশ্যমান আৰু অদৃশ্য অস্তিত্বৰ লগত সম্পৰ্ক আছে। এক সূক্ষ্ম সম্বন্ধৰ এনাজৰীয়ে সৃষ্টিৰ সকলো বস্তুকে আৱৰি ৰাখিছে। বিশ্ব-প্ৰকৃতিৰ প্ৰতিটো বস্তু এক নিৰ্দ্দিষ্ট নিয়ম বা বিধিৰ

দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত হৈছে। এই নিয়মৰ কোনো আকস্মিক পৰিবৰ্ত্তন ঘটিলে, সমগ্ৰ বিশ্বৰে নিয়মত পৰিবৰ্ত্তন ঘটিব। সৃষ্টিৰ সকলো বস্তুৱেই এক সৰ্ব্বাত্মক আৰু সৰ্ব্বব্যাপী অনিৰ্ব্বচনীয় আধ্যাত্মা সত্তাৰ ইচ্ছা আৰু অনুশাসন মানি কোটি অৰ্ব্বুদ বছৰ চলি আছে। আৰু চলি থাকিব। সেই পৰম আৰু চৰম সত্তাৰ ইচ্ছা অনুসৰিয়েই মানুহ পৃথিৱীলৈ আহিছে, আৰু মানুহ এই পৃথিৱীৰ পৰা যাব। মানুহ এই পৰম সত্তাৰেই অনুগামী আৰু আজ্ঞাবহ হ'ব লাগে। স্থান আৰু কাল, দেহা আৰু প্ৰাণ, দৃশ্য আৰু অদৃশ্য এই সকলোকে সামৰি সকলোৰে উৰ্ধ্বত নিজস্ব অনন্ত মহিমাৰে যি অস্তিত্ব বা সত্তা বিৰাজ কৰিছে সেই সত্তাহে একমাত্ৰ পূজাৰ যোগ্য। সকলো পূজা প্ৰাৰ্থনাৰ লক্ষ্য হ'ব লাগে সেই এক আৰু অদ্বিতীয় পৰম সত্তা বা আল্লাহ। তেৱেঁই স্ৰষ্টা আৰু বাকী সকলো তেওঁৰেই ইচ্ছাৰ সৃষ্টি। সেয়েহে কোনো ৰজা, কোনো মানুহ, জোন-বেলি গ্ৰহ-নক্ষত্ৰ, পাহাৰ-নদী, গছ-পৰ্ব্বত, মূৰ্ত্তি-বিগ্ৰহ আদিক পূজাৰ যোগ্য বুলি ভবা বা পূজা কৰা অযুক্তিকৰ আৰু অসাৰ্থক। মানুহক আল্লাই যি জ্ঞান বুদ্ধি বিবেক চিন্তা আৰু কল্পনা শক্তি দিছে আৰু আধ্যাত্মা সাধনাৰ যি ব্যাপক ক্ষেত্ৰ আৰু সম্ভাৱনা দিছে, তাৰ পূৰ্ণ সদ্ব্যৱহাৰ নকৰি, যুক্তিৰে সৃষ্টিৰ মূলত থকা ঐক্য আৰু স্বাভাৱিক নীতিৰ তাৎপৰ্য্য উদ্ঘাটন কৰিবৰ চেষ্টা নকৰি যিহকে তিহকে পূজা কৰাত সৃষ্টিৰ যিকোনো বস্তুতে দেৱত্ব আৰু ঈশ্বৰত্ব: আৰোপ কৰা অজ্ঞতা আৰু মূৰ্খামীৰহে পৰিচায়ক।

হজৰত মোহম্মদে সকলো মানুহৰ কাৰণে যুক্তিসিদ্ধ এই সত্যকে বিবেচনা আৰু গ্ৰহণৰ কাৰণে আগ বঢ়াইছিল। এই সত্যই আল্লাৰ ৱহীৰ যোগে তেওঁলৈ তথা বিশ্বৰ মানুহৰ কাৰণে অৱতীৰ্ণ হৈছিল। কোৰাণৰ ওজস্বী মধুৰ আয়াতসমূহৰ মাজেদি এই চৰম সত্যৰ বাণীয়েই উচ্চাৰিত আৰু ঘোষিত হৈ আহিছে। এই সত্যৰ সন্ধান দিওতা হজৰত মোহম্মদে অতি মানৱীয়তাৰ দাবী কৰা নাছিল—ময়ো তোমালোকৰ নিচিনা এজন মানুহ বুলি ক'বৰ কাৰণেহে তেওঁ আল্লাৰ পৰা নিৰ্দ্দেশ পাইছিল। আৰু এই কাৰণেই নতুনকৈ ইছলাম গ্ৰহণ কৰোতা মুছলমানসকলৰ কাৰণে তেওঁ হৈ পৰিছিল এজন আদৰ্শ মানুহ, এজন আদৰ্শ নেতা, এজন আদৰ্শ ৰছুল আৰু এজন ইহলোক আৰু পৰলোকৰ বিশ্বস্ত আৰু নিৰ্ভৰযোগ্য পথপ্ৰদৰ্শক। মোহম্মদ বিভ্ৰান্ত আৰু কু-সংস্কাৰবদ্ধ

আৰববাসীৰ সম্মুখত সততা, ন্যায়, সহিষ্ণুতা, ক্ষমা আৰু প্ৰেমৰ যোগেদি আৰু সৃষ্টিৰ অধীশ্বৰ আল্লাৰ ওচৰত আত্মসমৰ্পণৰ যোগেদি এই জীৱনৰ শান্তি আৰু পৰকালৰ মুক্তিৰ পথৰ সন্ধান দিলে। যুক্তিৰ আধাৰত মানৱত্বৰ সীমাহীন সম্ভাৱনাক বাস্তৱত ৰূপায়িত কৰাৰ পথ বিশ্ববাসীৰ আগত হুজৰত মোহম্মদে চৰম আত্মপ্ৰত্যয়েৰে দাঙি ধৰিলে। তাৰ অন্য নাম ইছলাম।

হুজৰত মোহম্মদে প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰা ধৰ্ম্ম ইছলাম শিক্ষিত অশিক্ষিত, ধনী দুখীয়া, পুৰুষ নাৰী, আৰবী অনা আৰবী, বগা ক'লা সকলো মানুহে সহজে পালন কৰিব পৰা, কোনোবা জটিলতা বা দুৰ্ব্বোধ্যতা নথকা এক সৰ্ব্বজনগ্ৰাহ্য সৰল ধৰ্ম্ম। ইছলাম শান্তি আৰু সমৰ্পণৰ ধৰ্ম্ম, ইছলাম শব্দৰ অৰ্থ শান্তি। জীৱনৰ পূৰ্ণতম বিকাশৰ কাৰণে, মানুহৰ দেহ মন আত্মাৰ বিকাশৰ কাৰণে শান্তিৰ প্ৰয়োজন, অশান্তিয়ে মানুহৰ সৰ্ব্বাত্মক বিকাশক বাধাগ্ৰস্ত কৰে। এই শান্তিৰ উপলব্ধিৰ কাৰণে স্ৰষ্টাৰ অস্তিত্বৰ ওপৰত দ্বিধাহীন বিশ্বাস ৰাখি একমাত্ৰ সেই সত্য আৰু নিত্যস্বৰূপ আল্লাৰ ওপৰত কায়মনোবাক্যে নিজক সমৰ্পণ কৰাৰ নামেই ইছলাম ধৰ্ম্ম। এই ধৰ্ম্মৰ অনুগামীসকলৰ কাৰণে পালনীয় কৰ্ত্তব্যত কোনো কায়কষ্ট বা বাধ্য বাধকতা নাই।

আল্লাহ সমগ্ৰ সৃষ্টিৰ স্ৰষ্টা আৰু প্ৰভু। তেওঁ নিৰাকাৰ অসীম আৰু অনন্ত। তেওঁ সকলো জ্ঞানৰ অধীশ্বৰ। তেওঁ স্বয়ম্ভূ। কোনো পিতৃমাতৃৰ পৰা তেওঁৰ জন্ম হোৱা নাই আৰু তেওঁও কোনো সন্তানৰ পিতৃ নহয়। সেই আল্লাক বিশ্বাস কৰা। তোমাৰ ওচৰ-চুবুৰীয়াক ভাল পাবা, মৰম কৰিবা। ন্যায়ক সমৰ্থন কৰিবা, ন্যায়ৰ সপক্ষে যুঁজিবা, অন্যায় অবিচাৰ অনাচাৰ অত্যাচাৰ বৰ্জ্জন কৰিবা। দেহে মনে পবিত্ৰ আৰু পৰিচ্ছন্ন থাকিবা। পিতৃ-মাতৃক স্নেহ শ্ৰদ্ধা কৰিবা, তেওঁলোকক সন্মান কৰিবা, তেওঁলোকৰ যেদমত সেৱা শুশ্ৰূষা কৰিবা। দৰিদ্ৰৰ প্ৰতি, দুখীয়া আত্মীয়জনৰ প্ৰতি দয়ালু হ'বা। মাউৰা অনাথজনক দৰিদ্ৰ নিঃস্বজনক খুৱাবা, বস্ত্ৰহীনজনক কাপোৰ দিবা। কোনো প্ৰাণীৰ বা কোনো

মানুহৰ কোনো ধৰণৰ ক্ষতি নকৰিবা। সন্তানক বধ নকৰিবা। এজন মানুহক হত্যা কৰা মানে সমগ্ৰ মানুহকে হত্যা কৰা। এজন বিপন্ন অসহায় মানুহক সহায় কৰা বা ৰক্ষা কৰা মানে সকলো মানুহকে ৰক্ষা কৰা বুলি ভাবিবা। প্ৰতিহিংসা আৰু প্ৰতিশোধ পৰায়ণতাই মানুহক পশুত্বলৈ অধঃপতিত কৰে। প্ৰতিশোধ লোৱাৰ পৰা বিৰত থাকিবা। সকলোতে এক সীমা ৰক্ষা কৰি চলিবা। খৰছী নহ'বা। নিজৰ ধন-সম্পদ খৰচৰ বেলিকাও মিতব্যয়ী হ'বা। কোনো অৱস্থাতে আল্লাৰ হুকুম অমান্য নকৰিবা। যিজন মানুহ আল্লাৰ দৃষ্টিত সম্মানৰ যোগ্য সেইজন মানুহেই প্ৰকৃত ধাৰ্ম্মিক মানুহ, অহঙ্কাৰ মানুহৰ পৰম শত্ৰু। নম্ৰ আৰু নিৰহঙ্কাৰ হ'বা। খং ক্ৰোধ অনিষ্টকাৰী, ক্ৰোধ দমন কৰিবা। যৌন অমিতাচাৰ, ব্যভিচাৰ পশুত্বৰ পৰিচায়ক। যৌনতাক সংযত কৰিবা, শিষ্টাচাৰ ভঙ্গ নকৰিবা। পশু প্ৰবৃত্তিক দমন কৰিবা। কোনো অনাথৰ সম্পত্তি গ্ৰাস নকৰিবা। নাৰীৰ পুৰুষৰ ওপৰত সমান অধিকাৰ, পুৰুষৰো নাৰীৰ ওপৰত সমান অধিকাৰ। তোমাৰ ভাল কাম, সৎ কৰ্ম্মই তোমাৰ স্বৰ্গ, অসৎ কৰ্ম্ম, অপকৰ্ম্ম তোমাৰ নৰ্ক। তোমাৰ ভাল কামৰ ছাৱাব বা পুৰস্কাৰ আল্লাই বহুগুণ বেছিকৈ দিব। আল্লাহ্ মহান, ক্ষমাশীল আৰু পৰম করুণাময়। পাপীক তেওঁ ক্ষমা কৰে। যদিহে পাপীয়ে নিজ অপকৰ্ম্মৰ কাৰণে যথা সময়ত তৌবা বা অনুতাপ কৰে।

এনে ধৰণৰ নিৰ্দ্দেশ উপদেশ কোনোধৰ্ম্ম বিশেষৰ আচুতীয়া সম্পত্তি নহয়। মানুহৰ সমাজখনক প্ৰেম, দয়া, ক্ষমা, ন্যায় আৰু শান্তিৰ এখন সমাজ কৰিব লাগিলে ওপৰত উল্লেখ কৰাৰ নিচিনা আচৰণ-বিধি যিকোনো দেশৰ, যিকোনো সমাজৰ, যি কোনো মানুহে অনুসৰণ কৰিব পাৰে। হজৰত মোহম্মদৰ যোগে কোৰাণৰ যোগে এনে সহজ আচৰণ-বিধি মানি সামাজিক জীৱন যাপন কৰিবৰ কাৰণে আহ্বান জনোৱা হৈছিল। কিন্তু অন্য এক জীৱন পদ্ধতিত, অন্য এক আচৰণ-বিধিত অভ্যস্ত কুৰেইছবিলাকে তথা আৰববিলাকে এনে

বিধিৰ বিৰোধিতা কৰিছিল আৰু ইয়াৰ প্ৰবৰ্ত্তক হজৰত মোহম্মদক শত্ৰু বুলি গণ্য কৰি তেওঁৰ শান্তি অভিযান ব্যৰ্থ কৰি দিবৰ কাৰণে সকলো প্ৰকাৰৰ কঠোৰ ব্যৱস্থা অৱলম্বন কৰিছিল। নিজৰ কৰ্ত্তব্যৰ পৰা আঁতৰাই আনিবৰ কাৰণে কুৰেইছবিলাকে দৰকাৰ বুজি কেতিয়াবা ভয় প্ৰদৰ্শন কৰিছিল, কেতিয়াবা প্ৰলোভন দেখুৱাইছিল, কেতিয়াবা বৰ্ব্বৰভাৱে শাৰীৰিক কষ্ট দিবলৈকো পিছ নুহুহকিছিল। মোহম্মদক ধন সম্পত্তি দি ধনী কৰাৰ গোষ্ঠীৰ নেতা বা শাসক পতাৰ, লাগে যদি আৰবৰ শ্ৰেষ্ঠতম সুন্দৰীক আনি মোহম্মদৰ সঙ্গিনী কৰি দিয়াৰ নিচিনা নানা প্ৰলোভন দেখুৱায়ো তেওঁক অকণো দুৰ্ব্বল কৰিব নোৱাৰিলে। নিজ সত্যৰ ওপৰত এনে দৃঢ়তাই কিছুমান মানুহক তেওঁৰ বিৰুদ্ধে ক্ৰুদ্ধ কৰি তুলিলে। বাধা বিপত্তি সত্ত্বেও মুছলমানৰ সংখ্যা এজন দুজনকৈ বাঢ়িব ধৰিলে।

হাম্‌জা আছিল সেই সময়ৰ এজন প্ৰখ্যাত চিকাৰী আৰু বীৰ। চিকাৰ কৰিয়ে তেওঁ আহাৰীয় সংগ্ৰহ কৰিছিল। এদিন হজৰত মোহম্মদ বাটেদি গৈ আছিল। আগ ভেটি ধৰি আবু জেহেলে নানা অশ্লীল ভাষাৰ গালি পাৰি, ভৰ্ৎসনা কৰি অপমান কৰিলে। সেই সময়ত হাম্‌জা সেই ফালেদি গৈছিল। মোহম্মদক আবু জেহেলে কৰা অপমানৰ কথা তেওঁ শুনিবলৈ পালে, অপমানত অধোমুখ হৈ মুখেৰে একো নেমাতি ঘূৰি আহিল। হাম্‌জাই একো নকৈ কাবাৰ ফালে গ'ল, তাৰ পিছত ঘূৰি আহিল। আবু জেহেলক তিৰস্কাৰ কৰি ধেনুৰে মাৰিয়াই তেওঁৰ মূৰ ফালি দিলে। মানুহ গোট খালে। হাম্‌জাই কিয় আবু জেহেলক এনেকৈ আঘাট কৰিলে সকলোৱে জানিবলৈ বিচাৰিলে। হাম্‌জাই ক'লে, "মোহম্মদক কিয় এনেদৰে অপমান কৰা হৈছে? শুনা, মই এই মুহূৰ্ত্তৰ পৰা ইছলাম গ্ৰহণ কৰি মুছলমান হৈছো।

হাম্‌জাৰ কথা শুনি সকলো অবাক হ'ল। হাম্‌জাৰ নিচিনা এজন বীৰ মুছলমান হোৱাটো এটা তাৎপৰ্য্যপূৰ্ণ কথা। হাম্‌জাৰ ইছলাম গ্ৰহণে মুছলমানসকলৰ শক্তি বহুগুণে বৃদ্ধি কৰিলে, হাম্‌জাৰ দৰেই মোহম্মদৰ আত্মীয় উৎবা বিন ৰুবেয়ায়ো তেওঁক নিৰস্ত কৰিবৰ চেষ্টা কৰি বিফল হৈ ইছলাম গ্ৰহণ কৰিলে। মোহম্মদৰ শক্তি আৰু বাঢ়িল। হজৰত বিলাল, হাম্‌জা আদিৰ নিচিনা দৃঢ়মনা আৰু শক্তিশালী মানুহে ইছলাম গ্ৰহণ কৰি হজৰত মোহম্মদৰ

দলক শক্তিশালী কৰিলে যদিও হজৰত মোহম্মদ তথা তেওঁৰ অনুগামী মুছলমানসকল অপমান, নির্য্যাতন, অত্যাচাৰ, নিপীড়নৰ পৰা তেতিয়াও মুক্ত হ'ব নোৱাৰিলে। দিনে দিনে শাৰীৰিক, মানসিক নির্য্যাতন বৃদ্ধি পাই যাব ধৰিলে। মক্কাত শান্তিৰে জীৱন নিৰ্বাহ কৰাটো মুছলমানসকলৰ কাৰণে দুৰুহ হৈ উঠিল। নবুৱতৰ পৰা পাঁচোটা বছৰ পাৰ হৈ গ'ল। নানা প্ৰকাৰৰ বাধা বিপত্তিৰ কাৰণে মোহম্মদৰ ধৰ্ম্মত দীক্ষিত হ'বৰ কাৰণে আগবাঢ়ি অহা আৰবী লোকৰ সংখ্যা আশানুৰূপভাৱে নেবাঢ়িল। যিকেজন পুৰুষ মহিলা মুছলমান হৈছিল তেওঁলোকো গাঁথিত জীৱ বান্ধি অত্যাচাৰ অপযশৰ বলি হৈ দিন কটাবলগীয়া অৱস্থা হ'ল। মক্কাত থকাটো তেওঁলোকৰ কাৰণে অসম্ভৱ হৈ আহিল।

তেতিয়া হজৰত মোহম্মদে তেওঁৰ কিছু সংখ্যক মুছলমানক আফ্ৰিকাৰ আবিচিনীয়ালৈ যাবলৈ নিৰ্দ্দেশ দিলে।

তেতিয়া আবিচিনীয়াৰ ৰজা আছিল নাজ্জাচী বা নেগাছ। তেওঁ আছিল এজন খৃষ্টান। হজৰতৰ পৰামৰ্শ অনুসৰণ কৰি অতি সংগোপনে প্ৰথমে এঘাৰজন মুছলমানে মক্কাৰ পৰা আবিচিনীয়ালৈ যাত্ৰা কৰিলে। এইয়াই আছিল মুছলমানৰ প্ৰথম হিজৰত বা বিদেশ যাত্ৰা। এই যাত্ৰীসকলৰ ভিতৰত আছিল এঘাৰজন পুৰুষ আৰু চাৰিগৰাকী তিৰোতা। তেওঁলোকে খোজ কাঢ়ি গৈ আবিচিনীয়া পাই তাতে কিছুদিন থাকিল। মক্কাত মুছলমানসকলৰ ওপৰত অত্যাচাৰৰ মাত্ৰা কম হোৱা বুলি গুজব শুনি কিছুদিনৰ পিছত তাৰে কেইজনমান মক্কালৈ ঘূৰি আহিছিল। কিন্তু আহি পাই যেতিয়া দেখিলে যে অত্যাচাৰ কমা নাই বৰং বাঢ়িছেহে, তেতিয়া তেওঁলোক আকৌ ঘূৰি গ'ল। এই দ্বিতীয় যাত্ৰাত বা হিজৰতত পঁচাশীজন পুৰুষ মহিলা আৰু শিশু আবিচিনীয়ালৈ গৈছিল। এইয়াই আছিল একেলগে বহুসংখ্যক মুছলমান দেশ এৰি বিদেশত গৈ বসবাস কৰিবলৈ লোৱাৰ প্ৰথম মুকলি অভিযান।

এই যাত্ৰীসকলৰ ভিতৰত হজৰত ওচমান বিন্ আফ্ফান, হজৰত আবু হুজাইফা বিন্ উৎবা, হজৰত ওচমান বিন্ মাজুন, হজৰত আবদুৰ ৰহমান বিন্ আউফ, হজৰত জুবেইৰ বিন্ আওবাম, হজৰত আবদুল্লাহ বিন্ মাকৃদ, হজৰত মুছাব বিন্ উমাইৰ, হজৰত আমীৰ বিন্ ৰাবিয়া, হজৰত চুহেইল

বিন্ ৰাইদা, হজৰত জাফৰ বিন্ আবু তালিব আদি বিশিষ্ট আৰু সম্ভ্ৰান্ত ব্যক্তিসকল আছিল। অমুছলমান মক্কাবাসীসকলৰ অবৰ্ণনীয় অত্যাচাৰেই তেওঁলোকক নিজ ঘৰবাৰী এৰি পৰদেশত আশ্ৰয় ল'বলৈ বাধ্য কৰিছিল।

প্ৰথমে এই মুছলমানসকলৰ দেশত্যাগৰ কথা মোহম্মদৰ আৰু ইছলামৰ শত্ৰুসকলে গম পোৱা নাছিল। যেতিয়া জানিব পাৰিলে তেতিয়া সিবিলাকৰ পক্ষৰ পৰা আমৰ বিন্ আছ আৰু আব্দুল্লাহ বিন্ ৰাবেয়াক দূত সজাই ৰজা নাজ্জাচীৰ দৰবাৰলৈ পঠিয়ালে। তেওঁলোকে গৈ ৰজাত গোচৰ দিলেগৈ যে তেওঁলোকৰ কিছুমান ক্ৰীতদাস ঋণ মুক্ত নোহোৱাকৈ গোপনে পলাই আহিছে, আৰু সিহঁতে পিতৃ পুৰুষৰ ধৰ্ম্ম এৰি এটা নতুন ধৰ্ম্মত দীক্ষিত হৈছে। সিহঁতক ঘূৰাই পঠাব লাগে।

আবিচিনীয়াৰ খৃষ্টান নৃপতি নাজ্জাচীয়ে তথাকথিত দূতহঁতৰ গোচৰ শুনিলে, কিন্তু বুজি পালে যে এইয়া মুছলমান ভগনীয়াসকলক অত্যাচাৰ কৰাৰ এক হীন অভিসন্ধি। তেওঁ সিহঁতৰ আবেদন প্ৰত্যাখ্যান কৰিলে, আৰু মুছলমানসকলক তেওঁৰ ৰাজ্যত থাকিবলৈ অনুমতি দিলে। দূতহঁত ঘূৰি আহিল। এই ভগনীয়া মুছলমানসকল আবিচিনীয়াতেই তেতিয়ালৈকে থাকিল, যেতিয়ালৈকে হজৰত মোহম্মদে মক্কাৰ পৰা হিজৰত কৰি গৈ মদিনাত বসবাস কৰিবলৈ লোৱা নাছিল। এই মুছলমানসকল পিছত আবিচিনীয়াৰপৰা আহি মদীনাত হজৰত মোহম্মদৰ লগ লাগিলহি।

হজৰত মোহম্মদৰ নতুন ধৰ্ম্ম ইছলাম প্ৰচাৰ কৰাৰ মূলধন আছিল কোৰাণৰ বাণীসমূহ অনুসৰণ কৰি নতুন জীৱনধাৰা আৰু নতুন জীৱন দৰ্শন গ্ৰহণ কৰিবৰ কাৰণে যুক্তি সহকাৰে আবেদন জনোৱাই আছিল মোহম্মদৰ ইছলাম ধৰ্ম্ম প্ৰচাৰৰ সহজ পদ্ধতি। এই কাৰণে মোহম্মদৰ বিৰোধী লোকসকলে কোৰাণক ধ্বংস কৰিব পাৰিলেই মোহম্মদৰ তথা তেওঁৰ ধৰ্ম্ম ইছলাম শেষ কৰি দিব পাৰিব বুলি ভাবিছিল। এই উদ্দেশ্যেৰে এই আৰববিলাকে কোৰাণৰ সম্পৰ্কে নানা বিভ্ৰান্তিকৰ অপযশ ৰটনা কৰাছিল। কোৰাণৰ বাণীসমূহ অৱতীৰ্ণ নহয়,মোহম্মদে কাৰোবাৰ পৰা শিকি লোৱা কথা বুলিও অপপ্ৰচাৰ চলাইছিল।

জাবিৰ নামেৰে এজন খৃষ্টান আছিল। মোহম্মদ মাজে মাজে তেওঁৰ ওচৰলৈ গৈছিল। জাবিৰৰ মাতৃভাষা আৰবী নাছিল, তথাপি কোৰাণৰ কথাবোৰ

জাবিবৰ পৰা শিকি কোৰা বা'শ্লোক বুলি সিবিলাকে অপপ্ৰচাৰ চলাইছিল, যাতে কোৰাণৰ প্ৰতি মানুহৰ আস্থা আৰু আকৰ্ষণ কমে। কিন্তু এই অপপ্ৰচাৰ অকণো ফলদায়ক হোৱা নাছিল।

কোনো কোনোৱে কোৰাণৰ চুৰাবোৰক মোহম্মদে ৰচনা কৰা কবিতা বুলিও কৈছিল। কিন্তু কোৰাণৰ কথাবোৰ যে মানুহে ৰচনা কৰা নহয়,সেইবোৰ আল্লাই অৱতীৰ্ণ কৰা ৱহী বা ঐশীবাণীহে এই বিষয়ে কোৰাণতে উল্লেখ আছে।

সেই সময়ৰ এজন বিখ্যাত আৰবী কবি তুফেইল আল্ দাউছী নামখ্যাতি আৰু প্ৰতিষ্ঠা সম্মান থকা কবি আছিল। মোহম্মদৰ কথা আৰু কোৰাণৰ কথা শুনি তেওঁ মোহম্মদক দেখা কৰিবলৈ নিজে আহিল। তেওঁ অহাৰ গম পাই মানুহবোৰে তেওঁক দলে দলে আহি লগ ধৰিলেহি আৰু মোহম্মদৰ বিৰুদ্ধে নানা অপযশ গালেহি। কাৰো কথালৈ কাণ নিদি দাউছীয়ে মোহম্মদক লগ ধৰিলেহি। মোহম্মদে তেওঁক সসম্মানে অভ্যৰ্থনা জনাই বহুৱালে আৰু কোৰাণৰ দুটামান কথা (চুৰা) গাই শুনালে। কবিজন অভিভূত হ'ল, আৰু আনৰ কথালৈ কৰ্ণপাত নকৰি ইছলাম ধৰ্ম্মত দীক্ষিত হ'ল।

তাৰ পিছত কোৰাণৰ কিছু বাণী লগত লৈ তেওঁ নিজ দেশলৈ ঘূৰি গ'ল। তেওঁৰ পিছত তেওঁৰ ঠাইৰ ভালেমান মানুহে ইছলাম গ্ৰহণ কৰিছিল।

মোহম্মদ মক্কাত থকা সময়তে ২০ জন খৃষ্টান তেওঁৰ ওচৰলৈ আহিছিল। মোহম্মদৰ প্ৰচাৰিত ইছলাম ধৰ্ম্মই হজৰত ঈছাক (যীশুক) আল্লাৰ প্ৰেৰিত পুৰুষ বা পয়গম্বৰ বুলি স্বীকৃতি দিয়াৰ কথা জানি, আৰু বাইবেলত ঈছাৰ পিছত এজন পয়গম্বৰ অৱতীৰ্ণ হ'ব বুলি থকা ভবিষ্যদ্বাণীৰ কথা সুঁৱৰি মোহম্মদেই সেইজনা নবী বুলি পতিয়ন গৈ এই খৃষ্টান কুৰিজনে ইছলাম গ্ৰহণ কৰিলে। এনেদৰে কোৰাণৰ বাণীসমূহে মুছলমান অমুছলমান সকলোকে আকৰ্ষণ কৰিছিল।

আৰবত প্ৰতি বছৰ ওকাদ মদানা আৰু জুল মাজাজত মেলা বহিছিল। তাত বহুত মানুহ জমা হৈছিল। হজৰত মোহম্মদ তালৈ গৈ ইছলামৰ বাণী প্ৰচাৰ কৰিছিলগৈ। তেওঁৰ কথা শুনিবৰ কাৰণে মানুহ জমা হয়।

ইয়াকে মানুহবোৰক মোহম্মদৰ কথা শুনিবলৈ নোযোৱা কৰিবৰ কাৰণে মুগিৰা নামে এজন নেতাৰ সভাপতিত্বত এখন সভা বহিল আৰু তাত মোহম্মদৰ

সম্পৰ্কে মানুহৰ মনত বিৰূপ ভাব কেনেকৈ সৃষ্টি কৰা যায়, তাৰ উপায় চিন্তা কৰিলে।

কোনোবাই পৰামৰ্শ দিলে যে মোহম্মদ এজন মণ্ডলতী বা ভবিষ্যৎ বাণী দিওতা বুলি প্ৰচাৰ কৰা যাওক। কিন্তু পৰামৰ্শটো গৃহীত নহ'ল। কাৰণ মোহম্মদে কোনো দিন দিনবাৰ চোৱা সবৰজানৰ দৰে ভৱিষ্যদ্বাণী নকৰে। তেওঁ সদায় কয় আল্লাইহে ভূত ভৱিষ্যতৰ কথা জানে। আল্লাহ আলিমুল গাইব।

কোনো কোনেৰে ক'লে মোহম্মদক পগলা বা উন্মাদ বুলি প্ৰচাৰ কৰা যাওক। কিন্তু এই পৰামৰ্শও গ্ৰহণযোগ্য নহ'ল। মোহম্মদৰ সকলো কথা আৰু কাম যুক্তিসিদ্ধ। তেওঁ এজন বিবেকবান পুৰুষ।

কোনো কোনোৱে ক'লে মোহম্মদক এজন জোলা বা তাঁতী বুলি প্ৰচাৰ কৰা হওক। জোলাক তেতিয়া আৰব সমাজত নিম্ন শ্ৰেণীৰ লোক বুলি অবহেলাৰ চকুৰে চোৱা হৈছিল। সেই পৰামৰ্শও গৃহীত নহ'ল। মোহম্মদে কোনো দিন সূতা বা কাপোৰ-কটিওৱা নাছিল। মোহম্মদক জোলা বুলি ক'লে কোনোৱে বিশ্বাস নকৰিব। তেতিয়া ৱালিদক সোধা হ'ল তেনেহ'লে কি বুলি ক'লে মোহম্মদৰ সম্পৰ্কে মানুহৰ ধাৰণা সলনি হ'ব ?

ৱালিদে ক'লে মোহম্মদক কথাৰ যাদুকৰ বোলা যাওক। মোহম্মদে কোৱা কথাবোৰত এনে যাদুশক্তি আছে যে যিয়ে তেওঁৰ কথা শুনে তাৰে বিশ্বাস হয় আৰু তেওঁৰ কথা মতেই মানুহে বাপেক মাককো এৰি আহি তেওঁৰ দীক্ষা লয়হি।

মোহম্মদৰ কথাত যাদু আছে, গতিকে কোনোৱে মোহম্মদৰ কথালৈ কাণ নিদিবা বুলি সকলোকে কৈছিল। ইয়াৰ ফলত কোৰাণৰ বাণীসমূহ অলৌকিক শক্তি আৰু মাহাত্ম্য হৈ প্ৰতিষ্ঠা লাভ কৰিছিল।

মানুহবোৰক মোহম্মদৰ ওচৰলৈ গৈ তেওঁৰ মুখৰ পৰা কোৰাণৰ বাণী শুনিবলৈ গোট খোৱাৰ পৰা নিবৃত্ত কৰিবৰ কাৰণে অৱশেষত অন্য এক উপায় উদ্ভাৱন কৰা হ'ল। আজান দিয়াৰ সময়ত মোহম্মদে কোৰাণৰ বাণী শুনোৱাৰ সময়ত নাদিৰ নামে এজন গায়কৰ হতুৱাই চিঞৰি চিঞৰি গান গোওৱা, ঢাক ঢোল বজোৱা, চিঞৰ-বাখৰ কৰা, ঘণ্টা বজোৱা আদিৰ ব্যৱস্থা কৰা হ'ল যাতে মোহম্মদৰ মুখৰ কথা বা আজানৰ শব্দ মানুহে শুনিবলৈ নেপায়।

কিন্তু তাতো অমুছলমানবিলাক সফল নহ'ল। কোৰাণৰ বাণীৰ আৰু মোহম্মদৰ প্ৰতি মানুহৰ আগ্ৰহ আৰু আকৰ্ষণ কম নহ'ল। মোহম্মদে এই সকলোবোৰ বাধাক আওকাণ কৰি নিজৰ প্ৰচাৰ কাৰ্য্য অবিৰতভাৱে চলাই গ'ল। অৱশেষত অমুছলমানবিলাকে মানুহবিলাকক মোহম্মদৰ পৰা আঁতৰাই ৰাখিবৰ কাৰণে আৰু ইছলামৰ প্ৰভাৱৰ পৰা দূৰত ৰাখিবৰ কাৰণে তেওঁক সমাজৰ পৰা বাহিৰ কৰি মোহম্মদক "এঘৰীয়া" কৰি ৰখাৰ সিদ্ধান্ত ল'লে।

ইছলাম বিৰোধীবিলাকে মোহম্মদক হত্যা কৰিবৰ চেষ্টা কৰিছিল। কিন্তু তেওঁক দদায়েক আবু তালিবে ৰক্ষণাবেক্ষণ দি আছিল, আৰু আবু তালিবৰ বিৰোধিতা কৰা মানে সমগ্ৰ বনু হাছিম ফৈদৰে শত্ৰুতা কৰা হ'ব, সেইটো সিহঁতে বুজিছিল। যেতিয়াই বনু হাছিম ফৈদৰ লোকসকলে মোহম্মদক সমৰ্থন দিয়াৰ কথা জনাজানি হৈ যাব, তেতিয়াই সেই ফৈদৰ শত্ৰু বনু উমাইয়া ফৈদে তাৰ দুৰ্ঘোৰ বিৰোধিতা কৰিব, কাৰণ বনু হাছিম ফৈদৰ এজন লোকে এজন পয়গম্বৰ বা ৰছুল বুলি স্বীকৃতি পোৱাটো সিবিলাকৰ কাৰণে অসহ্য কথা আছিল। মোহম্মদক সমৰ্থন নকৰিবলৈ আৰু মোহম্মদক ৰক্ষা কৰাৰ দায়িত্ব এৰি দিবৰ কাৰণে অনুৰোধ জনাবলৈ আবু জেহেলৰ পুতেকদ্বয় উৎবা আৰু ছইবা, খালিদ বিন্ মুগীৰা, নবীয়া আৰু মুনাব্বা আৰু আছ বিন্ আলীৰ দৰে বহু লোকে আবু তালিবক লগ ধৰিলেহি। পিতৃ পুৰুষৰ ধৰ্ম্মৰ বিৰুদ্ধে নতুন এটা ধৰ্ম্ম প্ৰবৰ্ত্তন কৰি মোহম্মদে এক জাতিদ্ৰোহী কাৰ্য্য কৰিছে, আৰু ধৰ্ম্মবিৰোধী কাম কৰিছে, গতিকে আবু তালিবে ভতিজাক মোহম্মদক এৰি দিয়ক। এয়ে আছিল দাবী।

আবু তালিবে ধৈৰ্য্যেৰে সিহঁতৰ কথা শুনিলে, কিন্তু অনুৰোধ ৰক্ষা কৰিবলৈ অস্বীকাৰ কৰিলে। এইটো প্ৰচেষ্টা সফল নোহোৱাত অন্য এটা শক্তিশালী দল আহিল আৰু সিহঁতৰ দেৱতাৰ অপমান কৰাৰ কাৰণে আৰু সিহঁতৰ ধৰ্ম্মৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱাৰ কাৰণে দোষাৰোপ কৰি মোহম্মদক

তেনে কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰাবলৈ দাবী জনাবলৈ, নহ'লে সিহঁতে অকল মোহম্মদৰ বিৰুদ্ধেই যুঁজি ক্ষান্ত নেথাকে। আবু তালিবৰ বিৰুদ্ধেও যুঁজিব — এই ভয় দেখুৱালে।

আবু তালিবে মোহম্মদক পৰিস্থিতিটোৰ বিষয়ে বুজাই ক'লে আৰু এই জড়োপাসক ফৈদবোৰক শত্ৰু কৰি নলবৰ কাৰণে অনুৰোধ কৰিলে। মোহম্মদ দোধোৰ-মোধোৰত পৰিল, সত্য ৰক্ষাৰ কাৰণে থিয় দিব নে আত্মৰক্ষাৰ কাৰণে বিপক্ষৰ দাবী মানি ল'ব? আবু তালিবৰ আশ্ৰয় হেৰুৱালে তেওঁ অধিক বিপদৰ সম্মুখীন হ'ব লাগিব। মোহম্মদে সিদ্ধান্ত গ্ৰহণ কৰিলে। দৃঢ়তাৰে তেওঁ দদায়েকক ক'লে — "আল্লাৰ শপত খাই কৈছো, যদি এই মানুহবোৰে মোক সোঁ হাতত বেলিটো আনি দিয়েহি, বাওঁ হাতত জোনটো আনি দিয়েহি, তথাপি মই মোৰ কৰ্ত্তব্য বিসৰ্জন নিদিও। মোৰ এই সংগ্ৰামত মোৰ যদি মৃত্যুও হয়, তথাপি মই মোৰ নতুন সত্যক প্ৰচাৰ কৰাৰ পৰা বিৰত নেথাকো।"

হজৰত মোহম্মদৰ এই দৃঢ়তা আৰু আত্মবিশ্বাস আছিল। তেওঁৰ বিৰোধীসকলৰ কাৰণে এক কঠোৰ আঘাত আৰু অপমান। তেওঁৰ এই দৃঢ় ঘোষণাই ইছলামৰ কাৰণে এক নতুন প্ৰত্যাহ্বানৰ জন্ম দিলে। এটা নতুন অধ্যায়ৰ সূচনা হ'ল। কুৰেইছবিলাকে তেতিয়াই এই উক্তিৰ গুৰুত্ব আৰু সুদূৰ প্ৰসাৰি সম্ভাৱনাৰ বিষয়ে সম্যক ধাৰণা কৰিব নোৱাৰিলে। কিন্তু আবু তালিবে মোহম্মদৰ সঙ্কল্পৰ তাৎপৰ্য্য উপলব্ধি কৰিলে আৰু আশ্বাস দি ক'লে। "ভতিজা তোমাৰ যি মন যায় প্ৰচাৰ কৰি যোৱা। কোনো অৱস্থাতে মই তোমাক এৰি নিদিওঁ।"

আমাৰা বিন্ ৱালিদ নামেৰে এটা ধুনীয়া আৰব ডেকাল'ৰাক আনি আবু তালিবৰ আগত থিয় কৰাই অন্য এদল মানুহ আহি তেওঁক ক'লে, "মোহম্মদক আমাৰ হাতত গটাই দিয়া আৰু এই ডেকাটোক তেওঁৰ সলনি তুমি ৰাখা। মোহম্মদে আমাৰ ধৰ্ম্মৰ অপমান কৰিছে। আমি তাক তোমাৰ পৰা লৈ গৈ হত্যা কৰিম। তাৰ ঠাইত এই ডেকাটো আমি তোমাক দিছো।"

এই জটিল পৰিস্থিতিৰ পৰা ৰক্ষা পাবৰ কাৰণে আবু তালিবে বনু হাছিম আৰু বনু মোত্তালিব ফৈদৰ মানুহবোৰ মাতি আনি মোহম্মদক সমৰ্থন কৰিবলৈ অনুৰোধ কৰিলে। কিন্তু সিহঁত তেওঁৰ অনুৰোধ ৰক্ষা কৰিবলৈ মান্তি নহ'ল। সিহঁতবোৰ উভতি ঘৰাঘৰি গ'ল।

মোহম্মদক নিজ ধৰ্ম্ম প্ৰচাৰৰপৰা বিৰত কৰিব নোৱাৰিলে, তেওঁক

নিঃশেষ কৰি দিয়াই আছিল অমুছলমানবিলাকৰ পৰিকল্পনা। কিন্তু ইতিমধ্যে কিছুসংখ্যক প্ৰভাৱশালী মানুহো ইছলামৰ প্ৰতি আকৃষ্ট হৈছিল। আৰু এটা দল আহি প্ৰস্তাৱ দিলে যে এখন চুক্তি কৰা হওক আৰু ইপক্ষই সিপক্ষৰ বিৰোধিতা বা শত্ৰুতা নকৰি নিজৰ নিজৰ ভাগে চলক। এই চুক্তি সম্পাদন কৰা সম্পৰ্কীয় আলোচনালৈ মোহম্মদকো মতা হ'ল। তেওঁ কাণ দি আলোচনাৰ কথাবোৰ শুনিলে। তাৰপিছত ক'লে "ইছলাম এটা অজটিল আৰু সহজ ধৰ্ম্ম। তোমালোকে যদি ইয়াক গ্ৰহণ কৰা, তোমালোক সমগ্ৰ আৰবৰ অধিপতি হ'ব পাৰিবা। আৰু অনা-আৰবসকল তোমালোকৰ অধীনস্থ প্ৰজা হ'ব।"

মোহম্মদৰ কথাৰ কোনো মূল্য নিদি আবু জেহেল ওলাই গুচি গ'ল। পৰিস্থিতিৰ বিশেষ সলনি নহ'ল। নানা ধৰণৰ বিৰোধ চলি থাকিল। লগে লগে ইছলামৰ প্ৰচাৰো চলি থাকিল। মক্কাৰ ওপৰত কুৰেইছসকলৰ কৰ্তৃত্ব আছিল। কিন্তু মক্কা আছিল এক বাণিজ্য কেন্দ্ৰ আৰু কাবা আছিল এক তীৰ্থস্থান। বাহিৰৰ পৰা ব্যৱসায়ী বা তীৰ্থযাত্ৰীসকলৰ ওপৰত কুৰেইছৰ কোনো ধৰণৰ কৰ্তৃত্ব নেখাটিছিল। এনে লোকৰ মোহম্মদে প্ৰচাৰ কৰা নতুন ধৰ্ম্ম নীতি সম্পৰ্কে কোনো বিশেষ ধৰণৰ পক্ষপাতিত্ব নাছিল, এনে লোকৰ মাজত জনাবুজা যুক্তি বিবেচনাৰে পৰিস্থিতিৰ বুজলোৱা কিছু মানুহো আছিল। বিশেষকৈ কাবাত হজ কৰিবলৈ অহা বিভিন্ন ঠাইৰ মানুহ আহি যেতিয়া চাউনি পাতি কাবা মন্দিৰৰ আশে-পাশে ৰয়হি, তেতিয়া হজৰত মোহম্মদ প্ৰত্যেকটো শিবিৰলৈ গৈ নিজৰ বাণী শুনায়গৈ। মানুহে তেওঁৰ কথা কাণপাতি শুনে। মক্কাৰ বিৰোধী পক্ষৰ লোকসকলে ৱালিদ বিন্ মুগীৰাৰ পৰামৰ্শ অনুসৰি অপপ্ৰচাৰ আৰম্ভ কৰে যে মোহম্মদ এজন যাদুকৰ। তেওঁৰ কথাবোৰ বৰ মিঠা। সেয়ে মানুহে তেওঁৰ কথাত পতিয়ন যায়। মোহম্মদৰ যাদুকৰী কথা-বতৰাৰ ফলত মানুহবোৰৰ মাজত কটাকটি হৈছে, বাপেক পুতেকৰ মাজত, স্বামী স্ত্ৰীৰ মাজত, ভাই ককাইৰ মাজত কটাকটি হৈছে। গতিকে তেনে বিপৰ্য্যয়ৰ পৰা ৰক্ষা পৰিব লাগিলে মোহম্মদৰ কথা কোনোৱে শুনিব নেলাগে, মোহম্মদৰ প্ৰচাৰৰ পৰা আঁতৰি থাকিব লাগে। এই ধৰণৰ অপপ্ৰচাৰ সত্ত্বেও কিন্তু ইয়াৰ ফলাফল বিপৰীতহে হ'ল। নানা ঠাইৰ পৰা ব্যৱসায়ী আৰু হজযাত্ৰীসকলে জানিব পাৰিলে যে মক্কাত এক বেলেগ ধৰ্ম্ম প্ৰচাৰ কৰোতা এজন নতুন মানুহ ওলাইছে — তেওঁৰ নাম মোহম্মদ। মানুহৰ কৌতূহল আৰু আগ্ৰহ নকমিল, বাঢ়িলহে।

মোহম্মদে তীৰ্থযাত্ৰীৰ শিবিৰলৈ গৈ ইছলামৰ বিষয়ে বুজাই কৈ ফুৰিছিল।

তেওঁৰ লগে লগে পিছে পিছে গৈছিল দদায়েক আবু লহব। মোহম্মদৰ কথা শেষ হোৱাৰ পিছতে আবু লহবে মোহম্মদৰ কথালৈ কাণ নিদিবলৈ আহ্বান জনায়। হুজৰ কাৰণে অহা লোকসকলৰ সম্মুখতে আবু লহবে মোহম্মদৰ গালৈ ধূলি-বালি দলিয়াই দি চিঞৰি উঠে — "মোহম্মদৰ কথাত বিশ্বাস নকৰিবা, ঠগ নেখাবা, মোহম্মদে আমাৰ লাট আৰু উজ্জাক পূজা কৰিবলৈ বাৰণ কৰিছে।" কিন্তু তেওঁৰ কথাই আশানুৰূপ প্ৰভাব পেলাব নোৱাৰিছিল।

মক্কালৈ অহা প্ৰতিজন মানুহৰ ওপৰতে সতৰ্ক দৃষ্টি ৰখা হৈছিল। মোহম্মদক লগ ধৰাত বাধা দিবৰ কাৰণে মানুহ নিয়োগ কৰা হৈছিল। সেই সময়ৰ কেইজনমান প্ৰখ্যাত আৰু জনপ্ৰিয় কবি — তুফেইল বিন্ ওমৰ দাউছী আ'ছা বিন্ কইছ আদিও প্ৰথমে বিৰোধিতা কৰিবৰ মনেৰে আহি শেহান্তৰত মোহম্মদৰ অনুগত হৈ পৰিছিল। এই নতুন পয়গম্বৰজনৰ কথা মানুহৰ মুখে মুখে চাৰিওফালে বিয়পি পৰিছিল।

মক্কাৰ পৰা মদিনালৈ যোৱা লোকসকলৰ মুখৰ পৰাও মোহম্মদৰ কথা জনাজাত হৈ পৰিছিল। দলে দলে মানুহ মদিনাৰ পৰা আহি মোহম্মদক লগ ধৰিছিলহি, তেওঁৰ মুখৰ পৰা কোৰাণৰ কথা শুনিছিল আৰু আনৰ কথালৈ কাণ নিদি ইছলাম গ্ৰহণ কৰিছিল। আকাবাৰ দ্বিতীয়খন চুক্তিৰ কথা সম্পূৰ্ণ গোপন কৰি ৰখা হৈছিল। কিন্তু মদিনাৰ লোকসকলৰ লগত এখন চুক্তি কৰা বুলি ভূ পাই, কুৰেইছবিলাকে মদিনাৰ পৰা অহা লোকসকলক জিজ্ঞাসাবাদ কৰিছিল। তোমালোকে মোহম্মদক মদিনালৈ লৈ যাব খুজিছানেকি? আৰু মক্কাৰ মানুহৰ মাজত বিভেদ-বিৰোধ সৃষ্টি কৰিবৰ চেষ্টা কৰিছানেকি?

মদিনাৰ পৰা আনছাৰসকলে চুক্তিৰ কথা গোপনে ৰাখিলে যদিও, মোহম্মদৰ নতুন ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যাবলৈ ওলোৱা মুন্জৰ বিন্ আমৰ আৰু ছা'দ বিন্ উবাদা নামৰ দুজন ইছলাম প্ৰচাৰক কুৰেইছবিলাকে ধৰা পেলালে। নিশকতীয়া কাৰণে মুন্জৰক বিশেষ শাস্তি নিদিলে যদিও ছা'দ বিন্ উবাদাক ধৰি হাত ভৰি বান্ধি মক্কালৈ আনি মৰিয়াই আধামৰা কৰিলে। জুবেইৰ আৰু হাৰিছ বিন্ হৰ নামৰ দুজন মানুহে ছা'দক কোনো মতে ৰক্ষা কৰিলে।

মোহম্মদৰ প্ৰচাৰিত নতুন ধৰ্ম্ম ইছলাম গ্ৰহণ কৰা মুছলমানসকলে যুক্তিৰে আৰু বিনীতভাৱে সত্যৰ পথ অনুসৰণ কৰিবৰ কাৰণে মাথোন আহ্বান জনাইছিল। সেই ধৰ্ম্ম ল'বৰ কাৰণে কাকো বাধ্য কৰা নাছিল। কোনো জোৰ জুলুম কৰা নাছিল, তেওঁলোকৰ আবেদন আছিল পৌত্তলিকতা আৰু জড়োপাসনা বৰ্জ্জন কৰি নিৰাকাৰ এক আল্লাকেই একমাত্ৰ উপাস্য বুলি মানি আৰু তেওঁৰ একত্বৰ বাণী প্ৰচাৰ কৰিবৰ কাৰণে আল্লাই মানুহৰ মাজলৈ পঠোৱা হজৰত মোহম্মদক ৰছুল বুলি তেওঁৰ বাক্য অনুসৰণ কৰা। কিন্তু ইয়াৰ কাৰণেই মুছলমানসকলে অবৰ্ণনীয় যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছিল।

ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাৰ কাৰণে মুছলমানসকল কিদৰে নিগৃহিত আৰু লাঞ্ছিত হৈছিল তাৰ বহু কাহিনী পোৱা যায়। পৌত্তলিকবিলাকৰ আক্ৰমণৰ প্ৰধান আৰু মূল কাৰণ আছিল হজৰত মোহম্মদ। অত্যাচাৰৰ বহু শেকাবহ কাহিনী ইছলামৰ ইতিহাসত লিপিবদ্ধ আছে। তাৰে দুটামান কাহিনী উল্লেখযোগ্য।

উজেঘ নুমৰ নামে এজন মানুহে হাব্বাব ইব্নুগ নামৰ এজন মানুহক দাস হিচাপে কিনি লৈছিল, এই হাব্বাবে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিছিল। কুৰেইছবিলাকে তেওঁক ধৰি দগ্‌দগীয়া জুইত পেলাই দিলে। আৰু এটা মানুহক তেওঁক ভৰিৰে গৰক মাৰি ধৰি থাকিবলৈ ক'লে। পিঠিৰ তলৰ অঙঠাৰ জুই নুমাই গ'ল। হাব্বাবৰ পিঠি, হাত, ভৰি জুয়ে পুৰি দখলা-দখলি কৰিলে। হাব্বাব বৃত্তিত এজন কমাৰ আছিল। তেওঁৰ ডালেমান মানুহৰ পৰা মজুৰিৰ পইচা পাবলগীয়া আছিল। পাবলগীয়া পইচা যেতিয়া বিচাৰিলে তেতিয়া সিহঁতে ক'লে, "ইছলাম ধৰ্ম্ম এৰি দে, আমি তোৰ পাবলগীয়া পইচা দিম। নহ'লে নিদিও।"

ইয়াৰ উত্তৰত হাব্বাবে কৈছিল, "মই মোৰ নতুন ধৰ্ম্ম নেৰো। তোমালোক এবাৰ মৰি আকৌ উপজিলেও মই মোৰ সত্যক ত্যাগ নকৰো।"

হাব্বাব আছিল এজন কমাৰ। নতুন সত্যক সাৱটি লোৱাৰ পিছত সকলো ক্ষয়-ক্ষতি, নিষ্পেষণ-নিৰ্য্যাতন মুৰপাতি ল'বলৈ তেওঁ প্ৰস্তুত।

আম্মাৰ বিন্ নাজিৰ কাহতান বংশৰ লোক আছিল। তেওঁৰ এজন হেৰোৱা ভায়েকক বিচাৰি দুজন পুতেকক লগত লৈ গৈ বাপেক নাছিৰ মক্কালৈ গৈছিল। পুতেকদুজন ঘূৰি গ'ল, কিন্তু নাছিৰ মক্কাতে থাকি গ'ল আৰু তাতে 'বিয়া' কৰালে আৰু তেওঁলোকৰ গোটেই পৰিয়ালটোৱেই ইছলাম গ্ৰহণ কৰিলে। ইয়াৰ কাৰণে তেওঁক তপত বালিত পেলাই লৈ মৰিয়াই মৰিয়াই অচেতন কৰি পেলালে। তেওঁলোকক পানীত ডুবাই বাখি মাৰিবলৈ চেষ্টা

কৰিলে, জুইত পেলাই চালে। কিন্তু নাছিৰে আৰু তেওঁৰ পৰিয়ালৰ লোকসকলে গ্ৰহণ কৰা ধৰ্ম্ম বিসৰ্জন দিবলৈ মান্তি নহ'ল।

আম্মাৰৰ মাক চমাইয়াই ইছলাম গ্ৰহণ কৰিছিল। এইবাবে আবু জেহেলে তেওঁক চুৰি মাৰি হত্যা কৰিলে। আম্মাৰৰ বাপেক নাছিৰকো নিষ্ঠুৰভাৱে হত্যা কৰিলে। চুহাইব নামে এজন মানুহে ইছলাম ধৰ্ম্ম লোৱাৰ কাৰণে তেওঁক ইমান বেছিকৈ মাৰ পিট কৰা হ'ল যে পিছলৈ তাৰ ফলত তেওঁৰ মস্তিষ্কৰ বিকৃতি ঘটিল। তেওঁ বলিয়া হ'ল। হজৰত মোহম্মদে মদিনালৈ হিজৰত কৰাৰ সময়ত কুৰেইছবিলাকে চৰ্ত্তত তেওঁক মদিনালৈ যাব দিবলৈ মান্তি হ'ল। হয় তেওঁ ইছলাম এৰিব লাগিব, নতুবা তেওঁ মক্কাত থকা তেওঁৰ সকলো স্যা-সম্পত্তি এৰি থৈ যাব লাগিব। তেওঁ সা-সম্পত্তি সকলো এৰি ৰছুলৰ দলৰ লগত মদিনালৈ গুচি গ'ল।

হজৰতবিলাকে ইছলাম গ্ৰহণ কৰাৰ সময়তে আবু ফকীহ জুহানী নামে এজন মানুহে ইছলাম গ্ৰহণ কৰিছিল। তেওঁ চাফ্ৱান বিন্ উমাইয়াৰ এজন গোলাম আছিল। জুহানী মুছলমান হোৱা বুলি গম পোৱাত তেওঁৰ মালিকে তেওঁক পঘাৰে বান্ধি তপত বালিৰ ওপৰত পেলাই চোচৰাই নিছিল। বালিৰ ওপৰত এটা গুবৰুৱা দেখি উমাইয়াই তেওঁক সুধিলে, "এই গুবৰুৱাটোৱেই তোৰ আল্লা নেকি?"

আবু ফকীহে উত্তৰ দিলে, "মোৰ প্ৰভু মোৰ আল্লাহ। তেওঁ যেনেকৈ মোৰ আল্লাহ, তেনেকৈ তোমাৰো আল্লাহ।"

এই কথাত খং উঠি উমাইয়াই পঘাডালেৰে ফকীহৰ ডিঙিত আৰু টানকৈ বান্ধিলে। তেওঁ মৰো মৰো হ'ল, কিন্তু নমৰিল। তেওঁক আৰু নানা ৰকমৰ শাস্তি দিয়া হ'ল, কিন্তু ফকীহে নিজ ধৰ্ম্ম ত্যাগ নকৰিলে। পিছত আবু বক্ৰে তেওঁক উমাইয়াৰ পৰা কিনি লৈ মুক্ত কৰি দিলে।

হজৰত ওমৰে ইছলাম গ্ৰহণ কৰাৰ পূৰ্ব্বে তেওঁৰ ঘৰত থকা লুবেইনা নামৰ ক্ৰীতদাসীজনীক আৰু জুনেইৰা নামৰ চাকৰণীজনীক সদায় মাৰপিট কৰিছিল। জুনেইৰাক আবু জেহেলে এনেকৈ কোবাইছিল যে জুনেইৰাৰ জিভাখন বাহিৰ ওলাই আহিছিল। হজৰত আবু বক্ৰে তেওঁক কিনি লৈ মুক্ত কৰি দিছিল। তেনেকৈ নাহ্দিয়া আৰু উম্মে আবিছো ক্ৰীতদাসী আছিল

আৰু ইছলাম গ্ৰহণ কৰাৰ কাৰণে নিৰ্য্যাতন ভোগ কৰিছিল। পিছত তেওঁলোকক মুক্ত কৰি দিয়া হৈছিল।

ইছলাম গ্ৰহণ কৰাৰ সময়ত হজৰত ওচ্মানৰ বয়স যথেষ্ট হৈছিল। সমাজত তেওঁৰ উচ্চ স্থানো আছিল। কিন্তু ইছলাম গ্ৰহণ কৰাৰ কাৰণে তেওঁকো নিজৰ দদায়েক হাকাম ইব্নুক আ'ছে বান্ধি লৈ কোবাইছিল।

হজৰত আবু জৰে ইছলাম গ্ৰহণ কৰি উঠিয়ে কাবালৈ গৈ ধৰ্ম্মান্তৰৰ কথা মুকলিকৈ ঘোষণা কৰাৰ কাৰণে তেওঁক মৰিয়াই অচেতন কৰি পেলোৱা হৈছিল। হজৰত মোহম্মদৰ দদায়েক হজৰত আব্বাছে তেওঁক ৰক্ষা কৰিছিল। কিন্তু পিছদিনা চেতনা ঘূৰাই পোৱাৰ পিছত তেওঁ আকৌ কাবালৈ গৈ ইছলাম গ্ৰহণ কৰাৰ কথা চিঞৰি চিঞৰি ঘোষণা কৰিছিল। তাৰবাবে তেওঁ আকৌ মাৰ খাবলগীয়া হৈছিল।

হজৰত জুবেহৰ ইব্নুক আওতাম মুছলমান হোৱাৰ কাৰণে তেওঁক জালেৰে মেৰাই ধৰি নাকত জ্বলা জুইৰ ধোঁৱা দিছিল। কিন্তু এনে শাস্তি খায়ো তেওঁ চিঞৰি কৈছিল, "মই আৰু কেতিয়াও মূৰ্তিপূজা নকৰো।"

সেইদৰে ছাদ ইব্নে ৱক্কাছ, আবদ্দুল্লা ইব্নে মা'ছুদ, ওচ্মান বিন মজুন আদিয়েও ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাৰ কাৰণে নিৰ্য্যাতন ভোগ কৰিবলগীয়া হৈছিল। কাৰোবাৰ হাত-ভৰি ভাগিছিল, কাৰোবাৰ চকু-কণা হৈছিল। তথাপি এবাৰ মুছলমান হোৱাৰ পিছত কোনোৱেই অত্যাচাৰৰ পৰা ৰক্ষা পৰিবৰ কাৰণে নিজৰ ধৰ্ম্ম পৰিত্যাগ কৰা নাছিল।

ইছলাম গ্ৰহণ কৰাৰ কাৰণে হজৰত উম্মে ছৰীফক তপত বালিত পানী এটোপাও খাবলৈ নিদিয়াকৈ তিনি দিন তিনি ৰাতি থিয়কৈ ৰাখিছিল। তথাপি তেওঁক যেতিয়া ইছলাম ধৰ্ম্ম ত্যাগ কৰিবলৈ কোৱা হ'ল, তেওঁ ক'লে, "মোৰ ধৰ্ম্ম বিশ্বাসৰ বিষয়ত কোনো বিকল্পৰ লগত আপোচ হ'ব নোৱাৰে।"

এইসকলৰ উপৰিও আৰু বহুতেই হজৰত মোহম্মদে প্ৰচাৰ কৰা ধৰ্ম্ম ইছলাম গ্ৰহণ কৰাৰ কাৰণে অমানুসিক নিৰ্য্যাতন ভোগ কৰিবলগীয়া হৈছিল। তাৰ ভিতৰত খালিজ ইব্নুল আ'ছ, হজৰত আবুবকৰ, তাল্হা ৱলীজ, বিন্ ৱলীজ, আ'ছ বিন্ আবি ৰাবিয়া, ছলমা বিন্ হিছান আদিয়েও মুছলমান হোৱাৰ অপৰাধত অমুছলমান কুৰেইছসকলৰ হাতত এনে নিৰ্য্যাতন ভোগ কৰিবলগীয়া হৈছিল যে মুছলমানসকলৰ ইমামেই তেওঁলোকক ৰক্ষা কৰিছিল।

সকলো ধৰণৰ নিৰ্য্যাতন-নিষ্পেষণ চলি থকা সত্ত্বেও ইছলামৰ বিকাশ আৰু বিস্তাৰ চলি আছিল। আবু তালিবে মোহম্মদক দি থকা ৰক্ষণাবেক্ষণ বন্ধ কৰিবলৈ জনোৱা দাবীয়ে তেওঁৰ সমৰ্থন আৰু সঁহাৰি নেপালে। তেতিয়া কুৰেইছবিলাকে ইছলাম গ্ৰহণ কৰা আৰু মোহম্মদক সমৰ্থন দি যোৱা সমগ্ৰ বনু হাছিম ফৈদটোকে সামাজিকভাৱে বৰ্জ্জন কৰিবলৈ আঁচনি কৰিলে। বনু হাছিম ফৈদে যেতিয়ালৈকে হজৰত মোহম্মদক হত্যা কৰিবৰ কাৰণে কুৰেইছইঁতৰ হাতত গতাই নিদিয়ে তেতিয়ালৈকে বনু হাছিম ফৈদৰ লগত সকলো সম্পৰ্ক ছেদ কৰিবৰ কাৰণে সকলো খাদ্য-বস্তুৰ যোগান তেওঁলোকৰ কাৰণে বন্ধ কৰি দিবৰ কাৰণে, আৰু তেওঁলোকৰ লগত সকলো প্ৰকাৰৰ আহ্-যাহ্, লেন-দেন বন্ধ কৰি দিবৰ কাৰণে সিদ্ধান্ত কৰিলে। ইয়াৰ কাৰণে এখন চুক্তি-দলিল কৰা হ'ল। এইটো আছিল হজৰতে নবুৱত পোৱাৰ সপ্তম বছৰ। এই বৰ্জ্জন তিনি বছৰ চলিল। সেই সময়ছোৱাত মুছলমানসকলে অবৰ্ণনীয় কষ্ট সহ্য কৰিবলগীয়া হ'ল। ভোকত আহাৰীয় খাদ্য-দ্ৰব্য নেপাই গছৰ পাত চোবাই খাবলগীয়া হৈছিল, শুকান চামৰা সিজাই তাৰ পানী খাবলগীয়া হৈছিল, কোনোবাই কিবা খোৱা বস্তু পঠিয়ালেও গোপনকৈহে পঠিয়াইছিল। তাৰ ওপৰতো কাৰা দৃষ্টি ৰখা হৈছিল। হাকিম বিন্ হাজ্জামে তেওঁলোকৰ কাৰণে চোৰাংকৈ কিছু ঘেহু তেওঁলোকলৈ পঠিয়াবলৈ লওতে আবু জেহেলে গম পালে আৰু ঘেহুখিনি কাঢ়ি নিবৰ চেষ্টা কৰিলে। আবুল বখ্তাৰী নামৰ এজন মানুহে মধ্যস্থতা কৰিহে ঘেহুখিনি দিওৱালে। অৱশেষত আবু হিছাম বিন্ আম্মৰে এই সামাজিক বৰ্জ্জন আৰু অৱৰোধৰ চুক্তিখন নাকচ কৰাবৰ কাৰণে জনমত গঠন কৰিলে। তেতিয়াও আবু জোহেলে তাৰ বিৰোধিতা কৰিছিল যদিও অৱশেষত বৰ্জ্জন চুক্তিখন নাকচ কৰা হ'ল। কাবা মন্দিৰৰ জপনামুখত আঁৰি থোৱা চুক্তি-পত্ৰখনক আঁতৰাবলৈ গৈ দেখা গ'ল যে সেইখনৰ গোটেইখন উঁয়ে খাই পেলাইছে, কেৱল এষাৰ কথা বাকী আছে— "আমাৰ প্ৰভুৰ নামত।"

ইছলাম প্ৰচাৰৰ দহোটা দুৰ্য্যোগপূৰ্ণ বছৰ সম্পূৰ্ণ হৈছিল। এই বছৰতেই হজৰত মোহম্মদৰ জীৱনৰ দুটা শোকাবহ ঘটনা ঘটিল। তেওঁৰ ৰক্ষা-কৰ্ত্তা দদায়েক আবু তালিবৰ মৃত্যু হ'ল। তেওঁৰ মৃত্যুৱে মোহম্মদক নিঃসহায় আৰু নিঃসম্বল কৰি পেলালে। কাৰণ আবু তালিব মোহম্মদৰ সকলো বিপদ-আপদৰ, সকলো দুখ-দুৰ্দ্দশাৰ বিৰুদ্ধে সাহসেৰে থিয় দিওতা একমাত্ৰ ব্যক্তি আছিল।

সেই একে বছৰতে ৰছুলৰ পত্নী হজৰত বিবি খাদিজাৰো মৃত্যু হ'ল। স্বামী মোহম্মদৰ জীৱনৰ লক্ষ্য পূৰণ কৰিবৰ কাৰণে বিবি খাদিজাই সকলো প্ৰকাৰৰ প্ৰতিকূল পৰিস্থিতিৰ লগত যুঁজিবলৈ নিজক সাজু কৰি ৰাখিছিল। অন্য দেশৰ লগত বেহা-বেপাৰ চলোৱাত তেওঁ নিজে চকু দিছিল, কাৰণ নবুৱত পোৱাৰ পিছত হজৰত মোহম্মদৰ ব্যৱসায়-বাণিজ্যত লাগিবৰ কাৰণে আজৰি নোহোৱা হৈছিল। নিজৰ প্ৰচাৰ কাৰ্য্য চলাই যাবৰ কাৰণে হজৰত মোহম্মদৰ যি টকা-পইচাৰ দৰকাৰ হৈছিল, সেই সকলো বিবি খাদিজাই উদাৰভাৱে বিলাই দিছিল। ইয়াৰ ফলত তেওঁলোকৰ আৰ্থিক অৱস্থা অত্যন্ত দুৰ্ব্বল হৈ পৰিছিল। আৰু তেওঁলোকে এটা দৰিদ্ৰ জীৱন কটাবলগীয়া হৈছিল। আবু তালিব আৰু বিবি খাদিজাৰ মৃত্যু মোহম্মদৰ কাৰণে এই সময়ত বৰ শোক আৰু ব্যক্তিগত ক্ষতিৰ বিষয় হৈ পৰিছিল। এহাতে এই ব্যক্তিগত শোক আৰু বেদনা, আনহাতে কুৰেইছবিলাকৰ শত্ৰুতা আৰু উপদ্ৰৱৰ মাত্ৰা বৃদ্ধি। মোহম্মদ কেনিবা ওলাই যোৱা দেখা পালেই ল'ৰা-ছোৱালীবোৰক তেওঁৰ পিছে পিছে চিয়ঁৰি-বাখৰি, হাত চাপৰি মাৰি তেওঁক জোকাবলৈ লগাই দিয়া হৈছিল। তেওঁৰ ঘৰৰ পদুলি মূৰত কাঁইট পেলাই থৈছিল। কেতিয়াবা তেওঁৰ মূৰত জাবৰ-জোথৰ ঢালি দিয়া হৈছিল। কেতিয়াবা তেওঁক ধৰি টেটু চেপি মাৰিবলৈ লোৱা হৈছিল, কেতিয়াবা ৰাজহুৱা ঠাইতে গালি-শপনি পাৰি অপমান কৰিছিল। কেতিয়াবা তেওঁৰ মুখলৈ ধূলি-বালি মাৰি পঠিয়াইছিল। কেতিয়াবা আনকি তেওঁৰ গাত থু-ও পেলাইছিল। এবাৰ আবু চাহাবৰ ঘৈণীয়েক উম্মে জমীলে হজৰতক হত্যা কৰিবৰ কাৰণেই ওলাই আহিছিল। কিন্তু তেওঁক লগ

নেপাই অকথ্য গালি-শপনি পাৰিছিলগৈ হজৰত আবু বকৰৰ আগত গৈ। উম্মে জমীলে আনকি হজৰত মোহম্মদৰ নামটোও মুখেৰে উচ্চাৰণ নকৰিছিল। আবু বকৰৰ আগত তেওঁ কৈছিল, "মই এই মোহম্মদক আৰু তাৰ ধৰ্ম্মক নেমানো।" হজৰতে এনেদৰে নাম বিকৃতকৈ কাৰোবাক মতাটো অতিশয় অপমানজনক কথা বুলি গণ্য কৰা হৈছিল। তেওঁৰ কথা শুনি মোহম্মদে কৈছিল— "উম্মে জমীলে মোক অপমান কৰা নাই, মোহম্মদকহে কৰিছে। মোৰ নাম মোহম্মদহে।"

এইদৰে বিভিন্ন সময়ত বিভিন্ন দুৰ্বৃত্তই মোহম্মদক অপমান কৰিছিল, হত্যা কৰিবলৈ চেষ্টা কৰিছিল, ধৰ্ম্মৰ কথা প্ৰচাৰ কৰাত নানা বাধা আৰোপ কৰিছিল। কিন্তু এইবোৰে তেওঁক তেওঁৰ কৰ্ত্তব্যৰ পৰা বিৰত কৰিব পৰা নাছিল। সাহস আৰু আত্মবিশ্বাসেৰে তেওঁ সত্যৰ পথলৈ মানুহবোৰক আহ্বান জনাই গৈছিল। কঠিন পৰিস্থিতিত যেতিয়া তেওঁৰ অনুগামীসকল চিন্তিত হৈ পৰিছিল, তেতিয়া তেওঁ নিৰ্ভয় দি কৈছিল— "শুভ সংবাদ" শুনা, আল্লাই তেওঁৰ ধৰ্ম্মক জয়ী আৰু সফল কৰিবই।

মক্কাৰ মানুহবোৰে হজৰত মোহম্মদক দেখিলে দূৰতে পলাবলৈ আৰম্ভ কৰিলে। কোনোৱে তেওঁৰ কথা নুশুনা হ'ল। তেওঁ মক্কাৰ পৰা কিছু দূৰৰ তায়েফ চহৰলৈ গ'ল— লগত জাইদ বিন্ হাৰিছাক লৈ। তেওঁ তাৰ মানুহবোৰক ইছলাম ধৰ্ম্মৰ বিষয়ে বুজাই ক'বৰ চেষ্টা কৰিলে। কিন্তু তাতো তেওঁ ইছলামৰ কোনো সমৰ্থক নেপালে। তেওঁৰ বক্তব্য শুনাৰ পৰিবৰ্তে তাৰ মানুহবোৰে তেওঁক তিৰস্কাৰ-অপমান কৰিয়ে ক্ষান্ত নাথাকি তেওঁৰ গালৈ গাৰ বলেৰে শিল দলিয়াবলৈ ধৰিলে। শিলগুটিৰ আঘাতত তেওঁৰ গাৰ পৰা তেজ বৈ আহিল। তেওঁৰ গাৰ তেজ গৈ তেওঁ তেনেই দুৰ্ব্বল হৈ পৰিল আৰু কোনোমতে লাখুটি এডাল লৈ থিয় দি লাহে লাহে খোজ দিবৰ চেষ্টা কৰিলে। সেই সময়ত তেওঁৰ মুখৰ পৰা এই মূল্যজাত দোৱা ওলাই আহিছিলঃ

"হে আল্লা,
মই অসহায়, মই নিঃস্ব, নিঃসম্বল।
তোমাৰ কাষলৈকে মই আহিছো। তুমি পৰম করুণাময়।
তুমি দুৰ্ব্বল আৰু সহায়হীনজনৰ ত্ৰাণকৰ্ত্তা।
তুমিয়েই মোৰ প্ৰভু।
কাৰ হাতত তুমি মোক এৰি দিব খুজিছা ?
কোনো অজ্ঞাত শত্ৰুৰ হাতত— যি মোৰ পৰম শত্ৰু ?
নাইবা কোনো শত্ৰুৰ হাতত যি মোৰ সকলো কাম-কাজক
নিয়ন্ত্ৰণ কৰিব খোজে ?

তোমাৰ অসন্তুষ্টি আৰু অভিশাপৰ পৰা মই যদি মুক্ত, তেন্তে মই একোলৈকে ভ্ৰূক্ষেপ নকৰো।

তোমাৰ করুণাই মোক ৰক্ষা কৰিব।

মোক তোমাৰ ক্ৰোধ আৰু অভিশাপৰ পৰা মুক্ত ৰখা, আৰু তোমাৰ করুণাৰ পোহৰেৰে মোৰ জীৱনৰ আন্ধাৰ নোহোৱা কৰি দিয়া।

মই তোমাৰ সন্তুষ্টিৰ কাৰণে প্ৰাৰ্থনা জনাইছো। তুমি পৰম শক্তিবান। তোমাৰ শক্তিৰ সন্মুখীন হ'ব পৰা শক্তি অন্য কাৰো নাই। হে করুণাময় !"

তায়েফৰ পৰা হজৰত মোহম্মদ নখলালৈ গ'ল, আৰু তাৰ পৰা হিৰৰ গুহালৈ গ'ল। আৰু তাৰ পৰা তেওঁ মুতিম বিন্ আদিৰ পৰা ৰক্ষণাবেক্ষণ বিচাৰিলে। কোনোবাই সাহায্য ভিক্ষা কৰিলে তাক প্ৰত্যাখ্যান কৰাৰ নিয়ম আৰবত নাছিল। মুত্তিমে তেওঁৰ পুতেকহঁতক অস্ত্ৰ-শস্ত্ৰ দি মোহম্মদৰ ওচৰলৈ পঠিয়ালে। তেওঁলোকে হজৰতক মক্কালৈ লৈ আহিল। এটা উটত উঠি মুত্তিমে মোহম্মদক ৰক্ষণাবেক্ষণ দিয়াৰ কথা মুকলিকৈ ঘোষণা কৰিলে।

গাৰ তেজ গৈ গৈ তায়েফত যেতিয়া মোহম্মদ প্ৰায় অচেতন হৈ পৰিছিল, আৰু উঠিবলৈ গাত শক্তি নোহোৱা হৈছিল তেতিয়া জাইদে তেওঁক কান্ধত তুলি আনিছিল। কাবালৈ ঘূৰি অহাৰ পিছত জায়েদে হজৰতক কৈছিল, "আপোনাক ইমান কষ্ট দিয়া মানুহবোৰক অভিশাপ দিয়ক।"

তাৰ উত্তৰত হজৰতে কৈছিল, "মই সিহঁতক কিয় শাও দিম ? আজি সিহঁতে ইছলাম গ্ৰহণ কৰা নাই, কিন্তু ভৱিষ্যৎ পুৰুষহঁতে নিশ্চয় ইছলাম গ্ৰহণ কৰিব।"

হজৰত মোহম্মদৰ নিঃসঙ্গতাৰ বেদনা-বিপত্তি দিনে দিনে বৃদ্ধি পাই গৈছিল। বিবি খাদিজাৰ মৃত্যুত তেওঁ যি গভীৰ দুখ পাইছিল, তাৰ পৰা ৰক্ষা পৰিবৰ কাৰণে তেওঁ অন্য এগৰাকী নাৰীক জীৱন-সঙ্গিনী কৰি লোৱাৰ চিন্তা কৰিবলগীয়া হৈছিল। সহধৰ্ম্মী মুছলমানসকলৰ সম্পৰ্ক গাঢ় কৰাৰ মানসেৰে তেওঁ হজৰত আবু বকৰৰ জীয়েক আয়েছাক বিয়া কৰাৰ প্ৰস্তাৱ দিলে। কিন্তু আয়েছাৰ বিয়াৰ বয়স হোৱা নাছিল। তিনিটা বছৰ অতিবাহিত হোৱাৰ পিছত বন্দৱস্ত হৈ থকা মতেই হজৰত মোহম্মদে বিবি আয়েছাক বিয়া কৰালে। এই নতুন পত্নী তেওঁৰ এক নতুন সহযোগী আৰু সহধৰ্ম্মিনী হ'ল। নিজৰ সাধনাত ব্ৰতী থাকিবৰ কাৰণে আৰু নিজৰ দায়িত্ব পালন কৰি যাবৰ কাৰণে তেওঁ এটা নতুন শক্তি লাভ কৰিলে। লগে লগে হজৰত আবু বকৰৰ লগত তেওঁৰ সম্পৰ্ক গঢ়ি উঠিল।

খৃষ্টীয় ৬২১ চন।

এটা বৈশিষ্ট্যপূৰ্ণ ৰাতি। সেইদিনা ৰাতি মোহম্মদ আছিল আবু তালিবৰ জীয়েক উম্মে হানিৰ ঘৰত। ঈছাৰ নামাজ পঢ়ি মোহম্মদ শুলে। ঘৰৰ অন্যান্য সকলো শুলে।

কিন্তু ৰাতি পুওৱাৰ পূৰ্বেই মোহম্মদে টোপনিৰ পৰা সাৰ পালে ; আৰু ঘৰৰ আন মানুহকো জগাই দিলে। আটায়ে একেলগে ফজৰৰ নামাজ পঢ়িলে। নামাজৰ অন্তত হজৰত মোহম্মদে ক'লে, "উম্মে হানি, কোৱা— ৰাতি মই ইয়াতে তোমাৰ লগত ঈছাৰ নামাজ পঢ়িলো ; তাৰ পিছত জেৰুজালেমলৈ গ'লো। তাত নামাজ পঢ়িলো, তাৰ পিছত এয়া ঘূৰি আহি মই তোমাৰ লগত ফজৰৰ নামাজ পঢ়িছোহি।"

উম্মে হানিয়ে ক'লে, "হে আল্লাৰ ৰছুল, এই কথা অন্য মানুহৰ আগত নক'ব। সিহঁতে আপোনাক মিছলীয়া বুলি ক'ব আৰু আপোনাৰ অপকাৰ কৰিব।"

মোহম্মদে ক'লে, "আল্লাহ্ সাক্ষী, এই কথা মই সিহঁতক ক'মেই।"

এই আল্ ইছ্ৰা বা মিৰাজৰ বিভিন্ন মত আছে। কোনোৱে কয় যে এই মিৰাজ বা উত্তৰণ আছিল এক আত্মিক উত্তৰণ, শাৰীৰিক উত্তৰণ নহয়। এই সম্পৰ্কত বিবি আয়েছাৰ অভিমত এইঃ

"আল্লাৰ ৰছুলৰ দেহাটো শুই থকা বিচনাখনৰ পৰা নোহোৱা হোৱা নাছিল। অৰ্থাৎ তেওঁ সেইদিনা ৰাতি বিচনাত শুয়ে আছিল, দৈহিকভাৱে তেওঁ অদৃশ্য হোৱা নাছিল। তেওঁৰ এই ভ্ৰমণ আছিল তেওঁৰ আত্মাৰহে ভ্ৰমণ।"

মসাবিয়া ইব্‌নে আবু চুফিয়ানৰ মতেও এয়া আছিল আল্লাৰ লগত এক আত্মিক সাক্ষাৎ। আন কোনো কোনোৰ মতে তেওঁ সোঁ-শৰীৰেই মক্কাৰ পৰা জেৰুজালেম পাইছিলগৈ। কিন্তু তেওঁৰ মিৰাজ বা উত্তৰণ আছিল দেহাতীত বা ইন্দ্ৰিয়াতীত এক আত্মিক উত্তৰণহে।

হজৰত মোহম্মদৰ এই মিৰাজ বা আল্লাৰ লগত এক অতিলৌকিক স্তৰত হোৱা সাক্ষাতক লৈ বিভিন্ন ধৰণৰ ব্যাখ্যা-বিশ্লেষণ আছে। কবি-সাহিত্যিকসকলেও ইয়াৰ বিভিন্ন বৰ্ণনা দাঙি ধৰিছে। ৰাতিৰ ঈছাৰ নামাজ আৰু সূৰ্য্যোদয়ৰ পূৰ্ব্বৰ উষাৰ ফজৰ-নামাজৰ মাজৰ এই চমু সময়খিনিৰ ভিতৰতে হোৱা আল্ ইছ্ৰা বা আল্ মিৰাজৰ আমি এজন দেহমন আত্মা আৰু নিজৰ সমগ্ৰ মানৱীয় অস্তিত্ব দি স্ৰষ্টাৰ বা আল্লাৰ সৰ্ব্বব্যাপী অস্তিত্বৰ ৰহস্য উদ্ঘাটনৰ সাধনাত আত্মহাৰা হৈ থকা সাধকৰ এক চৰম উপলব্ধি বুলি ধৰিলে এই আত্মিক অভিজ্ঞতাৰ যথাৰ্থতা স্বীকাৰ কৰিবলৈ অসুবিধা নহয়। মিৰাজৰ বা ইছ্ৰাৰ এই চৰম উপলব্ধিৰ মুহূৰ্ত্তত হজৰত মোহম্মদে সৃষ্টিৰ আৰু সত্তাৰ এক চৰম একাত্মবোধৰ স্তৰত উপনীত হোৱাৰ ইয়াক এটা আত্মিক উপলব্ধি বুলি গণ্য কৰিব পাৰি। স্থান আৰু কালৰ সীমা অতিক্ৰম কৰি এক চৰম আৰু পৰম চেতনাৰে নিজৰ উপলব্ধিৰ উত্তৰণ সাধন কৰি সত্যৰ আৰু নিত্যৰ সান্নিধ্য লাভৰ এক পৱিত্ৰ অভিজ্ঞতা বুলি ধৰিলে, মিৰাজ সম্পৰ্কে ভিন্ন মতৰ ধামখুমীয়াত নোসোমোৱাকৈও পৰা যায়। কোৰাণত নিজৰ মানৱীয় পৰিচয় ঘোষণা কৰিবৰ কাৰণে আল্লাৰ পৰা পোৱা নিৰ্দ্দেশত হজৰত মোহম্মদে ব্যক্ত কৰিছিলঃ

"ময়ো তোমালোকৰে নিচিনা এজন মানুহ। তোমালোক সকলোৰে

আল্লা যে এজন সেই সত্য প্ৰচাৰ কৰিবৰ কাৰণেই মোৰ ওপৰত ৱহী বা ঐশীবাণী অৱতীৰ্ণ হয়। এই ৱহীৰ পৰা এটা কথা প্ৰতিপন্ন হয় যে আল্লাৰ ৱহী লাভ কৰা বিশেষত্বৰ বাহিৰে, অন্য সকলো বিষয়তে মোহম্মদ অন্য মানুহৰ নিচিনাই আছিল। আল্লাৰ স্বৰূপ উপলব্ধি কৰিবৰ কাৰণে অহৰ্নিশে একান্ত সাধনা কৰোতে কৰোতে তেওঁৰ চেতনাৰ যি গভীৰ বিকাশ ঘটিছিল, সি তেওঁৰ জাগতিক অভিজ্ঞতাৰ জগতখনৰ সীমা অতিক্ৰম কৰি যোৱাৰ শক্তি তেওঁক দান কৰিছিল। এনে এক চৰম আত্মোপলব্ধিৰ মুহূৰ্ত্তত তেওঁ আদি-মানৱ হজৰত আদম্, সত্য-সাধক পয়গম্বৰ হজৰত মুছা আদিৰ সাধনাৰ সত্যকো উপলব্ধি কৰিছিল, আৰু বোৰাক বা বিজুলীৰ গতি আৰু পোহৰ আয়ত্ব কৰি তেওঁ স্ৰষ্টা আল্লাৰ স্বৰূপ উপলব্ধিৰ কাষ চাপিছিল। একান্ত আৰু সমাহিত এক ধ্যানৰ চৰম সাফল্য অবিহনে এনে সত্য উপলব্ধি কৰাটো সহজ সাধ্য কথা নহয়। এজন ৰছুল বা আল্লাৰ কৰুণা আৰু পথ-নিৰ্দেশনা লাভ কৰা পৰম সাধকৰ কাৰণেহে অসত্য, অনিত্যক অতিক্ৰম কৰি চৰম সত্য আৰু নিত্যৰ সৰ্ব্বাত্মক একাত্মতাবোধ উপলব্ধি কৰাটো সম্ভৱ হ'ব পাৰে। সকলো অসত্যক অতিক্ৰম কৰি একান্ত আৰু নিৰ্ব্বিকল্পে সত্যক লাভ কৰাকে আল্লাৰ সান্নিধ্য লাভ কৰা বুলি ধৰিব পাৰি। কাৰণ শেষ বিশ্লেষণত সত্য আৰু আল্লাহ অভিন্ন। চৰম সত্য উপলব্ধিয়ে বিশ্ব-চৰাচৰৰ স্ৰষ্টা আৰু অধিকাৰী আল্লাৰ স্বৰূপ উপলব্ধি কৰাৰ দুৱাৰ মুকলি কৰে। আল্লাৰ একত্বত অবিচল বিশ্বাসৰ পৰাই সৃষ্টিৰ একাত্মতা বা টোটেলিটিৰ উপলব্ধি হ'ব পাৰে। কেইটামান মূৰ্ত্তিয়েই মানুহক মহাকালৰ সত্যৰ মুখামুখি কৰিব পাৰে। এই সত্যৰ অভিজ্ঞতাই আছিল মোহম্মদৰ মিৰাজৰ অৱদান।

চৌদিশৰ পৰা নানা বিৰোধ-বিপত্তিয়ে মোহম্মদক ঘেৰি অনাৰ সময়তে তেওঁৰ মিৰাজৰ নিচিনা এই আধ্যাত্মিক উত্তৰণৰ ঘটনাটো ঘটিছিল— অপ্ৰত্যাশিত আৰু অভাৱনীয়ভাৱে। এই নতুন আত্মিক আৰু মানসিক

অভিজ্ঞতাই তেওঁৰ মনলৈ নতুন বল আৰু আত্ম-বিশ্বাস কঢ়িয়াই আনিলে। কিন্তু তথাপি তেওঁ প্ৰচাৰ কৰা একেশ্বৰবাদৰ সত্যক স্বীকাৰ কৰিবলৈ মান্তি নোহোৱা লোকৰ সংখ্যা যিদৰে কমা নাছিল, তেনেকৈ তেওঁৰ এই আধ্যাত্মিক অভিজ্ঞতাৰ সত্যক স্বীকাৰ কৰিব নোখোজা মানুহো বৰ কম নাছিল। মক্কাত ধৰ্ম্ম-প্ৰচাৰ কৰি বিৰোধৰ সম্মুখীন হোৱাৰ পৰা দুঃখজনক অভিজ্ঞতা লাভ কৰাৰ পিছত তায়েফত প্ৰচাৰ কৰি সাফল্য লাভ কৰিব বুলি আশা কৰিছিল। কিন্তু তায়েফত তেওঁৰ আৰু কঠোৰ বিৰোধৰ বশৱৰ্তী হ'বলগীয়া হ'ল। তাত তেওঁৰ আৰু তেওঁৰ অনুগামীসকলৰ ওপৰত অত্যাচাৰ আৰু বৃদ্ধি পালে। তায়েফৰ পৌত্তলিকবিলাকো ক্ৰুদ্ধ আৰু হিংস্ৰহৈ তেওঁক প্ৰাণে মৰাৰে আঁচনি কৰিলে।

এই সময়ত অন্য এখন চহৰে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলে। এই চহৰ আছিল মদিনা বা য়াছৰিব।

তেতিয়াৰ মদিনা বা য়াছৰিব চহৰ আছিল ইহুদীবিলাকৰ এখন উপনিবেশ আৰু তেওঁলোকেই মদিনাৰ নাম দিছিল য়াছৰিব। ইহুদীবিলাকৰ জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে মদিনাৰ চউদিশে আৰু কিছুমান উপনিবেশ গঢ়ি উঠিছিল। আৰু কিছুমান সৰু সৰু গড় বা কিল্লাও নিৰ্মাণ কৰিছিল। গোটেই অঞ্চলটো ইহুদীবিলাকৰ অধীনস্থ হৈ পৰিছিল।

আৰু এটা ফৈদৰ মানুহে মদিনাত বসবাস কৰিছিল। তেওঁলোক আছিল আন্ছাৰসকল। তেওঁলোকৰ পূৰ্ব্বপুৰুষজন আছিল কাহ্তান। ইৰানৰ এটা ডাঙৰ বানপানী হোৱাৰ ফলত তাৰ মানুহবোৰ যেনি তেনি বিয়পি পৰিছিল। বানপানীৰ অন্তত সাউদ আৰু খাজৰাজ নামৰ দুজন ককাই-ভাই আহি মদিনাত থিতাপি লৈছিলহি। অন্যান্য মানুহো মদিনালৈ আহিছিল যদিও, এওঁলোকৰ বংশধৰসকলেৰেই মদিনাৰ জনসংখ্যা গঢ়ি উঠিছিল। প্ৰথমে এওঁলোকে আঁতৰে...আঁতৰেই আছিল যদিও ইহুদীবিলাকৰ প্ৰভাৱ-প্ৰতিপত্তিৰ কাৰণে পিছলৈ ইহুদীবিলাকৰ লগত তলতীয়া লোক হিচাপেই থাকিবলৈ লৈছিল। কিছুদিন ভালেৰেই কাটি গৈছিল। কিন্তু ফত্যুন নামৰ এটা প্ৰভাৱশালী ইহুদীয়ে বৰ অশ্লীল আৰু অশোভনীয় এটা দাবী উত্থাপন কৰাৰ কাৰণে, ইহুদী আৰু আন্ছাৰবিলাকে সেই দাবী মানি লৈছিল যদিও; মালিক ইবনে আজ্খা নামে

এজন আন্‌ছাৰ ফত্‌মুনৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তাক হত্যা কৰিলে। আৰু তাৰ পিছত চিৰীয়ালৈ পলাই গ'ল। এই মানুহজনৰ পৰা ফত্‌মুনৰ নিচিনা নীচ-অত্যাচাৰীয়ে ইহুদী আৰু আন্‌ছাৰ সকলোকে কৰা নিৰ্লজ্জ অত্যাচাৰৰ কথা জানিব পাৰি চিৰীয়াৰ শাসনকৰ্ত্তা আবু জব্‌লাই সৈন্য পঠিয়াই বহুত ইহুদী আৰু সিবিলাকৰ নেতা-নায়কবোৰক হত্যা কৰালে, আৰু ইহুদীবিলাকক তেওঁৰ অধীন কৰিলে। ইয়াৰ ফলত ইহুদীবিলাকৰ প্ৰতিপত্তি মদিনাত খৰ্ব্ব হ'ল, আৰু তাৰ লগে লগে আন্‌ছাৰসকলৰ এটা অভ্যুত্থান ঘটিল।

আন্‌ছাৰবিলাকৰ মাজত মিলা-প্ৰীতিৰ অভাৱ থকাৰ কাৰণে আউছ আৰু খাজৰাজ বংশৰ মানুহবিলাকৰ মাজত দ্বন্দ্ব-খৰিয়াল লাগি থাকিছিল। বোৱাজ নামে এখন ঠাইত লগা যুদ্ধত দুয়ো পক্ষৰ ভালেমান পিতৃস্থানীয় লোকৰ মৃত্যু ঘটিছিল, ফলত দুয়োটা ফৈদেই দুৰ্ব্বল হৈ পৰিছিল। আৰু তেওঁলোকে ওচৰ-পাজৰৰ অন্য সমপৰ্য্যায়ৰ লোকৰ লগত মিলাপ্ৰীতিৰ চুক্তি কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ কাৰণে আন্‌ছাৰবিলাকে মক্কাৰ কুৰেইছসকলৰ সহায় সমৰ্থন পাবলৈয়ো যত্ন কৰিছিল। কিন্তু এই প্ৰয়াসত তেওঁলোক সফল হ'ব পৰা নাছিল। ফলত ইহুদীবিলাকে আন্‌ছাৰবিলাকৰ ওপৰত প্ৰভাৱ আৰু আধিপত্য অটুত ৰাখিছিল।

ইহুদীবিলাক ঐক্যবদ্ধ হৈ থকাৰ আৰু কিছুমান কাৰণ আছিল। তেওঁলোক এটা ধৰ্ম্মৰ অনুগামী আছিল— সকলোৱে সেই ধৰ্ম্মৰ পৰা উদ্ভূত একে ধৰণৰ কিছুমান আইন আৰু ৰীতি-নীতি মানি চলিছিল, আৰু তেওঁলোক কিছুমান ঐতিহ্য-পৰম্পৰা আৰু পূজা-প্ৰাৰ্থনা সম্পাদন কৰা আচাৰ-পদ্ধতিৰ অনুসৰণকাৰী আছিল। এনেবোৰ কাৰণতে ইহুদীবিলাকৰ মাজত এটা ঐক্যবদ্ধতা আছিল। কিন্তু আন্‌ছাৰবিলাকৰ মাজত এনেধৰণৰ একতা নাছিল। ইহুদীবিলাকে এজন ৰছুলৰ আবিৰ্ভাৱ হ'ব আৰু তেওঁৰ সহায়ত আন্‌ছাৰবিলাকক পৰাভূত কৰিব, এনে এটা প্ৰচাৰ ওলাই আছিল। আনহাতে এনে প্ৰচাৰৰ ওপৰত ভিত্তি কৰিয়ে আন্‌ছাৰবিলাকে আশা কৰিছিল যে ইহুদীবিলাকতকৈ আগতে যদি তেওঁলোকে এই ৰছুলজনক লগ ধৰিব পাৰে, তেন্তে তেওঁৰ সহায়ত আন্‌ছাৰবিলাকে ইহুদীবিলাকক বশ কৰিব পাৰিব। দুয়ো পক্ষই বিশ্বাস কৰিছিল যে পৃথিৱীৰ শেষ পয়গম্বৰজনৰ আগমণৰ সময় হৈছে, আৰু যিয়ে

প্ৰথমে তেওঁৰ সহায় সমৰ্থন লাভ কৰিব পাৰে সিয়ে অন্য দলৰ ওপৰত বিজয়ী হ'ব পাৰিব। আনুছাৰবিলাকৰ মনত এটা নীচাত্মিকাৰ ভাবে ঠাই লোৱাৰ কাৰণে তেওঁলোকে কোনো নতুন আন্দোলনৰ ফলত উদ্ধাৰ পাম বুলি আশা কৰি আছিল। এই সময়তে হজৰত মোহম্মদে মক্কাত এটা নতুন ধৰ্ম্ম প্ৰচাৰ কৰাৰ কথা মদিনাত জনাজাত হৈ পৰিছিল।

হজৰত মোহম্মদৰ ব্যৱসায় সংক্ৰান্তত য়াছৰিব বা মদিনাৰ লগত কিছু পৰিচয় আৰু সম্পৰ্ক ঘটিছিল। য়াছৰিবত তেওঁৰ সম্পৰ্কীয় কিছু মানুহো আছিল। য়াছৰিবতে আছিল মোহম্মদৰ বাবাক আব্দুল্লাৰ কবৰ। আব্দুল মুত্তালিবৰ দদায়েক বনু আন্ নাজ্জাৰ য়াছৰিবতে আছিল। ছবছৰ বয়সতে মোহম্মদ তেওঁৰ মাক আমিনাৰ লগত য়াছৰিবলৈ গৈছিল। আৰু মাকৰ লগত তেওঁৰ বাবাকৰ কবৰ চাবলৈ গৈছিল। মক্কাৰ পৰা মদিনালৈ উভতি আহোতে বাটতে বেমাৰ পৰি আমিনাৰ মৃত্যু হৈছিল, আৰু মক্কা আৰু মদিনাৰ মাজ ঠাইত আল্ আবৱাত তেওঁক কবৰ দিয়া হৈছিল। মদিনাৰ উত্তৰে আছিল জেৰুজালেম নগৰ। তাত আছিল হজৰত মুছা আৰু হজৰত ঈছাৰ মন্দিৰ। মছজিদে আকৃছাৰ ফালে মুখ কৰি হজৰত মোহম্মদে প্ৰাৰ্থনাও কৰিছিল। এনেবোৰ কাৰণতে হজৰত মোহম্মদৰ কাৰণে তেওঁৰ ধৰ্ম্ম ইছলাম প্ৰচাৰ কৰিবৰ কাৰণে মক্কাতকৈ মদিনা আছিল অধিক সুবিধাজনক ঠাই।

য়াছৰিবৰ পৰা ছুৱাইদ ইব্‌নুল ছামিদ, আয়াছ ইব্‌নে মুৱাদ আদিৰ নিচিনা সম্ভ্ৰান্ত মদিনাবাসী মক্কালৈ আহিছিল। হজৰত মোহম্মদে তেওঁলোকক লগ ধৰি কোৰাণৰ বাণী শুনাই, তেওঁলোকক ইছলাম গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। ছুৱাইদে লগে লগে ইছলাম গ্ৰহণ নকৰিলেও আয়াছে গ্ৰহণ কৰিছিল, আৰু মদিনালৈ ঘূৰি গৈ এওঁলোকে এই নতুন ধৰ্ম্মৰ বিষয়ে মদিনাবাসীৰ মাজত কিছু প্ৰচাৰ কৰিছিল।

নানা বাধা-বিপত্তি আৰু প্ৰতিৰোধৰ মাজেদি বিপদজনক দিনবোৰ আগ বাঢ়িছিল। মদিনাৰ পৰা ব্যৱসায়ী আৰু তীৰ্থ-যাত্ৰী মানুহৰ দল মক্কালৈ আহি আছিল। ৬২০ খৃষ্টাব্দত মদিনাৰ পৰা অহা এজন মানুহে হজৰত মোহম্মদৰ মুখৰ পৰা তেওঁ প্ৰচাৰ কৰা ইছলামৰ বিষয়ে এটা আস্থাপূৰ্ণ ধাৰণা লাভ কৰিলে, এই নতুন ধৰ্ম্মত দীক্ষিত হ'ল। মুছলমান হৈ তেওঁলোক মদিনালৈ ঘূৰি গ'ল

আৰু তাত পয়গম্বৰ হজৰত মোহম্মদৰ বিষয়ে আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ বিষয়ে ব্যাপকভাৱে প্ৰচাৰ চলাব ধৰিলে। পিছৰ বছৰ এইসকল মদিনাবাসী মুছলমান আকৌ মক্কালৈ আহিল। তেওঁলোকৰ লগত লৈ আহিল মদিনাৰ প্ৰধান দুটা গোত্ৰৰ আৰু দুজন লোকক। আগৰ বছৰৰ ঠাইতে এই মানুহকেইজনেও মোহম্মদৰ বিশেষত্ব গ্ৰহণ কৰিলে। আকাবা পৰ্ব্বতৰ নামনিৰ সমতলত বহি নতুন ধৰ্ম্মগ্ৰহণৰ কাৰণে যি চুক্তি কৰা হৈছিল তাক আকাবাৰ প্ৰথম শপত বা চুক্তি বুলি জনা যায়। এই শপতৰ প্ৰধান চৰ্ত্ত বা উক্তিসমূহ আছিল এইঃ

"আমি আল্লাক এক আৰু অদ্বিতীয় বুলি স্বীকাৰ কৰিম। আমি কোনো বস্তুকে আল্লাৰ অংশীদাৰ বুলি মানি নলওঁ। আমি চুৰ নকৰো, ব্যভিচাৰত লিপ্ত নহওঁ, আমি আমাৰ সন্তানবিলাকক হত্যা নকৰো, সকলো অশ্লীল আৰু অশোভনীয় কাৰ্য্যৰ পৰা আমি আঁতৰি থাকিম। সকলো সৎ আৰু উত্তম কাৰ্য্যৰ বিষয়ত আমি হজৰত মোহম্মদৰ আদেশ-নিৰ্দ্দেশ মানি চলিম। আৰু সুখে-দুখে সকলো অৱস্থাতে আমি তেওঁৰ অনুগত হৈ চলিম।"

এই শপত গ্ৰহণ বা চুক্তি সম্পাদনৰ অন্তত মদিনাৰ মানুহকেজনে লগত হজৰতৰ এজন অনুগামীক লৈ মদিনালৈ ঘূৰি গ'ল। এই মানুহজনক মদিনাবাসীৰ মাজত মোহম্মদৰ ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে পঠোৱা হৈছিল। এনেকৈ অলপ দিনৰ ভিতৰতে মদিনাত ইছলামে বিস্তাৰ আৰু জনপ্ৰিয়তা লাভ কৰিলে। আনহাতে এই সময়ছোৱাত হজৰত মোহম্মদ আৰু তেওঁৰ অনুগামীসকলৰ ওপৰত উৎপীড়ন-অত্যাচাৰ আৰু বৃদ্ধি পাব ধৰিলে। কিন্তু নিজৰ সত্যৰ পৰা অকণো বিচলিত নহৈ মোহম্মদে তেওঁৰ প্ৰচাৰ কাৰ্য্য চলাই গ'ল।

৬২২ খৃষ্টাব্দ আহি পালেহি। এইবাৰ মদিনাৰ ইছলাম গ্ৰহণকাৰীসকল, লগত কিছু পৌত্তলিকক লৈ মদিনাৰ পৰা মক্কালৈ আহিল— মোহম্মদক মদিনালৈ নিমন্ত্ৰণ জনাবৰ কাৰণে। কিন্তু অমুছলমান মদিনাবাসীকেজনে তেওঁলোকক মক্কালৈ কিয় অনা হৈছে তেতিয়াও জনা নাছিল।

গভীৰ ৰাতি। ইছলাম বিৰোধী লোকসকল তেতিয়া গভীৰ টোপনিত নিঃসাৰ। যি ঠাইত আগৰবাৰ মদিনাবাসীসকল আহি সমবেত হৈ শপত লৈছিল, তেওঁলোক সেই আকাবাতে পুনৰ জমা হ'লহি। দদায়েক হজৰত আব্বাছক

লগত লৈ হজৰত মোহম্মদো আহি তাত উপস্থিত হ'লহি। আব্বাছে তেতিয়াও ইছলাম গ্ৰহণ কৰা নাছিল। তথাপি তেৱেঁই আলোচনা আৰম্ভ কৰিলে আৰু ক'লে যে নতুন ধৰ্ম্মৰ প্ৰৱৰ্ত্তক মোহম্মদক মদিনালৈ নিমন্ত্ৰণ জনাই তেওঁলোকে কেনে বিপদজনক পৰিস্থিতিৰ মুখামুখি হ'বলগীয়া হ'ব পাৰে সেই কথা তেওঁলোকে চিন্তা কৰি চোৱা উচিত। তাৰ উত্তৰত তেওঁলোকে দৃঢ়তাৰে ঘোষণা কৰিলে যে নতুন ধৰ্ম্ম ইছলাম গ্ৰহণ কৰাৰ পৰিণাম স্বৰূপে তেওঁলোকে যি সংকটৰ সম্মুখীন হ'বলগীয়া হ'ব, সেই বিষয়ে জানি-শুনিয়েই তেওঁলোকে ইছলাম গ্ৰহণ কৰিছে। এতিয়া তেওঁলোকে মোহম্মদৰ নিজ মুখৰ পৰা তেওঁৰ ধৰ্ম্মৰ বিষয়ে জানিবলৈ বিচাৰিছে।

তেতিয়া হজৰতে তেওঁলোকক নামাজ পঢ়িবৰ কাৰণে আহ্বান জনালে। আৰু তাৰ পিছত পূৰ্ব্বে কৰা আকাবা চুক্তিৰ কথা জনালে। তেওঁলোকে প্ৰশ্ন কৰিলে, "যদি আমি আল্লাৰ নামত মৃত্যু বৰণ কৰিবলগীয়া হয়, তাৰ বিনিময়ত আমি কি পুৰস্কাৰ পাম ?"

মোহম্মদে ক'লে, "পৰকালত শান্তি লাভ কৰিবা।"

"যেতিয়া আপোনাৰ ভাল দিন আহিব, তেতিয়া আপুনি আমাক এৰি আপোনাৰ নিজৰ মানুহৰ মাজলৈ ঘূৰি নেযাবনে ?"

সামান্য হাঁহি মোহম্মদে ক'লে, "মই কেতিয়াও তোমালোকক এৰি নেজাও। তোমালোকৰ তেজেই মোৰ তেজ, মই তোমালোকৰ— তোমালোক মোৰ।"

ইয়াৰ পিছত প্ৰত্যেকেই হজৰত মোহম্মদৰ হাতত হাত থৈ তেওঁৰ আৰু আল্লাৰ নামত শপত খালে। তেওঁলোকে ইছলাম গ্ৰহণ কৰিলে। তাৰ পিছত মোহম্মদে বাৰজন লোক বাছি ল'লে আৰু তেওঁলোকক সৰ্ব্ব-সম্মতিক্ৰমে হজৰতৰ নকীব বা প্ৰতিনিধি মনোনীত কৰিলে।

এয়াই আছিল আকাবাৰ দ্বিতীয় শপত বা চুক্তি।

এই চুক্তিৰ খবৰ পাই কুৰেইছবিলাকে মদিনাৰ কোন কোন মানুহে মোহম্মদৰ ধৰ্ম্ম গ্ৰহণ কৰিছে জানিবলৈ দাবী কৰিলে, কিন্তু কোনোৱেই এই বিষয়ে জানিবলৈ নিদিলে। মদিনাৰ মুছলমানসকলক যাবলৈ এৰি দিলে।

কিন্তু ইয়াৰ পিছত কুৰেইছবিলাক মুছলমানৰ বিৰুদ্ধে আৰু কঠোৰ হৈ

উঠিল। বহুতৰে মৃত্যুৰ আশংকাই দেখা দিলে। অৱশেষত হজৰত মোহম্মদে অনুগামীসকলক মদিনালৈ গুচি যাবলৈ নির্দেশ দিলে। কেইটামান পৰিয়াল গোপনে মক্কাৰ পৰা মদিনালৈ আঁতৰি গ'ল, এনেকৈ মক্কাৰ এশটা পৰিয়াল আত্মৰক্ষাৰ কাৰণে ঘৰ-বাৰী এৰি মদিনালৈ গ'লগৈ। তাত মদিনাৰ মানুহে তেওঁলোকক আগ্রহেৰেই আশ্রয় দান কৰিলে।

মক্কাবাসীসকলৰ ঘৰ-বাৰীবোৰ পৰিত্যক্ত হৈ পৰি ৰ'ল। এনেদৰে মক্কাবাসীক ভগনীয়া কৰাৰ কাৰণে কুৰেইছবিলাকে হজৰত মোহম্মদকে জগৰীয়া কৰিবৰ চেষ্টা কৰিলে। অনুগামীসকলক নিৰাপদ ঠাই মদিনালৈ পঠাই দি হজৰত আবু বকৰ আৰু হজৰত আলীক লগত লৈ মোহম্মদ তেতিয়াও সাহসেৰে মক্কাতেই ৰৈ গ'ল।

আকাবাৰ দ্বিতীয় চুক্তিখনৰ পিছত কুৰেইছবিলাকৰ মাজত এটা কথাই প্রচাৰ লাভ কৰিলে যে য়াছৰিবৰ মুছলমানবিলাকে মোহম্মদৰ পক্ষ হৈ কুৰেইছৰ বিৰুদ্ধে যুদ্ধ কৰিবৰ কাৰণেহে আকাবা চুক্তি কৰিছে। কিন্তু এই কথাৰ সত্যতা কিমান সেই বিষয়ে কুৰেইছবিলাক নিশ্চিত হ'ব পৰা নাছিল। যেতিয়া কিছু পিছত আচল কথাখিনি জানিব পাৰিলে তেতিয়া আগদিনা মদিনালৈ যোৱা তাৰ মানুহখিনিক ধৰি আনিবলৈ কুৰেইছবিলাক ঢপলিয়াই গ'ল। কিন্তু ছাদ বিন্ উবাদা নামৰ এজন মানুহৰ বাহিৰে অন্য কাকো কৰায়ত্ত কৰিব নোৱাৰিলে। ছাদক ধৰি শিকলিৰে বান্ধি নানা ধৰণৰ শাস্তি কৰি মক্কালৈ লৈ আহিল। অৱশেষত জুবেইজৰ আৰু হাৰিজ নামৰ দুজন মানুহে ছাদক ধন দি মুক্ত কৰিলে আৰু ক'লে যে ছাদ তেওঁলোকৰ এজন প্রতিনিধি।

য়াছৰিবৰ মানুহখিনি মদিনালৈ পলাই যাবৰ কাৰণে বা মোহম্মদৰ সপক্ষে থিয় দিয়াৰ শপত লোৱাৰ কাৰণে কুৰেইছবিলাকে বৰ বেছি ভয় খোৱা নাছিল। ইমান বছৰে তেওঁক নিৰস্ত আৰু পৰাস্ত কৰিবৰ কাৰণে তেওঁলোকে চেষ্টাৰ ত্রুটি কৰা নাছিল। তেওঁলোকে হজৰতৰ দৃঢ় মনোবল আৰু ঐকান্তিকতাৰ বিষয়ে ভালকৈ জানিছিল। সত্য ৰক্ষাৰ কাৰণে মোহম্মদে যে প্রাণ পর্য্যন্ত দিবলৈ সাজু সেই কথা তেওঁলোকে জানিছিল। মোহম্মদৰ সমর্থকসকল মদিনালৈ গুচি যোৱাৰ পিছত, অকলশৰীয়া মোহম্মদে হয়তো আকোৰগোজ মনোভাব কিছু শিথিল কৰিব— কুৰেইছসকলে এনেদৰে ভাবিছিল। সকলোৰে

মাজত নিজৰ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ নগৈ মোহম্মদে নিজৰ অনুগামীসকলকে লৈ থাকিব বুলি আশা কৰিছিল।

কিন্তু আকাবা চুক্তিখনে হজৰত মোহম্মদ তথা মুছলমানসকলক বহুখিনি মনোবল দিলে। তেওঁলোকে-মুকলিকৈ নিজৰ ধৰ্ম্ম অনুসৰণ কৰাৰ লগতে প্ৰচাৰ কাৰ্য্য চলাই যোৱাৰ শক্তি আৰু স্বাধীনতাও পালে। এনে পৰিস্থিতিত শক্তিশালীভাৱে বাধা নিদিলে মোহম্মদৰে শেষত জয় হ'ব বুলি কুৰেইছসকলে ভয় খালে। সংঘৰ্ষই এক মাৰাত্মক ৰূপ গ্ৰহণ কৰিলে। মোহম্মদ কুৰেইছৰ শত্ৰু, আৰু কুৰেইছ মোহম্মদৰ শত্ৰু— এনে এটা ধাৰণা বদ্ধমূল হৈ উঠিল। মোহম্মদৰ আল্লাৰ ওপৰত আৰু ইছলাম গ্ৰহণ কৰা অনুগামীসকলৰ ওপৰত অবিচলিত আস্থা আছিল, আৰু সত্যৰ কাৰণে কৰা ৰণত জয়ী হ'ব বুলি তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছিল। আকাবাৰ চুক্তিখনে তেওঁক আৰু অধিক শক্তি যোগাইছিল। তেওঁ বিৰোধী শক্তিৰ বিৰুদ্ধে দৃঢ়তাৰে যুঁজিবৰ কাৰণে নিজক সাজু কৰিলে।

আত্মৰক্ষাৰ কাৰণে আৰু নিজ ধৰ্ম্ম ৰক্ষাৰ কাৰণে হজৰত মোহম্মদে সৰু সৰু দলত বিভক্ত হৈ তেওঁৰ সহচৰসকলক আন্‌ছাৰসকলৰ অনুসৰণ কৰি মদিনালৈ যাবলৈ নিৰ্দ্দেশ দিলে। মুছলমানসকলে অকলে বা সৰু সৰু দল হৈ অতি সন্তৰ্পণে মক্কা এৰি মদিনালৈ প্ৰস্থান কৰিব ধৰিলে। তাৰ ভিতৰত যাক পাৰিলে ধৰি আনি কুৰেইছবিলাকে নানা শাস্তি দিব ধৰিলে। ঘূৰি আহিবলৈ অমান্তি হোৱাসকলক আনি বন্দীশালত বন্দী কৰি ৰাখিলে। কিন্তু মুছলমানসকলক হত্যা কৰি, তেতিয়াও মুছলমান নোহোৱা তেওঁলোকৰ সম্পৰ্কীয় লোকসকলৰ অপ্ৰিয়ভাজন হোৱাৰ আশংকা কৰি কুৰেইছবিলাকেও কিছু সংযত হৈ কাম কৰিছিল। বাধা-বিপত্তি সত্ত্বেও মুছলমানসকলৰ মদিনা-যাত্ৰা চলি আছিল। মোহম্মদ তেতিয়াও মক্কাতে আছিল। তেওঁ ও মদিনালৈ গুচি যাব নেকি এই বিষয়ে কোনোৱে একো ধাৰণা কৰিব নোৱাৰিলে। ইয়াৰ পূৰ্ব্বে মুছলমানসকলক আবিচিনীয়ালৈ যাবলৈ পৰামৰ্শ দিয়াৰ সময়ত আনক পঠিয়াই তেওঁ মক্কাতে ৰৈ গৈছিল। হজৰত আবু বকৰে মদিনালৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰি হজৰতৰ অনুমতি বিচাৰিছিল। তেতিয়া মোহম্মদে খাথোন কৈছিল— "খৰখেদা কৰিব নেলাগে। আল্লাই কিজানি আপোনাৰ যাত্ৰাৰ কোনোবা লগৰীয়া দিয়েইবা।"

কুৰেইছবিলাকে কিন্তু তথাপিও মোহম্মদ মদিনালৈ গুচি যাব বুলি

আশংকা কৰিছিল। ইতিমধ্যে মদিনাত মুছলমানৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। চহৰখনৰ ওপৰত তেওঁলোকৰে প্ৰভুত্ব চলিছিল। মক্কাৰ পৰা অহা মুহাজিৰিণসকলে তাৰ মুছলমানৰ সংখ্যা আৰু শক্তি বৃদ্ধি কৰিছিল। মদিনাবাসী মুছলমানসকলে মক্কাৰ কুৰেইছবিলাকক আক্ৰমণ কৰিব বুলি আৰু ছাম দেশলৈ যোৱা বাণিজ্য-পথ বন্ধ কৰি দিয়ে বুলিও ভয় কৰিছিল। আনহাতে মোহম্মদক মক্কাতে আবদ্ধ কৰি ৰাখিলে মদিনাৰ মুছলমানবিলাকে তেওঁক উদ্ধাৰ কৰি নিবৰ কাৰণে কুৰেইছবিলাকক আক্ৰমণ কৰে বুলিও চিন্তা কৰিছিল। এই পৰিস্থিতিৰ পৰা ৰক্ষা পাবলৈ হ'লে মোহম্মদক হত্যা কৰাৰ বাহিৰে আৰু অন্য কোনো উপায় নাই বুলি তেওঁলোকে ভাবিবলৈ লৈছিল, কিন্তু মোহম্মদক হত্যা কৰিলে তাৰ প্ৰতিশোধ ল'বৰ কাৰণে বনু হাছিন আৰু বনু মুত্তালিব ফৈদে কুৰেইছৰ লগত যুদ্ধ আৰম্ভ কৰিব— এই চিন্তাও হৈছিল।

অৱশেষত পৰিস্থিতিটোৰ পৰা ৰক্ষা পৰিবৰ কাৰণে উপায় উদ্ভাৱন কৰিবৰ কাৰণে কুৰেইছবিলাক আন্ নাদ্ৱা বা আলোচনা ঘৰত সমবেত হ'ল। এজনে ক'লে, "মোহম্মদক ধৰি বন্দীশালত বন্দী কৰি ৰাখি থোৱা হওক। তেতিয়া ক্ৰোনে কি কৰে দেখা যাব।" কিন্তু এই প্ৰস্তাৱৰ সমৰ্থক নোলাল। আন এজনে ক'লে, "মোহম্মদক ধৰি আমাৰ দেশৰ পৰা বাহিৰলৈ নিৰ্ব্বাসন দিয়া যাওক। তেতিয়া আৰু আমাৰ তেওঁৰ কথা চিন্তা নকৰিলেও চলিব।" ইয়াৰো সমৰ্থক নোলাল। কিয়নো অন্য দেশলৈ নিৰ্ব্বাসন দিলে মোহম্মদ গৈ য়াছৰিবৰ মুছলমানবিলাকৰ লগ লাগি মক্কা আক্ৰমণ কৰিবহে পাৰে, তেতিয়াতো আৰু ডাঙৰ বিপদ হ'ব।

অৱশেষত এটা সৰ্ব্বসম্মত সিদ্ধান্ত কৰা হ'ল— কুৰেইছৰ প্ৰত্যেকটো ফৈদৰ পৰা একোটাকৈ ডেকাক প্ৰতিনিধি কৰি উলিয়াই দিয়ক। প্ৰত্যেকৰ হাততে একোখনকৈ চোকা চুৰি দিয়ক। আটাইকেইটা ডেকাই গৈ একে সময়তে, একেলগে, একে ঘাপে মোহম্মদক হত্যা কৰিব। তেতিয়া কোনো এটা বিশেষ ফৈদৰ লোকক হত্যাৰ কাৰণে জগৰীয়া কৰা নেযাব। আৰু কোনোৱে কাৰো ওপৰত প্ৰতিশোধো ল'ব নোৱাৰিব। আব্দুল মান্নাফৰ পৰিয়ালে তেতিয়া প্ৰতিশোধ ল'ব নোৱাৰিব।

এই পৰামৰ্শটোত কুৰেইছবিলাকে অনুমোদন জনালে। আৰু

বাছি-বিচাৰি মোহম্মদক হত্যা কৰিবৰ কাৰণে ডেকা ল'ৰা আগবঢ়ালে। হত্যা কৰি মোহম্মদ আৰু মোহম্মদৰ ধৰ্ম্ম ইছলামক শেষ কৰি পেলোৱা হ'ব। মদিনালৈ পলাই যোৱা মুহাজিৰবিলাকো নিজৰ ঠাই মক্কালৈ, নিজৰ আপোন পৰিয়ালৰ মাজলৈ ঘূৰি আহিব আৰু মোহম্মদৰ ধৰ্ম্ম বিসৰ্জ্জন দি পুনৰ কাবাৰ মূৰ্ত্তিবোৰৰ পূজাত লাগি পৰিব। এই আঁচনিটোক নাদ্ৱাত গোট খোৱা সকলো কুৰেইছে সমৰ্থন কৰিলে।

হজৰত মোহম্মদৰ কাৰণে এই কথা স্পষ্ট হৈ পৰিল যে কুৰেইছবিলাকে তেওঁক হত্যা কৰাৰ আঁচনি কৰিছে। আৰু তেওঁৰ মদিনালৈ যোৱাত বাধা দিবৰ চেষ্টা কৰিছে। কিন্তু তেওঁ যে মক্কা এৰি যোৱাৰ সুযোগ বিচাৰি আছে এই কথা সকলোৱে ভালকৈ বুজি পাইছিল। আনকি এই বিষয়ে মোহম্মদে কি আঁচনি কৰিছে সেই কথা আবু বকৰেও বুজিব পৰা নাছিল। মোহম্মদে মাথোন তেওঁক দুটা উট সাজু ৰাখিবলৈ পৰামৰ্শ দিছিল। ইতিমধ্যে সৰহ সংখ্যক মক্কাবাসী মুছলমান মদিনালৈ গুচি গৈছিল। মোহম্মদৰ লগত কেইজনমান বিশ্বস্ত মুছলমানহে আছিল। তেওঁক হত্যা কৰিবৰ কাৰণে আয়োজন কৰা হৈছে বুলি তেওঁ সঠিককৈ জানিব পাৰিছিল।

অৱশেষত তেওঁ মক্কা এৰাৰ সিদ্ধান্ত কৰিলে। তেওঁ যাবলৈ ওলাল, আৰু আবু বকৰক তেওঁৰ লগত যাবলৈ লগ ল'লে। আবু বকৰ সদায় সাজু আছিল। তেওঁ আল্লাৰ কাৰণে দুটা উট এজন মানুহক চৰাবলৈ দি থৈছিল। হজৰত মোহম্মদ আৰু হজৰত আবু বকৰে নিশ্চিতভাৱে জানিছিল যে পলাই যোৱাৰ সম্ভেদ পালে কুৰেইছবিলাকে তেওঁলোকক পিছে পিছে অনুসৰণ কৰিব পৰা ধৰা পেলাব পাৰিলে ঘূৰাই লৈ আহিব। মোহম্মদেও এনে সময়ত আৰু এনে উপায়ে ঘৰৰ পৰা ওলাই যোৱাৰ আঁচনি কৰিলে, যাতে কুৰেইছবিলাকে তাৰ বিষয়ে ধাৰণাই কৰিব নোৱাৰে। লৰ মাৰি ঘৰৰ পৰা পলাই সাৰে বুলি মোহম্মদক ভেটা দিবৰ কাৰণে, হত্যা কৰিবৰ কাৰণে নিয়োগ কৰা ডেকাবোৰে হাতত তৰোৱাল লৈ ৰাতি তেওঁৰ ঘৰটো ঘেৰি ধৰি আছিল।

ঘৰ এৰি যাবলৈ স্থিৰ কৰি, সেইদিনা ৰাতি হজৰত মোহম্মদে হজৰত আলীক ক'লে, "হাজ্ৰা মাউটৰ পৰা অনা মোৰ সেউজীয়া কাপোৰখনেৰে মূৰ-গা ঢাকি তুমি মোৰ বিচনাখনতে শুই থাকিবা। আৰু মোৰ ওচৰত জমা ৰখা সকলোবোৰ বস্তু যাৰ যাৰ হয়, তেওঁলোকক ঘূৰাই নিদিয়াকৈ মক্কা এৰি নেযাবা।"

তাৰ পিছত শেষ ৰাতি, বেলি ওলোৱাৰ পূৰ্বেই মোহম্মদ হাতত সাৰে ভৰিত সাৰে, পিছ দুৱাৰেদি নিজৰ ঘৰৰ পৰা বাহিৰ ওলাই গ'ল। হত্যাকাৰী ডেকাবোৰে ঘৰৰ বাহিৰৰ পৰা দুৱাৰৰ ফুটাইদি ঘৰৰ ভিতৰলৈ জুমি চাই দেখিলে মোহম্মদৰ বিচনাত মূৰে-গায়ে কাপোৰ লৈ কোনোবা এজন শুই আছে। সিহঁতে ভাবিলে শুই থাকোতাজন মোহম্মদেই। মোহম্মদ পিছ দুৱাৰেদি বাহিৰ ওলাই যোৱাটো সিহঁতৰ চকুত নপৰিল। মোহম্মদ আবু বকৰৰ ঘৰলৈ গ'ল, তেওঁক লগত ল'লে, তাৰ পিছত পিছ দুৱাৰেদি মনে মনে আঁতৰি গৈ চত্তৰ নামৰ পৰ্ব্বতৰ গুহাটোৰ ফালে আগবাঢ়িল। তাত গৈ চত্তৰ গুহাত সোমাই দুয়ো আত্মগোপন কৰিলে।

মোহম্মদ আৰু আবু বকৰৰ এই পলায়নৰ কথা আবু বকৰৰ পুতেক আবদুল্লা আৰু তেওঁৰ দুজনী ভনীয়েক আইছা আৰু আছমাৰ, আৰু তেওঁলোকৰ ঘৰৰ চাকৰ আমীৰ ইব্নে ফুহেইৰাৰ বাহিৰে অন্য কোনোৱে জানিব নোৱাৰিলে।

আবদুল্লা দিনটো মক্কাত থাকিল আৰু কুৰেইছবিলাকে কি কৈছে তাৰ সম্ভেদ লৈ ৰাতি আন্ধাৰতে গৈ তেওঁলোকক জনালেগৈ। আমীৰে আবু বকৰৰ ভেড়া চৰোৱাৰ ছলেৰে চত্তৰ গুহাৰ ফালে গৈ মোহম্মদ আৰু তেওঁৰ সঙ্গীক খাবৰ কাৰণে কিছু গাখীৰ আৰু কিছু মাংস দিলেগৈ— সন্ধিয়া পৰত। এনেকৈ তিনিটা দিন আৰু তিনিটা ৰাতি পাৰ হৈ গ'ল— সেই গুহাৰ আন্ধাৰতে কুৰেইছবিলাকে চৌদিশে তেওঁলোকক বিচাৰি চলাথ কৰিলে। একো সম্ভেদ নেপালে। যিকোনো উপায়ে মোহম্মদ মদিনালৈ যোৱাত বাধা দিবই লাগিব এয়েই আছিল কুৰেইছবিলাকৰ কথা।

গুহাৰ আন্ধাৰত সোমাই থকা এই তিনিটা দিন হজৰত মোহম্মদে আল্লাৰ করুণা ভিক্ষা কৰি উপাসনা কৰি কটালে। আৰু আবু বকৰৰ সতৰ্ক দৃষ্টি আছিল— এটা কথাৰ ওপৰত। তেওঁলোক এই গুহাৰ ভিতৰত সোমাই থকাৰ বিষয়ে কেনেবাকৈ ক'ৰবাত কোনোবাই জানিব পাৰিছে নেকি? আৰু ইয়াত তেওঁলোক নিৰাপদ আৰু বিপদমুক্তনে?

মোহম্মদক হত্যা কৰিবৰ কাৰণে হাতত তৰোৱাল লৈ তেওঁক বিচাৰি ফুৰা ডেকাবোৰ ঘূৰি-পকি আহি গুহাটোৰ ওচৰত ওলালহি। তাৰ ওচৰতে এটা ভেড়াৰখীয়াক লগ পাই সিহঁতে মোহম্মদ আৰু আবু বকৰৰ কিবা খবৰ পায়নে সুধিলে। সি ক'লে, "তেওঁলোক সেই গুহাটোত থাকিব পাৰে। কিন্তু মই কাকো তাত সোমোৱাও দেখা নাই, তাৰ পৰা কাকো ওলোৱাও দেখা নাই।"

ভেড়া-ৰখীয়াটোৰ কথা আবু বকৰৰ কাণত পৰিল। হত্যাকাৰীবোৰে গুহালৈ সোমাই আহি অঘটন ঘটাব বুলি আবু বকৰ ভয়ত কঁপি উঠিল। তেওঁ গৈ গুহাটোৰ এটা কোণত মনে মনে লৰচৰ নকৰাকৈ সোমাই থাকিলগৈ। কুৰেইছ হত্যাকাৰীবোৰে গুহাটোৰ ওচৰ পাই কেউপিনে চালে। গুহাৰ মুখ পাই তাত মকৰাজাল আৰু কপৌ চৰাইৰ বাহ দেখি, তাৰ ভিতৰত কোনো মানুহ লুকাই থকা নাই বুলি ধাৰণা কৰি তাৰ পৰা নামি আহি মক্কালৈ ঘূৰি গ'ল। এইদৰে নিৰ্ঘাত মৃত্যুৰ পৰা ৰক্ষা পৰা ঘটনাও মকৰাজাল আৰু কপৌৰ বা বনৰীয়া পাৰ চৰাইৰ বাহ আৰু এজোপা গছত ফুল ফুলি উঠা কথাক বহুতে এক অলৌকিক ঘটনা বুলি ধৰে। কিন্তু তিনি দিনৰ ভিতৰত এটা গুহাৰ বাহিৰত এনে ঘটনা ঘটাটো বৰ অস্বাভাৱিক বা অবিশ্বাস্য নহয়।

মোহম্মদক বিচাৰি নেপাই যেতিয়া কুৰেইছবোৰ ঘূৰি গ'ল, তেতিয়া আবু বকৰে উট ৰাখিবলৈ দিয়া মানুহটোৱে তিনিটা উট লৈ তাত আহি ওলালহি। আছ্মাই কিছু বাটৰ আহাৰ আনি তেওঁলোকক দিলেহি। মোহম্মদ আবু বকৰ, আৰু উট ৰখীয়াটো তিনিও উটৰ পিঠিত উঠিল আৰু মদিনালৈ যাত্ৰা কৰিবৰ কাৰণে সাজু হ'ল। এনেতে দেখিলে যে আহাৰৰ টোপোলা আৰু পানী ভৰোৱা শুকান চামৰাৰ মোনা বান্ধি উটৰ পিঠিত ওলোমাই ল'বলৈ ৰছি নাই। তেতিয়া আবু বকৰৰ জীয়েক আছ্মাই নিজৰ গাত লৈ থকা চাদৰখন ফালি দুফাল কৰি এফাল আহাৰ-পানী বান্ধিবলৈ দিলে, আৰু আনফালেৰে কোনোমতে নিজৰ গা ঢাকিলে।

উটৰ ফাকিলা মদিনাৰ পথত আগবাঢ়িল। আবু বকৰৰ হাতত আছিল পাঁচ হেজাৰ দিৰ্‌হম। সেয়াই আছিল তেওঁৰ সঞ্চয়ৰ সৰ্ব্বস্ব। বাটত কুৰেইছবিলাকে কেনেবাকৈ লগ পায় বুলি তেওঁলোক অন্য এটা বাটেৰে

আগবাঢ়িল। প্ৰথমে তেওঁলোক মক্কাৰ পৰা দক্ষিণমুৱা হৈ আগবাঢ়িল। তাৰ পিছত লোহিত সাগৰৰ পাৰৰ তিহামত নামৰ পৰ্ব্বতটোৰ কাষেদি যাব ধৰিলে। তাৰ পিছত লোহিত সাগৰৰ পৰা যথেষ্ট আঁতৰেদি উত্তৰমুৱা হৈ এটা অচিনাকি বাটেদি আগবাঢ়িল। কষ্ট-ভাগৰ, ভোক-পিয়াহলৈ কেৰেপ নকৰি দুৰ্গম পথেৰে তেওঁলোক দিনে-ৰাতিয়ে গৈ থাকিল। তেওঁলোকক ধৰাই দিব পাৰিলে বা তেওঁলোকৰ বিষয়ে খবৰ দিব পাৰিলে এশটা উট পুৰস্কাৰ দিয়া হ'ব বুলি কুৰেইছবিলাকে ঘোষণা কৰিছিল। ছুৰাকা নামে এটা মানুহে তিনিজন মানুহ উটেৰে গৈ থকা বুলি জানিব পাৰি, মোহম্মদক হত্যা কৰি উট-এশৰ গৰাকী হোৱাৰ আশাত নিজেই ঘোঁৰাত উঠি ওলাই গ'ল। কিন্তু বাটত তাৰ ঘোঁৰাটো তিনিবাৰ পৰাৰ কাৰণে সি অৱশেষত মোহম্মদক হত্যা কৰাৰ চিন্তা বাদ দি যেনেতেনে গৈ তেওঁলোকক লগ ধৰিলেগৈ আৰু হজৰত মোহম্মদক কৈ আবু বকৰ হতুৱাই চুৰাকাই যে মোহম্মদক লগ পাইছিল সেই কথা লিখাই ল'লে আৰু মক্কালৈ ঘূৰিগৈ প্ৰচাৰ কৰিলে যে উটেৰে গৈ থকা মানুহকেজনৰ এজনো মোহম্মদ নহয়।

মোহম্মদৰ এই মদিনা-যাত্ৰা অতিশয় কষ্টকৰ আছিল। তপত মৰুভূমি, ওখ-চাপৰ পৰ্ব্বত-পাহাৰৰ ওপৰেদি, সাধাৰণতে মানুহ অহা-যোৱা নকৰা অচিন বাটেদি ভোকে-পিয়াহে ক্লান্ত-শ্ৰান্ত হৈ তেওঁলোক আগবাঢ়িছিল। বিপদৰ আশংকা তেতিয়াও নোহোৱা হোৱা নাছিল, যিকোনো মুহূৰ্ত্তত কুৰেইছবিলাকে কোনোবা ফালৰ পৰা আহি অতৰ্কিতে আক্ৰমণ কৰাৰ ভয় আছিল। জিৰণি ল'বৰ সময় বা সুযোগ নাছিল। দিনত অত্যধিক গৰমৰ কাৰণে খৰকৈ যাব নোৱাৰি, ৰাতিৰ আন্ধাৰত কিছু ঠাণ্ডা পৰা অৱস্থাত তেওঁলোক বেগাই আগবাঢ়িছিল। আল্লাৰ কৰুণাৰ ওপৰত একান্ত নিষ্ঠাই আছিল তেওঁলোকৰ মনোবলৰ মূল সম্পদ।

এনেকৈ একেৰাহে সাত দিন-সাত ৰাতি শ্ৰান্তিহীন গতিৰে ফাকিলা গৈ থাকিল।

আকাবাৰ দ্বিতীয় বয়আত বা চুক্তি অনুসৰি মোহম্মদৰ মদিনা আগমণৰ কাৰণে তাৰ আনছাৰসকলে বৰ আগ্ৰহ আৰু উৎকণ্ঠাৰে মোহম্মদ গৈ পাবৰ কাৰণে বাট চাই আছিল। সকলোৰে মনত আনন্দ— নতুন ধৰ্ম্মৰ প্ৰচাৰক

হজৰত মোহম্মদ মক্কাৰ পৰা আহি মদিনা পাবহি! সকলো আন্‌ছাৰৰ মুখত তাৰ বাহিৰে অন্য কথা নাছিল।

মদিনা চহৰৰ পৰা তিনি মাইল দূৰত কুবা। প্ৰথমে হজৰত মোহম্মদ আহি তাতে ৰ'লহি। কুবাৰ আমৰ বিন্ আৰ্ত্তফে তেওঁলোকক আদৰ-সাদৰ কৰি অভ্যাৰ্থনা জনালে। তেতিয়া আমৰৰ ঘৰ ইছলামৰ চৰ্চ্চাৰ কেন্দ্ৰ হৈ উঠিছিল। তাতে মোহম্মদ চৈধ্যদিন থাকিল। তেওঁ নিৰ্দ্দেশ দি অহা মতে হজৰত আলীয়ে মক্কাৰ যি যি মানুহে হজৰতৰ ওচৰত নিজৰ ধন-সম্পত্তি আদি জমা ৰাখিছিল, সেইবোৰ তাৰ মালিকসকলক ঘূৰাই দি হজৰত আলীও আহি কুবাত হজৰত মোহম্মদৰ লগ লাগিলহি। ইয়াতেই হজৰত মোহম্মদে এটা মছজিদৰ ভিত্তি স্থাপন কৰিলে। এই মছজিদ সজাৰ কামত অন্যৰ দৰে মোহম্মদেও শিল আদি কঢ়িয়াইছিল। সকলোৱে মনৰ আনন্দেৰে এই মছজিদ সজা কামত লাগি থাকোঁতে সমস্বৰে গাইছিলঃ "সেইসকল সাৰ্থক আৰু সফল যি মছজিদ নিৰ্ম্মাণ কৰে, আৰু থিয় হৈ আৰু বহি কোৰাণ পঢ়ে আৰু ৰাতি উজাগৰে থাকি নামাজ পঢ়ে, উপাসনা কৰে।.."

হজৰত মোহম্মদ ৬২২ খৃষ্টাব্দৰ ২৩ ছেপ্তেম্বৰৰ দিনা (১১ নৱবী, ৮ ৰাবি) কুবাত প্ৰৱেশ কৰিছিল, আৰু ১২ ৰাবিৰ দিনা (প্ৰথম হিজৰীৰ) মদিনাত প্ৰৱেশ কৰিলে। মদিনাৰ মহিলাসকলে গীত গাই আৰু ছোৱালীবিলাকে দল বান্ধি ঢোল বজাই, গীত গাই হজৰত মোহম্মদক অভ্যাৰ্থনা জনালে। দীৰ্ঘকাল ব্যাপি মক্কাবাসীৰ পৰা পোৱা নিৰ্য্যাতন, উৎপীড়ন অত্যাচাৰৰ পিছত, শ্ৰদ্ধা, প্ৰীতি আৰু সহৃদয়তাৰ মাজত নিজৰ সত্য ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে পয়গম্বৰ হজৰত মোহম্মদে এটা নতুন পৰিবেশ আৰু এখন আগ্ৰহী সমাজ লাভ কৰিলে। তেওঁ মদিনা চহৰৰ আবু আইয়ুব আন্‌ছাৰীৰ ঘৰতে থাকিবলৈ ল'লে, আৰু সাতমাহ কাল তেওঁৰ ঘৰতে থাকি ইছলামৰ নতুন শৌধ ৰচনাৰ কামত লাগিল।

হজৰত আবু আইয়ুবে দুটি পিতৃহীন শিশুৰ পৰা উচিত দাম দি এডোখৰ মাটি কিনি ল'লে। আৰু ইয়াতে হজৰতে মছজিদ নিৰ্ম্মাণ কৰাৰ কাম আৰম্ভ কৰিলে। এইটোৱেই ইছলামৰ ইতিহাসত প্ৰথম মছজিদ আছিল। এই মছজিদটো কেৱল এটা নামাজ পঢ়া ঘৰেই নাছিল, ই হৈ উঠিছিল ইছলামী আন্দোলনৰ কেন্দ্ৰস্থল, এটা ন্যায়ালয়, এটা আলোচনাগৃহ, এটা অতিথিশালা আৰু এটা

গণতান্ত্রিক মিলনথলি। এই মছজিদ সজা কামত হজৰত মোহম্মদে আন বনুৱাসকলৰ লগত সমানে কাম কৰিছিল। সকলোৱে গীত গাই-গাই মছজিদ ঘৰ সজাত লাগি পৰিছিল।

আন্ছাৰসকল আৰু মোহাজিৰিণসকল একে লগ লাগি মদিনাত ৰছুলৰ মছজিদটো সাজি উলিয়ালে। মছজিদটো সজা সম্পূৰ্ণ হ'লত তাৰ একাষে মোহম্মদ থাকিবৰ কাৰণে এটা কোঠালি সাজিলে। মছজিদ ঘৰটো আৰু ৰছুলৰ থকা ঘৰটো নিচেই কম খৰছত সাজি উলিওৱা হৈছিল। ঘৰকেইটা ইটাৰ ওপৰত বোকাৰ লিপি ওপৰত খেজুৰৰ গা-গছৰ চ'টি-মাড়লি আৰু খেজুৰ পাতৰ চালি দি সজা হৈছিল। সেই মছজিদৰ লগতে ঘৰ নোহোৱা মানুহ থাকিবলৈ এখন চালিও সজা হৈছিল। ৰাতি ঈছাৰ নামাজ পঢ়িবৰ সময়ত এঘণ্টামানৰ কাৰণে চাকি জ্বলোৱাৰ বাহিৰে অন্য সময়ত মছজিদত লেম-চাকি জ্বলোৱা নহৈছিল। খেৰ-পাত জ্বলাই মছজিদটোত ৰাতি পোহৰৰ ব্যৱস্থা কৰা হৈছিল। সুদীৰ্ঘ ন বছৰ কাল এনেকৈয়ে চলিছিল। তাৰ পিছত চাকিৰ দিহা কৰা হৈছিল। যিবোৰ খেজুৰ গছৰ মূঢ়াক খুটা কৰি ওপৰৰ চালিখন ৰখা হৈছিল, সেই খুটাবোৰতে পিছলৈ চাকিবোৰ ওলোমাই থোৱা হৈছিল। মছজিদ ঘৰটোৰ দৰেই ৰছুল থকা কোঠালিকেটাও তেনেই সাধাৰণ আৰু নিৰাড়ম্বৰ আছিল।

মছজিদৰ লগত লগা কোঠালি সজা হোৱাৰ পিছত হজৰত মোহম্মদ আবু আইয়ুবৰ ঘৰৰ পৰা নিজৰ কোঠালিলৈ গুচি আহিল। সেই কোঠালিবোৰ খেজুৰ-পাতৰ চালিৰ তলত একোটা তেনেই সাধাৰণ জুপুৰীৰ নিচিনা আছিল। সেই পৰ্ণকুটিৰতে সোমাই লৈ হজৰত মোহম্মদে তেওঁৰ কৰ্ম্ম-আঁচনি কাৰ্য্যকৰী কৰাত মনোনিবেশ কৰিলে।

মদিনাত সেই সময়ত চাৰিটা বিভিন্ন ধৰ্ম্ম-সম্প্ৰদায়ৰ মানুহ বাস কৰিছিল— ইহুদী, খৃষ্টান, আৰবী পৌত্তলিক আৰু মুছলমান। মুছলমানসকলৰ ভিতৰত কিছুসংখ্যক আছিল স্থায়ী মদিনাবাসী ইছলাম ধৰ্ম্ম গ্ৰহণ কৰা আন্ছাৰসকল, আৰু কিছুসংখ্যক মক্কাৰ পৰা ভাগি আহি মদিনাত থিতাপি লোৱা মোহাজিৰিণসকল। ইহুদী আৰু খৃষ্টানসকলৰ মাজত সংঘৰ্ষ লাগিয়ে থাকে। খৃষ্টানসকলে ভাৰ্জিন মেৰীক ঈছা পয়গম্বৰৰ বা যীশু খৃষ্টৰ মাতৃ বুলি

আৰু যীশুক আল্লাৰ পুত্ৰ আৰু পয়গম্বৰ বুলি মানিছিল। কিন্তু ইহুদীবিলাকে এই কথাকে লৈ কুমাৰী মেৰী আৰু যীশুৰ অপযশ গাইছিল। সংঘাতৰ ই এটা প্ৰধান কাৰণ আছিল।

আনহাতে ইহুদীবিলাক আছিল ব্যৱসায়ী। সুদলৈ ধন ধাৰে দিয়া, আৰু ধাৰে লোৱা ধন আদায় দিব নোৱাৰিলে ধৰুৱাক অত্যাচাৰ কৰা, ধাৰত মাৰি ধৰুৱাৰ ল'ৰা-তিৰোতাক গোলাম কৰি কিনি লোৱা আৰু তাৰ যোগে নানান অপমান অত্যাচাৰ কৰাটো ইহুদীৰ এটা ব্যৱসায় হৈ পৰিছিল। এইবাবে গৰিব মদিনাবাসীয়ে ইহুদীবিলাকক ভাল নেপাইছিল।

আনহাতে মদিনাৰ পৌত্তলিকবিলাক কলহপ্ৰিয় আছিল। মদিনা ইহুদীৰ এখন উপনিবেশ আছিল। তেওঁলোকেই ইয়াৰ নাম দিছিল য়াছৰিব। ইহুদীৰ জনসংখ্যা বাঢ়ি যোৱাৰ লগে লগে ইফালে সিফালে তেওঁলোকৰ বসতিৰ স্থান বাঢ়ি গৈছিল। তেওঁলোকে সৰু সৰু কিছুমান কিল্লাও নিৰ্মাণ কৰিছিল। কাৰ্য্যতঃ গোটেই য়াছৰিবখনেই ইহুদীৰ দখল আৰু শাসনৰ অধীনতে আছিল।

মদিনাৰ অধিবাসী আনছাৰসকলৰ পূৰ্ব্ব-পুৰুষ আছিল কাহ্তান। ইৰাণৰ প্ৰবল বানপানীৰ পিছত আনছাৰবিলাক ছেদেলি-ভেদেলি হৈ গৈছিল। তাৰে দুজন ককাই-ভাই খাজৰাজ আৰু আউজ আহি মদিনাত থিতাপি লৈছিলহি। প্ৰধানতঃ মদিনাৰ আনছাৰসকল আছিল এওঁলোক দুজনৰে উত্তৰ পুৰুষ। কিন্তু আনছাৰসকলৰ মাজত মিলতকৈ অমিলেই আছিল বেছি। বোৱাছত লগা যুদ্ধত দুয়ো পক্ষৰে ভালেমান মানুহৰ মৃত্যু হৈছিল। ইয়াৰ ফলত দুয়ো পক্ষই অন্য ফৈদৰ সহায় বিচাৰিবলগীয়া হৈছিল। কোনো কোনোৱে আনকি মক্কাৰ কুৰেইছবিলাকৰো কাষ চাপিছিল। কিন্তু তাৰ পৰা বিশেষ লাভ হোৱা নাছিল। ফলত ইহুদীবিলাকৰ আধিপত্যই প্ৰাধান্য লাভ কৰিছিল। ইহুদীবিলাকৰ নিজস্ব এটা ধৰ্ম্ম আছিল, এটা জীৱন-দৰ্শন আছিল, ধৰ্ম্মীয় অনুশাসন-বিধি আছিল, এক ঐতিহ্য আছিল আৰু পূজা-পাৰ্ব্বনৰ নিৰ্দ্দিষ্ট আৰু স্বীকৃত নীতি-পদ্ধতি আছিল। আনছাৰসকলৰ এইবোৰ একো নাছিল। ইহুদীসকলে এজন পয়গম্বৰ আৱিৰ্ভাৱ হ'ব বুলি বিশ্বাস কৰিছিল, আৰু তেওঁৰ সহায়ত আৰু শক্তি-বৃদ্ধি কৰাৰ আশা পোষণ কৰিছিল। আনহাতে আনছাৰসকলেও তেনে এজন পয়গম্বৰৰ সহায়তে নিজৰ প্ৰতিষ্ঠা অধিক দৃঢ় কৰিব বুলি তেওঁৰ আৱিৰ্ভাৱৰ

কাৰণে অপেক্ষা কৰিছিল। হজৰত মোহম্মদৰ আগমণৰ কথাত সেয়ে আনছাৰসকল আৰু আশান্বিত হৈ পৰিছিল।

ইতিমধ্যে মদিনাত ইছলামৰ মূল আদৰ্শ আৰু ৰীতি-পদ্ধতিৰ শিক্ষাদান কৰিবৰ কাৰণে পূৰ্বে মদিনালৈ যোৱা লোকসকলৰ লগত মুছাব বিন্ উমেইৰক হজৰত মোহম্মদে মদিনালৈ পঠিয়াই দিছিল। তেওঁ মদিনাৰ অমুছলমানসকলৰ মাজত নামাজ পঢ়া, কোৰাণ পঢ়া, আৰু ইছলামী আচৰণ-বিধি সম্পৰ্কে প্ৰচাৰ আৰু শিক্ষাদান কৰিছিল। ইতিমধ্যে ছাদ বিন্ মুৱাজ আৰু উছেইদ বিন্ হুদাইৰ নামৰ দুজন ডেকা আনছাৰ ইছলামত দীক্ষিত হৈছিল। এনেদৰে নতুন ধৰ্ম্ম ইছলামৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে মদিনাত হজৰত মোহম্মদৰ আগমনৰ পূৰ্বেই এটা অনুকূল বাতাবৰণৰ সৃষ্টি হৈছিল। মক্কাত যিটো ধৰ্ম্মক বিভেদকামী বুলি ভবা হৈছিল, মদিনাত সেই ধৰ্ম্মই সমন্বয় প্ৰতিষ্ঠাৰ এক অস্ত্ৰ হ'ব বুলি আশা কৰা হৈছিল। এনে এটা অনুকূল পৰিবেশৰ মাজত আহি পৰাত হজৰত মোহম্মদে অন্য কথা পিছলৈ থৈ, আৰু নিজৰ সুখ-সমৃদ্ধিৰ কথা চিন্তা নকৰি তেওঁৰ সত্য ধৰ্ম্ম প্ৰচাৰত একাগ্ৰতাৰে লাগি পৰিল। প্ৰথমে আহিয়ে মদিনাৰ মছজিদ নিৰ্মাণ কৰিলে, তাৰ পিছত মদিনাবাসীৰ মাজত ইছলামৰ মূল তত্ত্ব আৰু আচাৰ-বিচাৰৰ বিষয়ে মুকলিকৈ প্ৰচাৰ-কাৰ্য্য আৰম্ভ কৰিলে। ইছলামক ৰক্ষা কৰিবৰ কাৰণে আৰু ইছলামী জীৱন-যাপন কৰিবৰ কাৰণে আনছাৰসকল সংকল্পবদ্ধ হ'ল। আনহাতে হজৰত মোহম্মদেও মদিনাৰ পৰা ঘূৰি নোযোৱাৰ আশ্বাস দিলে। এনেকৈ ইছলামী আন্দোলনে প্ৰসাৰ লাভ কৰিব ধৰিলে।

আকাবাৰ দ্বিতীয় চুক্তিত থকা অন্য চৰ্ত্তৰ ভিতৰত এটা স্বীকৃত চৰ্ত্ত আছিলঃ "সুখ-দুখ, যুদ্ধ-শান্তি, সকলো অৱস্থাতে আমি ৰছুলৰ নিৰ্দ্দেশ মানি চলিম, আৰু অন্য সকলো কথাতকৈ ৰছুলৰ কথাক অধিক গুৰুত্ব দিম। আৰু এই স্বৰ্গীয় ধৰ্ম্ম পালন কৰিবৰ সময়ত অন্যৰ কোনো বিৰূপ সমালোচনালৈ আমি কৰ্ণপাত নকৰো।"

এনেদৰে ইছলামৰ অনুগামীৰ সংখ্যা বৃদ্ধি পাব ধৰিলে। ইয়াৰ লগে লগে মোহম্মদে ৰাইজৰ প্ৰতিনিধিসকলৰ লগত আলোচনা কৰি খাজৰাজ ফৈদৰ ন-জন আৰু আউজ ফৈদৰ তিনিজন সদস্যক লৈ এখন কমিটি গঠন কৰিলে, আৰু ফৈদদুটাৰ যাবতীয় সকলো কাম পৰিচালনাৰ কাৰণে এই কমিটিক দায়িত্ব

দিলে। এই সন্থা গঠনৰ যোগে মোহম্মদে সমাজৰ পৰিচালনাৰ দায়িত্ব এটা প্ৰতিনিধি দলৰ ওপৰত অৰ্পণ কৰিলে, গণতান্ত্ৰিক শাসন-ৰীতিৰ ভিত্তি স্থাপন কৰিলে।

এনে এটা সংগঠন প্ৰতিষ্ঠা হোৱাৰ বাতৰি পাই কুৰেইছবিলাক ক্ষিপ্ত হৈ উঠিল। আকাবাৰ দ্বিতীয় বয়আতৰ (চুক্তিৰ) লগে লগেই সন্থাটো গঠন কৰা হৈছিল। চুক্তি সম্পাদন কৰিয়ে আনছাৰসকল ততাতৈয়াকৈ মদিনালৈ ঘূৰি গৈছিল। চুক্তিৰ আৰু এই প্ৰত্যাবৰ্ত্তনৰ সম্ভেদ পাই কুৰেইছবিলাকে এই আনছাৰসকলৰ বহুতকে ধৰাই আনি অবৰ্ণনীয় অত্যাচাৰ কৰিছিল। মুছলমানসকলৰ ওপৰত নিৰ্য্যাতন চলি থাকিল যদিও কোনোৱেই ইছলাম ধৰ্ম্ম বিসৰ্জ্জন নিদিলে। ৰক্ষা পৰিবৰ কাৰণে মুছলমানসকল দলে দলে পলাই যাব ধৰিলে। অৱশেষত অনুগামীসকলক আগতে নিৰাপত্তাৰ কাৰণে পঠিয়াই লৈ হজৰত মোহম্মদেও হজৰত আবু বকৰক লগত লৈ মক্কা এৰি মদিনালৈ হিজৰত কৰিলে। এইয়া এজন ব্যক্তিৰ জীৱনৰে এটা নতুন অধ্যায় নহয়, মানৱ সমাজৰ কাৰণেও এটা ঐতিহাসিক যুগক্ৰান্তি।

ইছলামৰ অনুগামী ভক্তসকলক লৈ, আনছাৰ আৰু মুহাজিৰিণসকলক লৈ হজৰত মোহম্মদ এতিয়া মদিনাত। এতিয়া তেওঁৰ কোনো ব্যৱসাই বাণিজ্যৰ চিন্তা নাই, ধন-সম্পত্তিৰ চিন্তা নাই, প্ৰভাৱ প্ৰতিপত্তিৰ চিন্তা নাই। তেওঁৰ এটাই চিন্তা আৰু লক্ষ্য— তেওঁৰ অনুগামী মুছলমানসকলে নিৰ্ভয়ে আৰু নিঃশঙ্কাচিত্তে, একান্ত সৰল বিশ্বাসেৰে নিজৰ নতুন ধৰ্ম্ম পালন কৰি শান্তিৰে জীৱন-যাপন কৰিব পাৰে। আৰু স্থানীয় অন্যান্য ধৰ্ম্মাৱলম্বী লোকসকলেৰে সমান মৰ্য্যাদাৰে নিজৰ ধৰ্ম্ম-কাম সম্পাদন কৰি যাব পাৰে। এটা কথা বৰ জৰুৰী আছিল— খৃষ্টান, ইহুদী আৰু মুছলমানসকলে যাতে অবাধে আৰু এক মুক্ত ধৰ্ম্মীয় আৰু সামাজিক বাতাবৰণত নিজ নিজ ধৰ্ম্ম-কাম পালন কৰি যাব পাৰে। এক ধৰ্ম্মাৱলম্বী লোকৰ সৈতে সমান মৰ্য্যাদা লাভ কৰিব পাৰে।

এনে এটা পাৰস্পৰিক শ্ৰদ্ধা আৰু বিশ্বাসৰ পৰিবেশতহে ইছলামে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰি অন্যক আকৰ্ষণ কৰিব পাৰিব। এনেদৰেহে সত্য, নিজস্ব মহত্ত্বেৰে মানৱ সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে। ইয়াৰ কাৰণে অপৰিহাৰ্য্যভাৱে প্ৰয়োজনীয় হ'ব যুদ্ধ-বিগ্ৰহ নোহোৱা এটা শান্তিৰ পৰিবেশ। যুদ্ধ আৰু সংঘৰ্ষই মানুহ মানুহৰ মাজত সুস্থ, মানৱীয় সম্পৰ্ক গঢ়ি তুলিব নোৱাৰে। ধৰ্ম্মই শান্তিৰ কথাহে শিকায়, যুদ্ধৰ কথা নিশিকায়। যুদ্ধ নোহোৱা কৰিব লাগিলে ধৰ্ম্মক লৈ বিবাদ-বিৰোধৰ অন্ত পেলাব লাগিব। শান্তি অব্যাহত ৰাখিবৰ কাৰণে আৰু শান্তি প্ৰতিষ্ঠাৰ কাৰণেহে আক্ৰমণকাৰীৰ বিৰুদ্ধে যুঁজিবলৈ হাতত অস্ত্ৰ ল'ব লাগে,— ধৰ্ম্মৰ কাৰণে কোনোৱেই কাৰো ওচৰত লাঞ্ছিত বা উৎপীড়িত হ'ব নেলাগে। কাৰোবাৰ ধৰ্ম্ম-বিশ্বাস বা সেই সম্পৰ্কীয় কোনো অভিমতৰ কাৰণে অন্যৰ আক্ৰমণৰ লক্ষ্য হ'ব নেলাগে— এনে এটা প্ৰত্যয় আৰু আদৰ্শকে লৈ হজৰত মোহম্মদে মদিনাৰ সেই সময়ৰ সমাজখনক নতুনকৈ গঢ় দিবলৈ উপায় চিন্তা কৰিলে।

কিন্তু পৰিবেশ অনুকূল নাছিল। পৌত্তলিকবিলাক বিভিন্ন ফৈদত বিভক্ত আছিল, আৰু তেওঁলোকৰ মাজত সংঘৰ্ষ-সংঘাত চলি আছিল। ইহুদীবিলাকৰ অৱস্থাও প্ৰায় একেই আছিল। মুছলমানবিলাকো— আনছাৰ আৰু মুহাজিৰিণসকল একে ধৰ্ম্মৰ অনুগামী ন'হলেও, সকলো পুৰণি ঈৰ্ষা-বিদ্বেষৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা নাছিল।

এনে এটা পৰিস্থিতিত হজৰত মোহম্মদৰ সৰ্ব্বপ্ৰধান কাম বুলি বিবেচিত হৈছিল মুছলিমসকলৰ মাজত এক নিবিড় ঐক্য আৰু ভ্ৰাতৃত্বৰ সম্পৰ্ক গঢ়ি তোলা। হজৰত আবু বকৰ আৰু হজৰত ওমৰৰ লগত গভীৰভাৱে আলোচনা কৰি তেওঁ ৰাজনৈতিক আৰু সাংগঠনিক ভিত্তিত এটা ঐক্য-সূত্ৰ প্ৰয়োগ কৰিলে। বিদ্বেষ আৰু বৈৰীতাৰ অন্ত পেলাবৰ কাৰণে আনছাৰ আৰু মুহাজিৰৰ মাজত আৰু মুছলমান মুছলমানৰ মাজত— এটা ভাই ভাই সম্পৰ্ক বা জোৰাপতা সম্পৰ্কৰ ব্যৱস্থা কৰিলে। দুজন দুজন ৰক্ত-সম্পৰ্ক থকা বা নথকা মুছলমানক ভাই ভাই সম্পৰ্কেৰে লগ-লগোৱাৰ ব্যৱস্থা কৰা হ'ল। তাৰ কাৰণে তেওঁ নিজৰ আৰ্হিকে দাঙি ধৰিলে — মোহম্মদ আৰু আবু তালিবৰ পুত্ৰ হজৰত আলী ভাই ভাই, দদায়েক হামজা আৰু অনুচৰ জইছো ভাই ভাই, আবু বকৰ

আৰু খাৰিজা ইব্‌নে জইছো ভাই ভাই, ওমৰ ইব্‌নে খাত্তাব আৰু ইত্‌বান ইব্‌নে মালিকো ভাই ভাই। হিজৰত কৰি অহা মক্কাৰ মুহাজিৰসকলৰ সংখ্যা আন্‌ছাৰ মুছলমানসকলতকৈ বৃদ্ধি পাই গৈছিল যদিও, পাৰস্পৰিক সাহায্য আৰু সহযোগিতাৰ ভিত্তিত একোজন মুহাজিৰ আৰু একোজন আন্‌ছাৰক ভাই ভাই সম্পৰ্কেৰে গাঁথি দিয়া হ'ল। এই নতুন সম্পৰ্কক মোহম্মদে ৰক্তসম্পৰ্ক বা বংশগত সম্পৰ্কতকৈও বেছি ঘনিষ্ঠ বুলি ঘোষণা কৰিলে। এনে ব্যৱস্থাৰ ফলত মুছলমানৰ মাজৰ বিভিদ বিলুপ্ত হৈ গ'ল। আৰু এটা মুছলিম ভ্ৰাদাৰহ দল বা মুছলমান ভ্ৰাতৃত্ব-বন্ধন গঢ়ি উঠিল। ইছলাম ধৰ্ম্মাৱলম্বীৰ মাজৰ অনৈক্য আৰু ব্যৱধান নোহোৱা কৰি সাম্য-মৈত্ৰী আৰু ভ্ৰাতৃত্ব প্ৰতিষ্ঠা কৰাৰ এইটো আছিল হজৰত মোহম্মদৰ এক অভিনৱ প্ৰয়াস। সকলো মুমিন ভাই ভাই এইটো মুছলমানসকলৰ ঐক্য আৰু ভ্ৰাতৃত্বৰ এক অতুলনীয় আদৰ্শ হৈ উঠিল।

মক্কাৰ পৰা মদিনালৈ হিজৰত কৰি গুচি অহাৰ সময়ত মক্কাৰ মুহাজিৰিণসকলে ঘৰ-বাৰী, ধন-সম্পত্তি এৰি আহিবলগীয়া হৈছিল। নিঃসম্বল ভগনীয়া ৰূপে কেৱল নতুন ধৰ্ম্ম আৰু সত্যকে পৰম সম্পদ আৰু আল্লা হিচাপে লৈ তেওঁলোক মদিনালৈ আহিছিল। কেৱল এচ্‌মান বিন্ আফ্‌ফাছেহে নিজৰ কিছু সা-সম্পত্তি লগত লৈ আহিছিল। অন্যান্যসকলে মদিনাত ৰাখিব পৰাকৈ একোকে আনিব পৰা নাছিল। আনকি দদায়েক হজৰত হাম্‌কায়ো এদিন খাবলৈ একো নথকাত হজৰত মোহম্মদক কিবা খাবলৈ দিবলৈ অনুৰোধ কৰিবলগীযা হৈছিল। আব্দুৰ ৰহমান ইব্‌নে আউফ আৰু ছাদ বিন্ ৰবীক ভাই ভাই কৰি দিয়া হৈছিল। আব্দুৰ ৰহমান আছিল কপৰ্দ্দকশূণ্য। ছা'দে তেওঁৰ সম্পত্তি ভাগ কৰি দিব খুজিছিল। কিন্তু আব্দুৰ ৰহমানে এই প্ৰস্তাৱত মান্তি নহৈ তেওঁক বজাৰ ক'ত আছে দেখুৱাই দিবলৈ ক'লে। তাত তেওঁ গাখীৰ-মাখন বেচি অৱস্থা স্বচ্ছল কৰিলে আৰু তেওঁৰ মদিনাৰ এজনী ছোৱালীক বিয়া কৰাব পৰা অৱস্থাও হ'ল। আৰববিলাক ভাল ব্যৱসায়ী আছিল। অন্যান্য

মুহাজিৰিণসকলেও এনেকৈ বেপাৰ কৰি, আনছাৰসকলৰ সহায় সহযোগিতাত মদিনাও নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। নতুন ধৰ্ম্মৰ প্ৰেৰণা আৰু ব্যৱসায়-বুদ্ধিয়ে তেওঁলোকক সমৃদ্ধ কৰিলে।

হজৰত আবু বকৰ, আলী ওমৰ আদিৰ নিচিনা যিসকল লোকে ব্যৱসায় কৰিব নোৱাৰিলে, তেওঁলোকে উৎপাদিত শস্যৰ ভাগাভাগৰ চুক্তিত আনছাৰসকলৰ পৰা মাটি লৈ তাত খেতি কৰাত ধৰিলে। আন কিছুমান সম্পূৰ্ণ নিঃসম্বল মুহাজিৰে আনৰ ওপৰত নিৰ্ভৰ কৰি চলি থকাৰ পৰিবৰ্ত্তে বণুৱা হিচাপে শ্ৰম কৰি জীৱিকা আৰ্জ্জন কৰাত ধৰিলে। এনেদৰে কষ্টকৰ জীৱন-যাপন কৰিবলগীয়া হোৱাৰ কাৰণে তেওঁলোক দুঃখিত হোৱা নাছিল। ধৰ্ম্মক আশ্ৰয় কৰিয়ে তেওঁলোকে চলি যোৱাৰ সংকল্প গ্ৰহণ কৰিছিল।

আৰু কিছুমান মুহাজিৰ ইমান নিঃসম্বল আছিল যে তেওঁলোকৰ ৰাতি শুবলৈকো কোনো আশ্ৰয়স্থল নাছিল। এইসকল লোকক মোহম্মদে মছজিদৰ কাষত থকা চালিৰ তলত শুবলৈ দিহা কৰি দিছিল। এই কাৰণেই এইসকল লোকক আহ্লাছ চুফ্ফা বোলা হৈছিল। চুফ্ফা মানে ওপৰত চালি থকা মছজিদৰ ঢকা ঠাই। এইসকলৰ কাৰণে মোহম্মদে আনছাৰ আৰু মুহাজিৰ সকলোৰে পৰা কিছু খাদ্য-বস্তু দিওৱাৰ ব্যৱস্থা কৰি দিছিল। মদিনালৈ হিজৰত কৰি মুছলমানসকল প্ৰায় ৰক্ষা পৰিছিল যদিও, প্ৰায় সকলোৱেই ভালেমান দিনলৈ বহুত অভাৱ-অনাটন আৰু কষ্টৰ মাজেদি কালাতিপাত কৰিবলগীয়া হৈছিল। একমাত্ৰ ইছলামেই দিছিল তেওঁলোকৰ মনোবল।

ইছলামধৰ্ম্মী আনছাৰ আৰু মুহাজিৰিণসকলৰ মাজত এক অভিনৱ মৈত্ৰী আৰু ভ্ৰাতৃত্বৰ বন্ধন প্ৰতিষ্ঠা কৰাৰ পিছত হজৰত মোহম্মদৰ আন এটা জৰুৰী সমস্যা আছিল মদিনাবাসী ইহুদীবিলাকৰ লগত মুছলমানসকলৰ মৈত্ৰী ব্যৱস্থা কৰাটো। ইহুদীসকল এক আল্লাত বিশ্বাসী আছিল। ইহুদীবিলাকৰ লগত মৈত্ৰী সম্পৰ্ক আৰু আত্মীয়তা প্ৰতিষ্ঠাৰ কাৰণে ইহুদীসকলে ধৰ্মীয় উপবাস পালন

কৰিলে, হজৰত মোহম্মদেও তেওঁলোকৰ লগতে ৰোজা ৰাখিছিল। আৰু ইহুদীসকলৰ কিব্‌লা জেৰুজালেমৰ ফালে মুখ কৰি নামাজ পঢ়িছিল। মুছলমান নোহোৱাৰ কাৰণে তেওঁ ইহুদীবিলাকৰ বিৰুদ্ধে কোনো বিদ্বেষৰ ভাব পোষণ নকৰিছিল। কিন্তু কেৱল নিজস্ব আচৰণেৰে ইহুদীৰ লগত সম্প্ৰীতিৰ সম্পৰ্ক ৰক্ষা কৰি চলিয়ে ক্ষান্ত নেথাকি মোহম্মদে মদিনাত ইহুদীসকলৰ লগত এখন ঐতিহাসিক চুক্তি সম্পাদন কৰিছিল। এই চুক্তিখনৰ কিছু কথা আছিল এনে ধৰণৰঃ

"পৰম কৰুণাময় আৰু ক্ষমাবান আল্লাৰ নামত। ইছলামত বিশ্বাসীসকল আৰু কুৰেইছৰ মুছলমানসকল, আৰু য়াছৰিববাসীসকল যি মুছলমানসকলৰ লগত যোগদান কৰিছে, তেওঁলোকক অনুসৰণ কৰিছে, আৰু তেওঁলোকৰ হৈ তেওঁলোকৰ লগ লাগি যুদ্ধ কৰিছে। তেওঁলোকৰ লগত মোহম্মদে এই চুক্তি কৰিছো। অন্য মানুহক বাদ দি এইসকল মানুহক উম্মা (উজ্জত - অনুগামী) বুলি গণ্য কৰা হ'ব। কুৰেইছৰ মুহাজিৰিণসকল প্ৰচলিত প্ৰথা অনুসৰি একে গোটৰ লোক বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকে কাৰোবাক বন্দীদশাৰ পৰা মুক্ত কৰিব লাগিলে ন্যায় আৰু দয়াৰ ভিত্তিত সেই কাৰ্য্য সম্পাদন কৰিব। .... মুছলমানসকলে দৰিদ্ৰসকলক, দিবলগা ধন দি মুকলি কৰি দিব আৰু কাকো দৰিদ্ৰ আৰু নিঃসম্বল কৰি নেৰাখিব। কোনো মুছলমানেই কোনো দাসক ঋণমুক্ত কৰাৰ পিছত তাৰ পূৰ্ব্বৰ মালিকৰ বিনা-অনুমতিত নিজৰ গোলাম কৰি ল'ব নোৱাৰিব। যিয়ে বিদ্ৰোহ কৰে, অথবা অন্যায় কৰে, আক্ৰমণ কৰে, পাপ কৰে বা মুছলমানৰ মাজত শত্ৰুতাৰ সৃষ্টি কৰে, তেনেলোক তেওঁলোকৰ নিজ পুত্ৰ বা সন্তান হ'লেও, তাৰ বিৰুদ্ধে সকলো মুছলমান এক হৈ থিয় দিব। কোনো অমুছলমানক কোনো মুছলমানে হত্যা কৰিলে, সেই হত্যাকাৰীক প্ৰতিশোধ পূৰণৰ কাৰণে কোনোৱে হত্যা নকৰিব। কোনো ইছলামৰ অনুগামীক হত্যা কৰিবৰ কাৰেণে কোনো অমুছলমানক উচটাই নিদিব। আল্লাৰ নিৰ্দ্দেশ অখণ্ড আৰু একক। সকলো মুছলমানে তাৰ সামান্যতম্ অংশৰো ভঙ্গ নকৰিব। সকলো মুছলমান এখন অবিভাজ্য আৰু অখণ্ড সমাজৰ অংশীদাৰ। অন্যসকলক ইয়াৰ অন্তৰ্গত বুলি বিবেচনা কৰা নহ'ব। যিসকল ইহুদীয়ে আমাৰ অনুসৰণ কৰে, তেওঁলোকক সকলো অধিকাৰ লাভৰ যোগ্য বুলি বিবেচনা

কৰা হ'ব, আৰু কোনো অন্যায় আৰু তাৰতাম্য নকৰাকৈ তেওঁলোকক মুছলমানৰ সমানেই সকলো অধিকাৰ উপভোগ কৰিবলৈ দিয়া হ'ব। এই ইছলামী শান্তি চনদ (চুক্তি) একক আৰু অবিভাজ্য। যেতিয়াই আল্লাৰ কাৰণে ক'ৰবাত যুদ্ধ লাগে, সকলো মুছলমান একমুঠ নোহোৱাকৈ পৃথক কোনো শান্তি-চুক্তি একাংশ মুছলমানে নিজাকৈ কৰিব নোৱাৰিব। আৰু সমতা আৰু ন্যায়ৰ ভিত্তিতহে চুক্তি কৰিব লাগিব। প্ৰত্যেকটো সামৰিক অভিযানতে একে উদ্দেশ্যে আমাৰ অনুগামী হওতাসকলক আমাৰ লগত লোৱা হ'ব। আল্লাৰ নামত ধৰ্ম্ম-যুদ্ধ কৰি যাৰ পতন ঘটে, তাৰ কাৰণে সকলো মুছলমানে ঐক্যবদ্ধ হৈ প্ৰতিব্যৱস্থা ল'ব। ... যি আল্লাৰ ওচৰত ঈমান আনিছে আৰু পৰজন্ম আৰু হছৰক বিশ্বাস কৰিছে, আৰু এই চুক্তিত সম্মতি জনাইছে, তেওঁ কোনো দুষ্কৃতিকাৰীক আৰু দোষী লোকক আশ্ৰয় নিদিব। তেনে কৰোতাজন আল্লাৰ অভিশাপ ভুগিবলগীয়া হ'ব। .... ইহুদীসকলে যেতিয়া মুছলমানৰ ফলীয়া হৈ কোনো যুদ্ধ কৰে, তেওঁলোকে তেনে যুঁজত নিজৰ সম্পত্তি খৰছ কৰাত মুছলমানসকলেৰে সমভাগী হ'ব। বনু আউছ ফৈদৰ ইহুদীসকলক উম্মাসকলৰ অন্তৰ্গত বুলি গণ্য কৰা হ'ব। ইহুদীসকলৰ যেনেকৈ নিজৰ ধৰ্ম্ম আছে তেনেকৈ মুছলমানসকলৰো নিজৰ ধৰ্ম্ম আছে। এই দুই ধৰ্ম্মৰ অপৰাধীবিলাকৰ বাহিৰে থাকীসকলৰ সম্পূৰ্ণ নিৰাপত্তা থাকিব। বনু আউছ ফৈদৰ ইহুদীসকলৰ দৰেই নাজ্জাৰ, হাৰিছ, ছইদা, যুছম আউছ, ছলবা, জাফ্‌লা আৰু বনু চুতাইবা ফৈদৰ ইহুদীবোৰেও একেই ৰক্ষণাবেক্ষণ পাব। উক্ত ফৈদবোৰৰ কোনো ইহুদীয়েই মোহম্মদৰ অনুমতি অবিহণে কাৰো লগত যুদ্ধ কৰিবলৈ যাব নোৱাৰিব। কিন্তু কোনো লোকে তেওঁৰ ওপৰত হোৱা কোনো আঘাতৰ কাৰণে কাৰোবাৰ ওপৰত প্ৰতিশোধ ল'বলৈ বিচাৰিলে, তাত বাধা নিদিবও পাৰে। কোনোবাই কাৰোবাক হত্যা কৰা মানে তাৰ নিজকে আৰু তাৰ পৰিয়ালক হত্যা কৰা। অৱশ্যে কোনোৱাই তাৰ বিৰুদ্ধে কৰা কোনো অন্যায়ৰ বিৰুদ্ধে যদি কাৰোবাক আঘাত কৰে, তেন্তে তাৰ সুবিচাৰ আল্লাই কৰিব। এই চুক্তি ভঙ্গকাৰীৰ বিৰুদ্ধে উভয়ে পাৰস্পৰিক সহযোগিতাৰে আৱশ্যকীয় কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিব। কোনো পক্ষৰে ক্ষতি নকৰাকৈ ইহুদী আৰু মুছলমান উভয়েই পাৰস্পৰিক সহযোগিতা, দিহা-পৰামৰ্শ আৰু দান-অনুদানেৰে কাৰ্য্য সম্পাদন কৰিব। কিন্তু নিজৰ পক্ষৰ

কোনোবা এজনে কিবা অপৰাধ কৰিলে তাৰ কাৰণে আনক জগৰীয়া কৰিব নোৱাৰিব। যি অন্যায়ৰ বলি হৈছে, সিহে সাহায্য পাবৰ যোগ্য হয়। অন্যায়কাৰী সাহায্য পাবৰ যোগ্য নহয়। য়াছৰিব চহৰখন এই চুক্তিৰ সমৰ্থনকাৰী উভয় পক্ষৰ এক আশ্ৰয়স্থল হ'ব। যেতিয়ালৈকে তেওঁলোকৰ ওচৰ-চুবুৰীয়াসকলে কোনো ক্ষতি নকৰে আৰু কোনো অপকাৰ নকৰে; তেতিয়ালৈকে তেওঁলোকক সদস্যসকলৰ দৰেই ব্যৱহাৰ কৰা হ'ব। পৰিয়ালৰ অনুমতি নোহোৱাকৈ কোনো তিৰোতা মানুহকে আনে নিজৰ অধীন কৰিব নোৱাৰিব। এই চুক্তিৰ কোনো কথালৈ মতভেদ হ'লে তাৰ সমাধানৰ ভাৰ আল্লা আৰু তেওঁৰ ৰছুল মোহম্মদলৈ সুমীমাংসাৰ কাৰণে আগ বঢ়োৱা হ'ব। কোনোবাই য়াছৰিব আক্ৰমণ কৰিলে, এই চুক্তি মানি লওতা দুয়ো পক্ষৰ মানুহে একেলগ হৈ তাৰ বিৰুদ্ধে যুদ্ধ কৰিব। বিবাদৰ অৱসান ঘটাই শান্তি প্ৰতিষ্ঠাৰ কাৰণে সহযোগ কৰিব। মুছলমানসকলৰ ধৰ্ম্মৰ বিৰুদ্ধে নহৈ অন্য যিকোনো বিষয়ে শান্তি প্ৰতিষ্ঠাৰ আহ্বান আহিলে মুছলমানসকলে সেই আহ্বানৰ প্ৰতি সমৰ্থন জনাই শান্তি প্ৰতিষ্ঠা কৰিব। অপৰাধী আৰু অন্যায়কাৰীবিলাকক এই চুক্তিয়ে ৰক্ষণাবেক্ষণ নিদিয়ে। সৎ, দানী, আৰু চৰিত্ৰবানজনক, নিৰপৰাধী আৰু ন্যায়বানজনক আল্লাই সদায় কৰুণা কৰিব আৰু সদায় ৰক্ষণাবেক্ষণ দিব।”

ওপৰৰ চুক্তিখনত সন্নিবিষ্ট কথাখিনিয়ে নিজৰ মতে নিজ ধৰ্ম্ম পালন কৰাৰ, নিজৰ জ্ঞান বিশ্বাসমতে চলাৰ মৌলিক অধিকাৰ সকলোৰে কাৰণে স্বীকাৰ কৰিছে। সেই সময়ৰ মদিনা চহৰৰ নিবাসী ইহুদী আৰু মুছলমানসকলৰ মাজত শান্তি-সম্প্ৰীতি আৰু সদ্ভাৱ গঢ়ি তুলিবৰ কাৰণেই এই চুক্তিখন প্ৰস্তুত কৰা হৈছিল যদিও, ইয়াৰ বুকুতে মানৱৰ জীৱনৰ মূল্য প্ৰতিষ্ঠা, যুদ্ধ, হত্যা, সামাজিক অপৰাধ নিবাৰণৰ উপায়, অন্য ধৰ্ম্মৰ অনুগামীৰ প্ৰতি উদাৰতা আৰু শ্ৰদ্ধা, আৰু সকলো সমস্যাৰ শান্তিপূৰ্ণ সমাধান উদ্ভাৱন— এইবোৰৰ এটা সৰ্ব্বকালীন ব্যৱস্থা কৰা হৈছিল। চুক্তিখন মানৱতাৰ এখন স্থায়ী আৰু যুগমীয়া দলিল। প্ৰথমতে বনু কোৰেইজা, বনু আন্ নাদিৰ আৰু বনু কাইনুকা আদি ইহুদী ফৈদে এই প্ৰতিজ্ঞা-পত্ৰ বা চনদখনত সন্মতি জনাই চহী নকৰিছিল, কিন্তু পিছলৈ মোহম্মদৰ লগত এনেধৰণৰ চুক্তি কৰিছিল। এনেদৰে মদিনা চহৰখন তাৰ সকলো বাসিন্দাৰে উমৈহতীয়া ভূমি হৈ পৰিল, আৰু তাক ৰক্ষা কৰাৰ দায়িত্বও সকলোৰে গ্ৰহণ কৰিলে। এনেকৈ হজৰত মোহম্মদৰ নেতৃত্বত এখন সমন্বিত আৰু ঐক্যবদ্ধ সমাজ গঢ়ি তোলাৰ গণতান্ত্ৰিক ব্যৱস্থাৰ আৰম্ভণী কৰা হ'ল। নিজ নিজ মৰ্য্যাদা লৈ বিভিন্ন ধৰ্ম্মাৱলম্বী লোক একেলগে একে ঠাইতে থাকিবৰ ব্যৱস্থা কৰা হ'ল।

এইখিনি সময়তে মোহম্মদে হজৰত আবু বকৰৰ জীয়েক আয়েছাক বিয়া কৰায়। আয়েছাৰ বয়স তেতিয়া কম আছিল, সেই দেখি তেওঁ খেলি-মেলি, হাঁহি-ফূৰ্ত্তি কৰি থাকিবলৈ ভাল পাইছিল। এইবাবে মোহম্মদ তেওঁৰ ওপৰত বিৰক্ত বা অসন্তুষ্ট হোৱা নাছিল। পত্নী হিচাপে আয়েছা মোহম্মদৰ অন্তৰঙ্গ

লগৰী আছিল আৰু ধৰ্মীয়, ৰাজনৈতিক আৰু সামাজিক দায়িত্বই চাৰিওফালৰ পৰা হেচি ধৰা হজৰত মোহম্মদে খাদিজাৰ অবৰ্ত্তমানত আয়েছাৰ সান্নিধ্যত শান্তি আৰু নতুন কৰ্ম্মপ্ৰেৰণা লাভ কৰিছিল। যোগ্য জীৱন-লগৰী পাই আয়েছাও সুখী হৈছিল।

মদিনাত মছজিদ সজা হ'ল। মুছলমানসকল ইছলামী ৰীতি অনুসৰি নামাজ পঢ়িবৰ কাৰণে মছজিদলৈ অহা-যোৱা কৰা হ'ল। মোহম্মদ মদিনালৈ অহাৰ দিন ধৰি তাৰ মুছলমানসকল নামাজৰ সময় হ'লেই আহি মোহম্মদৰ কাষত জমা হয়হি। তেতিয়ালৈকে নামাজৰ কাৰণে মানুহক মতাৰ কোনো বিশেষ ব্যৱস্থা নাছিল। প্ৰথমতে মোহম্মদে ইহুদীবিলাকৰ নিচিনাকৈ শিঙা বজাই তেওঁৰ অনুগামীসকলক নামাজলৈ আহ্বান জনোৱাৰ কথা চিন্তা কৰিছিল। কিন্তু এনে ব্যৱস্থা যথাযোগ্য নহ'ব যেন ধাৰণা হ'ল তেওঁৰ। খৃষ্টানবিলাকৰ নিচিনাকৈ হাত চাপৰি বজাই নামাজৰ সময়ৰ জাননী দিওৱাৰ কথাও তেওঁ চিন্তা কৰিছিল। এই ব্যৱস্থাও মনঃপুত নহ'ল। তাৰ পিছত হজৰত ওমৰ আৰু অন্যান্যৰ লগত আলোচনা কৰি তেওঁ আজান দিওৱাৰ ব্যৱস্থা কৰিলে। তেওঁ আব্দুল্লাহ ইব্‌নে জইদ ইব্‌নে চালাবাক প্ৰথমে আজান দিবলৈ নিৰ্দ্দেশ দিলে। কিন্তু বিলালৰ মাতটো বেছি সুৰীয়া আৰু শক্তিশালী আছিল কাৰণে, তেওঁ আজানৰ কথাখিনি বিলালক শিকাই দিবৰ কাৰণে আব্দুল্লাক ক'লে।

মছজিদে নবৱীৰ কাষতে বনু নাজ্জাৰ বংশৰ এগৰাকী মহিলাৰ এটা ঘৰ আছিল। এই ঘৰটো মছজিদটোতকৈ কিছু ওখ আছিল। বিশাল এই ঘৰটোৰ ওপৰলৈ উঠে আৰু তাৰ ছালৰ ওপৰৰ পৰাই আজান দিয়ে। এনেদৰে নামাজলৈ আহিবৰ কাৰণে বিলালে দিয়া আজানৰ মাত ওচৰ-পাজৰৰ সকলোৰে কাণত নিতৌ পুঁৱতি-নিশাৰ পৰা ৰাতিলৈকে পৰে। এই আজান যেন কেৱল নামাজ পঢ়িবৰ কাৰণে মছজিদলৈ আহিবৰ কাৰণে জনোৱা আহ্বানেই নাছিল। এই আহ্বান যেন সত্য, শান্তি আৰু ইছলামলৈ আহিবৰ কাৰণেও এক সুমধুৰ

আহ্বান আছিল। এই আহ্বান আছিল এক নিশ্চিত ঘোষণা, এক প্ৰতিশ্ৰুতি, এক উদাৰ, উদাত্ত আহ্বানঃ

"আল্লাহ্ মহান, আল্লাহ্ মহান, মই সাক্ষী দিছো আল্লাৰ বাহিৰে আৰু অন্য কোনো পূজ্য নাই। মই সাক্ষী দিছো মোহম্মদ আল্লাৰ ৰছুল। ছালাতৰ কাৰণে, প্ৰাৰ্থনাৰ কাৰণে আহা। মুক্তিৰ কাৰণে আহা। আল্লাহ্ মহান। তেওঁৰ বাহিৰে অন্য কোনো পূজ্য নাই।"

নিতৌ পুৱাৰ পৰা ৰাতিলৈকে এই আজানৰ সুৰ বিলালৰ কণ্ঠৰ পৰা বতাহত বিয়পি যাব ধৰিলে। মুছলমানসকলৰ ভয়-ভীত নোহোৱা হ'ল। নিৰ্ভয়ে সকলো মুছলমানে নামাজ পঢ়িব পৰা হ'ল। মদিনাৰ নাম দিয়া হ'ল 'মদিনা আন্ নবী'— নবীৰ মদিনা, মুক্তি আৰু শান্তিৰ এক নতুন পৰিবেশত জীৱনে নতুন আদৰ্শেৰে আগবঢ়াৰ প্ৰেৰণা পালে।

সকলো মানুহৰ মাজত ভ্ৰাতৃত্ব বা নিঃস্বাৰ্থ ভাই-ভাই ভাব আৰু সম্পৰ্ক গঢ়ি তোলাটো আছিল ইছলামী জীৱনাদৰ্শৰ ভিত্তি। তোমাৰ কাৰণে যিটো ভাল বা গ্ৰহণীয় আমাৰ কাৰণেও সেইটো ভাল আৰু গ্ৰহণীয় বুলি ধৰা। তুমি নিজক যিদৰে ভাল পোৱা, তোমাৰ ভাইজনকো সেইদৰেই ভাল পোৱা। স্বাৰ্থ বা দুৰ্ব্বলতাৰ বশৱৰ্ত্তী নহৈ আনৰ ভাল কৰি যোৱা। আনৰ অনুভূতিক শ্ৰদ্ধা কৰা। সকলোকে একেখন মানৱ-সমাজৰ ভাই ভাই বুলি ইজনে সিজনৰ কাৰণে সজচিন্তা আৰু সদকৰ্ম্ম কৰি যোৱা। ত্যাগ, উদাৰতা, সহিষ্ণুতা আৰু পাৰস্পৰিক সহযোগিতাৰ মাজেৰে এক মানৱীয় ভ্ৰাতৃত্বৰ সম্পৰ্ক গঢ়ি তোলা। এয়ে আছিল হজৰত মোহম্মদৰ সকলোৰে প্ৰতি সহজ আহ্বান।

এদিন এজন মানুহে হজৰতক সুধিছিল, "কোনটো ইছলাম শ্ৰেয় ?"

হজৰতে কৈছিল, "অভাৱগ্ৰস্তজনক, ভুকীয়াজনক খাবলৈ আহাৰ দিয়া। তুমি যাক চিনি পোৱা আৰু তুমি যাক চিনি নোপোৱা উভয়কে স্বাগত সম্ভাষণ জনোৱা, সম্বৰ্দ্ধনা জনোৱা— সেয়াই শ্ৰেষ্ঠ ইছলাম।"

মদিনাত হজৰত মোহম্মদে তেওঁৰ অনুগামীসকলক সম্বোধন কৰি যি প্ৰথম ভাষণ দিছিল, তাৰ কিছু কথা আছিল এনেকুৱা—

"হে লোকসকল, তোমালোকৰ আত্মাৰ কাৰণে কিবা আৰ্জ্জন কৰা। সকলোৱেই এদিন মৃত্যুৰ সন্মুখীন হ'ব লাগিব। নৰকৰ জ্বালা-যন্ত্ৰণাৰ পৰা নিজক

ৰক্ষা কৰিবৰ কাৰণে, যিয়ে পাৰা, অইন নহ'লেও ভুকীয়াজনক দুটামান খেজুৰকে দিয়া। এষাৰ ভাল কথাই তাৰ দহগুণ ভাল ফল আনে।"

দ্বিতীয়টো ৰাজহুৱা ভাষণত তেওঁ অনুগামীসকলক সম্বোধন কৰি কৈছিল, "আল্লাৰ পূজা কৰা, অন্য কোনো প্ৰাণীকে আল্লাৰ অংশীদাৰ নকৰিবা। যেনেদৰে আল্লালৈ শ্ৰদ্ধা আৰু ভয় কৰিব লাগে, সেইদৰেই আল্লালৈ শ্ৰদ্ধা আৰু ভয় কৰিবা। আল্লাৰ ওচৰত সৰ্ব্বোত্তম সত্যকহে ব্যক্ত কৰিবা, তেওঁৰ ওচৰত সত্য-অসত্যৰ স্বৰূপ গোপনীয় কৰি ৰাখিব নোৱাৰা। আল্লাৰ কথা মনত ৰাখি ইজনে-সিজনক ভাল পাবা, আল্লাৰ নিৰ্দ্দেশ যি অমান্য কৰে, আল্লাহ তাৰ প্ৰতি অসন্তুষ্ট হয়।"

মছজিদৰ খুটা কৰা খেজুৰ গছৰ গুৰি এডালত আউজি হজৰত মোহম্মদে এনেদৰে তেওঁৰ অনুগামীসকলক আৰু উপস্থিত অন্যান্য লোকক এনেধৰণৰ সহজ উপদেশ দিয়ে, পিছলৈ তেওঁ মছজিদৰ ভিতৰত তিনি-খলপীয়া এটা মিম্বৰ বা ওখ-আসন সাজিবলৈ নিৰ্দ্দেশ দিয়ে। তাৰ তলৰ খাপত তেওঁ ভাষণ দিবৰ কাৰণে থিয় হ'ব, তাৰ ওপৰৰ খাপত বহিব।

ভ্ৰাতৃত্ববোধ আৰু মানুহৰ প্ৰতি মানুহৰ পাৰস্পৰিক শ্ৰদ্ধা আৰু সহানুভূতিশীলতাক হজৰত মোহম্মদে ইছলামী সভ্যতাৰ আধাৰশিলা বুলি ঘোষণা কৰিছিল। মুখেৰে কোৱাৰ লগে লগে তেওঁ নিজৰ কাৰ্য্যেৰে ইয়াৰ আৰ্হি উদাহৰণ দাঙি ধৰিছিল। এজন পয়গম্বৰ হিচাপে এনে ধৰণৰ উপদেশ-বাণী প্ৰচাৰ কৰিছিল যদিও তেওঁ কেতিয়াও ৰাজকীয় মনোভাৱ, শক্তিমত্তা, কৰ্ত্তৃত্ব নাইবা প্ৰভুত্ব বা আধিপত্যৰ সামান্যতম্ মনোভাৱো প্ৰকাশ নকৰিছিল। তেওঁ সদায় তেওঁৰ অনুচৰসকলক সম্বোধন কৰি কৈছিল, "মই আল্লাৰ এজন আজ্ঞাবহ, নিঃকীন দাস মাথোন, খৃষ্টানসকলে মৰিয়মৰ পুত্ৰ ঈছাৰ প্ৰশংসা কৰাৰ দৰে তোমালোকে মোৰ প্ৰশংসা নকৰিবাহক। তোমালোকে মোক আল্লাৰ দাস আৰু ৰছুল বুলিহে ক'বা (আব্দুহু ৱ ৰছুলুহু)"।

এদিন তেওঁ হাতত লাঠি এডাল লৈ তেওঁৰ ভক্তসকলৰ এটা সমাৱেশত উপস্থিত হৈছিলহি। তেওঁক দেখি উপস্থিত সকলো মানুহ থিয় হৈ দিলে— তেওঁক সম্মান জনাবৰ কাৰণে তেতিয়া তেওঁ ক'লে, "তোমালোকে পাচীসকলে ইজনে-সিজনক সম্মান যাচিবৰ কাৰণে। দেখা পালেই থিয় হোৱাদি, মোক দেখি থিয় হৈ নিদিবা।"

যেতিয়াই তেওঁ আহি তেওঁৰ লগৰীয়াসকলৰ ওচৰত ওলায়হি, তেতিয়াই তেওঁ অন্যসকল বহি থকা ঠাইৰ এমূৰে বহে। বন্ধু, অনুচৰসকলৰ লগত হজৰত মোহম্মদে সময় বুজি মুকলিভাৱে ঠাট্টা-মস্কৰা কৰে, তেওঁলোকৰ নিজৰ সমস্যাৰ বুজ লয় আৰু ল'ৰা-ছোৱালীক কুলকুলাই কোলাত লৈ ৰং-ধেমালি কৰে আৰু চাকৰ-চাকৰণী, অন্য মানুহ আৰু দুখীয়া-দৰিদ্ৰৰ অৱস্থাৰ বুজ লৈ যাক যেনেকৈ লাগে সহায় কৰি দিয়ে। তেওঁ মদিনা চহৰৰ দূৰণীয়া ঠাইলৈকো গৈ ৰোগীৰ খবৰ কৰে, যাকে বাটে-পথে লগ পায় তাকে চালাম সম্ভাষণ জনায় আৰু যিয়ে তেওঁক লগ পাবলৈ বা দেখা কৰিবলৈ আহে, তাকে হাত আগবঢ়াই দি স্বাগত জনায়। কেতিয়াবা তেওঁ নামাজ পঢ়ি থাকোতে কোনোবা মানুহ তেওঁক দেখা কৰিবলৈ আহিলে, তেওঁ নামাজ সিমানতে স্থগিত ৰাখি আলহীক লগ ধৰে, আৰু শোধ-পোছ কৰি বিদায় দিয়াৰ পিছত পুনৰ আহি নামাজ সম্পূৰ্ণ কৰেহি। ক'ৰবাত ভাষণ দি থকা সময়ত বা তেওঁলৈ ৱহী নাজিল হোৱাৰ সময়ৰ বাহিৰে অন্য সময়ত তেওঁ সদায় সকলোৰে লগত হাঁহি-মাতি মিলা-মিচা কৰে, সকলোকে হাঁহিমুখে অভ্যাৰ্থনা জনায়। ঘৰত থাকোতে তেওঁ পৰিয়ালৰ অন্যান্যসকলতকৈ নিজক কাহানিও ডাঙৰ বুলি নেভাবে। নিজৰ কাপোৰ-কানি তেওঁ নিজেই ধুই লয়, আৰু নিজৰ ফটা কাপোৰ নিজেই সী লয়। ছাগলী তেওঁ নিজেই খীৰায়, ছিগা চেণ্ডেল, চটি-জোটা নিজেই বাটি-বুটি লয়, নিজৰ উট চোৱা-চিতা কৰে, ঘৰৰ দাস-দাসীৰ লগত বহি একেলগে আহাৰ খায়, আৰু অসহায় গৰীব আৰু নিঃসম্বল লোকবিলাকৰ অভাৱ পূৰণৰ কাৰণে চেষ্টা কৰে। কোনোবা অসহায় নিঃসম্বল মানুহে তেওঁৰ সাহায্য বিচাৰি আহিলে, তেওঁ নিজৰ আৰু নিজ পৰিয়ালৰ লোকৰ কথা পিছলৈ থৈ প্ৰথমে সেই দৰিদ্ৰজনৰ সমস্যা সমাধানৰ যত্ন কৰে। ভৱিষ্যতৰ কাৰণে তেওঁ একোকে নেসাঁচিছিল। এবাৰ তেওঁৰ টকাৰ নাটনি হোৱাত, তেওঁৰ

ঢালখন এজন ইহুদীৰ ওচৰত বন্ধকত থৈ অলপ টকা ধাৰে আনিছিল। তেওঁ এই ধাৰ সুঁজিব নোৱৰাৰ কাৰণে তেওঁ ঢুকোৱাৰ পিছতো এই ঢালখন সেই ইহুদীজনৰ ওচৰতে ৰৈ গৈছিল। তেওঁ অত্যন্ত নম্ৰ, ভদ্ৰ আৰু বিনয়ী আছিল। এবাৰ আবিচিনীয়াৰ ৰজাৰ এটা প্ৰতিনিধিদল তেওঁক দেখা কৰিবলৈ আহিছিল। তেতিয়া তেওঁ নিজে উঠি গৈ তেওঁলোকক অভ্যৰ্থনা কৰিবলৈ সাজু হোৱা দেখি তেওঁৰ অনুচৰসকলে তেওঁক বাধা দিবলৈ চেষ্টা কৰাত তেওঁ বাধা নেমানি কৈছিল, "আবিচিনীয়ানসকলে আমাৰ মুছলমানসকল সেই দেশলৈ যাওতে আদৰ-অভ্যৰ্থনা জনাইছিল। ময়ো এওঁলোকক তেনেকৈয়ে চেনেহ-শ্ৰদ্ধাৰে অভ্যৰ্থনা জনাম আৰু তেওঁলোকক উপহাৰো দিম।" তেওঁৰ পত্নী খাদিজাকো তেওঁ অতিশয় চেনেহ-শ্ৰদ্ধা কৰিছিল আৰু তেওঁৰ বিষয়ে কোনোৱে কিবা কথাৰ উল্লেখ কৰিলে, তেওঁ খাদিজাৰ সদায় গুণগান গাইছিল। আনকি কোনোবা কাহানি যদি কোনোবাই খাদিজাৰ কিবা সহায় বা উপকাৰ কৰিছিল, তাৰ বাবেও হজৰতে তেনে মহিলাক আদৰ সম্মান জনাইছিল।

তেওঁ বৰ মৰমিয়াল আৰু কোমল হৃদয়ৰ মানুহ আছিল। তেওঁ নামাজ পঢ়ি থাকোতে নাতিনীয়েকে আহি তেওঁৰ লগত খেলিবলৈ বা উমলিবলৈ বিচাৰিলে তেওঁ নাতিনীয়েকক আঁতৰাই নপঠিয়াইছিল। নামাজ পঢ়ি থাকোতে তেওঁৰ নাতি-ছোৱালী এজনী আহি তেওঁৰ কান্ধত উঠিলেও তেওঁ খং কৰা নাছিল, মাত্ৰ চিজ্‌দালৈ যাবৰ সময়ত কান্ধৰ পৰাই নমাই থৈছিল। শিশুৰ পৰা বয়সস্থলৈকে, সম্ভ্ৰান্ত-অভিজাতৰ পৰা দাস-চাকৰ-চাকৰণীলৈকে সমানে মৰম-চেনেহ আৰু শ্ৰদ্ধা-সম্মান অকপটে জনোৱাটো আছিল তেওঁৰ মানৱীয় সম্পৰ্ক ৰচনাৰ ভিত্তি।

তেওঁ কেৱল মানুহকে ভাল পোৱা নাছিল, পশুলৈকো তেওঁৰ গভীৰ মৰম আছিল। দোকমোকালিতে ভিতৰ সোমাবলৈ বিচৰা মেকুৰী এটাৰ কাৰণে তেওঁ শোৱাৰ পৰা উঠি গৈ দুৱাৰ মেলি দিছিল। তেওঁ নিজ হাতে ঘোঁৰাৰ গা মোহাৰি দিছিল। এবাৰ আয়েছা এটা উটত উঠি গৈছিল। উটটোৱে আমনি কৰাৰ কাৰণে আয়েছাই তাৰ লেকাম টানি ধৰিছিল। তেতিয়া হজৰত মোহম্মদে কৈছিল, "ইমানকৈ নেটানিবা, উটটোৱে মুখত দুখ পাব আয়েছা।" সকলো জীৱ-জন্তু তেওঁৰ বৰ মৰমৰ আছিল।

সকলো অৱস্থাতে হজৰত মোহম্মদে এটা নিড়াৰম্বৰ, সহজ আৰু সফল জীৱন যাপন কৰিছিল। ভোগ-বিলাসৰ আকাঙ্ক্ষাই যেনেকৈ তেওঁক বিব্ৰত বা উত্তেজিত কৰিব নোৱাৰিছিল, তেনেকৈ দাৰিদ্ৰ্য, অভাৱ-অনাটন, আৰু বিপদ-বিপৰ্য্যয়েও তেওঁক হতাশ বা বিচলিত কৰিব নোৱাৰিছিল। ধৈৰ্য্য, সংযম আৰু আল্লাৰ ইচ্ছাৰ ওপৰত একান্ত নিৰ্ভৰশীল হৈ তেওঁ সদায় প্ৰসন্ন মনেৰে জীৱন-যাপন কৰিছিল। নিজৰ সুখ-সম্ভোগৰ চিন্তাতকৈ অন্যায়, অসহায়, দৰিদ্ৰ আৰু নিৰাশ্ৰয়ৰ দুখ মোচনৰ চিন্তা আৰু চেষ্টাই আছিল তেওঁৰ কৰ্ম্মৰ মূল প্ৰেৰণা। শত্ৰুক বা দুৰ্ব্বলক তেওঁ ক্ষমা কৰিছিল, কাৰোবাৰ ভয়ত বা কিবা লাভৰ প্ৰত্যাশাত নহয়, নিজক আনতকৈ অধিক শক্তিশালী বা অধিক ক্ষমতাসম্পন্ন বুলিও নহয়, আল্লাৰ ইচ্ছা পূৰণ কৰি, ন্যায়ৰ সপক্ষে থিয় দিয়াৰ এক বিনম্ৰ চেতনাৰে তেওঁ হিংসা, দ্বেষ, ঈৰ্ষা, শত্ৰুতাৰ ভাব মনলৈ নানি উদাৰ মানৱীয়তাৰ মনোভাৱেৰে আনৰ প্ৰতি সদয় ব্যৱহাৰ কৰি গৈছিল। প্ৰেমৰ দ্বাৰা অনুপ্ৰাণিত নহ'লে ন্যায় এক যান্ত্ৰিকতাত পৰিণত হয়। এই কথা তেওঁ বিভিন্ন কাৰ্য্যেৰে প্ৰতিপন্ন কৰি গৈছিল। দেহাৰ শক্তিয়ে আত্মাৰ শক্তিতকৈ অধিক প্ৰভাৱশালী আৰু স্থায়ী নহয়, বিভিন্ন কাৰ্য্যেৰে ইয়াৰ আৰ্হি দাঙি ধৰিছিল তেওঁ। যুক্তি বিবেক, সামাজিক ন্যায়বোধ আৰু প্ৰেম আৰু মানৱীয়তাক একে ঠাই কৰি, আল্লাৰ দয়া-কৰুণা আৰু ইচ্ছাৰ ওপৰত আস্থা ৰাখি, মানুহ হিচাপে পালনীয় কামবোৰ নিঃস্বাৰ্থভাৱে কৰি যোৱাৰ নামেই আছিল পৃথিৱীত ধৰ্ম্মজীৱন যাপন কৰা। ভোগত নহয়, ত্যাগতেই জীৱনৰ মহত্ব উপলব্ধি কৰাৰ পথ নিদৰ্শন কৰিছিল তেওঁ। নিজৰ লোভ, মোহ, স্বাৰ্থ, কামনা-বাসনাক তেওঁ এনেদৰে আয়ত্ব কৰি লৈছিল যে কেতিয়াবা তেওঁ কাৰোবাক এনেদৰে দান কৰিছিল যে নিজলৈ বুলি তেওঁ একোকে নেৰাখিছিল। নিজৰ অভাৱ-অনাটনৰ কথা পাহৰি গৈ উদাৰভাৱে সৰ্ব্বস্ব উজাৰ কৰি দিব পৰাই আছিল তেওঁৰ মহানুভৱতাৰ জীয়া সাক্ষী। মানুহৰ স্বাভাৱিক কামনা-বাসনাৰ তাৎপৰ্য্য উদ্ঘাটন কৰিবৰ চেষ্টা তেওঁ কৰিছিল, কিন্তু তেওঁ যাপন কৰিছিল এক ত্যাগীৰ সৰল জীৱন।

তেওঁ শোৱে খেজুৰ-তাল গছৰ আঁহেৰে তৈয়াৰ কৰা এখন বিচনাৰ ওপৰত। তেওঁ কোনো দিন পেটভৰাই নেখাইছিল, একেলগে দুদিন কেতিয়াও বাৰ্লিৰ বা ময়দাৰ ৰুটি নেখাইছিল, দুটামান খেজুৰ আৰু কিছু সিজোৱা আহাৰীয়ই আছিল তেওঁৰ প্ৰতিদিনৰ খাদ্য। তেওঁ বা তেওঁৰ পৰিয়ালে 'ছাৰিদ' বা ৰুটি-মাংস আদি একেলগে খাবলৈ কোনো দিন নেপাইছিল। ভোকৰ লগত তেওঁৰ চিনাকি আছিল। কেতিয়াবা ভোকৰ জ্বালা সহ্য কৰিব নোৱাৰি তেওঁ শুদা পেটৰ ওপৰত এচটা শিল বান্ধি লৈ ফুৰাইছিল। ভোকত চিয়ঁৰ-বাখৰ নকৰি এনেকৈ পেটত শিল বান্ধি ভোকৰ জ্বালা উপশম কৰাৰ চেষ্টা কৰিছিল। কিন্তু ভাল খাদ্য-বস্তু পালে তেওঁ আনন্দেৰে উপভোগ কৰিছিল। মৌ, ছাগলীৰ ঠেঙৰ মাংস, মিঠা চৰ্বত আদি খাবলৈ তেওঁ বৰ আনন্দ পাইছিল। এনে উপভোগ্য আহাৰীয়ৰ বাবে তেওঁ খাই উঠি সদায় অন্নদাতা ৰাজ্জাক বা আল্লাৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছিল।

সাজ-পোছাক, বেশ-ভূষাতো তেওঁ সম্পূৰ্ণ নিড়াৰম্বৰ আছিল। এবাৰ তেওঁৰ পত্নীয়ে তেওঁক এসাজ নতুন কাপোৰ দিছিল। তেওঁৰ ভাল কাপোৰ নোহোৱা হৈছিল। এনেতে তেওঁৰ এজন অনুচৰৰ মৃত্যু হ'ল। মানুহজন বৰ দুখীয়া আছিল। মৃতকৰ গা ঢাকিবলৈ কফনৰ কাপোৰ যোগাৰ কৰিব পৰা নাছিল। তেওঁ আহি হজৰতৰ পৰা কিবা এটা বিচাৰিলে। তেওঁ নতুন চোলা-কাপোৰ সাজকে মৰাক কফন কৰিবৰ কাৰণে দি দিলে। নতুন চোলা-কাপোৰ সাজ তেওঁ এবাৰো পিন্ধি চাবলৈকে নহ'ল। তেওঁ সাধাৰণতে কপাহী, উলৰ আৰু সাধাৰণ সূতাৰে বোৱা কাপোৰকে পিন্ধিছিল, কিন্তু উপলক্ষ বুজি তেওঁ য়সনত তৈয়াৰী দামী সাজো নিপিন্ধাকৈ থকা নাছিল। তেওঁ এযোৰ সাধাৰণ চেণ্ডেল পিন্ধিছিল। আবিচিনীয়াৰ ৰজাই অন্য বস্তুৰ লগতে তেওঁলৈ পঠিয়াই দিয়া শ্লিপাৰ এযোৰ মাজে মাজে পিন্ধিছিল। তেওঁ এই জীৱনৰ প্ৰয়োজনীয় বস্তুবোৰৰ মূল্য অস্বীকাৰ কৰা নাছিল, কিন্তু তেওঁ সেইবোৰৰ প্ৰতি কোনো আসক্তি অথবা প্ৰলোভনক ঠাই নিদিছিল। পাৰ্থিব সুখ-সমৃদ্ধিৰ কাৰণে তেওঁৰ আছিল এক নিৰ্মোহ মনোভাব, কিন্তু সভ্য মানুহ হিচাপে জীৱন-যাপন কৰিবৰ কাৰণে, ঘৰ-দুৱাৰ, কাপোৰ-কানি, আহাৰ-পানীৰ প্ৰয়োজনীয়তা তেওঁ অস্বীকাৰ নকৰিছিল। "এই পৃথিৱীৰ কাৰণে এনেদৰে

কাম কৰিবা যেন ইয়াত তোমাৰ জীৱন চিৰন্তনীয়া। পৰকালৰ কাৰণে এনেকুৱা কাম কৰা যেন কালিলৈকে তোমাৰ মৃত্যু হ'ব। মানৱ জীৱনৰ মূল্য অস্বীকাৰ নকৰিবা, কিন্তু মনত ৰাখিবা যে পৰকাল যুগমীয়া আৰু অন্তহীন। এই মানৱ জীৱন আল্লাৰ এক নিয়মসত— মৰমৰ দান, ইয়াৰ অপব্যৱহাৰ নকৰিবা, মনত ৰাখিবা যে এই দানৰ মৰ্য্যাদা তুমি ৰক্ষা কৰিব লাগিব।"

হজৰত মোহম্মদৰ চুন্নাহৰ বিষয়ে হজৰত আলী ইব্‌নে আবু তালিবে তেওঁক সুধিছিল। হজৰতে উত্তৰত কৈছিল, "জ্ঞানেই মোৰ মূলধন, যুক্তি মোৰ ধৰ্ম্মৰ শক্তি, প্ৰেম মোৰ ধৰ্ম্মৰ ভেটি, আকাঙ্ক্ষা মোৰ যাত্ৰাৰ বাহন, সদায় আল্লাক মনত ৰখাটো মোৰ আনন্দৰ উৎস, বিশ্বাস মোৰ সম্পত্তি, শোক-বেদনা মোৰ লগৰীয়া; সঙ্গী, জ্ঞান আৰু অভিজ্ঞতা মোৰ বাহু, ধৈৰ্য্য মোৰ বেশ-ভূষা, সন্তুষ্টি মোৰ ৰণজয় কৰি পোৱা সম্পত্তি, দাৰিদ্ৰ্য মোৰ গৰ্ব্ব, নিৰাসক্তি মোৰ বৃত্তি, প্ৰত্যয় মোৰ শক্তি, সত্যবাদিতা মোৰ মধ্যস্থতাকাৰী উকিল, আনুগত্য মোৰ যুক্তি, আৰু ন্যায় ৰক্ষাৰ কাৰণে কৰা ধৰ্ম্মযুদ্ধ মোৰ নৈতিকতা, আৰু প্ৰাৰ্থনা বা ইবাদত মোৰ আটাইতকৈ আনন্দৰ বিষয়।"

হজৰতৰ সকলো কাৰ্য্যকলাপ আৰু কৰ্ম্মপ্ৰেৰণাৰ মূলত কেনেধৰণৰ জীৱনাদৰ্শই অনুপ্ৰেৰণা যোগাইছিল, চুন্নাহ সম্পৰ্কে চমুৱাই কোৱা এই কথাখিনিতে তাৰ সাৰমৰ্ম্ম নিহিত আছে। ত্যাগ, সংযম, উদাৰতা, অমায়িকতা, সৰলতা, চৰিত্ৰবল, সত্যনিষ্ঠা আৰু একান্তভাৱে ইহকাল পৰকালৰ অধিকাৰী, অনাদি অনন্ত, সৰ্ব্বজ্ঞ আৰু সৰ্ব্বনিয়ন্তা আল্লাৰ ইচ্ছাৰ ওপৰত একান্ত আত্মসমৰ্পণেই তেওঁৰ আছিল আদৰ্শ-জীৱনৰ কষটি শিল।

হজৰত মোহম্মদৰ জীৱনৰ আদর্শ, আৰ্হি, শিক্ষা আৰু ব্যক্তিত্বৰ প্ৰভাৱ সকলো মানুহৰ ওপৰতে পৰিছিল। বহুত মানুহেই ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে যাৰ ফলত মদিনাত মুছলমানৰ সংখ্যা আৰু শক্তি বহু পৰিমাণে বৃদ্ধি পালে।

এনে পৰিস্থিতিত স্থানীয় ইহুদীবিলাকে নিজৰ স্থিতিৰ সম্পৰ্কে চিন্তা কৰিবলগীয়াত পৰিল। ইতিমধ্যে ইহুদীবিলাকে হজৰত মোহম্মদ, তথা মুছলমানসকলৰ লগত এখন চুক্তি স্বাক্ষৰ কৰিছিল আৰু তাৰ যোগে খ্ৰীষ্টিয়ানবিলাকৰ বিৰুদ্ধে নিজৰ শক্তি বৃদ্ধি কৰিবৰ কাৰণে ইহুদীবিলাকে মোহম্মদক নিজৰ ফলীয়া কৰিবৰ চেষ্টা কৰিছিল। কিন্তু ইতিমধ্যে মোহম্মদৰ প্ৰভাৱ-প্ৰতিপত্তি খ্ৰীষ্টান আৰু ইহুদী উভয় দলতকৈ বহুত বৃদ্ধি পাইছিল। আৰু তেওঁৰ আদেশ-নিৰ্দ্দেশ দিনে দিনে অধিকতৰ শক্তিশালী হৈ উঠিছিল। এই সময়ত মোহম্মদে কুৰেইছসকলৰ কথাও গভীৰভাৱে চিন্তা কৰিছিল, আৰু দুই-চাৰিজন কুৰেইছ আকৌ মূৰ্ত্তিপূজালৈ ঘূৰি যোৱাৰ বাতৰি পাই তেওঁ চিন্তিত হৈ পৰিছিল।

মোহম্মদৰ লগত শান্তি চুক্তি কৰাৰ ফলত ইহুদীবিলাকে নিৰাপত্তা অনুভৱ কৰিছিল, আৰু ব্যৱসায়-বাণিজ্যতো তেওঁলোকৰ বহু উন্নতি হৈছিল। তথাপি ইহুদীবিলাকে দিনে দিনে মোহম্মদৰ প্ৰভাৱ বাঢ়ি যোৱা দেখি, কি কৰিব বা নকৰিব তাৰ চিন্তা কৰিছিল। ভালেমান ইহুদী ইতিমধ্যে ইছলামত দীক্ষিত হৈছিল। ইহুদীৰ এজন নেতা, পুৰোহিত আৰু ধৰ্ম্ম-যাজক আছিল আব্দুল্লাহ ইব্‌নে চালাম। তেওঁও ইছলাম গ্ৰহণ কৰি অন্য ইহুদীবিলাককো ইছলাম গ্ৰহণ কৰিবলৈ আহ্বান জনালে। এই কথাৰ গম পাই ইহুদীবিলাকে আব্দুল্লাক মাৰ্-ধৰ কৰিলে আৰু তেওঁৰ আৰু মোহম্মদৰ কুৎসা ৰটনা কৰিবলৈ ধৰিলে। ইহুদীবিলাকে মোহম্মদক ৰছুল বুলি স্বীকাৰ কৰাৰ সিদ্ধান্ত কৰিলে। আউছ আৰু খাজ্‌ৰাজবিলাক মুছলমান হোৱা নাছিল। সিহঁতো এতিয়া ইহুদীবিলাকৰ লগ লাগি মোহম্মদৰ বিৰোধিতা কৰাত লাগিল।

মোহাজিৰ আৰু আন্‌ছাৰসকলৰ ঐক্য, ভ্ৰাতৃত্ব আৰু মিলাপ্ৰীতি মদিনা-চুক্তিৰ যোগে মুছলমান, খ্ৰীষ্টান আৰু ইহুদীৰ মাজত বুজাবুজি আৰু শান্তি-সম্প্ৰীতি প্ৰতিষ্ঠা, আৰু প্ৰত্যেকৰে নিজ নিজ মতে অবাধে ধৰ্ম্মকাৰ্য্য পালনৰ অধিকাৰ সাব্যস্ত কৰি মোহম্মদে মদিনাত এটা নতুন যুগৰ সূচনা কৰিলে, আৰু এনেদৰেই ছমাহমান শান্তিৰেই অতিবাহিত হ'ল। মদিনাক এখন মোহম্মদৰ কৰ্ত্তৃত্বাধীন নতুন ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ আয়োজন চলিল। ৰছুল হিচাপে এক নতুন ধৰ্ম্মৰ নেতা হিচাপে, আৰু এখন তিনি ধৰ্ম্মাৱলম্বী লোকৰ সম্মিলিত ৰাষ্ট্ৰ হিচাপে গঢ় লৈ উঠিব ধৰা জনসমষ্টিৰ নেতা আৰু অধিনায়ক হিচাপে হজৰত মোহম্মদৰ ব্যক্তিত্ব আৰু ভাবমূৰ্ত্তি উজ্জ্বল হৈ উঠিল। সংঘাত আৰু বিৰোধৰ ঠাইত শান্তি প্ৰতিষ্ঠা হ'ল, মুছলমানসকলে এক নতুন যুগৰ পাতনি মেলিলে।

কিন্তু ইছলামৰ এই নতুন অভ্যুত্থান আৰু মোহম্মদৰ ক্ষমতা আৰু প্ৰভাৱ-প্ৰতিপত্তি কুৰেইছবিলাকৰ ঈৰ্ষাৰ কাৰণ হৈ উঠিল। আৰু মোহম্মদৰ তথা মুছলমানসকলৰ দিনে দিনে বাঢ়ি অহা এই শক্তিক বাধা দিবৰ কাৰণে কুৰেইছবিলাক সচেষ্ট হোৱাত লাগিল। মদিনাত মোহম্মদক আৰু মুহাজিৰসকলক আশ্ৰয় দিয়াৰ কাৰণে কুৰেইছবিলাক মদিনাবাসীসকলৰ ওপৰতো ক্ষুব্ধ আৰু বিতুষ্ট হৈ আছিল। গতিকে মদিনাবাসীসকলকো এশিকনি দিবৰ কাৰণে কুৰেইছবিলাকে তৎপৰতা অৱলম্বন কৰিলে। আৰু মদিনাবাসীক বিদ্ৰোহী বুলি ঘোষণা কৰি মোহম্মদৰ লগতে তেওঁলোককো শাস্তি বিহিবলৈ মনস্থ কৰিলে।

মদিনাৰ কিছুমান মানুহেও মোহম্মদৰ প্ৰভাৱ-প্ৰতিপত্তি সহ্য কৰিবলৈ টান পাইছিল, আৰু তেওঁক অপদস্থ কৰিবৰ কাৰণে সুযোগ বিচাৰি আছিল। সিহঁতে মোহম্মদক মদিনাৰ পৰা বাহিৰ উলিয়াই পঠিয়াবৰ কাৰণেই সুযোগ বিচাৰি আছিল। এই মানুহখিনিয়েও আব্দুল্লাহ বিন্ উবাইয়াৰ নেতৃত্বত কুৰেইছবিলাকৰ লগ লাগি হজৰত মোহম্মদৰ বিৰুদ্ধাচৰণ কৰাত লাগিল। লগত মদিনাৰ মোনাফিকবোৰো আছিল। লগ লাগিল ইহুদীবিলাকো। মাজে মাজে কিছুমান কুৰেইছে মদিনাৰ দাঁতি-কাষৰীয়া ঠাইত লুট-পাট কৰিছিল। ইহঁতক বাধা দিবৰ কাৰণে মোমম্মদে আব্দুল্লাহ বিন্ জাহিছৰ নেতৃত্বত ন-জনীয়া দল এটা ডকাইতবোৰৰ গতি-বিধি লক্ষ্য কৰিবৰ কাৰণে পঠিয়াইছিল। এই দলটোৱে

গৈ নাকলা নামে ঠাইত কুৰেইছবিলাকক আক্ৰমণ কৰিলে। সেই খণ্ড-যুদ্ধত কুৰেইছ পক্ষৰ নেতা আমৰ বিন্ হাজৰামীৰ মৃত্যু হ'ল।

কোনো কোনোৱে নাকলাৰ এই ঘটনাকে বদৰৰ যুদ্ধৰ কাৰণ বুলি ক'ব খোজে। কিন্তু মোহম্মদ আৰু মদিনাবাসী মুছলমানৰ শক্তি-ক্ষমতা আৰু প্ৰতিপত্তিক বাধা দিবৰ কাৰণে কুৰেইছবিলাক তৎপৰ হৈ উঠাৰ কাৰণেহে বদৰৰ যুদ্ধ হ'বলৈ পালে বুলি বহু ঐতিহাসিকে ভাবে।

ইতিমধ্যে আবু চুফিয়ানৰ কাফেলা যুদ্ধৰ প্ৰস্তুতিৰ কাৰণে চিৰীয়াৰ পৰা মক্কালৈ ঘূৰি আহিছিল। এটা জনৰৱ প্ৰচাৰ হ'ল যে মদিনাৰ মুছলমানে তেওঁক আক্ৰমণ কৰিলে। তেতিয়া কুৰেইছবিলাকে আবু জেহেলৰ নেতৃত্বত এদল শক্তিশালী সৈন্য মদিনাৰ বিৰুদ্ধে পঠিয়ালে। এই সংবাদে মোহম্মদক কিছু চিন্তিত কৰি তুলিলে। অৱশেষত আলোচনা কৰি মোহম্মদে আবু চুফিয়ানৰ দলক আক্ৰমণ কৰিবলৈ সিদ্ধান্ত কৰিলে। মাত্ৰ ৩১৩ জন মুছলমান সৈন্য লৈ মদিনাৰ পৰা কেইমাইলমান দূৰত থকা বদৰ নামৰ ঠাইৰ ফালে মোহম্মদ আগবাঢ়িল। আৰিছ নামৰ পাহাৰৰ নামনিত তেওঁ সসৈন্যে শিবিৰ পাতি ৰ'ল। ৬২৪ খ্ৰীষ্টাব্দৰ ১৩ মাৰ্চৰ দিনা যুদ্ধৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তেওঁ অনুচৰসকলক একে ঠাইত গোট খুৱাই ৰণৰ নীতি আৰু কৌশল সম্পৰ্কে পৰামৰ্শ দিলেঃ

"শাৰী ভাঙি কোনোৱেই আগুৱাই নেযাবা। মোৰ নিৰ্দ্দেশ নোপোৱা পৰ্য্যন্ত যুদ্ধ আৰম্ভ নকৰিবা। সীমাৰ বাহিৰত থকা শত্ৰু-সৈন্যলৈ কাঁড় মাৰি কাঁড় নষ্ট নকৰিবা। সীমা পাৰ হৈ আহিলেহে শত্ৰুলৈ কাঁড় মাৰিবা। শত্ৰুবোৰ ওচৰ চাপি আহিলে প্ৰথমে সিহঁতলৈ শিল দলিয়াবা। বেছি ওচৰ চাপি আহিলে যাঠি-বৰ্শা দলিয়াবা। সিহঁত আহি তেনেই ওচৰ পালেহিহে তৰোৱালেৰে আক্ৰমণ কৰিবা। আল্লাৰ পৰা এনে নিৰ্দ্দেশ পাইছো— যি তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰে, তাৰ বিৰুদ্ধে আল্লাৰ পথত যুদ্ধ কৰিবা। সীমা লঙ্ঘন নকৰিবা, কাৰণ সীমা লঙ্ঘনকাৰীক আল্লাই ভাল নেপায়।"

সৈন্যসকলক এই নিৰ্দ্দেশ দিয়াৰ শেষত মোহম্মদে যুদ্ধত জয়ী হ'বৰ কাৰণে আল্লাৰ ওচৰত দোৱা কৰিলে। তাৰ পিছত ৰণথলিলৈ আগবাঢ়িল। সিফালে ১০০০ সৈন্য লৈ কুৰেইছবিলাক যুদ্ধৰ কাৰণে সাজু হৈ আছে। সেইকালৰ আৰবৰ ৰীতি অনুসৰি কুৰেইছৰ পক্ষৰ তিনিজন নেতা— ছাইবা,

উৎবা আৰু অলীদ বিন্ উৎবা যুদ্ধক্ষেত্ৰলৈ আগুৱাই আহি মুছলমান সৈন্যসকলক যুদ্ধলৈ আহ্বান জনালে। প্ৰত্যাহ্বানৰ প্ৰতি সহাৰি জনাই মুছলমান পক্ষৰ আলী, হাম্জা আৰু উবেইদা আগুৱাই গ'ল। প্ৰচণ্ড তয়াময়া ৰণ লাগিল। কিন্তু মুছলমানসকলৰ লগত যুদ্ধত কুৰেইছ সৈন্য তিষ্ঠিব নোৱাৰিলে। নেতা আৰু সাধাৰণ সৈন্য বহুত নিহত হ'ল। অৱশেষত কুৰেইছ সৈন্য পিছুৱাই গ'ল। আবু জেহেল, উৎবা আৰু অন্য ৭০ জন কুৰেইছ সৈন্য যুদ্ধত নিহত হ'ল। তালৈমানক মুছলমানসকলে বন্দী কৰিলে। মুছলমান পক্ষৰ ছ-জন মুহাজিৰ আৰু আঠজন আনছাৰ— মুঠ ১৪ জন নিহত হ'ল। এনেকৈ কুৰেইছৰ লগত হোৱা এই প্ৰথম মুকলি যুদ্ধত বদৰৰ ৰণথলিত মোহম্মদৰ পৰিচালনাত মুছলমান জয়ী হ'ল, কুৰেইছ পৰাজিত হ'ল।

যিখিনি শত্ৰুপক্ষৰ সৈন্য বন্দী হ'ল, তেওঁলোকৰ প্ৰতি সদ্ব্যৱহাৰ কৰিবৰ কাৰণে হজৰত মোহম্মদে নিৰ্দেশ দিলে। যাৰ কাপোৰ নোহোৱা হৈছিল, সেইবোৰ যুদ্ধ বন্দীক কাপোৰ দিয়া হ'ল, আৰু মুছলমান সৈন্যসকলেৰে একেলগে একে ৰুটি খাদ্য খাবলৈ দিয়া হ'ল। তাৰ পিছত মুক্তিপণ লৈ বন্দী সৈন্যবিলাকক এৰি দিবলৈ সিদ্ধান্ত লোৱা হ'ল। মুক্তি পাবৰ কাৰণে প্ৰতিটো সৈন্যৰ কাৰণে চাৰি হাজাৰ ডিনাৰকৈ পণ নিৰ্দ্ধাৰণ কৰা হ'ল। শত্ৰুপক্ষত মোহম্মদৰ বিপক্ষে যুঁজি বন্দী হোৱা তেওঁৰ কোনো আত্মীয়কো মুক্তিপণৰ পৰা ৰেহাই দিয়া নহ'ল। বন্দীবিলাকৰ মাজত যি শিক্ষিত কুৰেইছ সৈন্য আছিল, তেওঁলোকৰ প্ৰত্যেকে দহোটাকৈ মুছলমান ল'ৰাক লিখা-পঢ়া শিকাই দিলে, তেওঁলোকক মুক্ত কৰি দিয়া হ'ব বুলি ঘোষণা কৰিলে। তেনে কৰিব নোৱাৰা সৈন্যবিলাকক, ভৱিষ্যতে আৰু মুছলমানৰ বিৰুদ্ধে কোনোদিন যুদ্ধ নকৰো বুলি দিয়া প্ৰতিশ্ৰুতিৰ বিনিময়ত মুকলি কৰি দিয়া হ'ল। শত্ৰুপক্ষৰ যুদ্ধত পৰাজিত সৈন্যৰ প্ৰতি এনে ব্যৱহাৰ এক অপূৰ্ব্ব কথা।

ইছলামৰ ইতিহাসত এই যুদ্ধৰ এটা গুৰুত্বপূৰ্ণ তাৎপৰ্য্য আছে। কুৰেইছবিলাক মক্কাৰ পৰা মদিনা অভিমুখে আহি বদৰ পাইছিলহি। হজৰত মোহম্মদ তথা মক্কা আৰু মদিনাৰ মুছলমানসকলক নিৰ্ম্মূল আৰু উৎখাট কৰিবৰ কাৰণে অৰ্থাৎ মোহম্মদৰ দ্বাৰা প্ৰৱৰ্ত্তিত ইছলাম ধৰ্ম্মক নিৰ্ম্মূল কৰিবৰ কাৰণে।

হজৰত মোহম্মদৰ নেতৃত্বৰ এমুঠিমান মুছলমান প্ৰধানত: আত্মৰক্ষাৰ কাৰণে সৈনিকৰ দৰে সজ্জিত হৈ যুদ্ধত অৱতীৰ্ণ হ'বলগীয়াত পৰিছিল। হজৰত মোহম্মদ তথা মুছলমানসকলৰ কাৰণে এই যুদ্ধ আত্মৰক্ষাতকৈ ইছলাম ধৰ্ম্ম ৰক্ষাৰ কাৰণেহে কৰা এখন ধৰ্ম্মযুদ্ধ বা জেহাদ আছিল। কুৰেইছবিলাকৰ লক্ষ্য আছিল মোহম্মদক হত্যা কৰি তেওঁ প্ৰৱৰ্ত্তন কৰা ধৰ্ম্ম শেষ কৰি দিয়া, লগতে তেওঁৰ ধৰ্ম্ম গ্ৰহণ কৰা মক্কাৰ মুছলমানসকলকো নি:শেষ কৰি পেলোৱা, নাইবা তেওঁলোকক যুদ্ধত হৰুৱাই পুনৰ পূৰ্ব্বৰ পৌত্তলিক ধৰ্ম্মলৈ ঘূৰাই নিয়া। লক্ষ্য কৰিবলগীয়া কথা যে বদৰৰ যুদ্ধখন ইছলাম ধৰ্ম্মৰ সপক্ষে আৰু বিপক্ষে লগা এখন যুদ্ধহে আছিল, ৰাজ্য বিস্তাৰ, ৰাজনৈতিক প্ৰভাৱ বিস্তাৰ, বা ব্যক্তিগত প্ৰাধান্য প্ৰতিষ্ঠা এক পক্ষৰো উদ্দেশ্য নাছিল। ধৰ্ম্ম ৰক্ষা তথা সত্যৰক্ষা আছিল মুছলমানসকলে হাতত অস্ত্ৰ তুলি লোৱাৰ মূল উদ্দেশ্য। এই যুদ্ধ সাম্ৰাজ্যবাদী আকাঙ্ক্ষা পূৰণ কৰিবৰ কাৰণে কৰা হোৱা নাছিল। মুছলমানসকলে এক সত্য ৰক্ষাৰ কাৰণেই, আৰু সেই সত্যৰ বাহক আৰু ধাৰক হজৰত মোহম্মদক ৰক্ষা কৰিবৰ কাৰণে হাতত অস্ত্ৰ তুলি লৈছিল। তেওঁলোকে গ্ৰহণ কৰা নতুন ধৰ্ম্ম ইছলামক ৰক্ষা কৰিবৰ কাৰণে সৰ্ব্বস্ব ত্যাগ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ মুছলমানসকলৰ আত্মবিশ্বাস আৰু নেতাৰ প্ৰতি অচলা আনুগত্যই আছিল শক্তিৰ মূল উৎস। তাৰ বলতেই, সংখ্যালঘু হৈও তেওঁলোক যুদ্ধত জয়ী হৈছিল, আৰু আক্ৰমণকাৰী মক্কাৰ পৌত্তলিকবিলাক পৰাজিত হৈছিল। আদৰ্শনিষ্ঠা আৰু মনোবলেই আছিল মুছলমানসকলৰ শক্তিৰ মূলবস্তু।

বদৰৰ যুদ্ধত হোৱা লজ্জাজনক পৰাজয়ক কুৰেইছবিলাকে সহজে ল'ব নোৱাৰিলে। এই পৰাজয়ে সিবিলাকৰ গৰ্ব্ব খৰ্ব্ব কৰিলে। মক্কাবাসী কুৰেইছবিলাক প্ৰতিশোধ ল'বৰ কাৰণে উন্মাদ হৈ উঠিল। তেওঁলোকে এই কথাও বুজি পাইছিল যে তেওঁলোকৰ আৰ্থিক উন্নতি-প্ৰগতি প্ৰধানত: নিৰ্ভৰ কৰিছিল তেওঁলোকৰ খ্যাতি-যশস্যাৰ ওপৰত। আৰু এই খ্যাতি অক্ষুণ্ণ ৰাখিবৰ কাৰণে তেওঁলোকে বদৰৰ যুদ্ধত হোৱা ক্ষয়-ক্ষতিৰ পুনৰ উদ্ধাৰ কৰিব লাগিব। এনে পৰিস্থিতিত বদৰৰ যুদ্ধই মোহম্মদ তথা মুছলমানৰ প্ৰতি মক্কাবাসীৰ ক্ৰোধ, ঈৰ্ষা আৰু প্ৰতিশোধ পৰায়ণতাৰ অন্ত পেলাব বুলি ভবাৰ কোনো থল নাছিল। ধৰ্ম্মীয় বিৰোধৰ উপৰিও ব্যক্তিগত বৈৰীতায়ো মক্কাবাসীবিলাকক নতুন সংগ্ৰামৰ কাৰণে উচতাইছিল। মদিনাত সংগঠিত হোৱা ইছলামী ৰাষ্ট্ৰীয়তাক সমূলে উৎখাত কৰিব নোৱাৰিলে মক্কাবাসীৰ মৰ্য্যাদা ৰক্ষাৰ অন্য কোনো গত্যন্তৰ নাই বুলি

তেওঁলোকে ধৰি লৈছিল। ক্ৰমে শক্তিশালী হৈ উঠা ইছলামৰ বিৰুদ্ধে সম্মিলিত অভিযান আৰম্ভ কৰাৰ কাৰণে আৰু পৌত্তলিকতাৰ সংৰক্ষণৰ কাৰণে আগ বাঢ়ি আহিবলৈ মক্কাৰ কুৰেইছবিলাকে আশ-পাশৰ বিভিন্ন দেশলৈ কটকী পঠিয়ালে। এই বিষয়ত দুটা জনগোষ্ঠীৰ সক্ৰিয় সমৰ্থন লাভ কৰাটো সম্ভৱ হ'ল —কিনানা আৰু তিহামা সম্প্ৰদায়ৰ লোকসকল সমৰ্থন জনাবলৈ আগুৱাই আহিল। মক্কাবাসীবিলাকে এইটোও ঠিক কৰিলে যে আবু চুফিয়ানে ৰণ কৰিবলৈ গৈ যি কাৰাভানক বচাই পলুৱাই আনিব পাৰিছিল, তাৰ লাভৰ ধনেৰে সৈন্যবিলাকৰ অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰাৰ দিহা কৰা হ'ব।

এইবাৰ মক্কাবাসীবিলাকে ৰণ কৰিবলৈ যাওঁতে লগত তিৰোতা মানুহো লৈ যাবলৈ ঠিক কৰিলে, যাতে সিহঁতে ৰণুৱাবিলাকক গীত-নৃত্যেৰে উৎসাহিত কৰি পাৰে। এই মহিলাবিলাকৰ নেতৃত্ব ল'লে আবু চুফিয়ানৰ ঘৈণীয়েক হিন্দে বা হিন্দাই।

সাতশ বৰ্ম্ম পৰিহিতা সৈন্য, দুশ সশস্ত্ৰ অশ্বাৰোহী, তিনি হেজাৰ উটত উঠি ৰণ কৰা সৈন্য আৰু পোন্ধৰজনী তিৰোতাই সমদল কৰি মদিনা অভিমুখে যুদ্ধযাত্ৰা কৰিলে।

দহদিন ৰণ যাত্ৰা কৰি আগুৱাই গৈ, মদিনাৰ পৰা পাঁচ মাইল আঁতৰত থকা ওহূদৰ সাৰুৱা সমতল ভূমিত উপস্থিত হ'লগৈ। মদিনা আৰু ওহূদৰ মাজত কিছু পৰ্ব্বতীয়া সমতল আছিল। অভিযানকাৰী ৰণুৱাবোৰে সেই ঠাইৰ পথাৰৰ খেতিৰ শস্য নষ্ট কৰি মুছলমানসকলক ভয় খুৱাবৰ চেষ্টা কৰিলে।

যেতিয়া মক্কাৰ পৌত্তলিক সৈন্যদল আহি ওহূদত উপস্থিত হোৱাৰ খবৰ মোহম্মদে পালে, তেতিয়া মছজিদত এখন আলোচনা সভা পাতি অনুগামী মুছলমানসকলৰ সমস্যাটোৰ বিষয়ে আলোচনা কৰিলে। হজৰতে পৰামৰ্শ দিলে যে মদিনা চহৰৰ সীমাত থকা কিল্লাৰ কাষৰ পৰা ল'ৰা-ছোৱালী আৰু তিৰোতা মানুহবোৰক আঁতৰাই আনিব লাগে, আৰু সিহঁতক তাতে লাগি থাকিবলৈ দিব লাগে। কিন্তু শত্ৰুৰ মুখামুখি হৈ ৰণ কৰিবৰ কাৰণে তেওঁৰ অনুগামীসকলৰ আগ্ৰহ-উদ্দীপনা দেখি, তেওঁ যুদ্ধৰ কাৰণে প্ৰস্তুত হ'বৰ কাৰণেই সিদ্ধান্ত গ্ৰহণ কৰিলে। শত্ৰু পক্ষৰ সৈন্যক মদিনালৈকে আগবাঢ়ি আহিবলৈ দিব, নে আগবাঢ়ি গৈ মদিনাৰ বাহিৰৰ ওহূদতে সিহঁতৰ লগত ৰণ দিব, এই বিষয়ে আলচ কৰি অৱশেষত ওহূদলৈকে আগুৱাই যোৱাৰ সিদ্ধান্ত ল'লে। এই সিদ্ধান্তত মুছলমানসকল বৰ আনন্দিত হ'ল।

আছৰৰ নামাজৰ শেষত মুছলমান যুঁজাৰুসকল মছজিদৰ চোতালত

আৰম্ভত হ'ল। মোহম্মদে আবু বকৰ আৰু ওমৰক লৈ যুদ্ধৰ কাৰণে সাজু হৈ ওলাবলৈ গ'ল। অলপ সময়ৰ পিছতে তেওঁ ঢাল-তৰোৱাল লৈ সৈনিকৰ বেশে সজ্জিত হৈ ওলাই আহিল। মুছলমান পক্ষৰ সৈন্য কেৱল এহেজাৰ তাৰ ভিতৰত মাথোন দুজন অশ্বাৰোহী, আৰু এশ সশস্ত্ৰ ৰণুৱা। মছজিদ প্ৰাঙ্গনৰ পৰা কিছুদূৰ আগুৱাই আহি তেওঁলোকে মুকলি আকাশৰ তলত ৰাতিটো কটালে, আৰু পিছদিনা কাহিলী পুৱাতে ৰণযাত্ৰা আৰম্ভ কৰিলে।

ইয়াৰ মাজতে ইহুদীবিলাকৰ সগোত্ৰ প্ৰতাৰক আব্দুল্লাহ বিন্ উবাইয়ে মুছলমান সৈন্যসকলৰ লগ এৰি সিফালীয়া হ'লগে। মুছলমান সৈন্যৰ সংখ্যা কমি ৭০০ হ'লহি।

কিছু নিলগতে, চকুৰে দেখাতে মক্কাৰ সৈন্যদলে অৱস্থান লৈ আছিল যদিও, মুছলমান সৈন্যসকলে ফজৰৰ নামাজৰ সময় হোৱাৰ কাৰণে আটায়ে নামাজ পঢ়ি ল'লে। মুছলমান সৈন্যসকলৰ পিছফালে থাকিল ওহূদৰ ওখ পৰ্বতৰ শাৰী, যুদ্ধৰ কাৰণে প্ৰস্তুত সৈন্যদল, সন্মুখত কাঁড়ী সৈন্যদলে যুদ্ধ আৰম্ভ কৰিবৰ কাৰণে নিৰ্দেশ পাবৰ কাৰণে সাজু। তীৰন্দাজ সৈন্যসকলক হজৰত মোহম্মদে নিৰ্দেশ দিলে যাতে সকলো নিজ নিজ ঠাইত সাজু হৈ থাকে, আৰু স্পষ্ট নিৰ্দেশ নোপোৱা পৰ্য্যন্ত অন্য সৈন্যই যিয়েই নকৰক, কাঁড়ীসকল যেন স্থিৰেৰে থাকে। সকলো সৈন্যক যথা স্থানত সাজু থাকিবলৈ নিৰ্দেশ দি হজৰত মোহম্মদ শত্ৰু পক্ষৰ আক্ৰমণৰ কাৰণে অপেক্ষা কৰি ৰ'ল।

মাজৰ সৈন্যদলৰ নেতৃত্বত আবু চুফিয়ান, সোঁহাতে খালিদ আৰু বাওঁফালে ইক্ৰামা। মক্কাৰ সৈন্যদল আগুৱাই আহিল। আন পক্ষৰ সৈন্যয়ো আগুৱালে। এনে সময়তে তিৰোতাবোৰক লগত লৈ ঢোল-ডগৰ বজাই নাচি নাচি হিন্দাই সৈন্যবোৰক যুদ্ধৰ গীতেৰে উত্তেজিত কৰিবলৈ ধৰিলে

"তোমালোক যদি যোৱা
আগবাঢ়ি,
আমি তোমালোকক সাৱটি ল'ম। তোমালোকৰ কাৰণে পাৰি দিম সুকোমল শয্যা। কিন্তু তোমালোকে যদি পিছ হুঁহকি যোৱা, আমি এৰি যাম তোমালোকক, আৰু কোনো কাহানিও তোমালোকক প্ৰেম নিবেদন নকৰো........."

এনেকুৱা আছিল হিন্দাইহঁতৰ ৰণথলত গোৱা গান।

কুৰেইছৰ পক্ষৰ পৰা প্ৰথমে আক্ৰমণ কৰিলে আবু আমীৰে, কিন্তু

তেওঁৰ আৰু মক্কাৰ সৈন্যৰ মূৰৰ ওপৰত পৰিল এজাতীয় শিলগুটি। আবু আমীৰৰ আক্ৰমণকাৰী সৈন্যদল পিছ হুঁহকি গ'ল। লগে লগে কুৰেইছ পক্ষৰ পতাকাবাহী তল্‌হা আগবঢ়ি আহিল আৰু মুছলমান সৈন্যসকলক প্ৰত্যাহ্বান জনালে। হজৰত আলীয়ে তেওঁৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিলে আৰু তল্‌হাক তৰোৱালেৰে আক্ৰমণ কৰিলে, তল্‌হা বাগৰি পৰিল। তল্‌হাৰ ভায়েকে পতাকাবাহী গৰাকীৰ পতন দেখি দৌৰি আগুৱাই গ'ল— যুদ্ধৰ গীত গাই গাই। যি পৰ্য্যন্ত এজনীয়া যুঁজ চলি আছিল, তেতিয়ালৈকে কুৰেইছ পক্ষৰ এজন এজনকৈ ৰণ কৰিবলৈ আগবাঢ়ি যোৱা সৈন্যৰ পতন হ'ব ধৰিলে। ইজনৰ পিছত সিজনকৈ যুঁজ কৰা পতাকাবাহী যুঁজাৰুবোৰৰ মৃত্যুৰ দৃশ্যই কুৰেইছ সৈন্যবোৰক স্তম্ভিত আৰু বিৰক্ত কৰি তুলিলে। তাৰ পিছত দুয়ো পক্ষৰ মাজত সন্মুখ যুদ্ধ আৰম্ভ হ'ল। মুছলমান সৈন্যসকলৰ সাহস আৰু বীৰত্ব দেখি মক্কাৰ সৈন্যদলে থতমত খালে। মুছলমান পক্ষৰ আবু দুজানাৰ তৰোৱাল-যুদ্ধৰ পাৰদৰ্শিতা দেখি প্ৰতিপক্ষ স্তম্ভিত হ'ল,— হাম্‌জা, আলী জুবেইৰ আৰু অন্যান্য মুছলমান বীৰ যুঁজাৰুৱে অদ্ভুত ৰণকৌশল প্ৰদৰ্শন কৰিলে। পৌত্তলিকবোৰ তিষ্ঠিব নোৱাৰি পিছ হুঁহকি যাব ধৰিলে। মুছলমান সৈন্যসকলে উল্লাসত জয়ধ্বনি কৰিলে, তীৰন্দাজ সৈন্যবোৰেও অন্য সৈন্যবোৰৰ লগ লাগি ৰণ কৰাত লাগিল। ইয়াৰ ফলত ৰক্ষা বেহূত সুৰুঙা ওলোৱা দেখা পাই, মক্কাৰ সৈন্যবাহিনীৰ অশ্বাৰোহী দলৰ সেনাধ্যক্ষ খালিদ বিন্ ওৱালিদ আগবাঢ়ি গৈ মুছলমান সৈন্যক আক্ৰমণ কৰিলে। ফলত যুদ্ধৰ পৰিস্থিতি সম্পূৰ্ণ সলনি হৈ গ'ল। মুছাব ৰণত পৰিল। অন্যান্য মুছলমান ৰণুৱা বীৰসকলো ৰণত পৰিল।

হজৰত মোহম্মদেও মূৰত আৰু গালত বেয়াকৈ আঘাত পালে, কিন্তু তেওঁৰ একান্ত অনুগত অনুগামীসকলে তেওঁক ৰক্ষণাবেক্ষণ দি যাবৰ চেষ্টা কৰিলে। কোনোবা এজনে শুদা হাতেৰেই শত্ৰুপক্ষই মোহম্মদলৈ মৰা কাঁড় গাত লগাকৈ ধৰি ৰাখিলে। এনে হুলস্থুলৰ মাজত মোহম্মদৰ মৃত্যু হৈছে বুলি জনৰৱ উঠিল। মুছলমান যুঁজাৰুসকল ক্ষিপ্ত হৈ উঠিল।

অলপ সময়ৰ পিছতে জনা গ'ল যে গুজৱটো মিছা। এই বাতৰিটোৱে মুছলমানসকলৰ মাজলৈ নতুন আনন্দ-উদ্দীপনাৰ জোৱাৰ আনিলে। মুছলমান সৈন্যৰ মাজত যি বিশৃঙ্খলতাৰ সৃষ্টি হৈছিল সি নোহোৱা হৈ গ'ল। হজৰত মোহম্মদে দৃঢ়ভাৱে ঘোষণা কৰিলে যে তেওঁ তেতিয়াও দৃঢ় আৰু আত্মস্থ হৈ

আছে। বিপৰ্য্যস্ত পৰিস্থিতিয়ে তেওঁক অকণো হতাশ বা বিচলিত কৰা নাই। তেওঁ স্থিৰভাৱে নিজৰ ঠাইতে থিয় দি ৰ'ল। অনুগামী সৈন্যসকলে আহি তেওঁক এবাৰ চাই লৈ আকৌ ৰণথলিলৈ আগুৱাই গ'ল।

হজৰতৰ মূৰ আৰু গালৰ ঘাবোৰৰ পৰা ফি ফি কৰে কেঁচা তেজ বৈ আহিছিল। শত্ৰুৱে তেওঁক হত্যা কৰিবৰ কাৰণে মাৰাত্মক আঘাত কৰা সত্ত্বেও তেওঁ বিচলিত নহৈ স্থিৰভাৱে থিয় দি আছিল। নিজৰ গাল-মুখৰ তেজবোৰ নিজ হাতেৰে মচি মচি তেওঁ আল্লাৰ ওচৰত প্ৰাৰ্থনা জনাইছিল: "হে মোৰ প্ৰভু, আমাৰ মানুহবোৰক শুদ্ধ পথলৈ ঘূৰাই আনা, সিহঁতে একো নেজানে।"

এয়া আছিল এক মহৎ হৃদয়ৰ উদাৰতা। তেওঁক মাৰাত্মক আঘাত হনা শত্ৰুপক্ষৰ লোকসকলৰ জ্ঞানৰ উদয় হ'বৰ কাৰণে তেতিয়াও তেওঁ উদাৰভাৱে প্ৰাৰ্থনা জনাইছিল।

যুদ্ধত জয়ৰ সম্ভাৱনা দেখি উন্মত্ত আৰু ক্ৰুদ্ধ কুৰেইছবোৰ উন্মত্ত হৈ উঠিল। সিহঁতে সকলো মানৱীয় বিচাৰ-বুদ্ধি হেৰুৱাই পেলালে। বনৰীয়া হিংস্ৰ পশুৰ দৰে সিহঁতে জীৱিত আৰু মৃত সকলোৰে ওপৰত জঁপিয়াই পৰিল। মৰি পৰি থকা শ-বোৰকো খুচি-কাটি ডোখৰ ডোখৰ কৰাত লাগিল।

অকল কুৰেইছ পুৰুষবোৰেই নহয়, লগত অহা তিৰোতাবোৰো হিংস্ৰ আৰু পাশৱিকভাৱে উন্মত্ত হৈ উঠিল। হিন্দাইহ চুৰি মাৰি মৃত হামজাৰ বুকুখন উলিয়াই কেঁচাই কেঁচাই চোবাই গিলিবৰ চেষ্টা কৰিলে। গিলিব নোৱাৰি উলিয়াই পেলালে। অন্যান্য ৰণত পৰা মুছলমান শ্বহীদসকলৰ ওপৰতো কদৰ্য্য আৰু পাশৱিক অত্যাচাৰ চলোৱা হ'ল। মৃতকৰ কাণ-নাক আৰু অন্যান্য অঙ্গ কাটি, মালা গাঁথি কোনোৱে জয়মালা পিন্ধিলে, কোনোৱে সেইবোৰ চোচোৰাই-বগৰাই মক্কালৈ নিবলৈ ল'লে— যুদ্ধ জয় কৰাৰ চিন হিচাপে।

এইদৰে বীভৎস উল্লাসেৰে ৰণত জয়ী হ'লো বুলি ধৰি লৈ ওহুদ পৰ্ব্বতৰ নামনিলৈ গৈ আবু চুফিয়ানে চিঞৰি চিঞৰি মোহম্মদ আবু বকৰ আৰু ওমৰক ডাঙৰকৈ চিঞৰি মাতিলে। ক'ৰো পৰা উত্তৰ নাহিল। তেতিয়া আবু চুফিয়ানে চিঞৰি ক'লে, "নাই, সকলোকে শেষ কৰা হ'ল। জীয়াই থকা হ'লে মাত দিলেহেঁতেন।"

আবু চুফিয়ানৰ কথা শুনি ওমৰে মনে মনে বৈ থাকিব নোৱাৰিলে। তেওঁ চিঞঁৰি উঠিল— "হুবৰ' আল্লাৰ শত্ৰু, তোৰ ধ্বংস সাধন কৰিবৰ কাৰণে আল্লাই আমাক এতিয়াও নিৰাপদে জীয়াই ৰাখিছে।"

এই কথা শুনি আবু চুফিয়ানে চিঞঁৰি উঠিল— "জয়, হুবলৰ জয়।"

এই কথা শুনি মোহম্মদে ঘোষণা কৰিবলৈ ল'লে— "আল্লাহ্ মহান, আল্লাহ্ সৰ্ব্বশক্তিমান। আল্লাহ্ আকবৰ।"

আবু চুফিয়ানে আকৌ চিঞঁৰি উঠিল— "আমাৰ ফালে, আমাৰ পক্ষত আছে ওজ্জা দেৱতা। তহঁতৰ ফালে কোনো নাই।"

তেতিয়া মোহম্মদৰ নিৰ্দ্দেশ মতে ওমৰে ক'লে, "আমাৰ সহায় আল্লাহ্, তহঁতৰ সহায় কোনো নাই।"

মুছলমানসকল ওহুদ পৰ্ব্বতৰ আঁৰলৈ আঁতৰি গ'ল। মদিনাৰ ফালে বাট মুকলি হৈ পৰিল , কিন্তু কুৰেইছবিলাকে মদিনা জয় কৰিবৰ কাৰণে আগুৱাই যাবলৈ, নাইবা পাহাৰৰ ওপৰত আশ্ৰয় লোৱা মুছলমানসকলক ৰণ কৰি খেদাই পঠাবলৈ সাহস নকৰিলে। খৰখেদাকৈ কুৰেইছবিলাকে ওহুদৰ পৰাই উভতি মক্কালৈ প্ৰত্যাবৰ্ত্তন কৰিলে। মদিনা জয় কৰিব নোৱাৰিলেও আৰু মোহম্মদক হত্যা কৰিব নোৱাৰিলেও, ইতিমধ্যে মুছলমানসকলৰ যি নিধন আৰু ক্ষতি কৰা হ'ল, সেয়াই এই অভিযানৰ এক সাফল্য বুলি মক্কাৰ অভিযানকাৰীবিলাকে গণ্য কৰিলে। একে দিনাই তেওঁলোকে বহুদ দূৰ পথ অতিক্ৰম কৰিলে।

হজৰত মোহম্মদ মদিনালৈ ঘূৰি গ'ল। বহুত প্ৰাণ হানি আৰু বহুত ক্ষয়-ক্ষতি হ'ল যদিও, মুছলমানসকলে তেতিয়াও যে পৰাজয় স্বীকাৰ কৰা নাই আৰু তেওঁলোকক পুনৰ আক্ৰমণ কৰি পৰাজিত কৰাটো যে সহজ-সাধ্য কথা নহয়, তাৰে আভাস কুৰেইছবিলাকক দিবৰ কাৰণে মোহম্মদে এদল মুছলমান সৈন্যক কুৰেইছবিলাকক অনুসৰণ কৰিবৰ কাৰণে পিছে পিছে যাবলৈ নিৰ্দ্দেশ দিলে। এই বাতৰি পাই চুফিয়ানে খৰখেদাকৈ মক্কালৈ ঘূৰি গ'ল।

ওহুদৰ যুদ্ধত মুছলমানসকল বিপৰ্য্যস্ত হোৱাৰ এটা প্ৰধান কাৰণ হ'ল—তীৰন্দাজ সৈন্যসকলে মোহম্মদৰ নিৰ্দ্দেশ লঙ্ঘন কৰি, এটা বিশেষ সময়ত নিজৰ নিৰ্দ্দিষ্ট স্থান এৰি যোৱা, যাৰ ফলত আবু চুফিয়ানে সোমাই আহিবৰ কাৰণে সুবিধা পালে। অধিনায়কৰ নিৰ্দ্দেশৰ বিপৰীতে যোৱাৰ কাৰণেই

কঁড়ী সৈন্যদলৰ অবিবেচক কাৰ্য্যৰ কাৰণেই এনে অঘটন ঘটিবলৈ পালে। তথাপি এই বিপৰ্য্যয়ৰ মাজতো হজৰত মোহম্মদৰ আল্লাৰ দয়া আৰু কৰুণাৰ ওপৰত অটল বিশ্বাস, শেষত সত্য আৰু ন্যায়ৰ জয়, আৰু ধৰ্ম্মৰক্ষাৰ কাৰণে নিজক উৎসৰ্গ কৰিবৰ কাৰণে এজন প্ৰকৃত মুছলমানৰ নিঃস্বাৰ্থ প্ৰস্তুতিৰ শক্তি আৰু মূল্য উপলব্ধিৰ সুবিধা দিলে ওহূদৰ যুদ্ধই।

তৃতীয় হিজৰীৰ ১১ ছওৱাল তাৰিখে ইংৰাজী ৬২৫ খ্ৰীষ্টাব্দৰ ২৬ জানুৱাৰী শনিবাৰৰ দিনা ওহূদৰ যুদ্ধখন লাগিছিল। ইছলামৰ ইতিহাসত এই যুদ্ধৰ এক বিশেষ গুৰুত্ব আৰু তাৎপৰ্য্য আছে। মক্কাৰ পৰা ইছলাম-বিৰোধী পৌত্তলিকবিলাকে মুখ্যতঃ পয়গম্বৰ হজৰত মোহম্মদক প্ৰাণে মাৰিবৰ উদ্দেশ্যেই অভিযানৰ আয়োজন কৰিছিল। তেওঁক নোহোৱা কৰিব পাৰিলে, ইছলাম তথা মুছলমানো নোহোৱা হৈ যাব— এনে এটা ধাৰণাৰে কুৰেইছবিলাক ৰণ কৰিবলৈ সম্পূৰ্ণ সমৰায়োজন কৰি মদিনা মুখে আগবাঢ়ি গৈছিল।

মদিনাবাসী মুছলমানসকল এই আক্ৰমণৰ সম্মুখীন হ'বলৈ ভয় নকৰি বৰং বদৰৰ যুদ্ধৰ দৰে জয়ী হ'ব পাৰিব বুলি ধাৰণা লৈ আৰু ইছলাম-বিৰোধী শক্তিৰ বিৰুদ্ধে যুঁজাৰ এইটো এটা সুযোগ বুলিহে ধৰি, প্ৰয়োজন হ'লে ৰণক্ষেত্ৰত শ্বহীদ হোৱাৰ গৌৰৱৰ অধিকাৰী হ'ব বুলি আশা কৰি অতি উল্লাসেৰে যুদ্ধৰ কাৰণে সষ্টম হৈছিল।

এই যুদ্ধ পৰিচালনাৰ দায়িত্ব মোহম্মদে নিজেই বহন কৰিবলগীয়া হৈছিল। তেওঁৰ অধীনস্থ তীৰন্দাজ সৈন্যবোৰে তেওঁৰ আদেশ উলঙ্ঘা কৰি নিজ ঠাইৰ পৰা আঁতৰি পৰাৰ কাৰণেই শত্ৰুপক্ষই মুছলমান পক্ষক ছেদেলিভেদেলি কৰি পেলাবলৈ সক্ষম হৈছিল।

ওহূদ যুদ্ধ প্ৰধানতঃ হজৰত মোহম্মদক নিঃশেষ কৰাৰ উদ্দেশ্যেই কুৰেইছবিলাকে অনুষ্ঠিত কৰিছিল। ক্ষয়-ক্ষতিৰ ফালৰ পৰা মুছলমানসকলৰ বহুজন শ্বহীদ হ'ল। এই যুদ্ধতে হজৰত মোহম্মদে শৰীৰত মাৰাত্মক আঘাত

পালে। তেওঁক ৰক্ষা কৰিবৰ কাৰণে বেহু ৰচনা কৰি আগুৰি থকা কেইজনকো শত্ৰুপক্ষই হত্যা কৰিলে। কুৰেইছবিলাকে বদৰৰ যুদ্ধৰ পৰাজয়ৰ প্ৰতিশোধ ল'বৰ কাৰণেই এই যুদ্ধত প্ৰবৃত্ত হৈছিল। শেষত জয়ী হ'ব নোৱাৰিলেও আৰু হজৰত মোহম্মদক নিধন কৰাত সফল হ'ব নোৱাৰিলেও, মুছলমানসকলৰ প্ৰচুৰ ক্ষতি সাধন কৰাত সফল হ'ল। কিন্তু এই যুদ্ধত ১৭ জন কুৰেইছ বীৰৰো মৃত্যু হ'ল আৰু মোহম্মদৰ দেহ ক্ষত-বিক্ষত হ'ল যদিও তেওঁ বাচি থাকিল। যুদ্ধক্ষেত্ৰ এৰি আবু চুফিয়ান মক্কালৈ ঘূৰি আহিল। আৰু হজৰত মোহম্মদ আৰু তেওঁৰ অনুগামী আৰু সহযোদ্ধাসকল ৰণত ৰক্তাক্ত দেহা লৈ, শ্বহীদসকলৰ কাৰণে বেজাৰ আৰু প্ৰাৰ্থনা কৰি মদিনালৈ ঘূৰি গ'ল। ইছলামক আৰু মোহম্মদক জীয়াই ৰাখিবৰ কাৰণে মুছলমানসকলে লোৱা সংকল্প অম্লান আৰু অক্ষত হৈ গ'ল। কুৰেইছবিলাকৰ শত্ৰুতাৰ অন্ত নপৰিল। সংঘাত আৰু সংগ্ৰামৰ পথ খোলা থাকিল।

ওহুদ যুদ্ধৰ পৰিণাম স্বৰূপে যদিও কুৰেইছবিলাকৰ হজৰত মোহম্মদক নিধন কৰাটো সম্ভৱ নহ'ল, তথাপি এই বিপৰ্য্যয়ে মুছলমান-বিৰোধী আৰু মোহম্মদ-বিৰোধী শক্তিবোৰক সক্ৰিয় কৰি তুলিলে। চুক্তি ভঙ্গ কৰি ইহুদীবিলাকে মোহম্মদৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰি চৰম বিশ্বাসঘাতকতা কৰিলে। মক্কাবাসী অমুছলমানবিলাকৰ শত্ৰুতা আগতকৈও বৃদ্ধি পালে। মদিনাত মুছলমানসকল এক সঙ্কটজনক পৰিস্থিতিত পৰিছে বুলি বুজিব পাৰি, মদিনাবাসীৰ ধন-সম্পত্তি লুট-পাট কৰিবলৈ কিছুমান আৰববাসী সাজু হ'ল। বনু আছাদ ফৈদৰ খাৱালিজৰ পুতেক তুলাইহা আৰু চাল্মাই মুছলমানসকলৰ দুৰ্বলতাৰ বিষয়ে মক্কাত জোৰ-প্ৰচাৰ চলোৱাৰ লগতে লুট কৰাৰ আঁচনিও হাতত ল'লে।

এই খবৰটো পাই হজৰত মোহম্মদে ডেৰশজন মুছলমানক প্ৰতিৰোধৰ কাৰণে সাজু কৰি পঠিয়ালে। আন পক্ষৰ যুদ্ধৰ কাৰণে সাজু নৌহওঁতেই

এই সব মুছলমান সৈন্যবাহিনীয়ে ক্ষিপ্র গতিৰে আগবাঢ়ি গৈ, আক্ৰমণ কৰি সিহঁতক পৰাস্ত কৰিলে। আৰু জয়ী হৈ ঘূৰি আহিল।

হিজৰী চনৰ চতুৰ্থ আৰু পঞ্চম বছৰত মুছলমান আৰু মক্কাবাসী কুৰেইছসকলৰ মাজত সৰু-ডাঙৰ কেইবাখনো খণ্ডযুদ্ধ লাগিছিল, দুয়ো পক্ষৰ সৈন্যৰ মৃত্যু হৈছিল। কেইবাজনো মুছলমান যুঁজাৰু নিহত হৈছিল। ইহুদী বণি-নাজিৰৰ দলো মদিনা এৰি যাবলৈ বাধ্য হৈছিল। মুছলমানসকলে কিছু সকাহ পাই নিজক পুনঃ প্ৰতিষ্ঠিত কৰিবলৈ সুযোগ লাভ কৰিছিল। এইখিনি সময়ৰ ভিতৰতে মুছলমান সৈন্যৰ মাজত প্ৰচলিত থকা মদ্যপাণ আদি কু-ৰীতিবোৰৰ পৰা মদপীবোৰক মুক্ত কৰিবৰ কাৰণেও হজৰত মোহম্মদে সুযোগ গ্ৰহণ কৰিছিল। এই সময়ৰ ভিতৰতে মুছলমানৰ কাৰণে মদ বা ৰাগিয়াল বস্তু খোৱাটো হাৰাম বা নিষিদ্ধ কৰা হৈছিল।

## খন্দক যুদ্ধ

ওহূদ যুদ্ধৰ পিছত আবু চুফিয়ানে ভাবিছিল যে অনতিপলমে মোহম্মদৰ বিৰুদ্ধে সামৰিক অভিযান আৰম্ভ কৰাটো সম্মান ৰক্ষাৰ কথা যদিও, আৱশ্যকীয় প্ৰস্তুতি নোহোৱাকৈ যুদ্ধ আৰম্ভ কৰাটো উচিত কাম নহ'ব। বদৰ আৰু ওহূদৰ যুদ্ধত মুছলমানসকলৰ নিষ্ঠা আৰু সততাৰ পৰিচয় পোৱা গৈছিল। এই মুছলমানসকল ধৰ্ম্ম ৰক্ষাৰ কাৰণেই নিজৰ ঘৰ-বাৰী মক্কাত এৰি মদিনাত আশ্ৰয় লৈ আছেহি। তেওঁলোকে নিজৰ প্ৰাণ ৰক্ষা কৰাতকৈ নিজৰ ধৰ্ম্ম ইছলামক ৰক্ষা কৰাটো অধিক গুৰুত্বপূৰ্ণ কথা বুলি ভাবে। গতিকে এইখিনি মানুহৰ বিৰুদ্ধে শক্তিশালী আৰু ব্যাপক আয়োজন নকৰাকৈ যুঁজিবলৈ যোৱাটো জ্ঞানীৰ কাম নহ'ব।

আনহাতে, আবু চুফিয়ানে বদৰৰ সমৰথলিত পুনৰবাৰ মদিনাবসী মুছলমানৰ মুখামুখি হ'বলৈ সংকল্প ঘোষণা কৰি থৈছিল। এনে পৰিস্থিতিত আবু চুফিয়ানে মুছলমানসকলক ভয় খুৱাবৰ মানসেৰে বিশেষ কটকী পঠিয়াই অজস্ৰ সৈন্য-সামন্ত লৈ মুছলমানৰ বিৰুদ্ধে আবু চুফিয়ানে আগবাঢ়িছে বুলি আৰু তেনে পৰিস্থিতিত মুছলমানসকল বদৰৰ ফালে নহাই উচিত হ'ব বুলি জানিবলৈ দিলে। এনে ভীতিপ্ৰদৰ্শনত নিৰুৎসাহ নহৈ হজৰত মোহম্মদে লগত

এহেজাৰ পাঁচশ গাড়ীক লৈ বনৰৰ কালে আগুৱাই গ'ল, কিন্তু আঠদিন যোৱাৰ পিছতো কুৰেইছবিলাকৰ অভিযানৰ কোনো বাতৰি নেপালে। তাৰ পিছত মোহম্মদ সসৈন্যে মদিনালৈ ঘূৰি গ'ল।

প্ৰায় এবছৰ কাল কোনো সংঘাত-সংঘৰ্ষ নোহোৱাকৈ কাটি গ'ল। এই সময়ছোৱাৰ ভিতৰতে এনেই বহি নেথাকি আবু চুফিয়ানে ব্যাপক সমৰ প্ৰস্তুতি কৰি অভিযান আৰম্ভ কৰাৰ ষড়যন্ত্ৰ চলাই গ'ল। আনহাতে মোহম্মদো নিষ্ক্ৰিয় হৈ বহি নেথাকিল, তেওঁ প্ৰত্যাহ্বানৰ সম্মুখীন হ'বৰ কাৰণে নিজক সাজু কৰিলে। এই এটা বছৰৰ ভিতৰতে আবু চুফিয়ানে মোহম্মদ আৰু ইছলামৰ বিৰুদ্ধে সমগ্ৰ আৰৱতে প্ৰচাৰ চলালে আৰু সৈন্য সংগ্ৰহ কৰিলে, মৰুভূমিবাসী বেদুইন আৰু ইহুদীবিলাকে আবু চুফিয়ানৰ সৈন্যদলত যোগ দিলে।

বণি কুৰেইজা বংশৰ লোকসকলেও পূৰ্বে মোহম্মদৰ লগত কৰা সন্ধি-চুক্তি ভঙ্গ কৰি গোপনে কুৰেইছবিলাকৰ লগত যোগদান কৰিলে। কুৰেইছ, বেদুইন, ইহুদী আৰু অন্যান্য পৌত্তলিক আৰবীয়ে মদিনা আক্ৰমণ কৰাৰ আয়োজন কৰিলে। এই কথা সমগ্ৰ আৰৱত ৰাষ্ট্ৰ হৈ পৰিল। এই সৈন্যদলত চাৰিহেজাৰ পদাতিক, তিনিশ অশ্বাৰোহী আৰু এহেজাৰ পাঁচশ উট-চাৰাৰী সৈন্যক যুদ্ধৰ কাৰণে সাজু কৰা হ'ল। ইয়াৰ আগতে আৰৱৰ কোনো যুদ্ধতে ইমান সৈন্যৰ সমাবেশ ঘটা নাছিল।

মদিনাৰ আৰৱ মুছলমানসকলে এই বিৰাট সমৰায়োজনৰ কথা জানিব পাৰি, যথেষ্ট ভয় খালে। নিজৰ সৈন্যবলৰ কথা চিন্তা কৰি মোহম্মদে যুদ্ধৰ অন্য বিকল্পৰ কথা চিন্তা কৰিলে। এনে সময়তে পাৰস্যৰ চলমান ফাৰ্চী নামৰ এজন লোকৰ পৰামৰ্শ অনুসৰি মদিনা চহৰৰ চাৰিওফালে বহল আৰু দ খাল খন্দাৰ ব্যৱস্থা কৰিলে।

মদিনা চহৰৰ পিছফালে আল্‌বা নামে পৰ্বত এটা আছিল। এইফাল বাদ দি মদিনাৰ বাকী তিনিওফালে খাল খন্দাৰ ব্যৱস্থা হ'ল। দিনে-ৰাতিয়ে তিনিহেজাৰ মুছলমান এই খাল খন্দাত লাগি থাকিল। খালৰ ভিতৰফালে খন্দা মাটিৰে এটা গড় বন্ধা হ'ল। আৰু তাৰ ওপৰত শিলৰ টুকুৰা জাপি ৰখা হ'ল। প্ৰায় ছহেজাৰ হাত দীঘল, দহ হাত দ আৰু দহ হাত বহলকৈ এই খন্দক বা খাল খন্দা হ'ল। এই খাল খন্দা কাৰ্য্যত আনৰ লগত হজৰত মোহম্মদেও

হাতত কোৰ লৈ, বেলচা লৈ খাল খন্দা কাৰ্য্যত যোগদান কৰিলে। কাম কৰা লোকসকলক উদগনি দিবৰ কাৰণে মোহম্মদে এক গীত এফাকি ৰচনা কৰি গোৱাইছিল।

এনেকৈ খাল খানি শত্ৰুপক্ষক বাধা দিয়াৰ সামৰিক কৌশল আছিল এক অভূতপূৰ্ব উদ্ভাৱন। তিৰোতা আৰু শিশুসকলক খালৰ কাষৰ পৰা অন্য ঠাইলৈ স্থানান্তৰ কৰা হ'ল। যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বৰ কাৰণে মদিনাবাসীসকল সন্তস্ত হ'ল। কুৰেইজাৰ লগত বণি কুৰেইজাৰ নিচিনা ইহুদীবিলাকেও যোগদান কৰাৰ কথা জানিব পাৰি মোহম্মদ স্তম্ভিত হ'ল। নিজৰ তিনিহেজাৰ সৈন্যৰ ভিতৰৰ পাঁচশ সৈন্যক ইহুদী লোক বাস কৰা অঞ্চলৰ ওপৰত তহলদাৰী কৰিবলৈ লগাই দিয়া হ'ল। লগত থকা বাকী আঢ়ৈহেজাৰ সৈন্য লৈ হজৰত মোহম্মদ শত্ৰুৰ মুখামুখি হ'বৰ কাৰণে সাজু হৈ ৰ'ল— মুকলি ৰণথলিত। সিফালৰ পৰা বহুগুণ বেছি সৈন্য-সামন্ত লৈ আবু চুফিয়ান আগুৱাই আহিল মদিনাৰ ফালে। সন্মুখত কোনো মুছলমান সৈন্য দেখা নেপাই মহা উৎসাহেৰে আবু চুফিয়ান আগুৱাই আহিল। আহি আহি থিয় হ'লহি সেই দ আৰু বহল খালৰ পাৰত। সকলো থমকি ৰৈ গ'ল। খালৰ পাৰৰ গড়ৰৰ ওপৰত থিয় দি আছে কাঁড়ী তীৰন্দাজ সৈন্যসকল। আবু চুফিয়ানৰ সৈন্য খালৰ বাহিৰ পাৰতে শিবিৰ পাতি ৰৈ গ'ল, আৰু এক অনিশ্চিত পৰিস্থিতিৰ সন্মুখীন হ'বৰ কাৰণে সাজু হৈ ৰ'ল।

কেইদিনমান যোৱাৰ পিছত কুৰেইছ পক্ষৰ আবু জেহেলৰ পুতেক আক্ৰামাই লগত অশ্বাৰোহী সৈন্য লৈ এফালেদি বাট উলিয়াই সোমাই আহিল। মুখামুখি হ'ল মহাবীৰ আলীৰ লগত। এই সুকণ্ডাইদিয়ে আমৰ নামে এজন কুৰেইছী ডেকা আগুৱাই আহি মুছলমানসকলক চিয়ঁৰি ৰণৰ আহ্বান জনালে, কিন্তু আমৰে আলীৰ তৰোৱালৰ আগত প্ৰাণ দিবলগীয়া হ'ল। নওফেল নামে আৰু এজন কুৰেইছীৰো মৃত্যু হ'ল। এটা ৰাতি তেনেকৈয়ে পাৰ হ'ল।

শিছদিনা কাহিনী পুৱাতে কুৰেইছ সৈন্যবিলাকে সমগ্ৰ সৈন্যদল লৈ আক্ৰমণ আৰম্ভ কৰিলে। কিন্তু খাল অতিক্ৰম কৰি পোনপটীয়া যুদ্ধ কৰাটো সম্ভৱ নহ'ল। আৰু এটা নিষ্ফল দিন পাৰ হৈ গ'ল।

মুছলমানসকলৰ দৃঢ়তা দেখি ইহুদীবিলাকো মুছলমানসকলক আক্ৰমণ

কোনো যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ অনা নাছিল, এইটো পবিত্ৰ মাহত মক্কাত কোনো সংঘাত-সংঘৰ্ষৰ আশংকা নাই। তেওঁলোক পবিত্ৰ উদ্দেশ্য লৈ, পবিত্ৰ মন লৈ, পবিত্ৰ তীৰ্থক্ষেত্ৰ অভিমুখে আহিছে। কাৰো বিৰুদ্ধে কোনো বৈৰীভাব নাই।

মক্কাৰ কুৰেইছবিলাক কিন্তু সিমান উদাৰ হ'ব নোৱাৰিলে। মোহম্মদৰ মক্কাযাত্ৰাত বাধা দিবৰ কাৰণে অস্ত্ৰেৰে সজ্জিত হৈ তেওঁলোক মদিনাৰ ফালে আগবাঢ়ি গ'ল। খালিদ্ আৰু আক্ৰামা আগবাঢ়িল দুশ অশ্বাৰোহী সৈন্য লৈ। হজৰত মোহম্মদে মক্কাৰ কুৰেইছসকলৰ অভিযানৰ কথা গম পালে। যাত্ৰাপথ সলনি কৰি হজৰত মোহম্মদ উক্ত অনুগামীসকলক লগত লৈ অন্য পথেৰে মক্কা অভিমুখে আগবাঢ়ি আহি হোদাইছিয়া নামে ঠাইত উপস্থিত হ'লহি। এই কথাৰ গম পাই কুৰেইছসকলেও মদিনাৰ পথ এৰি পুনৰ মক্কাৰ ফালে অভিযান আৰম্ভ কৰিলে।

ইতিমধ্যে বোদেইল, ওৰৱা, আদি কটকীৰ যোগে হজৰত মোহম্মদে জনাই দিলে যে তেওঁ হজ কৰিবৰ কাৰণেহে আহিছে, যুদ্ধ কৰিবৰ কাৰণে মক্কালৈ অহা নাই। কিন্তু কুৰেইছবিলাকে এই কথাত পতিয়ন যাবলৈ টান পালে। আৰু মোহম্মদৰ মক্কা যাত্ৰাক বাধা দিবলৈ সংকল্প দৃঢ় কৰিলে। মোহম্মদে কেইবাজনো বিশ্বস্ত কটকী পঠিয়ায়ো কুৰেইছসকলৰ মনত বিশ্বাস জন্মাব নোৱাৰিলে। অৱশেষত তেওঁ ওচ্মানক পঠিয়াই দিলে— আবু চুফিয়ানক লগ ধৰি তেওঁলোকৰ মক্কাযাত্ৰাৰ উদ্দেশ্য বুজাই দিবৰ কাৰণে আৰু এটা সন্ধিত উপনীত হ'বৰ কাৰণে। কিন্তু ওচ্মানৰ কথাত কোনো গুৰুত্ব নিদি কুৰেইছবিলাকে তেওঁক বন্দী কৰি ৰাখি থ'লে। অলপ দিনৰ ভিতৰতে বাতৰি প্ৰচাৰ হ'ল যে ওচমানক হত্যা কৰা হৈছে।

এই বাতৰি পাই অৱশেষত হজযাত্ৰাত বাধাদানকাৰী কুৰেইছবিলাকৰ বিৰুদ্ধে সেই ১৫০০ নিৰস্ত্ৰ মুছলমানে সামৰিক অভিযান চলোৱাৰ সিদ্ধান্ত ল'লে। কিন্তু এনে অৱস্থাতে ওচ্মান ঘূৰি আহিল।

ওচ্মানে মক্কালৈ গৈ আবু চুফিয়ানৰ ওচৰত মোহম্মদ আৰু তেওঁৰ সহযাত্ৰীসকলক কাবাত হজ কৰিবলৈ দিবলৈ অনুমতি দিবৰ কাৰণে অনুৰোধ জনাইছিলগৈ। কিন্তু সেই অনুৰোধ প্ৰত্যাখান কৰি আবু চুফিয়ানে ওচ্মানক

বন্দী কৰি থ'লে। এনে কাৰ্য্যত মক্কাৰ কিছুমান মানুহো বৰ অসন্তুষ্ট হ'ল, তেওঁলোকে মুছলমানসকলক হজ কৰাৰ অনুমতি নিদিলে, সমৰ্থন ত্যাগ কৰিব বুলি ভাবুকি দিলে।

অৱশেষত বহু আলোচনা-বিলোচনাৰ পিছত কুৰেইছসকলে সন্ধিৰ প্ৰস্তাৱ দি চুহেইল নামে এজন কূটকৌশলী মোহম্মদৰ ওচৰলৈ পঠিয়ালে। চুহেইলে আহি জনালেহি যে কুৰেইছে, সন্ধি কৰিবলৈ মান্তি হ'ব, কিন্তু সঙ্গীসকলেৰে সৈতে মোহম্মদ যি ঠাইত আছে, তাৰ পৰাই উভতি যাব লাগিব। এই কথা মোহম্মদৰ লগৰীয়াসকলে অপমানজনক বুলি বিবেচনা কৰিলে, আৰু সেই মনোভাৱৰ কথা তেওঁক জানিবলৈ দিলে। মোহম্মদে কিন্তু শান্তিৰ স্বাৰ্থত এনে চৰ্ত্ততো সন্ধি কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। অৱশেষত কুৰেইছসকল আৰু মুছলমানসকলৰ মাজত সন্ধি কৰাৰ সিদ্ধান্ত কৰা হ'ল। চৰ্ত্তবোৰ আছিলঃ

১) হজ নকৰাকৈয়ে মদিনাৰ মুছলমানসকল এই ঠাইৰ পৰাই ঘূৰি যাব।

২) পিছৰ বছৰ মুছলমানসকল মক্কাত হজ কৰিবলৈ আহিব পাৰিব। কিন্তু হজৰ তিনিদিন কুৰেইছসকল মক্কা এৰি অন্য ঠাইত থাকিবগৈ।

৩) হজযাত্ৰীসকলে আত্মৰক্ষাৰ কাৰণে প্ৰয়োজনীয় অস্ত্ৰ লগত আনিব পাৰিব, কিন্তু মুক্তভাৱে অস্ত্ৰ লৈ ফুৰিব নোৱাৰিব।

৪) মক্কাত থকা মুছলমানসকলক মোহম্মদে মদিনালৈ লগত লৈ যাব নোৱাৰিব।

৫) মদিনাৰ কোনো মানুহ কুৰেইছসকলৰ মাজলৈ আহিলে তেওঁলোকক মোহম্মদৰ ওচৰলৈ ঘূৰাই নপঠিয়াব, কিন্তু মক্কাৰ কোনো মানুহ মদিনালৈ গ'লে সিবিলাকক ঘূৰাই পঠাব লাগিব।

৬) আৰবৰ যিকোনো গোত্ৰৰ মানুহে ইচ্ছা কৰিলে মুক্তভাৱে মোহম্মদৰ লগত সন্ধি বা আপোচ কৰিব পাৰিব।

৭) দহ বছৰলৈ মুছলমান আৰু কুৰেইছসকলৰ মাজত কোনো যুদ্ধ-বিগ্ৰহ নেলাগিব।

উপৰোক্ত চুক্তিসমূহ সন্নিবিষ্ট কৰি হোদাইবিয়াৰ এই ঐতিহাসিক সন্ধি চুক্তিত দুয়ো পক্ষই স্বাক্ষৰ কৰিলে।

কৰিবলৈ বাহিৰ ওলাই নাহিল। কিন্তু নাহিল জানিবলৈ বিচৰাত ইহুদীবিলাকে জনালে যে সেইদিনা তেওঁলোকৰ Sabbath Day— প্ৰাৰ্থনাৰ দিন। সেইদিনা কোনোমতে যুদ্ধ কৰিব নোৱাৰে। এনে সমিধান পাই কুৰেইছসকল বৰ ক্ৰুদ্ধ হ'ল— ইহুদীৰ বিৰুদ্ধে।

তেতিয়া ভীষণ জাৰ পৰিছিল। ৰছদ-পাতি কমি আহিছিল। এদিন বা দুদিনতে মদিনা জয় কৰি ঘূৰি যাম বুলি অহা কুৰেইছ সৈন্য দুসপ্তাহ কালৰ পাৰতে বৈ থকাৰ পিছত ঘূৰি যোৱাৰ কথাকে চিন্তা কৰিবলগীয়াত পৰিল। ৰাতি ধুমুহা-বৰষুণ আহিল। কুৰেইছৰ সৈন্য শিবিৰ, ৰছদ-পাতি ধ্বংস হৈ গ'ল। এতিয়া আৰু ৰাতা-ৰাতি অহাবাটেই ঘূৰি যোৱাৰ বাহিৰে গত্যন্তৰ নাই।

পিছদিনা ৰাতিপুৱা দেখা গ'ল— কুৰেইছ শিবিৰৰ চিনচাব নাই। সকলো নিস্ক্ৰান্ত, বস্তু বাহানি থান্‌বান হৈ পৰি আছে। চোৰাংচোৱা পঠিয়াই আক্ৰমণকাৰী কুৰেইছবিলাক আছে নে গ'লগৈ ভু-লোওৱা হ'ল চোৰাংচোৱাৰ মুখৰপৰা আক্ৰমণকাৰীসকলক উভতি যোৱাৰ নিশ্চিত বাতৰি পাই, হজৰত মোহম্মদে নিজৰ সৈন্যসকলক ঘৰাঘৰি উভতি যাবলৈ নিৰ্দ্দেশ দিলে।

খন্দকৰ যুদ্ধৰ সময়ত পূৰ্ব্বে মদিনাবাসী মুছলমানসকলৰ লগত কৰা সন্ধিৰ চুক্তি ভঙ্গ কৰি ইহুদীবিলাকে বিশ্বাসঘাতকতা কৰিলে। এই অভিজ্ঞতাৰ ভিত্তিত মোহম্মদে এই ইহুদীবিলাকৰ বিশ্বাসঘাতকতাৰ বিৰুদ্ধে কাৰ্য্য-ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে বণি-কুৰেইজা ফৈদৰ থকা ঠাই অৱৰোধ কৰিলে। প্ৰায় দুসপ্তাহ কাল অৱৰুদ্ধ হৈ থকাৰ পিছত ইহুদীবিলাকে সন্ধি কৰিবলৈ বিচাৰিলে। কিন্তু এবাৰ সন্ধিৰ চুক্তি ভঙ্গ কৰা লোকসকলক সহজে বিশ্বাস কৰিবলৈ টান দেখি নিৰপেক্ষ বিচাৰকৰ ওপৰত ইহুদীবিলাকৰ সন্ধি-চুক্তি ভঙ্গ কৰা অপৰাধৰ বিচাৰৰ দায়িত্ব অৰ্পণ কৰিলে। ছাদ বিন্ মা'জ নামৰ এজন বিশিষ্ট ব্যক্তিয়ে ইহুদীসকলৰ ধৰ্ম্মগ্ৰন্থ তৌৰাতৰ বিধান অনুসৰি যি সিদ্ধান্ত ঘোষণা কৰিলে, সেই সিদ্ধান্তৰ ৰায় উভয় পক্ষই মানি ল'লে। বিনা কাৰণত নিজে কৰা চুক্তি ভঙ্গ কৰাৰ অপৰাধৰ কাৰণে প্ৰাপ্য শাস্তি ইহুদীবিলাকে ভোগ কৰিবলগীয়া হ'ল, বাকীবিলাকক— তিৰোতা, শিশু, বৃদ্ধ আদিক ক্ষমা কৰা হ'ল, আৰু তেওঁলোকক নিজস্ব মৰ্য্যাদা আৰু অধিকাৰ লৈ জীৱন-যাপন কৰাৰ মুকলি সুযোগ দিয়া হ'ল।

খন্দকৰ যুদ্ধই হজৰত মোহম্মদৰ শক্তি আৰু প্ৰভাৱৰ এক নতুন নিদৰ্শন দাঙি ধৰিলে। মোহম্মদ-বিৰোধী আৰু ইছলাম-বিৰোধী কুৰেইছ, ইহুদী, বেদুইন, পৌত্তলিক আদি জনগোষ্ঠীবোৰে নিজৰ শক্তিৰ সীমাবদ্ধতা উপলব্ধি কৰিলে। আনহাতে মুছলমানসকলেও নিজৰ শক্তি, বীৰত্ব আৰু অপৰাজেয় মনোবলৰ বিষয়ে সচেতন হৈ নতুন উদ্যমেৰে নিজৰ জয়যাত্ৰা জীয়াই ৰখাৰ সংকল্প গ্ৰহণ কৰিলে।

হিজৰতৰ ছটা সংঘাতপূৰ্ণ বছৰ পাৰ হৈ গ'ল। মক্কাৰ পৰা ঘৰ-বাৰী, ল'ৰা-ছোৱালী এৰি হজৰত মোহম্মদৰ লগত আহি মদিনাত বসবাস কৰিবলৈ লোৱা মুছলমানসকলৰ স্বাভাৱিকতে নিজ ঠাইলৈ ঘূৰি যোৱাৰ ইচ্ছা জন্মিল। এই সেইবছৰ তেওঁলোকে মক্কাৰ কাবা মন্দিৰ দৰ্শন কৰিবলৈ বা হজ কৰিবলৈ পোৱা নাই। মদিনাবাসী মুছলমানসকলো এবাৰ কাবা দৰ্শন কৰিবলৈ উদগ্ৰীৱ হৈ উঠিছিল। হজৰত মোহম্মদৰ মনতো কাবা দৰ্শন কৰাৰ হেঁপাহ নজন্মাকৈ থকা নাছিল।

ইতিমধ্যে জিল্‌কদ মাহ আহি পাইছিলহি। এই মাহত আৰবৰ লোকসকলে কোনো যুদ্ধ-বিবাদ নকৰে। মক্কাৰ চঊদিশে এই মাহত ৰক্তপাত নিষিদ্ধ। যিকোনো ধৰ্মৰ মানুহেই আহি এই মাহত মক্কাত হজ কৰিবহি পাৰে। কোনোৱে বাধা নিদিয়ে।

অৱশেষত দিন ধাৰ্য্য কৰা হ'ল। ১৫০০ ছাহাবীক লগত লৈ হজৰত মোহম্মদ মদিনাৰ পৰা মক্কা অভিমুখে ৰাওনা হ'ল, সকলোৰে মনত আনন্দ। সকলোৰে মনত সমবেত আনন্দধ্বনি- "লাব্বেইকা, লব্বেইকা, আল্লাহুমা, লব্বেইক।"

"আল্লাহ, আমি আহিছো
তোমাৰ ঘৰৰ দুৱাৰদলিত
আহি আমি থিয় হৈছোহি..."

এই যাত্ৰীসকলে লগত কোৰবানিৰ কাৰণে অনা ৭০ টা উটৰ বাহিৰে

থাকিব, কিন্তু তেওঁলোকৰ ধন-সম্পত্তি, মাটি-বাৰীৰ পূৰ্ণ-দখলীস্বত্ব ইহুদীসকলৰ হাতত থাকিব।

৪) ৰাজহ স্বৰূপে উৎপাদিত শস্যৰ আধাভাগ মদিনাৰ মুছলমান চৰকাৰলৈ পঠাব লাগিব।

৫) শস্যৰ বাহিৰে অন্য কোনো কৰ-কাটল ইহুদীসকলে দিবলগীয়া নহ'ব।

এই সন্ধিৰ যোগে খাইবাৰৰ ইহুদী আৰু মদিনাৰ মুছলমানসকলৰ মাজত মৈত্ৰীৰ সম্পৰ্ক গঢ়ি উঠাৰ এটা পৰিবেশ গঢ়ি উঠিল যদিও কিছুমান ইহুদীয়ে মোহম্মদৰ প্ৰতি শত্ৰুতাৰ মনোভাৱ এৰি দিব নোৱাৰিলে। যিকোনো উপায়ে মোহম্মদৰ জীৱন নাশ কৰিবৰ চিন্তা কৰিলে। জয়নব নামৰ এগৰাকী ইহুদী মহিলাই মোহম্মদৰ লগত ভাল সম্পৰ্ক গঢ়ি তোলাৰ চতুৰ অভিনয় কৰি তেওঁৰ নিজৰ ঘৰত আহাৰ কৰিবৰ কাৰণে সাদৰেৰে হজৰত মোহম্মদক আৰু দুজনমান চাহাবীক নিমন্ত্ৰণ কৰি মাতি নিলে, আৰু সুন্দৰকৈ মাংস ৰান্ধি খাবলৈ দিলে। বছৰ নামৰ এজন চাহাবীয়ে দুডোখৰমান মাংস খালে। মোহম্মদে মাংস মুখত দিয়ে বুজিব পাৰিলে যে মাংসত বিহ মিহলোৱা আছে। মোহম্মদে মাংস খোৱা বন্ধ কৰি জয়নবক মাতি আনি মাংসত বিহ দিছে নে নাই সুধিলে। জয়নবে ক'লে "দিছো। তুমি আল্লাৰ ৰছুল বুলি দাবী কৰা। সেয়ে যদি হোৱা মাংসত বিহ মিলাইছোনে নাই, আগতেই তুমি গম পোৱা নে নোপোৱা তাকে প্ৰমাণ কৰিবৰ কাৰণে মই এই কাম কৰিছিলোঁ। কিন্তু মাংস মুখত দিয়াৰ আগতে সেই কথা তুমি ধৰিব নোৱাৰিলা। গতিকে তুমি সঁচা পয়গম্বৰ নোহোৱা, তুমি বিহ দিয়া মাংস খাইছা, তুমি মৰিবা।"

হজৰত মোহম্মদৰ বিহ মিহলোৱা খাদ্য খায়ো মৃত্যু নহ'ল। কিন্তু লগত যোৱা বছৰ নামৰ চাহাবীজনৰ সেই মাংস খাই লগে লগে মৃত্যু হ'ল।

অভিসন্ধিৰ কথা স্বীকাৰ কৰাৰ কাৰণে জয়নবক হজৰত মোহম্মদে ক্ষমা কৰিলে। কিন্তু এজন নিৰ্দোষ মানুহৰ বিহ খুৱাই মৃত্যু ঘটোৱাৰ কাৰণে বিধিগতভাৱে মোহম্মদে জয়নবক মৃত্যু দণ্ড দিলে।

সেই সময়ত হজৰত মোহম্মদ তেতিয়াৰ মুছলমান প্ৰশাসনৰ অধিকৰ্তা আছিল। ব্যক্তিগতভাৱে জয়নবক ক্ষমা কৰিলেও, আইনৰ প্ৰৱৰ্তক আৰু

প্ৰশাসনৰ দায়িত্বত থকা বিচাৰক হিচাপে তেওঁ এজনী হত্যাকাৰিণীক উচ্চ দণ্ড নিদি নোৱাৰিলে। সেয়ে জয়নবক আইন অনুসৰি প্ৰাণদণ্ড দিবলগীয়া হ'ল।

খাইবাৰৰ যুদ্ধই মুছলমানসকলক ইহুদীসকলৰ ওপৰতো বিজয়ী কৰি প্ৰতিষ্ঠা কৰিলে। মুছলমানৰ অধিকাৰৰ সীমাৰ ভিতৰত চিৰীয়াৰ প্ৰান্তবৰ্ত্তী খাইবাৰো সোমাই পৰিল।

ইয়াৰ পিছত এটা বছৰ পাৰ হৈ গ'ল। পূৰ্ব্বৰ বছৰত স্থগিত ৰাখিবলগীয়া হোৱা মক্কাৰ হজ এইবাৰ সম্পন্ন কৰিবৰ কাৰণে হজৰত মোহম্মদে ইচ্ছা কৰিলে। ইয়াৰ কাৰণে দুহেজাৰজন মুছলমান হজ কৰিবৰ কাৰণে সাজু হ'ল। লগত কোৰবানি কৰিবৰ কাৰণে ষাঠিটা উট লৈ হজৰতে ভক্তসকলক লৈ হজ যাত্ৰা আৰম্ভ কৰিলে। সন্ধিৰ চৰ্ত্ত অনুসৰি তেওঁলোকে গাই প্ৰতি একোখন তৰোৱাল ফাকত ভৰাই হজীৰ বেশ-ভূষাৰে যাত্ৰা কৰিলে। পিছে আগৰ দৰে কুৰেইছবিলাকে বিশ্বাসঘাতকতা কৰি কিবা অঘটন ঘটাই বুলি মোহম্মদে আগতীয়াকৈ দুশজন বীৰ- যোদ্ধাক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত কৰি আগতে মক্কাৰ ফালে পঠিয়াই দিলে। আৰু হজযাত্ৰীসকলৰ কাৰণে ঠাই বিশেষত অপেক্ষা কৰিবলৈ নিৰ্দ্দেশ দিলে। হজৰত নিজে আলকাচ্‌ৱা নামৰ উটত উঠি আগে আগে আৰু পিছত দুহেজাৰ মক্কা অভিমুখী হজযাত্ৰী। সদলবলে অভিযাত্ৰীসকল আহি মক্কাত প্ৰৱেশ কৰিলে আৰু যি মাত্ৰই তেওঁলোকৰ চকুত পৰিল কাবাৰ পবিত্ৰ উপসনা গৃহ, হজৰত মোহম্মদে আনন্দত চিঞঁৰি উঠিল- "লব্বেইকা, লব্বেইকা, আল্লাহুম্মা লব্বেইক।- হে আল্লা, আমি আহি পালোহি, আমি পালোহি।..."

মক্কাৰ কাবা ছৰিফত হজ কৰা নহ'ল। হোদাইবিয়াতেই মুছলমানসকলে হজৰ অনুষ্ঠান সমাপন কৰিলে। তাতেই লগত অনা উটবোৰ কোৰবানি কৰিলে। তাৰ পিছত তেওঁলোক মদিনালৈ ঘূৰি গ'ল।

চিৰীয়াৰ কাষৰীয়া এডোখৰ ঠাই আছিল খাইবাৰ। মৰুভূমি নহয়, গছেপাতে সেউজীয়া ঠাই। তাত আগৰে পৰা ইহুদীসকলে বসবাস কৰিছিল। মদিনাৰ পৰা আহি বণি কাইনুকা আৰু বণি নাজিৰ বংশৰ ইহুদীসকলে ইয়াতে আশ্ৰয় লৈ আছিল। ঠাইখন চউদিশে দুৰ্গেৰে সুৰক্ষিত আছিল।

খাইবাৰবাসী ইহুদীসকলে মদিনাবাসী মুছলমান আৰু কুৰেইছসকলৰ মাজত সংঘৰ্ষ লগাই দি তাৰ ফলত উপকৃত হোৱাৰ চিন্তা কৰি আছিল।

খন্দক যুদ্ধৰ পিছত কুৰেইছসকল কিছু দুৰ্ব্বল হৈ পৰিছিল। আনহাতে ওহূদ যুদ্ধত মুছলমানসকলবো যথেষ্ট শক্তিক্ষয় হৈছিল। এনে অৱস্থাত, দুয়ো পক্ষই, পক্ষৰ দুৰ্ব্বলতাৰ সুযোগ লৈ এই সময়তে মদিনা আক্ৰমণ কৰি জয়ী হোৱাৰ খৰতকীয়া পৰিকল্পনা কৰিছিল খাইবাৰৰ ইহুদীসকলে, ইতিমধ্যে কুৰেইছ আৰু মুছলমানৰ মাজত সংঘৰ্ষ লাগিলে, খাইবাৰৰ ইহুদীয়ে তাৰ পৰা নিজৰ লাভ আদায় কৰিব পাৰিব— এয়াই আছিল চিন্তা।

বণি কাইনুকা আৰু বণি নাজিৰ ফৈদৰ ইহুদীসকলৰ লগত গৎফান ফৈদৰ লোকসকলে একেলগ হৈ মদিনাৰ মুছলমানসকলক আক্ৰমণ কৰাৰ ব্যাপক সমৰ আয়োজন কৰাত ব্যাস্ত হৈ পৰিল। প্ৰথমে মুছলমানসকলৰ লগত সৰু সৰু সংঘৰ্ষ আৰু আক্ৰমণৰ যোগেদি নিজৰ বল-শক্তিৰ পৰীক্ষা কৰা আৰম্ভ কৰিলে। মুছলমান বেপাৰীৰ কাফিলাক বাটতে আক্ৰমণ কৰা, হঠাৎ মদিনা প্ৰান্তত আক্ৰমণ চলাই হজৰতৰ উট কাঢ়ি নিয়া আদি সৰু সুৰা আক্ৰমণ চলাই গ'ল। এনেবোৰ কাৰ্য্যক বাধা দিবৰ কাৰণে হজৰত মোহম্মদে প্ৰতিবিধান কৰিবলগীয়া হৈছিল — হজৰত আলিৰ নেতৃত্বত ফদক অভিযান আৰু জায়েদৰ

নেতৃত্বত ৱাদিল কোৱা অভিযান পঠিয়াবলগীয়া হৈছিল- ইহুদীসকলৰ কু-অভিসন্ধিক বাধা দিবৰ কাৰণেই।

কিন্তু ইহুদীসকলে হজৰত মোহম্মদক পৰাস্ত কৰিবৰ কাৰণে মুকলি যুদ্ধ ঘোষণা কৰাত আৰু পলম নকৰিলে। মদিনা আক্ৰমণ কৰাৰ অভিপ্ৰায়ৰ কথা ইহুদীসকলে ঘোষণা কৰিলে। মোহম্মদ এই সংকটৰ সন্মুখীন হ'বৰ কাৰণে সাজু হ'ল। দুশ অশ্বাৰোহী সৈন্য আৰু চৈধ্যশ পদাতিক সৈন্য লৈ তেওঁ খাইবাৰ অভিমুখে সমৰ অভিযান কৰিলে। এই অভিযান বৰ আকস্মিক আৰু দ্ৰুত আছিল। খাইবাৰৰ ইহুদীসকল এনে আক্ৰমণৰ কাৰণে সাজু নাছিল। তেওঁলোক দুৰ্গৰ ভিতৰলৈ সোমাই গ'ল। ইহুদীক সহায় কৰিবলৈ গৎফানসকলো আগবাঢ়ি নাহিল।

যুদ্ধ এৰাই চলিবৰ কাৰণে মোহম্মদে সন্ধি কৰাৰ চেষ্টা কৰিলে। কিন্তু ইহুদীসকল মান্তি নহ'ল। তেতিয়া যুদ্ধ অনিবাৰ্য্য হৈ পৰিল। মুছলমান সৈন্যসকল আগবাঢ়ি গ'ল। কেইবাটাও ইহুদী দুৰ্গৰ পতন ঘটিল। শেষত ইহুদীসকলে আশ্ৰয় লৈ থকা কামুছ নামৰ দুৰ্গ আক্ৰমণ কৰিলে, যিটো পক্ষৰ বীৰ সেনাপতিৰ সন্মুখীন হ'বলগীয়া হ'ল আমৰ, মছলামা আদি মুছলমান যোদ্ধাসকল। আলী জুবেইৰ আদি যুদ্ধাসকলে বীৰত্বেৰে শত্ৰু পক্ষক আক্ৰমণ কৰিলে।

এই কামুছৰ যুদ্ধত আবু বকৰ, ওমৰ আৰু শেষত বীৰ-যোদ্ধা হজৰত আলীয়ে যুদ্ধৰ নেতৃত্ব কৰিলে। তিনিদিন যুদ্ধৰ পিছত মুছলমানৰ হাতত কামুছ দুৰ্গৰ পতন ঘটিল। এই যুদ্ধত মুছলমানৰ ১৯ জন আৰু ইহুদীৰ ৯২ জন সৈন্য নিহত হ'ল। তিনি সপ্তাহ দুৰ্গৰ ভিতৰত অৱৰুদ্ধ থকাৰ পিছত ইহুদীবিলাকে হজৰত মোহম্মদৰ ওচৰত পৰাজয় স্বীকাৰ কৰি আত্ম-সমৰ্পণ কৰিলে। ইয়াৰ পিছত কোনো প্ৰতিশোধৰ ভাব নেৰাখি ইহুদীসকলৰ লগত শান্তিৰ সম্পৰ্ক গঢ়ি তোলাৰ উদ্দেশ্যে মোহম্মদে এক শান্তি চুক্তিৰ প্ৰস্তাৱ আগবঢ়ালে। তাৰ চৰ্ত্ত কেইটামান আছিলঃ

১) ইহুদীসকলে আগৰ দৰেই নিজ ধৰ্ম্ম পালন কৰি যাব। তাত কোনোৱেই বাধা নিদিয়ে।

২) তেওঁলোকক কোনো যুদ্ধ কৰিবৰ কাৰণে বাধ্য কৰোৱা নহ'ব।

৩) ইহুদীসকলৰ সকলো ভূ-সম্পত্তি মদিনাৰ মুছলমান চৰকাৰৰ অধীনত

তেন্তে আব্দুল্লাই সেনাপতিৰ দায়িত্ব ল'ব। যদি তেওঁৰো মৃত্যু ঘটে, তেন্তে মুছলমানসকলে নিজৰ সেনাপতি নিজে নিৰ্বাচন কৰি ল'ব।

এনে ব্যৱস্থা কৰি হজৰত মোহম্মদে সৈন্য দলক কিছু দূৰ আগবঢ়াই দি আৰু কিছু উপদেশ নিৰ্দ্দেশ দি ঘূৰি আহিল।

চিৰীয়াৰ সীমান্ত পোৱাৰ লগে লগে জায়েদে জানিব পাৰিলে যে স্বয়ং ক্ৰায়ছাৰৰ পৰিচালনাত এক লাখ খ্ৰীষ্টান সৈন্য ম'আব নামে ঠাইত যুদ্ধ কৰিবৰ কাৰণে সাজু হৈ ৰৈ আছে। এফালে এক লাখ সুসজ্জিত খ্ৰীষ্টান সৈন্য, আনফালে কেৱল তিনি হেজাৰ মুছলমান সৈন্য। এনে এক পৰিস্থিতিত কি কৰা উচিত সেই সম্পৰ্কে কিছু চিন্তা কৰি অৱশেষত যুদ্ধ কৰাটোকে থিক কৰিলে। যুদ্ধত মৃত্যু হ'লেও শ্বহীদৰ সন্মান আৰু মৰ্য্যাদা লাভ কৰিব — এয়ে হ'ল প্ৰেৰণাৰ মূল বস্তু।

মূ'তা নামে ৰণথলিত দুয়ো পক্ষ মুখামুখি হ'ল। প্ৰচণ্ড যুদ্ধ আৰম্ভ হ'ল। ইছলামৰ ধ্বজাবাহী সেনাপতি জায়েদ ৰণত পৰিল। তাৰ পিছত নেতৃত্বৰ দায়িত্ব ল'লে জাফৰে। জাফৰো মৃত্যু হ'ল। তেতিয়া দায়িত্ব ল'লে আব্দুল্লাই। কিন্তু তেওঁও সৰহ পৰ তিষ্ঠিব নোৱাৰিলে। তেওঁৰো মৃত্যু হ'ল।

তেতিয়া খৰখেদাকৈ কিছু আলোচনা কৰি যুদ্ধ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হ'ল খালিদৰ ওপৰত। তেওঁৰ বীৰত্বৰ ওপৰত কাৰো সন্দেহ নাছিল। নতুন উদ্দীপনা লৈ মুছলমানসকল যুঁজিবৰ কাৰণে আগ বাঢ়িল। কিন্তু প্ৰতিপক্ষৰ সৈন্য বলৰ সন্মুখত ৰণ কৰি জয়ী হোৱাৰ সম্ভাৱনা নেদেখি খালিদে তেওঁৰ সৈন্যদলক ৰক্ষা কৰিবৰ কাৰণে অন্য পথেদি আঁতৰি উভতি আহিল।

মোহম্মদে এনে এটা পৰিস্থিতিৰ সম্ভাৱনাৰ আশঙ্কা কৰিয়েই এদল সৈন্যক খালিদৰ সৈন্যদলৰ লগ লাগিবলৈ খৰখেদাকৈ আগ বঢ়াই পঠিয়ালে। আকৌ যুদ্ধ লাগিল। এক নতুন দৃঢ়তা, আৰু মনোবল লৈ মুছলমান সৈন্যসকলে মৰো-জীও সো-আধিকৈ যুদ্ধ কৰিলে। এই শক্তিৰ সন্মুখত খ্ৰীষ্টান সৈন্যসকল তিষ্ঠিব নোৱাৰিলে। সিহঁতে ছত্ৰভঙ্গ দিলে।

মুছলমানসকল মূ'তাৰ এই যুদ্ধত বিজয়ী হ'ল। কিন্তু ৰণত জয়ী হ'ল যদিও, জায়েদ, জাফৰ আদি বীৰৰ যুদ্ধক্ষেত্ৰত হোৱা মৃত্যুৰ কাৰণে মোহম্মদে মৰ্ম্মান্তিক দুখ আৰু আঘাত পালে। তেওঁ জায়েদ আৰু জাফৰৰ ঘৰলৈ গৈ

তেওঁলোকৰ ল'ৰা-ছোৱালী আৰু পৰিবাৰবৰ্গক সান্ত্বনা দিলেগৈ। এনে কৰোতে কিন্তু তেওঁ স্থিৰে থাকিব নোৱাৰিলে। তেওঁৰ দুচকুৰেদি তপত চকুলোৰ ধাৰা বৈ আহিল। তেওঁৰ চকুত চকুলো দেখি তেওঁক নেকান্দিবলৈ অনুৰোধ কৰা চাহাবীজনক হজৰতে ক'লে, "এইয়া বন্ধু বিয়োগৰ চকুলো। কোনো অপৰাধৰ চকুপানী নহয়।"

হোদাইবিয়াৰ সন্ধি কৰাৰ পিছত দুটা বছৰ পাৰ হৈ গ'ল। অষ্টম হিজৰী চন পালেহি। তেতিয়া ৰমজান মাহ। সন্ধিৰ এটা চুক্তি আছিল যে আৰবৰ কি কোনো গোত্ৰৰ মানুহেই ইচ্ছা কৰিলে হজৰত মোহম্মদৰ লগত নাইবা কুৰেইছসকলৰ লগত মুক্তভাৱে যোগাযোগ ৰক্ষা কৰিব পাৰিব আৰু তাত কোনো পক্ষই বাধা দান নকৰে। এনে চৰ্তৰ ভিতিত্তুতে মক্কাৰ খোজা সম্প্ৰদায়ৰ লোকে গৈ মোহম্মদৰ পক্ষ ল'লে আৰু বণি বকৰ নামৰ সম্প্ৰদায়ৰ লোকে কুৰেইছৰ লগত যোগদান কৰিলে। আগৰেপৰা এই দুটা সম্প্ৰদায়ৰ মাজত শত্ৰুতা আৰু বিদ্বেষৰ ভাব জীৱন্ত হৈ আছিল। এতিয়া মক্কাৰ খোজা সম্প্ৰদায়ৰ লোকে মদিনাবাসী মোহম্মদৰ পক্ষত যোগদান কৰাৰ কাৰণে কুৰেইছবিলাক ক্ষুব্ধ হৈ পৰিল, এদিন ৰাতিৰ নামে ঠাইত থকা খোজা সম্প্ৰদায়ৰ লোকসকলক বণি বকৰ পক্ষৰ লোকে আকস্মিকভাৱে আক্ৰমণ কৰি ভালেমান নৰ-নাৰীৰ প্ৰাণ বধ কৰিলে। বহুতে পলাই গৈ কাবা মন্দিৰৰ ভিতৰ সোমাই আত্মৰক্ষা কৰিবৰ চেষ্টা কৰিছিল যদিও তাতো গৈ খোজাবিলাকৰ বহুতকে অতি নিষ্ঠুৰভাৱে হত্যা কৰিলেগৈ।

তেতিয়া খোজাসকলে ৰক্ষা পৰিবৰ কাৰণে মোহম্মদৰ আশ্ৰয় বিচাৰিলে। নিৰীহ এই লোকসকলক ৰক্ষা কৰিবৰ কাৰণে মোহম্মদে পোনপটীয়া প্ৰতিব্যৱস্থা নকৰি, তেওঁ বণি বকৰ ফৈদৰ লোকৰ ওচৰলৈ কেইটামান চৰ্ত আগবঢ়াই কটকী পঠিয়ালে। কটকীয়ে চৰ্তসহ বাৰ্ত্তা আগবঢ়ালে—

১। হয় তোমালোকে খোজা সম্প্ৰদায়ৰ লোকৰ লগত সকলো প্ৰকাৰৰ সম্পৰ্ক ছিন্ন কৰা।

হজৰত মোহম্মদৰ মক্কা প্ৰবেশৰ বাতৰি পোৱাৰ লগে লগে মক্কাৰ কুৰেইছবিলাক গৈ ওচৰৰ পৰ্ব্বতত লুকালগৈ, মুলতুবী হজ আদায় কৰিবৰ কাৰণে মুছলমানসকলৰ মক্কাত প্ৰৱেশ আৰু কাবাত হজ সম্পন্ন কৰাৰ পন্থতিয়ে যেন মোহম্মদবে জয় সূচনা কৰিলে। মুছলমানসকলে মক্কাত এৰি থৈ যোৱা ঘৰ-বাৰীবোৰ জনশূন্য হৈ পৰি থকা দেখা পাই বেদনা অনুভৱ কৰিলে যদিও, সেইবিলাকত সোমাই ল'বৰ চেষ্টা নকৰি, তম্বু পাতি তাতেই থাকিল।

ভক্তসকলক লগত লৈ হজৰত মোহম্মদ কাবাগৃহত প্ৰবেশ কৰিলে। ওপৰলৈ উঠি বিলালে উচ্চ কণ্ঠে আজান দিলে। সকলো মুছলমান একেঠাই হ'ল। মোহম্মদে সকলোকে লৈ কাবাৰ ভিতৰত জাহোৰৰ নামাজ আদায় কৰিলে। এনে দৃশ্য দেখি কুৰেইছবিলাক ক্ৰুদ্ধ হৈ উঠিছিল যদিও, কোনো সংঘৰ্ষ নহ'ল।

হজৰতে যথাৰীতি হজ সমাপন কৰিলে। তাৰ পিছত কাবাগৃহৰ পৰা বাহিৰ ওলাই গৈ ছাফা আৰু মৰৱা পৰ্ব্বত প্ৰদক্ষিণ কৰি, তাতেই লগত নিয়া উটবোৰ কোৰবানি কৰিলে।

তিনি দিন পাৰ হৈ যোৱাৰ পিছত কুৰেইছবিলাক ঘূৰি আহি মোহম্মদক মক্কাৰ পৰা যাবলৈ দাবী জনালে। মোহম্মদে কথা দিয়া মতে মক্কাৰ পৰা প্ৰস্থান কৰিলে। মক্কালৈ আহিও মুছলমানসকল তাত বৈ নগৈ পুনৰ মদিনালৈ ঘূৰি গ'ল।

এই হজ যাত্ৰাৰ প্ৰতিক্ৰিয়া মক্কাৰ কুৰেইছসকলৰ ওপৰত নোহোৱাকৈ থকা নাছিল। বীৰ যোদ্ধা খালিদ আবু আমৰ হবনুল আছে আৰু কাবাগৃহৰ দুৱাৰৰ চাবিকাঠিৰ ৰক্ষক ওচ্মান বিন্ তালহাই মদিনালৈ গৈ ইছলাম ধৰ্ম্মত দীক্ষিত হ'ল।

হজৰত মোহম্মদৰ এই মক্কা অভিযান এক সফল জয়যাত্ৰা ৰূপেই বিবেচিত হ'ল।

মক্কাৰ পৰা মদিনালৈ ঘূৰি অহাৰ পিছত হজৰত মোহম্মদে বনি চালেম গোষ্ঠীৰ খ্ৰীষ্টানসকলক ইছলাম গ্ৰহণ কৰিবৰ কাৰণে আহ্বান জনাই ৫০ জন মুছলমান প্ৰচাৰক পঠাইছিল। কিন্তু ধৰ্মান্তৰ গ্ৰহণ কৰাৰ পৰিবৰ্তে বনি চালেমহঁতে এই মুছলমানসকলক হত্যা কৰিলে। এই হত্যাকাণ্ডৰ পিছত অৱশ্যে সিবিলাকে নিজৰ ভুল বুজিব কাৰি ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলে।

চিৰীয়াৰ কাষৰ জাত আট্লা নামে ঠাইৰ লোকসকলক ইছলাম গ্ৰহণ কৰিবৰ কাৰণে আহ্বান জনাবৰ কাৰণে মোহম্মদে ১৪ জন প্ৰচাৰক পঠাইছিল। ইয়াৰ ১৩ জনকে আন পক্ষই হত্যা কৰিলে।

এই সময়তে হাৰিছ বিন্ ওমাইৰ নামে এজন কটকীক মোহম্মদে বছৰাৰ শাসনকৰ্ত্তাৰ ওচৰলৈ পঠাইছিল — ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিবৰ কাৰণে পত্ৰ হাতত দি। কিন্তু হাৰিছক মূ'তা নামে ঠাইত ছোৰাহ্ নামে এজন খ্ৰীষ্টানে বন্দী কৰি হত্যা কৰিলে।

ৰোমৰ শাসনকৰ্ত্তা হিৰাক্লিয়াচ প্ৰথমে যদিও মোহম্মদ বা ইছলামৰ বিৰোধী নাছিল, পিছলৈ তেওঁ দুৰ্ঘোৰ ইছলাম-বিৰোধী হৈ উঠিল। সেই সময়ত চিৰীয়াৰ শাসনকৰ্ত্তা আছিল ফাৰোৱা নামে এজন আৰব খ্ৰীষ্টান। তেওঁ ইছলাম ধৰ্ম্ম গ্ৰহণ কৰাৰ বিষয়ে জানিব পাৰি, পুনৰ খ্ৰীষ্ট ধৰ্ম্মলৈ ঘূৰি যাবলৈ কৈ সফল হ'ব নোৱাৰি হিৰাক্লিয়াচে তেওঁক মৃত্যুদণ্ড দি বধ কৰায়।

ইয়াৰ লগে লগে খ্ৰীষ্টীয়ানবিলাকে মদিনা আক্ৰমণ কৰিবৰ কাৰণে গোপনে প্ৰস্তুতি চলাই যাব ধৰিলে। এনে আক্ৰমণ প্ৰতিৰোধ কৰিবৰ কাৰণে হজৰত মোহম্মদে তিনি হেজাৰ সৈন্য সাজু কৰি মূ'তাৰ ফালে আগুৱাই পঠিয়ালে। হজৰতৰ তোলনীয়া পুতেক জায়েদকে এই অভিযানকাৰী দলৰ অধিনায়ক কৰিলে। জায়েদ আছিল এক ক্ৰীতদাস, আৰু অভিযানকাৰী সৈন্য বাহিনীত আছিল সম্ভ্ৰান্ত অভিজাত বংশৰ মোহাজিৰ আৰু আনছাৰসকল। এওঁলোকৰ ভিতৰত আছিল আলীৰ ভায়েক জাফৰ, কবি আব্দুল্লাহ বিন্ ৰাৱাহা, আৰু নতুনকৈ ইছলামত দীক্ষিত হোৱা খালিদ আদি। হ'ব ধৰা যুদ্ধখনৰ পৰিণাম কেনে হ'ব সেই বিষয়ে নিশ্চিত হ'ব নোৱৰাৰ কাৰণে মোহম্মদে কেৱল এজনকে সেনাপতি নেপাতি, এনে ব্যৱস্থা কৰিলে যে ৰণত যদি জায়েদৰ মৃত্যু হয়, তেন্তে তেওঁৰ ঠাইত জাফৰ নেতা হ'ব। জাফৰৰ যদি মৃত্যু হয়,

আবু চুফিয়ানে গৈ ঘোষণা কৰি সকলোকে জনাই দিলে যে তেওঁ আৰু কুৰেইছৰ নেতা নহয়। তেওঁ মোহম্মদৰ ধৰ্ম্ম ইছলামত দীক্ষা লৈছে। যিসকল কুৰেইছ মোহম্মদৰ দহ হেজাৰ সৈন্যৰ পৰা ৰক্ষা পৰিবলৈ ইচ্ছা কৰে, সিবিলাকে কাবাগৃহৰ ভিতৰত বা আবু চুফিয়ানৰ ঘৰত আশ্ৰয় লয় বা নিজৰ ঘৰৰ ভিতৰতে সোমাই থাকে, সিবিলাক ৰক্ষা পৰিব।

আতঙ্কগ্ৰস্ত মানুহবোৰে খৰখেদাকৈ কাবাগৃহত, আবু চুফিয়ানৰ ঘৰত সোমালগৈ, কিছুমান দুৱাৰ মাৰি নিজৰ ঘৰৰ ভিতৰতে সোমাই থাকিল।

পিছদিনা দোকমোকালিতে মক্কা নগৰত প্ৰৱেশ কৰাৰ অভিযান আৰম্ভ কৰা হ'ল। বিভিন্ন দলপতিক বিভিন্ন দিশৰ পৰা নগৰত প্ৰৱেশ কৰিবলৈ নিৰ্দ্দেশ দিয়া হ'ল, কিন্তু কাকো আক্ৰমণ নকৰিবলৈও নিৰ্দ্দেশ দিয়া হ'ল। ইছলামৰ পতাকা উৰুৱাই চঁউদিশৰ পৰা সৈন্যসকল আগবঢ়িল। একেটা উটৰ পিঠিত উঠি শ্বহীদ জায়েদৰ পুতেক ওছামাৰ সতে হজৰত মোহম্মদ সকলোৰে পিছত মক্কা নগৰৰ ফালে আগবাঢ়িল। কোনো বাধাৰ সম্মুখীন হ'বলগীয়া নহ'ল। আগত বিজয়ী সৈন্যদল আৰু পিছত ওছামাৰ লগত একেলগে উটৰ পিঠিত বিজয়ী বীৰ মোহম্মদ। সুদীৰ্ঘ একৈশ বছৰৰ নিৰ্য্যাতন অত্যাচাৰৰ অন্তত আজি মোহম্মদ মক্কাত প্ৰৱেশ কৰিছে বিজয়ী, বিনয়ী এক নৰপতিৰ ৰূপত। প্ৰথমে তেওঁ শিষ্যসকলক লৈ কাবাগৃহৰ ফালে আগবাঢ়িল। সাতবাৰ কাবাৰ চঁউদিশে প্ৰদক্ষিণ কৰিলে। কাবাগৃহৰ ভিতৰত আশ্ৰয় লোৱা মানুহবোৰে ভয়ে ভয়ে মোহম্মদৰ গতিবিধি চাই ৰৈ থাকিল।

হজৰত মোহম্মদ কাবা ছৰিফৰ ভিতৰলৈ সোমাল আৰু উচ্চ কণ্ঠে "আল্লাহ্ আকবৰ" ধ্বনি দি যাব ধৰিলে। লগে লগে ভক্ত শিষ্যসকলৰ কণ্ঠৰ পৰাও ধ্বনিত হ'ল — তক্‌বিৰৰ ধ্বনি — "আল্লাহ্ আকবৰ।"

তাৰ পিছত কাবা মন্দিৰৰ ভিতৰত শাৰী শাৰীকৈ সজাই থোৱা শিলৰ মূৰ্ত্তিবোৰৰ ফালে চাই হজৰত মোহম্মদে ক'লে, "আজি সত্য আহি পাইছে। মিছাৰ দিন উকলিছে।" ৱকুল্ জা আল্ হক্কুৱজকিল্ বাতিলে ইন্নাহ বাতিলা, কানা জহুকা।" কাবা মন্দিৰৰ ভিতৰৰ বেৰবোৰত নানা দেৱ-দেৱীৰ মূৰ্ত্তিৰ ছবি আঁকা আছিল। সুন্দৰী নাৰীৰ ৰূপত ফিৰিস্তা বা দেৱী বা অপ্সৰাবিলাকৰ চিত্ৰ আঁকা আছিল। হজৰত ইব্ৰাহীমৰ এখন ছবিও আঁকা আছিল। মোহম্মদে

এই সকলো ছবি মচি পেলাবলৈ নির্দ্দেশ দিলে। মূৰ্ত্তিবোৰ থহাই পেলোৱা হ'ল। আৰু সেইবোৰ ভাঙি বাহিৰত পেলাই দিয়া হ'ল। কাবাগৃহৰ ভিতৰত থকা পৌত্তলিকতাৰ সকলো চিন নোহোৱা কৰি পেলোৱা হ'ল। মক্কা বিজয়ৰ প্ৰথম দিনটোৰ আৰম্ভণীৰ পূৰ্ব্বেই একৈশ বছৰে মূৰ্ত্তি পূজাৰ বিৰুদ্ধে জনাই অহা মোহম্মদৰ আহ্বান আজি কাৰ্য্যতঃ সফল কৰি তোলা হ'ল। মোহম্মদৰ নিৰ্দ্দেশ অনুসৰি ওমৰে মূৰ্ত্তি ভাঙি শিল-বালিত পৰিণত কৰা আৱৰ্জ্জনাবোৰ কাবাগৃহৰ বাহিৰত পেলাই দিলেগৈ। কুৰেইছবিলাকে ভয়ে ভয়ে দৃশ্যটো চাই থাকিল। কাবা ছৰিফৰ ভিতৰত ধ্বনিত হ'ল তৌহিদৰ অমৰ বাণী — "আল্লাহ্ আকবৰ। লা-ইলাহা ইল্লাল্লাহ, আল্লাহ্ আকবৰ। ...আল্লাহ্ মহান। আল্লাৰ বাহিৰে আৰু কোনো নাই পূজাৰ যোগ্য। আল্লাহ্ মহান...।"

ইতিমধ্যে নামাজৰ সময় হৈছিল। হজৰতে বিলালক আজান দিবলৈ ক'লে। বিলালে উচ্চস্বৰে আজান দিলে। মুছলমানসকল দলে দলে আহি কাবাত সমবেত হ'লহি। তাতেই ভক্তসকলক লৈ হজৰত মোহম্মদে নামাজ পঢ়িলে। কুৰেইছবিলাকে বিস্ময়ত অভিভূত হৈ এই অপূৰ্ব্ব দৃশ্য চাই থাকিল। সাকাৰ দেৱ-দেৱীৰ মন্দিৰ কাবা নিৰাকাৰ আল্লাৰ পূজাৰ থলি হৈ উঠিল।

নামাজৰ শেষত মোহম্মদে কাবাগৃহৰ ভিতৰত আশ্ৰয় লৈ থকা কুৰেইছ পুৰুষ-মহিলাসকলক সম্বোধন কৰি সুধিলে, "কুৰেইছসকল, এতিয়া তোমালোকে কি ভাবিছা, কোৱাহক।" তেওঁলোকে ক'লে, "অতকাল আমি তোমাক যি অত্যাচাৰ-উৎপীড়ন কৰিলো, তাৰ কাৰণে তুমি আমাক কি কৰা তাৰ কথাই আমি চিন্তা কৰিছো। আমাৰ ভাগ্য কি হ'ব আমি তাকেই ভাবিছো।"

নিজৰ ওপৰত হোৱা সকলো নিৰ্য্যাতনৰ কথা পাহৰি গৈ হাঁহিমুখে মোহম্মদে ক'লে, "তোমালোকৰ বিৰুদ্ধে আজি মোৰ কোনো অভিযোগ নাই। তোমালোকৰ সকলো অপৰাধ মই ক্ষমা কৰি দিছো। তোমালোক সকলো মুক্ত। এতিয়া তোমালোক নিৰ্ভয়ে ঘৰাঘৰি যাব পাৰা।"

এই কথা শুনি ভয়াৰ্ত্ত কুৰেইছবিলাক হতবাক হ'ল। মুক্তিদানৰ চৰ্ত্ত হিচাপে হজৰত মোহম্মদে কাকো ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিবলৈ আহ্বান নজনালে, নিৰ্দ্দেশ দিয়াটো দূৰৰে কথা। তেওঁৰ বিৰুদ্ধে কৰি অহা অন্যায়-অবিচাৰ অত্যাচাৰৰ প্ৰতিশোধ লোৱাৰ কোনো চিন্তা নকৰিলে। বিনা চৰ্ত্তে সকলো

২। নাইবা খোজা সম্প্ৰদায়ৰ যি ক্ষতি কৰিলা তাৰ ক্ষতিপূৰণ দিয়া।
৩। সেয়ে নহ’লে হোদাইবিয়াৰ সন্ধি বাতিল হৈছে বুলি ধৰা।

কুৰেইছবিলাকে ইয়াৰ তৃতীয় চৰ্ত্তটোকে মানি লোৱা বুলি জনালে। অৰ্থাৎ হোদাইবিয়াৰ শান্তি চুক্তি কুৰেইছবিলাকে প্ৰত্যাখ্যান কৰিলে। এনে এক পৰিস্থিতিত শত্ৰুভাবাপন্ন কুৰেইছৰ লগত যুদ্ধ কৰাৰ বাহিৰে গত্যন্তৰ নোহোৱা হ’ল।

`কুৰেইছৰ নেতা আবু চুফিয়ানে সন্ধি চুক্তি ভঙ্গ কৰাৰ পৰিণাম যে তেওঁলোকৰ কাৰণে লাভজনক নহ’ব সেই কথা বুজিব পাৰিলে, আবু চুফিয়ান মদিনালৈ গ’ল আৰু মোহম্মদক লগ ধৰি জনালে যে বণি-বকৰ ফৈদৰ লগ লাগিলে হোদাইবিয়াৰ সন্ধি চুক্তি ভঙ্গ নহয়, তেতিয়া মোহম্মদে ক’লে যে বণি খোজা ফৈদৰ মানুহবোৰৰ জীৱন নাশ কৰাৰ ক্ষতি পূৰণ নিদিয়া মানেই সন্ধি চুক্তি ভঙ্গ কৰা। আবু চুফিয়ানে সন্ধি চুক্তি কৰা নাই বুলি ঘোষণা কৰি মদিনাৰ পৰা ঘূৰি আহিল।

আবু চুফিয়ানৰ তথা কুৰেইছৰ দুমুখীয়া নীতিৰ তাৎপৰ্য্য হজৰত মোহম্মদৰ বুজিবলৈ টান নেলাগিল। সমাগত পৰিস্থিতিৰ সম্মুখীন হ’বৰ কাৰণে তেওঁ গোপনে সৈন্য সংগ্ৰহ কৰি যুদ্ধৰ আয়োজন কৰিলে। সমৰায়োজনৰ কথা যাতে মক্কাৰ মানুহে জানিব নোৱাৰে তাৰ কাৰণে তেওঁ অভিযান প্ৰস্তুতিৰ সকলো কথা অতি গুপুতে ৰাখি কামত আগবাঢ়িল। ইয়াৰ কাৰণে ইতিমধ্যে দহ হেজাৰ সৈন্য সাজু কৰা হ’ল। ৰমজান মাহৰ দহ তাৰিখে এই দহ হেজাৰ অনুগত সৈন্য লৈ মোহম্মদে যাত্ৰা কৰিলে মক্কা অভিমুখে। এই সৈন্যসকল আহি মক্কাৰ উপকণ্ঠৰ মাৰ-উজ জহ্ৰাণ নামে পৰ্ব্বতৰ উপত্যকাত ৰ’লহি। আৰু তাতে আহাৰীয় প্ৰস্তুত কৰিবৰ কাৰণে জুই ধৰি আহাৰীয় ৰন্ধাৰ আয়োজন কৰিলে।

কুৰেইছসকলৰ চকুত এই জুইৰ পোহৰ পৰিল। সকলো চিন্তিত আৰু ভীতিগ্ৰস্ত হৈ পৰিল। আবু চুফিয়ানো হতভম্ব হৈ পৰিল। মদিনাবাসীৰ এই অভিযানৰ যথাযথ ভু-ল’বৰ কাৰণে আবু চুফিয়ানে ৰাতি হাকিম-ইব্‌নে নিজাম আৰু বুদাইল নামে দুজন চোৰাংচোৱাক পঠালে। লগতে গ’ল আবু চুফিয়ান। হঠাৎ অভাৱনীয়ভাৱে পহৰা দি থকা ওমৰ আৰু আন কেইজনমান সৈন্যই

বাট আগচি ধৰি আবু চুফিয়ান আৰু লগৰীয়াকেজনক বন্দী কৰিলে। তেওঁলোকক আনি হজৰত মোহম্মদৰ ওচৰত হাজিৰ কৰিলেহি। একৈশ বছৰ ধৰি মোহম্মদৰ, ইছলামৰ আৰু মুছলমানসকলৰ শত্ৰুতা কৰি অহা আবু চুফিয়ানক বন্দীৰূপে নিজৰ সম্মুখত পাই হজৰত মোহম্মদে কোনো প্ৰকাৰৰ প্ৰতিশোধৰ ভাব প্ৰকাশ নকৰি, সৰল সহজভাৱে ক'লে, "আবু চুফিয়ান, এতিয়াও তোমাৰ ভুল ভগা নাইনে? এতিয়াও তুমি দেৱ-দেৱীবোৰক সঁচা বুলি পূজা কৰি থাকিবানে? এতিয়াও তুমি মোক আল্লাৰ ৰছুল বুলি মানিবলৈ মান্তি নহ'বানে?"

আবু চুফিয়ানে ক'লে, "আজি কিছুদিনৰ পৰা মোৰ মনতো এনেকুৱা প্ৰশ্নৰ উদয় হৈছে। আমি পূজা কৰা দেৱ-দেৱীবোৰ সঁচা হোৱা হ'লে নিশ্চয় এনে বিপদত আমাক সহায় কৰিলেহেঁতেন।"

মোহম্মদে ক'লে, "তেনেহ'লে কোৱা লা-ইলাহা ইল্লাল্লাহ, মোহম্মদোৰ ৰছুলোল্লাহ।"

দ্বিধা-সংকোচ মিহলি মাতেৰে আবু চুফিয়ানে কোনোমতে উচ্চাৰণ কৰিলে — "লা ইলাহা ইল্লাল্লাহ, মোহম্মদোৰ ৰছুলোল্লাহ।" (আল্লাৰ বাহিৰে আৰু কোনো পূজ্য নাই। মোহম্মদ আল্লাৰ ৰছুল।)

হজৰত মোহম্মদে আবু চুফিয়ানক সাবটি ধৰি বুকুৰ কাষলৈ চপাই আনিলে। এক সত্যৰ স্বীকৃতিৰ যোগেদি আবু চুফিয়ানে মোহম্মদৰ ওচৰত এক নতুন পৰিচয়েৰে নিজক সমৰ্পণ কৰিলে — শত্ৰুৰূপে নহয়, সহধৰ্ম্মী বন্ধুৰূপে। আবু চুফিয়ানে নম্ৰভাৱে মোহম্মদক অনুৰোধ জনালে যাতে সমৰ অভিযান কৰি কুৰেইছবিলাকক ধ্বংস কৰি নিশ্চিহ্ন কৰি নেপেলায়, ইছলামত নতুনকৈ দীক্ষিত হোৱা মোহম্মদৰ দদায়েক আব্বাচে এনে সময়তে আবু চুফিয়ানৰ হৈ মোহম্মদক এটা অনুৰোধ জনালে — "অতদিন আবু চুফিয়ান কুৰেইছবিলাকৰ নেতা আছিল। এতিয়া তেওঁ তোমাৰ অনুগামী, তেওঁৰ কাৰণে কিবা এটা নকৰিবা জানো? নহ'লেযে তেওঁৰ সম্মান মৰ্য্যাদা ৰক্ষা নপৰিব।"

হজৰত মোহম্মদে আবু চুফিয়ানক নিৰ্দ্দেশ দিলে, "তুমি মক্কাৰ মানুহক জনাই দিয়াগৈ যে যি আবু চুফিয়ানৰ নাম ল'ব নাইবা তেওঁৰ আশ্ৰয় ল'ব, সিবিলাকৰ কোনো ভয় কৰিবলগীয়া নাই। আৰু যিবোৰ মক্কাবাসী মানুহ নিজৰ ঘৰতে সোমাই থাকিব বা যি কাবাগৃহৰ আশ্ৰয় ল'ব, তাৰ বিৰুদ্ধেও একো কৰা নহ'ব।

কুৰেইছ্ মুক্ত কৰি দিলে। মোহম্মদৰ মহত্ত্ব, উদাৰতা আৰু ক্ষমাগুণৰ জীৱন্ত প্ৰমাণ হাতে হাতে পাই লজ্জিত, অনুতপ্ত কুৰেইছবিলাকৰ চকু মুকলি হ'ল। সকলোৱে আহি মোহম্মদৰ ওচৰত আত্মসমৰ্পণ কৰিলেহি। আৰু সমস্বৰ কণ্ঠে চিঞৰি উঠিল — "লা-ইলাহা ইল্লাল্লাহ, মোহম্মদোৰ ৰছুলোল্লাহ।"

মুক্তি লাভ কৰি কাবাৰ ভিতৰত আশ্ৰয় লৈ'থকা কুৰেইছবোৰ ঘৰাঘৰি উভতি গ'ল। নৰহত্যাৰ নিচিনা দোষত দোষী সোতৰজন পুৰুষ-নাৰীক বিচাৰৰ কাৰণে ৰখা হ'ল। আবু চুফিয়ানৰ ৰাক্ষসী পত্নী, মোহম্মদৰ ঘোৰ শত্ৰু, যি নিহত হামজাৰ কলিজা উলিয়াই ওহূদৰ যুদ্ধত কেঁচাই কেঁচাই চোবাই খাইছিল, সেই হিন্দকো মোহম্মদে ক্ষমা কৰি দিলে।

মক্কা বিজয়ৰ পিছত মোহম্মদ পোন্ধৰ দিন মক্কাত থাকিল, এইকেইদিনৰ ভিতৰতে যাৰ যি ক্ষতিপূৰণ দিবলগীয়া হৈছিল, তাক আদায় কৰি দিয়া হ'ল, মক্কাৰ আৰু কাবাৰ নিয়মীয়া প্ৰশাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা হ'ল, পৌত্তলিকতাৰ সকলো চিন নোহোৱা কৰি পেলোৱাৰ ব্যৱস্থা কৰা হ'ল। কাবা ছৰিফৰ যাৱতীয় কাৰ্য্য চলাই যাবৰ কাৰণে অন্যান্য অনুষ্ঠান বাদ দি কেৱল চিদানা আৰু চিকায়া অনুষ্ঠান দুটাহে ৰখা হ'ল। চিদানাৰ দায়িত্ব ওচ্মান ইব্‌নে তালহা আৰু তেওঁৰ সন্তান-সন্ততিৰ হাতত আৰু চিকায়াৰ দায়িত্ব দদায়েক আব্বাচৰ হাতত দিয়া হ'ল। পৌত্তলিকতাৰ কেন্দ্ৰস্থল মক্কা এক নিৰাকাৰ আল্লাৰ প্ৰাৰ্থনা ক্ষেত্ৰত পৰিণত হ'ল। বিনা ৰক্তপাতে মোহম্মদে মক্কাবাসী পৌত্তলিক কুৰেইছসকলক ইছলামৰ একান্ত ভক্তত পৰিণত কৰিলে। ইতিহাসৰ এটা নতুন অধ্যায় ৰচিত হ'ল।

মক্কা বিজয়ৰ পিছত মক্কাবাসীসকলৰ চিন্তা, কৰ্ম্ম, আদৰ্শ আৰু আচৰণলৈ এক নতুন ৰূপান্তৰ গঢ় দি তোলাৰ প্ৰয়োজন হ'ল। মোহম্মদে মক্কাবাসীসকলক মুকলি ক্ষমাদান কৰাৰ কথা ঘোষণা কৰিলে, আৰু সকলোকে নিৰ্ভয় দান কৰিলে। হজৰতৰ প্ৰাণৰ শত্ৰু ফোজালা, ইক্‌ৰামা আদি দুৰ্দ্ধৰ্ষ ইছলাম বৈৰীকো ক্ষমা দান কৰা হ'ল। মক্কা নগৰৰ সীমাৰ ভিতৰত হত্যা, ৰক্তপাত নিষিদ্ধ কৰা হ'ল। দুই এটা হত্যাকাণ্ড সংঘটিত হৈছিল যদিও মোহম্মদে সেইবোৰ শান্তিপূৰ্ণভাৱে নিষ্পত্তি কৰিবলৈ নিদিয়াকৈ ৰাখিলে।

মক্কাৰ আশ-পাশৰ কিছুমান অঞ্চলত কেইটামান গোত্ৰৰ মানুহ বাস

কৰিছিল। হজৰত মোহম্মদে সেইসকলৰ মাজত ইছলাম ধৰ্ম্মৰ ধৰ্ম্মকথা প্ৰচাৰ কৰিবৰ কাৰণে খালিদক পঠিয়াই দিলে। খালিদ গৈ বণি ফাজিমা গোত্ৰৰ লোকসকলৰ মাজত ইছলামৰ বাণী প্ৰচাৰ কৰিবৰ চেষ্টা কৰিলে। কিন্তু এই ফৈদৰ মানুহে খালিদৰ আহ্বান প্ৰত্যাখ্যান কৰি সংঘৰ্ষত প্ৰবৃত্ত হ'ল। এখন খণ্ডযুদ্ধ লাগিল। তাত বণি ফাজিমাৰ কেইজনমান মানুহৰ মৃত্যু হ'ল। এই বাতৰি পাই মোহম্মদ মৰ্ম্মাহত হ'ল, আৰু খালিদৰ এনে কাৰ্য্যত নিজৰ অসন্তুষ্টি প্ৰকাশ কৰি নিহতসকলৰ পৰিয়ালক ক্ষতিপূৰণ দি নিজৰ সমবেদনা প্ৰকাশ কৰিলে। আৰু তেওঁ যে খালিদৰ কাৰ্য্যৰ সমৰ্থন নকৰে সেই কথাও জনালে। মোহম্মদৰ কাৰ্য্যত বণি ফাজিমা ফৈদৰ লোকসকল আশ্বস্ত হ'ল আৰু স্ব-ইচ্ছাই ইছলাম গ্ৰহণ কৰিলে।

মক্কাৰ সীমাত থকা প্ৰাচীৰবোৰ জহি-খহি গৈছিল। মোহম্মদে সেইবোৰ মেৰামতি কৰালে। ওচ্মান বিন্ তাল্হা কাবা ছৰিফৰ চাচিৰ দায়িত্বত আছিল। হজৰতে তেওঁকেই পুনৰ কাবাৰ চাবি-কাঠি অৰ্পণ কৰিলে। জমজমৰ পানী যোগানৰ দায়িত্ব পূৰ্ব্বৰ দায়িত্ববাহী হাম্জাকেই দিলে। মক্কাৰ পৰা বহু বছৰ আঁতৰি থাকিবলগীয়া হৈছিল যদিও, মক্কাৰ প্ৰতি মোহম্মদৰ আকৰ্ষণ আৰু প্ৰীতি অকণো কমা নাছিল। এতিয়া মক্কাৰ অধিপতি হিচাপে মোহম্মদৰ এই মক্কাপ্ৰীতি পুনৰ ঠন ধৰি উঠিল। এই মনোভাব প্ৰকাশ কৰিবৰ কাৰণে মোহম্মদে মক্কাবাসীৰ এখন সভা পাতিলে আৰু উপস্থিতসকলক সম্বোধন কৰি ক'লে, "হে কুৰেইছসকল, তোমালোকৰ মনৰ মাজৰ অতীতৰ ধ্যান-ধাৰণাবোৰ বিসৰ্জ্জন দিয়া। আভিজাত্য আৰু কৌলিণ্যৰ উচ্চাত্মিকতা মনোভাব বিসৰ্জ্জন দিয়া। বিশ্বাস কৰা যে সকলো মানুহ সমান, আল্লাই কৈছে — হে মানুহ মই তোমালোক সকলোকে একে উপাদানেৰেই সৃষ্টি কৰিছো। তোমালোকক ভিন্ ভিন্ শাখা আৰু গোষ্ঠী গোত্ৰৰ ঠাই দিছো, যাতে তোমালোকে ইজনে সিজনক চিনিব পাৰা।"

মোহম্মদৰ এনে আহ্বানে কুৰেইছসকলৰ মনলৈ এক নতুন উপলব্ধিৰ পোহৰ আনিলে। সাম্য, মৈত্ৰী, ক্ষমা, প্ৰেম আৰু উদাৰ মানৱতাৰ এক নতুন বাতাবৰণ জীপ লৈ উঠিল। সংঘৰ্ষমান, কু-সংস্কাৰবদ্ধ এক জনসমষ্টি এটা নতুন ঐক্যবাদ মানৱ গোষ্ঠীৰূপে গঢ়ি উঠিবৰ কাৰণে সঙ্কল্প লৈ এটা নতুন মহাজাগতিক প্ৰতিষ্ঠাৰ পাতনি মেলিলে।

মক্কাৰ ওপৰত হজৰত মোহম্মদৰ আধিপত্য প্ৰতিষ্ঠিত হ'ল। তেওঁৰ প্ৰধান প্ৰতিপক্ষ আৰু শত্ৰু কুৰেইছবিলাকে ইছলাম গ্ৰহণ কৰি তেওঁৰ আনুগত্য স্বীকাৰ কৰিলে। সংঘৰ্ষমান আৰব সমাজবাদলৈ এটা শান্তিৰ আৰু বুজাবুজিৰ পৰিবেশ লাহে লাহে ঘূৰি আহিল।

কিন্তু তেতিয়াও মক্কাৰ ভিতৰে বাহিৰে কিছুমান সম্প্ৰদায়ৰ মানুহ আছিল যি মোহম্মদৰ শত্ৰুতা কৰিবলৈ এৰা নাছিল। মক্কাৰ দক্ষিণ-পূবত পাহাৰীয়া অঞ্চলত হাৱাজিন নামে এটা বেদুইন গোত্ৰৰ লোক বাস কৰিছিল। সংখ্যাত সৰহ নাছিল যদিও মানুহবোৰ আছিল বৰ দুৰ্দ্ধৰ্ষ। কুৰেইছবিলাকে মোহম্মদৰ প্ৰচাৰিত ধৰ্ম্ম লৈ তেওঁৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা দেখি হাৱাজিনবিলাককো মুছলমানে বশ কৰিবলৈ চেষ্টা কৰিব বুলি আশঙ্কা কৰি সিহঁতে মুছলমানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সাজু হ'ল।

তায়েফৰ বিন্ চাকিফ গোত্ৰৰ মানুহবোৰো সিহঁতৰ লগ লাগিল। দুয়োদল লগ লাগি মুছলমানৰ বিৰুদ্ধে সশস্ত্ৰ অভিযান আৰম্ভ কৰিলে। এই অভিযান প্ৰতিৰোধ কৰিবৰ কাৰণে মোহম্মদে মদিনাৰ ছহেজাৰ আৰু কুৰেইছৰ দুহেজাৰ সৈন্য লৈ ৰণক্ষেত্ৰলৈ পঠিয়ালে। সংখ্যাধিক্যৰ কাৰণে সহজে ৰণত জয়লাভ কৰিব বুলি ভাবি আগুৱাই গৈ হুনাইন নামে ঠাই পালেগৈ, কিন্তু সংখ্যাত কম হ'লেও হাৱাজিন সৈন্যই কৌশলেৰে যুদ্ধ কৰি মুছলমান সৈন্যক প্ৰায় পৰাজিত কৰাৰ উপক্ৰম কৰিলে। সম্মুখ সমৰত তিষ্ঠিব নোৱাৰি মুছলমান সৈন্যবোৰে আত্মৰক্ষাৰ কাৰণে পলাবলৈ আৰম্ভ কৰিলে।

মোহম্মদ অভিযানকাৰী সৈন্যবোৰত — পিছফালে তেওঁৰ দুলদুল ঘোঁৰাত উঠি আহি আছিল। লগত আছিল আব্বাচ। সৈন্যবোৰ পলাবলৈ ধৰা দেখি মোহম্মদে চিঞঁৰি সিহঁতক নপলাবলৈ নিৰ্দ্দেশ দিলে। আকৌ যুদ্ধ লাগিল। এইবাৰ হাৱাজিনবিলাকে ৰণত তিষ্ঠিব নোৱাৰি প্ৰাণ লৈ পলাল।

মোহম্মদেই আছিল মুছলমান সৈন্যসকলৰ শক্তি আৰু প্ৰেৰণাৰ উৎস। অভাৱনীয়ভাৱে হুনাইনৰ যুদ্ধত মুছলমানসকল জয়ী হ'ল। হাৱাজিন লোকসকল পলাই গৈ তায়েফ নগৰত আশ্ৰয় ল'লেগৈ।

মুছলমান সৈন্যই তায়েফ দুৰ্গ অৱৰোধ কৰিলে। প্ৰায় দুসপ্তাহ কাল

অৱৰুদ্ধ হৈ থকাৰ পিছত হাৱাজিন সৈন্যবোৰে এক আপোচৰ প্ৰস্তাৱ আগবঢ়ালে। এই লোকসকলৰ মাজত হজৰত মোহম্মদৰ শৈশৱৰ চিনাকি লোকো আছিল। তেওঁলোকক বন্দী-দশাৰ পৰা মুক্ত কৰি দিবৰ কাৰণে মোহম্মদক খাটনি ধৰিলে। তাৰে দুজনমান আগবাঢ়ি আহি মোহম্মদৰ ওচৰত ইছলামত দীক্ষিত হ'লহি। পৰিস্থিতিয়ে ৰূপ সলালে। তায়েফৰ কিছুসংখ্যক মানুহ তায়েফ-বিৰোধী হৈ পৰিল।

ইতিমধ্যে হিজৰীৰ নৱম বছৰ পালেহি। অবৰুদ্ধ তায়েফ এৰি মোহম্মদ মদিনালৈ ঘূৰি গ'ল। অলপ দিনৰ পিছতে মোহম্মদে জানিব পাৰিলে যে ৰোমৰ সম্ৰাট হিৰাক্লিয়াচে মদিনা আক্ৰমণ কৰাৰ প্ৰস্তুতি চলাইছে। চিৰীয়াৰ পৰা বহু সৈন্য আনি ৰোমান সৈন্যদলত অন্তৰ্ভুক্ত কৰিছে। তাৰ কিছু দিনৰ পিছত জনা গ'ল যে বাইজেণ্টাইন সৈন্যদল মদিনা আক্ৰমণ কৰিবলৈ আগুৱাই আহিছে। এই যুদ্ধৰ সম্মুখীন হ'বৰ কাৰণে মোহম্মদেও এক বিৰাট সৈন্যদল সাজু কৰিলে। প্ৰায় চল্লিশ হেজাৰ সৈন্য যুদ্ধৰ কাৰণে প্ৰস্তুত কৰা হ'ল। তাৰ ভিতৰত আছিল দহ হেজাৰ অশ্বাৰোহী সৈন্য। মক্কাৰ পৰাও বহু সৈন্যই আহি যোগদান কৰিলেহি।

ইতিমধ্যে মোহম্মদৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই মুছলমানসকলে মুক্তহস্তে টকা-পইচাও আগবঢ়ালে যুদ্ধৰ কাৰণে। ওমৰ, আবুবকৰ আদিয়ে উদাৰভাৱে নিজ সম্পত্তি মোহম্মদৰ ওচৰত সমৰ্পণ কৰিলে। ওচ্মানেও উদাৰভাৱে নিজস্ব দান আগবঢ়ালে মোহম্মদ আৰু ইছলামক ৰোমানবিলাকৰ পৰা ৰক্ষা কৰিবৰ কাৰণে। জনসংখ্যা বেছি হোৱাৰ কাৰণে প্ৰথমে সকলোকে সৈন্যৰূপে সজাই তোলাটো সম্ভৱ নহৈছিল। পিছত দান-বৰঙণিৰ ধনেৰে ৪০ হেজাৰ সশস্ত্ৰ সৈন্য সাজু কৰা হ'ল। হজৰত মোহম্মদৰ সেনাপতিত্বত এইবাৰ মুছলমান সৈন্যসকল আগবাঢ়িল চিৰীয়াৰ সীমান্তৰ তাবুকলৈ। মদিনা চহৰ ৰক্ষাৰ দায়িত্বত থাকিবলগীয়া হোৱাৰ কাৰণে আলীয়ে এই যুদ্ধ যাত্ৰাত যোগদান কৰিব নোৱাৰিলে।

৪০ হেজাৰ মুছলমান সৈন্যৰ অগ্ৰগতিৰ বাতৰি পাই হিৰাক্লিয়াচে যুদ্ধ নকৰি উভতি যোৱাই উচিত হ'ব বুলি সিদ্ধান্ত কৰিলে। ৰোমান সৈন্যবোৰ ঘূৰি গ'ল, তাবুক ৰণক্ষেত্ৰৰ পৰা। সেই অঞ্চলৰ খ্ৰীষ্টান আৰু ইহুদী লোকসকলে বিপদৰ পৰা ৰক্ষা পৰিবৰ কাৰণে মোহম্মদৰ ওচৰত আত্মসমৰ্পণ কৰিলেহি। তাৰ ভিতৰত কোনো কোনোৱে ইছলাম ধৰ্মও গ্ৰহণ কৰিলে।

তাবুকৰ এই সফল অভিযান সামৰি মোহম্মদ সৈন্যদল লগত লৈ আহিল।

তাবুক অভিযানৰ এই অভাৱনীয় সাফল্যৰ স্বৰূপে সমগ্ৰ অঞ্চলৰ বাতাবৰণত এটা পৰিবৰ্ত্তন স্পষ্ট হৈ উঠিল। কেউফালৰ পৰা মোহম্মদৰ ওচৰলৈ শান্তিৰ প্ৰস্তাৱ আহিব ধৰিলে। বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ বহুলোকে বশ্যতা স্বীকাৰ কৰিলে। বণি-আজাদ, বণি তাঈ, বণি তামিম, বণি মুস্তালিক, বণি সিন্দা আদি গোত্ৰবোৰে ইছলাম গ্ৰহণ কৰিলে। বিশ্ব বিশ্ৰুত দানবীৰ হাতেম তাইৰ মৃত্যু হৈছিল। তেওঁৰ পুতেক আবি ইব্‌নে হাতিমেও ইছলাম ধৰ্ম্ম গ্ৰহণ কৰে। বিখ্যাত কুৰেইছ কবি কা'ব ইব্‌নে জোহেইৰ নিজে মদিনালৈ আহি ইছলামত দীক্ষিত হয়। নজ্‌ৰান প্ৰদেশৰ আৰব খ্ৰীষ্টানসকলেও ইছলাম গ্ৰহণ কৰি মুছলমান হয়।

নৱম হিজৰী শেষ হোৱাৰ লগে লগে মক্কা আৰু মদিনাৰ আশ-পাশৰ ঠাইবোৰৰ বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ নেতৃস্থানীয় বহুত মানুহেই নিজে নিজে আহি মোহম্মদৰ শৰণাপন্ন হ'লহি। মক্কাগৃহৰ ভিতৰত থকাৰ দৰে অন্যান্য ঠাইতো উপাসনাৰ ঠাইবোৰত বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তিৰ পূজা চলি আছিল। ক্ৰমে এই মূৰ্ত্তিবোৰো ভাঙি চিঙি আঁতৰাই পেলোৱা হ'ল। পৌত্তলিকতাৰ অৱসান ঘটিল। খ্ৰীষ্টানসকলে আন্তৰ্জাতিক আৰব গণতন্ত্ৰৰ সদস্য হ'বৰ কাৰণে মোহম্মদৰ সম্মতি বিচৰাত হজৰত মোহম্মদে এই খ্ৰীষ্টানসকললৈ এখন চুক্তি চনদ আগবঢ়ালে। এই চুক্তিৰ মূল কথাখিনি আছিল এনে ধৰণৰঃ

"আল্লাৰ নামত, আল্লাৰ ৰছুল মোহম্মদে নজৰানৰ খ্ৰীষ্টান পাত্ৰী, পুৰোহিত আৰু সাধাৰণ নাগৰিকসকলৰ লগত এই প্ৰতিজ্ঞা কৰিছে যে সকলো প্ৰকাৰ চেষ্টা যত্ন কৰি আমি খ্ৰীষ্টানসকলক ৰক্ষা কৰিম, তেওঁলোকৰ দেশ, ধন সম্পত্তি আৰু জীৱনক বিপদ মুক্ত কৰি ৰাখিম। তেওঁলোকৰ নিজস্ব ধৰ্ম্ম, আচাৰ-অনুষ্ঠান আৰু অন্যান্য অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰা নহ'ব, কোনো ধৰ্ম্মযাজক বা পুৰোহিতক পদচ্যুত কৰা নহ'ব, কোনো ধৰ্ম্মাচাৰ্য্যৰ সাধনা উপাসনাত হস্তক্ষেপ কৰা নহ'ব। তেওঁলোকৰ দেশৰ মাজেদি সৈন্যৰ যাতায়াত হ'বলৈ দিয়া নহ'ব। যেতিয়ালৈকে তেওঁলোক ন্যায় আৰু শান্তিৰ মৰ্য্যাদা ৰক্ষা কৰি চলিব, তেতিয়ালৈকে এই চুক্তি চনদৰ চৰ্ত্তসমূহ বলবৎ ৰখা হ'ব।"

এই চনদৰ বিষয়ে আলোচনা কৰি খ্ৰীষ্টানসকলে চৰ্ত্তসমূহ স্বীকাৰ কৰি ল'লে। নৱম হিজৰীৰ শেষৰ ফালে হজৰত মোহম্মদে আবু বকৰৰ অধীনত

৩০০ জন মুছলমানক কাবাত হজ্ব কৰাৰ প্ৰশিক্ষণ দিবৰ কাৰণে মক্কালৈ পঠিয়ালে। অলপ দিনৰ পিছত হজৰত আলীকো মক্কালৈ পঠিয়ালে। এওঁলোকে পৌত্তলিকৰ কাৰণে কাবা ছৰিফত সোমাই হজ্ব কৰাটো নিষিদ্ধ ঘোষণা কৰিলে। কাবাত কেৱল নিৰাকাৰ আল্লাৰ একত্ববাদৰ ওপৰত বিশ্বাস স্থাপন কৰা মুছলমানসকলেহে হজ্ব কৰিব পাৰিব। — এই নিৰ্দ্দেশ ঘোষণা কৰি তাক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰা হ'ল।

আল্লাৰ ঘৰ — বয়তোল্লাহ্—কাবা ছৰিফক পৌত্তলিকতাৰ কবল মুক্ত কৰা হ'ল। এই যুগান্তকাৰী সিদ্ধান্তই হজৰত মোহম্মদে প্ৰচাৰ আৰু প্ৰৱৰ্ত্তন কৰা একেশ্বৰবাদী ইছলাম ধৰ্ম্মৰ আদৰ্শ আৰু স্থিতি সুগমীয়া কৰিলে।

হিজৰীৰ দশম বছৰটো হজৰত মোহম্মদে ইছলামৰ বাণী প্ৰচাৰ কৰিবৰ কাৰণে প্ৰচাৰকসকলক বিভিন্ন দেশলৈ পঠোৱাৰ কাৰ্য্যত ব্যস্ত থাকিল। অনুগত দেশবোৰৰ পৰা কৰ-কাটল সংগ্ৰহৰ কাৰ্য্যও চলি থাকিল।

এই বছৰতে মোহম্মদৰ একমাত্ৰ পুত্ৰ সন্তান ইব্ৰাহীমৰ মৃত্যু হ'ল। তেতিয়া ইব্ৰাহীমৰ বয়স ১৮ মাহমানহে হৈছিল। পুত্ৰৰ অকাল মৃত্যুত মোহম্মদে অতি মৰ্ম্মান্তিক আঘাত পালে। সেই দিনা সূৰ্য্যগ্ৰহণ লাগিছিল, বহুতে কোৱাকুই কৰিলে যে মোহম্মদৰ পুত্ৰ ইব্ৰাহীমৰ মৃত্যুৰ কাৰণেহে সূৰ্য্যই মুখ লুকুৱাইছে। এনে গুণা-গঁথাৰ কথা জানিব পাৰি মোহম্মদে মানুহবোৰক মতাই আনি ক'লে, "এইয়া তোমালোকৰ ভুল ধাৰণা। মোৰ পুত্ৰৰ মৃত্যুৰ লগত সূৰ্য্যগ্ৰহণৰ কোনো সম্বন্ধ নাই। ইব্ৰাহীমৰ আজি মৃত্যু নোহোৱা হ'লেও যথা সময়ত সূৰ্য্যগ্ৰহণ লাগিলহেঁতেন। সূৰ্য্যগ্ৰহণ স্ৰষ্টাৰ মহিমাৰ এক নিদৰ্শন। তোমালোকে আল্লাৰ মহানতা স্বীকাৰ কৰি মুনাজাত কৰাহক।"

দশম হিজৰীও শেষ হও হও। এইবাৰ মোহম্মদে হজ্ব কৰিবলৈ যাবলৈ মনতে থিৰ কৰিলে। এই কথা জানিব পাৰি অন্যান্য বহু মুছলমানো হজ্ব কৰিবলৈ যাবলৈ ওলাল।

মোহম্মদে তেওঁৰ পৰিবাৰ সকলোকে লগত নিবলৈ থিৰ কৰিলে। জিল্‌কাদ মাহৰ ২৫ তাৰিখে হজৰত মোহম্মদে তেওঁৰ অনুগত পুৰুষ-মহিলা শিষ্য-শিষ্যাক লগত লৈ হজ্ব কৰিবৰ কাৰণে মক্কা অভিমুখে যাত্ৰা কৰিলে। বাটে বাটে হজযাত্ৰীৰ সংখ্যা বৃদ্ধি পাব ধৰিলে। জিল্‌হজ্ব মাহৰ পাঁচ তাৰিখে

প্ৰায় দুই লাখ হজ যাত্ৰীক লগত লৈ হজৰত মোহম্মদ মক্কা ওলালগৈ। হেৰেম ছৰিফ বা কাবা ছৰিফ চকুত পৰাৰ লগে লগে হজৰত মোহম্মদে হাত তুলি মুনাজাত কৰিলে :

"হে আল্লাহ, এই কাবাগৃহক চিৰ মহিমাময়, আৰু চিৰ কল্যাণময় কৰা। যিয়েই ইয়াত হজ কৰিবলৈ আহে তাৰে সুখ-শান্তি আৰু মান-মৰ্য্যাদা বৃদ্ধি কৰা।"

ইয়াৰ পিছত ভিতৰ সোমাই ভক্তসকলক লৈ সাতবাৰ তাৱাফ বা প্ৰদক্ষিণ কৰিলে। লাখ লাখ হজীয়ে হজৰতৰ লগতে 'লব্বাইক আল্লাহুম্মা লব্বাইক' ধ্বনি কৰি কাবা ছৰিফত নিৰাকাৰ আল্লাৰ ওচৰত আত্মনিবেদন কৰিলে। তাৰ পিছত সকলোকে লগত লৈ মোহম্মদ আৰাফাতলৈ গ'ল। তাৰ পৰা গ'ল মীনালৈ, তাৰ পিছত উপস্থিত হজীসকলক সম্বোধন কৰি হজৰত মোহম্মদে এই খোত্বা বা ভাষণ দান কৰিলে:

"হে মোৰ প্ৰিয় ভক্তসকল, মোৰ কথা কাণ পাতি শুনাহক, মোৰ মনত লাগিছে ইয়াৰ পিছত আৰু মোৰ তোমালোকৰ লগ লাগি একেলগে হজ কৰাৰ সুযোগ নহ'ব।

হে মুছলমানসকল, আন্ধাৰ যুগৰ সকলো ধ্যান-ধাৰণা পাহৰি পেলোৱা। নতুন পোহৰেৰে জীৱন-যাপন কৰিবলৈ শিকা। আজিৰ পৰা অতীতৰ সকলো কু-সংস্কাৰ, অনাচাৰ আৰু পাপ প্ৰথা লোপ পালে বুলি ধৰা হ'ব।

মনত ৰাখিবাহক— সকলো মুছলমান ভাই ভাই। কোনো কাতোকৈ ডাঙৰ নহয়, কোনো কাতোকৈ সৰু নহয়, আল্লাৰ ওচৰত সকলো সমান। তিৰোতাসককলৰ কথা নেপাহৰিবা।

নাৰীৰ ওপৰত পুৰুষৰ যিদৰে অধিকাৰ আছে, তেনেকৈ পুৰুষৰ ওপৰতো নাৰীৰ অধিকাৰ আছে। তেওঁলোকক অত্যাচাৰ নকৰিবা। মনত ৰাখিবা, আল্লাক সাক্ষী ৰাখি তোমালোকে তিৰোতাসকলক তোমালোকৰ স্ত্ৰী ৰূপে গ্ৰহণ কৰিছা।

সাৱধান হ'বা, ধৰ্ম্ম লৈ দন্দ-খৰিয়াল নকৰিবা। অতীতৰ বহুত জাতি ধৰ্ম্মৰ কাৰণেই ধ্বংশপ্ৰাপ্ত হৈছে।

প্ৰত্যেক মুছলমানৰে জীৱন আৰু ধনসম্পত্তিক পবিত্ৰ বুলি বিবেচনা কৰিবা। তোমালোকৰ জীৱন আৰু ধনসম্পত্তি আজিৰ এই হজৰ দিনটোৰ নিচিনাই পবিত্ৰ।

সাৱধান হ'বা, হে মুছলমানসকল, নেতাৰ আদেশ কেতিয়াও লঙ্ঘণ নকৰিবা। যদি কোনোবা নাম কটা যোৱা বিকলাঙ্গকো, কোনোবা কাফ্ৰী ক্ৰিতদাসকো তোমালোকৰ আমীৰ বা নেতা মনোনীত কৰা যায়, আৰু তেওঁ যদি আল্লাৰ কিতাপ কোৰাণৰ মতে তোমালোকক পৰিচালনা কৰে, তেন্তে নতশিৰে তেওঁৰ নিৰ্দ্দেশ পালন কৰিবা। দাস-দাসীৰ প্ৰতি সদায় সদ ব্যৱহাৰ কৰিবা। তেওঁলোকৰ ওপৰত কোনো অত্যাচাৰ নকৰিবা, তোমালোকে যি খোৱা, চাকৰ-চাকৰণীকো তাকে খাবলৈ দিবা। তুমি যেনেকুৱা কাপোৰ পিন্ধা, সিহঁতকো তেনেকুৱা কাপোৰ পিন্ধিবলৈ দিবা। পাহৰি নেযাবা, যে সিহঁতো তোমালোকৰ নিচিনাই মানুহ।

সাৱধান হ'বা, পৌত্তলিকৰ পৰা আঁতৰি থাকিবা। ছিৰক্ নকৰিবা, চুৰ নকৰিবা, মিছা কথা নক'বা, ব্যভিচাৰ নকৰিবা; সকলো প্ৰকাৰৰ মলিনতাৰ পৰা নিজক মুক্ত ৰাখি; নিৰ্ম্মল পবিত্ৰ জীৱন যাপন কৰিবা। সদায় সত্যত থাকিবা।

মনত ৰাখিবা এদিন তোমালোক আল্লাৰ ওচৰলৈ ঘূৰি যাব লাগিব। সেইদিনা তোমালোকৰ কৃতকৰ্ম্মৰ কাৰণে জৱাবদিহি কৰিব লাগিব। বংশৰ গৌৰৱ নকৰিবা। যি লোকে নিজৰ বংশক নীচ বুলি বিবেচনা কৰি, নিজক অন্য কোনো উচ্চ বংশৰ লোক বুলি চিনাকি দিয়ে, সি আল্লাৰ অভিশপ্ত হ'ব।

হে মোৰ অনুগত ভক্তসকল, হে উম্মতসকল, মই তোমালোকলৈ যি এৰি থৈ যাম, তাক যদি তোমালোকে ৰক্ষা কৰি চলা, তেতিয়া হ'লে কেতিয়াও তোমালোকৰ পতন নহয়। সেইয়ানো কি বস্তু? সেইয়া আল্লাৰ কোৰাণ আৰু ৰছুলৰ— মোৰ আদেশ-নিৰ্দ্দেশ।

নিশ্চয় জানিবা, মোৰ পিছত আৰু কোনো নবী নাহে। ময়েই শেষ নবী। আজি যি ইয়াত উপস্থিত আছা, তোমালোকে ইয়াত উপস্থিত নথকা সকলো মুছলমানক মোৰ এই কথাখিনি বুজাই দিবা।"

কথাখিনি কৈ শেষ কৰি মোহম্মদে করুণ মাতেৰে আকাশৰ ফালে চাই ক'লে, "হে মোৰ প্ৰভু হে আল্লাহ, তোমাৰ বাণী মই মানুহৰ মাজত প্ৰচাৰ কৰিব পাৰিলোনে, মই মোৰ কৰিবলগীয়াখিনি কৰিব পাৰিলোনে?"

উপস্থিত লক্ষজনে উচ্চকণ্ঠে চিঞৰি উঠিল, "নিশ্চয় পাৰিলা, নিশ্চয়..."

তাৰ পিছত ভগা ভগা মাতেৰে হজৰতে ক'লে, "হে আল্লা, তুমি শুনিছা, তুমি সাক্ষী আছা, এওঁলোকে কৈছে— মই মোৰ কৰ্ত্তব্য পালন কৰিছো...."

হজৰত মোহম্মদ নীৰৱ হ'ল। এই সময়তে এক ৱহী নাজিল হ'ল- "হে মোহম্মদ, তোমাৰ ধৰ্ম্মক আজি মই সম্পূৰ্ণ কৰিলো। মোৰ স্বৰ্গীয় দাস (নিয়ামত) পূৰ্ণ কৰি দিলো, ইছলামেই তোমাৰ ধৰ্ম্ম বুলি অনুমোদন কৰিলো।"

কিছু সময় হজৰত মোহম্মদ ধ্যানমগ্ন অৱস্থাত নীৰৱে ৰৈ থাকিল। তাৰ পিছত চকু মেলি চাৰিওফালৰ সমবেত ভক্তসকলৰ ফালে চাই করুণা নিগৰা মাতেৰে ক'লে— "বিদায় বন্ধুসকল, বিদায়।"

এইয়া যেন অন্তিম বিদায়ৰ করুণ আৰ্ত্তস্বৰ।

সকলো স্তব্ধ হৈ ৰৈ গ'ল।

সংগ্ৰাম-সংঘাত জৰ্জ্জৰিত এটা জীৱন। পাৰ হৈ যোৱা প্ৰতিটো মুহূৰ্ত্তই একোটা তাৎপৰ্য্যপূৰ্ণ, বিচিত্ৰ অভিজ্ঞতা। অকলশৰীয়া এটা আত্মা পথৰ সন্ধানত অহৰহ সঙ্গ কঠিন যাত্ৰা। আদিষ্ট দায়িত্বপালনৰ চেতনা, অটল আত্মবিশ্বাস,

সত্যৰ পৰা এক চুলিও বিচলিত নহৈ পৃথিৱীৰ মানৱ সমাজৰ মাজত পাৰস্পৰিক শ্ৰদ্ধাৰ ভিত্তিত এক যুগমীয়া আৰু অখণ্ড শান্তিৰ বাতাবৰণ ৰচনা কৰাৰ ঐকান্তিক আৰু নিৰবিচ্ছিন্ন সাধনা, ত্যাগক কৰ্ত্তব্য সমাপনৰ অমোঘ অস্ত্ৰ কৰি আদৰ্শৰ জয় প্ৰতিষ্ঠাৰ কাৰণে মৰণ-পণ সংকল্প— ইয়াৰ মাজেদি, নানা উত্থান-পতনৰ মাজেদি আগবাঢ়ি আহি আহি মক্কাৰ সন্তান হজৰত মোহম্মদৰ জীৱনে ৬৩ বছৰ চুলেহি। একাদশ হিজৰীৰ প্ৰথম মাহত। আল্লাৰ সত্যৰ এজন বাৰ্ত্তাবাহক হিচাপে, এজন ৰছুলী হিচাপে, এজন নবী হিচাপে, এজন মানুহৰ ত্ৰাণকৰ্ত্তা হিচাপে, এজন তেজ-মঙহৰ সংগ্ৰামী, বিনয়ী পুৰুষ হিচাপে কৰ্ত্তব্য সমাপন কৰি হজৰত মোহম্মদ আহি মৰণৰ দুৱাৰদলিৰ ওচৰ পালেহি। এই সম্পৰ্কে তেওঁ যেন এটা আগতীয়া আভাস পাইছিল। বিদায় হজৰ পিছত মদিনালৈ ঘূৰি আহোতে তেওঁ ওহুদ যুদ্ধক্ষেত্ৰৰ কাষত ৰৈ তাত দফন কৰা শ্বহীদ সকলৰ মাজাৰত সশ্ৰদ্ধ দোৱা কৰিছিল— "হে সমাধিস্থসকল, তোমালাকৰ আল্লাৰ ওপৰত আত্মাৰ করুণা বৰ্ষিত হওঁক। ময়ো সোনকালে গৈ তোমালোকৰ লগ লাগিমগৈ।" মদিনালৈ আহিও এদিন ৰাতি হজৰতে জন্নতুল বাকী নামে কবৰ স্থানলৈ গৈ তাতে মৃতকসকলৰ আত্মাৰ শান্তিৰ কাৰণে দোৱা কৰিছিল।

বিভিন্ন গোত্ৰগোষ্ঠীৰ মানুহ দলে দলে আহি ইছলাম ধৰ্ম্মত দীক্ষিত হৈছিলহি যদিও, তেতিয়া চৌদিশে অনুকূল পৰিবেশ গঢ়ি উঠা নাছিল। চিৰীয়াৰ ফালৰ ইহুদী আৰু খ্ৰীষ্টীয়ানবিলাকে সন্ধি চুক্তি মানি চলাৰ প্ৰতি অনীহা প্ৰকাশ কৰিছিল। আৰু মুছলমানৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰাৰ আয়োজন কৰিছিল। এই বাতৰি পাই হজৰত মোহম্মদে জায়েদৰ পুতেক, কুৰিবছৰীয়া ওছামাক সেনাপতি পাতি মুছলমান সৈন্যবিলাকক চিৰীয়া অভিমুখে আগবাঢ়িবলৈ নিৰ্দ্দেশ দিয়ে। ক্ৰীতদাসৰ ল'ৰা ওছামাৰ তলত সাধাৰণ সৈন্য হিচাপে যুদ্ধ কৰিবলৈ যাবলৈ ওমৰ, আবুবকৰৰ নিচিনা বয়সস্থ লোকসকলে প্ৰথমে অসন্মতি প্ৰকাশ কৰিব খুজিছিল যদিও, পাছত হজৰতৰ বুজনি মানি লৈ ওছামাকে সেনাপতি হিচাপে লৈ মুছলমানসকলে চিৰীয়া অভিযান আৰম্ভ কৰিলে।

কিন্তু এই ঘটনাৰ পিছ দিনাই মোহম্মদ অসুস্থ হৈ পৰিল। ইতিমধ্যে আয়েছাও কিছু অসুস্থ হৈ পৰিছিল। তথাপি মোহম্মদ আহি আয়েছাৰ লগতে থাকিবলৈ ল'লে।

মোহম্মদৰ অসুস্থতাৰ কথা জনাজনি হৈ পৰিল। খবৰ পাই জীয়েক আমিনাও বাবাকক চাবলৈ আহিল। দ্বিতীয় দিনা হজৰতৰ জ্বৰ আৰু পেটৰ বিষ বেছি হ'ল। খাইবাবৰ যুদ্ধৰ সময়ত তেওঁক যে, বিহ মিহলোৱা আহাৰ খাবলৈ দি হত্যা কৰিবৰ চেষ্টা কৰা হৈছিল ; সেই বিহৰে এতিয়া ক্ৰিয়া আৰম্ভ হৈছে বুলি হজৰতে ভাবিলে, তেওঁৰ ইচ্ছা মতেই তেওঁৰ মূৰত পানী ঢলা হ'ল— বিষ উপশমৰ কাৰণে— অসুস্থ হৈও হজৰতে নামাজ পঢ়িবলৈ মছজিদলৈ অহা যোৱা কৰি আছিল, আৰু নামাজৰ ইমামতি কৰিছিল। এদিন নামাজৰ অন্তত হজৰতে খোৎবাত ক'লে, "আল্লাই তেওঁৰ এজন বান্দাক সকলো সুখ সম্পদ দান কৰিবলৈ বিচাৰিলে। কিন্তু সি সেই দান নলৈ আল্লাকহে গ্ৰহণ কৰিলে।" কথাষাৰৰ তাৎপৰ্য্য উপলব্ধি কৰি আবু বকৰে কান্দি উঠিল। অন্য নামজীসকলে এই কান্দোনৰ কোনো কাৰণ বিচাৰি নাপালে। তেতিয়া হজৰতে ক'লে, "তোমালোকৰ ভিতৰত প্ৰেম আৰু ভক্তিৰ বিষয়ত আবু বককেই যদি শ্ৰেষ্ঠতম ব্যাক্তি বুলি বিবেচনা কৰো। আজিৰ পৰা এই মছজিদৰ অন্য সকলো দুৱাৰ বন্ধ থাকিব। কেৱল আবু বকৰৰ দুৱাৰহে খোলা থাকিব।"

হজৰতৰ স্বাস্থ্য পৰি আহিল। আকৌ এদিন বিবি আয়েছাৰ ঘৰত সমবেত লোকসকলক সম্বোধন কৰি তেওঁ ক'লে, "হে মুছলমান লোকসকল তোমালোকৰ ওপৰত শান্তি বৰ্ষিত হওক। আল্লাহ তোমালোকৰ ওপৰত সদয় আৰু প্ৰসন্ন হওক। তেওঁৰ কৃপাত তোমালোকৰ জীৱন আৰু কৰ্ম্ম সাফল্যমণ্ডিত হওক। তোমালোকক নিৰাপদে ৰাখক। আজিৰ পৰা কিয়ামতৰ দিন পৰ্য্যন্ত যিমান মুছলমান এই দুনিয়ালৈ আহিব, সেই সকলোলৈকে মই তোমালোকৰ যোগেদিয়ে মোৰ চালাম জনালো আৰু শুভইচ্ছা জনালো"।

আৰু এদিন তেওঁ ক'লে, " তোমালোকে যেন মোৰ কবৰৰ পূজা নকৰা। এনে পাপ কৰি পৃথিৱীৰ বহুত জাতি ধ্বংশ হ'ল।"

দিন বাগৰিল। চফৰৰ মাহ শেষ হৈ ৰবিউল আওৱল মাহ পালেহি, হজৰতৰ অৱস্থাৰ কোনো উন্নতি নহ'ল। সেই মাহৰ এঘাৰ তাৰিখৰ দিনা। সেইদিনা দেওবাৰ আছিল। ঈছাৰ নামাজ পঢ়িবৰ কাৰণে পানী বিচাৰি লৈ হজৰতে কোনোমতে অজু কৰিলে। তিনিবাৰ তেওঁ বহাৰ পৰা উঠিবৰ চেষ্টা কৰিলে, কিন্তু উঠিব নোৱাৰিলে। তেওঁৰ বৰ মূৰ ঘূৰাইছিল। নিজে ইমামতি

কৰিবলৈ যাব নোৱাৰি তেওঁ আবু বকৰকে ইমামতি কৰিবলৈ ক'লে। হজৰতক মছজিদৰ ভিতৰত নেদেখি তেওঁৰ কিবা হোৱা বুলি ভাবি মানুহবিলাকে উত্তেজিত হৈ উঠিল। এই কথা জানিব পাৰি দুজনৰ কান্ধত হাত থৈ হজৰত মছজিদৰ ভিতৰ পালেহি। কিন্তু তেওঁ নিজে ইমামতি কৰিবৰ চেষ্টা নকৰি আবু বকৰৰ কাষতে বহি নামাজ আদায় কৰিলে। নামাজ আবু বকৰেই পঢ়ালে।

নামাজৰ শেষত তেওঁ নামাজীসকলক সম্বোধন কৰি ক'লে— "মোৰ প্ৰিয় ভক্তসকল, মই তোমালোকক আল্লাৰ হাতত সমৰ্পণ কৰি গ'লো, তোমালোকে নিষ্ঠাৰে আল্লাৰ আদেশ পালন কৰিবাহক। তেতিয়া তেৱেঁই তোমালোকক ৰক্ষা কৰিব। বিদায়!"

হজৰতৰ কথা শুনি সকলোৰে চকু পানী ওলাল।

সেই ৰাতিটো বৰ কষ্টৰ মাজেদি অতিবাহিত হ'ল।

সেইদিনা সোমবাৰ আছিল। ফজৰ নামাজৰ আজাব শুনি হজৰতে উঠিবৰ চেষ্টা কৰিলে, কিন্তু উঠিব নোৱাৰিলে। তেতিয়া তেওঁ মছজিদৰ ফালৰ দুৱাৰখন খুলি দিবলৈ আয়েছাক ক'লে। প্ৰভাতৰ স্নিগ্ধ বতাহ বৈ আহিছিল। নামাজীসকলে নামাজ পৰিছিল। হজৰতে তেওঁলোকৰ ফালে চাই ৰৈ থাকিল।

হজৰতে ভাল পোৱা বুলি ধাৰণা কৰি আবু বকৰ, ওমৰ, আলি, ওচ্মান আদি লোকসকল নিজ নিজ কামত আঁতৰি গ'ল। ওচ্মায়ো আহি চিৰীয়ালৈ যুদ্ধ যাত্ৰা কৰিবৰ কাৰণে অনুমতি বিচাৰি ৰছুলৰ দোৱা ল'লে।

পিছবেলা হজৰতৰ পীড়া আৰৌ বৃদ্ধি পালে। বিবি আয়েছা আৰু উপস্থিত অন্যান্যসকল উদ্বিগ্ন হৈ উঠিল। খবৰ পাই ওমৰ আৰু অন্যান্যসকল দৌৰি আহিল। ৰছুলে ওমৰক কাগজ-কলম আনিবলৈ ক'লে। ওমৰে ক'লে—"কাগজ কলমৰ দৰকাৰ নাই। আল্লাৰ কালাম কোৰাণ আৰু আপোনাৰ আদৰ্শই আমাৰ সকলোৰে কাৰণে যথেষ্ট।"

এনে সময়তে আবু বকৰৰ পুতেক আবদুৰ ৰহমানে এডাল দাঁত মজা গছৰ ঠাৰি লৈ তাত ওলালহি। হজৰতে সেই দাতোনডালৰ ফালে চোৱা দেখি আয়েছাই দাতোনডাল হজৰতক দিলে। কিন্তু হজৰতে মুখত দি চাই সেই গছৰ ঠালটো বৰ টান পালে। তেতিয়া বিবি আয়েছাই দাতোনডাল চোবাই কোমল কৰি দিবনেকি সুধিলে। হজৰতে মূৰ দুপিয়াই সম্মতি জনালে। তাৰেঁই হজৰতে দাঁত মাজিলে।

তাৰ পিছত হজৰত মোহম্মদ অৱশ হৈ পৰিল। তাকে দেখি বিবি আয়েছাই তেওঁৰ মূৰটো বুকুত সুমুৱাই ল'লে আৰু হজৰতৰ হাত দুখন মোহাৰি দিব ধৰিলে। হজৰতে সৰুকৈ আয়েছাক তেওঁৰ হাত দুখন আঁতৰাবলৈ ক'লে। ক্ৰমে হজৰত মোহম্মদৰ নিশ্বাস প্ৰশ্বাস ক্ষীণ আৰু দুৰ্ব্বল হৈ আহিল। হজৰতে স্থিৰ চাৱনিৰে আকাশৰ ফালে চাই থাকিল। তেওঁৰ ওঠৰ পৰা গুণ-নুগুণ মাত ওলাই আহিল- "হে মহান বন্ধু... তোমাৰ ওচৰলৈ...

তাৰ পিছত নিস্তব্ধতা।

হজৰত মোহম্মদৰ প্ৰাণহীন দেহা, আয়েছাৰ কোলাৰ ওপৰত।

ইন্না লিল্লাহে ৱ ইন্না ইলেইহে ৰাজীউন....

নিশ্চয় সকলো আল্লাৰ কাৰণেই। আৰু সকলোৱেই তেওঁৰ ফালেই ঘূৰি যায়।

সেইদিনা আছিল ৬৩২ খ্ৰীষ্টাব্দৰ ৭ জুন তাৰিখ। সোমবাৰ। হিজৰী চন— একাদশ, ১২ ৰবিউল আওৱল।

৬৩ বছৰীয়া জীৱন-লীলা সামৰি মৰুৰ সন্তান হজৰত মোহম্মদ সৰ্ব্বকালৰ সৰ্ব্বমানৱৰ কাৰণে এক নতুন আশাৰ পোহৰৰ পথ ৰচনা কৰি, কালৰ বুকুত মানুহৰ কাৰণে শান্তি আৰু মুক্তিৰ পথ ৰচনা কৰি তেওঁৰ পৰম বন্ধুৰ ওচৰলৈ গুচি গ'লগৈ। সত্যৰ পথেদি শান্তিৰ ৰথেদি ধূলিৰ বুকুৰ পৰা আকাশৰ বুকুলৈ মানৱাত্মাৰ গতিপথ ৰচনা কৰাৰ দায়িত্ব পালন কৰি, হজৰত মোহম্মদৰ আত্মাই পৰমাত্মাত বিলীন হৈ যাবৰ কাৰণে নশ্বৰ মানৱ দেহা মাটিৰ বুকুত এৰি অবাস্তৱ পথত নতুন যাত্ৰা আৰম্ভ কৰিলে।

মাত্ৰ ৬৩ টা চমু বছৰৰ সংঘাতপূৰ্ণ জীৱনৰ মাজেদি বিশ্ব চৰাচৰৰ সৰ্ব্বকালৰ সৰ্ব্বলোকৰ কাৰণে এক ৰূপান্তৰৰ পথ ৰচনা কৰি, সত্য, ন্যায়, সৌন্দৰ্য্য, পবিত্ৰতা আৰু মানৱতাৰ নতুন দুৱাৰ মুকলি কৰি, মানৱ সভ্যতা আৰু সংস্কৃতিৰ এক যুগান্তকাৰী অধ্যায়ৰ ভিত্তি ৰচনা কৰি মহাপুৰুষ, পয়গম্বৰ, আল্লাৰ নবী আৰু ৰছুল মহা জীৱনৰ লগত নিজৰ নতুন সম্পৰ্ক ৰচনা কৰিলে।

হজৰত মোহম্মদৰ জীৱনাৱসানৰ শোকাবহ বাতৰি অলপ সময়ৰ ভিতৰতে চৌদিশে বিয়পি পৰিল। দূৰণিত থকা হজৰত আবু বকৰে বাতৰি পাই চুনহৰ পৰা আহি মদিনা পালেহি। হজৰত ওমৰো আহি বিবি আয়েছাৰ

ঘৰ ওলালহি। ঢাকি থোৱা হজৰতৰ প্ৰাণহীন, নিথৰ দেহাটো শুৱাই থোৱা আছিল। ওমৰে ৰছুলৰ মুখ ঢাকি থোৱা কাপোৰখন আঁতৰাই চালে। হজৰতৰ যেন মৃত্যু হোৱা নাই, তেওঁ যেন হাঁহি মুখে শুইহে আছে। ওমৰে হজৰতৰ মৃত্যুৰ কথাত বিশ্বাস কৰিব নোৱাৰি, বাহিৰ ওলাই আহি শোকাবিহ্বল, উত্তেজিত কণ্ঠেৰে, হাতত খোলা তৰোৱাল লৈ চিয়ঁৰি উঠিল, “কোনে কৈছে হজৰত ঢুকাইছে, হজৰত নাই ঢুকোৱা। হজৰত ঢুকাব নোৱাৰে। কোনোবাই যদি হজৰতৰ মৃত্যু হোৱা বুলি কয়, মই তাৰ শিৰচ্ছেদ কৰিম্- “ওমৰ উত্তেজিত আৰু বিহ্বল হৈ পৰিছিল।

এনে সময়তে হজৰত আবু বকৰ ভিতৰ সোমাই আহিল। মৰহুম ৰছুলৰ মুখ ঢাকি থোৱা কাপোৰখন আঁতৰাই তেওঁৰ প্ৰশান্ত মুখখনক চুমা খাই কৈ উঠিল— “জীয়াই থাকোতে যিমান সুন্দৰ আছিলা মৃত্যুৰ পিছতো তুমি সমানেই সুন্দৰ হৈ আছা। হে মৰমৰ বন্ধু, তুমি আজি সঁচাই আমাক এৰি থৈ গ'লা।”

তাৰ পিছত আবু বকৰ ওমৰৰ ওচৰলৈ আহিল আৰু বুজনি আৰু সান্ত্বনা দিবৰ কাৰণে ক'লে, “ওমৰ, আমাৰ প্ৰিয় ৰছুলৰ সঁচাই মৃত্যু হৈছে। ইয়াত অবিশ্বাস কৰিবলগীয়া বা আচৰিত হ'বলগীয়া একো নাই। আল্লাই জানো আমাৰ ৰছুললৈ ৱহী নাজিল কৰি যোৱা নাছিলঃ

“নিশ্চয় তোমাৰ মৃত্যু হ'ব আৰু অন্যান্য সকলোৰো মৃত্যু হ'ব।”

ওহূদ যুদ্ধৰ অন্তত জানো আমাৰ ৰছুললৈ আল্লাৰ বাণী অৱতীৰ্ণ হোৱা নাছিলঃ

“মোহম্মদ এজন আল্লাৰ ৰছুলহে, আন একো নহয়,” তেওঁৰ পূৰ্ব্বৰ ৰছুলসকলৰো মৃত্যু হৈছিল। মোহম্মদৰ যদি ৰণথলিতে মৃত্যু হয়, তেতিয়া জানো তোমালোক পূৰ্ব্বৰ অৱস্থালৈকে ঘূৰি যাব পাৰিবা।”

।সমবেত লোকসকলক সম্বোধন কৰি হজৰত আবু বকৰে জাননী দিলেঃ “অতদিন যিসকলে মোহম্মদৰ আনুগত্য স্বীকাৰ কৰি তেওঁৰ বন্দনা কৰিছিলা, সেইসকলক জনাও যে ৰছুলোল্লাৰ মৃত্যু হৈছে। আমাৰ নবী আৰু নাই। যিসকলে আল্লাৰ পূজা কৰে, সেইসকলে জানে যে, আল্লাৰ মৃত্যু নাই। তেওঁৰ হাইউল কাইয়ুম, তেওঁ চিৰ জীৱন্ত, চিৰন্তন।

‘ওমৰ ক্ষান্ত হ'ল।

ইয়াৰ পিছত আলোচনা হ'ল— হজৰতৰ মৃত্যুৰ পিছত মুছলমানৰ নেতা বা খলিফা কোন হ'ব। আলোচনাত মক্কাৰ মোহাজৰসকল আৰু মদিনাৰ আন্চাৰসকলে অংশ গ্রহণ কৰিলে। প্রথমে মদিনাবাসীসকলে মদিনাৰে ছাদবিন্ উবেইদাক নেতা পতাৰ চেষ্টা কৰিছিল, কিন্তু অৱশেষত সর্বসম্মতিক্রমে বয়োবৃদ্ধ আৰু হজৰতৰ অন্তৰঙ্গ আৰু বিশ্বস্ত অনুগামী হজৰত আবু বকৰকে খলিফা হিচাপে নির্বাচিত কৰিলে। ওমৰ, উবেইদা আদি নেতৃস্থানীয় মুছলমানসকলে এই সিদ্ধান্ত মানি ল'লে। অন্যান্যসকলেও আবু বকৰকে খলিফা বুলি স্বীকাৰ কৰি তেওঁৰ হাতত ধৰি আনুগত্য প্রকাশ কৰিলে।

তেতিয়া খলিফা হজৰত আবু বকৰে উপস্থিত লোকসকলক সম্বোধন কৰি ক'লে, "হে মুছলমানসকল, মই তোমালোকৰ মাজত শ্রেষ্ঠ নহওঁ, সেই কথা মই জানো। তথাপি তোমালোকৰ ইচ্ছাক শ্রদ্ধা জনাই মই খলিফাৰ গুৰু দায়িত্ব গ্রহণ কৰিছো। মই যদি বিপথে যাওঁ বা কিবা ভুল কৰো, তেন্তে তোমালোকে মোক শুধৰাই দিবা।

মনত ৰাখিবাহক যে, অসত্য বা দুষ্ট বুদ্ধিৰে কোনো জাতি ডাঙৰ হ'ব নোৱাৰে। এটা জাতিৰ শক্তি নিহিত থাকে তাৰ সততাত। যি জাতি ভয়াতুৰ, আত্ম প্রৱঞ্চক, আৰু যি জাতিয়ে নিজৰ মাজত বিভেদ সৃষ্টি কৰে সেই জাতিক আল্লাই দূৰলৈ খেদি পঠিয়াই। মই আশা কৰো তোমালোকে মুকলি মনেৰে মোৰ আদেশ-নির্দেশ মানি চলিবা। মই যিমানখিনি আল্লাহ আৰু ৰছুলক মানি চলো, তোমালোকেও মোৰ সিমানখিনি কথা মানি চলিবা বুলি আশা কৰিলো।"

ওচৰ আৰু দূৰ-দূৰণিৰ পৰা পুৰুষ-তিৰোতা, লৰা-বুঢ়া, ডেকা-গাভৰু, সকলো হজৰতক শেষ দেখা কৰিবৰ কাৰণে মদিনালৈ ঢপলিয়াই আহিল। সকলোৰে শেষ শ্রদ্ধা জনাব পৰাকৈ হজৰতৰ মৃতদেহ চৌবিশ ঘণ্টা ৰখাই থোৱা হ'ল। আগদিনা সোমবাৰে আবেলি হজৰতৰ মৃত্যু হৈছিল। পিছদিনা মঙ্গলবাৰে হজৰতৰ লাছ দফন বা সমাধিস্থ কৰা হ'ল।

হজৰতৰ মৃতদেহ ক'ত দফন কৰা হ'ব, এই বিষয় লৈও কিছু ভিন্নমতৰ উদ্ভৱ হৈছিল। কোনোৱে মছজিদুন্নবীৰ মিম্বৰৰ কাষতে কবৰ দিব লাগে বুলি মত প্রকাশ কৰিলে। কোনোবাই মিম্বৰৰ তলত দফন কৰিব লাগে বুলি ক'লে।

হজৰত আবু বকৰে নিজ মত ব্যাখ্যা কৰি সিদ্ধান্ত দিলে, যে হজৰত মোহম্মদে জীয়াই থাকোতে কৈছিল যে যি ঠাইতে পয়গম্বৰসকলৰ মৃত্যু হয়, সেই ঠাইতে তেওঁক দফন কৰিব লাগে। গতিকে যি ঠাইত তেওঁৰ মৃত্যু হৈছে আৰু যি ঠাইত তেওঁৰ প্ৰাণহীন দেহা ৰখা হৈছে, সেই ঠাইতে তেওঁৰ কবৰ দিব লাগে।

এই পৰামৰ্শ অনুসৰি বিবি আয়েছাৰ ঘৰৰ ভিতৰতে হজৰতৰ দেহা দফন কৰা হ'ল। শৱ সমাধিস্থ কৰাৰ পূৰ্ব্বে, জামাজাৰ নামাজৰ অন্তত হজৰত আবু বকৰে এনে ধৰণে মুনাজাত কৰি প্ৰাৰ্থনা জনালেঃ

"হে আল্লাৰ ৰছুল, তোমাৰ পৱিত্ৰ আত্মাৰ ওপৰত আল্লাৰ কৰুণা ৰছুমত বৰ্ষিত হওঁক, তুমি আল্লাৰ পৰা লাভ কৰা ঐশীবাণী যথাযথভাৱে আমালৈ আগবঢ়ালা। যেতিয়ালৈকে সত্যৰ জয় নহ'ল, তেতিয়ালৈকে তুমি জীৱন পণ কৰি জেহাদ কৰি, সংগ্ৰাম কৰি গ'লা। তুমি আমাক শিকালা যে আল্লাৰ বাহিৰে আন কোনো পূজাৰ যোগ্য নাই। সেই প্ৰত্যয় দি তুমি আমাক আমাৰ পূজ্য আল্লাৰ ওচৰ চপাই নিলা। তুমি ঈমানদাৰসকলৰ প্ৰতি সদায় সদয় আচৰণ কৰিলা। সকলোৰে মাজত আল্লাৰ সত্য ধৰ্ম্ম অক্লান্তভাৱে প্ৰচাৰ কৰাৰ কাৰণে তুমি কোনোদিন প্ৰতিদান বা পুৰস্কাৰ নিবিচাৰিলা। তুমি কাৰো ওচৰত ধৰ্ম্ম বিক্ৰীও নকৰিলা। তোমাৰ অমৰ আত্মাই আল্লাৰ অনন্ত কৰুণা লাভ কৰক। আমীন।"

এই সৰল প্ৰাৰ্থনাৰে খলিফা আবু বকৰে হজৰত মোহম্মদৰ ৰূহৰ মুক্তি আৰু শান্তি কামনা কৰিলে। তাৰ পিছত হজৰতৰ শ কবৰত থোৱা হ'ল, য'ত দূৰৰ পৰাই সেই মহান অমৰ আত্মাৰ পৱিত্ৰ নিশ্বাস আজিও জীৱন্ত হৈ আছে আৰু অনন্ত কাললৈ থাকিব। আজি সমগ্ৰ পৃথিৱীৰ কোটি কোটি মুছলমানে হজৰত ৰছুলৰ ৰোজা মোবাৰকত— পৱিত্ৰ সমাধিক্ষেত্ৰত চালাম জনাই জীৱন ধন্য কৰে। আচ্ছালামু আলাইকুম য়া ৰছুলোল্লাহ— আচ্ছালাম....

এইয়া মাত্ৰ এহেজাৰ চাৰিশ বাইশ বছৰ আগৰ এজন ইতিহাস প্ৰসিদ্ধ তেজ-মণ্ডহৰ মানুহৰ জীৱনৰ সঁচা কাহিনী। পৃথিৱীৰ মানুহৰ সভ্যতাৰ ইতিহাস আতোকৈ বহুতো পুৰণি। ইজিপ্তৰ, চীনৰ, ভূমধ্য সাগৰীয় অঞ্চলৰ, মধ্য প্ৰাচ্যৰ

আৰু ভাৰতৰ মানৱ সভ্যতাৰ ইতিহাস তাতোকৈ বহুত বেছি পুৰণি। বহু হেজাৰ বছৰ পূৰ্ব্বেই এইবোৰ ঠাইৰ সভ্যতা, সংস্কৃতিয়ে এক বিশিষ্ট ৰূপত গঢ় লৈ উঠিছিল। সেই সেই ঠাইৰ মানুহৰ অভিজ্ঞতা, পৰ্য্যবেক্ষণ, চিন্তা আৰু কাৰ্য্যই জীৱন ধাৰণ পদ্ধতিৰ, চিন্তাৰ কল্পনাৰ আৰু আদৰ্শৰ আৰু জীৱন দৰ্শনৰ এক প্ৰমূল্যৰ গঢ় দিছিল, আৰু তাৰে ভিত্তিত মানৱীয় সম্পৰ্কৰ সংহিতা ৰচনা কৰা হৈছিল। এই সভ্যতাবোৰৰ মূল আধাৰটোৱেই পৰৱৰ্ত্তী কালৰ পৃথিৱীৰ মানুহৰ জীৱনৰ ধ্যান-ধাৰণা, বিশ্বাস আৰু কৰ্ম্ম-পদ্ধতিৰ ভিত্তি হৈ আছিছে। কালক্ৰমত সেইকালৰ সত্যবোৰৰ লগত কল্পনা আৰু ভাৱালুতাই বাস্তৱ-অবাস্তৱক সানমিহলি কৰি ন ৰহণেৰে সজাই পৰাই তোলা এক বিশিষ্ট ৰূপ দি প্ৰাচীন সভ্যতাবোৰৰ আকৰ্ষণ বৃদ্ধি কৰিছে। আদিম মানুহৰ কল্পনা শক্তিয়ে সৃষ্টি-ৰহস্য আৰু জীৱন-ৰহস্যৰ যিবোৰ ব্যাখ্যাৰ উদ্ভাৱন কৰিছিল, সেইবোৰৰ মাজত লৌকিক-অলৌকিক, বাস্তৱ-অবাস্তৱ সকলো একাকাৰ হৈ পৰিছিল। তাৰ মাজেদিয়েই প্ৰাচীন মানুহৰ স্বাভাৱিক সৃজনী শক্তি আৰু উদ্ভাৱন প্ৰক্ৰিয়াই জন্ম দিছিল আবেদনশীল সমৃদ্ধ ভাষাৰ, সঙ্গীতৰ, চিত্ৰকলাৰ, ভাস্কৰ্য্যৰ আৰু পদ্ধতিভিত্তিক জীৱন দৰ্শনৰ, আৰু তাৰেই আধাৰত গঢ়ি উঠিছিল মানৱ সভ্যতাৰ বিশিষ্ট অৱদান— মানুহৰ লগত মানুহৰ সম্পৰ্ক নিৰ্ণয় কৰাৰ সুস্থ মানসিকতা। সভ্যতাৰ চেতনাই মানুহক আদিম, বন্য নিৰ্ব্বিচাৰ প্ৰাকৃতিক জীৱন-যাপন ৰীতি-পদ্ধতিৰ পৰা উৰ্ধ্বলৈ উঠাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ শিকায়। সেয়ে অতীতৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ আধাৰতে গঢ়ি উঠিলেও মানৱ সভ্যতাই যুগৰ সত্যক স্বীকাৰ কৰি লৈ নতুন দৃষ্টিভঙ্গী আৰু আদৰ্শেৰে মানৱ সম্পৰ্কৰ ৰূপ দিয়াৰ প্ৰয়োজন উপলব্ধি কৰায়। যুগৰ পৰিৱৰ্ত্তনৰ ফলত পূৰ্ব্বৰ কিছুমান ধ্যান-ধাৰণা আৰু ৰীতি-পদ্ধতি অপ্ৰাসঙ্গিক আৰু অপ্ৰয়োজনীয় হৈ পৰে। আৰু তাৰ ঠাইত কিছুমান নতুন মূল্যবোধ প্ৰাসঙ্গিক আৰু অপৰিহাৰ্য্য হৈ পৰে। প্ৰাচীন সভ্যতা-সংস্কৃতিৰ লক্ষণবোৰলৈ চকু দিলে তাত মানুহতকৈ অতি-মানুহৰ বা দেৱ-দেৱী, অসুৰ, ভূত-প্ৰেত, ৰাক্ষস, অপ্সৰা আদিৰ প্ৰাধান্য আৰু গুৰুত্ব লক্ষ্য কৰা যায়। দৃশ্যতকৈ অদৃশ্যৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ বুলি গণ্য হোৱা দেখা যায়। দেৱ-দেৱীৰ শক্তি আৰু মাহাত্ম্যৰ তুলনাত মানুহৰ শক্তি-সামৰ্থ্য অতিকে সীমিত যেন ধাৰণা হয়। লৌকিকতকৈ অলৌকিকতাৰ

প্ৰাধান্য অধিক দেখা যায়। সাধাৰণ পুৰুষ-নাৰীয়ে সম্পন্ন কৰিব নোৱৰা, বা সম্পন্ন কৰিব নোৱাৰিব বুলি ভবা কামবোৰ যি সম্পন্ন কৰিব পাৰিছিল, তাকে অতি-মানৱ বা দেৱতা বা দেৱী বুলি গণ্য কৰি শ্ৰদ্ধা সন্মান দেখুওৱাৰ ৰীতি গঢ়ি উঠিছিল। অতিলৌকিকতাৰ ধাৰণাই অধিক গুৰুত্ব লাভ কৰাৰ ফলত এনেবোৰ ধাৰণাৰ আশ্ৰয়তে নানা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ উদ্ভৱ হৈছিল। যুগ যুগৰ মাজেদি এনে ধৰণৰ কিছুমান অন্ধ বিশ্বাসে এনে দৃঢ়ভাৱে একোখন সমাজৰ ভাব জগতত ঠাই কৰি লৈছিল যে সেইবোৰৰ সত্যাসত্য বিচাৰ কৰাটোও অবাঞ্ছনীয় বা নীতিবিৰুদ্ধ বুলি ধৰাৰ মানসিকতাও গঢ়ি উঠিছিল। এনে কিছুমান ধাৰণা আৰু লোক-বিশ্বাস আজিও জীয়াই আছে, আৰু সেইবোৰে আজিৰ মানুহৰ দৈনন্দিন জীৱনৰ সমস্যা সমাধান কৰাত সহায় আগ নবঢ়ায় যদিও, সেইবোৰ সম্পূৰ্ণ বাদ দি দিবলৈ বহু মানুহে আজিও সাহস গোটাব পৰা নাই। কিছুমান এনে ধ্যান-ধাৰণা আৰু বিশ্বাসৰ প্ৰাচীনতাকো ইয়াৰ গুণ বা শক্তি বুলি বিবেচনা কৰা হৈছিল, আৰু সেইবোৰ ক্ষেত্ৰত নতুন ধ্যান-ধাৰণাৰ উদ্ভৱ হ'লেও সেই সম্পৰ্কীয় গতানুগতিক প্ৰাচীন ধ্যান-ধাৰণাক বৰ্জ্জন কৰিবলৈ সমাজে সাহস গোটাব নোৱাৰে। অখণ্ডনীয় বুলি বিবেচিত এনে কিছুমান মানসিক সংস্কাৰ আৰু লোক-বিশ্বাসে বহু সময়ত ধৰ্ম্ম ৰূপেও মান্যতা লাভ কৰে। এনেবোৰ সংস্কাৰৰ ভিত্তি কেতিয়াবা এনে দৃঢ় আৰু মজবুত হৈ পৰে যে, সেইবোৰ আঁতৰাবৰ কাৰণে সাধাৰণ যুক্তিতৰ্ক যথেষ্ট নহয়, আৰু তাৰ কাৰণে গণ-চেতনা জাগ্ৰত কৰি সিবোৰৰ বিপৰীতে যুদ্ধ কৰাৰ প্ৰয়োজন হয়। ইয়াৰ ফলত জনবিশ্বাস আৰু পৰম্পৰাগত দৃষ্টিভঙ্গী আৰু নতুন চিন্তা আৰু উপলব্ধিৰ মাজত সংঘাতৰ সৃষ্টি হয়। নতুন সত্যৰ উপলব্ধিৰ ভিত্তিত প্ৰাচীন জনবিশ্বাসৰ ৰূপান্তৰ সাধন সম্পাদন কৰিবৰ কাৰণে প্ৰত্যয়যোগ্য যুক্তি আৰু অবিৰাম আপোচহীন সংগ্ৰাম চলাই যাব পৰা অবিচলিত নেতৃত্বৰ প্ৰয়োজন হয়। এনে সাৰ্ব্বিক ৰূপান্তৰৰ অভিযানত সফল হ'ব লাগিলে ইয়াৰ নেতৃত্বই কায়মনোবাক্যে সঙ্কল্পৰ বাস্তৱ ৰূপায়ণৰ কাৰণে আত্মোৎসৰ্গ কৰিবলৈ নিজৰ জীৱন আগবঢ়াবলগীয়া হয়। আৰু কৰ্ম্ম আৰু নিজৰ জীৱনৰ আদৰ্শেৰে সমাজক উদ্বুদ্ধ কৰিবলৈ দৃঢ় আৰু অবিচলিতভাৱে আগুৱাই যাবলগীয়া হয়।

এনে এক দুৰূহ পথেৰেই হজৰত মোহম্মদ আগবাঢ়িবলগীয়া হৈছিল

সেই সময়ৰ আৰৱবাসীসকলক পুৰণি ধ্যান-ধাৰণা আৰু প্ৰত্যয় বিসৰ্জ্জন দি এক নতুন জীৱন-দৰ্শনৰ অনুগামী হ'বৰ কাৰণে, বিশ্ব-জগতৰ লগত আৰু মানুহৰ লগত নতুন সম্পৰ্ক ৰচনা কৰিবৰ কাৰণে। হাজাৰ হাজাৰ বছৰৰ পুৰণি ধাৰণা, আদৰ্শ আৰু মানসিকতা বিসৰ্জ্জন দি এক নতুন মানৱতাবাদ, একেশ্বৰবাদ, সাম্যবাদ আৰু যুক্তিবাদ গ্ৰহণ কৰিবৰ কাৰণে তেতিয়াৰ আৰৱবাসীসকল অকণো প্ৰস্তুত নাছিল। তাতে গোষ্ঠী মৰ্য্যাদা, জাতীয় অভিমান, উচ্চাত্মিকাবোধক জীয়াই থকাৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰি অহা সেই লোকসকলৰ সন্মুখত আৰবৰ এজন অখ্যাত, নিৰক্ষৰ, দৰিদ্ৰলোকে নতুন পথৰ ছবি দাঙি ধৰি সেই পথেৰে খোজ দিবলৈ আহ্বান জনোৱা দুঃ সাহসক এক অবাঞ্চনীয় প্ৰত্যাহ্বান বুলি বিবেচনা কৰাটোত আচৰিত হ'বলগীয়া নাই। হজৰত মোহম্মদে যিদৰে নিজৰ সৰ্ব্বস্ব পণ কৰি নতুন সত্যৰ পথলৈ সকলোকে আহ্বান কৰাকে তেওঁৰ জীৱনৰ পৰম আৰু চৰম লক্ষ্য বুলি লৈছিল, সেইদৰে এনে নতুনত্বক বাধা দিয়াটোক আৰৱবাসীয়ে তেওঁলোকৰ ধৰ্ম্ম ৰক্ষা আৰু মৰ্য্যাদা ৰক্ষাৰ কাৰণে নিজ কৰ্তব্য বুলি বিবেচনা কৰিছিল। তাতেই সংঘাটৰ উদ্ভৱ হৈছিল। এফালে সত্যৰ সাধক নিঃসঙ্গ এক আদৰ্শবাহী দৃঢ় নেতা সংস্কাৰক, আনহাতে হাজাৰ হাজাৰ তেওঁৰ বিৰোধী। হজৰত মোহম্মদৰ শক্তিৰ মূলত আছিল— তেওঁ উপলব্ধি কৰা সত্যৰ কাৰণে প্ৰাণাহুতি দিয়াৰ তেওঁৰ অবিচলিত সংকল্প। আনহাতে তেওঁৰ বিৰোধী শিবিৰৰ আছিল জনবল, ধনবল, আৰু বিৰোধ ৰচনাৰ বুদ্ধি কৌশল। এই পৰিস্থিতিৰ স্বৰূপ উপলব্ধি কৰিয়েই অস্ত্ৰশক্তিৰে প্ৰতিপক্ষৰ লগত যুদ্ধ কৰাৰ পথ পৰিহাৰ কৰি, যুক্তিৰে আৰু শান্তিৰ অব্যৰ্থ আৰু অকপট আহ্বানেৰে তেওঁ সত্য প্ৰতিষ্ঠাৰ কাৰণে সংগ্ৰামত ব্ৰতী হৈছিল। এই পন্থা আছিল সশস্ত্ৰ যুদ্ধতকৈও কঠিন এক ব্যৱস্থা, কিন্তু অশান্তিক শান্তিৰে, অসত্যক সত্যেৰে, পৌত্তলিকতা আৰু বহু ঈশ্বৰবাদক, এক নিৰাকাৰ, চিৰন্তন সত্তাৰ ওচৰত, আত্মসমৰ্পণৰ নতুন আদৰ্শেৰে আৰু পশুশক্তিক মানৱীয়তাৰে জয় কৰাৰ অভূতপূৰ্ব্ব সংগ্ৰামত জীৱনৰ সকলো কৰ্ম্ম আৰু চিন্তাক নিয়োগ কৰি হজৰত মোহম্মদে তেওঁৰ সমসাময়িক কালৰ আৰৱ সমাজখনৰ কাৰণেই নহয়, সৰ্ব্বদেশৰ, সৰ্ব্বকালৰ সকলো মানুহৰ কাৰণে মুক্তি আৰু শান্তিৰ এক শক্তিশালী ভিত্তি স্থাপন কৰি থৈ গ'ল।

ইয়াৰেই নাম ইছলাম।

অন্য ধৰ্ম্মৰ নিচিনাকৈ এই ধৰ্ম্মৰ নামকৰণ ইয়াৰ উদ্ভাৱক বা প্ৰবৰ্ত্তকৰ নামেৰে হোৱা নাই। যীশু খ্ৰীষ্টৰ নামেৰে খ্ৰীষ্টান ধৰ্ম্ম, জাৰাথুষ্ট্ৰৰ নামেৰে জোৰোৱাষ্ট্ৰিয়ান ধৰ্ম্ম, গৌতম বুদ্ধৰ নামেৰে বুদ্ধ ধৰ্ম্ম, কনফুচিয়াছৰ নামেৰে কনফুচিয়ান ধৰ্ম্ম বা ভাৰতৰ সিন্ধু-বা হিন্দু নদীৰ আশে পাশে বিকাশ লাভ কৰা হিন্দু ধৰ্ম্মৰ নিচিনাকৈ, হজৰত মোহম্মদে প্ৰবৰ্ত্তন কৰা ধৰ্ম্মটোৰ নাম মোহম্মদী ধৰ্ম্ম বা মুহম্মদানিজম্ নহয়, এই ধৰ্ম্মৰ নাম ইছলাম বা শান্তি। ইছলাম শব্দৰ অৰ্থ আৰু তাৎপৰ্য্য অতি ব্যাপক আৰু ই কোনো দেশ কালৰ সীমাত সীমাবদ্ধ নহয়। আনুষ্ঠানিকতাতকৈ এই ধৰ্ম্মৰ মূল ভিত্তি কিছুমান আদৰ্শগত তত্ত্ব আৰু সত্যৰ ওপৰতহে প্ৰতিষ্ঠিত।

স্ৰষ্টাৰ একত্ব (তওহীদ), নিৰাকাৰ সত্তা বা বিমূৰ্ত্ততা, সেই সত্তাৰ কৰুণাময়, প্ৰেমময় আৰু ক্ষমাশীল গুণৰ ওপৰত দ্বিধাহীন বিশ্বাস, সেই অস্তিত্বৰ স্থান-কালৰ উৰ্ধ্বত অৱস্থানৰ ওপৰত বিশ্বাস ইছলামৰ আল্লাহ্ বা স্ৰষ্টা সম্পৰ্কীয় ধাৰণাৰ এক মূল ভিত্তি। পৃথিৱীৰ যি কোনো যুগৰ, যি কোনো মানুহে এই বিশ্বাসেৰে, নিজৰ ধৰ্ম্মীয় জীৱন যাপন কৰিব পাৰে। বদান্যতা, উদাৰতা, ভ্ৰাতৃত্ব আৰু সহনশীলতাৰে মানুহৰ লগত মানুহৰ সম্পৰ্ক নিৰ্ণয় কৰা। ইয়াত জাতি, ধৰ্ম্ম, গোষ্ঠী, ভাষা, জন্মগত পৰিচয়ে কোনো অনৈক্য বা প্ৰতিবন্ধকৰ সৃষ্টি নকৰে। বিবেকসম্পন্ন এক দেহধাৰী প্ৰাণী হিচাপে মানুহে নিজৰ প্ৰবৃত্তিসমূহৰ সংযত আৰু মানৱোচিত ব্যৱহাৰ কৰিবলৈ শিকাটোও ধৰ্ম্মৰ ভিতৰুৱা কথা।

দানৰ স্বীকৃতি আৰু উপকাৰ কৰোতাজনৰ প্ৰতি, অপৰাধ ক্ষমা কৰোতাজনৰ প্ৰতি উদাৰচিত্তে কৃতজ্ঞতা স্বীকাৰ কৰাটোও মানৱ সম্পৰ্ক উন্নত কৰাৰ এক সহজ উপায়। এই জীৱনৰ কাৰ্য্যকলাপৰ যথাযোগ্য পৰিণাম লাভৰ ওপৰত বিশ্বাস ৰখাটোও এক ধৰ্ম্মবিশ্বাসৰ কথা।

ধৰ্ম্মৰ নামত বা ধৰ্ম্মৰ কাৰণে আনৰ ওপৰত কোনো জোৰ-জবৰদস্তি বা শক্তি প্ৰয়োগৰ থল নাই। তোমাৰ কাৰণে তোমাৰ ধৰ্ম্ম আৰু মোৰ কাৰণে মোৰ ধৰ্ম্ম। কিন্তু কোনো অলীক ধাৰণা, যুক্তিহীন কু-সংস্কাৰ আৰু মানুহৰ জ্ঞানবুদ্ধি আৰু বিবেকক ক্ষুণ্ণ কৰা ধ্যান-ধাৰণা আৰু আচাৰ-নীতিৰ পৰা

সত্য, ন্যায়, শান্তি আৰু মানৱতাৰ শুদ্ধ পথলৈ আহ্বান জনোৱাৰ অধিকাৰ সকলোৰে আছে। সত্য আৰু শান্তি ৰক্ষাৰ কাৰণে ইয়াৰ শত্ৰুবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰাটো অসমীচীন নহয়, যদিহে তেনে ধৰ্ম্মযুদ্ধত কোনো ব্যক্তিগত স্বাৰ্থ বা প্ৰতিশোধৰ মনোভাব বা নিজস্ব প্ৰতিপত্তি বিস্তাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ আকাঙ্খা জড়িত নেথাকে।

হজৰত মোহম্মদ ইছলামৰ সত্য প্ৰচাৰ কৰিবলৈ গৈ ৰছুলৰ কৰ্ত্তব্য পালনৰ দায়িত্ব সম্পৰ্কে সচেতন হোৱাৰ দিন ধৰি তেওঁ ইছলাম-বিৰোধী শক্তিবোৰৰ লগত যুঁজিবলগীয়া হৈছিল। নিজৰ প্ৰভাৱ প্ৰতিপত্তি, ধন-ঐশ্বৰ্য্য, ৰাজ্য-সাম্ৰাজ্য বা খ্যাতি-যশস্যা প্ৰতিষ্ঠা বা বিস্তাৰৰ কাৰণে নহয়, যুঁজিবলগীয়া হৈছিল সত্য প্ৰতিষ্ঠাৰ কাৰণে, কাৰণ সেই সময়ত নতুন সত্যৰ একমাত্ৰ প্ৰতিনিধি আৰু নেতৃস্থানীয় প্ৰবক্তা আছিল, হজৰত মোহম্মদ।

ইছলামে মানুহৰ জীৱনৰ লগত সম্পৰ্কিত বহু কথাৰ নতুন মূল্যায়ন কৰিলে। নাৰীৰ মৰ্য্যাদা আৰু অধিকাৰ প্ৰতিষ্ঠা কৰিলে, স্বেচ্ছাচাৰ আৰু নৈৰাজ্যবাদৰ ঠাইত নৈতিকতা আৰু ন্যায়ৰ ভিত্তিত আইনৰ শাসন প্ৰৱৰ্ত্তন কৰিলে। বৰ্ব্বৰ আৰু অমানুষিক দাস প্ৰথা নোহোৱা কৰিলে। মানুহৰ শ্ৰমক উচ্চ মৰ্য্যাদা দান কৰিলে। ভৌগোলিক, ভাষিক, বৰ্ণভিত্তিক, লোকাচাৰ ভিত্তিক পাৰ্থক্যৰ গুৰুত্ব নোহোৱা কৰি, সমতাৰ ভিত্তিত, মানৱতাৰ ভিত্তিত আৰু মানুহৰ সম্ভাৱনাৰ স্বীকৃতি আৰু মৰ্য্যাদাৰ ভিত্তিত সকলো মানুহৰ আত্মিক, আধ্যাত্মিক আৰু বৌদ্ধিক উত্তৰণৰ সম্ভাৱনীয়তাক সন্মান জনোৱাৰ এটা বিশ্বজনীন পৰিবেশ ৰচনা কৰিবৰ কাৰণে ইছলামে বিশ্বমানৱৰ প্ৰতি আহ্বান জনালে। হজৰত মোহম্মদ নামে এজন সাধকে, বিশ্বমানৱৰ মুক্তিৰ কাৰণে সহজ, স্বাভাৱিক আৰু যুক্তিসিদ্ধ এক নতুন পথ ৰচনা কৰিলে। ইছলাম ধৰ্ম্ম মোহম্মদৰ ধৰ্ম্ম বা আৰবৰ ধৰ্ম্ম বা খ্ৰীষ্টীয় সপ্তম-অষ্টম শতিকাৰ এক ধৰ্ম্ম-বিশেষ হৈ নেথাকি, পৃথিৱীৰ সকলো দেশৰ, সকলো যুগৰ, সকলো মানুহকে সামৰি ল'ব পৰা এক বিশ্ব ধৰ্ম্মৰূপে, গঢ় লৈ উঠিল। ইয়াৰ উদাৰতা, গতিশীলতা আৰু সাৰ্ব্বজনীনতা জ্ঞান-বিজ্ঞানৰ নতুন সত্যক স্বীকৃতি দিয়াৰ এক সচাৰ-কাঠি বুলি বিবেচিত হ'ল।

ইছলাম ধৰ্ম্মই মানৱজীৱনৰ সকলো ক্ষেত্ৰতে সামাজিক, অৰ্থনৈতিক,

ৰাজনৈতিক, বৌদ্ধিক, আধ্যাত্মিক, সাংস্কৃতিক— সকলো ক্ষেত্ৰতে যি বৈপ্লৱিক ৰূপান্তৰৰ কাৰ্যকৰী আঁচনি দাঙি ধৰিলে সেই আঁচনিৰ প্ৰাসঙ্গিকতা আৰু প্ৰয়োজনীয়তা দিনে দিনে বৃদ্ধি পাইছে, আৰু ইছলামে প্ৰতিষ্ঠা কৰা মানবীয়, প্ৰমূল্যবোধৰ মূল্যায়ন অবিৰতভাৱে চলি আছে। হজৰত মোহম্মদৰ জীৱন কথাৰ লগতে তেওঁ বিশ্ববাসীলৈ আগবঢ়াই থৈ যোৱা বৈপ্লৱিক ৰূপান্তৰ সাধনৰ কিছু আভাস দিয়াৰ বিনম্ৰ প্ৰয়াস ইয়াৰ পিছৰ ভাগত আগবঢ়োৱা হৈছে।

সত্যৰ পথেৰে শান্তিৰ ৰথেৰে এজন পথিকে তেওঁৰ অক্লান্ত শ্ৰম, অটল আত্মবিশ্বাস, ধৈৰ্য্য আৰু দূৰদৰ্শিতাৰে বিশ্ব-মানৱক পৰিচালিত কৰাৰ গুৰু দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ মাজেদি মানুহৰ অসীম সম্ভাৱনাৰ যি ইতিহাস ৰচনা কৰিলে তাৰ সম্পূৰ্ণ কাহিনী দাঙি ধৰাটো আমাৰ নিচিনা সীমিত জ্ঞান-বুদ্ধিৰ মানুহৰ সামৰ্থ্যৰ বাহিৰৰ কথা। অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ কাৰণে বিনীতভাৱে আল্লাহ্ ৰছুল আৰু সকলো মানুহৰ ওচৰত নতজানু হৈ ক্ষমা বিচাৰিছো। আৰু ইছলামৰ বিভিন্ন দিশৰ বিষয়ে কৰা আলোচনা যাতে আমাৰ গুণগ্ৰাহী ৰাইজৰ হাতত সোনকালে তুলি দিব পাৰো তাৰ কাৰণে সকলোৰে দোৱা আৰু আশীৰ্বাদ বিচাৰিছো।

ৰছুলৰ জীৱন-কাহিনীৰ এইটো খণ্ডৰ ইয়াতে সামৰণি মৰা হ'ল।

আমীন